# *Golden Jubilee Souvenir - 2018-19*

# BIJNI COLLEGE




**Chief Editor : Dr. P. Bayan**

# Souvenir

*Golden Jubilee : 2018-19*

# BIJNI COLLEGE, BIJNI

## Chirang, BTAD (Assam)

*Chief Editor*

**Dr. Pramathesh Bayan**

# Souvenir

## Golden Jubilee : 2018-19

# BIJNI COLLEGE, BIJNI

Published on February, 2020

**EDITORIAL BOARD**

| | | |
|---|---|---|
| Advisor | : | Kamalshing Narzary |
| President | : | Dr. Birhash Giri Basumatary |
| Chief Editor | : | Dr. Pramathesh Bayan |
| Editors | : | Nandita Das, Dr. Gwgwm Brahma Kochary, Dr. Apu Guha Thakurta, Dr. Arup Sarkar |
| Members | : | Iswar Chandra Deka, Saroj Kumar Pasayat, Ranjit Kumar Barman, Dr. Urmila Poddar, Swapna Saha , Anukampa Patowary, Prasanta Kumar Barman, Binika Goyary , Priyanka Basumatary, Sanshri Basumatary, Karuna Kanta Ray, Literary Secretary, Bijni College Student Union |


Cover & Design :
Pradip Ch. Barua

Printed at :
N L Publications
Panbazar, Guwahati-1
Mob : 94350-11174
e-mail : [illegible]

# Tribute

*On this historic occasion of our Golden Jubilee, we feel immensely privileged to offer our highest obeisance to the Immortal Souls who had lived for our wonderful motherland and enriched our experiences in it.*

*We also expressed our deepest regards for those Founding Fathers and Patrons of this College, living in the heavenly abode, without whose farsighted vision and untiring endeavours, this institution would not have come into being.*

*We solemnly seize this opportunity to show our profound gratitude and appreciation for those Administrators, Teachers and Non-Teaching members of our College, who have departed from our midst, for their sincere involvement and devotion to duty in all affairs of the College.*

*The College will ever remember all of them for they have become a part of its very spirit.*

ırbananda Sonowal

Chief Minister, Assam
Guwahati

सत्यमेव जयते

Dispur
28.11.2019



# Message

I am happy to know that Bijni College is celebrating its Golden Jubilee Year in the year 2018-19 and a Souvenir is being published synchronising with the concluding ceremony of Golden Jubilee from 22nd to 23rd December, 2019.

As the College was established with the sole aim of providing quality higher education to the students of a large area in Bijni; it is a matter of great pride that Bijni College has continuously achieved its objective of guiding the yound minds through their formative years and shaping their lives.

I extend my best wishes to all the stakeholders of Bijni College on this special occasion of publishing the Golden Jubilee Celebration Souvenir Magazine that would record the glorious journey of the institute and also act as a guiding light for the future. I hope this souvenir would help cherish the joyous moments and preserve the success stories created by the College.

(SARBANANDA SONOWAL)

ড° হিমন্ত বিশ্ব শৰ্মা, এল এল বি
মন্ত্ৰী, অসম

সত্যমেব জয়তে

বিত্ত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ
ৰূপান্তৰণ আৰু উন্নয়ণ, গড়কাপ্তানি বিভাগ



# শুভেচ্ছাবাণী

বিজনী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানটি অহা ২২ আৰু ২৩ ডিচেম্বৰ, ২০১৯ ইং তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব বুলি জানিবলৈ পাই অতিকৈ আনন্দিত হৈছো। মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি উৎসৱৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশ পাব বুলি জানিও সুখী হৈছো। এই প্ৰচেষ্টা আদৰণীয়।

এখন শিক্ষানুষ্ঠানে প্ৰতিষ্ঠাৰ **পঞ্চাশ** বছৰ অতিক্ৰম কৰাটো আমাৰ বাবে অতি গৌৰৱৰ কথা। জাতিৰ পিতা মহাত্মা গান্ধীৰ মতে, 'শিক্ষা হৈছে শিশু আৰু মানৱ' শৰীৰত মন আৰু আত্মাত অংকিত সৰ্বোত্তমৰ এক সৰ্বাত্মক প্ৰতিচ্ছৱি। বিজনী মহাবিদ্যালয়ে প্ৰতিষ্ঠা কালৰে পৰা মানৱ সম্পদ সৃষ্টিত অৰিহণা যোগাই আহিছে বুলি জানিব পাৰিছো আৰু শিক্ষানুষ্ঠানখনে ভৱিষ্যতলৈও নতুন উদ্যমেৰে অধিক সবল ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিলোঁ। আশা ৰাখিছো সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানে শিক্ষানুষ্ঠানখনৰ বিগত সময়ছোৱাৰ বৰ্ণাঢ্য যাত্ৰাৰ বিভিন্ন দিশ বিশ্লেষণৰ লগতে অনাগত দিনসমূহত শিক্ষাৰ জ্যোতি বিলোৱাৰ ক্ষেত্ৰত অধিক কৰ্মতৎপৰতাৰে অগ্ৰসৰ হ'বলৈ সংশ্লিষ্ট সকলোকে অনুপ্ৰাণিত কৰিব।

সদৌ শেষত বিজনী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি অনুষ্ঠানৰ সকলো কাৰ্যসূচীৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে স্মৃতিগ্ৰন্থখনে পঢ়ুৱৈ সমাজৰ পৰা যথোচিত সমাদৰ লাভ কৰিব বুলি আশা প্ৰকাশ কৰিলোঁ।

(ড° হিমন্ত বিশ্ব শৰ্মা)

ই-ব্লক, তৃতীয় মহলা, জনতা ভৱন, দিছপুৰ, গুৱাহাটী - ৭৮১০০৬ (অসম)
দূৰভাষ নং: (০৩৬১) ২২৩৭৩১৫, ফেঃ (০৩৬১) ২২৩৭০১২
ই-মেইল : himantab@hotmail com / himantabsarmaoffice@gmail com

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য
**Siddhartha Bhattacharya, MA, LLB**
**Cabinet Minister**
Department of Education
Guwahati Development Department
Department of Law and Justice
Government of Assam

सत्यमेव जयते

Block-D, 4th Floor,
Assam Secretariat, Dispur,
Guwahati-781006, Assam
Tel. No. 0361-2237267
Mobile No. 94350-10789
e-mail:siddharthabhatta@gmail.com
ministeredu26@gmail.com



# Message

It gives me immense pleasure to know that Bijni College, one of the premier institutions of higher education in western Assam, has completed 50 long and glorious years of its establishment. At this juncture I would like to congratulate the entire college fraternity including its past and present academic staff, administrative staff, the alumni and the students.

It takes a lot of hard work and effort in building an educational institution. Not only do the people working there but also the entire community contribute to a great extent in bringing glory to the institution. The journey of 50 years for Bijni College must have been full of experiences which are worth sharing. That is why, the initiative to bring out a souvenir commemorating the closing ceremony of the Golden Jubilee celebrations this year, is indeed very noble and essential. I hope that the souvenir would highlight the progress of the institution since its inception and would also throw light upon the contributions it has made towards the academic and socio-cultural sphere of the region.

Once again I would like to congratulate the Bijni College fraternity and convey my best wishes for a colourful celebration of the closing ceremony of its Golden Jubilee. I wish that, in its journey towards building human resource, the college continues to add more feathers in its cap of achievements.

(Siddhartha Bhattacharya)

**Sri Hagrama Mohilary**
*Chief*
*Bodolande Territorial Council*

सत्यमेव जयते

**Bodoland Territorial Council**
Bodofa Nwgwr, Kokrajhar - 783370
Phone : 03661 - 270706 (O)
270766 (O) 276461 (R)
Fax : 03661 - 271800
website : www.bodoland.in

*Ref. No.* ............................ *Date*......30/11/2019..........



## Message

I am glad to know that the Bijni College is celebrating Golden Jubilee on completion of 50 years working day from its inception. And the closing ceremony for Golden Jubilee has scheduled on 22nd and 23rd of December 2019 and to commemorate the historic event the editorial board is bringing out a souvenir for last 50 years memorable events.

And I hope, the souvenir will inspire young writers to express their thoughts and ideas through practice of creative writings and it will reflect the socio-cultural and educational development of the society as contributed by the college.

I extend heartiest greetings and wish grand success of the celebration.

(Hagrama Mohilary)
Chief, BTC

গুৱাহাটী বিশ্ববিদ্যালয়
**GAUHATI UNIVERSITY**

Prof. Pratap Jyoti Handique
Vice Chancellor
Phone +91-361-2570412 (O), 2570408 (R)
Fax +91-361-2675515
E-mail ID vc@gauhati.ac.in
pjhandique@rediffmail.com



## Message

It gives me immense pleasure to know that Bijni College, Bijni is going to celebrate its closing ceremony of Golden Jubilee on 22nd and 23rd December, 2019.

I appreciate the decision of the organizing committee to bring out a Souvenir on the occasion. Besides adding more value to the celebration, this Souvenir will hopefully carry ideas and opinions that will enlighten and influence the readers in a positive way. Moreover, I hope that the publication will offer a platform for expressing diverse thoughts and presenting creativity at its best.

I wish all success in their mission and hope the Souvenir will be well accepted by the readers.

Date : 14.11.2019 (P.J. Handique)

Address : Gopinath Bardoloi Nagar, Jalukbari, Guwahati 781014, Assam, India
Phone : 0361 257 0412
Web : www.gauhati.ac.in

OFFICE OF THE VICE-CHANCELLOR : BODOLAND UNIVERSITY

Debargaon, P.O. Rangalikhata
Kokrajhar – 783370, BTC, Assam.

Tel. No. 03661-277127 (O)
Fax No. 03661-277127 (O)



Date: December 12, 2019

# Message

It is a moment of accomplishment and pride that Bijni College is celebrating Golden Jubilee after completion of 50 years of its glorious journey. It is needless to reiterate the importance of bringing out a Souvenir as a part of the Golden Jubilee Celebration during December 22-23, 2019.

I wish a grand celebration of 50 years of accomplishment as an esteemed academic institute of high repute. I also strongly believe that the souvenir would reflect the academic, students and socio-cultural activities of the college. The souvenir shall pave the way for cementing a platform for sharing knowledge and information with the community at large and student community in particular.

My best wishes shall always remain with the Organizing Committee.

(Prof. Laishram Ladu Singh)
Vice-Chancellor

Vice-Chancellor
Bodoland University
Kokrajhar

ড০ পৰমানন্দ ৰাজবংশী
সভাপতি

Dr. Paramananda Rajbongshi
President

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

অসম সাহিত্য সভা

মুখ্য কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট

ASAM SAHITYA SABHA

HEAD OFFICE : CHANDRAKANTA HANDIQUE BHAWAN, JORHAT

## শুভবাৰ্তা



চিৰাং জিলাৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান 'বিজনী মহাবিদ্যালয়'এ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ প্ৰস্তুতি চলাইছে বুলি জানিব পাৰিছোঁ। এয়া নিঃসন্দেহে প্ৰশংসনীয় পদক্ষেপ। আমি জানো যে মূলতঃ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত সাহিত্য প্ৰতিভা বিকাশৰ মাধ্যম হিচাপে, সাহিত্য চৰ্চাৰ মঞ্চৰূপে চিহ্নিত হয় বিদ্যালয়-মহাবিদ্যালয়সমূহৰ স্মৃতিগ্ৰন্থ। শিক্ষক-শিক্ষাৰ্থী আৰু কৰ্মচাৰীসকলৰ কলমেৰে নিগৰা সাহিত্য প্ৰতিভাৰ অমল স্বাক্ষৰ বহন কৰিবলগীয়া স্মৃতিগ্ৰন্থই ছাত্ৰ-ছাত্ৰীসকলৰ মনত গঁজালি মেলা নতুন চিন্তাই স্বকীয় সাহিত্যৰ সেউজী পথাৰখন চহকী কৰিব বুলি মই পৰম আশাবাদী।

অসমৰ জাতীয় জীৱন আৰু অসমীয়া ভাষাসহ অন্যান্য থলুৱা ভাষাৰ মহা সংকটত চিৰজাগ্ৰত প্ৰহৰী হিচাপে নিজ কৰ্তব্য সম্পাদন কৰিবলৈ বিনম্ৰ আহ্বান জনাই মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি কামনাৰে স্মৃতিগ্ৰন্থখনি জাকত-জিলিকা ৰূপত প্ৰকাশ হোৱাৰ আন্তৰিক শুভাঞ্জলি নিবেদিছোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী।।

তাৰিখ ঃ ৭ জানুৱাৰী, ২০২০ খ্ৰীষ্টাব্দ

(ড° পৰমানন্দ ৰাজবংশী)
সভাপতি
অসম সাহিত্য সভা

ঠিকনা ঃ ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, অসম সাহিত্য সভা, গুৱাহাটী-৭৮১০০১, দূৰভাষ-৯৮৬৪০-৪৯৭৮২
Address : Bhagawatiprasad Baruah Bhawan, Asam Sahitya Sabha, Mobile : 98640-49782
e-mail : paramanandarajbongshi1@gmail.com

Office of the
**BODO SAHITYA SABHA**
बर' थुनलाइ आफाद
Registration No. 94 of 1972
H/O E-mail bsskoj@gmail.com
Website www.bodosahityasabha.org

Head Office
R.N. Brahma Bhawan
Kokrajhar, BTAD, Assam, Pin-783370

Sub-Office
Socio-Literary Cultural Complex BSS
Near R.N.B., ISBT Bathoupuri
Garchuk-Ahomgaon, Guwahati-781035
S/O Email bssjb@rediffmail.com



## শুভেচ্ছাবাণী

বিজনী মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান ২০১৯ চনৰ ডিচেম্বৰ মাহৰ ২২ আৰু ২৩ তাৰিখে অনুষ্ঠিত হ'ব বুলি জানিবলৈ পাই পৰম সৰ্বানুভূতি আৰু নিবিড় গৌৰৱবোধেৰে আনন্দ অনুবৰ কৰিছোঁ। উক্ত সমাৰোহৰ লগত ৰজিতা খুৱাই এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰিছে বুলি জানি ততোধিক আনন্দ পাইছোঁ। এয়া এক প্ৰশংসনীয় পদক্ষেপ। আশাকৰোঁ, স্মৃতিগ্ৰন্থখন পাঠক সমাজ তথা উঠি অহা নতুন প্ৰজন্মই আদৰি ল'ব। নবীন-প্ৰবীন লেখক-লেখিকাৰ উচ্চ মানবিশিষ্ট লেখনিৰ সমাহাৰেৰে স্মৃতিগ্ৰন্থখনি সৰ্বাংগীন সুন্দৰ হ'ব।

সোণালী জয়ন্তী সামৰণি সমাৰেশৰ সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰিছোঁ, লগতে শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক, বিদ্বান শুভাকাংক্ষী আৰু নিষ্ঠাবান ছাত্ৰ-ছাত্ৰীক আন্তৰিক শুভেচ্ছা জনাইছোঁ।

ধন্যবাদেৰে—

প্ৰতি,
ড° প্ৰমথেশ বায়ন
মুখ্য সম্পাদক
স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি

শ্ৰীতৰেন বড়ো
সভাপতি, বড়ো সাহিত্য সভা
১০-১২-২০১৯

**KOCH RAJBANGSHI SAHITYA SABHA**
Shaktiashram :: Assam
Regd. No. 2309 (A) 93-94
Dr. Dwijendra Nath Bhakat
President
Ph. No. 919435029835
email - bhakat.dwijendra@gmail.com



## শুভেচ্ছাবাণী

৯ ডিচেম্বৰ ২০১৯

বিজনী মহাবিদ্যালয়লৈ অভিনন্দন

নামনি অসমৰ উচ্চ শিক্ষাৰ এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান হ'ল- বিজনী মহাবিদ্যালয়, উক্ত মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সমাৰোহ- অনুষ্ঠান ২০১৯ চনৰ ডিচেম্বৰ মাহৰ ২২ আৰু ২৩ তাৰিখত অনুষ্ঠিত হ'ব, এই অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি স্মৃতিগ্ৰন্থ প্ৰকাশৰ যো-জা কৰা হৈছে বুলি জানি সুখী হৈছো, স্মৃতিগ্ৰন্থই আমাৰ সমাজৰ কাৰ্য্যৰ জীৱনৰ লগতে সান্নিধ্য আমাৰ বিভিন্ন জনজাতি আৰু জনগোষ্ঠীৰ ভাষা-সাহিত্য-সংস্কৃতি তথা মহাবিদ্যালয়খনৰ ঐতিহ্যৰ কথা দাঙি ধৰিব। উঠি আহক যাতে থাকিব অভিনন্দন জনালোঁ,

দ্বিজেন্দ্ৰ নাথ ভকত
সভাপতি
কোচ-ৰাজবংশী সাহিত্য সভা

# ASSAM COLLEGE PRINCIPALS' COUNCIL

## Message

*We are extremely pleased to know that Bijni College is celebrating its Golden Jubilee and organised its Closing Ceremony on December 23-24, 2019. We would like to offer our congratulations to the College fraternity for its all-round development over the years. Bijni College is a prominent seat of higher learning in western Assam and has achieved higher level of excellence in academic as well as in co-curricular and extra-curricular activities. Over the years, the College has built excellent infrastructure and facilities to cater the needs of present day higher learning. We expect that the Souvenir will showcase the achievements and golden moments of the College.*

*We once again extend our warm greetings to all the members of the College on this auspicious occasion and hope that the College will excel further in directions in the days to come.*

***(Dr. H. K. Chaliha)***
*President, ACPC*

***(Dr. D. Nath)***
*General Secretary, ACPC*

# Assam College Teachers' Association


An organisation of provincialized college teachers of Assam
Regd. No. 51/1236/1955/57
Affiliated to All India Federation of University and College Teachers' Organisations
ACTA House, Solapar, Guwahati - 781008, Assam
Website: www.acta.org.in
Email: actaassam@gmail.com

Biswajit Bhuyan
President
Mob: 9435064399

Himangshu Maral
General Secretary
Mob: 9854629552


Ref:

Date:10.12.2019



## Message



Traversing half a century, while carrying out a noble but arduous mission like educating generations of youth, is no mean feat. Bijni College, which has completed fifty years of its glorious existence, must have experienced many highs and lows in its eventful journey, yet continued to march with avowed zeal towards the vision it had set for itself. The result today is for all of us to see. Bijni College, over these years, have not only shown paths of light to thousands of its students, but has also, in the process, been unrelentingly contributing towards the realisation of an enlightened society.

Successes need to be celebrated, because meaningful celebrations help the stakeholders of an institution to garner renewed energy for bigger strides towards a more successful future. We are happy to learn that Bijni College has been celebrating its Golden Jubilee year for the last several months and have now reached the closing ceremony to be held on the coming 22nd and 23rd of December. The ceremony, we believe, would be an occasion for all concerned to recommit themselves to furtherance of the cherished mission with firmer determination. May Bijni College reach many more milestones in the days to come! We, on behalf of Assam College Teachers' Association, extend our hearty greetings and warm congratulations to the greater Bijni College family.

With best wishes,

(Biswajit Bhuyan)

(Himangshu Maral)

राष्ट्रीय मूल्यांकन एवं प्रत्यायन परिषद

विश्वविद्यालय अनुदान आयोग का स्वायत्त संस्थान

NATIONAL ASSESSMENT AND ACCREDITATION COUNCIL

*An Autonomous Institution of the University Grants Commission*

# Certificate of Accreditation

*The Executive Committee of the National Assessment and Accreditation Council on the recommendation of the duly appointed Peer Team is pleased to declare the*

*Bijni College*

*Bijni, Dist. Chirang, affiliated to Gauhati University, Assam as*

*Accredited*

*with CGPA of 2.55 on seven point scale*

*at B+ grade*

*valid up to May 01, 2022*

*Date : May 02, 2017*

*Director*

EC(SC)/24/A&A/32



## সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতিৰ বক্তব্য...



১৯৬৯ চনৰ ২১ জুলাই তাৰিখে প্ৰতিষ্ঠা লাভ কৰা বিজনী মহাবিদ্যালয়খন ২০১৮ চনৰ ২১ জুলাই তাৰিখে পঞ্চাশ বছৰত ভৰি দিলে। সেয়েহে ২০১৮ চনৰ ২১ জুলাইৰ পৰা আৰম্ভ হোৱা Golden Jubilee বৰ্ষৰ আজি Closing Ceremony, সামৰণি অনুষ্ঠান বা জাঁকজমকপূৰ্ণ উদযাপন। ফাৰ্টা।

ৰাজহুৱা প্ৰতিষ্ঠান একোটাই পঞ্চাশ বছৰীয়া সুদীৰ্ঘ যাত্ৰা পথ অতিক্ৰম কৰাটো বৰ সহজসাধ্য কথা নহয়। বিজনী মহাবিদ্যালয়ে অঞ্চলটোৰ ভিন ভিন জাতি-ধৰ্ম-ভাষাৰ ভৱিষ্যত বংশধৰসকলক বুকুত সাৱতি লৈ সমন্বয়ৰ সেতু নিৰ্মাণেৰে এই কষ্টসাধ্য যাত্ৰা অতিক্ৰম কৰি সাফল্য অৰ্জন কৰাটো আমাৰ সকলোৰে বাবে অতি আনন্দৰ বিষয়। সোণালী জয়ন্তীৰ এই আনন্দোচ্ছল ক্ষণত ভৱিষ্যত উন্নতিৰ জখলাৰে আগবাঢ়ি যাবলৈ অধিক কণ্টকময় পথত খোজ দিয়াৰ বাবে আমি প্ৰতিজ্ঞাবদ্ধ।

ইতিমধ্যে মহাবিদ্যালয়খনে অসমীয়া বিভাগত স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তণ কৰি নতুন যাত্ৰা আৰম্ভ কৰিছে; ইংৰাজী, বড়ো, বাংলা আৰু অৰ্থনীতি বিভাগতো স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তণৰ বাবে প্ৰচেষ্টা আৰম্ভ কৰা হৈছে। ইপিনে পাঁচ বছৰীয়া সংযুক্ত BA. B.Ed. পাঠ্যক্ৰম প্ৰৱৰ্তণৰ বাবে অসম চৰকাৰে প্ৰয়োজনীয় নিৰ্দেশ দিছে। অহা শিক্ষাবৰ্ষৰ পৰা এই পাঠ্যক্ৰমো আৰম্ভ কৰা যথেষ্ট সম্ভাৱনা আছে।

মহাবিদ্যালয়ত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ চৌহদ মুকলি কৰাৰ বাবেও বিশেষ ভাৱে বিবেচনা কৰি থকা হৈছে। অসম চৰকাৰ তথা বিটিচি প্ৰশাসনৰ সহায় পালে ই বাস্তৱায়িত হ'ব বুলি আশা কৰিব পাৰি।

বিজনী এখনি ৰজাদিনীয়া ঐতিহাসিক সৰু অথচ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা-ধৰ্ম-সম্প্ৰদায়েৰে পৰিপূৰ্ণ শান্তিপূৰ্ণ শিক্ষানুৰাগী অসামৰিক প্ৰশাসনিক অঞ্চল। বিজনীৰ উত্তৰ-পূব দিশত মানাহ

অভয়াৰণ্যৰ গাভৰু খুন্দা, লফাচাৰী, ৰাণীঘাট, কুকলুং ইত্যাদি অতি সেউজ বনানী অঞ্চল— য'ত বিভিন্ন প্ৰজাতিৰ চৰাই-চিৰিকতিৰ লগতে গড়, হাতী, বাঘ, ভালুককে আদি কৰি বিভিন্ন জীৱ-জন্তুৰ বিচৰণভূমি হোৱা বাবে প্ৰতিবছৰে অধ্যয়নৰ বাবে দেশী-বিদেশী অধ্যয়নশীল পৰ্যটকসকল আহি বিজনীৰ গৌৰৱ বঢ়াইছে। বিজনী মহাবিদ্যালয় যেনেকৈ আমাৰ সকলোৰে বুকুৰ আপোন, গৌৰৱ; ঠিক তেনেকৈ এই বনাঞ্চলবোৰো আমাৰ গৌৰৱৰ বিষয়। ইয়াক সংৰক্ষণ আৰু সংবৰ্ধন কৰা আমাৰ সকলোৰে অন্যতম দায়িত্ব।

বিভিন্ন ভাষা-ভাষী, ধৰ্ম-সম্প্ৰদায়েৰে গঠিত বিজনী মহকুমা অতিকৈ স্পৰ্শকাতৰ। বিভিন্ন শিক্ষানুষ্ঠান আৰু ধৰ্মীয় অনুষ্ঠানেৰে পৰিবেষ্টিত হৈ থকা স্বত্বেও কেতিয়াবা ইয়াতো স্বাৰ্থান্বেষীৰ কুচক্ৰান্তত জুইৰ ফিৰিঙতিয়ে উক দিব খোজে, কিন্তু বিভিন্ন জাতি-জনগোষ্ঠীৰ আধ্যাত্মিক চিন্তাধাৰাৰে পৰিপুষ্ট মহান ব্যক্তিসকলৰ চেষ্টাত ই নিমিষতে মৰহি যায়। সমগ্ৰ জনসাধাৰণে অনৈক্যৰ মাজত ঐক্য, মহানুভৱতাৰ দোলত আৱদ্ধ হৈ বিজনীক এখনি তীৰ্থভূমি ৰূপে গঢ় দিয়াৰ পথত আগবাঢ়ি যায়। তেতিয়াই "সত্যম্ শিৱম্ সুন্দৰম"ৰ মহানতা, সৌন্দৰ্যবোধ, চিৰসত্যই আত্মপ্ৰকাশ কৰি বিজনীক মধুৰৰ পৰা মধুৰতম কৰি তোলে। এয়াই বিজনীবাসীৰ মহত্ব, গৌৰৱ।

বিজনী এখনি সংস্কৃতিৱান অঞ্চলো। বিভিন্ন ধৰণৰ খেতিৰ পৰা আৰম্ভ কৰি বিভিন্ন শিল্প যেনে— তাঁত বোৱা, প্ৰতিমা গঢ়া, ভাস্কৰ্য শিল্প, কুটিৰ শিল্প আদিৰ দৰে শিল্প-সংস্কৃতি লেখত ল'বলগীয়া ধৰণৰ নহ'লেও জীৱিকা নিৰ্বাহৰ বাবে, ভাতমুঠিৰ যোগানৰ বাবে এই শিল্প চৰ্চাই জনজীৱনক জীৱন যুদ্ধত সহায় আগবঢ়াই আহিছে। প্ৰসঙ্গক্ৰমে বিজনী তাঁত শিল্প, কুহিলা শিল্পৰ বাণিজ্যৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আছে।

অতিকৈ পিছপৰা অথচ উন্নত চিন্তাধাৰাৰে উন্নয়নশীলৰ জখলাত অৱতীৰ্ণ হোৱা বিজনীবাসীৰ বাবে বিজনী মহাবিদ্যালয় অতিকৈ আদৰৰ, হিয়াৰ আমঠু। এই বিজনী মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কৰিবৰ বাবে যিসকল মহান ব্যক্তিয়ে চিন্তা-চৰ্চা কৰিছিল সেইসকলক নিশ্চয়কৈ আজিৰ দিনটোত আমি মনত পেলাব লাগিব। সেই মহান ব্যক্তিসকলৰ ভিতৰত এইসকলক আমি স্মৃতিৰ পটত জিলিকাই ৰাখিবলৈ নিশ্চয়কৈ চেষ্টা কৰিব লাগিব।

বিজনী গাঁও পঞ্চায়তৰ কাৰ্যালয়ত আবেলি ৪ বজাত বিজনী কলেজ স্থাপন সম্পৰ্কে প্ৰাথমিক আলোচনা সভা যোৱা ১৯৬৬ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে অনুষ্ঠিত আহ্বায়ক কমিটিৰ প্ৰথম সভাখনৰ প্ৰথম সভাপতিৰ আসন অলংকৃত কৰা যোগেন্দ্ৰ নাথ দেৱৰ কথা আমি প্ৰথমতে ক'বই লাগিব। তেখেতৰ পিছতেই সভাপতিৰ দৰে আসন শুৱনি কৰা ব্যক্তিসকল যথাক্ৰমে— ৰামপ্ৰসাদ দাস, বদ্ৰী নাৰায়ণ আগৰৱালা, দুৰ্গা প্ৰসাদ সাহা, যামিনীমোহন বসুমতাৰী, কানাইলাল বোস, মন্মথ চাক্লাদাৰ, সুনীল ঘোষ, অৱণী কুমাৰ গোহাঁই বৰুৱা, বীৰেন্দ্ৰ চন্দ্ৰ বড়ো, অচ্যুতানন্দ গুহ, উদয় চন্দ্ৰ দাস, ধৰণীধৰ শৰ্মা, দামোদৰ শৰ্মা, তৰণী দাস, যতীন্দ্ৰ চন্দ্ৰ ঘোষ, গোপাল মোহন সৰকাৰ আদি। এইসকল মহান ব্যক্তিৰ স্মৃতি আমি বিজনী মহাবিদ্যালয়ৰ ইতিহাসৰ পাতত জিলিকাই ৰাখিব লাগিব কাৰণ তেওঁলোকেই আমাৰ বিজনী মহাবিদ্যালয়ৰ "জিলিঙনি"।

সদৌ শেষত Golden Jubilee ৰ সামৰণি পৰ্বত উপস্থিত থকা সকলো ব্যক্তিলৈ ধন্যবাদ জনাই বিজনী মহাবিদ্যালয়ৰ সৰ্বাংগীণ উন্নতিৰ আশাৰে সভাপতিৰ চমু বক্তব্য সামৰিলোঁ।

কমল সিং নাৰ্জাৰী
সভাপতি

## অধ্যক্ষৰ একাষাৰ...

চাওঁতে চাওঁতে প্ৰতিষ্ঠাৰ পৰা পঞ্চাশ বছৰ অতিক্ৰম কৰি বিজনী মহাবিদ্যালয় সোণালী জয়ন্তী বৰ্ষত উপনীত হ'ল। চকুৰ পচাৰতে যেন সময়বোৰ পাৰ হৈ গ'ল। এতিয়া সময় হৈছে পঞ্চাশ বছৰীয়া হিচাপ-নিকাচৰ; অতীতৰ তেনেই পিছপৰা এটা অঞ্চলত দুৰাকাংক্ষী ব্যক্তিকেইজনমানৰ প্ৰত্যাহ্বানমূলক কাৰ্যই আমাক কি দিলে কি নিদিলে সেইবোৰৰ হিচাপে-নিকাচেই সোণালী জয়ন্তী উদ্‌যাপন। পৰিবৰ্তনবোৰ সকলোৱে নিশ্চয় চকুত পৰিছে। দুৰ্লভ উচ্চ শিক্ষা আজি অঞ্চলটোৰ যুৱক-যুৱতীসকলৰ বাবে সহজলভ্য। ফলস্বৰূপে যুৱক-যুৱতীসকলৰ জীৱিকা নিৰ্বাহৰ পথো দুৰ্লভ হৈ থকা নাই।



১৯৬৯ চনৰ ২১ জুলাইত পৃথিৱীৰ মানৱে জোনবাইৰ দেশত ভৰি দি মানৱ সমাজৰ বাবে বিজ্ঞানৰ যি নতুন খোজ আগবঢ়াইছিল ঠিক সেইদিনাই বিজনী অঞ্চলৰ কিছুমান শিক্ষাসদী ব্যক্তি আৰু ৰাইজৰ সহযোগত উচ্চশিক্ষাৰ প্ৰতিষ্ঠান 'বিজনী মহাবিদ্যালয়'খনে জন্ম লাভ কৰিছিল। ৰাইজৰ দান-বৰঙণি আৰু সহায়-সহযোগৰ ফলশ্ৰুতিত ঠন ধৰি উঠা এইখন মহাবিদ্যালয়ে আজি গৌৰৱোজ্জ্বল পঞ্চাশ বছৰ অতিক্ৰম কৰিছে। এইখন মহাবিদ্যালয়ৰ এগৰাকী ছাত্ৰ হিচাপে, পৰৱৰ্তীত শিক্ষকৰূপে যোগদান কৰি ৰূপালী জয়ন্তী বৰ্ষ পালন কৰিছিলোঁ আৰু আজি মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্বত থাকি সোণালী জয়ন্তী বৰ্ষ পালন কৰিবলৈ পাই নিজকে ধন্য মানিছোঁ।

বিজনী মহাবিদ্যালয় বিজনী মহকুমাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। এক বিস্তৃত অঞ্চল সামৰি এইখন মহাবিদ্যালয়ত বহু ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণ কৰি আহিছে। এইখন মহাবিদ্যালয়ত কাম কৰি যথেষ্ট আনন্দ লাভ কৰিছোঁ। ইয়াৰ পৰিচালনা সমিতিৰ সভাপতিৰ লগতে সদস্যসকলৰ সহায়-সহযোগ, শিক্ষক-শিক্ষয়িত্ৰীৰ সহায়-সহযোগ আৰু মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলৰ যি সৰলতা সেয়া আমাৰ বাবে গৌৰৱৰ বিষয়।



১৯৯২ চনৰ ৮ ডিচেম্বৰ তাৰিখে মহাবিদ্যালয়ত আমি টিউটৰ হিচাপে বড়ো বিভাগত যোগদান কৰিছিলোঁ আৰু ১৯৯৪ চনৰ ১৩ আগষ্টত অসমীয়া বিভাগত পূৰ্ণাঙ্গ প্ৰৱক্তাৰূপে যোগদান কৰি প্ৰায় ১৮ বছৰ শিক্ষকতা কৰাৰ পিছত ২০১২ চনৰ ৩০ জানুৱাৰীত বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষৰূপে যোগদান কৰোঁ। আমি অধ্যক্ষৰূপে যোগদান কৰাৰ পিছত মহাবিদ্যালয়খনৰ সামগ্ৰীক উন্নয়নৰ কাৰণে মনোনিৱেশ কৰি আহিছোঁ। মহাবিদ্যালয়ৰ পৰিৱেশ, পৰিকাঠামো, শৈক্ষিক আৰু প্ৰশাসনিক উন্নয়নৰ বাবে যত্ন কৰি আহিছোঁ। আমাৰ কাৰ্যকালৰ এইছোৱা সময়ত প্ৰৱৰ্তিত শিক্ষা-ব্যৱস্থাৰ লগত ফেৰ মাৰিব পৰাকৈ Computer ৰ ব্যৱহাৰিক পৰীক্ষাগাৰ আৰু পুথিভঁৰালৰ আধুনিকীকৰণ আৰু সামাজিক দায়বদ্ধতাক মানি ৰাইজ উপকৃত হোৱাকৈ কেবাটাও সমাজ সেৱাৰ কাম বিজনী মহাবিদ্যালয়ে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত কৰিছে। ভাৰত চৰকাৰৰ Ministry of Labour and Unemploymentৰ অধীনস্থ প্ৰতিষ্ঠান ALIMCO, Joypur Foot ৰ সৌজন্যত কেবাটাও শিবিৰ পাতি দিব্যাঙ্গসকললৈ বহু লক্ষ টকাৰ সামগ্ৰী বিতৰণ কৰা হৈছে। সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি বিজনী মহাবিদ্যালয়ত IOCLৰ আৰ্থিক সাহায্যত বিজনী মহাবিদ্যালয়ত আৰু বৰমা মহাবিদ্যালয়ৰ সহযোগত বৰমা মহাবিদ্যালয়ত এই শিৱিৰ পাতি কেবাশ লোকক সহায় আৰু সামগ্ৰী বিতৰণ কৰা হৈছে।

মহাবিদ্যালয়ৰ পৰিকাঠামোৰ উন্নতিৰ দিশতো আমি দৃষ্টিপাত কৰি আহিছোঁ। ইতিমধ্যে, শৈক্ষিক দিশৰ লগতে আন্তঃগাথনিৰ বাবেও কেবাটাও কাম সম্পূৰ্ণ হৈ উঠিছে; UGCৰ ১৫.৫ লাখ টকাৰ আৰ্থিক অনুদানত ২০১৩-১৪ বৰ্ষত F6/UGC/NERO/2011-2012/3491/3532 Dt 07-08-2018 চিঠি মৰ্মে অনুমোদন লাভ কৰি দুটা গেলাৰী, শ্ৰেণীকক্ষ আৰু F5 20/2012/NERO/ 18104 Dt 29-03-2014 চিঠি মৰ্মে 20.24 lakh আৰু F 6-6 /RO/2014/NERO/VOL-VIII/ 150 Dt 24-06-2018 চিঠি মৰ্মে 20.24 lakh টকাৰে সাধাৰণ উন্নয়ন শিতানৰ কামৰ লগতে ছাত্ৰী নিৱাস, গাড়ী পাৰ্কিঙৰ ব্যৱস্থা আদি নিৰ্মাণ কৰা হৈছে। তাৰোপৰি অসম চৰকাৰৰ PC/HE/ Plan-20/2012/pt/386 Dt 21-05-2016 নং অনুদান মৰ্মে এক কোটি টকাৰে প্ৰশাসনিক ভৱন নিৰ্মাণ কৰা হৈছে। BTC কৰ্তৃপক্ষৰ আৰ্থিক সাহায্যত B.G. Memorial Auditorium, Boundary Wall আদি নিৰ্মাণ কৰা হৈছে।

মহাবিদ্যালয় পৰিচালনা সমিতিৰ মাননীয় সভাপতি তথা স্থানীয় বিধায়ক শ্ৰীযুত কমলসিং নাৰ্জাৰীৰ 'বিধায়ক উন্নয়ন পুঁজি'ৰ শিতানত বিজ্ঞানাগাৰ নিৰ্মাণ কৰা হৈছে। মহাবিদ্যালয়ৰ সাধাৰণ উন্নয়ন শিতানৰ জৰিয়তে নিজাববীয়াকৈ শ্ৰেণীকোঠাৰ অভাৱ পূৰণৰ উদ্দেশ্যে ÷ মহলাৰ শ্ৰেণীকোঠা আৰু দ্বিতীয় মহলাৰ স্নাতকোত্তৰ শ্ৰেণীকোঠা নিৰ্মাণ কৰা হৈছে। মহাবিদ্যালয়ৰ বহুদিনীয়া অভাৱ 'কেণ্টিন', চাৰিটা স্মাৰ্ট শ্ৰেণীকক্ষৰ ব্যৱস্থা, ভিডিঅ' কনফাৰেন্সিং কক্ষ, জাননীৰ বাবে মাইক আৰু ডিজিটেল নোটিচবোৰ্ডৰ ব্যৱস্থা কৰা হৈছে। অসম চৰকাৰৰ আৰ্থিক অনুদানত

AMTRONৰ জৰিয়তে Computer Lab নিৰ্মাণ কৰা হৈছে। মহাবিদ্যালয়ৰ কাৰ্যালয় আৰু চৌহদত WiFi-ৰ ব্যৱস্থা কৰা হৈছে। চৌহদৰ ভিতৰ-বাহিৰৰ লগতে শ্ৰেণীকোঠাবোৰতো নিৰাপত্তাজনিত দিশৰ প্ৰতি লক্ষ্য ৰাখি প্ৰায় ৪০ টাৰো অধিক CCTV কেমেৰা লগোৱা হৈছে। বৰ্তমান IOCLৰ আৰ্থিক অনুদানত P.G. Class Room নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। অসম চৰকাৰৰ অনুসূচীত জাতি পৰিষদৰ আৰ্থিক অনুদানত SC ছাত্ৰীনিবাস আৰু ৱাৰ্ডেন কোৱাৰ্টাৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। বিজনী মহাবিদ্যালয়ে NAACৰ দ্বিতীয় পৰ্যায়ৰ মূল্যায়ন আৰু প্ৰত্যায়নৰ পিছত ২০১৭ বৰ্ষত B+ গ্ৰেড পাবলৈ সক্ষম হোৱাৰ পিছত RUSA, Assam ৰ জৰিয়তে ইতিমধ্যে ২ কোটি টকাৰ অনুদান পাবলৈ সক্ষম হৈছে আৰু বৰ্তমান ১ কোটি টকা শ্ৰেণীকোঠা নিৰ্মাণ, পুথিভঁৰালৰ পুথি ক্ৰয় আৰু বিজ্ঞানাগাৰৰ সা-সঁজুলি ক্ৰয় কৰাৰ বাবে মুকলি কৰি দিছে। বিজনী মহাবিদ্যালয় শিক্ষক গোটেও সোণালী জয়ন্তী বৰ্ষৰ স্মাৰক হিচাপে নিজস্ব অনুদানত 'প্ৰয়াত উদয় চন্দ্ৰ দাস মুকলিমঞ্চ' কেবা লক্ষ টকা খৰচ কৰি নিৰ্মাণ কৰি দিছে। তাৰ বাবে শিক্ষক গোটক ধন্যবাদ জনালোঁ।

ইতিমধ্যে মহাবিদ্যালয়খনে ছাত্ৰ-ছাত্ৰী উপকৃত হোৱাকৈ Campus Recruitment ৰ ব্যৱস্থা, Skill Development Courseৰ ব্যৱস্থা কৰা হৈছে। 'KELTRON' ৰ জৰিয়তে Solar energy Technician course, Welness and Beautician Course, Computer Diploma Course আদি! Assam Skill Development Mission প্ৰকল্পৰ অংশ হিচাপে Saltlake Institute of Engineering & Managment ৰ জৰিয়তে Waste Water Treatment and Management আৰু Computer Diploma Course আদি বিনামূলীয়াকৈ দিয়া হৈছে।

বিজনী মহাবিদ্যালয়ে জন্মলগ্নৰে পৰা বহু ঘাত-প্ৰতিঘাত, বাধা-বিঘিনি নেওচি আজিৰ অৱস্থাত উপনীত হৈছে। ২০১৮ চনৰ ২১ জুলাইৰ পৰা বিজনী মহাবিদ্যালয়ে বছৰজোৰা কাৰ্যসূচীৰে এই বৰ্ষ পালন কৰি আহি সামৰণি পৰ্বত উপস্থিত হৈছোঁ।

আমাৰ আশা বিজনী মহাবিদ্যালয়খনৰ এই শৈক্ষিক যাত্ৰা সগৌৰৱে আৰু এখোজ আগবাঢ়ি যাব। অসমৰ শিক্ষা জগতত এই মহাবিদ্যালয়খনেও এখন সুকীয়া আসনৰ অধিকাৰী হ'ব। শেষত বিজনী মহাবিদ্যালয় সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়া, সদস্য-সদস্যা, শিক্ষক-কৰ্মচাৰী-ছাত্ৰ-ছাত্ৰী, সংবাদ কৰ্মীসকল আৰু ৰাইজলৈ সেৱা জনাই সকলো ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি ইয়াতেই সামৰিলোঁ।

**বীৰহাসগিৰি বসুমাতাৰী**
অধ্যক্ষ,
বিজনী মহাবিদ্যালয়, বিজনী



## সম্পাদকীয়...



বিজনী মহাবিদ্যালয় পঞ্চাশ বছৰীয়া হ'ল। আৰম্ভণিৰ পৰা আজিলৈ অলেখ পৰিবৰ্তনো হ'ল। আকৃতি আৰু প্ৰকৃতি উভয় দিশৰে পৰিবৰ্তনৰ যোগেৰে মহাবিদ্যালয়খনে অঞ্চলটোৰ বিশেষকৈ ভৱিষ্যত প্ৰজন্মৰ সপোনক বাস্তৱ ৰূপ দিয়াৰ দায়িত্বভাৰ সাহসেৰে কান্ধ পাতি ল'ব পৰা হ'ল। মাথোঁ কেইজনমান শিক্ষাৰ্থী, কেইজনমান আত্মবিশ্বাসী শিক্ষক, কেইটামান বাৰান্দাহীন কোঠাৰে আৰম্ভ কৰা মহাবিদ্যালয়খনৰ বৰ্তমান সুদৃশ্য অট্টালিকা, মেটমৰা গ্ৰন্থসম্ভাৰেৰে পৰিপূৰ্ণ পুথিভড়াল, সুসজ্জিত বিজ্ঞানাগাৰ , সেই অনুসৰি ফলাফল আদিৰে মহাবিদ্যালয়খনে যুৱক-যুৱতীসকলৰ প্ৰত্যাশা পূৰণৰ পথত দৃঢ় পদক্ষেপ দিব পাৰিছে। শেহতীয়াকৈ অসমীয়া বিভাগত মুকলি কৰা স্নাতকোত্তৰ পাঠ্যক্ৰমো আন এটা উল্লেখ্য দিশ। কিন্তু সচাঁ কথা আৰু বহুত কৰিবলগীয়া, হ'বলগীয়া আছে।

পঞ্চাশ বছৰ পূৰ্তি উপলক্ষে পালন কৰা সোণালী জয়ন্তীৰ বছৰ জোৰা কাৰ্যসূচীৰ কথাও স্মৰণযোগ্য। আৰম্ভণি অনুষ্ঠান, সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ একানব্বৈতম জন্ম দিৱস 'সমন্বয় দিৱস'ৰ প্ৰাণ পৰশা কাৰ্যসূচীসমূহ, সাহিত্য অকাডেমীৰ 'মিট দ্য অথৰ' কাৰ্যসূচীৰে প্ৰখ্যাত ভাস্কৰ্য শিল্পী জনকঝংকাৰ নাৰ্জাৰীৰ প্ৰতিভাৰ প্ৰত্যক্ষ উপস্থাপন এই প্ৰসঙ্গতে ভৱিষ্যতৰ বহু কাললৈ স্মৰণীয় হৈ ৰ'ব। এই বছৰটোৰ আন এটা উল্লেখ্য দিশ হৈছে জীৱ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° শেৱালী পাঠকৰ উদ্যোগত অনুষ্ঠিত "Study of Fresh Water Fish Pathogens using Foldscop technique in Chirang District" শীৰ্ষক চাৰিখন ৰাষ্ট্ৰীয় কৰ্মশালা। এই কৰ্মশালা ১৪-০৯-২০১৮ ত মুম্বাইৰ Snt Xavier College, ২৯-০৯-২০১৮ত মুম্বাইৰ DG Ruparel College , ৩০-০১-২০১৯ ত মহাৰাষ্ট্ৰৰ পোন্ধৰপুৰ স্থিত SVERI College of Engineering আৰু ২৬-০৪-২০১৯ ত তামিলনাডুৰ Adhiparasakthi Ag-

ricultural College ৰ সহযোগত আয়োজন কৰা কৰা হৈছিল। এই অধ্যয়নৰ জৰিয়তে আমাৰ জিলাখনৰ মাছৰ বেমাৰ সম্পৰ্কত নতুন তথ্য লাভৰ আশা কৰিব পাৰি। জীৱ বিজ্ঞান বিভাগৰ লগতে আন আন প্ৰতিটো বিভাগৰ দ্বাৰা আয়োজিত শৈক্ষিক আলোচনা চক্ৰসমূহৰ লগতে অসমীয়া বিভাগৰ শিক্ষাৰ্থীসকলে প্ৰকাশ কৰা 'কবিতা মালিকা'ৰ কথাও এই প্ৰসঙ্গতে উল্লেখ কৰিব পাৰি।

কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ প্ৰতিস্থানৰ সহযোগত বিজনী মহাবিদ্যালয়ৰ লগতে বৰমা মহাবিদ্যালয়ত দিব্যাঙ্গসকলৰ মাজত প্ৰয়োজনীয় সামগ্ৰীৰ বিতৰণৰ বিষয়টোও সোণালী জয়ন্তী বৰ্ষৰ আন এটা বিশেষভাৱে উল্লেখ কৰিব লগা বিষয় আছিল। IOCLৰ জৰিয়তে বহু লাখ টকা মূল্যৰ সামগ্ৰী দিব্যাংগসকলৰ হিতাৰ্থে বিতৰণ কৰি বিজনী মহাবিদ্যালয়ে এটা অতি ভাল কাম কৰা বুলি সকলোৱে মত প্ৰকাশ কৰিছে। উল্লেখ্য এনে কাৰ্যসূচী আগলৈও চলি থাকিব। অৱশ্যে 'কা' আন্দোলনৰ পৰিপ্ৰেক্ষিতত সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান অনুষ্টুপীয়াকৈ আয়োজন কৰা হয়।

সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থত বিজনীৰ বিভিন্ন দিশ আলোকিত কৰাৰ প্ৰচেষ্টা লোৱা হৈছিল যদিও লেখকসকলৰ পৰা আশানুৰূপ সঁহাৰি পোৱা নগ'ল। এই প্ৰসঙ্গতে মহাবিদ্যালয় কৰ্তৃপক্ষক বিজনীৰ সকলো দিশ সামৰি গৱেষণা প্ৰকল্প এটা হাতত ল'বলৈ অনুৰোধ জনালোঁ। শেষত অসম মীন উন্নয়ন নিগম লিমিটেডৰ পৰিচালন সঞ্চালক শ্ৰীনৰেন বসুমতাৰী, ইউকো বেঙ্কৰ গুৱাহাটীস্থ মাণ্ডলিক প্ৰৱন্ধক শ্ৰীঅনন্ত মাছাৰী, এনইএচএফ বেঙ্কৰ হেড এচেটচ শ্ৰীগুণজিৎ বায়ন, এচবিআই বিষ্ণুপুৰ শাখাৰ প্ৰৱন্ধক শ্ৰীধনেশ্বৰ ব্ৰহ্ম প্ৰমুখ্যে বিজ্ঞাপন দাঁতাসকল, লেখক-লেখিকাসকল, সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়া তথা সদস্য-সদস্যা, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীবৃন্দ তথা সংশ্লিষ্টসকলক ধন্যবাদ জনাই ভুল-ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি সামৰিলোঁ।

**প্ৰমথেশ বায়ন**
মুখ্য সম্পাদক
'স্মৃতিগ্ৰন্থ'



# CONTENTS

**Assamese Section :**


- বিজনী মহাবিদ্যালয়ৰ ইতিবৃত্ত — উদয় চন্দ্ৰ দাস — 1
- বিজনী কলেজৰ সোণালী অতীতৰ কিছু কথা — ড° অনুপম কুমাৰ ৰায় — 10
- ইতিহাস প্ৰসিদ্ধ বিজনী ঃ এক অৱলোকন — এ এইচ খন্দকাৰ — 13
- স্মৃতিপটত বিজনী কলেজৰ ডুখৰীয়া ছবি — ৰজত বৰণ মহন্ত — 17
- আলোকৰ সন্ধান — দিঠকানন্দ হাজৰিকা — 21
- মানৱ সম্পদ উত্তৰণত শিক্ষাৰ প্ৰাসঙ্গিকতা — ডম্বৰুধৰ ৰায় — 23
- এজন শিক্ষক শিক্ষানুষ্ঠানৰে নহয় সমাজৰো শিক্ষক — ড° উপেন্দ্ৰজিৎ শৰ্মা — 27
- বিজনী মহাবিদ্যালয় আৰু মোৰ কৰ্ম জীৱনৰ কিছু অনুভৱ — বিভাৰাণী সিন্‌হা বৰুৱা — 33
- স্বৰ্গীয় উদয় চন্দ্ৰ দাস ঃ ব্যক্তিত্বৰ অৱলোকন — ধীৰেন্দ্ৰ নাথ মেধি — 38
- মোৰ দৃষ্টিত প্ৰাক্তন উপাধ্যক্ষ বীৰেন্দ্ৰ গিৰি বসুমাতাৰী ছাৰ — চন্দ্ৰ মোহন ৰায় — 44
- বিজনী মহাবিদ্যালয় স্মৃতিৰ পম খেদি — ড° ৰবীন্দ্ৰ নাথ দাস — 49
- বিটিএডি অঞ্চলৰ কলেজসমূহৰ সমস্যা আৰু সমাধানৰ বাবে কিছু পৰামৰ্শ — ড° টিকেন চন্দ্ৰ দাস — 53
- অসমৰ গ্ৰাম্যাঞ্চলত উচ্চ শিক্ষা ঃ প্ৰত্যাহ্বান আৰু প্ৰত্যাশা — ড° বিৰিঞ্চি কুমাৰ দাস — 56
- প্ৰসংগঃ অসমৰ শিক্ষা ব্যৱস্থা শ্লোগানৰ বিপৰীতে আস্থা স্থাপন হওক — কৰুণাকান্ত ৰায — 60
- বিদেশৰ উচ্চ শিক্ষা — দেৱাঞ্জন বৰঠাকুৰ — 67
- মই আৰু মোৰ স্মৃতিত বিজনী মহাবিদ্যালয়ৰ প্ৰথম খোজ — জ্যোতি প্ৰসাদ দাস — 68
- স্ত্ৰী শিক্ষা প্ৰসাৰত বিজনী মহাবিদ্যালয়ৰ ভূমিকা — মঞ্জু দাস — 72
- বিজনী মহাবিদ্যালয়ৰ কিছু স্মৃতিলেখা — জগত চন্দ্ৰ ৰায় — 78
- বিজনী মহাবিদ্যালয়, মানৱসম্পদ আৰু বৌদ্ধিক চিন্তা চৰ্চা — অতুলানন্দ মেধি — 81
- স্মৃতিৰ পটত বিজনী মহাবিদ্যালয় — হৰেশ্বৰ দাস — 87
- ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত সমন্বয় দিৱস — গোপাল জালান — 92
- বিজনী চহৰৰ গ্ৰন্থ আৰু বাতৰি কাকত ব্যৱসায় — নৃপেন্দ্ৰ নাৰায়ণ দেৱমিশ্ৰ — 95
- বিজনী মতিলাল বগৰীয়া মজলীয়া বিদ্যালয় আৰু বিজনী ছোৱালী হাইস্কুলৰ স্মৃতি — ড় দৰ্শনা গোস্বামী — 98
- বিজনী মহাবিদ্যালয়ৰ বৌদ্ধিক পৰিৱেশ এটি চমু আলোকপাত — ঈশ্বৰ চন্দ্ৰ ডেকা — 102
- বিজনী অঞ্চলৰ ধৰ্মীয় অনুষ্ঠান — দেৱজ্যোতি শৰ্মা — 107
- ৰাজবংশী সমাজৰ নিচুকনি গীত — প্ৰশান্ত কুমাৰ বৰ্মন — 112
- বিজনী মহাবিদ্যালয় - এক অনুভৱ — সবিতা ৰায় — 115
- দেৱতাৰ সন্ধান — পোৱালমণি ঠাকুৰীয়া — 117
- বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ অৱদান — ড° শেৱালী পাঠক — 122
- গণতান্ত্ৰিক আৰু মানৱ অধিকাৰ সম্পৰ্কত ৰবীন্দ্ৰনাথ — ভাষান্তৰ ঃ মনোৰঞ্জন শৰ্মা — 125
- নৱজাগৰণৰ পথিকৃৎ চৰণ নাৰ্জাৰী — অলক অধিকাৰী — 134

**Bodo Section :**


- माहारी दानाइयाव सोलोंथाय — बीरेन्द्र गिरि बसुमतारी — 137
- सासे फोरोंगिरि आरो नुगासे सिमां — ड॰ फुकन चन्द्र बसुमतारी — 140
- आंनि नोजोराव महरगिरि ड॰ शोभा ब्रह्म — ड॰ मंगलसिं हाज'वारि — 143
- बिजनी फरायसालि मानिफ्राय बड'लेण्ड मुलुग सोलोंसालिसिम — ड॰ इन्दिरा बर' — 148
- मुलुग जौगासिन मुलुग सोलोंसालि : गोदोनि आरोदानि — ड॰ गोगोम ब्रह्म कछारी — 150
- बिजनी केलजखौ गोसोखांनानै... — ड॰ आदाराम बसुमतारी — 157
- बीरेन्द्रगिरि बसुमातारी : मोनसे नेरसोन — मनेश्वर बसुमतारी — 163
- रूंसारि आफा प्र: लक्षेश्वर ब्रह्मनि मुडै सिबिनायजों रेबगन दैनानै ... — लिलि ब्रह्म — 165
- गोदान सोलोंथाइ खान्थि 2019 माइठायनि रेबजेनलाइयाव जौगा सोलोंथाइ- दावसिन नोजोर — ड॰ निजोम नारजारि — 176
- बिजनी कलेज आरो आंनि मोन्दांठि — सुरेन महन बसुमतारी — 179


**Bengali Section :**


- পুরানো সেই দিনের কথা — ধীরেশ চন্দ্র বর্মন — 183
- দ্বিশতবর্ষের আলোকে বিদ্যাসাগর চরিত — পুলক অধিকারী — 186
- স্বাস্থ্য সচেতনতায় আধ্যাত্মিকতার প্রভাব — ডাঃ বাবুল সরকাব — 192


**English Section :**


- My Memory of Bijni College — Louis Islary — 195
- Prafulladatta Goswami : Contributions to Folklore Collection and Interpretation : Focussing on the Folklore of the Tribes of Assam and adjoining areas — Dr.Anil Kumar Boro — 199
- Beating the Odds of Semester System — Dr. Debahari Talukdar — 206
- Reminiscence of an Era : My College Life — KaustavKalita — 210
- Assam College Teachers' Association: Some Relevant thoughts — Himangshu Maral — 212
- Recalling Bijni with a brief focus on Forestry — Parimal Roy — 216
- Recreation — Bimal Basumatary — 219
- Tole of Media in Education — Dr. Ajit Boro — 222
- Conditioning and Freedom — Rabindara Narayan Sahoo — 226
- The Enigmatic Lord — Saroj Kr. Pasayat — 229
- An overview of Bijni College IDOL — Bibha Talukdar — 235
- Fighting Ignorance and Unawareness for Creating a Competitiveness among students of Bijni College for the thorny Job Market — Malay Kumar Chanda — 238
- College beyond its boundary... — Dr.Apu Guha Thakurta — 242
- Bijni College in My Life. — Sabita Saha — 247




# বিজনী মহাবিদ্যালয়ৰ ইতিবৃত্ত

উদয় চন্দ্ৰ দাস

বিজনী বৰ্তমান বঙাইগাঁও জিলাৰ এটি মহকুমা। ই এখন ঐতিহ্যমণ্ডিত বুৰঞ্জীপ্ৰসিদ্ধ ঠাই। তাহানিৰ কোঁচবংশীয় ৰজা চন্দ্ৰনাৰায়ণ ওৰফে বিজিত নাৰায়ণে বিজনী ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু বিজিত নাৰায়ণ নামৰ পৰাই বিজনী নামৰ উৎপত্তি হয় বুলি জনা যায়।

গোৱালপাৰা জিলাৰ পৰা কোকৰাঝাৰ জিলা প্ৰতিষ্ঠা কৰাৰ পিছত বিজনী কোকৰাঝাৰ জিলাৰ এটি অংশ হৈ পৰিছিল। অতীতক লৈ গৌৰৱ কৰিব পাৰিলেও শিক্ষা-দীক্ষাত বিজনী তেনেই পিছপৰা অঞ্চল আছিল। ইয়াত উচ্চশিক্ষাৰ অনুষ্ঠান হিচাপে কেইখনমান হাইস্কুলহে মাথোঁ আছিল। ফলত উচ্চশিক্ষা লাভ কৰিবৰ বাবে অৰ্থনৈতিকভাৱে দুৰ্বল এই অঞ্চলৰ প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীসকলে অশেষ কষ্ট আৰু পৰিশ্ৰম কৰিবলগীয়া হৈছিল। সেইকাৰণে উচ্চ শিক্ষিত কেইজনমান যুৱক আৰু কেইগৰাকীমান শিক্ষানুৰাগী লোকে ইয়াত মহাবিদ্যালয় এখন স্থাপন কৰাৰ বিষয়ে যথেষ্ট চিন্তা-চৰ্চা কৰিছিল। তাৰেই ফলশ্ৰুতি এই বিজনী মহাবিদ্যালয়খন। ১৯৬০-৬২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত মই অধ্যয়ন কৰি থকা সময়ত ৰে'ল বিভাগত কাম কৰি থকা ঁবীৰেন্দ্ৰ গিৰি বসুমতাৰী, ঁলক্ষেশ্বৰ ব্ৰহ্ম, শ্ৰীসমৰেন্দ্ৰ নাৰায়ণ বসুমতাৰী আদি উদীয়মান যুৱকক লগ পাওঁ। মাজে-সময়ে তেওঁলোক থকা কোৱাৰ্টাৰলৈ গৈ অন্যান্য বিষয়ৰ লগতে বিজনীত এখন মহাবিদ্যালয় পতাৰ প্ৰয়োজনীয়তা আৰু সম্ভাৱনাৰ বিষয়ে আলোচনা কৰোঁ। এই আলোচনামৰ্মে আমি বিজনীত এখন মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লওঁ। সেই সময়ত এওঁলোকে ৰে'লত চাকৰি কৰি থকাৰ উপৰিও বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত অধ্যয়ন কৰি আছিল। মহাবিদ্যালয়ৰ শিক্ষাৰ অন্তত মই বিজনী বান্ধৱ উচ্চ মাধ্যমিক বিদ্যালয়ত কিছুদিন শিক্ষকতা কৰোঁ। পিছত নতুনকৈ বিজনী ছোৱালী হাইস্কুল স্থাপিত হোৱাত তাৰ প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰোঁ। সেই সময়তে বিজনীত এখন মহাবিদ্যালয় স্থাপন কৰা সম্পৰ্কে কেইজনমান উদ্যোগী ব্যক্তি আগবাঢ়ি আহে।

এইমৰ্মে বিজনী গাঁও পঞ্চায়তৰ সভাপতি ঁসুনীল ৰঞ্জন ঘোষৰ আহ্বান ক্ৰমে ১৯৬৬ চনৰ ১০ চেপ্তেম্বৰ তাৰিখে বিজনী গাঁও পঞ্চায়ত কাৰ্যালয়ত মহাবিদ্যালয় স্থাপন সম্পৰ্কে প্ৰথম আনুষ্ঠানিক সভাখন বহে। উক্ত সভাত মণ্ডল কংগ্ৰেছ কমিটিৰ

সভাপতি ঁযোগেন্দ্ৰ নাথ দাসে সভাপতিত্ব কৰে। সেই সভাত ঁযোগেন্দ্ৰ নাথ দাস, ৰামপ্ৰসাদ দাস, ঁবদ্ৰীনাৰায়ণ আগৰৱালা, দুৰ্গাপ্ৰসাদ সাহা, শ্ৰীযামিনী মোহন বসুমতাৰী, গোপাল কিশোৰ সৰকাৰ, কানাইলাল বোস, সুনীল ৰঞ্জন ঘোষ, তৰণী দাস আৰু মই উপস্থিত থাকোঁ।

সভাত আলোচনামৰ্মে বিজনীত এখন মহাবিদ্যালয় স্থাপন সম্পৰ্কে সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে বিজনী থানা অঞ্চলৰ কেন্দ্ৰস্থান বিজনীত এই প্ৰস্তাৱিত মহাবিদ্যালয়খন পাতিবলৈ সিদ্ধান্ত লোৱা হয়। প্ৰস্তাৱিত এই মহাবিদ্যালয়খনৰ প্ৰাৰম্ভিক যাৱতীয় তথ্যপাতি সংগ্ৰহ কৰিবলৈ ঁৰামপ্ৰসাদ দাস, অৱণী কুমাৰ গোঁহাই বৰুৱা, সুনীল ৰঞ্জন ঘোষ, যোগেন্দ্ৰ নাথ দাস, বীৰেন্দ্ৰ চন্দ্ৰ বড়ো, অচ্যুতানন্দ গুহ, উদয় চন্দ্ৰ দাস, ধৰণীধৰ শৰ্মা, দামোদৰ শৰ্মা, যামিনী মোহন বসুমতাৰী আৰু বদ্ৰী নাৰায়ণ আগৰৱালাক লৈ এখন তদাৰক কমিটি গঠন কৰা হয় আৰু মোক তাৰ আহ্বায়ক নিৰ্বাচিত কৰে। এইদৰে গঠন কৰা তদাৰক কমিটিখনৰ প্ৰথম বৈঠকখন ২৬/১১/৬৬ তাৰিখে ঁৰামপ্ৰসাদ দাসৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয় আৰু তাতে মহাবিদ্যালয় স্থাপন সম্পৰ্কীয় প্ৰাৰম্ভিক তথ্যপাতিসমূহ আহ্বায়ক হিচাপে মই দাঙি ধৰোঁ। এইবিলাকৰ ওপৰত ভিত্তি কৰি ১৭/১২/৬৬ ইং তাৰিখে বিজনীত শ্ৰীশ্ৰীলক্ষ্মীপূজা কমিটিৰ নাটভৰনত এখন ৰাজহুৱা সভা অনুষ্ঠিত কৰা হয়। বিজনী থানা এলেকাৰ প্ৰায় সকলো অঞ্চলৰ ১৬৭ জন লোকে উক্ত সভাখনত যোগদান কৰে। ডাঃ ভোলানাথ সাহাৰ সভাপতিত্বত উক্ত সভাখন অনুষ্ঠিত হয়। এই সভাতে মহাবিদ্যালয় স্থাপন সম্পৰ্কত সকলো দিশ খৰচি মাৰি আলোচনা কৰি বিজনী অঞ্চলৰ কেন্দ্ৰস্থল বিজনীতেই এখন মহাবিদ্যালয় স্থাপনৰ বাবে সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰস্তাৱিত এই মহাবিদ্যালয়খনৰ যাৱতীয় কাৰ্যব্যৱস্থা হাতত ল'বলৈ ৭৬ জন সদস্যৰে এখন 'কলেজ-কমিটি' গঠন কৰা হয়। সেই সভাতেই ২৭ জন ব্যক্তিয়ে মহাবিদ্যালয়খনৰ বাবে তেওঁলোকৰ ব্যক্তিগত দানো আগবঢ়ায়। ইয়াৰ পিছত ৩১/১২/৬৬ ইং তাৰিখে ঁউদ্ধৱ চন্দ্ৰ পাঠকৰ সভাপতিত্বত বহা সভাই ৪৮ জন সদস্যৰে এখন কাৰ্যনিৰ্বাহক কমিটি গঠন কৰি লয়। এই কাৰ্যনিৰ্বাহক কমিটিৰ সভাপতি হিচাপে কোকৰাঝাৰ মহকুমাৰ মহকুমাধিপতিৰ নাম প্ৰস্তাৱ কৰে। লগতে বীৰেন্দ্ৰ চন্দ্ৰ বড়োক কাৰ্যকৰী সভাপতি, সুনীল ৰঞ্জন ঘোষ আৰু যোগেন্দ্ৰ নাথ দাসক উপ-সভাপতি আৰু বদ্ৰী নাৰায়ণ আগৰৱালা লগতে মোক যুটীয়া সম্পাদক হিচাপে নিৰ্বাচিত কৰে। কিন্তু কোকৰাঝাৰ মহকুমাৰ মহকুমাধিপতিৰ সন্মতিসূচক সঁহাৰি নোপোৱাত পিছলৈ বীৰেন্দ্ৰ চন্দ্ৰ বড়োক কাৰ্যকৰী সভাপতি হিচাপে মনোনীত কৰে। আকৌ যুটীয়া সম্পাদক ঁবদ্ৰী নাৰায়ণ আগৰৱালাই সক্ৰিয়ভাৱে কাৰ্যনিৰ্বাহ কৰিবলৈ অপাৰগতা প্ৰকাশ কৰাত সভাই মোক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰি যাবলৈ দিয়ে। বিজনী 'কলেজ কমিটি'ৰ এখন সাধাৰণ সভা ২৬-১০-৬৮ ইং তাৰিখে অনুষ্ঠিত হয়। প্ৰস্তাৱিত মহাবিদ্যালয়খনৰ কাৰণে চাঁদা সংগ্ৰহৰ আঁচনি এখন প্ৰস্তুত কৰি উলিয়াবৰ বাবে ৮ জনীয়া সদস্যৰ এখন "আঁচনি প্ৰস্তুত কমিটি" গঠন কৰা হয় আৰু উক্ত মহাবিদ্যালয়খন বিজনী টাউন গোমাঠত স্থাপন কৰিবলৈ সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ কাৰণে ১৫০ বিঘা মাটি বিজনী টাউন গোমাঠৰ পৰা আবণ্টন দিবলৈ বিভাগীয় কৰ্তৃপক্ষক অনুৰোধ জনাই প্ৰস্তাৱ লোৱা হয়। এই 'আঁচনি প্ৰস্তুত কমিটি'ৰ পৰামৰ্শমতে মহাবিদ্যালয়ৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হয়। সেইমতে ২৬/১/৬৯ ইং তাৰিখৰ সাধাৰণ সভাই





ধন সংগ্ৰহৰ কাৰণে ৮ জন সদস্যৰ এখন শাখা কমিটি গঠন কৰি ধন সংগ্ৰহৰ ব্যৱস্থা লয়। সাধাৰণ সভাত গৃহীত প্ৰস্তাৱ অনুসৰি পাঁচ পইচা, দহ পইচা, এক টকা, দুই টকা, পাঁচ টকা, পঁচিশ টকা, এশ টকা আৰু সাধাৰণ চাঁদা তোলা ৰচীদ বহী ছপা কৰি উলিয়ায়। খাজনাৰ লগতে মাণিকপুৰ আৰু বড়ো বজাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত বজাৰ, পাৰঘাট, বাচযাত্ৰী, কিনা-বেচা সামগ্ৰী, চিনেমা প্ৰদৰ্শন, ধান বনা কল, তামোল, শাক-পাচলি বিক্ৰীৰ পৰা চাঁদা তোলাৰ উপৰিও খেতিয়ক ৰাইজৰ পৰা ধান, মৰাপাট আদি তোলা আৰু আনকি ব্যৱসায়ীসকলে সংগ্ৰহ কৰা "ঈশ্বৰ বৃত্তি"ৰ টকাও মহাবিদ্যালয়ৰ কাৰণে সংগ্ৰহ কৰা হয়। আনহাতে ৰাইজ আৰু বজাৰৰ ইজাৰদাৰসকলৰ সহযোগত কেইবাবছৰো ধৰি বিজনী বজাৰকেইখন মহাবিদ্যালয়ৰ পক্ষৰ হৈ ডাকত লৈ বুজন পৰিমাণৰ ধন সংগ্ৰহ কৰা হয়।

১৯৬৯ চনৰ ১১ এপ্ৰিলৰ পৰা বিজনীৰ উত্তৰ অঞ্চলত এই ধন সংগ্ৰহ অভিযান আৰম্ভ কৰা হয়। সিদিনা আবেলি প্ৰায় তিনি বজাত বীৰেন্দ্ৰগিৰি বসুমতাৰী আৰু লক্ষেশ্বৰ ব্ৰহ্মাৰ সৈতে আমি নিজে পাণবাৰী অভিমুখে ৰাওনা হওঁ। মাজতে বাগৰগাঁৱৰ পৰা কমলাকান্ত মেধীক লগত লৈ চাইকেলেৰে গৈ আমি পাঁচ বজাৰ পিছত ভাতোপাৰা পাওঁ। তাতে লক্ষেশ্বৰ ব্ৰহ্মাৰ ঘৰত ৰাতিটো কটাওঁ। তাৰপৰা আমাৰ ধন সংগ্ৰহ অভিযান আৰম্ভ কৰি সেই অঞ্চলৰ মাজপাৰা, পাণবাৰী, লোৱাৰপৰা, বল্লীমাৰী, সাধুপাৰা, বউলাঝাৰ, কচুবিল, থাউচুবাৰী, চাওৰাং, বাৰ্চিলোৱা আদি গাঁৱলৈ গৈ ৰাইজৰ পৰা টকা বা ধন সংগ্ৰহ কৰিলোঁ বা প্ৰতিশ্ৰুতি ল'লোঁ। এইদৰে লক্ষেশ্বৰ ব্ৰহ্মাইতৰ ঘৰত শিবিৰ পাতি কেইবাদিনো থাকি সেই অঞ্চলৰ গাঁওসমূহ ঘূৰাৰ পিছত আমি বিজনীলৈ উভতি আহোঁ। পুনৰবাৰ বীৰেন্দ্ৰগিৰি বসুমতাৰী আৰু লক্ষেশ্বৰ ব্ৰহ্মাৰ সৈতে বৰগাঁৱলৈ গৈ নিশাটো জয় কুমাৰ ব্ৰহ্মাৰ ঘৰত কটাই সেই অঞ্চলত ধন সংগ্ৰহৰ কাম হাতত লওঁ। এইদৰে খোজকাঢ়ি বা চাইকেলেৰে ঘূৰি ফুৰাত আমাৰ যথেষ্ট কষ্ট হৈছিল। উপায় নাপাই আমি পিছত বিজনীৰ ব্যৱসায়ী বজৰংলাল আগৰৱালা পৰা এখন জীপ গাড়ী ভাড়াত ল'লোঁ।

কিন্তু গাড়ীখন তেনেই পুৰণি হোৱাৰ কাৰণে প্ৰায়ে ঠেলিবলগীয়া হৈছিল। অৱশ্যে আমাৰ মাজত বলৱান ব্যক্তি লক্ষেশ্বৰ ব্ৰহ্মা থকাৰ কাৰণে গাড়ী ঠেলা কাম বা ধানৰ বস্তা কঢ়িওৱা কাম তেওঁৰে বেছিকৈ কৰিবলগীয়া হৈছিল। জীপগাড়ীখনৰ চালক হিচাপে প্ৰথমে ডাঙ্গাইগাঁৱৰে হৰমোহন ৰায় আছিল আৰু পিছত তেওঁ ঘৰলৈ অহাত ডাঙ্গাইগাঁৱৰে হৰমোহন সূত্ৰধৰে চালক হিচাপে গাড়ী চলাইছিল। তেওঁলোক কিন্তু চালক হ'লেও আমাৰ সহকৰ্মী হিচাপে ধন সংগ্ৰহৰ কামত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। এইদৰে বিজনীৰ উত্তৰ-পূব অঞ্চলৰ ধন সংগ্ৰহৰ কাম প্ৰায় শেষ কৰিছিলোঁ। এই ধন সংগ্ৰহ কাৰ্যত আমাৰ তিনিজনৰ বাহিৰেও কমলা মেধি প্ৰায় আমাৰ লগত আছিল। বিভিন্ন গাঁৱলৈ যোৱা সময়ত সেই গাঁৱৰ কিছুমান যুৱক বা বয়োবৃদ্ধ লোক আমাৰ সঙ্গী হৈছিল। ধন সংগ্ৰহ অভিযানত মূলতঃ আমি ধান সংগ্ৰহ কৰিছিলোঁ যদিও নগদ টকাও গ্ৰহণ কৰিছিলোঁ। ইতিমধ্যে লোৱা সিদ্ধান্ত অনুসৰি মহাবিদ্যালয়লৈ এশ টকা বা তাতোধিক বৰঙণি আগবঢ়োৱা দাতাসকলক মহাবিদ্যালয়ৰ পৃষ্ঠপোষক হিচাপে ধৰি লোৱাৰ প্ৰতিও যথেষ্ট সঁহাৰিৰ উপৰিও বিজনীৰ দক্ষিণ, পূব আৰু পশ্চিম অঞ্চলতো দান-বৰঙণি সংগ্ৰহ অভিযান আৰম্ভ কৰা হয়। এই অভিযানত অৱশ্যে বহু লোকৰ আমি সহযোগ পাইছিলোঁ। সেইসকলৰ ভিতৰত বিশেষকৈ বীৰেন্দ্ৰ চন্দ্ৰ বড়ো, ৰামপ্ৰসাদ দাস, মুক্তাধৰ দেৱশৰ্মা, নীলকণ্ঠ সৰকাৰ, যতীন্দ্ৰ চন্দ্ৰ চন্দ, গোপাল

কিশোৰ সৰকাৰ, যতীন্দ্ৰ চন্দ্ৰ ঘোষ, দুৰ্গা প্ৰসাদ সাহা, শৈলেন ৰায়, ডাঃ মণীন্দ্ৰ চন্দ্ৰ ৰায়, ডাঃ সুৰেন্দ্ৰ নাথ দাস, টিকেন্দ্ৰ নাথ পাটোৱাৰী, যোগেন্দ্ৰ নাথ দাস, ধৰণীধৰ দাস, গণি মিঞা, জ্যোতিপ্ৰসাদ দাস, সমৰেন্দ্ৰ বৰ্মন, কমলাকান্ত মেধি, ৰত্নেশ্বৰ ৰায়, ননীমোহন দাস, কামিনী কুমাৰ বসুমতাৰী, সমৰেন্দ্ৰ নাৰায়ণ বসুমতাৰী আৰু আন আন বহুতো আছিল। উল্লেখযোগে যে ধন সংগ্ৰহৰ যাৱতীয় হিচাব-পত্ৰ প্ৰস্তুত কৰি শ্ৰীমতী বুলু দাসে আমাক অনেক সহায় কৰে।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ পুঁজিৰ কাৰণে এখন 'কলেজ চেৰিটি ফাণ্ড' খোলাৰ ব্যৱস্থা কৰা হৈছিল আৰু তাত ৰামপ্ৰসাদ দাস সভাপতি আৰু কামিনী কুমাৰ বসুমতাৰী সম্পাদক আছিল। তেওঁলোকে ইয়াৰ যোগেদি কিছু টকা সংগ্ৰহ কৰি মহাবিদ্যালয়ৰ পুঁজিলৈ আগবঢ়াইছিল। মহাবিদ্যালয়ৰ সাহায্যৰ কাৰণে বিভিন্ন সময়ত অসমীয়া, বঙালী আদি ভ্ৰাম্যমাণ থিয়েটাৰ প্ৰদৰ্শন কৰাই তাৰ পৰাও মহাবিদ্যালয়ৰ পুঁজিলৈ ধন সংগ্ৰহ কৰা হৈছিল। অৱশ্যে মহাবিদ্যালয়ৰ পুঁজিৰ শকত অংশ বিজনী হাট, গোহাট আৰু দৈনিক বজাৰ ডাকত লোৱাৰ পৰাই আহিছিল আৰু ইয়াত সৰ্বসাধাৰণ ৰাইজৰ সৈতে বিজনী বজাৰৰ বিশেষকৈ নিৰণ চন্দ্ৰ দাস, গোবিন্দ চন্দ্ৰ দাস, ৰমণী মোহন দাস, উদ্ধৱ চন্দ্ৰ পাঠক, উদ্ধৱ চন্দ্ৰ দাস, ঘনশ্যাম দাস, দেবেন্দ্ৰ চন্দ্ৰ বড়া, বীৰেন্দ্ৰ চন্দ্ৰ দাস, অচ্যুত দাস, অবিনাশ চন্দ্ৰ পোদ্দাৰ, যতীন্দ্ৰ চন্দ্ৰ চন্দ, ধৰণীধৰ দাস, নীলকণ্ঠ সৰকাৰ, গৌৰ বাগচী, সুৰেন্দ্ৰ নাথ দাস, ধৰ্মকান্ত দাস, আপচু ৰাম দাস, দশৰথ পাঠক, কনক চন্দ্ৰ পাঠক, ডালিম চন্দ্ৰ দাস, ছাহাদ আলি, হৰগোবিন্দ দাস, শুক্লেশ্বৰ ৰায়, ডম্বৰুধৰ দাস, তৰুণ দাস, ভাৰত চন্দ্ৰ বড়া, কনক চন্দ্ৰ বড়া, লক্ষ্মীকান্ত দাস, সমৰেন্দ্ৰ নাৰায়ণ বৰ্মন, যামিনী মোহন বসুমতাৰী, শংকৰচৰণ দাস, আব্দুল ওৱাহেব, ৰামকুমাৰ আগৰৱালা, বলোৰাম সাহা আদি লোক জড়িত আছিল আৰু তেওঁলোকে আগবঢ়োৱা সহায়-সহযোগৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষ তেওঁলোকৰ ওচৰত কৃতজ্ঞ।

২৫/১/৬৯ তাৰিখৰ সাধাৰণ সভাত সিদ্ধান্ত গ্ৰহণ কৰা হয় যে, যদি মহাবিদ্যালয় স্থাপনৰ বাবে সম্ভাব্য ধন সেই বছৰৰে মে' মাহৰ ভিতৰত সংগ্ৰহ কৰিব পৰা যায় তেনেহ'লে জুলাই মাহৰ পৰাই মহাবিদ্যালয়ৰ কাম আৰম্ভ কৰা হ'ব। সেই অনুসৰি ধন সংগ্ৰহ অভিযান চলোৱাৰ লগে লগে মহাবিদ্যালয় স্থাপনৰ বাবে প্ৰচেষ্টা চলোৱা হৈছিল। কিন্তু গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই মহাবিদ্যালয় খোলাৰ বাবে অনুমতি প্ৰদানত অসন্মতি প্ৰকাশ কৰাত সমস্যাৰ সৃষ্টি হ'ল। সেই বিষয়ে 'কলেজ কমিটি'ৰ কাৰ্যকৰী সভাৰ ২৯/৬/৬৯ তাৰিখৰ সভাত বিশদভাৱে আলোচনা কৰা হয়। সভাৰ আলোচনামৰ্মে আনুষ্ঠনিকভাৱে শ্ৰেণী নুখুলি ৰাইজৰ আগ্ৰহৰ প্ৰতি সন্মান জনাই প্ৰথম পৰ্যায়ত প্ৰাক্-বিশ্ববিদ্যালয় কলা শাখা এটি টিউটৰিয়েল শ্ৰেণী খুলিবলৈ সিদ্ধান্ত লোৱা হয়। 'বিজনী কলেজ কমিটি'ৰ তত্ত্বাৱধানতে যিহেতু এই টিউটৰিয়েল শ্ৰেণীটোৰ কাম পৰিচালিত হ'ব, গতিকে এই গোটেই প্ৰতিষ্ঠানটোকে 'বিজনী টিউটৰিয়েল কলেজ' নামেৰে নামকৰণ কৰিবলৈ সভাত স্থিৰ কৰা হয়। এই টিউটৰিয়েল শ্ৰেণীৰ কাম বিজনী ছোৱালী হাইস্কুলতে আৰম্ভ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰি তাৰ বাবে টিউটৰ বা অধ্যাপক নিয়োগ কৰিবলৈ ঠিক কৰা হ'ল। সেই মতে ২৬/৭/৬৯ তাৰিখৰ 'কলেজ কমিটি'ৰ কাৰ্যকৰী সভাত 'বিজনী টিউটৰিয়েল কলেজ'ৰ বাবে ইংৰাজী বিভাগত সন্তোষ কুমাৰ ঘোষ, অসমীয়া বিভাগত বীৰেন্দ্ৰগিৰি বসুমতাৰী, বাংলা বিভাগত ধীৰেশ চন্দ্ৰ বৰ্মন, ৰাজনীতি বিভাগত মোক, অৰ্থনীতি বিভাগত ডম্বৰুধৰ ৰায় আৰু বুৰঞ্জী





বিভাগত লক্ষেশ্বৰ ব্ৰহ্মক অধ্যাপক হিচাপে নিযুক্তি দিয়া হয়। সভাৰ আন এটা প্ৰস্তাৱযোগে 'বিজনী টিউটৰিয়েল কলেজ'ৰ বাবে কোকৰাঝাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ৰমণীকান্ত শৰ্মাক অধ্যক্ষৰ পদ গ্ৰহণ কৰিবলৈ অনুৰোধ জনোৱা হয়। ১৯৬৯ চনৰ ২১ জুলাই তাৰিখে 'বিজনী টিউটৰিয়েল কলেজ'ৰ আনুষ্ঠানিক উদ্বোধনৰ দিনা উক্ত অধ্যাপককেইগৰাকীয়ে কামত যোগদান কৰে। ইয়াৰ ভিতৰত ঁৰমণী কান্ত শৰ্মাই কিছুদিন পিছতহে অধ্যক্ষ হিচাপে কামত যোগদান কৰে।

২১/৭/৬৯ ইং তাৰিখে পৃথিৱীৰ মানুহে চন্দ্ৰত অৱতৰণ কৰাৰ স্মৰণীয় দিনটোতে 'বিজনী টিউটৰিয়েল কলেজ'ৰ শুভ উদ্বোধন কৰা হয়। বিজনী ছোৱালী হাইস্কুলত পতা উক্ত অনুষ্ঠানত সভাপতিত্ব কৰে কোকৰাঝাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ঁৰমণী কান্ত শৰ্মাদেৱে আৰু কলেজখনৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে স্থানীয় বিধায়ক গোলোক চন্দ্ৰ পাটগিৰীদেৱে।

এইদৰে ৭৬ জন ছাত্ৰ-ছাত্ৰীৰে ১৯৬৯-৭০ চনত 'বিজনী টিউটৰিয়েল কলেজ'ৰ শুভাৰম্ভ কৰা হয় যদিও গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষই তেওঁলোকৰ বিনা অনুমতিত কলেজ খোলা বিষয়টো সহজভাৱে গ্ৰহণ কৰিব নোৱাৰিলে। কলেজ কৰ্তৃপক্ষৰ সকলো অনুৰোধ তেওঁলোকে প্ৰত্যাখ্যান কৰি ছাত্ৰ-ছাত্ৰীসকলক ট্ৰেন্সফাৰ চাৰ্টিফিকেট দি অন্য কলেজত ভৰ্তি হ'বৰ বাবে কঠোৰভাৱে নিৰ্দেশ দিয়ে। অৱশেষত বঙাইগাঁও কলেজত উক্ত ছাত্ৰ-ছাত্ৰীসকলক নামভৰ্তি কৰাই পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰা হয়। এই ক্ষেত্ৰত বঙাইগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীসুভাষ চক্ৰৱৰ্তীৰ সহায় উল্লেখনীয়। ইয়াৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বিভাগীয় অনুমতি লাভ কৰি ১৯৭০-৭১ চনৰ শিক্ষাবৰ্ষৰ পৰাহে মহাবিদ্যালয়ৰ নিয়মিত কাম-কাজ চলোৱা হয়।

অৱশ্যে পিছলৈ মহাবিদ্যালয়খনে বিশেষ তেনে কোনোধৰণৰ বাধাৰ সন্মুখীন নোহোৱাকৈ আগবাঢ়ি যায় আৰু ১৯৭৪-৭৫ চনত স্নাতক চূড়ান্ত বাৰ্ষিক শ্ৰেণীৰ স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হয়।

মহাবিদ্যালয়ৰ বাবে বিজনী টাউন গো-মাঠৰ পৰা ১৫০ বিঘা মাটি আবণ্টন বিচাৰি ইতিমধ্যে আগতীয়া যোগাযোগ কৰা হৈছিল যদিও গোৱালপাৰা জিলাৰ উপায়ুক্তই ১০ বিঘা মহাবিদ্যালয়ৰ বাবে আগতীয়া দখলীস্বত্ব দিয়ে। সেই মাটিতে মহাবিদ্যালয়ৰ কাৰণে নিজা গৃহ নিৰ্মাণ কৰিবলৈ কাৰিকৰী বিষয়াৰ দ্বাৰা ১৫৬' x২৫' x১৪ মাপৰ এটা ঘৰৰ প্ৰাক্কলন তৈয়াৰ কৰি লোৱা হয়। পিছত ১৯৭০ চনৰ ১৮ মাৰ্চ তাৰিখে মহাবিদ্যালয়ৰ নিৰ্দিষ্ট মাটিত গৃহ নিৰ্মাণৰ বাবে আধাৰশিলা স্থাপন অনুষ্ঠানৰ আয়োজন কৰা হয় আৰু গোৱালপাৰা জিলাৰ উপায়ুক্ত কমলকৃষ্ণ সিন্‌হাদেৱে আধাৰশিলা স্থাপন কৰে। ইয়াৰ বাবে এখন নিৰ্মাণ কমিটি গঠন কৰি উক্ত কমিটিৰ তত্ত্বাৱধানত ৰাজমিস্ত্ৰি মহম্মদক কামটো কৰিবলৈ দিয়া হয়। কিন্তু তেওঁৰ কামত অসন্তুষ্ট হৈ পিছত তেওঁক বাদ দিয়া হয় আৰু পকাৰ কাম, কাঠৰ কাম আদি ভাগ ভাগ কৰি বিভিন্ন মিস্ত্ৰীক কামটো কৰিবলৈ দিয়া হয়। এই নিৰ্মাণকাৰ্য তদাৰক কৰাৰ কাৰণে ধৰণীধৰ দাসক দায়িত্ব দিয়া হয়।

মহাবিদ্যালয়ৰ নিজা মাটিত পকীবেৰৰ সৈতে অসম আৰ্হিৰ ১৫৬' x২৫' x১৪' মাপৰ মহাবিদ্যালয় গৃহটো হৈ উঠাতে ১৯৭১ চনৰ ২৭ জুলাই তাৰিখে সেইটো আনুষ্ঠানিকভাৱে উদ্বোধন কৰিবলৈ আয়োজন কৰা হয়। সেই সময়ৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীদেৱে মাঙ্গলিক অনুষ্ঠানৰ মাজেৰে আনুষ্ঠানিকভাৱে মহাবিদ্যালয় গৃহটো উদ্বোধন কৰে। উদ্বোধন সভাত সভাপতিত্ব কৰে উপমন্ত্ৰী গোলোক চন্দ্ৰ পাটগিৰীদেৱে আৰু

মুখ্যমন্ত্ৰী মহোদয়ে সেই অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ দিয়ে। মহাবিদ্যালয়ৰ সম্পাদক হিচাপে মই অভিনন্দন-পত্ৰ যোগে তেখেতসকলক আদৰণি জনাই মহাবিদ্যালয়ৰ অগ্ৰগতিৰ বিষয়ে এটি থুলমূল আভাস দাঙি ধৰোঁ। সেই সভাতেই মহাবিদ্যালয় গৃহ উদ্বোধনৰ আহিলা- শৰাইখন, কেঁচীখন আৰু খণ্ডিত ফিটাডাল নিলামত দিয়া হয় আৰু বিজনীৰ আগশাৰীৰ ব্যৱসায়ী ঁৰাম কুমাৰ আগৰৱালাই ১০০১.০০ টকা আগবঢ়াই উক্ত বস্তুখিনি ডাকত কিনি লয়। মুখ্যমন্ত্ৰীৰ সন্মানাৰ্থে সন্ধিয়া মহাবিদ্যালয়ত ভোজমেলৰ আয়োজন কৰা হয় আৰু মুখ্যমন্ত্ৰীদেৱ, উপমন্ত্ৰী পাটগিৰীদেৱ, গোৱালপাৰা জিলাৰ উপায়ুক্তদেৱ প্ৰমুখ্যে বহুতো বিষয়া আৰু নেতৃস্থানীয় লোকসকলে তাত অংশ গ্ৰহণ কৰে।

সেই সময়লৈ মহাবিদ্যালয়ৰ অগ্ৰগতিৰ বিষয়ে ২৪/১২/৭১ তাৰিখে পতা সাধাৰণ সভাত বিষদভাৱে পৰ্যালোচনা কৰা হয়। বীৰেন্দ্ৰ চন্দ্ৰ বড়োৰ সভাপতিত্বত বহা উক্ত সভাত মহাবিদ্যালয়ৰ সম্পাদক হিচাপে মই সম্পাদকীয় প্ৰতিবেদনযোগে মহাবিদ্যালয়ৰ জন্মবৃত্তান্তকে আদি কৰি সেই সময়লৈকে হোৱা প্ৰগতিৰ বিষয়ে এটি বিস্তৃত বিৱৰণ দাঙি ধৰোঁ। লগতে ১৯৬৬ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৯৭১ চনৰ ২০ ডিচেম্বৰ তাৰিখলৈ হোৱা আয়-ব্যয়ৰ হিচাপো দাঙি ধৰোঁ। সেই অনুসৰি দেখা যায় যে, উক্ত সময়ছোৱাৰ ভিতৰত মহাবিদ্যালয়ৰ মুঠ ২,৬৬,১০৯.১৫ টকা আয় আৰু মুঠ ২,৫৫,৪৯৯.৯৪ টকা ব্যয় হয়। সেই সময়লৈকে মহাবিদ্যালয়ৰ ৯৯জন পৃষ্ঠপোষক পোৱা হয়। মহাবিদ্যালয়খনে ইতিমধ্যে প্ৰাক্‌- বিশ্ববিদ্যালয় শ্ৰেণীলৈ বিশ্ববিদ্যালয়ৰ স্বীকৃতি লাভ কৰাৰ কাৰণে আৰু বিভাগীয় স্বীকৃতি লাভ কৰাৰ কাৰণে বিভাগীয় নীতি-নিয়ম অনুসৰি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিখনো গঠন কৰাৰ সিদ্ধান্ত সেই সভাতে গ্ৰহণ কৰা হয়।

মহাবিদ্যালয়ৰ বিভাগীয় নীতি-নিয়ম অনুসৰি পৰিচালনা সমিতি গঠন কৰি লোৱাত ১৯৭২ চনত গঠন কৰা প্ৰথম কমিটিখনৰ সভাপতি হিচাপে স্থানীয় বিধায়ক গোলোক চন্দ্ৰ পাটগিৰীদেৱ আৰু টিকেন্দ্ৰ নাথ পাটোৱাৰীদেৱক সম্পাদক হিচাপে মনোনীত কৰা হয়। সেইমতে পাটোৱাৰীদেৱে ১২/৩/৭৩ তাৰিখে সম্পাদকৰ দায়িত্বভাৰ বুজি লৈ কাম কৰিবলৈ লয়। কিন্তু মহাবিদ্যালয় পৰিচালনাৰ ক্ষেত্ৰত সেই সময়ত উদ্ভৱ হোৱা কিছুমান পৰিস্থিতিৰ কাৰণে ২৬/১/৭৫ ইং তাৰিখে পাটোৱাৰীদেৱে সম্পাদকৰ পদৰ পৰা অব্যাহতি লয়। তেতিয়াৰে পৰা বিভাগীয় নীতি-নিয়ম অনুসৰিয়ে মহাবিদ্যালয় পৰিচালনা কমিটিখন প্ৰতি তিনি বছৰৰ মূৰে মূৰে গঠন কৰি অহা হৈছে আৰু সেই কমিটিবোৰৰ সভাপতি হিচাপে কেতিয়াবা শ্ৰীগোলোক চন্দ্ৰ পাটগিৰী, কেতিয়াবা মহকুমাধিপতিক নিয়োগ কৰা হৈ আছে। আগতে বিজনীখন কোকৰাঝাৰ মহকুমাৰ ভিতৰত আছিল। মহকুমাধিপতি হিচাপে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নিয়োগ কৰাত মহকুমাধিপতি আলোক পেৰটি আৰু পিচত কৃপাল দাসে মহাবিদ্যালয়ৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে। মহকুমাধিপতি কৃপাল দাসৰ সময়ত মহাবিদ্যালয়ৰ বিকাশৰ কাৰণে বিশেষ কিছুমান পৰিকল্পনা হাতত লোৱা দেখা গৈছিল।

বিজনী মহকুমা গঠন হোৱাত আৰু মহকুমাধিপতিসকলক মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে নিয়োগ কৰাত মহকুমাধিপতি সুকুমাৰ তালুকদাৰ আৰু বৰ্তমানেও মহকুমাধিপতি ইমৰাণ হুছেইন খণ্ডকাৰে সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ





কৰি আছে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিসকল সময়ে সময়ে পৰিৱৰ্তন হৈ আছে যদিও ২৬/১/৭৫ ইং তাৰিখৰ পৰা অপৰিৱৰ্তনীয়ভাৱে সম্পাদকৰ পদত মইয়ে কাৰ্যনিৰ্বাহ কৰি আছোঁ।

ইফালে ১/২/৭১ ইং তাৰিখৰ পৰা ৩০/৬/৭১ তাৰিখলৈ অধ্যক্ষ ঁৰমণী কান্ত শৰ্মাই ছুটী লোৱাত পৰিচালনা সমিতিয়ে মোক ভাৰপ্ৰাপ্ত অধ্যক্ষ পদত নিয়োগ কৰে। পুনৰ ১/৭/৭১ তাৰিখে ঁৰমণী কান্ত শৰ্মাই অধ্যক্ষ পদত যোগদান নকৰি পদত্যাগ কৰাত পৰিচালনা সমিতিয়ে মোকেই পূৰ্ণপৰ্যায়ৰ অধ্যক্ষ হিচাপে নিয়োগ কৰে। তেতিয়াৰ পৰা মই বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাম কৰি আছোঁ।

ইতিমধ্যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৰ্ধিত হোৱাত ১০/২/৮২ তাৰিখৰ পৰা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক বীৰেন্দ্ৰগিৰি বসুমতাৰীক উপাধ্যক্ষ পদত নিযুক্তি দিয়ে। কিন্তু ১৯৯৪ চনৰ ৯ এপ্ৰিল তাৰিখে হঠাৎ তেওঁ আমাক এৰি পৰলোকলৈ গমন কৰে। মহাবিদ্যালয়ৰ প্ৰস্তুতিপৰ্বৰে পৰা কায়িক আৰু মানসিকভাৱে অৱদান আগবঢ়াই যোৱা বুৰঞ্জী বিভাগৰ আন এগৰাকী অধ্যাপক লক্ষেশ্বৰ ব্ৰহ্মকো আমি অকালতে হেৰুৱাব লগা হ'ল। এই দুয়োগৰাকী ব্যক্তিৰ অকাল বিয়োগত মহাবিদ্যালয়খনৰ অপূৰণীয় ক্ষতি হয়।

মহাবিদ্যালয়ৰ ছাত্ৰৰ প্ৰয়োজনৰ কথা লক্ষ্য কৰি এটি ছাত্ৰাবাস নিৰ্মাণৰ কাম হাতত লোৱা হয়। উক্ত ছাত্ৰাবাসৰ ১০/১১/৭৯ তাৰিখে স্থানীয় বিধায়ক তথা সংসদী সচিব পদ্মলোচন বড়োৱে আধাৰশিলা স্থাপন কৰে। পণ্ডিত মুক্তাধৰ দেৱশৰ্মাই আধাৰশিলা স্থাপনৰ যাৱতীয় মাঙ্গলিক কাৰ্য সম্পন্ন কৰে। অসম চৰকাৰৰ মঞ্জুৰীপ্ৰাপ্ত ধনেৰে প্ৰথমে ছাত্ৰাবাসৰ দুটা কোঠালী নিৰ্মাণ কৰি ৪/৮/৮৪ তাৰিখে তেতিয়াৰ ৰাজ্যিক মন্ত্ৰী মাননীয় শ্ৰীযুত লুইচ ইচলাৰীৰ দ্বাৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ইফালে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে ৬ষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত ছাত্ৰাবাস নিৰ্মাণৰ বাবে ২,২০,০৫০.০০ টকা মঞ্জুৰ কৰে যদিও কেতবোৰ বিশেষ অসুবিধাৰ কাৰণে সময়মতে নিৰ্মাণৰ কাম হাতত ল'ব পৰা নগ'ল। কিছুদিন পিছতহে এই নিৰ্মাণকাৰ্য আৰম্ভ কৰিবলৈ লোৱাত আঁচনি অনুসৰি এতিয়াও তাক সম্পূৰ্ণ কৰিব পৰা নাই। উক্ত ছাত্ৰাবাসৰ আধৰুৱা কামখিনি কৰাৰ কাৰণে ৮ম পাঁচ বছৰীয়া পৰিকল্পনাত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে টকা দিয়াৰ কথা কৈছে যদিও আজিলৈ টকা আহি নোপোৱাৰ কাৰণে কাম আৰম্ভ কৰিব পৰা নাই।

মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠাত উল্লেখিত মন্ত্ৰী বা বিশিষ্ট ব্যক্তিসকলৰ উপৰিও যোৱা ১৬/৬/৭১ ইং তাৰিখে তেতিয়াৰ শিক্ষামন্ত্ৰী শৰৎ চন্দ্ৰ গোস্বামী আৰু ৬/১২/৭৫ ইং তাৰিখে শিক্ষামন্ত্ৰী হৰেন্দ্ৰ নাথ তালুকদাৰে আমাৰ বিজনী মহাবিদ্যালয়লৈ আহি মহাবিদ্যালয়খনৰ অগ্ৰগতিত যথেষ্ঠ অৰিহণা আৰু প্ৰেৰণা আগবঢ়ায়।

আমাৰ মহাবিদ্যালয়খনে এইদৰে অগ্ৰগতিৰ পথলৈ আগবাঢ়ি যোৱাত ১/৯/৭৪ ইং তাৰিখৰ পৰা মাহিলী দুহেজাৰ টকাকৈ চৰকাৰৰ তৰফৰ পৰা তদৰ্থ মঞ্জুৰী লাভ কৰিবলৈ সমৰ্থ হয়। সেই সময়ত অসমৰ বহুতো মহাবিদ্যালয়ে ঘাটিমঞ্জুৰী পোৱাৰ বাবে দাবী কৰি থকাৰ পৰিপ্ৰেক্ষিতত সদৌ অসম কলেজ শিক্ষক সন্থাৰ গুৱাহাটী মহাবিদ্যালয়ত পতা বাৰ্ষিক অধিবেশনত অসম চৰকাৰৰ তেতিয়াৰ মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ আৰু শিক্ষামন্ত্ৰী হৰেন্দ্ৰ নাথ তালুকদাৰে সভাত উপস্থিত থাকি ১৯৭৩-৭৪ চনলৈ বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত প্ৰায় সকলোবোৰ

মহাবিদ্যালয়কে ঘাটিমঞ্জুৰী দিয়াৰ কথা ঘোষণা কৰে। কিন্তু আমাৰ মহাবিদ্যালয়খনৰ স্বীকৃতি ১৯৭৪-৭৫ চনত হোৱা বাবে তাৰ পৰা বাদ পৰিল। সেই সভাত মই আমাৰ মহাবিদ্যালয়ৰ আন দুগৰাকী প্ৰবক্তাৰ সৈতে যোগদান কৰিছিলোঁ। আমাৰ মহাবিদ্যালয়খন ঘাটিমঞ্জুৰী পোৱা তালিকাৰ পৰা বাদ পৰা দেখি আমি অতিশয় চিন্তাত পৰিলোঁ। কাৰণ সেইবছৰ একেলগে প্ৰায় ৩২ খন মহাবিদ্যালয় ঘাটিমঞ্জুৰীলৈ অনাৰ পিছত আৰু বা কিমান বছৰ পিছত অন্য মহাবিদ্যালয়লৈ ঘাটিমঞ্জুৰী দিয়ে সেই বিষয়ে চিন্তা কৰি আমি শংকিত হৈ পৰিলোঁ। সেইবাবে আমি লগে লগে মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক লগ ধৰি শিক্ষা আৰু অৰ্থনৈতিকভাৱে তেনেই পিছপৰা কোকৰাঝাৰ মহকুমাৰ দ্বিতীয়খন মহাবিদ্যালয় আমাৰ মহাবিদ্যালয়খনলৈ বিশেষ অনুগ্ৰহ কৰি হ'লেও ঘাটিমঞ্জুৰী প্ৰদান কৰিব লাগে বুলি অনুৰোধ জনালোঁ। নিজৰ নীতি আৰু আদৰ্শত সদায় দ্যৰ্থহীনভাৱে লাগি থকা মাননীয় মুখ্যমন্ত্ৰীয়ে আমাক প্ৰথমে হতাশ কৰিলে যদিও মহাবিদ্যালয়ৰ আৰম্ভণি অৱস্থাত বিশ্ববিদ্যালয়ৰ পৰা অনুমতি লাভ কৰাৰ ক্ষেত্ৰত যিদৰে ৰাজনৈতিক অনুগ্ৰহ লাভ কৰাৰ ব্যৱস্থা কৰা হৈছিল এইবাৰো সেইদৰে কাম কৰিবলৈ ল'লোঁ। এইখিনিতে উল্লেখ কৰিব পাৰি যে, মই কংগ্ৰেছ দলৰ এজন সক্ৰিয় কৰ্মী হিচাপে সেই ৰাজনৈতিক শাসনাধীষ্ঠ কংগ্ৰেছ চৰকাৰৰ পৰা কিছুমান ৰাজনৈতিক সুবিধা আদায় কৰিবলৈ সক্ষম হৈছিলোঁ। এই বিষয়ত বিশেষকৈ তেতিয়াৰ বঙাইগাঁও সমষ্টিৰ বিধায়ক ধ্ৰুৱনাৰায়ণ বৰুৱা, মন্ত্ৰী ৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী আৰু স্থানীয় বিধায়ক গোলোক চন্দ্ৰ পাটগিৰীয়ে আমাক যথেষ্ট সহায় কৰিছিল। উল্লেখিত বিধায়ক বৰুৱা আৰু পাটগিৰী আৰু মন্ত্ৰী বসুমতাৰী, লগতে অবিভক্ত গোৱালপাৰা জিলাৰ কংগ্ৰেছ দলৰ আন আন মন্ত্ৰী আৰু বিধায়কসকল একত্ৰিত হৈ শিক্ষামন্ত্ৰীৰ জৰিয়তে মুখ্যমন্ত্ৰীক আবেদন আৰু অনুৰোধ জনোৱাত অৱশেষত মুখ্যমন্ত্ৰী মহোদয়ে ১/১২/৭৫ তাৰিখৰ পৰা আমাৰ মহাবিদ্যালয়খন ঘাটিমঞ্জুৰীৰ অধীনলৈ অনাৰ ব্যৱস্থা কৰে। তাৰবাবে আমি মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু সৰ্বসাধাৰণ ৰাইজে বিমল আনন্দ লাভ কৰাৰ লগতে চৰকাৰলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰোঁ। ক'ব লগা হ'লে ১৯৬৯-৭০ চনত 'টিউটৰিয়েল কলেজ'. হিচাপে কাম আৰম্ভ কৰা আৰু ১৯৭০-৭১ চনতহে বিজনী মহাবিদ্যালয় হিচাপে চলাবলৈ লোৱা আমাৰ মহাবিদ্যালয়খনে পাঁচ বছৰৰ ভিতৰতে ঘাটিমঞ্জুৰীপ্ৰাপ্ত হোৱা উদাহৰণ সম্ভৱতঃ অসমত খুব কমেই আছে। এইদৰে ১৯৭৫ চনত ঘাটিমঞ্জুৰী লাভ কৰা আমাৰ মহাবিদ্যালয়খনে এতিয়ালৈ অব্যাহত গতিত এই মঞ্জুৰী ভোগ কৰি পূৰ্ণপৰ্যায়ৰ কলা বিভাগৰ মহাবিদ্যালয় হিচাপে পৰিণত হৈ আহিছে।

মহাবিদ্যালয়ত কলা বিভাগৰ লগতে বিজ্ঞান শাখা খোলাৰ বাবে ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলে সঘনে জনোৱা দাবীৰ পৰিপ্ৰেক্ষিতত যোৱা ৩১/৫/৮৫ তাৰিখে বীৰেন্দ্ৰ চন্দ্ৰ বড়োৰ সভাপতিত্বত এখন সাধাৰণ সভা অনুষ্ঠিত কৰি ১৯৮৫-৮৬ চনৰ পৰাই স্নাতক পৰ্যায়ত বিজ্ঞান শাখাৰ কাম আৰম্ভ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা প্ৰয়োজনীয় অনুমতি পাবৰ কাৰণে আবেদন জনোৱা হয়। পিছে বিজ্ঞান শাখা খোলাৰ কাৰণে বিশেষকৈ বিজ্ঞানাগাৰ স্থাপন কৰাৰ কোনো সুবিধা কৰিব নোৱাৰি সেই কামত আগবাঢ়িব পৰা নগ'ল। সেইদৰে ১/৭/৮৬ ইং তাৰিখেও টিকেন্দ্ৰ নাথ পাটগিৰীদেৱৰ সভাপতিত্বত আন এখন সাধাৰণ সভা আয়োজন কৰা হয়। অৱশ্যে এই বিষয়ত বিশেষ আগবাঢ়িব নোৱাৰি যোৱা ৭/৭/৮৬ ইং তাৰিখে বীৰেন্দ্ৰ চন্দ্ৰ





বড়োৰ সভাপতিত্বত আন এখন সাধাৰণ সভা আয়োজন কৰা হয় আৰু সেই সভাতে বিজ্ঞান শাখা পৰিচালনা কৰিবৰ কাৰণে ২৪জন সদস্যৰে এখন পৰিচালনা কমিটি গঠন কৰা হয়। বিজ্ঞান শাখাৰ কাৰণে সেই সময়তেই ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহৰ শুভাৰম্ভ কৰা হয় যদিও পিছলৈ দান-বৰঙণি লাভ কৰাৰ ক্ষেত্ৰত বিশেষ আগবাঢ়িব পৰা নগ'ল। বঙাইগাঁও তেল শোধনাগাৰ কৰ্তৃপক্ষক বিজ্ঞানাগাৰ নিৰ্মাণৰ কাৰণে আৰ্থিক সহায় আগবঢ়াবলৈ কৰা অনুৰোধক্ৰমে চাৰি লাখ টকা মঞ্জুৰ কৰাত বিজ্ঞানাগাৰ ভৱনটো নিৰ্মাণ কৰি উলিওৱা হয়। ইয়াৰ আনুসংগিক যন্ত্ৰ-পাতিবোৰ অৰ্থৰ অভাৱত এতিয়াও বহুৱাব পৰা নাই। ইতিমধ্যে অসমৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ২/৭/৯৩ ইং তাৰিখে বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ কাৰণে দুই লাখ আৰু কিতাপ-পত্ৰৰ কাৰণে পঞ্চাশ হাজাৰ টকা মঞ্জুৰীৰ কথা ঘোষণা কৰে। তাৰ বাবে আমি বঙাইগাঁও তেল শোধনাগাৰ কৰ্তৃপক্ষ আৰু অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰত কৃতজ্ঞ। যোৱা ১৯৮৫-৮৬ চনৰে পৰা প্ৰচেষ্টা চলাই থকা বিজ্ঞান শাখাৰ স্নাতক শ্ৰেণীৰ কাম এইবছৰৰ পৰা (১৯৯৪) আৰম্ভ কৰা হয়। কিছু অনিশ্চয়তা আৰু অন্যান্য অসুবিধাৰ কাৰণে স্নাতক পৰ্যায়ৰ পৰা আৰম্ভ কৰা ১ম বাৰ্ষিক শ্ৰেণীত ১৬ জন ছাত্ৰ-ছাত্ৰীয়েহে নামভৰ্তি কৰে। নিযুক্তিৰ ক্ষেত্ৰত বিভাগীয় নিয়ম-নীতিৰ ওপৰত ভিত্তি কৰি বিজ্ঞান শাখাৰ বাবে অৰ্হতা সম্পন্ন ৫ জন প্ৰবক্তা নিয়োগ কৰা হৈছে। মহাবিদ্যালয়ৰ কলা বিভাগতো, অসমীয়া, ইংৰাজী, অৰ্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান আৰু বুৰঞ্জী বিভাগত গুৰু (Major) পাঠ্যক্ৰম খোলা হৈছে। ছাত্ৰ-ছাত্ৰীৰ মাচুল, চৰকাৰী অনুদান আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত মহাবিদ্যালয়ৰ পুথিভঁৰালটিও যথেষ্ট সংখ্যক পুথি, বাতৰি কাকত আৰু আলোচনীৰে সমৃদ্ধ কৰা হৈছে।

অন্যান্য অঞ্চলত কলেজ স্থাপন কৰাটো বিশেষ কোনো সমস্যাৰ কথা নহ'লেও বিজনীৰ দৰে সকলোপিনৰ পৰা অনগ্ৰসৰ অঞ্চলত কলেজ এখন স্থাপন কৰা যে কিমান দুৰূহ আৰু কষ্টসাধ্য তাক উদ্যোক্তাসকলেহে বাৰুকৈ উপলব্ধি কৰিব পাৰে। মহাবিদ্যালয়ৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ পৰা বৰ্তমানলৈকে যিসকল ব্যক্তিয়ে আৰ্থিক কায়িক আৰু মানসিকভাৱে অৱদান আগবঢ়াই গৈছে, যিসকল ব্যক্তি ইয়াৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত হৈ আছিল সেইসকলৰ বহুতেই আজি আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গৈছে। মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ এই পৱিত্ৰ ক্ষণত মৃত কিম্বা জীৱিত সকলোৰে প্ৰতি আমাৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে মৃতকসকলৰ বিদেহী আত্মাই যাতে চিৰশান্তি লাভ কৰে তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

শেষত যিসকল ৰাইজ, মহাবিদ্যালয়ৰ সহকৰ্মী, বন্ধু-বান্ধৱী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু পৰিচালনা সমিতিৰ সদস্য-সদস্যাৰ সহায়-সহযোগিতাত মহাবিদ্যালয়খনে গৌৰৱোজ্জ্বল পঁচিশটা বছৰ পূৰ্ণ কৰি আজি ৰূপালী জয়ন্তী উৎসৱ পালনত অৰিহণা যোগালে সেইসকল ব্যক্তিলৈও আমাৰ হিয়াভৰা ভক্তি অৰ্ঘ্য যাচিলোঁ। মহাবিদ্যালয়খনে যাতে সকলো ফালেদি ভৱিষ্যতলৈও উন্নতি লাভ কৰিব পাৰে তাৰ বাবে ভগৱানৰ ওচৰত মিনতি জনালোঁ।

জয়তু বিজনী মহাবিদ্যালয়। ●

---

বিজনী মহাবিদ্যালয় ৰূপালী জয়ন্তী বৰ্ষ স্মৃতিগ্ৰন্থত প্ৰকাশিত প্ৰাক্তন অধ্যক্ষ প্ৰয়াত উদয় চন্দ্ৰ দাসদেৱৰ এই প্ৰবন্ধটো তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাই পুনৰ প্ৰকাশ কৰা হ'ল।



# বিজনী কলেজৰ সোণালী অতীতৰ কিছু কথা

ড° অনুপম কুমাৰ ৰায়

আমাৰ সকলোৰে আপোন আৰু গৌৰৱৰ উচ্চশিক্ষাৰ অনুষ্ঠান বিজনী কলেজৰ সোণালী জয়যাত্ৰাৰ কথা আলোচনা কৰাৰ এটা দুপৰীয়াৰ কথা। গুৱাহাটীৰ দীঘলী পুখুৰীৰ পাৰৰ অসম সাহিত্য সভা ভৱন প্ৰাঙ্গণ। চলিত ২০১৯ বৰ্ষৰ জুলাই মাহৰ ১১ তাৰিখ। হঠাতে লগ পালো সদা হাস্য বদনৰ বিজনী কলেজৰ বৰ্তমানৰ উপাধ্যক্ষ ড° প্ৰমথেশ বায়নক। লগত তেখেতৰ সহধৰ্মিনী, গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা কলেজৰ অধ্যাপিকা ড° গীতা সৰকাৰ। বিজনীৰ কথাৰ আঁত ধৰি ড° বায়নে জনালে যে ২০১৯ বৰ্ষটো বিজনী কলেজৰ সোণালী জয়ন্তী বৰ্ষ হিচাপে বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হৈছে। কলেজখন স্থাপনৰ সময়ত আমি হাইস্কুলীয়া ছাত্ৰ। আমাৰ মনবোৰ হঠাতে উভতি গৈছিল সোণালী কৈশোৰৰ দিনবোৰলৈ।

যোৱা শতিকাৰ ১৯৬৯ চনত কলেজখন স্থাপিত হৈছিল। ২১ জুলাই তাৰিখে কলেজখন প্ৰতিষ্ঠাৰে উচ্চশিক্ষাৰ জয়যাত্ৰাত বিজনীৰ ৰাইজৰ মনত আনন্দৰ জোঁৱাৰ উঠিছিল। সিদিনাই ২১ জুলাই তাৰিখে আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশচাৰী নীল আৰ্মষ্টিং আৰু এডুইন এলড্ৰিনে চন্দ্ৰত অৱতৰণ কৰি সমগ্ৰ বিশ্বক চমকিত কৰি মহাকাশ বিজয়ৰ এক অতি উল্লেখনীয় মাইলৰ খুঁটি স্থাপন কৰিছিল। সেয়ে ১৯৬৯ চনটো দুটা ডাঙৰ সাফল্যৰ কথা আমাৰ মনত স্থায়ী হৈ ৰ'ল। তেতিয়াৰ গোৱালপাৰা জিলাৰ পূবপ্ৰান্তত অৱস্থিত বিজনী বান্ধৱ হাইস্কুল জিলাখনৰ লেখত ল'বলগীয়া হাইস্কুল। এইখন স্কুলৰে আমাৰ পিছৰচামৰ ছাত্ৰ বৰ্তমান বিজনী কলেজৰ অধ্যক্ষ ড° বীৰহাসগিৰি বসুমাতাৰী আৰু উপাধ্যক্ষ ড° প্ৰমথেশ বায়ন।





বিগত শতিকাৰ পঞ্চাশৰ দশকত বিজনী আৰু দাঁতিকাষৰীয়া অঞ্চলত কেইবাখনো হাইস্কুল আছিল। আমি জনাত সেইবোৰ স্কুলৰ ভিতৰত বিজনী বান্ধৱ হাইস্কুল, বিজনী বিদ্যাপীঠ, বড়ো বাজাৰ হাইস্কুল, মাণিকপুৰ হাইস্কুল, পাতিলাদহা হাইস্কুল আদিৰ নাম ল'ব পাৰি। যাঠিৰ দশকত স্থাপন হৈছিল বিজনী ছোৱালী হাইস্কুল। তেতিয়ালৈ বিজনীত কলেজ স্থাপন হোৱাই নাছিল। হাইস্কুলীয়া শিক্ষা সমাপ্ত কৰি ছাত্ৰ-ছাত্ৰীসকলে কোকৰাঝাৰ, ধুবুৰী, অভয়াপুৰী, বঙাইগাঁও, গোৱালপাৰা, পাঠশালা নাইবা গুৱাহাটীলৈ উচ্চশিক্ষাৰ বাবে যাবলগীয়া হৈছিল। আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ উচ্চশিক্ষাৰ সপোন বাস্তৱত পৰিণত নহৈছিল। কলেজ এখনৰ অভাৱৰ কথা সচেতন সমাজখনত অনুভূত হৈছিল। এই কথা লক্ষ্য কৰি সেই সময়ৰ শিক্ষানুৰাগী গুণী-জ্ঞানী সুধীসকলৰ প্ৰচেষ্টা আৰু ৰাইজৰ সহযোগত বিজনীত প্ৰথম এখন নতুন কলেজ প্ৰতিষ্ঠাপিত হৈছিল। এই মহৎ পদক্ষেপত আগভাগ লোৱাসকলৰ নাম স্মৃতিগ্ৰন্থ আৰু কলেজত থকা নথিপত্ৰ আৰু কাৰ্যক্ৰমণিকাৰ বিৱৰণীত নিশ্চয় লিপিবদ্ধ হৈ আছে। সেয়া আজি ইতিহাস।

আমাৰ মনত থকা মতে ১৯৬৮ বৰ্ষতে বিজনী কলেজ স্থাপনৰ প্ৰাৰম্ভিক কাম আৰম্ভ হৈছিল। আমি তেতিয়া অষ্টম শ্ৰেণীৰ ছাত্ৰ। ক্লাচত হিন্দী বিষয় শিক্ষক শ্ৰদ্ধেয় শ্ৰীউত্তম চন্দ্ৰ দাসদেৱে কথা প্ৰসঙ্গত কৈছিল যে আমাৰ বিজনীত এখন নতুনকৈ কলেজ স্থাপন হ'ব। আমি নিজৰ এলেকাতে থাকিয়ে কলেজ পঢ়িব পাৰিম। আমাৰ চেমনীয়া মনত এইটো এটা অতি উৎসাহজনক বাতৰি। ন-কৈ স্থাপন কৰিবলগীয়া কলেজৰ পৰিচালনা সমিতিয়ে আমাৰ স্কুলৰ ছাত্ৰসকলৰ পৰা সমাজসেৱা স্বৰূপে কায়িক সহযোগিতা বিচাৰিছিল। তেতিয়া আমাৰ স্কুলৰ প্ৰধান শিক্ষক আছিল শ্ৰদ্ধেয় প্ৰয়াত বীৰেন্দ্ৰ চন্দ্ৰ বড়ো ডাঙৰীয়া। তেখেতে হ'বলগীয়া কলেজখনৰ চৌহদৰ চাফাই কামত যোগদান কৰিবলৈ ছাত্ৰসকলক নিৰ্দেশ দিছিল। দিন-বাৰ মনত নাই। বাৰিষাৰ পিছৰ শুকান ফৰকাল বতৰ। বৰ্তমানৰ কলেজ চৌহদৰ ঠাইডোখৰ চহৰখনৰ দক্ষিণে থকা এখন বিৰাট গো-চৰণীয়া পথাৰৰ মধ্যস্থলত। কেৱল বনগুটি আৰু কেটুৰী বনেৰে ভৰা মুকলি পথাৰ। দুই এজোপা সৰু সৰু অচিনাকী বনৰীয়া গছ। হ'বলগীয়া কলেজখনত জড়িত সমাজৰ বহুতো গুনী, জ্ঞানী জ্যেষ্ঠ ব্যক্তি, আমাৰ শিক্ষাগুৰুসকলৰ কিছুমান আৰু চুবুৰীয়া গাঁৱৰ পৰাও কিছুমান ব্যক্তিয়ে সেইদিনাৰ শুভ আৰম্ভণিৰ অনুষ্ঠানত যোগদান কৰিছিল। লগত আছিল বান্ধৱ হাইস্কুলৰ ছাত্ৰসকল। জ্যেষ্ঠ ছাত্ৰসকলে হাবি-বন কাটি ঠাইডোখৰ মুকলি কৰাত সহায় কৰিছিল। কলেজৰ আধাৰশিলা স্থাপনৰ মাঙ্গলিক অনুষ্ঠান পৰিচালনা কৰিছিল আমাৰ স্কুলৰ সংস্কৃত শিক্ষক শ্ৰদ্ধেয় প্ৰয়াত মুক্তাধৰ শৰ্মাদেৱে। আধাৰশিলা স্থাপন, শ্ৰমদান, আনন্দ-স্ফূৰ্তি আৰু শেহত বুট-মাহৰ প্ৰসাদ বিতৰণ। আবেলি আনন্দমনে এই শুভ বাৰ্তা আমি গাঁৱলৈ লৈ গৈছিলোঁ। আমাৰ বিজনী চহৰত এখন কলেজ হ'ব। বিজনীৰ বাবে এটা সুন্দৰ খবৰ।

নৱ স্থাপিত কলেজখনৰ প্ৰথম অধ্যক্ষ আছিল কোকৰাঝাৰ কলেজৰ অৱসৰী অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ প্ৰয়াত ৰমণীকান্ত শৰ্মাদেৱ। কলেজখনৰ সামগ্ৰিক পৰিচালনাৰ দায়িত্বত থকা কাৰ্যবাহীসকলৰ কথা আমি জনা নাছিলোঁ। সেই সময়ত কলেজখনত যোগদান কৰা অধ্যাপকসকলৰ কিছুমানক চিনি পাইছিলোঁ। তেখেতসকলেই

কলেজখন গঢ়ি তোলাৰ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। তেখেতসকলৰ মাজত ক্ৰমিক জ্যেষ্ঠতাৰ কথা জনা নাছিলোঁ। চিনি পোৱা মুষ্টিমেয় তেনে কেইগৰাকীমানৰ ভিতৰত সৰ্বশ্ৰী গোহাইগাঁৱৰ প্ৰয়াত উদয় চন্দ্ৰ দাস (পিছলৈ অধ্যক্ষ), পাণবাৰী ভাতোপাৰাৰ প্ৰয়াত লক্ষেশ্বৰ ব্ৰহ্ম, ডাঙাইগাঁৱৰ প্ৰয়াত বীৰেন্দ্ৰগিৰি বসুমাতাৰী (পিছলৈ উপাধ্যক্ষ), নধীয়াপাৰাৰ শ্ৰীযুত জমিঅ' বসুমতাৰী, বেংতলৰ শ্ৰীযুত লুইচ ইচলাৰী (পিছলৈ অসম চৰকাৰৰ প্ৰাক্তন মন্ত্ৰী), বঙাইগাঁৱৰ শ্ৰীযুতা বিভা সিংহ (পিছলৈ অধ্যক্ষ), শ্ৰীযুত ধীৰেন্দ্ৰ নাথ মেধি (পিছলৈ উপাধ্যক্ষ, ভাৰপ্ৰাপ্ত অধ্যক্ষ), শ্ৰীযুত কামেশ্বৰ ডেকা, শ্ৰীযুত প্ৰতাপচন্দ্ৰ দাস, শ্ৰীযুত ধীৰেশ চন্দ্ৰ বৰ্মন, প্ৰয়াত দীনেশ চন্দ্ৰ দত্ত আদি। প্ৰথমচামৰ যিসকল স্থানীয় স্নাতকোত্তৰ ডিগ্ৰীধাৰী যুবকে কলেজখনত যোগদান কৰি পাঠদান কৰিছিল তেখেতসকলে পৰিচালনা সমিতিৰ সদস্যৰ লগত নিজ নিজ এলেকাত ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰিবলগীয়া হৈছিল। ইয়াৰ পৰা অনুমান হয় যে তেখেতসকলে যথেষ্ট মানসিক আৰু কায়িক শ্ৰমেৰে কলেজখন প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছিল আৰু কলেজখনৰ বাবে সকলো দায়িত্ব হেলাৰঙে গ্ৰহণ কৰিছিল। তেখেতসকল এই ত্যাগৰ বাবে আমাৰ সকলোৰে শ্ৰদ্ধা আৰু ধন্যবাদৰ পাত্ৰ। আমাৰ মনত পৰে প্ৰয়াত শ্ৰদ্ধেয় উদয়চন্দ্ৰ দাসদেৱৰ নেতৃত্বত কলেজ পৰিচালনাৰ কিছু সদস্য আমাৰ গাঁৱলৈ কলেজৰ বাবে অনুদান বিচাৰি আহিছিল। আমাৰ গাঁৱবোৰৰ পৰিয়ালসমূহ প্ৰধানত কৃষিজীৱী। ধান খেতিয়ে উপাৰ্জনৰ প্ৰধান সম্বল। সেয়ে আমাৰ গাঁৱৰ কিছুমান সামৰ্থৱান খেতিয়কে ধানকে বৰঙণি হিচাপে আগবঢ়াইছিল। এইদৰে সাধাৰণভাৱে হ'লেও কলেজখনৰ উত্তৰণৰ অংশীদাৰ হ'বলৈ পাই খেতিয়কসকলে গৌৰৱ অনুভৱ কৰিছিল।

নতুনকৈ কলেজখন স্থাপনৰ লগে লগে ৰাজ্যৰ ভিন্ ভিন্ প্ৰান্তৰ চামে চামে শিক্ষাব্ৰতী লোকৰ আগমন ঘটিল। উচ্চশিক্ষাৰ এক নতুন পৰিৱেশ সৃষ্টি হ'ল। কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ সমাহাৰেৰে ইতিমধ্যে শিক্ষাক্ষেত্ৰত আগবঢ়া সমাজখনত আৰু এক নতুন মাত্ৰাৰ সংযোগ ঘটিল। বিজনীৰ আঁতৰৰ পৰা অহা কেইবাগৰাকী অধ্যাপকে বিজনীতে ঘৰ-বাৰী বনাই নিগাজীকৈ থাকিবলৈ ল'লে আৰু স্থানীয় সমাজখনত মিলি গ'ল। তেখেতসকলৰ ভিতৰত অন্যতম শ্ৰীযুত ধীৰেন্দ্ৰ নাথ মেধি আৰু শ্ৰীযুত কামেশ্বৰ ডেকাদেৱক এতিয়াও কলেজ আৰু সমজুৱা কাম-কাজত সক্ৰিয় ভূমিকাৰে লগ পোৱা যায়। আন এগৰাকী প্ৰাক্তন শিক্ষক প্ৰয়াত দীনেশ চন্দ্ৰ দত্ত ডাঙৰীয়াই আমাৰ গেৰুকাবাৰী গাঁৱত মাটি-ঘৰ কৰি সপৰিয়ালে থাকিবলৈ লৈছিল। তেখেতৰ মৃদুভাষী ব্যক্তিত্বই আমাৰ দৰে উঠি অহা চামক অনুপ্ৰাণিত কৰিছিল। কিন্তু তেখেতৰ অকাল বিয়োগত কলেজখনৰ, তেখেতৰ পৰিয়ালৰ লগতে আমাৰ গাঁওখনৰো অপূৰণীয় ক্ষতি হ'ল। তেখেতৰ উত্তৰসূৰী হিচাপে আমাৰ গাঁৱৰ পৰা শ্ৰীযুত জবিন চন্দ্ৰ ৰায় আৰু শ্ৰীযুতা সবিতা ৰায় এই দুইগৰাকীয়ে কলেজখনত অধ্যাপনা কৰি আছে। জানিব পৰা মতে কলেজখনত বৰ্তমান প্ৰায় দুই হাজাৰ সাত শ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰি আছে। কলেজখনত উচ্চতৰ মাধ্যমিক শাখা আৰু স্নাতক পৰ্যায়ত ক'লা আৰু বিজ্ঞানৰ শিক্ষা ব্যৱস্থা আছে। ইয়াত 'আইডল' (IDOL) আৰু 'কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়' (KKHOU) খনৰ শিক্ষা কেন্দ্ৰ আছে। কলেজখনৰ আন্তঃগাঁঠনি উন্নতমানৰ আৰু ক্ৰমবৰ্দ্ধমান ছাত্ৰ-





ছাত্ৰীৰ চাহিদালৈ চাই নতুন ভৱনৰ সংযোজন হৈ আছে। বিজনীত এতিয়া বাণিজ্য বিষয়ক স্নাতক পাঠ্যক্ৰমৰ প্ৰয়োজন। কাৰিকৰী শিক্ষাৰ মহাবিদ্যালয় নাইবা তেনেকুৱা আন কোনো শিক্ষানুষ্ঠান যাৰ দ্বাৰা নতুনচামে কৰ্ম সংস্থাপনৰ বাবে প্ৰয়োজনীয় দক্ষতা অৰ্জন কৰি ভিন্ ভিন্ কৰ্মক্ষেত্ৰত নিয়োজিত বা স্বনিয়োজিত হ'ব পাৰে তেনেকুৱা শিক্ষানুষ্ঠানৰ প্ৰয়োজনীয়তা আছে। অসম চৰকাৰে বিশেষকৈ বি টিচি. প্ৰশাসনে এই ক্ষেত্ৰত মুখ্য ভূমিকা ল'ব পাৰে।

এক দীঘলীয়া পথ অতিক্ৰম কৰি বিজনী মহাবিদ্যালয়ে আজি সোণালী জয়ন্তী বৰ্ষৰ ধ্বজা উৰুৱাইছে। এয়া সুধী ৰাইজৰ সহযোগ, কলেজখনৰ অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপকমণ্ডলীৰ অবিৰত প্ৰচেষ্টাৰ ফল। ইয়াত ছাত্ৰ সমাজৰ অৱদানো উল্লেখযোগ্য। তেখেতসকল আমাৰ সকলোৰে শ্ৰদ্ধা, শুভেচ্ছা আৰু অভিনন্দনৰ পাত্ৰ। বিজনী কলেজে ভৱিষ্যতৰ দিনবোৰতো নৱ প্ৰজন্মক আগুৱাই লৈ যাওঁক উচ্চশিক্ষাৰ নতুন দিগন্তলৈ। জয়তু বিজনী কলেজ।●

---

লেখক ড° ৰায় ভাৰতীয় প্ৰশাসনীয় সেৱাৰ অৱসৰপ্ৰাপ্ত বিষয়া।

# ইতিহাস প্ৰসিদ্ধ বিজনী ঃ এক অৱলোকন

এ এইচ খন্দকাৰ

বিজনী বা বেজনী। চিলাৰায়ৰ নাতিল'ৰা ৰজা পৰীক্ষিত নাৰায়ণ দেৱ। সপ্তদশ শতাব্দীৰ প্ৰথমাৰ্দ্ধত পৰীক্ষিত নাৰায়ণৰ পুত্ৰ চন্দ্ৰনাৰায়ণ (বিজিত নাৰায়ণ) বিজনী ৰাজ্যৰ প্ৰতিষ্ঠা কৰে। আহোম-মোগলৰ দ্বন্দ্ব আৰু স্থানীয় জনগোষ্ঠীৰ বিদ্ৰোহ আদিৰ ফলত এই অঞ্চলত মাজে-সময়ে বিশৃংখলতাই দেখা দিছিল। এনে পৰিস্থিতিৰ মাজতেই ১৬৩৬ খ্ৰীষ্টাব্দত মাত্ৰ ২৩ বছৰ বয়সত ৰজা চন্দ্ৰনাৰায়ণ (বিজিত নাৰায়ণ)ৰ মৃত্যু হয়। চন্দ্ৰনাৰায়ণৰ মৃত্যুৰ পিছত তেওঁৰ নাবালক পুত্ৰ জয়নাৰায়ণ বিজনীৰ ৰজা হয়। তাৰিণী প্ৰসাদ সেন প্ৰণিত ইতিহাস সম্বলিত 'বিজনী ৰাজবংশ' গ্ৰন্থত এনেধৰণে উল্লেখ কৰিছে— 'যুৱৰাজ জয়নাৰায়ণে পিতৃৰ ক্ৰিয়া-কৰ্ম সম্পাদনপূৰ্বক পিতৃৰ সিংহাসনত অধিৰোহণ কৰে আৰু নিজ বিদ্যা-বুদ্ধিৰ প্ৰভাৱত অবিচলিতভাৱে ৰাজকাৰ্য পৰ্যালোচনা কৰে আৰু বিভিন্ন জনগোষ্ঠীৰ বিৰোধিতা পৰাভূত কৰি নিজ ৰাজ্য নিষ্কণ্টক কৰে। এনেধৰণে ৰজা জয় নাৰায়ণে সুখ-শান্তি আৰু নিৰুদ্বেগেৰে ৰাজ শাসন কৰে।'

ৰজা জয়নাৰায়ণ যথেষ্ট বিদ্যা-বুদ্ধিসম্পন্ন আছিল। পিছত অমৃত নাৰায়ণ ১৮৩৮ খ্ৰীষ্টাব্দত বিজনীৰ ৰজা হিচাপে অধিষ্ঠিত হয়। তেওঁ অমাত্যবৰ্গৰ লগত আলোচনাক্ৰমে ৰাজকাৰ্য সমাপন কৰিছিল। কিন্তু তেওঁ অধিককাল ৰাজ্য শাসন কৰিব নোৱাৰিলে। অপৈণত বয়সতে পুত্ৰহীন অৱস্থাত তেওঁৰ মৃত্যু হয়।

ৰাণী ভাগ্যেশ্বৰী দেৱীয়ে স্বামীৰ অনুমতিক্ৰমে ১৬৫৭ খ্ৰীষ্টাব্দত কুমুদ নাৰায়ণক অতি শৈশৱ কালতেই দত্তক হিচাবে গ্ৰহণ কৰিছিল। স্বাস্থ্যজনিত কাৰণত তেওঁ বাৰাণসী আৰু পাটনা চহৰত কিছুকাল অৱস্থান কৰিছিল। যথেষ্ট শিক্ষা-দীক্ষাও লাভ কৰিছিল। তেওঁ ইংৰাজী, পাৰ্চী আৰু বঙালী ভাষাত বিশেষ বুৎপত্তি লাভ কৰিছিল। ৰজা কুমুদ নাৰায়ণে প্ৰাপ্তবয়স্ক প্ৰাপ্তিক্ৰমে আৰু অধ্যয়ন সমাপণ কৰি বোম্বাই (মুম্বাই), আগ্ৰা, দিল্লী, এলাহাবাদ আৰু অসমৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি বহু অভিজ্ঞতা লাভ কৰি নিজ ৰাজ্যলৈ প্ৰত্যাৱৰ্তন কৰে। ১৮৭৪ খ্ৰীষ্টাব্দৰ ২১ চেপ্তেম্বৰ তাৰিখে ৰজা কুমুদ নাৰায়ণে বিজনীৰ ৰাজ সিংহাসনত আৰোহণ কৰে আৰু ৰাজ্যৰ সমৃদ্ধি সাধন কৰে। তেঁৱেই বিজনীৰ শেষ ৰজা।

১৯৮৯ চনৰ অক্টোবৰ মাহত বিজনী ৰাজহ চক্ৰ বিজনী মহকুমালৈ উন্নীত হয়। শ্ৰীযুত প্ৰফুল্ল কুমাৰ গোস্বামী প্ৰথম মহকুমাধিপতি (১৯৯০ চন, জানুৱাৰী)। চৰকাৰী চাকৰি সূত্ৰে বিজনী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া হিচাবে যোগদানৰ উদ্দেশ্যে ১৯ জানুৱাৰী তাৰিখে বিজনী পদাৰ্পণ কৰি মহকুমাধিপতি শ্ৰীগোস্বামীক লগ কৰিবলৈ তেখেতৰ কোঠালিত প্ৰৱেশ কৰো। সেই সময়ত বিজনীৰ সমাজসেৱক প্ৰয়াত হৰগোবিন্দ দাসে আগন্তুক গণৰাজ্য দিৱস উদ্‌যাপন সম্পৰ্কে আলোচনা কৰি আছিল। শ্ৰীগোস্বামী অতিৰিক্ত সহকাৰী আয়ুক্ত হিচাবে বৰপেটাত কৰ্মৰত আছিল। তেখেতৰ ঘৰ নগাঁও জিলাৰ কামপুৰত। আমাৰ ডাঙৰ বৌ কামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক হিচাবে কৰ্মৰত থকা সূত্ৰে তেখেতৰ পৰিয়ালৰ লগত অহা-যোৱা আছিল। বৰপেটাত কৰ্মৰত থকাৰ সময়ত আমাৰ পৰিয়ালৰ লগত শ্ৰীগোস্বামীৰ পৰিয়ালৰ অহা-যোৱা আছিল। সেইসূত্ৰে আমাৰ লগতো তেখেতৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক গঢ় লৈ উঠিছিল। নতুন মহকুমা। প্ৰয়োজনীয় পৰিকাঠামোৰ অভাৱ। ৰে'লআলিৰ উত্তৰে মাৰোৱাৰী ভৱনত ভাৰাঘৰ হিচাবে লৈ মহকুমাধিপতিৰ কাৰ্যালয় পৰিচালিত হৈছিল। জলসিঞ্চন বিভাগৰ ডাক বাংলো মহকুমাধিপতিৰ চৰকাৰী বাসভৱন হিচাবে ব্যৱহাৰ হৈছিল। শ্ৰীগোস্বামীৰ লগত পূৰ্বৰ চিনাকি সূত্ৰে মহকুমাধিপতিগৰাকীৰ পৰা বিভিন্ন সহায়-সহযোগিতা পাইছিলো।

সেই সময়ত উত্তৰ অঞ্চলত বড়ো আন্দোলন চলি আছিল। আমি কৰ্মৰত থকাৰ সময়তে বডোছা তথা বড়ো আন্দোলনৰ পুৰোধা ব্যক্তি উপেন্দ্ৰনাথ ব্ৰহ্মৰ দেহাৱসান ঘটে। তেওঁৰ মৃতদেহ শোভাযাত্ৰা কৰি বিজনী অঞ্চললৈ অনা হৈছিল। সেই শোভাযাত্ৰা সুকলমে সম্পন্ন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি আমি নিৰীক্ষক হিচাবে আইন-শৃংখলাজনিত দায়িত্ব পালন কৰিছিলো। বড়ো আন্দোলনৰ ফলত আমি অতি সাৱধানতাৰে দায়িত্ব পালন কৰিবলগীয়া হৈছিল। আমাৰ কাৰ্যকালৰ সময়তে মোহিনীমোহন বসুমতাৰী আবছুৰ সভাপতি আছিল। তেওঁৰ পৰা বিভিন্ন সময়ত সহায়-সহযোগিতা পাইছিলো। পিছলৈ তেওঁ বিধায়ক নিৰ্বাচিত হৈছিল। শ্ৰীযুত গোস্বামীৰ কাৰ্যকালত ১৯৯১ চনৰ লোক গণনাৰ কাম আৰম্ভ কৰা হয়। আমি অতিৰিক্ত মহকুমা লোক গণনা বিষয়া হিচাবে গোটেই প্ৰক্ৰিয়াটো পৰিচালনা কৰিব লগা হয়। মহকুমাধিপতি কাৰ্যালয়ত আন বিষয়া নাছিলেই। গতিকে বিভিন্ন বিভাগ যথা কৃষি, জলসিঞ্চন, শিশু উন্নয়ন প্ৰকল্প বিষয়া, জনজাতি কল্যাণ বিষয়া আদিৰ সহযোগত লোকপিয়লৰ কাম যথাসময়ত গোটেই দেশৰ লগতে ১৯৯১ চনৰ ৩১ মাৰ্চ নিশা ১২ বজাত সুচাৰুৰূপে সম্পন্ন কৰা হয়।

শ্ৰীগোস্বামীৰ বদলি হোৱাত আমি সাময়িকভাৱে ৩/৪/৯১ তাৰিখৰ পৰা ৪/৫/৯১ তাৰিখলৈ দায়িত্ব পালন কৰো। এই সময়তে বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় প্ৰাৰম্ভিক কাৰ্য সমাধা কৰা হয়। প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ গ্ৰহণ, পৰীক্ষা আৰু প্ৰাৰ্থীৰ তালিকা প্ৰস্তুত কৰা হয়। নিৰ্বাচনৰ কিছুদিন পূৰ্বে নিয়মীয়া মহকুমাধিপতি জনে ৪/৫/৯১ ইং তাৰিখে দায়িত্বভাৰ চমজি লয়। মহকুমাধিপতি ইমদাদুল হক মাথো ৭ মাহহে দায়িত্বত আছিল। তেওঁৰ পিছত শ্ৰীঅঞ্জন বৰদলৈ ডাঙৰীয়াই প্ৰায় এবছৰৰ বাবে মহকুমাধিপতিৰ দায়িত্ব পালন কৰে। তেওঁৰ কাৰ্যকালত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হয়। নিৰ্দেশমৰ্মে পঞ্চায়ত নিৰ্বাচন পৰিচালনাৰ দায়িত্বও সামগ্ৰিক ভাৱে আমি পালন কৰিছিলো।

পৰৱৰ্তী মহকুমাধিপতি শ্ৰীসুকুমাৰ তালুকদাৰৰ কাৰ্যকালত আমি চক্ৰ বিষয়া হিচাবে দায়িত্ব এৰি ১৯৯৩ চনৰ মাৰ্চ মাহত বিজনী চহৰ ত্যাগ কৰো। চক্ৰ বিষয়া হিচাবে কাৰ্যকালত বিজনীৰ বিভিন্ন শ্ৰেণীৰ লোকৰ সহায়, মৰম, শ্ৰদ্ধা আদি পাইছিলো। আজি তেওঁলোকৰ নাম উল্লেখ নকৰিলে তেওঁলোকৰ প্ৰতি সুবিচাৰ কৰা নহ'ব।



'স্মৃতিগ্ৰন্থ' সোণালী জয়ন্তী বৰ্ষ, ২০১৮-১৯

সেইসকল সদাশয় ব্যক্তিসকল হ'ল— বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত উদয় চন্দ্ৰ দাস, প্ৰয়াত মুক্তানাথ দেৱশৰ্মা, প্ৰয়াত ৰত্নেশ্বৰ দাস, প্ৰয়াত হৰগোবিন্দ দাস, শ্ৰীৰামপ্ৰসাদ আগৰৱালা, ডাঃ ৰতন কুমাৰ ৰয়, শ্ৰীসুবীৰ দাস, নুৰনবী শ্বেখ, প্ৰয়াত দিলীপ বক্সী, প্ৰাক্তন বিধায়ক মকবুল হুচেইন, গোবিন্দ বসুমতাৰী, প্ৰয়াত মোহিনীমোহন বসুমতাৰী, বলোৰাম ব্ৰহ্ম, ৰমাকান্ত বসুমতাৰী, প্ৰেট্ৰচ বসুমতাৰী, ৰাজেন বসুমতাৰী, প্ৰাক্তন বিধায়ক কমল ব্ৰহ্ম, বৰ্তমানৰ বিধায়ক কমল সিং নাৰ্জাৰী, উমেদ আলী, সুনীল শৰ্মা আৰু প্ৰদীপ বায়ন, তুলসীৰাম পুৰোহিত ইত্যাদি। এই ছেগতে তেওঁলোকক সুঁৱৰিছো আৰু প্ৰয়াতসকলৰ প্ৰতি মোৰ শ্ৰদ্ধাৰ্ঘ অৰ্পণ কৰিছো।

বিজনী মহকুমাৰ মহকুমাধিপতি হিচাবে ১৯৯৪ চনৰ ১০ জুন তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰো। পুৰণি ঠাই, চা-চিনাকি থকা লোক অনেক। দিনবোৰ ভালদৰেই আৰম্ভ হৈছিল। কিন্তু মোৰ কাৰ্যকালত কেইটামান দুৰ্ঘটনা সংঘটিত হৈছিল। এই বিষয়ে পিছলৈ আহিম। মহকুমাধিপতি হিচাবে বিজনী মহাবিদ্যালয়ৰ পৰিচালনা কমিটিৰ সভাপতিৰ দায়িত্বও ল'ব লগা হৈছিল। বিভিন্ন উন্নয়নমূলক কাম-কাজৰ উপৰিও উল্লেখনীয় হ'ল মহাবিদ্যালয়খনত স্নাতক মহলাৰ বিজ্ঞান বিভাগৰ প্ৰাৰম্ভণ। সেই সময়ৰ অধ্যক্ষ উদয় চন্দ্ৰ দাসৰ ঐকান্তিক চেষ্টাত বিজ্ঞান শাখা সময়ত আৰম্ভ কৰিব পৰা হৈছিল। এই সময়ছোৱাত বিজনী মহাবিদ্যালয়ৰ ৰজত জয়ন্তী উৎসৱ পালিত হয়। উদ্‌যাপন সমিতিৰ সভাপতি হিচাবে বঙাইগাঁও জিলাৰ উপায়ুক্ত শ্ৰীদেবেন্দ্ৰ কুমাৰক মনোনীত কৰা হয়। আমি কাৰ্যকৰী সভাপতি হিচাবে দায়িত্ব পালন কৰিব লগা হয়। ৰজত জয়ন্তী উৎসৱ সুকলমে পালন হয়। তাত আমাৰ অৱদান কি পৰ্যায়ৰ আছিল, সেয়া সেই সময়ৰ সংশ্লিষ্ট সকলেহে ক'ব পাৰিব।

আমাৰ কাৰ্যকালতে পৰিবহন বাছ আস্থান, মহকুমাধিপতিৰ বাসভৱন, ন্যায়িক আদালত আৰু ন্যায়িক দণ্ডাধীশসকলৰ আৱাসগৃহৰ বাবে প্ৰয়োজনীয় ভূমি আৱণ্টন কৰাৰ দিহা কৰা হৈছিল। জলসিঞ্চন বিভাগৰ ডাক বাংলো, মহকুমাধিপতিৰ আৱাসগৃহ হিচাবে আৰু গড়কাপ্তানী বিভাগৰ ডাক বাংলো, মহকুমা আৰক্ষী বিষয়াৰ বাবে ব্যৱহাৰ কৰা হৈছিল। ফলত চৰকাৰী আলহী ঘৰৰ বাৰুকৈয়ে অনুভৱ কৰা হৈছিল। সেই অভাৱ পূৰণাৰ্থে মহকুমা উন্নয়ন পুঁজিৰ জৰিয়তে আলহী ঘৰ (গেষ্ট হাউচ) ব্যক্তিগত তদাৰকত সম্পূৰ্ণ কৰা হয়। এইক্ষেত্ৰত জলসিঞ্চন বিভাগৰ সহকাৰী অভিযন্তা শ্ৰীছাহজাহান আলীৰ সহায়-সহযোগ স্মৰণযোগ্য। উক্ত সময়ছোৱাত সেই সময়ৰ অসমৰ মাননীয় ৰাজ্যপাল শ্ৰীযুত লোকনাথ মিশ্ৰ ডাঙৰীয়াই বিজনী ভ্ৰমণ কৰিছিল। তেওঁক আপ্যায়ন কৰিবলৈ বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষৰ কোঠালীটো উপযুক্তভাৱে গঢ় দি তেওঁৰ ব্যৱহাৰৰ বাবে উন্নীত কৰা হৈছিল। মহকুমাধিপতি হিচাবে আমি কাৰ্যভাৰ গ্ৰহণ কৰাৰ পূৰ্বে অৰ্থাৎ আমাৰ আগৰগৰাকী মহকুমাধিপতিৰ কাৰ্যকালত মহকুমাৰ উত্তৰাঞ্চলৰ আমটেকা, কয়লা-ময়লা আদি অঞ্চলত গোষ্ঠীগত সংঘৰ্ষৰ ফলত প্ৰায় দুই-তিনি হেজাৰ সংখ্যালঘু লোকৰ ক্ষয়-ক্ষতি হৈছিল। তেওঁলোকৰ অধিকাংশক উক্ত স্থানতে কেম্প কৰি ৰখা হৈছিল। কেম্পত থকা লোকসকলক খাদ্য আৰু চিকিৎসা সেৱা প্ৰদানৰ দিহা কৰাৰ দায়িত্ব আমি পালন কৰিব লগা হৈছিল। আমাৰ কাৰ্যকালত পুনৰ কাষৰীয়া কোকৰাঝাৰ আৰু বৰপেটা জিলাত বড়ো আৰু সংখ্যালঘু সম্প্ৰদায়ৰ





মাজত সংঘৰ্ষ হয়। উক্ত গোষ্ঠীগত সংঘৰ্ষৰ প্ৰভাৱ যাতে বিজনী মহকুমাত পৰিব নোৱাৰে সেই উদ্দেশ্যে আমি প্ৰয়োজনীয় ব্যৱস্থা লওঁ। মহকুমাৰ বিভিন্ন ঠাইত সজাগতা সভা অনুষ্ঠিত কৰি ৰাইজক অভয় প্ৰদানৰ লগতে শান্তি-শৃংখলা বজায় ৰাখিবলৈ আবেদন কৰা হয়। জিলা উপায়ুক্তয়ো এই কামত সক্ৰিয় সহযোগ কৰে। নিশাৰ ভাগতো উপায়ুক্ত আৰু আমি বিভিন্ন ঠাইত সজাগতামূলক সভা অনুষ্ঠিত কৰি ৰাইজৰ লগত মত বিনিময় কৰিছিলো। প্ৰশাসনৰ আন্তৰিক প্ৰচেষ্টাত আমি ৰাইজৰ আস্থা অৰ্জনত সফল হওঁ আৰু কাষৰীয়া জিলা দুখনত ক্ষয়-ক্ষতি হৈছিল যদিও বিজনী মহকুমাত শান্তি-শৃংখলা অটুট ৰখাত প্ৰশাসন সফল হয়। এইক্ষেত্ৰত বিজনী জিলা আবছুৰ সক্ৰিয় সহায়-সহযোগ পাইছিলো। তেওঁলোকৰ সহায়-সহযোগৰ বাবে আমাৰ কাম বহুলাংশে উজু হৈছিল। আমাৰ কাৰ্যকালত মহকুমাত বসবাস কৰা সীমিতসংখ্যক আদিবাসীসকলকো নিৰাপত্তা সু-নিশ্চিত কৰিব পৰা হৈছিল। এইক্ষেত্ৰত সেই সময়ত বিজনীৰ উত্তৰে বড়বজাৰত অৱস্থানৰত সামৰিক বিষয়া মেজৰ নন্দীৰ সহায় আমাৰ মনত স্মৰণীয় হৈ থাকিব।

আমাৰ কাৰ্যকালত সন্ত্ৰাসী কাৰ্যকলাপৰ ফলত বিজনীৰ উদীয়মান যুৱক শ্ৰীদিলীপ বক্সীৰ লগতে আৰু তিনিজন লোকৰ অকাল মৃত্যু হয়। বিজনীৰ মহকুমাধিপতি হিচাবে কাৰ্যকালত এই দুৰ্ঘটনা আমাৰ বাবে বৰ বেদনাদায়ক হৈ থাকিল। বদলি সূত্ৰে আমি ০৩/১২/৯৬ ইং তাৰিখে মহকুমাধিপতিৰ দায়িত্ব নতুন মহাকুমাধিপতিক চমজাই বিজনী ত্যাগ কৰো। চৰকাৰী চাকৰিসূত্ৰে বিভিন্ন ঠাইত দায়িত্ব পালন কৰিব লগা হয়। ঠাইবোৰৰ প্ৰতি, মানুহবোৰৰ প্ৰতি কম-বেছি আন্তৰিকতা আত্মিক ভাব গঢ় লৈ উঠে। আমাৰ চাকৰি জীৱনত বহু ঠাইত কৰ্মৰত আছিলো যদিও দুই-তিনিখন ঠাইৰ প্ৰতি এক বিশেষ আত্মিক সম্পৰ্ক অনুভৱ কৰিছিলো। আমি ইতিমধ্যে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছো। আজিও মাজে-সময়ে সেই ঠাইবোৰৰ কথা, মানুহবোৰৰ কথা মনৰ মাজত ভুমুকি মাৰে। সেই আৱেগ আৰু সোঁৱৰণী আমাৰ বৰ্তমান জীৱনৰ এক তৃপ্তিদায়ক স্মৃতি হিচাবে সজীৱ হৈ আছে। আমাৰ মনত সদা সজীৱ হৈ থকা উক্ত তিনিখনমান ঠাইৰ ভিতৰত অন্যতম হ'ল বিজনী।●

---

লেখক বিজনীৰ প্ৰাক্তন মহকুমাধিপতি। তেখেত বিজনী মহাবিদ্যালয় পৰিচালনা সমিতি আৰু বিজনী মহাবিদ্যালয় ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰো সভাপতি আছিল।

# স্মৃতিপটত বিজনী কলেজৰ ডুখৰীয়া ছবি

**ৰজত বৰণ মহন্ত**

ছাত্ৰাৱস্থাত (ষাঠিৰ পিচৰ ফালে আৰু সত্তৰৰ দশকত) আমাৰ মনত শিক্ষকৰ এটা ভাবমূৰ্তি গঢ় লৈ উঠিছিল। পৰৱৰ্তী সময়ত সেই ভাবমূৰ্তি যেন অতীত আৰু বৰ্তমান হৈ এক কাল্পনিক সত্তা (virtual entity) হে বুলি প্ৰতিষ্ঠা কৰিব পৰাকৈ শিক্ষক সমাজত হোৱা কিছুমান ঘটনাই জোকাৰি গ'লেও মনৰ একোণত তাহানিৰে ছবিখন কেনেবাকৈ অক্ষত হৈ ৰৈ গ'ল। সেইকাৰণেই শিক্ষকৰ সংস্পৰ্শই যেতিয়ালৈকে হতাশ নকৰে, সদায় আনন্দ দিয়ে। ছাত্ৰৰ সংস্পৰ্শই আকৌ নিজৰ অসফল ছাত্ৰ-জীৱনৰ কথা মনত পেলাই মনটোক খন্তেকৰ বাবে আমনি দিলেও পিছ মুহূৰ্ততে আকৌ কি ভুল কৰা নহ'ল কি হ'লোঁগেহেঁতেন সেই সম্ভাৱনাই অতৃপ্তিৰ মাজত তৃপ্তি দিয়ে। প্ৰাপ্তিৰ আনন্দেৰে অপ্ৰাপ্তিৰ হতাশাক একাষৰীয়া কৰি থ'ব পৰাতেই চাগে জীৱনৰ আনন্দ বিচাৰি পোৱা যায়। যি কি নহওঁক, সেয়ে বোধহয় শিক্ষানুষ্ঠানলৈ যি কোনো দায়িত্বৰ অজুহাতত যাবলৈ পালে ভাল লাগে।

মই ২০০৪ চনৰ ১৯ ফেব্ৰুৱাৰীত বিজনীৰ মহকুমাধিপতিৰ কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। কাৰ্য্যভাৰ লোৱাৰ কেইদিনমান পিচতেই উচ্চশিক্ষানুষ্ঠান হিচাপে মহকুমাটোত বিজনী মহাবিদ্যালয়খনৰ বাহিৰে দ্বিতীয় এখন শিক্ষানুষ্ঠান যে নাই গম পাইছিলোঁ। কিন্তু ৪ মাৰ্চ পৰ্যন্ত সেই মহাবিদ্যালয়খনৰ গৱৰ্নিং বডি' (Governing Body)ৰ যে ময়েই সভাপতি সেই কথা জনা নাজানিছিলোঁ।

সেইদিনাখন আগবেলাটো মনটো অলপ অশান্ত হৈ আছিল। পুৱতি নিশা বিজনী মহকুমাৰ মাণিকপুৰ থানাৰ আৰক্ষী আৰু কেন্দ্ৰীয় সংৰক্ষিত বাহিনী অৰ্থাৎ চিআৰপিএফৰ এটা যুটীয়া টহলদাৰী গোটৰ আৰু আল্‌ফা উগ্ৰপন্থীৰ এটা দলৰ মাজত সংঘৰ্ষ হয় আৰু সংঘৰ্ষত তিনিজনৰ প্ৰাণ নাশ হয়। তাৰে দুজন টহলদাৰী গোটৰ অসম আৰক্ষীৰ মহেশ্বৰ বসুমতাৰী আৰু চিআৰপিএফৰ জগত সিং আৰু আনজন দিচুং ভূটিয়া নামৰ এজন আল্‌ফা উগ্ৰপন্থী। তহল্‌দাৰী দলটো যদিও মাণিকপুৰ থানাৰ আছিল, সংঘৰ্ষ হয় কিন্তু সৰভোগ থানা এলেকাৰ অন্তৰ্গত দহলাপাৰা নামে ঠাই এখনত। ঘটনাৰ পিছত আৰক্ষীৰ উচ্চ পৰ্যায়ৰ বিষয়া আহিল আৰু উগ্ৰপন্থী বিৰোধী অভিযানৰ পৰ্যালোচনা হ'ল। পৰৱৰ্তী জিলা পৰ্যায়ৰ সমন্বয়ৰক্ষী কমিটি (District Level Co-ordination Committee- DLCC) ৰ বৈঠকত উগ্ৰপন্থী বিৰোধী অভিযান (Counter Insurgency Operations - CIOs) কিদৰে আৰু ফলপ্ৰসু কৰিব পাৰি তাৰো চিন্তা-চৰ্চা হ'ল। মৃত্যুৰ ক্ষতিৰ হিচাপ চৰকাৰৰ ঘৰত ক্ষতিপূৰণেৰে হয়। মৃত্যুৱে কাৰোবাৰ সপোন, কাৰোবাৰ ঘৰ, কাৰোবাৰ মন চাগৈ থানবান কৰি দিয়ে। মৃতকৰ ঘৰৰ অৱস্থাবা কেনে হৈছে? কিছু সময়ৰ বাবে মনটো বেয়া লাগি থাকিল। কাৰ্যালয়ৰ অন্য কামত মনোযোগ দিয়াৰ





চেষ্টা কৰিলোঁ।

তেনেতে বোধহয় দুপৰীয়া সময়ত বিজনী মহাবিদ্যালয়ৰ তেতিয়াৰ অধ্যক্ষা শ্ৰীমতী বিভাসিনহা বৰুৱা, উপাধ্যক্ষ শ্ৰীপোৱালমণি ঠাকুৰীয়া আৰু আন এগৰাকী প্ৰবক্তা যিমানদূৰ মনত পৰে শ্ৰীপ্ৰমথেশ বায়নেই হ'ব— মোৰ কাৰ্যালয়লৈ আহিল। মই যেন অলপ সকাহ পালোঁ। সেমেকা মনটো ফৰকাল হৈ উঠিল।

তেখেতসকল প্ৰধানকৈ দুটা বিষয় লৈ আলোচনা কৰিবলৈ আহিছিল; এটা হ'ল মহাবিদ্যালয়খনত ভাল কেণ্টিন এখনৰ ব্যৱস্থা কৰা আৰু আনটো হ'ল বৰ্তমান সময়ৰ অতি প্ৰয়োজনীয় ইণ্টাৰনেট সেৱাৰ ব্যৱস্থা কৰা। মহকুমাধিপতি হিচাপে এই ক্ষেত্ৰত মোৰ বিশেষ দায়িত্ব কি আৰু কিমান হ'ব পাৰে বুলি গুণা-গঁঠা কৰি থাকোতেই কথাৰ মোৰত গম পালোঁ যে মহাবিদ্যালয়খনৰ 'গৱৰ্ণিং বডি'ৰ ময়েই সভাপতি। মনটো ভাল লাগি গ'ল। এতিয়া 'গৱৰ্ণিং বডি'ৰ সভাৰ উপৰিও সভাপতি পদৰ দায়িত্বৰ অচিলাৰে মহাবিদ্যালয়খনলৈ মাজে-সময়ে যাব পাৰিম।

সেইদিনাখন ধৰি বিজনী মহাবিদ্যালয়ৰ প্ৰতি আকৰ্ষণ আৰু মহাবিদ্যালয়খনৰ শৈক্ষিক মান-সন্মান বৃদ্ধি কৰিব পৰা যিকোনো কামৰ প্ৰতি আগ্ৰহ বাঢ়িল। এই আগ্ৰহ তেতিয়া অধিক হ'ল যেতিয়া গম পালোঁ যে মহাবিদ্যালয় পৰিদৰ্শন আৰু মূল্যায়নৰ বাবে 'ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদ (National Assessment Accredition Council- NAAC) আহিব। সেই বছৰেৰে ৮ আৰু ৯ ছেপ্তেম্বৰ দিন দুটা 'নাক'ৰ দলটোৰ পৰিদৰ্শনৰ বাবে ধাৰ্য কৰিছিল। সেই বিষয় লৈ ২১ আগষ্টৰ 'গৱিৰ্ণিং বডি'ৰ সভাৰ অন্তত স্থানীয় নেতৃস্থানীয় নাগৰিক সকলো 'গৱৰ্ণিং বডি'ৰ লগত এখন সভাত মিলিত হয়। উদ্দেশ্য এটাই; এই সৰু চহৰখনৰ উচ্চশিক্ষাৰ একমাত্ৰ অনুষ্ঠানটোৰ যাতে মূল্যায়ন হয় আৰু ইয়াৰ বাসিন্দাসকলে যাতে তাকে লৈ গৌৰৱবোধ কৰিব পাৰে। মেট্ৰিক বা হায়াৰ ছেকেণ্ডাৰী পৰীক্ষাৰ আগতে সম্ভাৱনাপূৰ্ণ পৰীক্ষাৰ্থীৰ পিতৃ-মাতৃ আৰু শুভাকাংক্ষীৰ যি উৎসাহ আৰু উৎকণ্ঠা পৰিলক্ষিত হয় সেয়া যেন এই নাগৰিকসকলৰ মাজতো হৈছে— মূল্যায়নত কি গ্ৰেড্ পোৱা যাইবা!

'নাক'ৰ দল যথা সময়ত আহিল আৰু গ'ল। 'গৱৰ্ণিং বডি'ৰ সভাপতি হিচাপে খন্তেকৰ বাবে মোৰ লগতো দেখা সাক্ষাৎ হ'ল। সামৰণি অনুষ্ঠানত কিছুসংখ্যক নাগৰিকৰো তেওঁলোকক লগ পোৱাৰ সৌভাগ্য হ'ল। পিছে, তেওঁলোকৰ আলপৈচান ধৰাৰ কাৰবাৰটোৱে মনত তিক্ততাৰ ভাব সৃষ্টি নকৰিলেও সন্তুষ্টি নিদিলে। অধিক আতিথ্য অপ্ৰয়োজনীয় বুলি ভবাৰ সলনি অতিথিয়ে তাক প্ৰাপ্য বুলি ধৰি ল'লে গৃহস্থক পৰিমিতিব্যয়ী হৈ থকাৰ উৎসাহ বা সাহস নিদিয়ে। ক'ৰবাত বোলে ই সীমা অতিক্ৰম কৰি যায়! প্ৰশাসনৰ মানুহ হিচাপে মোৰ দুই-এজন নিৰ্বাচনী পৰ্যবেক্ষক (Election Observer) আৰু তেওঁলোকে লাভ কৰা আতিথ্যৰ কথা মনত পৰিল। অৱশ্যে নিৰ্বাচনী আয়োগৰ সতৰ্কতা, সংবাদ মাধ্যমৰ সচেতনতা আৰু অধিকাংশ পৰ্যবেক্ষকৰ ঔচিত্যবোধৰ বাবে সি ভালকৈ শিপাবলৈ নেপালে। সীমা চেৰাই যোৱা আতিথ্য গ্ৰহণ কৰা পৰ্যবেক্ষকক নিৰ্বাচনী আয়োগে তলব কৰি সতৰ্কবাণী শুনোৱা বা আঙুলিৰ মূৰত লেখিব পৰাকৈ কোনো নিযুক্তি বাতিল কৰাৰ উদাহৰণো আছে। ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদ (নাক) এই সম্পৰ্কে অৱগত হয় নে নহয়, আৰু যদি হয় এই প্ৰৱণতা নিয়ন্ত্ৰণ কৰাৰ বাবে সচেষ্ট হয় নে নহয় জনা নাযায়।

সি যি কি নহওক, 'নাক'ৰ মূল্যায়নে মহাবিদ্যালয়ৰ শিক্ষক আৰু শুভাকাংক্ষীক সন্তুষ্ট কৰিব নোৱাৰিলে। এনে নহয় যে মূল্যায়নৰ অন্তত প্ৰদান কৰা গ্ৰেড্ (কি গ্ৰেড্ পাইছিল মোৰ সঠিক মনত নাই) হতাশজনক আছিল কিন্তু সেইবুলি প্ৰত্যাশিত গ্ৰেড্ নাছিল। আত্মবিশ্বাসী শিক্ষকসকলে পুনৰ্মূল্যায়নৰ বাবে অনুৰোধ কৰাৰ কথা ভাবি মোৰ পৰামৰ্শ আৰু সহায় বিচাৰি সন্ধিয়া পৰত মোৰ চৰকাৰী বাসভৱনলৈ অহা আজিও মনত পৰে। তেওঁলোকৰ অভিব্যক্তিত ময়ো প্ৰত্যয় গৈছিলো যে সেই গ্ৰেড মহাবিদ্যালয়খনৰ প্ৰাপ্য নহয়।

আমি একেলগে 'নাক'ৰ পৰিদৰ্শনকাৰী দলটোৰ মূল্যায়ন পদ্ধতিৰ প্ৰয়োগত ৰৈ যোৱা আসোঁৱাহ আৰু তাৰ ভিত্তিত কৰা মূল্যায়নৰ বিৰুদ্ধে এখন পুনৰ্মূল্যায়নৰ আবেদন প্ৰস্তুত কৰিছিলোঁ। আবেদনখন যথা সময়ত পঠোৱা হৈছিল আৰু তাৰ ফলাফলো লাভ কৰা হৈছিল। আমি স্বাভাৱিকতে আনন্দিত হৈছিলোঁ। ভাল ৰিজাল্ট আশা কৰা পৰীক্ষাৰ্থীয়ে আশানুৰূপ ফলাফল নাপাই পুনৰীক্ষণ (Serutiny) আৰু পুনৰ্মূল্যায়নৰ (ro-evalation) আবেদন কৰি যেন উন্নত ফলাফলহে পালে!

শিক্ষানুষ্ঠানসমূহত সাধাৰণতে পৰীক্ষাৰ সময়তেই অবাঞ্ছিত ঘটনাবোৰ হয়। পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজৰ সম্বন্ধৰো এক পৰীক্ষাৰ সময়। সেয়ে মই পৰীক্ষা চলি থকা সময়ত জৰুৰী কাম নাথাকিলে মহাবিদ্যালয়খনলৈ এপাক মাৰোঁ। তেনে এটা দিনতে মহাবিদ্যালয়খনলৈ গৈ অধ্যক্ষকে আদি কৰি কেইবাজনো শিক্ষকক চিন্তাক্লিষ্ট আৰু অলপ উদ্বিগ্ন হৈ থকা দেখা পালোঁ। কোন চন, কি তাৰিখ বা কি পৰীক্ষা আছিল, আজি মোৰ মনত নাই। তেখেতসকলৰ পৰা জানিব পাৰিলোঁ যে পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰি বহিষ্কৃত হোৱা ছাত্ৰী এগৰাকী পৰীক্ষা গৃহৰ পৰা ঘৰলৈ বুলি গৈ ঘৰ পোৱাগৈ নাই। ইতিমধ্যে যথেষ্ট সময় পাৰ হৈ গৈছে। শিক্ষকসকলৰ মাজতো বিষয়টো লৈ কথা-বতৰা হৈছে; পৰীক্ষা পৰিচালনা সম্পৰ্কীয় বিধানৰো উল্লেখ হৈছে। অৱশ্যে কোনো অঘটন নহ'ল। ছাত্ৰীগৰাকীক কোনোবা অচিনাকি লোকে অকলশৰে কোনোবা এখন নদীৰ ঘাটত পাই ঘৰলৈ ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিলে। এই কথাটোৱে মোৰ মনত কিছুদিন ক্ৰীড়া কৰি থাকিল। কেইবাবছৰো আগতে গুৱাহাটী বিশ্ববিদ্যালয়ত হোৱা এটা কৰুণ ঘটনাৰ কথা মনত পৰিল। তেজপুৰৰ এখন অগ্ৰণী শিক্ষানুষ্ঠানৰ এগৰাকী মুৰব্বী আৰু প্ৰসিদ্ধ শিক্ষকৰ কন্যাই সাময়িকভাৱে প্ৰলোভিত আৰু পথভ্ৰষ্ট হৈ স্নাতকোত্তৰ পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰি ধৰা পৰিছিল আৰু পৰীক্ষাগৃহৰ পৰা বহিষ্কৃত হৈছিল (মই সাময়িকভাৱে বুলি এই কাৰণেই কৈছোঁ সেই ছাত্ৰীগৰাকীৰ পিতৃক লোকে দেৱতুল্য শিক্ষক বুলি কৈছিল; অৰ্থাৎ তেখেতৰ এনে সজ গুণ আছিল যে তেখেতক আন দহজনৰ শাৰীত থ'ব নোৱাৰি। সততাও নিশ্চয় এই সজ গুণৰ এটা আছিল)। ছাত্ৰীগৰাকীৰ এই বাতৰিয়ে পিতৃক দিব পৰা আঘাতৰ কথা কল্পনা কৰি নিজৰ ওপৰত ধিক্কাৰ হ'ল আৰু আত্মহত্যা কৰিলে। বেঞ্জামিন ফ্ৰেংকলিনে পুতেকক বিদ্যালয়লৈ পঠোৱাৰ প্ৰথম দিনাই শিক্ষকলৈ বুলি লিখা দীঘলীয়া চিঠিখনৰ এঠাইত এনেকৈ আছিল— "In school, teach him/ it is for more honorable / to fail than to ........" মোৰ ভাব হয় আত্মঘাতী কন্যায়ো যে সেইজন পিতৃৰ পৰা তেনে শিক্ষাই পাইছিল যাৰ বাবে হয়তো তাই তেখেতৰ মুখামুখি হোৱাৰ সাহস হেৰুৱাই পেলাইছিল। মই সেয়ে আমাৰ সামাজিক ব্যৱস্থা, শিক্ষা-ব্যৱস্থা আৰু পৰীক্ষাৰ্থী এজনৰ দৃষ্টিকোণেৰে





পৰীক্ষা-গৃহত অসৎ উপায় অৱলম্বন কৰিলে শাস্তি প্ৰদানৰ যি নিয়ম আছে তাত শাস্তিৰ পৰিমাণৰ সাল-সলনি নকৰাকৈ প্ৰদানৰ ক্ষেত্ৰত আৰু অলপ সচেতন হোৱাৰ অৱকাশ আছে নেকি বুলি বিজনী মহাবিদ্যালয়ৰ দুই-এজন শিক্ষকৰ লগত আলোচনা কৰিছিলোঁ। পিছে, তেখেতসকলো নিৰুপায়। পৰীক্ষা সম্পৰ্কীয় Ordenance আৰু Regulation মতেহে কাম কৰিব লাগিব। পৰৱৰ্তী সময়ত এখন বিশ্ববিদ্যালয় পঞ্জীয়ক হিচাপে যোগদান কৰি মই নিজেও এই ক্ষেত্ৰত একো পৰিৱৰ্তন আনিব নোৱাৰিলোঁ। হয়তো অচিৰেই এনে এটা দিন আহিব যিদিনা সুবিধা থাকিলেও শিক্ষাৰ্থীয়ে পৰীক্ষাত অসৎ উপায় অৱলম্বন কৰি লাভৱান নহ'ব, বৰং ক্ষতিগ্ৰস্তহে হ'ব।

২০০৬ ৰ ২৭ জানুৱাৰীত মই বিজনী মহকুমাধিপতিৰ কাৰ্যভাৰ চমজাই দি বিজনী ত্যাগ কৰোঁ। তাৰ কেইদিনমান আগতে বোধহয় বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষকে আদি কৰি কেইগৰাকীমান শিক্ষক-শিক্ষয়িত্ৰীকো 'গৱৰ্ণিং বডি'ৰ সভাপতি হিচাপে শেষবাৰ লগ পাওঁ। তাৰ পিছতো অন্য এক সম্পৰ্কেৰে বৰ্তমান বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষকে ধৰি কেইবাগৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ লগত মোৰ কিছু বছৰ আদান-প্ৰদান হৈ আছিল (যাক আজিও পাহৰা নাই)। বিজনী এৰাৰ পিছত আদান-প্ৰদান নথকাৰ বাবে কেইবাগৰাকীৰ নাম পাহৰিছোঁ কিন্তু মুখ পাহৰা নাই। অমৰ কথা-শিল্পী চৈয়দ আব্দুল মালিকৰ ভতিজাক পদাৰ্থ-বিজ্ঞানৰ শিক্ষক হিচাপে এতিয়াও কৰ্মৰত হয় নে নহয় নাজানোঁ; নামটো পাহৰিছোঁ।

২০০৬ চনৰ ২৭ জানুৱাৰীৰ আবেলি মহকুমাধিপতিৰ চৰকাৰী বাসভৱন এৰি গাড়ী গুৱাহাটী মুৱা হ'বৰ সময়ত ক'ব নোৱাৰাকৈয়ে ড্ৰাইভাৰক ক'লোঁ— গাড়ীখন বিজনী কলেজৰ সমুখেৰে লৈ যাবা। মহাবিদ্যালয়খনৰ প্ৰতি কিবা এটা টান আছিল চাগৈ, যিটো আজিও আছে। ●

---

বিজনীৰ প্ৰাক্তন মহকুমাধিপতি শ্ৰীমহন্ত বিজনী মহাবিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি; তেখেত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক।

# আলোকৰ সন্ধান

দিঠকানন্দ হাজৰিকা

শিক্ষা এটা জাতিৰ মেৰুদণ্ড স্বৰূপ, এয়া বিনাদ্বিধাই ক'ব পাৰি, বোধকৰোঁ ইয়াত কাৰো দ্বিমত নাই। কিয়নো শিক্ষাহীন জাতি এটাই পোহৰ বিচাৰি নাপাই কেৱল অন্ধকাৰকে খেপিয়াই থাকিব লগা হয়। জ্ঞানী লোকে কয় শিক্ষাৰ ঘাই শিপাডাল তিতা, কিন্তু ইয়াৰ ফল মিঠা। এনে ধৰণৰ অলেখ যোজনাই শিক্ষাক্ষেত্ৰখনক সমৃদ্ধ কৰি গৈছে।

আমাৰ দেশ ভাৰতবৰ্ষক জ্ঞানোদয়ৰ দেশ বুলি ক'লেও চাগে বাহুল্য কৰা নহ'ব। যি সময়ত সমগ্ৰ পৃথিবীখন অজ্ঞান অন্ধকাৰত নিমজ্জিত হৈ আছিল সেই সময়তে আমাৰ সভ্যতা সংস্কৃতিয়ে উদ্‌গতিৰ চূড়ান্ত শিখৰত উপনীত হ'বলৈ সক্ষম হৈছিল। বৈদিক কৃষ্টি-সংস্কৃতি, বিজ্ঞান, গণিত, জ্যোতিষ শাস্ত্ৰ আদিৰ চৰ্চাৰে আমাৰ দেশখনক জ্ঞানৰ সুউচ্চ পৰ্যায়ত উপনীত কৰাবলৈ সক্ষম হৈছিল। আমাৰ এক শৃংখলিত শিক্ষা ব্যৱস্থাৰ আৰম্ভণী হৈছিল। সৌ তাহানিতেই বৈদিক শিক্ষা ব্যৱস্থাৰ জৰিয়তে প্ৰসাৰ আৰু বিস্তাৰ লাভ কৰিছিল। বৌদ্ধ যুগৰ শিক্ষাই ভাৰতীয় শিক্ষা ব্যৱস্থাক এক অনন্য ৰূপ দিছিল।

ভাৰতবৰ্ষতেই প্ৰতিষ্ঠা হৈছিল নালন্দা-তক্ষশীলাৰ দৰে বিশ্ববিদ্যালয়। টোলীয় শিক্ষাব্যৱস্থাই প্ৰসাৰ লাভ কৰিছিল, ৰজা আৰু প্ৰজাঘৰ দুয়োটা পৰ্যায়তে। লক্ষণীয় বিষয় যে ভাৰতৰ প্ৰাচীন শিক্ষা পদ্ধতিত ৰজা বা ডা-ডাঙৰীয়াসকলে নিজ বংশৰ উঠি অহা প্ৰজন্মক যুদ্ধৰ পৰা আৰম্ভ কৰি শাস্ত্ৰ জ্ঞানলৈকে বিভিন্ন শিক্ষা দানৰ বাবে গৃহ শিক্ষক নিয়োগ কৰিছিল, সেয়া অন্য এক প্ৰসঙ্গ।

ভাৰতবৰ্ষত ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰৱেশৰ পাছতেই। টোলীয় শিক্ষা পদ্ধতি, মুছলমানসকলৰ মাদ্ৰাছাৰ শিক্ষা পদ্ধতি, বৌদ্ধবিহাৰসমূহত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ধাৰাক এক নতুন ৰূপ দিয়ে আৰু সেয়াই আছিল আমাৰ দেশত আধুনিক শিক্ষা পদ্ধতিৰ সূচনা। স্বাধীনোত্তৰ আৰু স্বাধীনতাৰ পূৰ্বৰ ভাৰতবৰ্ষত বিভিন্ন শিক্ষানীতি প্ৰস্তুত কৰা হৈছে আৰু আজিৰ দিনলৈকে বিভিন্ন পথেৰে শিক্ষাজগতে গতি কৰিছে। সুফলো নোপোৱা নহয়। আপোনাসৱে জানে যে এটা সময়ত আমাৰ দেশত বয়সস্থ লোকসকলক আখৰ শিকাবৰ বাবে আঁচনি প্ৰস্তুত কৰা হৈছিল। অনানুষ্ঠানিক শিক্ষা নীতি (Non formal) সফলতাও পোৱা গৈছিল। সাম্প্ৰতিক সময়ত আমাৰ আধুনিক শিক্ষা পদ্ধতিয়ে তিনিটা ধাৰাৰে গতি কৰিছে। চৰকাৰী খণ্ড, ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ড। চৰকাৰে ইতিমধ্যে সৰ্বশিক্ষা, মাধ্যমিক শিক্ষা আঁচনি আদিৰ জৰিয়তে সমাজৰ অতিশয় দৰিদ্ৰ শ্ৰেণীটোৰ বাবেও শিক্ষাক সহজলভ্য কৰিছে। সকলোৰে বাবে শিক্ষা আঁচনিৰ কথা এই প্ৰসঙ্গতে উল্লেখ্য।

সময় যে দ্ৰুত গতিত সলনি হৈছে সেয়া অৱশ্যেই স্বীকাৰ্য। লগতে সলনি হৈছে জীৱন ধাৰণৰ প্ৰণালী, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, শিক্ষানীতি এই





সকলো। তাহানিৰ সেই গছৰ তলৰ এছাৰি লৈ শিকোৱা পদ্ধতি, আশ্ৰমৰ সেই তাহানিৰ বৈদিক শিক্ষা পদ্ধতি আজি বিলুপ্ত প্ৰায়। আজিৰ এই তথাকথিত আধুনিক ও বৈজ্ঞানিক যুগৰ চৰম অৱস্থাত ডিজিটেল শিক্ষা আদিলৈ সলনি হ'ব ধৰিছে। শিক্ষক ছাত্ৰৰ সম্বন্ধও ক্ৰমশঃ সলনি হৈছে। সেয়াও এক অন্য প্ৰসঙ্গ।

সময় গতিশীল। এই গতিশীল সময়ত আধুনিক শিক্ষাই নিশ্চিতভাৱে গতি কৰিব সময়ৰ গাত ভেজা দিয়েই। আমি মাথো লক্ষ্য ৰাখিব লাগিব যাতে এই পৰিৱৰ্তনে শিপা ছিগি নাযায়। শিক্ষাই যাতে দৰিদ্ৰৰ পৰা দৰিদ্ৰতম স্তৰৰ জনসংখ্যাকো স্পৰ্শ কৰিব পাৰে সেই কথাও লক্ষ্য ৰাখিব লাগিব, সমাজৰ প্ৰতিগৰাকী সচেতন নাগৰিকেই। এয়াও সময়ৰ আহ্বান। আহক আমি সকলোৰেই শিক্ষাৰ যোগেৰেই আলোকৰ সন্ধানত ব্ৰতী হওঁ। ●

---

লেখক, সুগায়ক শ্ৰীহাজৰিকা চিৰাং জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা বিজনী মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি।

# মানৱ সম্পদ উত্তৰণত শিক্ষাৰ প্ৰাসঙ্গিকতা

ডম্বৰুধৰ ৰায়

প্ৰাণীৰ ভিতৰত মানুহকেই শ্ৰেষ্ঠ বুলি গণ্য কৰা হয়। আহাৰ, নিদ্ৰা, মৈথুন আৰু ভয় সকলো জীৱৰে জন্মগত প্ৰবৃত্তি। কিন্তু এই ৪ বিধ প্ৰবৃত্তিক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ভাল-বেয়া, বিচাৰ-বিবেচনা কৰাৰ জ্ঞান বা উপলব্ধি কৰাৰ ক্ষমতা মানুহৰ বাহিৰে কোনো জীৱৰেই নাই। সেয়ে মানুহক পঞ্চকোষী জীৱ বুলি কোৱা হয়। এই জীৱটোৰ জ্ঞানৰ পৰিসৰ উত্তৰণৰ বাবে বৈদিক যুগতেই ঋষি-মুনিসকলে চাৰি বেদ, ভাগৱত, পুৰাণ, ৰামায়ন, মহাভাৰত আদি ধৰ্মগ্ৰন্থসমূহ লিখিছিল আৰু আধ্যাত্মিক জ্ঞানৰ চিন্তা-চৰ্চাৰে মানুহক পৰিপুষ্ট কৰি তুলিবলৈ চেষ্টা কৰিছিল। তাৰেই উদাহৰণস্বৰূপে বৃহদাৰণ্যক উপনিষদত লিপিবদ্ধ কৰা শ্লোক এটি উল্লেখ কৰা হ'ল –

"অসতো মা সৎগময়।
তমসো মা জ্যোতিৰ্গময়।।
মৃত্যুৰ্মা অমৃতং গময়।
ওম্ শান্তি! শান্তি!! শান্তি!!!"

সুধীজনে শ্লোকটিৰ অসমীয়া তৰ্জ্জমা কৰিছে এনেদৰে—

"অসত্য অজ্ঞান নাশি দিয়া সত্য-জ্ঞান।
তিমিৰ বিনাশী প্ৰভো কৰা জ্যোতি দান।।
মৃত্যু হন্তে নিয়া প্ৰভু অমৃতৰ ধাম।
হে সত্য অমৃত জ্যোতি তোমাক প্ৰণাম।।"

উপনিষদৰ এই আধ্যাত্মিক জ্ঞানৰ চিন্তা-চৰ্চাৰে পৰিপুষ্ট প্ৰকৃত অৰ্থত মানবীয় গুণসমূহ লভিবলৈ শিক্ষাৰ প্ৰয়োজনীয়তা তাতেই।

শিক্ষাই মনৰ সংস্কাৰমুখী চিন্তাধাৰাৰ বিকাশ ঘটায়। অতীতত গুৰুকুল শিক্ষাৰ দ্বাৰা আধ্যাত্মিক পাৰ্থিৱ, অপাৰ্থিৱ সকলো বিষয়ৰে কায়িক, মানসিক, নৈতিক শিক্ষা দানেৰে শিষ্যক উপযুক্ত কৰি তুলিছিল। সুক্ষ্ম দৃষ্টিভঙ্গীৰে নিৰীক্ষণ আৰু পৰীক্ষণৰ দ্বাৰা চাল-চলন, আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, কথা-বতৰা, ধৰ্ম-কৰ্ম আদিৰ উমান লৈ গুৰুৱে শিষ্যৰ জ্ঞানৰ ব্যুৎপত্তিৰ উমান লৈছিল। গুৰুৰ তুলাচনীত জ্ঞানৰ ওজন পূৰঠ হোৱা বুলি উপযুক্ততাৰ প্ৰমাণ পালে নানান সৎ উপদেশ প্ৰদানেৰে শিষ্যক স্ব-গৃহলৈ পঠিয়াইছিল। গুৰুকুল শিক্ষাৰ চানেকি আজিও নালন্দা বিশ্ববিদ্যালয়, বৌদ্ধবিহাৰ, মঠ-মন্দিৰ আৰু শিক্ষা-প্ৰতিষ্ঠান কিছুসংখ্যকত আজিও দৃশ্যমান হয়।

ইতিহাসে দাঙি ধৰে— অতীত ভাৰত ভুমিত বহু ক্ষুদ্ৰ-ক্ষুদ্ৰ ৰাষ্ট্ৰ আছিল। মৌৰ্য, গুপ্ত, বৰ্দ্ধন আদি জাতি-সত্তাৰ ৰজা-মহাৰজাই সেই ৰাজ্যসমূহ শাসন কৰিছিল। তেওঁলোকৰ মাজত অনৈক্য আৰু শক্তি বা ক্ষমতাৰ বাবে প্ৰায়েই যুদ্ধ-বিগ্ৰহ চলিছিল। বিদেশী ৰাষ্ট্ৰৰ পৰাক্ৰমী, শক্তিশালী ৰজা-মহাৰজাই সেই ক্ষুদ্ৰ-ক্ষুদ্ৰ ৰাজ্যসমূহৰ শাসনকৰ্তাসকলক সহজতে পৰাভূত কৰি ৰাজ্য দখল কৰিছিল। ১১৯৪ খ্ৰীঃত মহম্মদ ঘোৰীয়ে দ্বিতীয়বাৰ ভাৰত আক্ৰমণ কৰি কনৌজৰ ৰজা জয়চন্দ্ৰ দেৱক পৰাস্ত কৰি ভাৰতত





মোগল সাম্ৰাজ্যৰ পাতনি মেলে।

ইংৰাজসকলেও বেপাৰ-বাণিজ্য কৰা সুযোগ গ্ৰহণ কৰি ভাৰতবৰ্ষত শাসক হ'বলৈ প্ৰয়াস কৰে। ইং ১৮৫৭ চনত মোগলৰ শেষ ৰজা বাহাদুৰ শ্বাহক বন্দী কৰাৰ কৌশল প্ৰয়োগ কৰি ইংৰাজসকল শক্তিশালী হৈ উঠে আৰু মোগল ৰাজত্বৰ অৱসান ঘটায়।

ইং ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিমতে অসম বৃটিছৰ শাসনলৈ যায়। সেই চুক্তিমতে অসম ইংৰাজ শাসনৰ অধীনলৈ যায় আৰু পৰাধীন ভাৰতৰ এখন অঙ্গৰাজ্য হিচাপে পৰিগণিত হয়। খৃষ্টান ধৰ্ম প্ৰচাৰৰ বাবে বেপ্টিষ্ট মিছনাৰীসকল অসমলৈ আহি ধৰ্ম প্ৰচাৰত বিভিন্ন বাধাৰ সন্মুখীন হয়, বিশেষকৈ ভাষাৰ সমস্যাই প্ৰধান। সেয়েহে ছপাশাল আমদানিৰ জৰিয়তে গোহাৰি-পত্ৰ ছপাই অসমীয়া জনসমাজত খৃষ্টান ধৰ্মৰ বাণীসমূহ প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰিলে। খৃষ্টান ধৰ্মযাজকসকলৰ উদাৰ আৰু সহযোগিতাৰ বাবেই সেই ছপাশালৰ সহায়ত অসমৰ প্ৰথম বাতৰি কাকত "অৰুনোদয়" প্ৰকাশ পায়, ফলত শিক্ষাগ্ৰহণৰ প্ৰতি জনসাধাৰণে অনুপ্ৰেৰণা লাভ কৰে। গতিকে ইংৰাজ ৰাজত্বকালত অসমত শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত বৃটিছ শাসকস ্লৰ অৱিহণা নিচেই সামান্য বুলি ক'ব নোৱাৰি।

যিয়েই নহওক, বৃটিশ শাসকৰ শাসনকাল অন্ত পৰাত অৰ্থাৎ ইং ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰৱৰ্তী সময়ছোৱাৰ পৰা স্বাধীন ভাৰতৰ শাসকগোষ্ঠীয়ে ক্ষীপ্ৰগতিৰে শিক্ষাৰ সম্প্ৰসাৰণ ঘটোৱাৰ প্ৰচেষ্টা হাতত লয়। স্বাধীন ভাৰতৰ পৰৱৰ্তী কালছোৱাত মানব সম্পদক ব্যৱহাৰিক দিশত যুগপোযোগী কৰি গঢ়ি তুলিবলৈ লোৱা শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ যোগেদি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহে গ্ৰহণ কৰা যুগপোযোগী আঁচনিসমূহৰ সামান্য দিশহে অতি সংক্ষেপে লিখনিত প্ৰকাশ কৰা হৈছে!

শিক্ষাক গণতন্ত্ৰৰ সংজ্ঞাৰ সৈতে ৰিজাব পাৰি, – Education is of the people, by the people and for the people. শিক্ষাৰ আৱশ্যকতা সাৰ্বজনীন। বিভিন্ন দিশত জ্ঞান আৰু অৰ্হতাৰ বিকাশ ঘটে শিক্ষাৰ দ্বাৰাই। আজিৰ এই বিশ্বায়নৰ যুগত উন্নত ৰাষ্ট্ৰসমূহৰ সৈতে অনুন্নত আৰু উন্নয়নশীল দেশসমূহে প্ৰতিযোগিতাত নামিছে উন্নতিৰ পৰিধি বিচাৰি। এই সমতাৰ যোগ্যতা বিচাৰি উন্নয়নশীল দেশ ভাৰত ৰাষ্ট্ৰই মানৱ সম্পদ সৃষ্টি কৰিব পৰা শক্তিৰ উৎস বিচাৰিছে শিক্ষাৰ প্ৰণালীবদ্ধ ব্যৱহাৰত। স্বাধীনতা লাভৰ পিছৰ পৰাই শিক্ষাক সংস্কাৰমুখী কৰি গঢ়ি তুলিবলৈ দেশৰ ক্ষিপ্ৰ উন্নয়নৰ স্বাৰ্থত শিক্ষাৰ আমূল পৰিৱৰ্তন বিচাৰিছে কেন্দ্ৰীয় চৰকাৰে। তাৰেই সমৰ্থনত নিম্ন উল্লেখিত কথা কেইটিমান প্ৰকাশ কৰা হ'ল—

১। বিশ্ববিদ্যালয় শিক্ষা আয়োগ ১৯৪৮-৪৯ গঠন।
২। মুডালিয়াৰ শিক্ষা আয়োগ গঠন ১৯৫২-৫৩।
৩। কোঠাৰী শিক্ষা আয়োগ গঠন ১৯৬৪-৬৬।
৪। ৰাষ্ট্ৰীয় শিক্ষা-নীতি গঠন ১৯৮৬।

ইয়াৰে শিক্ষা ব্যৱস্থাক সজাই-পৰাই প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰাকৈ উপযুক্ত কৰি আঁচনি লোৱা হয়।

৫। ৰামমুৰ্ত্তি কমিটি গঠন ১৯৯০।

ক) গুণগত শিক্ষা সংস্কাৰ আৰু শিক্ষাৰ মৌলিক পৰিৱৰ্তন সম্ভৱ গঢ়ি তোলা মুখ্য উদ্দেশ্য।

খ) শিক্ষা সকলো ক্ষেত্ৰতে পৰিচালনা ব্যৱস্থাৰ বিকেন্দ্ৰীকৰণ।

গ) শৈক্ষিক বিন্যাস ক্ৰম-স্থাপন।

ঘ) কুসংস্কাৰ মুক্ত, মনুষ্যত্বপূৰ্ণ সমাজ গঢ়াৰ প্ৰচেষ্টা।

৬। জনাৰ্দ্দন ৰেড্ডি কমিটি ১৯৯১-৯২ গঠন।

ক) ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ পুনৰীক্ষণৰ বাবে গঠন কৰা হয়। ইয়াৰ আওতাত আছে নবোদয় বিদ্যালয়, বাল্যকালৰ যত্ন আৰু শিক্ষা, প্ৰাথমিক শিক্ষাৰ সাৰ্বজনীনকৰণ, প্ৰাপ্ত বয়স্ক আৰু অবিৰত শিক্ষা, দুখীয়া ছাত্ৰ-ছাত্ৰীক ঋণ দানৰ ব্যৱস্থা কৰণ।

এতিয়া কেইজনমান মহান ব্যক্তিয়ে আগবঢ়োৱা শিক্ষাৰ সংজ্ঞা উল্লেখ কৰা হওঁক—

১। "শিক্ষাৰ দ্বাৰা মই মানুহ আৰু শিশুৰ শৰীৰ, মন আৰু আত্মাত নিহিত হৈ থকা সৰ্বোৎকৃষ্ট গুণৰাজিৰ সম্পূৰ্ণ বিকাশ হোৱা প্ৰক্ৰিয়াকে শিক্ষা বুলি বুজি পাওঁ।" — মহাত্মা গান্ধী

২। "শিক্ষাৰ অৰ্থ হৈছে মানুহ গঢ়া, চৰিত্ৰ গঠন আৰু ভাৱৰ সংমিশ্ৰণ।" — স্বামী বিবেকানন্দ

৩। "শিশু আৰু প্ৰাপ্তবয়স্ক উভয়ৰে মনোভাৱৰ গঢ় দিয়া আৰু ব্যৱহাৰক নিয়ন্ত্ৰণ কৰা অভিজ্ঞতাৰ মূল গোটৰেই হৈছে শিক্ষা।" — এফ জে ব্ৰাউন

৪। "Education is a means of social progress." – Lester F. ward

৫। "Education is the social process by which an individual learns the things necessary to fit him to the life of his society." -- Anderson

৬। "The aim of education is socialisation of the younger generation" -- Durkheim

উদ্ধৃত সংজ্ঞাকেইটি বিশ্লেষণ কৰিলে দেখা যায় আধ্যাত্মিক চিন্তা-চৰ্চাৰে মানৱীয় প্ৰমূল্যবোধৰ অৱগহনেৰে চৌত গুণ আৰু কৰ্মৰাজি গ্ৰহণেই শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য। এই কথাখিনিয়ে আগতে উল্লেখিত উপনিষদৰ মহান শ্লোকটিৰে আগবঢ়োৱা উপদেশ বাণী নহয়নে?

এতেকে দেখা গ'ল, শিক্ষাৰ আৱশ্যকতা সাৰ্বজনীন। এই সাৰ্বজনীন শিক্ষা ব্যৱস্থাক কেন্দ্ৰীয় চৰকাৰে তিনিটা সংলিষ্টত অন্তৰ্ভুক্ত কৰিছে।

১। কেন্দ্ৰীয় তালিকাভূক্ত ঃ কেন্দ্ৰীয় শাসনত চলা শিক্ষানুষ্ঠান।

২। ৰাজ্যিক তালিকাভূক্ত ঃ ৰাজ্যিক অনুশাসনত চলা শিক্ষানুষ্ঠান।

৩। ৰাজ্যিক আৰু কেন্দ্ৰীয় তালিকাভূক্ত ঃ কেন্দ্ৰ আৰু ৰাজ্যিক উভয় অনুশাসনত চলা শিক্ষা অনুষ্ঠান।

কেন্দ্ৰীয় চৰকাৰৰ নতুন শিক্ষা নীতিৰ আধাৰত শিক্ষাক গতিশীল, বিকাশশীল, আধুনিকীকৰণ, বৃত্তিমুখীকৰণ, বিজ্ঞান আৰু আৰু কাৰিকৰী শিক্ষাৰ সম্প্ৰসাৰণ, খাদ্যৰ আত্মনিৰ্ভৰতা আৰু উৎপাদনমুখিতা, অৰ্থনৈতিক বিকাশ সাধন, স্বদেশ প্ৰেম, সামাজিক আৰু জাতীয় সংহতি স্থাপন, নৈতিকতা আৰু আধ্যাত্মিকতাৰ মূল্যবোধ, শান্তি, সম্প্ৰীতি আৰু ঐক্যৰ বাবে ধৰ্ম নিৰপেক্ষতাৰ জ্ঞান বোধাদিৰ বিভিন্ন দিশসমূহ সৃষ্টিশীল আৰু বিকাশমুখী চিন্তাধাৰাৰে শিক্ষা আয়োগসমূহত আৰু ৰাষ্ট্ৰীয় শিক্ষানীতিৰ নীতি নিৰ্ধাৰক, কাৰ্যকৰীকৰণৰ পথ নিৰ্ধাৰক, মানৱ সম্পদ মন্ত্ৰালয়ৰ বিষয়ববীয়াকে আদি কৰি শিক্ষা অনুষ্ঠান, শিক্ষাদান আৰু শিক্ষণ প্ৰণালীত স্থান পালে ভাৰতবৰ্ষৰ জনগণে নিশ্চয় সকাহ পাব আৰু শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সাৰ্থক হ'ব বুলি আশা কৰাৰ থল থাকিব।

বৰ্তমান সময়ত সমাজ সচেতন ব্যক্তি মানেই এটা বিষয় লৈ বিশেষ চিন্তিত হোৱা দেখিবলৈ পোৱা যায়। সেইটো হৈছে নৱ প্ৰজন্মৰ উচ্ছৃংখল মানসিকতা। উচ্ছৃংখলতাৰ বিভিন্ন কাৰকসমূহৰ কথাও আলোচিত হৈ আছে। কিন্তু নিৰাময়ৰ পথহে বিচাৰি উলিওৱা কঠিন হৈছে। বহুতৰে অভিমত যে- আধ্যাত্মিক জ্ঞানৰ বীজ নৱ-প্ৰজন্মৰ অন্তৰত ৰোপন কৰিব পাৰিলেহে এই উচ্ছৃংখল মানসিকতা সমূলমূলে নহ'লেও বহু পৰিমাণে দূৰ হ'ব।





এতিয়া কথা হ'ল— আধ্যাত্মিকতা মানেনো কি? এই কথা বিশ্লেষণ কৰিবলৈ যাওঁতে আধ্যাত্মিক শব্দটিৰ অভিধানিক অৰ্থ আদিৰ কথা জানিব লাগিব। আধ + আত্মন + ষ্ণিক্ প্ৰত্যয় যোগ হৈ আধ্যাত্মিক শব্দটিৰ উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হ'ল আত্মা আৰু পৰমাত্মাৰ মিলন বা সংযোগ। ই ব্ৰহ্ম সম্পৰ্কীয় জ্ঞান, যি জ্ঞানৰ সহায়ত মানুহ মৰণশীল হৈও পৰমাত্মাৰ সৈতে বিলীন বা সংযোগ ঘটে বুলি মানুহৰ বিশ্বাস। এই জ্ঞান অৰ্জনৰ দ্বাৰা মানুহ সংস্কৃতিৱান হয়, ধৰ্মৰ প্ৰতি অনুপ্ৰাণিত হয়, নৈতিকতাবোধ জাগে, সৎ চিন্তা, সৎ প্ৰবৃত্তি, সৎ আচৰণ, সৎভাব, দয়া, ক্ষমা, কৰ্তব্যপৰায়ণ আদি সৎ গুণসমূহৰ প্ৰতি আকৃষ্ট হয়, নৈতিকতাত বিশ্বাসী হয়, অপ-সংস্কৃতিৰ পৰা আঁতৰি থাকে, শান্তি, সম্প্ৰীতি আৰু ঐক্যৰ এনাজৰীৰে বান্ধ খুৱাই সমাজখনক সংস্কৃতিৱান কৰি গঢ়ি তোলাৰ প্ৰতিভূ হিচাপে সমাজত প্ৰতিষ্ঠিত হয়। এই চিন্তা-চেতনাৰ উদ্ৰেক বা উপলব্ধিয়েই হৈছে আধ্যাত্মিক জ্ঞান। নৱ প্ৰজন্ম বা যুৱ মানসত এই বীজ ৰোপন কৰিব পাৰিলেই আজিৰ যুৱ উশৃংখলতা বহু পৰিমাণে আঁতৰি যাব বুলি আশা কৰিব পাৰি।

কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰসমূহ, চিন্তাবিদ, শিক্ষাবিদ, সমাজ সচেতন ব্যক্তি, মানৱ সম্পদ উত্তৰণত জড়িত সকলো অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত ব্যক্তি আৰু সংস্থাসমূহক যুগোপযোগী পৰামৰ্শৰে দেশখনৰ উন্নয়নৰ স্বাৰ্থত আগবাঢ়ি অহাটো নিতান্ত প্ৰয়োজন বুলি ভবা হৈছে।

শেষত শিক্ষাৰ মানদণ্ড অটুত ৰখাৰ স্বাৰ্থত অশুভ দিশসমূহ আঁতৰোৱাৰ বাবে বিভাগীয় কৰ্তৃপক্ষসমূহলৈ আহ্বান জনাই নিম্নলিখিত ব্যক্তিগত পৰামৰ্শ কেইটামান প্ৰকাশ কৰিলোঁ।

নিয়মানুবৰ্ত্তিতা, শৃংখলাবোধ, নৈতিকতাবোধ, সেৱাৰ মনোভাব সৃষ্টি, নিৰ্ধাৰিত সময়ত পাঠ্যপুথিসমূহৰ যোগান, ব্যায়াম চৰ্চা, শিক্ষানুষ্ঠানসমূহৰ খালি পদসমূহত শীঘ্ৰে আৱশ্যকীয় অৰ্হতাপূৰ্ণ শিক্ষক নিয়োগ, শৈক্ষিক বাতাৱৰণ সুস্থ ৰখাৰ ব্যৱস্থা গ্ৰহণ, ব্যক্তিত্ব আৰু বৌদ্ধিক দিশ উত্তৰণত উদ্‌গনিমূলক বঁটা প্ৰদানৰ ব্যৱস্থা, শৈক্ষিক ভ্ৰমণ, পৰিৱেশ নিকাকৰণৰ ব্যৱস্থা গ্ৰহণ, নৈতিকতাবোধৰ জ্ঞান প্ৰদানৰ সময় সাপেক্ষ ব্যৱস্থা গ্ৰহণ আদি বিষয়বোৰত উপযুক্ত গুৰুত্ব দিলে শিক্ষাৰ মানদণ্ড নিশ্চয় অটুত হৈ ৰ'ব।

ওম শান্তি! শান্তি!! শান্তি!!! ●

---

লেখক পাতিলাদহা হাইস্কুলৰ অবসৰপ্ৰাপ্ত প্ৰধান শিক্ষক; শ্ৰীৰায় বিজনী মহাবিদ্যালয়ত নিযুক্তি প্ৰাপ্ত প্ৰথমটো গোটৰ শিক্ষকো।

# এজন শিক্ষক শিক্ষানুষ্ঠানৰে নহয় সমাজৰো শিক্ষক

ড° উপেন্দ্ৰজিৎ শৰ্মা

শিক্ষক শব্দটোৰ উপলব্ধি অতি গভীৰ। শিক্ষক এগৰাকী কেনে হোৱা উচিত, শিক্ষকৰ দায়িত্ব, কৰ্তব্য আৰু আচৰণ কি? এই প্ৰশ্নবোৰৰ উত্তৰ আমি মনৰ মাজতে পাগুলিয়াই থাকিলে বহুতো কথাই মনলৈ আহে। এগৰাকী শিক্ষকৰ পদত কৰ্ম নিৰ্বাহ কৰি মই প্ৰতিটো স্তৰতে, প্ৰতিটো দিনত, প্ৰতিটো খোজতে এই কথাবোৰৰ অনুসন্ধান কৰোঁ। এই অনুসন্ধানৰ ক্ষেত্ৰখন কেতিয়াবা মোৰ নিজৰ মাজত, কেতিয়াবা মোৰ সহকৰ্মীৰ মাজত আৰু কেতিয়াবা আমাৰ সমস্ত শিক্ষা ব্যৱস্থাটোৰ মাজত বিচাৰ কৰোঁ। মই পতিয়ন যাবলৈ বাধ্য হওঁ যে আমাৰ শিক্ষা ব্যৱস্থা, আমাৰ প্ৰশাসনে দেশ বা ৰাজ্যত শিক্ষক সৃষ্টি কৰিব নিবিচাৰে। শিক্ষক সৃষ্টি কৰাৰ পৰিৱৰ্তে সমস্ত ব্যৱস্থাটোৱে শিক্ষক নামৰ কিছু চাকৰি বা পদবীৰহে সৃষ্টি কৰে। যাৰ ফলত শিক্ষক নামৰ প্ৰকৃত কথাষাৰিৰ তাৎপৰ্য গুৰুত্বহীন হৈ পৰে। এই পঁয়ালগা শিক্ষা ব্যৱস্থা তথা প্ৰশাসনৰ সীমাৰ পৰিধি নেওচি যিকেইগৰাকী ব্যক্তি শিক্ষক হিচাপে নিজকে প্ৰতিষ্ঠা কৰে সেয়া তেওঁলোকৰ একান্ত ব্যক্তিগত কৃচ্ছসাধনা মাথোন। সময়ে সময়ে প্ৰকৃত শিক্ষক সৃষ্টিৰ বাবে আমাৰ প্ৰশাসন-যন্ত্ৰটোৱে কিছু আঁচনি, কিছু কলা-কৌশল ৰূপায়ণৰ প্ৰশিক্ষণ দিয়াও দেখা যায়; সেয়াও মাথোন সমাজত প্ৰকৃত শিক্ষকৰ সৃষ্টিৰ কাৰ্যব্যৱস্থা নহৈ প্ৰশাসন যন্ত্ৰটোৰ আঁচনি ৰূপায়ণৰ দৃষ্টিভঙ্গীহে প্ৰত্যক্ষ কৰা যায়। সমস্ত কাৰ্যসূচী হৈ পৰে অন্ধক হস্তী দৰ্শনৰ লেখিয়া। কাগজে-পত্ৰই তেওঁলোকে প্ৰকৃত শিক্ষক সৃষ্টিৰ আঁচনি ৰূপায়ণৰ তথ্য সংগ্ৰহ কৰে, কিন্তু বাস্তৱ ক্ষেত্ৰত সেয়া হৈ পৰে বুমেৰাং।

শিক্ষক এগৰাকী এখন বিদ্যালয়ৰে শিক্ষক নহয়। মোৰ দৃষ্টিত এগৰাকী ব্যক্তি বিদ্যালয় এখনত যোগদান কৰি প্ৰথম অৱস্থাত তেওঁ নিজৰ মাজতে বিচৰণ কৰে আৰু তেওঁ নিজে নিজকে শাসন কৰিবলৈ লয়, অধ্যয়ন কৰে আৰু উপযুক্ত শিক্ষা প্ৰদান কৰে। নিজকে নিয়ন্ত্ৰণ কৰি সফল হ'ব পাৰিলে তেওঁ ছাত্ৰ-ছাত্ৰীৰ মাজত বিচৰণ কৰে আৰু নিজৰ কৰ্মৰত বিদ্যালয়খনত নিজকে শিক্ষকৰূপে প্ৰতিষ্ঠা কৰিবলৈ অগ্ৰসৰ হয়। এই কাৰ্য অত্যন্ত জটিল আৰু কষ্টসাধ্যকৰ। যদি ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰকৃত শিক্ষকৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ ব্যক্তিগৰাকী সমৰ্থ হয়; তেতিয়াহ'লে পৰৱৰ্তী দিনত তেওঁ বাস কৰা সমাজখনতো ব্যক্তিগৰাকী শিক্ষকৰূপে স্বীকৃতি লাভ কৰিবলৈ আগবাঢ়ে। ফলস্বৰূপে সেই ব্যক্তিগৰাকী কিছুদিনৰ ভিতৰতে নিজৰ সমাজখনত এগৰাকী শিক্ষকৰূপে পৰিগণিত হয়। প্ৰকৃতাৰ্থত এগৰাকী ব্যক্তি নিজৰ সমাজখনত শিক্ষক হিচাপে স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে নে নাই তাৰ ওপৰতহে তেওঁৰ প্ৰকৃত শিক্ষকৰ মাপকাঠি নিৰ্ভৰ কৰে। সেয়েহে কোৱা হয় এগৰাকী শিক্ষক এখন বিদ্যালয়ৰে শিক্ষক নহয়; তেওঁ সমাজৰো শিক্ষক।

সাম্প্ৰতিক সময়ত আমাৰ সমাজত শিক্ষকৰ





সংখ্যা দিনে দিনে দ্ৰুতগতিত হ্ৰাস পাই আহিছে। যদিও দিনে দিনে আমাৰ সমাজখনত বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ সংখ্যা বাঢ়িছে আৰু সেইবোৰত হাজাৰে হাজাৰে, লাখে লাখে শিক্ষক নামধাৰী ব্যক্তিৰ সংখ্যা বাঢ়িছে; প্ৰকৃতাৰ্থত এইসকল শিক্ষক নামধাৰী কিছু বেতনভোগী কৰ্মচাৰীহে মাত্ৰ। তেওঁলোক সকলোৱে প্ৰকৃত শিক্ষক নহয়। আমাৰ সমাজৰ এইসকল শিক্ষক নামধাৰী বেতনভোগী কৰ্মচাৰীৰ অতি নগন্য সংখ্যকেহে নিজকে শিক্ষকৰূপে সমাজত প্ৰতিষ্ঠা লাভ কৰাব পাৰে। মই আগতে উল্লেখ কৰিছোঁ যে শিক্ষক এক সুদীৰ্ঘ জীৱন পৰিক্ৰমাৰ কৃচ্ছসাধনাৰ ফলমাত্ৰ। এই কথাখিনি সুন্দৰকৈ উপলব্ধি কৰিব পৰা যাব। মোৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰা নিম্নোল্লিখিত কেইগৰাকীমান শিক্ষকৰ কথাৰে—

সমাজৰ এই নগন্য সংখ্যক ব্যক্তিৰ ভিতৰতে নিজৰ জীৱন কালতে শিক্ষকৰূপে প্ৰতিষ্ঠা লাভ কৰাব পৰা ব্যক্তি বিশেষৰ ভিতৰত মোৰ দৃষ্টিত এগৰাকী শিক্ষক হ'ল পছৰীয়া কুশল কোঁৱৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু হলধৰ ডেকাদেৱ। হলধৰ ডেকাদেৱৰ জীৱন পৰিক্ৰমা বিশ্লেষণ কৰিলে তেওঁৰ শিক্ষক জীৱনৰ মহান গুণৰাশি অনুধাৱন কৰিব পৰা যায়। এগৰাকী ব্যক্তিয়ে নিজকে শিক্ষক হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত নিজৰ মন-মগজুৱে তেওঁক নিয়ন্ত্ৰণ কৰে। কিছুখিনি ব্যক্তিয়ে সময়ৰ আহ্বানত শিক্ষকৰ ভাও দিয়ে আৰু বিশেষ সুবিধা পালে শিক্ষকতা বৃত্তি এৰি আনক্ষেত্ৰলৈ ঢাপলি মেলে। কিছুদিন পিছতে নিজৰ গাৰ পৰা শিক্ষকতাৰ গুণৰাশি জাৰি জোকাৰি দূৰলৈ দলিয়াই দিয়ে। হলধৰ ডেকাদেৱে যি সময়ত পছৰীয়া কুশল কোঁৱৰ হাইস্কুলত যোগদান কৰিছিল; সেই সময়ত অসমত স্নাতক ডিগ্ৰীধাৰী লোক আঙুলিমূৰত লেখিব পৰা। চাৰিওফালে চৰকাৰী চাকৰিয়ে হাতবাউলি দি মাতি থকা পৰিৱেশ। সেই পৰিৱেশক নেওচি নিজৰ অঞ্চলটোত শিক্ষা বিস্তাৰৰ সংকল্প গ্ৰহণ কৰি বিনা বেতনে শিক্ষকতাৰ পদ গ্ৰহণ কৰা কাৰ্য নিজকে শিক্ষক হিচাপে উত্তৰণ ঘটোৱাৰ প্ৰথম প্ৰচেষ্টা বুলি বিবেচনা কৰিব পাৰি।

এক আওহতীয়া অঞ্চলত ৰাইজে স্থাপন কৰিবলৈ লোৱা বিদ্যালয় এখনত যোগদান কৰি বিদ্যালয়খনক আগবঢ়াই লৈ যোৱাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ বাবে মনত লাগিব দৃঢ় সংকল্পবোধ আৰু সাহস। কাৰণ বে-চৰকাৰী বিদ্যালয় এখনত পদে পদে সংগ্ৰাম থাকে, সংঘাত থাকে। এফালে বিদ্যালয় কেতিয়া চৰকাৰীকৰণ হ'ব আৰু চৰকাৰৰ পৰা দা-দৰমহা লাভ কৰিব পৰা যাব তাৰ কোনো নিশ্চয়তা নাই। এনে পৰিস্থিতিত একো একোখন অঞ্চলৰ শিক্ষা ব্যৱস্থা আগবঢ়াই লৈ যোৱাৰ বাবে লাগিব অসীম ধৈৰ্য, সাহস আৰু মনৰ দৃঢ়তা। এই আটাইখিনি গুণৰ অধিকাৰী আছিল শ্ৰদ্ধাৰ হলধৰ ডেকাদেৱ।

এগৰাকী শিক্ষকৰ গুণৰাশিৰ ভিতৰত এটা লেখত ল'বলগীয়া গুণ হ'ল সাহসী মন, উদাৰ দৃষ্টিভঙ্গী আৰু পক্ষপাতহীন মনোভাব। বে-চৰকাৰী বিদ্যালয় এখন নানা সমস্যাৰে জৰ্জৰিত। এফালে এটা সমস্যা সমাধান কৰিলে আনফালে কেইবাটাও সমস্যাই মূৰ দাঙি উঠে। তেনে অৱস্থাত বিদ্যালয়খনৰ শিক্ষকসকল অসীম ধৈৰ্যৰে এটা সাহসী মন লৈ আগবাঢ়ি যাব লাগে। এই সময়ছোৱাত ধৈৰ্যচ্যুতি ঘটিলে অনুষ্ঠানখনৰ ক্ষতি হয়। হলধৰ ডেকাদেৱে পছৰীয়া কুশল কোঁৱৰ হাইস্কুলত যোগদানৰ পিছৰে পৰাই অসীম সাহস, ধৈৰ্যৰে আগবাঢ়ি গৈছিল। তেখেতে শিক্ষকতাৰ ক্ষেত্ৰত পক্ষপাতমূলক দৃষ্টিভঙ্গী পোষণ নকৰি উদাৰ মনেৰে বিদ্যালয়খনক আগবঢ়াই লৈ গৈ ক্ৰমে

ক্ৰমে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজতে নহয় সমাজখনতো এগৰাকী শিক্ষকৰূপে পৰিচিতি লাভ কৰিৱলৈ আৰম্ভ কৰিছিল।

মোৰ দৃষ্টিত হলধৰ ডেকাদেৱ এগৰাকী আদৰ্শ শিক্ষক। আদৰ্শ শিক্ষক এগৰাকী হিচাপে থাকি বলগীয়া গুণৰাশিৰ প্ৰায়খিনি গুণেৰে তেখেতে সমাজত ভূমুকি মাৰিব পাৰিছে। সময়ৰ গতিৰ লগে লগে তেখেতৰ পৰিধি শ্ৰেণীকোঠাৰ পৰা বিদ্যালয়লৈ, বিদ্যালয়ৰ পৰা সমাজ জীৱনলৈ বিস্তাৰিত হৈছিল। পছৰীয়া কুশল কোঁৱৰ হাইস্কুলখনক তেখেতে বৃহত্তৰ পছৰীয়া অঞ্চলৰ প্ৰতিখন ঘৰৰ মানুহৰ হৃদয়ৰ মাজত সুমুৱাই দিব পাৰিছিল। প্ৰতিঘৰ মানুহে বিদ্যালয়খনক লৈ গৌৰৱবোধ কৰিছিল। তেখেতৰ সু-পৰিচালনাৰ বাবে বিদ্যালয়খনৰ সৌৰভ পছৰীয়া গাঁওখনৰ নিকটৱৰ্তী অঞ্চলবিলাকলৈও সম্প্ৰসাৰিত হৈছিল। এইখিনিতে হলধৰ ডেকাদেৱৰ শিক্ষকতাৰ মাপকাঠি বিদ্যালয়ৰ পৰিধি অতিক্ৰমি গাঁও ; গাঁৱৰ পৰিধি অতিক্ৰমি বৃহত্তৰ সমাজ জীৱনৰ দিশে ধাৱমান হৈছিল।

এজন প্ৰকৃত শিক্ষকে নিজৰ গুণৰাশিৰ বাবে বিদ্যালয় অতিক্ৰমি সমাজৰ শিক্ষকৰূপে পৰিগণিত হয়। সেই গুণৰ অধিকাৰী হলধৰ ডেকাদেৱ। আমি শিশু বিদ্যালয়ৰ ছাত্ৰ হৈ থকাৰ দিনতে এগৰাকী ব্যক্তি প্ৰত্যক্ষ কৰিছিলোঁ। শুভ্ৰ ধুতি-চোলা পৰিধান কৰা গুৰু-গম্ভীৰ খোজ-কাটলেৰে পথেৰে আগবাঢ়ে। মানুহগৰাকী অহা দেখিলেই মানুহবোৰে কোৱামেলা কৰে 'হেডমাষ্টৰ আহিছে', 'হেডমাষ্টৰ গ'ল', 'হেডমাষ্টৰে কৈছে'। পিছতহে গম পালোঁ আমাৰ অঞ্চলত 'হেডমাষ্টৰ' মানে হলধৰ ডেকা নামৰ মানুহগৰাকী। পছৰীয়া অঞ্চলত মানুহে তেওঁৰ নামটো বৰ বেছিকে উচ্চাৰণ নকৰি হেডমাষ্টৰ বুলিহে কয়। বিয়া-সভা-পূজা-পাৰ্বণ আদিত পদূলিমূৰত থিয় হ'লেই মানুহবোৰে কোৱামেলা কৰে হেডমাষ্টৰ আহিছে বহিবলৈ দে। সেয়া কম স্বীকৃতি নে? কাৰণ এগৰাকী ব্যক্তিয়ে নিজৰ কৰ্মস্থানৰ পৰিধি নেওচি অঞ্চলটোৰ সকলোখিনি মানুহৰ মাজতে হেডমাষ্টৰৰূপে ৰূপান্তৰ লাভ কৰিছে। কেৱল বিদ্যালয়ৰে নহয় সমগ্ৰ অঞ্চলতে তেখেত হেডমাষ্টাৰ ৰূপে পৰিগণিত। এইখিনিতে তেখেতে কৃতিত্ব অৰ্জনৰ চূড়ান্ত শিখৰত আৰোহণ কৰিছে।

শ্ৰদ্ধাৰ হলধৰ ডেকাদেৱ পছৰীয়া কুশল কোঁৱৰ হাইস্কুলৰ পৰা অৱসৰ গ্ৰহণৰ প্ৰায় বিশ বছৰ হ'ল। ইয়াৰ পিছত বিদ্যালয়খনৰ কেইবাগৰাকীও শিক্ষকে প্ৰধান শিক্ষকৰ কৰ্ম সম্পাদন কৰিলে। কিন্তু আচৰিত কথা আজিও গাঁওবাসীৰ মনত তেখেত হেডমাষ্টৰ হৈয়ে থাকিল। এয়াই এগৰাকী আদৰ্শ শিক্ষকৰ কৃতিত্ব আহৰণৰ উদাহৰণ মাথোন।

মই কলেজীয়া জীৱনত লগ পোৱা আন এগৰাকী শিক্ষক হ'ল ৰাধানাথ শৰ্মাদেৱ। তেখেত গুৱাহাটী আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক। এইখন মহাবিদ্যালয়ত মই অধ্যয়ন কৰি এইগৰাকী ব্যক্তিক প্ৰত্যক্ষ কৰিছিলোঁ। তেখেতে নিতৌ এটা সময়ত এখন আওপুৰণি ছাইকেলেৰে মহাবিদ্যালয়লৈ আহে আৰু মহাবিদ্যালয়ৰ বিভাগীয় কোঠালীত সোমাইয়ে ছাত্ৰ-ছাত্ৰীক পাঠদান কৰিবলৈ আৰম্ভ কৰি দিয়ে। বিভাগলৈ কোন শিক্ষক আহিছে, কোন অহা নাই এইবোৰলৈ বৰ বিশেষ নজৰ নিদিয়ে। মহাবিদ্যালয়খনৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে এই শিক্ষকগৰাকীৰ নামটোৰ লগত পৰিচিত। পৰীক্ষাৰ সময়বোৰত এইগৰাকী শিক্ষকৰ নাম শুনিলে দুষ্ট বুদ্ধিৰ কথা চিন্তা কৰি অহা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বাঘৰ সন্মুখত পৰা হৰিণৰ লেখিয়া হয়। তেখেতে পৰীক্ষাৰ দিনত যিটো কোঠালীত পৰীক্ষাৰ নিৰীক্ষকৰ দায়িত্বত





পৰে সেই কোঠালীটোৰ আগে-পিছে ছয়টামান কোঠালীৰ ছাত্ৰ-ছাত্ৰীসকলে যিয়ে পৰীক্ষাগৃহত অনৈতিক কৰ্ম কৰাৰ কথা চিন্তা কৰি আহে তেওঁলোকে ত্ৰাহিমধুসুধন সোঁৱৰে। অসমীয়া বিভাগৰ বাহিৰে আন আন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে এইগৰাকী শিক্ষকক 'টাইগাৰ' বুলিহে জানে। হৃষ্ট-পুষ্ট সুঠাম শৰীৰৰ গলগলীয়া মাতৰ অধিকাৰী অতি কমসংখ্যক শিক্ষকক মোৰ জীৱনত লগ পাইছো যিসকল ইমান নীতিনিষ্ট, আদৰ্শপুষ্ট আৰু কৰ্তব্যপৰায়ণ। মোৰ অধ্যয়নৰ কালছোৱাত তেখেতক মহাবিদ্যালয় খোলা দিনত এদিনো অনুপস্থিত দেখা নাছিলোঁ অথবা আমাৰ এটাও শ্ৰেণীৰ পাঠদানত তেখেতে অনুপস্থিত থকা নাছিল। সেই সময়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আছিল শ্ৰদ্ধাৰ সু-সাহিত্যিক দুৰ্গেশ্বৰ শৰ্মা ছাৰ। দুৰ্গেশ্বৰ শৰ্মা ছাৰে উত্তৰ গুৱাহাটীৰ পৰা ফেৰীৰে ব্ৰহ্মপুত্ৰ নদীখন পাৰ হৈ আহিবলগীয়া হোৱা হেতুকে প্ৰায় সদায় পলমকৈ আহি পাইছিল আৰু সোনকালে যাব লাগিছিল। কিন্তু ৰাধানাথ শৰ্মা ছাৰ আমি শ্ৰেণীলৈ আহিপোৱাৰ আগতে উপস্থিত হয় আৰু বিভাগৰ সকলো যোৱাৰ পিছতহে ঘৰলৈ যায়। প্ৰথম অৱস্থাত মই অৰ্থনীতি বিষয়ক প্ৰধান বিষয় হিচাপে লৈ অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিছিলোঁ যদিও মোৰ কিছু ঘৰুৱা বেমেজালিৰ কাৰণে সেই বিষয়টোত অধ্যয়ন কৰা সম্ভৱ নহ'ব বুলি উপলব্ধি কৰি অসমীয়া বিষয়কে প্ৰধান বিষয় হিচাপে লৈ অধ্যয়ন কৰাৰ চিন্তা কৰিলোঁ। সেই সময়ত এইখন মহাবিদ্যালয়ত এটা নিয়ম প্ৰচলিত আছিল যে নামভৰ্তি কৰাৰ তিনি মাহৰ ভিতৰত ত্ৰি-মাসিক পৰীক্ষা এটা অনুষ্ঠিত হয়। এই পৰীক্ষাত প্ৰধান বিষয়ত সন্তোষজনক নম্বৰ লাভ কৰিব নোৱাৰিলে প্ৰধান বিষয় বাদ দিবলগীয়া হয়। মই অৰ্থনীতি বিষয়ত অধ্যয়ন কৰিবলৈ লৈ বিমোৰত পৰি অসমীয়া বিষয়ক প্ৰধান বিষয় হিচাপে লবলৈ বুলি অসমীয়া বিভাগৰ ওচৰ চাপিছিলোঁ। মুৰব্বী অধ্যাপকগৰাকীলৈ অপেক্ষা কৰি থকা মুহূৰ্তত ৰাধানাথ শৰ্মা নামৰ শিক্ষকগৰাকীয়ে মোক গলগলীয়া মাতেৰে সুধিছিল কাক বিচাৰিছা? মই আদ্যোপান্ত বিৱৰি ক'লো তেওঁ মোক ধমক দি ক'লে কাইলৈ পৰীক্ষা আজি অসমীয়া বিষয়ক প্ৰধান বিষয় হিচাপে লবলৈ আহিছা? অসম্ভৱ! তেখেতৰ কথা কেইশাৰীত মোৰ বুকু কঁপি গ'ল। মই সানুনয়েৰে সাহস গোটাই পুনৰ ক'লো ছাৰ প্ৰধান বিষয় হিচাপে স্নাতক শ্ৰেণীত অধ্যয়ন নকৰিলে মই অধ্যয়ন কৰিয়ে বা কি লাভ হ'ব। তেওঁ মোৰ ফালে তীব্ৰ দৃষ্টি নিক্ষেপ কৰি সুধিলে ক'ৰ পৰা আহিছা? ক'ত ঘৰ? মই মোৰ জন্ম গাঁওখনৰ কথা কোৱাত পুনৰ তেওঁ সুধিলে কাৰ ল'ৰা? মই অৰবিন্দ শৰ্মাৰ ল'ৰা বুলি উল্লেখ কৰিলোঁ। তেখেতে অলপ কোমল সুৰেৰে ক'লে অ' তুমি অৰবিন্দৰ ল'ৰা নেকি? মই সঁহাৰি জনালোঁ। তেওঁ পুনৰ ক'লে অহা কাইলৈ পৰীক্ষা তুমি পাৰিবা জানো? পৰীক্ষাত উত্তীৰ্ণ হ'ব নোৱাৰিলে তোমাৰতো মেজৰ নাথাকিব। মই দৃঢ়তাৰে পাৰিম বুলি প্ৰত্যয় নিয়াবলৈ চেষ্টা কৰিলোঁ। তেখেতে ক'লে হ'ব; অহাকালি দহ বজাত পৰীক্ষা দিবলৈ আহিবা। মই পুনৰ ছাৰক সুধিলোঁ— ছাৰ, কি কি পাঠ্যক্ৰম লাগিব। ছাৰে কাগজ এখনত এখন কিতাপৰ নাম এটা লিখি দিলে— 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'- ড°সত্যেন্দ্ৰ নাথ শৰ্মা। মই ছাৰৰ অনুমতি লাভ কৰি সময় নষ্ট নকৰি বাহিৰে বাহিৰে খোজকাঢ়ি পাণবজাৰলৈ গৈ গ্ৰন্থখন ক্ৰয় কৰিলোঁ। এখন বৃহৎ গ্ৰন্থ। মোৰ চিন্তা লাগিল। থকা ঠাইলৈ আহি গ্ৰন্থখন এফালৰ পৰা পঢ়িবলৈ ধৰিলোঁ। ৰাতি কেইটা বাজিল ততেই ধৰিব নোৱাৰিলোঁ। পিছৰ দিনাখন ৰাতিপুৱাও গ্ৰন্থখন

কিছু অধ্যয়ন কৰি ভগৱানক চিন্তি পৰীক্ষা দিবলৈ গলোঁ। পৰীক্ষাৰ পিছত দুদিনমান অসমীয়া বিষয়ৰ পাঠদান গ্ৰহণ কৰি ইতিমধ্যে অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ লগত এক প্ৰকাৰ চিনাকী হ'লোঁ। পৰীক্ষা যোৱাৰ এসপ্তাহমানৰ অন্তত ছাৰে বহীখিনি লৈ আহি আমাক দিবলৈ ধৰিলে। বহীখিনি দিয়াৰ অন্তত তেখেতে ইতিমধ্যে অধ্যয়ন কৰি থকা ছাত্ৰ-ছাত্ৰীসকলক বৰ কটু কথা শুনাবলৈ ধৰিলে। তোমালোকে তিনি মাহ অধ্যয়ন কৰি আমি ইমানখিনি পাঠদান দিয়াৰ পিছতো যি নম্বৰ পালা যোৱাকালি দুপৰীয়াৰ পিছত আমাক মেজৰ দিবলৈ বাধ্য কৰাই পৰীক্ষা দিয়া এইজন ছাত্ৰই তোমালোকতকৈ দুগুণ নম্বৰ পালে। মোৰ নিজৰ পাঠদানৰ ওপৰতে বিৰাগ উপজিছে। মই তোমালোকক এইবোৰেই শিকালোনে? এই কাৰ্যই এই ছাত্ৰ-ছাত্ৰীসকলৰ কি উপকাৰ সাধন কৰিলে নাজানিলোঁ। এই ঘটনাৰ পিছত মই গোটেই শ্ৰেণীটোৰ ছাত্ৰ-ছাত্ৰীৰ বাবে চকুৰ কুটা, দাঁতৰ শুল হৈ পৰিলোঁ। মোক কোনেও পাত্তা নিদিয়া হ'ল। মাতিবলৈ ইচ্ছা নকৰা হ'ল। মই শ্ৰেণীটোত অকলশৰীয়া হৈ পৰিলোঁ। কিন্তু কিছুদিন পিছত অসমীয়া মেজৰ লৈ অধ্যয়ন কৰা এজন বাঙালী বন্ধুৱে মোক যথেষ্ট সহায়-সহযোগ কৰিলে। ৰাধানাথ শৰ্মা ছাৰৰ মোৰ প্ৰতি দেখুওৱা স্নেহে মোৰ জীৱনটো গঢ়িলে। যদি মই অসমীয়াত মেজৰ লোৱাৰ অনুমতি নাপালোঁহেঁতেন আজি হয়তো মই এখন বেলেগ সমাজৰ বাসিন্দা হ'ব লাগিলহেঁতেন। ছাৰে আমাক শিকোৱা কথাবোৰ আজিও মোৰ স্মৃতিত ভাহি আছে। এইগৰাকী শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মনৰ উপলব্ধি বুজিব পাৰিছিল। শিক্ষাদানৰ সময়ত তেখেতে একাত্ম হৈ শিক্ষাদান কৰিছিল। তেখেতৰ শিক্ষাদানৰ বিষয়বোৰে ছাত্ৰ-ছাত্ৰীক বাৰুকৈয়ে আকৰ্ষিত কৰিছিল।

এইখন মহাবিদ্যালয়তে আন এগৰাকী শিক্ষক লগ পাইছিলোঁ। তেখেত বুৰঞ্জী বিভাগৰ প্ৰবক্তা নীলমণি ফুকনদেৱ। ছাৰে মহাবিদ্যালয়খনলৈ ভৱলুমুখৰ পৰা সদায়ে খোজকাঢ়ি অহা-যোৱা কৰে। তেখেতে বাসস্থান মালিগাঁৱৰ পৰা চিটি বাছেৰে আহি ভৱলুমুখত নামি তাৰ পৰা ফটাশিলৰ মাজেৰে খোজকাঢ়ি আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত উপস্থিত হয়। শুভ্ৰ ধুতি-চোলা পৰিহিত এইগৰাকী শিক্ষকে এবোজা কিতাপ লৈ সদায় অহা-যোৱা কৰে। সাহিত্যৰ সমাজখনত নীলমণি ফুকনদেৱ আন্তঃৰাষ্ট্ৰীয় স্তৰত প্ৰতিষ্ঠিত এগৰাকী কবি। কিন্তু তেখেতৰ মূলক্ষেত্ৰখনৰ ছাত্ৰ-ছাত্ৰীক নিয়ম মাফিক পাঠদান কৰা। ইমান বিখ্যাত ব্যক্তি হৈও নীলমণি ফুকন ছাৰে মহাবিদ্যালয়ত সদায়ে উপস্থিত আছিল আৰু ছাত্ৰ-ছাত্ৰীক সঠিক শিক্ষাদান কৰিছিল। সভা-সমিতি আদিৰ অজুহাত দেখুৱাই তেখেতে কোনোদিনে পাঠদানৰ পৰা বিৰত থকা নাছিল। তেখেতৰ যাত্ৰা পথৰ মই প্ৰায়ে লগৰীয়া আছিলোঁ। কেতিয়াবা ঘৰৰ পৰা আহিলেও তেখেতে অহাৰ সময়লৈ ভৱলুমুখত অপেক্ষা কৰি একেলগে খোজকাঢ়ি মহাবিদ্যালয়লৈ গৈছিলোঁ। যাত্ৰাপথত বিভিন্ন ধৰণৰ কথা ব্যক্ত কৰি গৈছিল। ছাৰৰ অন্তৰ পৱিত্ৰ আৰু নিৰ্মল, কোনো অহামিকাবোধ ভাব নাই। ছল-চাতুৰী ছাৰে খুব বেয়া পাইছিল আৰু অধিক প্ৰশংসাৰ পৰাও আঁতৰি আছিল। আনকি নিজৰ মহাবিদ্যালয়খনতে ছাৰ যে এগৰাকী প্ৰতিষ্ঠিত কবি-সাহিত্যিক বহুতে ভু-কে পোৱা নাছিল। নিজৰ দায়িত্ব আৰু কৰ্তব্যনিষ্ঠাৰ প্ৰতি তেখেত সদায় সচেতন আছিল।

স্নাতক ডিগ্ৰী লাভ কৰাৰ অন্তত গুৱাহাটী বিশ্ববিদ্যালয়ত ভৰ্তি হোৱাৰ পিছৰে পৰা মই আন এজন শিক্ষকৰ একেবাৰে ওচৰত অৱস্থান কৰিছিলোঁ। তেখেত অসমৰে নহয় ভাৰতবৰ্ষৰ





ভিতৰতে খ্যাতিমান বিশিষ্ট লোক-সংস্কৃতিবিদ তথা পুৰণি অসমীয়া ভাষা-সাহিত্যৰ গৱেষক পণ্ডিত ড° নবীনচন্দ্ৰ শৰ্মাদেৱ। জীৱনকালত কোনোবাই যদি এবাৰ এইগৰাকী পণ্ডিতক লগ পাইছে তেতিয়াহ'লে তেওঁ জীৱনলৈ তেখেতক পাহৰিব নোৱাৰিব। এক স্বভাৱসুলভ সৰলতা তেখেতৰ জীৱনৰ ভূষণ। শুভ্ৰ ধুতি-চোলা পৰিধান কৰা এইগৰাকী পণ্ডিতে গুৱাহাটী দুৰ্গা সৰোবৰৰ পৰা চিটি বাছেৰে গুৱাহাটী বিশ্ববিদ্যালয়লৈ নিতৌ অহা-যোৱা কৰে। তেখেতে গণ্য-মান্য পণ্ডিত ব্যক্তিৰ লগত যি ধৰণে বাৰ্তালাপ কৰে ; ঠিক তেনেদৰে সাধাৰণ ব্যক্তিজনৰ লগতো একে আত্মীয়তাৰে ঘৰুৱা কথা-বতৰা পাতে। মানুহৰ সৰু-বৰ, ধনী-দুখীয়াৰ ভেদভাৱ তেখেতৰ আচৰণত প্ৰতিফলিত নহয়। ইমান ডাঙৰ এজন পণ্ডিত ব্যক্তিৰ ঘৰলৈ নিতৌ নানাজনৰ অহা-যোৱা চলে। তেখেতৰ ঘৰলৈ কোনোবাই গ'লে কিবা এটা মুখত নিদিয়াকৈ আহিব নোৱাৰে। ছাত্ৰ-ছাত্ৰীক ইমান আত্মীয়তাৰে শিক্ষাদান কৰে যে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী প্ৰথম দৃষ্টিতে তেখেতৰ আপোন হৈ পৰে। শিক্ষাদানত তেখেতে যিদৰে একাগ্ৰতা অৱলম্বন কৰে ; ঠিক তেনেদৰে জাতীয় জীৱনৰ সভা-সমিতি আদিতো সমানে অংশ গ্ৰহণ কৰে। বিশ্ববিদ্যালয়ত সদায় সঠিক সময়ত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰা মই ওচৰৰ পৰাই প্ৰত্যক্ষ কৰিছোঁ। স্নাতকোত্তৰ ডিগ্ৰী সমাপ্ত কৰি মই এম ফিল পাঠ্যক্ৰম অধ্যয়ন কৰিবৰ বাবে আধুনিক ভাৰতীয় ভাষা বিভাগলৈ এদিনাখন গৈ থাকোতে পথতে ছাৰে লগ পাই হাতখনত ধৰি তেখেতৰ বিভাগলৈ লৈ গ'ল। তেখেতে তেতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি গৱেষণা বিভাগৰ মুৰব্বী অধ্যাপক। মোৰ উদ্দেশ্যৰ কথা জানিব পাৰি তেখেতে ক'লে তুমি লোক-সংস্কৃতি গৱেষণা বিভাগত এম ফিল কৰা। ইয়াতে এম ফিল কৰিলে আনন্দৰাম বৰুৱা ভাষা-সংস্কৃতি গৱেষণা কেন্দ্ৰৰ পৰা মাহিলি জলপানী পাবা। তোমাৰ যথেষ্ট টকাৰ প্ৰয়োজন মই জানো। সদৌ শেষত ছাৰৰ আগ্ৰহৰ বাবে মোৰ আধুনিক ভাৰতীয় ভাষা বিভাগত এম ফিল পাঠ্যক্ৰম অধ্যয়ন কৰা আশা নিৰ্বাপিত হৈ লোক-সংস্কৃতিৰ দিশে ঢাল খালে। অসমৰ লোক-সংস্কৃতিৰ ক্ষেত্ৰখনত ছাৰৰ অৱদানৰ বিষয়ে ভু-ৰাখোতাজনেহে জানিব পাৰে। সমগ্ৰ জীৱন সাধাৰণ ভাৱে পাৰ কৰি তেখেতে ছাত্ৰ-ছাত্ৰীক সঠিক জ্ঞান প্ৰদান কৰাৰ লগতে অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ বিৰল অৱদান আগবঢ়াই আহিছে। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি তেখেতে সদায় কোমল আৰু সহায়-সহানুভূতিসুলভ দৃষ্টিভংগীহে গ্ৰহণ কৰিছিল। তেখেতৰ সৰলতা কথা কৈ শেষ কৰিব নোৱাৰি।

এনে ধৰণে বিশ্লেষণ কৰি চালে প্ৰকৃত শিক্ষকৰ স্বৰূপটো জল্-জল্-পট্-পট্‌কৈ ওলাই পৰে। আমি এই তিনিটা উদাহৰণৰ পৰাই হয়তো অনুধাৱন কৰিব পাৰিম যে বৰ্তমান সময়ত আমাৰ সমাজখনত শিক্ষকৰ সংখ্যা কিমানজন। গতিকে শিক্ষকৰ সংখ্যা বৃদ্ধিয়েহে এখন বিদ্যালয়, মহাবিদ্যালয় বা বিশ্ববিদ্যালয়কে নহয় একো একোখন সমাজকো ধৰি ৰাখিব পাৰে। সমাজৰ পৰা বিচ্ছিন্ন হৈ শিক্ষাৰ ক্ষেত্ৰখনত বিচৰণ কৰা কাৰ্যই ব্যক্তিগৰাকীক সমাজৰ পৰা বিচ্ছিন্ন কৰি পেলায়। সেয়েহে আমাৰ দৃষ্টিত প্ৰকৃত শিক্ষক এগৰাকী এখন শিক্ষানুষ্ঠানৰে শিক্ষক নহয় এখন সমাজৰো শিক্ষক। এজন শিক্ষকলৈ এখন সমাজ বহু অপেক্ষাৰে বৈ থাকে। ●

লেখক ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক।

# বিজনী মহাবিদ্যালয় আৰু মোৰ কৰ্মজীৱনৰ কিছু অনুভৱ

বিভাৰানী সিন্‌হা বৰুৱা

বিজনী প্ৰাচীন অসমৰ এখন বুৰঞ্জীপ্ৰসিদ্ধ ঠাই। প্ৰাচীন অসমৰ কোচ ৰাজত্বৰ স্মৃতি বিজৰিত বিজনী পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলাৰ অন্তৰ্গত পিছলৈ ক্ৰমান্বয়ে বঙাইগাঁও আৰু কোকৰাঝাৰ জিলাৰ অন্তৰ্ভুক্ত হয়। বৰ্তমান B.T.A.D. ৰ চিৰাং জিলাৰ বিজনী মহকুমাৰ সদৰ বিজনী। বিজনী চহৰখন সৰু হ'লেও এখন গুৰুত্বপূৰ্ণ চহৰ। বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীৰ বাসস্থান বিজনী আৰ্থিক আৰু শৈক্ষিক দিশত পিছপৰা হ'লেও সাংস্কৃতিক দিশত অত্যন্ত চহকী।

এই বিজনী অঞ্চলত ষাঠিৰ দশকতে এখন উচ্চশিক্ষাৰ অনুষ্ঠান স্থাপন কৰাৰ কথাটো কল্পনাতীত, মানে একপ্ৰকাৰ দুঃস্বপ্নই বুলিব পাৰি। এই দুঃস্বপ্নক বাস্তৱত ৰূপ দিয়াৰ গুৰিতে যিসকল ব্যক্তিয়ে উদ্যোগ লৈছিল সেই মহান ব্যক্তিসকলৰ ভিতৰত বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ প্ৰয়াত উদয় চন্দ্ৰ দাস, উপাধ্যক্ষ বীৰেন্দ্ৰগিৰি বসুমাতাৰী, প্ৰয়াত লক্ষেশ্বৰ ব্ৰহ্মৰ লগতে বিজনীৰ একাংশ শিক্ষানুৰাগী ৰাইজ। এই আটাইকেইজন ব্যক্তিয়েই স্থানীয় শিক্ষিত যুৱক। বসুমাতাৰী আৰু ব্ৰহ্মাই সেই সময়ত ৰে'ল বিভাগৰ চাকৰি এৰি আহি মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ কামত দেহে-কেহে লাগি পৰে। সেই মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

১৯৬৯ চনৰ জুন মাহৰ ২১ তাৰিখে যিদিনা পৃথিৱীৰ মানুহে চন্দ্ৰত প্ৰথম অৱতৰণ কৰে সেই পৱিত্ৰ দিনটোতে এই মহান ব্যক্তিসকলৰ দ্বাৰাই বিজনী ৰাইজৰ সহযোগত বিজনী মহাবিদ্যালয়খন স্থাপন কৰা হয়।

সময় গতিশীল। জ্ঞানৰ পোহৰেৰে উদ্ভাসিত কৰি সময়ৰ সাঁচত গঢ় লৈ মহাবিদ্যালয়খনে ৫০ বছৰ পাৰ কৰি সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰিলে। সোণালী জয়ন্তী বৰ্ষ উপলক্ষে স্মৃতিগ্ৰন্থ প্ৰকাশৰ উদ্যোগ লোৱা সকললৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন থাকিল। কিন্তু যেতিয়া প্ৰাক্তন অধ্যক্ষ হিচাবে মোক মহাবিদ্যালয়খনৰ সম্পৰ্কে কিছু অনুভৱৰ কথা লিখিবলৈ এটি অনুৰোধমূলক বাৰ্তা আহে তেতিয়া মই অলপ দ্বিধাবোধ কৰিছিলোঁ। সময়ৰ নাটনি বা লিখাৰ হেপাহ নথকা কাৰণে নিশ্চয় নহয়। দৰাচলতে এই শিক্ষানুষ্ঠানখনৰ মোৰ কৰ্মময় জীৱনত যি সুকীয়া প্ৰভাৱ তাৰ কথা ভাষাৰে প্ৰকাশ কৰিবলৈ যাওঁতে ক'ৰপৰানো আৰম্ভ কৰিম তাকেহে ঠিৰাং কৰিব পৰা নাই। অধ্যক্ষ হিচাপে অনুভৱ লিখিবলৈ যাওঁতে মই বহুদূৰ পিছলৈ উভতি যাব লাগিব। কাৰণ মই বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদত ১৯৯৯ চনৰ ১৮ জুন তাৰিখে যোগদান কৰাৰ আগৰে পৰা বিজনী মহাবিদ্যালয়ত ১৯৭১ চনৰ ৫ জুনৰ পৰা ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকাৰ দায়িত্বত আছিলোঁ।

বিজনী মহাবিদ্যালয়তে মোৰ কৰ্ম জীৱনৰ আৰম্ভণি আৰু ইয়াতেই সমাপ্তি। সেয়েহে মোৰ এই দীঘলীয়া শিক্ষকতাৰ অনুভৱ নিলিখাকৈ থাকিলে মোৰ অনুভৱ আধৰুৱা হৈ থাকিব। ১৯৭০ চনত ৰাজনীতি বিজ্ঞানৰ স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতে আইনৰ পৰীক্ষা দিবৰ কাৰণে প্ৰস্তুতি লোৱাৰ সময়তে বিজনী মহাবিদ্যালয়ৰ চাকৰিত যোগদান কৰিলোঁ। যিহেতু কিছুদিনৰ কাৰণে মহাবিদ্যালয়ৰ চাকৰি কৰাৰ এটা ইচ্ছা মনত আছিল। আচলতে চাকৰি নকৰিম বুলিয়ে একেলগে সেই দিনত স্নাতকোত্তৰ শ্ৰেণী আৰু ৰাতি আইনৰ স্নাতক শ্ৰেণীত পঢ়াশুনা কৰিছিলোঁ। তেনেই চালুকীয়া অৱস্থাৰ মহাবিদ্যালয়ত চাকৰিত যোগদান কৰিলোঁ মাত্ৰ ৩০০ টকাত। তেতিয়া অৱশ্যে কেৱল প্ৰাক বিশ্ববিদ্যালয় এটা শ্ৰেণীহে আছিল।

১৯৭০ চনত মহাবিদ্যালয়ৰ নিজা গৃহ বৰ্তমানৰ ঠাইত আনুষ্ঠানিকভাৱে উদ্বোধন কৰি সকলো কাম-কাজ চলোৱা আৰম্ভ কৰা হয়। প্ৰথম অৱস্থাত গুৱাহাটী বিশ্ববিদ্যালয়ে অনুমতি নিদিয়াত 'বিজনী টিওটৰিয়েল কলেজ' নামেৰে বঙাইগাঁও কলেজৰ সহযোগত চলোৱা হয়। পিছৰ বছৰত অৱশ্যে প্ৰাকবিশ্ববিদ্যালয় শ্ৰেণী খোলাৰ বাবে বিশ্ববিদ্যালয়ৰ অনুমতি পাই বিজনী মহাবিদ্যালয়ৰ কাম নিয়মিতভাৱে চলোৱা হয়। এইদৰে অগ্ৰগতিৰ পথত আগবাঢ়ি আহে। ১।১২।৭৫ চনত স্নাতক চূড়ান্ত বাৰ্ষিক শ্ৰেণীৰ স্বীকৃতি লাভ কৰা হয়।

এইদৰে বহু কষ্ট বহু চেষ্টাৰ ফল আৰু অক্লান্ত পৰিশ্ৰমৰ প্ৰতিশ্ৰুতি স্বৰূপে অতি কম সময়ৰ ভিতৰতে বিজনী মহাবিদ্যালয়ে ১।১২।৭৫ তাৰিখৰ পৰা ঘাটি মঞ্জুৰি লাভ কৰিবলৈ সক্ষম হয়। সেই দিনবোৰ কষ্টকৰ আছিল যদিও আমাৰ কোনো খেদ নাছিল। মহাবিদ্যালয়খন এটা পৰিয়ালৰ দৰে আছিল। সকলোৰে মাজত সহমৰ্মিতা আৰু সহযোগিতা আছিল আৰু একেটাই উদ্দেশ্য আছিল। মুঠৰ ওপৰত মহাবিদ্যালয়খনে পূৰ্ণাঙ্গ অৱস্থা পাব লাগে। এইদৰে কলা শাখা সম্পূৰ্ণ হোৱাত ১৯৯৪-৯৫ চনৰ পৰা স্নাতক পৰ্যায়ত বিভাগীয় নীতি-নিয়মৰ আধাৰত বিজ্ঞান শাখা খোলা হয়। প্ৰথম অৱস্থাত বিজ্ঞান শাখাটোৰ বাবে আৰ্থিক অনাটনত ভুগিবলগীয়া হ'লেও পিছলৈ প্ৰাদেশীকৰণ হোৱাত মহাবিদ্যালয়খন পূৰ্ণাঙ্গ অৱস্থা প্ৰাপ্ত হয়।

চাকৰি কৰাৰ ইচ্ছা নাথাকিলেও কিছুদিনৰ কাৰণে মহাবিদ্যালয়ত কাম কৰাৰ এটা ইচ্ছা আছিল বাবে বিজনী মহাবিদ্যালয়ত যোগদান কৰিছিলোঁ। ইতিমধ্যে চাকৰি কৰি থাকোতে১৯৭৩ চনত আইনৰ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হওঁ আৰু ১৯৭৫ চনতে প্ৰশাসনিক সেৱা পৰীক্ষাত প্ৰথম শ্ৰেণীত পাছ কৰোঁ। চাকৰি পাইছিলোঁ যদিও শিক্ষকতাৰ মোহত বিজনী এৰি ক'লৈকো যোৱা নহ'ল। A.C.S পৰীক্ষা পাছ কৰি চাকৰি পোৱা সত্বেও নোযোৱা বাবে বহুতে আচৰিত হৈছিল।

১৯৯৯ চনৰ ১৮ জুন তাৰিখে মই বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষাৰ পদত যোগদান কৰোঁ আৰু ২০০৬ চনৰ ৩০ জুনত অৱসৰ লওঁ। মোৰ এই কাৰ্যকালত মই যথেষ্ট বাধা-বিঘিনিৰ সন্মুখীন হ'বলগীয়া হয়। কাৰণ মহাবিদ্যালয় আন্তঃগাঁথনিৰ ক্ষেত্ৰত বহুত অভাৱ আছিল, যেনে শ্ৰেণী কোঠা, ছাত্ৰ-ছাত্ৰীৰ জিৰণি কোঠা, পুথিভঁৰাল, ছাত্ৰ-ছাত্ৰীৰ অধ্যয়ন কোঠা, সভা-সমিতিৰ কাৰণে প্ৰেক্ষাগৃহৰ অভাৱ, ছাত্ৰাবাস, ছাত্ৰীবাসৰ অভাৱ। অৱশ্যে তাৰ মাজতে ১৯৯৮-৯৯ বৰ্ষৰ M.L.A : Local Area Development Scheme) শিতানত পোৱা দুই লাখ টকাৰ অনুদান, ১৯৯৮-৯৯ বৰ্ষত সাংসদ পুঁজিৰ পৰা পোৱা এক লাখ টকা, Bodo National Hostel ৰ বাবে আন এটা পুঁজিৰ পৰা দুই লাখ টকা পোৱা হয়। উক্ত পুঁজিৰে ছাত্ৰাবাসৰ অভাৱ কিছু পূৰ কৰা

হয়। ১৯৯৯-২০০০ বৰ্ষৰ বিধায়ক পুঁজিৰ পৰা পোৱা ডেৰ লাখ টকা, United Fund ৰ পৰা পোৱা এসত্তৰ হাজাৰ টকাৰে শ্ৰেণী কোঠা নিৰ্মাণ কৰা হয়।

নৱম পৰিকল্পনাত U.G.C. Building Grant পৰা পোৱা চাৰি লাখ চৌবিশ হাজাৰ টকাৰে Reading Room ৰ বহুদিনীয়া অভাৱ এটা পূৰণ কৰা হয়।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে স্থায়ী জিৰণী কোঠা আৰু চৌহদৰ সন্মুখৰ দেৱালৰ কামো Development Fund ৰ টকাৰে কিছু কৰা হয়। চৰকাৰৰ পৰা পোৱা বুনিয়াদৰ দুই লাখ টকাৰে এটা ডাঙৰ Saminer Hall ব্যৱস্থা কৰা হয়।

ইতিমধ্যে National Policy on Education 1986 কাৰ্য্যকৰী কৰিবৰ বাবে বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে ১৯৯৪ চনতে গঠন কৰি দিয়া National Assesment and Aecredition Council (NACC) ৰ দ্বাৰা মহাবিদ্যালয়সমূহ ২০০৩ চনৰ ডিচেম্বৰ মাহৰ ভিতৰতে মূল্যাংকন কৰাৰ বাবে সময়সীমা বান্ধি যি নিৰ্দেশনা দিয়ে এই নিৰ্দেশনাই মহাবিদ্যালয়সমূহৰ উন্নয়ন দ্ৰুতগতিত কৰাত কিছু সহায় কৰে যদিও প্ৰথম অৱস্থাত বহু অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে আগৰ ঘাটিমঞ্জুৰি প্ৰাপ্ত বেচৰকাৰী মহাবিদ্যালয়সমূহৰ প্ৰতি চৰকাৰৰ মনোভাৱ সিমান সুবিধাজনক নাছিল। ফলস্বৰূপে সকলো ক্ষেত্ৰতে উচ্চশিক্ষাৰ ক্ষেত্ৰত অৰাজকতা বিৰাজ কৰিছিল আৰু উন্নয়নো লেহেমীয়া আছিল। বিশেষভাৱে আৰ্থিক দিশত তেনেই দুৰ্বল যাৰ বাবে উন্নয়নৰ কথা চিন্তাই কৰিব নোৱাৰি। চৰকাৰী দান অনুদান তেনেই ন্যূনতম আছিল। বাইজৰ পৰা আৰ্থিক সঁহাৰিও যথেষ্ট দুৰ্বল।

যি কি নহওক মহাবিদ্যালয়ৰ প্ৰকৃত মানদণ্ড নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীৰ ফলাফলৰ ওপৰত। মহাবিদ্যালয়ৰ ফলাফল সম্পূৰ্ণৰূপে সন্তোষজনক নহ'লেও কিন্তু নিৰাশাজনক নহয়। ফলাফল নিৰ্ভৰ কৰে ঘাইকৈ ছাত্ৰ-ছাত্ৰীৰ ওপৰত, শিক্ষকসকল পথ প্ৰদৰ্শকহে। মহাবিদ্যালয়ৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ আৰু সাধাৰণ মেধাসম্পন্ন। মহাবিদ্যালয়ৰ সীমিত সুবিধাৰ মাজত এইখিনি ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰাই বহুতে আশানুৰূপ ফল দেখুৱাই পৰৱৰ্তী সময়ত বিভিন্নজনে বিভিন্ন পদত অধিষ্ঠিত হৈ কাৰ্যনিৰ্বাহ কৰি সমাজলৈ বৰঙণি আগবঢ়াই আছে। শিক্ষাৰ ক্ষেত্ৰত বিজনী মহাবিদ্যালয়ৰ এই অঞ্চলৰ প্ৰতি যথেষ্ট অৱদান আৰু গুৰুত্ব থকা কথাটো কোনেও নুই কৰিব নোৱাৰে। শিক্ষা অবিহনে এটা অঞ্চল বা সমাজৰ উন্নয়নৰ কথা ভাবিবই নোৱাৰি।

মুঠৰ ওপৰত বহু ঘাত-প্ৰতিঘাত আৰু অসুবিধাৰ মাজেৰে মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাবে ৭ টা বছৰ পাৰ কৰাই সেই অন্তিম দিনটো মানে অৱসৰৰ দিনটো আহিল আৰু বহু ব্যস্ততাৰ মাজেৰে পাৰ কৰিব লগা হ'ল দিনটো। কৰ্ম জীৱনৰ পৰা অৱসৰ পোৱাটো এটা চিৰন্তন ৰীতি, সেয়ে মোৰ খুব বেছি বেয়া লগা নাছিল। কেৱল বেয়া লাগিছিল Retirement Benefit পোৱাত যথেষ্ট পলম হোৱা বাবে, তাৰো কাৰণ চৰকাৰী নীতি-নিয়মৰ খেলিমেলিৰ বাবে। এতিয়া আৰু এইবোৰ অসুবিধা ভুগিব লগা নহয়, বহুত সুবিধা হ'ল। ইমানদিন নালাগে Retirement Benefit পাবৰ কাৰণে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে কম বেছি পৰিমাণে সকলো ক্ষেত্ৰতে পৰিৱৰ্তন আহে। শিক্ষাৰ জগততো বহুত পৰিৱৰ্তন হ'ল আৰু হ'ব। মহাবিদ্যালয়বোৰ প্ৰাদেশীকৰণ হোৱাৰ লগে লগে শিক্ষাৰ ক্ষেত্ৰতো বহুত সুবিধা হ'ল আৰু ভৱিষ্যতেও





হ'ব। কেৱল আমাৰ লক্ষ্য হ'ব লাগে যাতে সুবিধাবোৰ প্ৰকৃতাৰ্থত প্ৰয়োগ হয় আৰু উদ্দেশ্য সফল হয়।

বিশ্বায়নৰ যুগত উচ্চশিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আহি পৰিছে। এইটো প্ৰতিযোগিতাৰ যুগ Information Technology ৰ যুগ। সময় দ্ৰুতগতিত আগবাঢ়ি আমিও খোজ মিলাব লাগিব সময়ৰ লগে লগে।

বিজনী মহাবিদ্যালয়ৰ মোৰ অনুভৱ লিখিবলৈ হ'লে বহুত লিখিবলগীয়া আছে কিন্তু ইমানবোৰ লিখা সম্ভৱ নহয়। সেয়ে যিমান পৰা যায় সংক্ষেপতে লিখিছোঁ। এটা কথা ঠিক যে স্মৃতি বৰ মধুৰ। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীবৃন্দ লগতে মোৰ সহকৰ্মীসকল আমি যেন একেটা পৰিয়ালৰ সদস্য। ছাত্ৰ-ছাত্ৰীসকল বৰ উৎসাহী আৰু আগৰণুৱা সকলো ক্ষেত্ৰতে। সকলো উৎসৱ-পৰ্ব যেনে সৰস্বতী পূজা, নৱাগত আদৰণি সভা, বিদায় সভা, বছৰেকীয়া পুৰস্কাৰ বিতৰণী সভা আদি বিভিন্ন অনুষ্ঠানবোৰ সাধাৰণভাৱে হ'লেও বৰ আগ্ৰহেৰে, আন্তৰিকতাৰে সকলোৰে সহযোগত আমি উদ্‌যাপন কৰিছিলোঁ। বিশেষ আনন্দ স্ফুৰ্তিৰে খেল-ধেমালি, নৃত্য-গীত, নাটক বিভিন্ন প্ৰতিযোগিতাসমূহত সকলো ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰিছিল। লগৰ শিক্ষকসকলো যথেষ্ট সহযোগী আছিল। পৰিচালনা কমিটিৰ বিভিন্ন সময়ত সদায়-সহযোগো উল্লেখনীয়। সুদীৰ্ঘকাল শিক্ষকতা কৰাৰ উপৰিও ৭ বছৰ কাল অধ্যক্ষৰ দায়িত্ব আৰু কৰ্তব্য পালন কৰিবলগীয়া হোৱাত শৈক্ষিক আৰু প্ৰশাসনিক উভয় দিশতে সৰু-বৰ, বেয়া-ভাল কিছু অভিজ্ঞতা লাভ কৰিলোঁ। এই সকলোবিলাক স্মৃতি কিছু সুখৰ, কিছু দুখৰ যদিও বৰ্তমান অৱসৰৰ সময়ত ৰোমন্থনৰ সমল হিচাবে ৰৈ গ'ল। সুখ আৰু দুখ দুয়োটাৰে প্ৰয়োজন। এটা নহ'লে আনটোৰ মূল্য বুজা নাযায়, ঠিক দিন-ৰাতিৰ দৰে। মুঠৰ ওপৰত জীৱনটো উপভোগ কৰিব জানিব লাগিব এইবোৰৰ মাজেৰে।

অৱসৰ লৈ মহাবিদ্যালয়খন এৰি অহাৰ সময়ত মোৰ সহকৰ্মীসকলৰ বহুতে অৱসৰ ল'লে আগতেই আৰু জীৱন লীলাও সামৰিলে। বহুতে মোৰ কাৰ্যকালতেই অৱসৰ ল'লে আৰু কিছুবছৰ পিছত জীৱন লীলা সামৰে। সেইসকলৰ ভিতৰত আৰম্ভণিৰে পৰা থকা সন্তোষ কুমাৰ ঘোষ বাংলা বিভাগৰ মুৰব্বী অধ্যাপক তথা পিছৰছোৱা উপাধ্যক্ষ হিচাবে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবেও মহাবিদ্যালয়লৈ যথেষ্ট বৰঙণি আগবঢ়াই যায় এইজন ব্যক্তিয়ে। মোৰো কাৰ্যকালৰ আৰম্ভণিতে যথেষ্ট সহায়-সহযোগ আগবঢ়াইছিল। তেখেতৰ নাম মই শ্ৰদ্ধাৰে সুঁৱৰিলো। অন্যান্য সকলৰ ভিতৰত মাননীয় ধীৰেশ চন্দ্ৰ বৰ্মন উপাধ্যক্ষ, পোৱালমণি ঠাকুৰীয়া উপাধ্যক্ষ, মীৰা সাহা শিক্ষা বিভাগৰ মুৰব্বী, ৰবীন্দ্ৰ নাৰায়ণ সাহা, প্ৰয়াত দীনেশ চন্দ্ৰ দত্ত অৰ্থনীতি বিভাগৰ মুৰব্বী, ধীৰেন্দ্ৰ নাথ মেধি অসমীয়া বিভাগৰ মুৰব্বী পিছলৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ, জমিঅ' বসুমতাৰী, মনোৰঞ্জন শৰ্মা, কন্দৰ্প পাঠক, প্ৰতাপ দাস, চিকিবুদ্দিন শেখ , বিবেকানন্দ ৰায় আৰু বহুতো। ইমানবোৰৰ নাম লিখা নাই যদিও সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা ও মৰম থাকিল।

শিক্ষানুষ্ঠান এখনত শিক্ষকৰ বাহিৰেও আৰু বহুতো সহযোগী কৰ্মচাৰী থাকে। সেইসকলৰ ভিতৰত ৰৱবাবু দীনেশ্বৰ ৰায় যতীন্দ্ৰ ৰায় আৰু অন্যান্যসকল, পুথিভঁৰালৰ কৰ্মচাৰীবৃন্দ লগতে দ্বীজেন, প্ৰয়াত ভবেন আৰু বিজ্ঞান শাখাৰ অধ্যাপক-অধ্যাপিকাসকললৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু মৰম থাকিল।

ঐতিহ্যমণ্ডিত বিজনী মহাবিদ্যালয়ে

আৰম্ভণিৰে পৰাই অঞ্চলটোত জ্ঞানৰ পোহৰ বিলাই আহিছে, এই জ্ঞানৰ জয়যাত্রা যেন প্রসাৰিত হৈ অব্যাহত থাকে। নৱ প্রজন্মৰ বাবে এই মহাবিদ্যালয়ে হওক দেশ আৰু সমাজ গঢ়াৰ প্রেৰণাৰ উৎস।

শেষত মহাবিদ্যালয়ত কর্মৰত অধ্যক্ষ প্রাক্তন ছাত্র ড° বীৰহাসগিৰি বসুমাতাৰী আৰু উপাধ্যক্ষ ড° প্রমথেশ বায়ন, অর্থনীতি বিভাগৰ অধ্যাপিকা নন্দিতা দাস, সবিতা ৰায়, অৱসৰ প্রাপ্ত অধ্যাপিকা সুব্রতা গোস্বামী, বিজ্ঞান শাখাৰ অনিন্দিতা চক্রৱর্তী, লিপিকা দে, ড° শেৱালী পাঠক, জবিন ৰায়, প্রশান্ত ৰায়, কাদেৰ হুছেইন, জৰাহাৰ হুছেইন আৰু আনসকলোলৈ মোৰ শুভেচ্ছা ও আন্তৰিক অভিনন্দন থাকিল।

সদৌ শেষত মহাবিদ্যালয় প্রতিষ্ঠা কৰা আৰু সাংগঠনিক দিশত সহায়ৰ হাত আগবঢ়োৱা ব্যক্তিসকল, লগতে শিক্ষানুৰাগী শুভাকাংক্ষী ৰাইজক শ্রদ্ধাৰে সুঁৱৰিছোঁ। সর্ব শেষত সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়া, কর্মকর্তাকসকললৈ আৰু শিক্ষাৰত মোৰ মৰমৰ ছাত্র-ছাত্রীসকললৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। ●

লেখিকা বিজনী মহাবিদ্যালয়ৰ অৱসৰ প্রাপ্ত অধ্যক্ষ।





# স্বৰ্গীয় উদয় চন্দ্ৰ দাস ঃ ব্যক্তিত্বৰ অৱলোকন

**ধীৰেন্দ্ৰ নাথ মেধি**

বর্তমানলৈকে অতিক্রান্ত আমাৰ জীৱনকালত সাধাৰণ-অসাধাৰণ জ্ঞানী-গুণী-বিদ্বান অনেক ব্যক্তিৰ সান্নিধ্য লাভৰ সৌভাগ্য ঘটিছে। সেইসকলৰ ভিতৰত কোনোজনৰ স্মৃতিৰ সাঁচ জুৰণীয়া মৌ-মাখিৰ দৰে খন্তেক পৰৰ, আকৌ আন কোনোজনৰ ব্যক্তিত্বৰ সাঁচ নজহা-নপমাকৈ আজিও আমাৰ মন-প্রাণত অম্লান হৈ আছে। সেইসকলৰ মাজৰে দ্বিতীয়বিধৰ এগৰাকী ব্যক্তিৰ লগত ঘটা নিকট-সান্নিধ্যৰ সুখপ্রদ স্মৃতিৰ কথা স'তেতে মনলৈ আহিছে। সেইগৰাকী সদাশয় ব্যক্তিয়েই হৈছে ঈষৎ কৃষ্ণ বর্ণৰ আটিল দেহ-সৌষ্ঠৱেৰে মোহনীয় ব্যক্তিত্বৰ অধিকাৰী সমগ্র বিজনী অঞ্চলৰ অতি সৰবৰহী, সুপৰিচিত তথা সর্বজনৰ প্রিয়ভাজন, বিজনী মহাবিদ্যালয়ৰ প্রতিষ্ঠাৰ প্রাণপুৰুষ স্বৰ্গীয় উদয় চন্দ্ৰ দাস। নিজৰ কৃতকর্মৰ সুবাস আৰু ব্যক্তিত্বৰ গৰিমাৰে তেখেত বিজনীৰ সমাজ জীৱনত যথার্থতে 'Father figure' ৰূপে পৰিগণিত হৈছিল। বিজনী মহাবিদ্যালয়ৰ পঞ্চাছ বর্ষপূর্তি উপলক্ষে আয়োজিত সোণালী জয়ন্তীৰ শুভক্ষণত এই স্মৃতি লেখাৰ আধাৰত তেওঁৰ জীৱনকৃতি আৰু ব্যক্তিত্বৰ অৱলোকন কৰাৰ প্রয়াস কৰা হৈছে। স্বাভাৱিকতে একালৰ তেখেতৰ অধস্তন সহকর্মী হিচাপে এই স্মৃতিচাৰণ নিতান্ত প্রশস্তিসূচক বর্ণনহে।

উদয় চন্দ্ৰ দাসৰ জন্ম হৈছিল ১৯৩৯ খ্রীষ্টাব্দৰ এক এপ্রিলত বিজনী চহৰৰ পৰা তিনি কিলোমিটাৰ পূবত অৱস্থিত গোসাইগাঁৱৰ এটি সাধাৰণ পৰিয়ালত। পিতৃ লক্ষেশ্বৰ দাস আৰু মাতৃ বেহাৰী বালা দাসৰ চাৰিটা সতি-সন্ততিৰ তেওঁ আছিল চতুর্থ সন্তান। উদয় চন্দ্ৰ দাসৰ জীৱনৰ গতিপথ মসৃণ নাছিল; শৈশৱ-কৈশোৰতে দুখ-দৈন্য, অভাৱ-অনাটনৰ মাজত ডাঙৰ-দীঘল হৈছিল। দাৰিদ্র্যক্লিষ্ট পিতৃয়ে লোকৰ ঘৰত শ্রমদান কৰি পোৱা ধনেৰে কোনোমতে পৰিয়ালটোক পোহপাল দিছিল। তাৰে মাজতে দুই পুত্ৰৰ শিক্ষালাভৰ ব্যৱস্থা কৰে। উদয় চন্দ্ৰ দাসৰ শিক্ষা জীৱনৰ সূচনা হয় নিজ গাঁৱৰে নিকটৱর্তী শিয়ালমাৰী প্রাথমিক বিদ্যালয়ত। উক্ত বিদ্যালয়ৰ পৰা প্রাথমিক পৰীক্ষাত উত্তীর্ণ হৈ ১৯৪৮ চনত বিজনী বান্ধৱ উচ্চ মাধ্যমিক বিদ্যালয়ত নামভর্তি কৰে। ঘৰুৱা অৱস্থা স্বচ্ছল নোহোৱাত অষ্টম শ্রেণী পাওঁতে পঢ়া-শুনা সামৰি সেনাবাহিনীত যোগদানৰ বাবে মন মেলে। এই কথা জানিব পাৰি তদানীন্তন বিজনী বান্ধৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্রধান শিক্ষক ৰামপ্রসাদ দাসে নিজ ঘৰত আশ্ৰয় দি পুনৰ পঢ়া-শুনাৰ ব্যৱস্থা কৰাই নহয়, পুত্ৰৱৎ স্থান দি নিজ পৰিয়ালৰ সদস্য কৰি লয়। প্রধান শিক্ষক দাসদেৱৰ এই বদান্যতাৰ বাবে উদয় চন্দ্ৰ দাসেও তেখেতক পিতৃৱৎ জ্ঞান কৰিছিল। এইখন বিদ্যালয়ৰ পৰা ১৯৫৬ চনত প্রৱেশিকা পৰীক্ষা সুখ্যাতিৰে দ্বিতীয় বিভাগ লাভ কৰি উত্তীর্ণ হয়। ইয়াৰ পিছত ৰাম প্রসাদ দাসদেৱৰ আত্মীয়ৰ ঘৰত থাকি কলেজীয়া

জীৱন আৰম্ভ কৰি অভয়াপুৰী মহাবিদ্যালয়ত নামভৰ্তি কৰে আৰু ১৯৫৮ চনত আই.এ. আৰু ১৯৬০ চনত বি এ পাছ কৰে। উচ্চশিক্ষা লাভৰ প্ৰতি থকা প্ৰবল ধাউতিৰ বাবে আৰ্থিক আহুকালৰ মাজতো শুভাকাংক্ষী ব্যক্তিৰ সহায়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত নামভৰ্তি কৰে। তাৰেই পৰা ১৯৬২ চনত দ্বিতীয় শ্ৰেণী লৈ স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। তেতিয়ালৈকে বিজনী অঞ্চলৰ তেঁৱেই স্নাতকোত্তৰ ডিগ্ৰীধাৰী প্ৰথমগৰাকী লোক আছিল।

শিক্ষা জীৱনৰ অন্তত উদয় চন্দ্ৰ দাসৰ কৰ্মজীৱন আৰু সামাজিক জীৱনত প্ৰৱেশ ঘটে। সেই সময়তে ১৯৬২ চনত বিজনী নিবাসী ৰামেশ্বৰ দাসৰ কন্যা প্ৰভাৱতী দাসৰ সৈতে বিবাহপাশত আৱদ্ধ হৈ সাংসাৰিক জীৱন আৰম্ভ কৰে। তেওঁলোকৰ বৈবাহিক জীৱনত এটি কন্যা আৰু এটি পুত্ৰ সন্তান লাভ কৰে। সেইসময়ৰ উচ্চ শিক্ষিত ব্যক্তি হিচাপে অনেক সুবিধা থকা সত্বেও কোনো চৰকাৰী চাকৰিত নিয়োজিত নহৈ বিজনীত শিক্ষকতা বৃত্তিৰে কৰ্মজীৱনৰ পাতনি তৰে। প্ৰথম অৱস্থাত বিজনী বান্ধৱ উচ্চ মাধ্যমিক বিদ্যালয়ত অস্থায়ী পদত শিক্ষকৰূপে নিযুক্ত হয়। উক্ত সময়ত বিজনীত স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰি কিছু শিক্ষানুৰাগী ব্যক্তিৰ সৈতে আলোচনা কৰি ১৯৬২ চনৰ বিজনী হাইস্কুল আৰম্ভ কৰি নিজে প্ৰধান শিক্ষকৰ দায়িত্ব বহন কৰে। উদয় চন্দ্ৰ দাসদেৱৰ চিন্তা-চৰ্চা, পৰিকল্পনা সময়তকৈ আগবঢ়া আছিল। অনুকুল পৰিৱেশ নথকা সত্বেও বিজনীত উচ্চশিক্ষা প্ৰতিষ্ঠানৰ অভাৱত এখন কলেজ পতাৰ চিন্তা কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰোঁতেই ইয়াৰ পৰিকল্পনা কৰিছিল। তেওঁৰ লগত সেইসময়ত ৰে'ল বিভাগত কৰ্মৰত বীৰেন্দ্ৰগিৰি বসুমাতাৰী, লক্ষেশ্বৰ ব্ৰহ্ম আৰু সমৰেন্দ্ৰ নাৰায়ণ বসুমতাৰীয়েও সহযোগ কৰিছিল। ইয়াৰ অন্তৰালত আছিল বিজনী অঞ্চলৰ শিক্ষা-দীক্ষাৰ লগতে সেৱাৰ মাধ্যমেৰে নিজ অঞ্চলৰ উন্নয়ন সাধন। আনহাতে এগৰাকী কৰ্মপ্ৰাণ ব্যক্তি হিচাপে স্বকীয় বৈষয়িক সুখ-সমৃদ্ধিতকৈ সামাজিক উন্নতি সাধনতহে তেওঁ মন-প্ৰাণ সমৰ্পিত কৰিছিল। কিয়নো তেওঁৰ বিবেচনাত অকল নিজৰ কাৰণে কৰা কৰ্ম প্ৰকৃত কৰ্ম নহয়; সমাজৰ হিত আৰু উন্নতিকল্পে কৰা কামহে প্ৰকৃত কৰ্ম।

নিৰহ-নিপানীকৈ এগৰাকী সমাজকৰ্মীৰূপে উদয় চন্দ্ৰ দাসৰ কৰ্মক্ষেত্ৰৰ পৰিধিও আছিল বিস্তৃত। বিজনী অঞ্চলৰ সামাজিক, সাংস্কৃতিক, শৈক্ষিক, ধৰ্মীয়, ক্ৰীড়াকে আদি কৰি, প্ৰায়বোৰ অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে সম্পৃক্ত হোৱাই নহয়, বহু সময়ত সংগঠকৰূপে দায়িত্বশীল পদত থাকি সমুখৰ পৰা নেতৃত্বও দিছিল। তেখেতে জড়িত থকা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ ভিতৰত অন্যতম আছিল— শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ, বিজনী শাখা সাহিত্য সভা, বিজনী ক্ৰীড়া সন্থা, বিজনী কোচ ৰাজবংশী ক্ষত্ৰিয় সন্মিলনী, বিজনী মহকুমা পাইকাৰী সমবায় সমিতি, দক্ষিণ বিজনী সমবায় সমিতি আদিৰ উপৰি বিজনী অঞ্চলৰ যিকোনো সভাত প্ৰায়ে তেওঁৰ উপস্থিতি দেখা গৈছিল। তদুপৰি সৰুৰে পৰা খেল-ধেমালিতকৈ নাচ-গানতহে তেওঁৰ ৰাপ থকাত সাংস্কৃতিক ক্ষেত্ৰতো জড়িত হৈ পৰিছিল। এসময়ত বঙাইগাঁও আৰু শিয়ালমাৰী নাট্য দলৰ সৈতেও সক্ৰিয়ভাৱে জড়িত হৈ সহযোগ কৰিছিল। শুনামতে নাৰী চৰিত্ৰতো অভিনয় কৰি সুনাম অৰ্জন কৰিছিল। তেওঁ ক্ৰীড়া সংগঠক হিচাপে বিজনী ক্ৰীড়া সন্থাৰ জন্ম দিছিল। তদুপৰি অন্যান্য ক্ৰীড়া সন্থাসমূহৰ লগতো জড়িত হৈ ক্ৰীড়াৰ উন্নয়নত অৰিহণা যোগাইছিল। তেওঁৰ সময়তে বিজনী ক্ৰীড়া সন্থাৰ





উদ্যোগত আঞ্চলিক, জিলাভিত্তিত ফুটবল, ভলীবল আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিজনী ক্ৰীড়া সন্থাক গতিশীলতা দান কৰাৰ লগতে খেল-ধেমালিৰ পৰিৱেশ গঢ়ি তুলিছিল। সমবায় আন্দোলনৰ গুৰি ধৰি বিজনী অঞ্চলত সমবায় প্ৰতিষ্ঠান পতাত আগভাগ লৈছিল। বিজনী মহকুমা প্ৰাইমাৰী গ্ৰাহক সমবায় সমিতি, দক্ষিশ বিজনী সমবায় সমিতি ইয়াৰ উদাহৰণ। আকৌ স্বজাতিৰ অনুন্নতিৰ কথা চিন্তা কৰি তেওঁৰ উদ্যোগতে গঠন কৰিছিল বিজনী কোচ-ৰাজবংশী ক্ষত্ৰিয় সন্নিলনী। বিজনী শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰৰ প্ৰতি থকা ভক্তি আৰু আনুগত্যৰ বাবে তেখেত নিবিড়ভাৱে জড়িত থকাই নহয় কেবাবাৰো বিজনী শ্ৰীশ্ৰীলক্ষ্মীপূজা কমিটিৰ সম্পাদক আৰু সভাপতিৰূপে দায়িত্বও বহন কৰিছিল। উক্ত কালছোৱাত বিজনী শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ প্ৰকল্পৰ উন্নয়নকল্পে বহুতো আঁচনি সফলভাৱে ৰূপায়ণ কৰি তেওঁৰ কৰ্মোদ্যম আৰু দায়িত্ববোধৰ নিদৰ্শন দাঙি ধৰিছিল। আমি জানিব পৰামতে ৰাজহুৱা কামৰ-ব্যস্ততাৰ মাজতো হেনো তেওঁ সাংবাদিকতাৰ লগতো জড়িত হৈছিল। এসময়ত দৈনিক অসম আৰু আসাম ট্ৰিবিউন কাকতৰ তেওঁ স্থানীয় সংবাদদাতাও আছিল।

ইমানবোৰ কামৰ ভিতৰত আমাৰ বিবেচনাত আন একো কৰ্ম নকৰাহেঁতেনো দুটা মহৎ কৰ্ম-বিজনী ছোৱালী হাইস্কুল আৰু বিজনী মহাবিদ্যালয় প্ৰতিষ্ঠাৰ ৰূপকাৰ হিচাপে উদয় চন্দ্ৰ দাসদেৱ বিজনীবাসীৰ মাজত চিৰকাল স্মৰণীয়-বৰণীয় হৈ থাকিলহেঁতেন। বিশেষকৈ বিজনী মহাবিদ্যালয় স্থাপন তেওঁৰ সবাতোকৈ মহৎ কীৰ্তি। বিজনীত এখন মহাবিদ্যালয় স্থাপনৰ সপোন, পৰিকল্পনা, প্ৰস্তুতি তথা ৰূপায়ণ সকলো দিশতে তেঁৱেই আগভাগ লৈছিল। আনকি এই ক্ষেত্ৰত কোনো কোনো লোকৰ পৰা হেনো বাধা পোৱা সত্বেও ১৯৬৯ চনৰ ২১ জুলাই তাৰিখে বিজনী মহাবিদ্যালয়ৰ শুভাৰম্ভ কৰে। এইক্ষেত্ৰত বিজনী অঞ্চলৰ কেবাগৰাকী বিদ্যোৎসাহী ব্যক্তি আৰু ৰাইজৰ পৰা সক্ৰিয় সহায়-সহযোগিতা লাভ কৰিছিল। প্ৰতিষ্ঠাকালৰ প্ৰথম অৱস্থাৰ আদিপৰ্বত বহুতো সমস্যাৰ সন্মুখীন হৈছিল যদিও বিচলিত হোৱা নাছিল। প্ৰথম অৱস্থাত ৰাজনীতি-বিভাগৰ প্ৰবক্তাৰূপে সেৱা আগবঢ়াই থকাৰ লগতে কলেজ পৰিচালনা সমিতিৰ সম্পাদকৰ দায়িত্বও বহন কৰিছিল। ইতিমধ্যে প্ৰতিষ্ঠাপক অধ্যক্ষ ৰমণী কান্ত শৰ্মাই ইস্তফা দিয়াত ১৯৭১ চনৰ এক জুলাই তাৰিখৰ পৰা তেওঁৰ ওপৰত অধ্যক্ষৰ দায়িত্ব ন্যস্ত হয়। সুদীৰ্ঘকাল দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰি ১৯৯৯ চনৰ ৩১ মাৰ্চ তাৰিখে তেওঁ অৱসৰ গ্ৰহণ কৰে।

অধ্যক্ষ উদয় চন্দ্ৰ দাসৰ লগত প্ৰথম সাক্ষাৎ ঘটে ১৯৭৩ চনৰ ১৩ নৱেম্বৰত। সিদিনা অনুষ্ঠিত অসমীয়া বিভাগৰ এটি প্ৰবক্তা পদৰ সাক্ষাৎকাৰত আমিও প্ৰাৰ্থী আছিলো। সাক্ষাৎকাৰৰ অন্তত গৃহমুখী যাত্ৰা, কলেজ চৌহদ পাৰ হৈ পদুলিমুখ পাওঁতেই এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে অধ্যক্ষ মহোদয়ে আমাক লগ পাবলৈ বিচৰা বুলি কয়। তদানুসাৰে তেখেতৰ ওচৰ চপাত উক্ত পদৰ বাবে আমাকে বাছনি কৰা বুলি কৈ পিছদিনা চৈধ্য নৱেম্বৰ তাৰিখে যোগদান কৰা কথা কয়। প্ৰথম দৰ্শনতে ব্যক্তিগৰাকীৰ কথা-বতৰা আচৰণ আৰু সৌহাৰ্দপূৰ্ণ ব্যৱহাৰত আমি আকৰ্ষিত হওঁ। তেতিয়াৰে পৰা অধ্যক্ষ দাসদেৱক ওচৰৰ পৰা জনাৰ, বুজাৰ সুযোগ পাওঁ। আমাৰ কৰ্মজীৱনত এইগৰাকী কৰিৎকৰ্মা ব্যক্তিৰ চাৰিত্ৰিক গুণাৱলী আৰু ব্যক্তিত্বৰ দিশসমূহ অনুধাৱন কৰি আকৃষ্ট হৈছিলো। এগৰাকী আদৰ্শ শিক্ষাসেৱীৰ সকলো গুণেৰে তেখেত বিভূষিত আছিল। পাৰিপাট্য সাজ-পাৰ, ধীৰ-স্থিৰ খোজ-কাটল, সুমধুৰ

কথা-বতৰা, প্ৰেৰণাদায়ক চিন্তা-চৰ্চা সকলো দিশৰ পৰা তেখেত এগৰাকী আদৰ্শ ব্যক্তিৰ প্ৰতিভূ আছিল।

অধ্যক্ষ উদয়চন্দ্ৰ দাস আছিল সুদক্ষ দায়িত্বশীল তথা কৰ্তব্যপৰায়ণ ব্যক্তি। লগতে শৃংখলাবদ্ধতাৰে অতি নিয়াৰিকৈ মহাবিদ্যালয়খনৰ পৰিচালনাত গুৰুত্ব আৰোপ কৰিছিল। অধ্যক্ষ হিচাপে কঠোৰ নাছিল যদিও প্ৰশাসনিক তথা শৈক্ষিক দিশত কেতিয়াও শিথিলতা প্ৰদৰ্শন কৰা নাছিল, সহকৰ্মী আৰু কৰ্মচাৰীসকলৰ প্ৰতি তেখেতৰ আচৰণ আছিল মধুৰ আৰু সৌহাৰ্দপূৰ্ণ। সকলোকে বিশ্বাস আৰু আস্থাত লৈ কাম কৰিছিল। কোনো দিন অহৈতুক কৰ্তৃত্ব প্ৰদৰ্শন কৰা নাছিল। বিদ্যাৰ্থীসকলৰ প্ৰতি আছিল দয়াশীল। অনেক অভাৱগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ নামভৰ্তিৰ সুযোগ দি উদাৰতাৰ পৰিচয় দিছিল। শিক্ষক-কৰ্মচাৰীৰ অভাৱ, সমস্যা আৰু সুখ-দুখৰো সমভাগী আছিল। এই প্ৰসংগত তেখেতৰ বদান্যতাৰ এটা দৃষ্টান্ত উল্লেখ কৰিব বিচাৰিছোঁ। এসময়ত আমাৰ দৰমহা-পাতি অনিয়মীয়া আছিল। আমাৰ কেইগৰাকীমান সহকৰ্মীৰ ল'ৰা-ছোৱালী তেতিয়া গুৱাহাটীৰ বিভিন্ন মহাবিদ্যালয়ত অধ্যয়নৰত। দাসদেৱে এই অসুবিধাৰ কথা লক্ষ্য কৰি সহকৰ্মীকেইজনক কাৰোবাক এক হাজাৰ, কাৰোবাক পাঁচশ টকা দৰমহাৰ বাবদ আগধন হিচাপে দিছিল যাতে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ পঢ়া-শুনাত ব্যাঘাত নজন্মে। এই কথাই উদাৰতাৰ লগতে আনৰ প্ৰতি থকা সহানুভূতিৰ কথাকে সূচায়, সঁচা কৈছো তেওঁৰ চাৰিত্ৰিক মহত্বৰ ই অন্য এক পৰিচয়। তদুপৰি বহুতো দুখীয়া-নিচলা, ৰোগাগ্ৰস্ত ব্যক্তিক আৰ্থিকভাৱে সহায় কৰি দয়াশীলতাৰ পৰিচয় দিছিল।

সহকৰ্মী হিচাপে ব্যক্তিগতভাৱে অধ্যক্ষ দাস ছাৰৰ পৰা আমিও বিশেষভাৱে উপকৃত হোৱাৰ কথা এটি উল্লেখ কৰিব বিচাৰিছো। ১৯৮৪-৮৫ শিক্ষাবৰ্ষত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা বিত্তীয় অনুদান লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগৰ এম ফিল শ্ৰেণীত এবছৰীয়া ছুটী লৈ অধ্যয়নৰ সুযোগ পাইছিলো। এই ক্ষেত্ৰত নামভৰ্তিৰ সময়ত কলেজ পৰিচালনা সমিতিৰ অনুমোদন আৰু আপত্তিবিহীন প্ৰমাণ-পত্ৰৰ আৱশ্যক হোৱাত দাস ছাৰে তৎকালে আপত্তিবিহীন প্ৰমাণ-পত্ৰ দি পৰৱৰ্তী সময়ত পৰিচালনা সমিতিত অনুমোদন কৰাই লৈছিল। ফলস্বৰূপে কোনো অসুবিধা নোহোৱাকৈ আমিও নামভৰ্তি কৰিব পাৰিছিলোঁ। এয়া এগৰাকী অধস্তন সহকৰ্মীৰ বিদ্যায়তনিক উন্নতিৰ ক্ষেত্ৰত প্ৰদৰ্শিত তেখেতৰ বদান্যতা আৰু পৰোপকাৰিতাৰ উজ্জ্বল নিদৰ্শন।

অধ্যক্ষ দাস ছাৰে শয়নে-সপোনে কলেজখনক স্বপ্নৰ জ্ঞানপীঠৰূপে গণ্য কৰিছিল। অহোৰাত্ৰ কলেজখনৰ কথাই চিন্তা কৰিছিল। কলেজখনৰ যিকোনো সমস্যা সমাধানত আছিল তৎপৰ। ঘাটি মঞ্জুৰি নোহোৱালৈকে কলেজখন আৰ্থিক সংকটত জুৰুলা। এই সকলো সমস্যাকে সাহস আৰু প্ৰত্যাহ্বানেৰে গ্ৰহণ কৰিছিল। এবাৰ বিভাগীয় পৰিদৰ্শনৰ কথা তাঁৰবাৰ্তাযোগে জানিব পাৰি তেখেত চিন্তাক্লিষ্ট। কিয়নো নিয়ম অনুসৰি কলেজৰ পুঁজিত working capital হিচাপে জমা থাকিব লগা টকাৰ পৰিমাণ কম আছে। পৰিদৰ্শনৰ সময়ত সম্পূৰ্ণ টকা জমা দেখুৱাব লাগে। আবেলিপৰত তেখেতৰ 'জেউতি প্ৰেছ'ৰ সমুখেৰে কামেশ্বৰ ডেকা ছাৰ আৰু মই গৈ আছিলোঁ। আমাক দেখি মাতি নি সমস্যাটোৰ কথা কৈ নিৰাময়ৰ উপায় বিচাৰিলে। আমি দুয়ো চেষ্টা কৰি চোৱাৰ কথা ক'লো। কেইদিনমান পূৰ্বে ডেকা ছাৰে বিজনী নগৰ





নিবাসী সদাগৰ ৰায় চৌধুৰীৰ পৰা সাত হাজাৰ টকাত মাটি এডোখৰ ক্ৰয় কৰিছে। আমি তেখেতৰ ওচৰ চাপি কলেজ সংক্ৰান্ত সমস্যাটোৰ কথা ক'লো আৰু কেইদিনমানৰ বাবে টকাখিনি ধাৰ হিচাপে দিয়াৰ বাবে অনুৰোধ জনালোঁ। কলেজৰ বৃহত্তৰ স্বাৰ্থত তেওঁ তৎকালে হৰিষমনে আমাৰ হাতত টকাখিনি দিলে। তেখেতৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি টকাখিনি অধ্যক্ষ ছাৰক দিয়াত তেখেতে যেন পৰম সন্তোষ পালে; লগতে চৌধুৰী ডাঙৰীয়াই কৰা এই মহৎ উপকাৰৰ বাবে তেঁৰো কৃতজ্ঞ বুলি ক'লে। আমাৰ এই উদ্যোগ তথা সহায়ৰ বাবে শলাগ লয়। পৰিদৰ্শন হৈ যোৱাৰ পিছত ৰায়চৌধুৰীদেৱক ধনখিনি কথানুসৰি ঘূৰাই দিয়া হয়। আকৌ এবাৰ অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হোৱাত কেইগৰাকীমান সহকৰ্মীক বিমুখ হোৱা বুলি জনায় আৰু মোৰ পৰা সহায় বিচাৰে। আমি কলেজৰ স্বাৰ্থ চিন্তা কৰি পাঁচ হাজাৰ টকা তেখেতৰ হাতত দিওঁ। এই কথাত মোৰ শলাগ লয়। পৰিদৰ্শনৰ পৰৱৰ্তী সময়ত টকাখিনি আমাক ঘূৰাই দিয়াৰ ব্যৱস্থা কৰে। এনেকৈ মহাবিদ্যালয়খনৰ অৰ্থ সংকট মোচনৰ অংশীদাৰ হৈ আমিও আনন্দ লভিছিলো। তেখেতে কলেজখনৰ সমস্যাৰে প্ৰতি যে অহৰহ চিন্তা কৰিছিল এইয়া তাৰেই উদাহৰণ।

১৯৯৪ চন। বিজনী মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ। এই উৎসৱ উদ্‌যাপনৰ সময়তো আৰ্থিক সংকট লৈ তেখেত চিন্তান্বিত। এবাৰ এই কথা আমাক জনোৱাত সকাহ দিয়াৰ বাবে কিছু চেষ্টা কৰি চোৱাৰ কথা ক'লো। তদানুসাৰে তদানীন্তন বৰপেটা জিলাৰ আৰক্ষী অধীক্ষক মোৰ কলেজ আৰু বিশ্ববিদ্যালয়ৰ সহপাঠী বন্ধু অনিল ফুকনক আৰ্থিক সহায় বিচাৰি লগ ধৰাৰ কথা কওঁ। ছাৰে প্ৰথমে ইতস্ততঃ কৰিছিল যদিও এদিন তেখেতৰ সৈতে প্ৰমথেশ বায়ন আৰু মই গৈ ফুকনক লগ ধৰোঁগৈ। চিনাকিপৰ্বৰ পিছত ফুকনক আমাৰ কথাখিনি জনাই সহায় কৰাৰ কথা কওঁ। বন্ধুবৰ ফুকনেও ইতিবাচক সঁহাৰি জনালে। ইতিমধ্যে ৰূপালী জয়ন্তীৰ সামৰণি পৰিছে। কোৱা মতে ফুকনৰ পৰা ধন পোৱা নাই। ইফালে পাওনাদাৰসকলে ধন বিচাৰি অধ্যক্ষৰ কাষ চাপে। মোকো সুধি থাকে। দুদিনমান পিছত এগৰাকী চিপাহীয়ে ফুকনে পঠোৱা টকা দহ হাজাৰ ৰচিদ বহীসহ মোৰ হাতত জমা দিয়ে। ৰূপালী জয়ন্তীৰ স্মৃতিগ্ৰন্থ ছপোৱাৰ বাবদ প্ৰেছৰ প্ৰাপ্য পাঁচ হাজাৰ টকাৰ বাবে ডেকা ছাৰ আৰু মই দায়বদ্ধ। পিছদিনা ডেকা ছাৰে ধনখিনি প্ৰেছত পৰিশোধ কৰে। প্ৰেছৰ অনাদায় ধনখিনি পৰিশোধ কৰি ছাৰে সকাহ পায় সন্তোষ লাভ কৰে; লগতে ধন বিচাৰি যোৱা অভিযান সফল হোৱাত ধন্যবাদ জনায়। এয়া সহকৰ্মীৰ প্ৰতি থকা আস্থা-বিশ্বাসৰ নিদৰ্শন। এনেকৈয়ে ছাৰৰ লগত কাম কৰি প্ৰেৰণা আৰু সন্তোষ লভিছিলোঁ। আমি দাস ছাৰৰ ভালেমান সজগুণ প্ৰত্যক্ষ কৰিছিলোঁ। তেওঁ আছিল অতিশয় ধৈৰ্যশীল গুণসম্পন্ন ব্যক্তি। সমস্যাত পৰিলেও বিচলিত নহৈ ধৈৰ্যসহকাৰে সমাধানৰ উপায় বিচাৰিছিল। এই প্ৰসংগত বিজনী মহাবিদ্যালয়ৰ ঘাটি মঞ্জুৰীৰ উদ্ভৱ হোৱা পৰিস্থিতিৰ কথা ক'ব বিচাৰিছোঁ।

শৰৎ চন্দ্ৰ সিংহদেৱৰ মুখ্যমন্ত্ৰীত্বৰ কালৰ কথা। অসমৰ ত্ৰিশখন কলেজক ঘাটি মঞ্জুৰীৰ আওতালৈ অনাৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। কলেজ প্ৰতিষ্ঠাৰ ন্যূনতম দহ বছৰ পূৰ্ণ নোহোৱাত চৰ্ত অনুসৰি আমাৰ কলেজখন ঘাটি মঞ্জুৰি প্ৰাপ্তিৰ ক্ষেত্ৰত সমস্যাত পৰে। অধ্যক্ষ দাস ছাৰ এই লৈ চিন্তান্বিত। মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিও তেখেতৰ নীতি-নিষ্ঠতাৰ বাবে বিফল হয়। তথাপি ছাৰে ধৈৰ্য হেৰোৱা নাই। এনে সংকটৰ সময়ত

কংগ্ৰেছ দলৰ নিষ্ঠাৱান আৰু সক্ৰিয় কৰ্মী হিচাপে সমস্যাৰ সমাধান বিচাৰি সেই সময়ৰ বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক ধ্ৰুৱ নাৰায়ণ বৰুৱাৰ কাষ চাপোঁ। বৰুৱা দেৱেও কথাৰ গুৰুত্ব বুজি যিহেতু চৰ্ত অনুসৰি অবিভক্ত গোৱালপাৰা জিলাৰ কোনো এখন মহাবিদ্যালয়ে ঘাটিমঞ্জুৰী পোৱাৰ যোগ্যতা পোৱা নাই সেয়ে অনগ্ৰসৰ জিলা বুলি বিশেষ অনুগ্ৰহ দেখুৱাই জ্যেষ্ঠতাৰ ভিত্তিত বিজনী মহাবিদ্যালয়ক ঘাটিমঞ্জুৰীৰ আওতালৈ আনিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনায়। মুখ্যমন্ত্ৰী ডাঙৰীয়ায়ো অৱশেষত বিশেষ অনুগ্ৰহপূৰ্বক সন্মতি দিয়ে। ফলত ১৯৭৫ চনৰ ১ ডিচেম্বৰৰ পৰা বিজনী মহাবিদ্যালয়ে ঘাটিমঞ্জুৰী লাভ কৰি এক সুস্থিৰ অৱস্থা পায়। বৰুৱাদেৱৰ সহায় আৰু দাস ছাৰৰ ঐকান্তিক চেষ্টা আৰু ধৈৰ্যৰ বাবেই এই কাৰ্য সাধিত হৈছিল।

নিৰপেক্ষতা অধ্যক্ষ দাস ছাৰৰ অন্য এক গুণ। নিজে এগৰাকী ৰাজনৈতিক নেতা হৈয়ো কেতিয়াও সহকৰ্মী, কৰ্মচাৰী তথা কোনো ব্যক্তি বিশেষৰ ওপৰত দলীয় কৰ্তৃত্ব খটুওৱা নাছিল। বৰং তেওঁৰ ৰাজনৈতিক প্ৰভাৱৰ যোগেদি বহুতে কৰ্ম সংস্থান লাভ কৰাৰ সুবিধা পাইছিল। দলীয় দৃষ্টিভঙ্গীৰে নহয় নিৰপেক্ষভাৱে তেখেতে এই ক্ষেত্ৰত সহায় কৰিছিল। ই তেখেতৰ উদাৰচিত্ততাৰ বৈশিষ্ট্য।

আতিথ্য পৰায়ণতা উদয় চন্দ্ৰ দাসৰ অন্যতম গুণ। আমি লক্ষ্য কৰিছিলোঁ কলেজ সংক্ৰান্ত কামত কোনো ব্যক্তিবিশেষ আহিলে তেওঁৰ ঘৰতে খোৱা-বোৱা বা কেতিয়াবা থকা-মেলাৰ ব্যৱস্থা কৰি আতিথ্য প্ৰদান কৰিছিল। আকৌ ন-খোৱাৰ সময়ত মাজে-সময়ে ডেকা ছাৰ আৰু মোকো নিমন্ত্ৰণ জনাইছিল। এই আতিথ্য গ্ৰহণ কৰি আমিও তৃপ্তি লভিছিলোঁ।

অধ্যক্ষ দাস ছাৰ আছিল সকলোৰে প্ৰতি সমভাৱাপন্ন উদাৰ ব্যক্তি। বিপদে-আপদে সকলো স্তৰৰ লোকৰ সৈতে যোগাযোগ ৰাখি দিহা-পৰামৰ্শ বা কেতিয়াবা আৰ্থিকভাৱে সহায়ো কৰিছিল। তেখেতৰ আন এটি গুণ হ'ল- বিয়া-বাৰু, সকাম-নিকাম, উৎসৱ আদিত উচ্চ-নীচৰ বিচাৰ নকৰি নিমন্ত্ৰণ পালে পৰাপক্ষত তাক ৰক্ষা কৰিছিল। সেয়ে সকলো স্তৰৰ মানুহে দাস ছাৰক হৃদয়ৰ মানুহ, আপোন মানুহ বুলি মান্যতা প্ৰদান কৰিছিল।

ই মানবোৰ সজগুণসম্পন্ন ব্যক্তি হৈয়ো তেখেতৰ কেতবোৰ দুৰ্বলতা আমাৰ পৰিলক্ষিত হৈছিল। যিকোনো মানুহক সহজে বিশ্বাস কৰাৰ ফলত কেতিয়াবা অসুবিধাৰ সন্মুখীন হৈছিল। তদুপৰি কেতিয়াবা তেখেতৰ দ্বাৰা উপকৃত ব্যক্তিৰ দ্বাৰা প্ৰতাৰিত হোৱা বুলি আমাক কৈছিল। তাৰ বাবে খেদ প্ৰকাশ কৰিছিল যদিও কদাপি বিৰূপ মনোভাব প্ৰকাশ কৰা নাছিল। এনে ব্যক্তিক কৰ্মসংস্থান দি বৰং সহায়হে কৰিছিল। আনহাতে মিতব্যয়িতা আৰু সঞ্চয়ৰ প্ৰতি সচেতন নোহোৱাত জীৱনৰ শেষৰফালে আৰ্থিক সংকটত ভুগি কষ্ট পাইছিল।

ব্যক্তি হিচাপে অধ্যক্ষ উদয় চন্দ্ৰ দাস ছাৰ আছিল নিৰ্মল চৰিত্ৰৰ অধিকাৰী, সৎ ব্যক্তি। সৰলতা, সততা, দয়াশীলতা, উদাৰচিত্ততা আদি গুণসমৃদ্ধ ব্যক্তিত্বৰ অধিকাৰী এইজনা আদৰ্শ ব্যক্তিয়ে ২০০৩ চনৰ ১৪ ডিচেম্বৰ তাৰিখে উভতি নহাৰ বাটেৰে ইহ সংসাৰ ত্যাগ কৰে।

পৰিশেষত বিজনী মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ এই পৱিত্ৰ ক্ষণত এইজনা মহানপুৰুষৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছোঁ এই স্মৃতি চৰণৰ যোগেদি।●

---

লেখক বিজনী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ।





# মোৰ দৃষ্টিত প্ৰাক্তন উপাধ্যক্ষ বীৰেন্দ্ৰ গিৰি বসুমাতাৰী ছাৰ

· চন্দ্ৰ মোহন ৰায়

শিক্ষাগুৰুসকলৰ ভিতৰত স্বৰ্গীয় বীৰেন্দ্ৰ গিৰি বসুমাতাৰী ছাৰে মোৰ জীৱনত এখন বিশেষ আসন দখল কৰি থৈছে। মোৰ প্ৰাথমিক শিক্ষা-জীৱন আৰম্ভ হৈছিল ৫৪২ নং নধীয়াপাৰা নতুনপাৰা প্ৰাথমিক বিদ্যালয়ত। সেয়া ১৯৭৫-৭৬ চন মানৰ কথা। প্ৰাথমিক বিদ্যালয়ত তেতিয়া একমাত্ৰ শিক্ষক স্বৰ্গীয় বৰোদা কান্ত দাসে আমাক ধাৰাপাতৰ পৰা আৰম্ভ কৰি সকলো বিষয়েই শিকাইছিল। অৰ্থাৎ গণিত, নেওঁতা, ভূগোল, হস্তলিপি, অংক আদি কৰি সকলোটি বিষয়ৰে তেওঁৱেই আছিল একমাত্ৰ শিক্ষাগুৰু। পিছত অৱশ্যে ভদ্ৰাৱতী ৰায় বাইদেউ অন্য স্কুলৰপৰা বদলি হৈ আহি স্বৰ্গীয় বৰোদা ছাৰৰ কষ্ট কিছু লাঘৱ কৰিছিল। জীৱনৰ আদিছোৱাত সেই দুগৰাকী শিক্ষাগুৰুৱে মোৰ জীৱনৰ ভেঁটি সবলভাৱে গঢ়াত সহায় কৰিছিল। তাৰ পিছত বিজনী বান্ধৱ উচ্চ মাধ্যমিক বিদ্যালয়ত (এতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়) পঞ্চম শ্ৰেণীত নাম লগালোঁ। বিজনী বান্ধৱ উচ্চ মাধ্যমিক বিদ্যালয়ত অসমীয়া আৰু বড়ো দুয়োটা মাধ্যমৰ প্ৰায় ডেৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰা ৫০/৬০ গৰাকী শিক্ষাগুৰুক সমানে মনত ৰখা কিছু টান যদিও তাৰ মাজতো সেইসময়ৰ বিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ স্বৰ্গীয় কামিনী কুমাৰ বসুমতাৰী, অন্যান্য শ্ৰদ্ধাৰ শিক্ষক বলেন্দ্ৰ বসুমতাৰী, চৈয়দ আব্দুল হামিদ, নিতাই চন্দ্ৰ বৰ্মন, শৈলেন ৰায়, প্ৰফুল্ল দাস, সূৰ্য কুমাৰ ৰায়, যোগেশ শৰ্মা, সুভাষ চন্দ্ৰ শৰ্মা, নোমল দেৱৰায় আদিয়ে (সকলো শিক্ষাগুৰুৰ নাম স্থানাভাৱত ল'ব নোৱাৰাৰ বাবে ক্ষমাপ্ৰাৰ্থী) মোৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশ আৱৰি আছে।

বিজনী বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক পৰ্যায়লৈকে পঢ়ি ১৯৮৭ চনত বিজনী মহাবিদ্যালয়ত স্নাতক বৰ্ষত নামভৰ্তি কৰোঁ। অসমীয়া বিষয়ত Major লোৱা বাবে আৰু ১৯৮৮ চনত চৰকাৰী চাকৰি পাই কলেজ এৰি গুচি যাব লগা হোৱা বাবে মহাবিদ্যালয়খনৰ সকলো অধ্যাপক-অধ্যাপিকাৰ অধীনত শিক্ষা গ্ৰহণ সম্ভৱ হোৱা নাছিল। তৎসত্বেও অসমীয়া বিভাগৰ সেই সময়ৰ স্বনামধন্য শিক্ষাগুৰু— স্বৰ্গীয় বীৰেন্দ্ৰগিৰি বসুমাতাৰী, বীৰেন্দ্ৰ নাথ মেধি, কামেশ্বৰ ডেকা, কলেজত নতুনকৈ যোগদান কৰা অধ্যাপকসকল সৰ্বশ্ৰী প্ৰমথেশ বায়ন, ঈশ্বৰচন্দ্ৰ ডেকা ছাৰসকলে মোৰ জীৱনত যিখিনি প্ৰভাৱ বিস্তাৰ কৰিছে তাক সতকাই পাহৰিব নোৱাৰিম। Major-ৰ ছাত্ৰ হিচাপে অন্যান্য বিষয়ৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, যেনে- দীনেশ চন্দ্ৰ দত্ত ছাৰ (অৰ্থনীতি), ৰবীন্দ্ৰ নাথ সাহু ছাৰ (ইংৰাজী), ৰাজনীতি বিজ্ঞান বুৰঞ্জী আদি বিষয়ৰ সকলো সন্মানীয় ছাৰেও মোৰ জীৱন গঢ় দিয়াত প্ৰভূত অৰিহণা যোগাইছিল।

তথাপিও ১৯৮১ চনৰ ১ মাৰ্চত জন্ম গ্ৰহণ

কৰা স্বৰ্গীয় বীৰেন্দ্ৰ গিৰি বসুমাতাৰী আছিল মোৰ বাবে একেধাৰে শিক্ষক আৰু অভিভাৱক। ছাৰৰ দ্বিতীয় পুত্ৰ বিৰূপাক্ষ গিৰি বসুমাতাৰীৰ লগত পঞ্চম/ষষ্ঠ শ্ৰেণীত পঢ়া সময়ৰ পৰাই আমি এক নিবিড় বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই পৰাৰ সুবাদত সেই ঘৰখনৰ লগত সৰুৰে পৰাই মোৰ এটা ঘৰুৱা সম্পৰ্ক গঢ়ি উঠিছিল- যিটো আজিও অক্ষুণ্ণ আছে। এক কথাত ছাৰৰ ডাঙাইগাঁৱৰ ঘৰখন আছিল মোৰ 'ভাতঘৰ'। সৰুৰে পৰাই ছাৰৰ ঘৰখনলৈ অহা-যোৱা কৰিলেও আমি কিন্তু ছাৰক যথেষ্ট ভয় আৰু সমীহ কৰিছিলোঁ। তাৰ কাৰণ আছিল— ছাৰৰ গহীন-গম্ভীৰ কথা-বতৰা, ধীৰ-স্থিৰ চাল-চলন, স্থিত প্ৰজ্ঞতা। তেওঁৰ এই গুণৰাজিয়ে মোক বুলিয়েই নহয়; তেওঁৰ নিজৰ ল'ৰাকেইটাকো সততে এক সন্মোহনী-সূচক সম্ভ্ৰমেৰে আবৰি ৰাখিছিল।

১৯৫৫ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰি ছাৰে অভয়াপুৰী কলেজত আই.এ শ্ৰেণীত নামভৰ্তি কৰে। তাৰপৰাই তেওঁ আই এ পাছ কৰি কিছুদিন বিজনী বান্ধৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত (তেতিয়া উচ্চ মাধ্যমিক) শিক্ষকতা কৰে। কেইমাহমান তাত শিক্ষকতা কৰাৰ পিছত তেওঁ ৰে'ল বিভাগৰ চাকৰিত যোগদান কৰে। গুৱাহাটীত ৰে'ল বিভাগত চাকৰি কৰি থাকোঁতেই তেওঁ নৈশ শাখাত পঢ়ি বি বৰুৱা কলেজত পৰা বি এ পাছ কৰে। ৰে'লৰ চাকৰি আৰু বি এ পাছ কৰিও তেওঁ আত্ম-সন্তুষ্টি লাভ কৰা নাছিল। মনৰ দৃষ্টি আছিল উৰ্দ্ধগামী আৰু জ্ঞান-লাভৰ প্ৰতি আছিল অপৰিসীম উদগ্ৰ পিপাসা। সেয়ে দেউতাক স্বৰ্গীয় লালমোহন বসুমাতাৰীৰ কথামতে কম বয়সতে বিয়া কৰোৱাৰ পিছতো মনৰ দৃঢ়তা আৰু অ[illegible]নৰ প্ৰতি প্ৰবল ধাউতিৰ বাবে তেওঁ প্ৰাইভেটকৈ দ্বিতীয় শ্ৰেণীত এম এ পাছ কৰে। তাৰ কিছু মাহ পিছতেই তেওঁ বি টি পৰীক্ষাও পাছ কৰে।

বিজনী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত স্বৰ্গীয় উদয় চন্দ্ৰ দাস (প্ৰাক্তন অধ্যক্ষ) আৰু স্বৰ্গীয় লক্ষেশ্বৰ ব্ৰহ্মৰ (প্ৰাক্তন অধ্যাপক) সৈতে স্বৰ্গীয় বীৰেন্দ্ৰগিৰি বসুমাতাৰীয়ে অক্লান্ত শ্ৰম কৰিছিল। বিজনী অঞ্চলৰ ৰাইজৰ আশাশুধীয়া প্ৰচেষ্টাত ১৯৬৯ চনৰ ২১ জুলাইৰ দিনাখন বিজনী অঞ্চলত পোনপ্ৰথমবাৰৰ বাবে উচ্চশিক্ষাৰ পীঠস্থান বিজনী মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠা লাভ কৰে। মহাবিদ্যালয়খনিৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰৰ বিজনী অঞ্চলৰ জ্ঞাত-অজ্ঞাত সকলো ৰাইজৰ লগতে উপৰিউক্ত ত্ৰিমূৰ্তিৰ অৰিহণা আছিল লেখতল'বলগীয়া। কলেজখন প্ৰতিষ্ঠা কৰি অসমীয়া বিভাগৰ মুৰব্বী তথা উপাধ্যক্ষৰ পদ চম্ভালি ঐকান্তিকতাৰে কলেজৰ উন্নতিৰ বাবে কাম কৰাটোৱেই আছিল তেওঁৰ প্ৰধান কৰ্তব্য।

তেওঁ আছিল প্ৰকৃতাৰ্থত কৰ্মযোগী। কলেজৰ অধ্যাপনা, উপাধ্যক্ষৰ পদ সুদক্ষভাৱে চম্ভালাৰ উপৰিও ঘৰৰ কৃষি-কাৰ্য, ঘৰুৱা কাম-কাজতো তেওঁ সমানে চকু দিছিল। সেয়ে এফালে কলেজৰ শ্ৰেণীকোঠাত গুৰু-গম্ভীৰ স্বৰেৰে যেনেদৰে পাঠদান কৰিছিল, তেনেদৰে কলেজৰ পৰা আহি নিজ হাতেৰে ওচৰৰ জান-হোলাত মাছ মাৰি আনি নিজ সন্তানক খুৱাইছিল। কৰ্মৰ প্ৰতি তেওঁৰ নাছিল কোনো ধৰণৰ আলস্য-অনীহা।

'ছাত্ৰাণাং অধ্যয়নং তপঃ'— এই আপ্ত বাক্যষাৰিৰ ছাৰে যথাযথ মূল্য দিবলৈ চেষ্টা কৰিছিল। সেয়ে সন্তানসকলৰ পঢ়া-শুনাৰ ক্ষেত্ৰত তেওঁ কোনোধৰণৰ আপোচ নকৰিছিল। সেয়ে ডাঙৰ ল'ৰা দুটাক কলেজৰ Unit Test (য'ত নেকি mark যোগ নহয়!) লঘুভাৱে লোৱাটোও তেওঁ ভাল নাপাইছিল। পঢ়া-শুনা ক্ষতি কৰাটো তেওঁ মুঠেও পছন্দ কৰা নাছিল। এবাৰ ছাৰৰ বৰপুত্ৰই (বিজনী কলেজৰ





বৰ্তমানৰ অধ্যক্ষ, বীৰহাসগিৰি বসুমাতাৰী) বিজনীৰ হৈ ভলীবলৰ Junior নে Sub-Junior দলত খেলাৰ বাবে নিৰ্বাচিত হৈছিল। কিন্তু ছাৰে ল'ৰাক পঢ়া-শুনা ক্ষতি কৰি কোনোপধ্যে খেলিবলৈ যাব নিদিয়ে। ল'ৰাও নাচোৰ-বান্দা! যাবই। অনেক কাকুতি-মিনতি কৰিও ফল নধৰাত গাঁৱৰে খেলপ্ৰেমী শুভচিন্তক শ্ৰীযুত বিমল বসুমাতাৰী দাদাই (ভাৰতীয় জীৱন বীমা নিগমৰ অৱসৰী শীৰ্ষ বিষয়া।) বুজাইও সৈমান কৰিব পৰা নাছিল। শেষত যেনিবা সৰু ভায়েক বিৰূপাক্ষ গিৰি বসুমাতাৰীয়ে খিৰিকিয়েদি মনে মনে কাপোৰ-কানি পঠাই দি বীৰহাসদাক খেলিবলৈ পঠাইছিল। পুৰস্কাৰ স্বৰূপে বিৰূপাক্ষই ছাৰৰ পৰা দুছাটমান এছাৰিৰ কোব খাবলগীয়াত পৰিছিল। এনেকুৱাই চিৰিয়াছ আছিল ছাৰ পঢ়া-শুনাৰ ক্ষেত্ৰত!

পঢ়া-শুনাৰ প্ৰতি ছাৰৰ চিৰিয়াছনেচ মনোভাৱ আৰু এবাৰ দেখা গৈছিল। ২য় পুত্ৰ বিৰূপাক্ষই এবাৰ বিজনী কলেজৰ ছাত্ৰ-একতা সভাৰ নিৰ্বাচনত Asstt. Literary Secretary হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল। পিছে ছাৰ নাচোৰবান্দা! পঢ়া-শুনা বাদ দি ল'ৰাই অন্য কামত ব্যস্ত থাকিব কিয়? গতিকে Nomination withdraw কৰাব লাগে। ল'ৰাও জেদী! Nomination উঠোৱাৰ সময়লৈ ল'ৰা ঘৰৰ পৰা পলাই ফুৰিলে। পিছে হ'ব কি? নমিনেচন উঠোওৱাৰ Last date পাৰ হোৱাৰ পিছত ল'ৰা যেতিয়া ঘৰলৈ আহিল, ছাৰে Back date-ত ল'ৰাৰ চহী লৈ নিজেই গৈ নমিনেচন withdraw কৰালে। Management -ত যিহেতু তেওঁলোকেই আছিলে। এনেকুৱাই আছিল আছিল ছাৰ!

ছাৰ আছিল এজন আদৰ্শ পিতৃ। ১৯৮৮ চনৰ পৰা আৰম্ভ হোৱা বড়ো আন্দোলনৰ সময়ত ডাঙৰ ল'ৰা দুজন যাতে পঢ়া-শুনা এৰি আন্দোলনত যোগ দি বিপথে নাযায়, তাৰ বাবে তেওঁ যৎপৰোনাস্তি চেষ্টা চলাইছিল। তাৰ বাবে তেওঁ ল'ৰা দুজনৰ মংগলৰ বাবে কবিৰাজৰ তাবিজ ধুবুৰীৰ পৰা আনি ব্যৱহাৰ কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল (যদিও বহুতে অন্ধবিশ্বাস বুলি উৰাই দিব!) সন্তানৰ প্ৰতি থকা এই দায়িত্ববোধৰ প্ৰতিদান আজি তেওঁ পাইছে। তেওঁৰ যত্ন, শিক্ষাৰ প্ৰতি নিষ্ঠা, সযত্নপালিত পিতৃত্ববোধৰ বাবেই তেওঁৰ পাঁচ পুত্ৰৰ এজন এখন আগশাৰীৰ কলেজৰ অধ্যক্ষ, এজন অসমৰ এখন স্বনামধন্য বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক, এজন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয়-শিক্ষক আৰু বাকী দুজনেও আগশাৰীৰ কলেজৰ অধ্যাপকৰ আসন অলংকৃত কৰি ৰাখিছে।

তেওঁ যে কেৱল শিক্ষানুৰাগীয়ে আছিল তেনে নহয়, সমাজৰ প্ৰতিও পাৰ্যমানে সেৱা আগবঢ়াইছিল। অসমৰ সৰ্বকালৰ এজন সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী মাননীয় শৰৎচন্দ্ৰ সিংহই দক্ষিণ বিজনীত জনসভা অনুষ্ঠিত কৰাত ছাৰে ওতঃপ্ৰোতভাৱে লাগি সহায় কৰিছিল। যাৰ বাবে জৰুৰীকালীন সময়ছোৱাত ছাৰে কিছুদিন আত্মগোপন কৰিবলগীয়াত পৰিছিল। প্ৰয়াত শৰৎচন্দ্ৰ সিংহৰ উপৰি উত্তৰ অভয়াপুৰী সমষ্টিৰ প্ৰয়াত প্ৰাক্তন বিধায়ক প্ৰয়াত অযোধ্যাৰাম দাসৰ লগতো তেওঁৰ সুমধুৰ সম্পৰ্ক আছিল। সেই সম্পৰ্কৰ আপাহতে স্বৰ্গীয় অযোধ্যাৰাম দাসে ছাৰক Industrial Licence দিব খুজিছিল। কিন্তু যাৰ দৃষ্টি আছিল উচ্চ লক্ষ্যৰ প্ৰাপ্তি, যাৰ তেজত আছিল শিক্ষা-দীক্ষাৰ প্ৰতি অপৰিসীম ধাউতি তেওঁৰ পক্ষে সামান্য Industrial Licence ৰ প্ৰতি বীতশ্ৰদ্ধ হোৱাটো কোনো ডাঙৰ কথা নাছিল! সেয়ে ছাৰে বিধায়ক প্ৰদত্ত Industrial Licence অনায়াসে ত্যাগ কৰিব পাৰিছিল। একেদৰে ১৯৮৫ চনত দক্ষিণ বিজনী

অঞ্চলৰ সমূহ ৰাইজে ছাৰক দক্ষিণ বিজনী সমবায় সমিতিৰ সভাপতিৰ দায়িত্ব ল'বলৈ জোৰ দি ধৰিছিল। কিন্তু এইবোৰ বাবত থাকিলে বদনামৰ পৰা হাত সৰা টান বুলি ভাবি সমবায় সমিতিৰ সভাপতিৰ দায়িত্ব হেলাৰঙে না কৰিব পাৰিছিল।

বিভিন্ন সামাজিক আৰু কলেজৰ কামত ওতঃপ্ৰোতভাৱে জড়িত থকা বাবে ছাৰে সাহিত্য-চৰ্চাত পূৰাদমে মনোনিৱেশ কৰিব পৰা নাছিল। তৎসত্বেও তেওঁৰ 'দৈমুনি মুদৈ' (দৈমুৰ চকুলো) আৰু 'অনাৰু বৈথা হ'ম, নাৱা জাওঁ" (অনাৰু, জীৱন ডিঙা বাই থাকা) নামেৰে দুটা উৎকৃষ্ট গল্প 'লাইমৌন আফাৎ' নামৰ বড়ো ভাষাৰ আলোচনীত প্ৰকাশ পাইছিল। তাৰ উপৰি বড়ো সংস্কৃতিৰ বিষয়ে বিজ্ঞানসন্মতভাৱে ৰচিত পুথিৰ অভাৱ তেওঁ বাৰুকৈয়ে অনুভৱ কৰিছিল। সেইবাবে অশেষ যত্ন আৰু পৰিশ্ৰম কৰি "বড়ো হাৰিমুনি মহৰ মুশ্ৰী' (বড়ো সংস্কৃতিৰ ৰূপৰেখা) পুথিখন লিখি উলিয়ায়। বড়ো সংস্কৃতিৰ বেদীলৈ এই পুথিখন তেওঁৰ মহৎ অৱদান।

ইয়াৰ উপৰি গুৱাহাটী অনাঁতাৰ কেন্দ্ৰৰ বাবে তেওঁ বহুতো কথিকা পাঠ কৰিছিল। এই কথিকাবিলাক যুগুত কৰোঁতে তেওঁ যথেষ্ট শ্ৰম আৰু অধ্যয়ন কৰিবলগীয়া হৈছিল। এই কথিকাবোৰ একত্ৰিত কৰি পুথি আকাৰে প্ৰকাশ কৰিলে উত্তৰপুৰুষ উপকৃত হ'লহেঁতেন। এইবোৰৰ বাহিৰেও বিজনী অঞ্চলত উদ্‌যাপিত হোৱা বিভিন্ন বিহু সন্মিলন, শংকৰদেৱৰ জন্মোৎসৱ, লক্ষ্মীপূজা কমিটি, খেৰাই উৎসৱ, সূত্ৰধৰ সন্মিলনীৰ অধিবেশন আদিত তেওঁ বহুতো তাত্বিক আৰু অধ্যয়নপুষ্ট ভাষণ প্ৰদান কৰিছিল।

সৰ্বজনবিদিত আপ্তবাক্য "Simple living and high thinking" ছাৰে জীৱনত আখৰে আখৰে পালন কৰিছিল। সেয়েহে উপাধ্যক্ষৰ দৰে সন্মানীয় কাম কৰিও তেওঁ সদায় এখন পুৰণা চাইকেলেৰে কলেজলৈ অহা-যোৱা কৰিছিল। বিলাসিতা কাক কয়— নিজেও নাজানিছিল, সন্তানকেইটাকো জানিব নিদিছিল। সেয়ে ছাৰৰ ঘৰত অন্য লাহ-বিলাহৰ সামগ্ৰী নাছিল; কিন্তু কিতাপ-পত্ৰেৰে আলমাৰীবোৰ ঠাই খাই আছিল। সেয়েহে মোৰ দৃষ্টিত ছাৰ আছিল এজন হৃদয়ৱান, বিবেকৱান আৰু চৰিত্ৰৱান মানুহ, যিধৰণৰ মানুহ আমাৰ ৰাজহুৱা জীৱনত দ্ৰুতগতিৰে বিলুপ্ত হ'ব ধৰিছে।

মই জনাত ছাৰৰ সততাই হৈছে আনৰ বাবে, সমাজখনৰ বাবে প্ৰেৰণা আৰু গৌৰৱৰ কথা। তেখেতৰ দৰে মেধাসম্পন্ন মানুহ সমাজত বহুত আছে, আৰু আগলৈও মেধা আৰু প্ৰতিভাৰ সৃষ্টি হৈয়েই থাকিব। কিন্তু সমাজ বা অনুষ্ঠানৰ উচ্চ মৰ্যাদাত থাকি আৰু ক্ষমতা হাতত পায়ো তাৰ অপব্যৱহাৰ নকৰাকৈ সৎ আৰু নিকা হৈ থাকিব পৰা লোক সহজে বিচাৰি পোৱা নাযায়। ছাৰ আছিল সেই বিৰল প্ৰজাতিৰ লোক— যাৰ মূল্যবোধ আৰু পৰিচ্ছন্ন জীৱন-চৰ্যা এতিয়া সাধুকথা যেন লাগিব। কিবা এটা ডাঙৰ কাম কৰি 'মহৎ' হোৱাতকৈ দৈনন্দিন জীৱনত সদায় 'ভাল' হৈ থকাটো বহুত বেছি কঠিন কাম। কিন্তু ছাৰে নিজৰ জীৱনৰ সেই অসাধ্য সাধন কৰি দেখুৱাই গৈছে। সেয়া তেখেতৰ জীৱনজোৰা কৃচ্ছ্ৰসাধন বুলি ক'লেও হয়তো বঢ়াই কোৱা নহ'ব।

ক'ৰবাত পঢ়া মনত পৰে, প্ৰাচীন গ্ৰীকসকলে বিশ্বাস কৰিছিল যে, মানুহৰ জীৱনটো ঈশ্বৰৰ দান হ'ব পাৰে; কিন্তু সুন্দৰ জীৱন হ'ল মানুহৰ নিজৰ সৃষ্টি। এনে এটা নীতিত বিশ্বাস কৰিছিল বাবেই প্ৰাচীন গ্ৰীকসকলে ইতিহাসৰ মহত্তম সভ্যতা গঢ়ি তুলিব পাৰিছিল। যুগে যুগে সৎ আৰু মহৎ জীৱনৰ সাধনা কৰা সকলো মানুহেই নিজৰ জীৱনটোক





সুন্দৰ কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰে। মানুহৰ আটাইতকৈ মহৎ শিল্পকৰ্ম হ'ল নিজৰ চেষ্টাৰে গঢ়ি তোলা এটা সুন্দৰ জীৱন। ঁবীৰেন্দ্ৰ গিৰি বসুমাতাৰী ছাৰে একান্ত সাধনাৰ দ্বাৰা নিজৰ জীৱনটোকে সুন্দৰ কৰি তুলিছিল। তেওঁ কেৱল প্ৰতিভাৱান নাছিল; তেওঁ আছিল চৰিত্ৰৱান, হৃদয়ৱান, বিবেকৱান। তেওঁ আছিল মিষ্টভাষী, সদালাপী আৰু শিষ্টাচাৰী। তেওঁৰ বিষয়ে স্মৃতি ৰোমন্থন কৰিবলৈ গৈ হঠাৎ মোৰ মনত পৰিছিল বিখ্যাত দাৰ্শনিক আৰু অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ বিশ্ববিশ্ৰুত অধ্যাপক ইছায়া বাৰ্লিনে তেওঁৰ Personal Impressions নামৰ কিতাপখনত অক্সফ'ৰ্ডৰ আন এজন বিখ্যাত অধ্যাপক ৰিচাৰ্ড পাৰেছৰ সম্পৰ্কে লিখা এষাৰ কথা- "He was the best and most admirable man I have ever known".

বীৰেন্দ্ৰগিৰি বসুমাতাৰীতকৈ বহুগুণে বেছি কীৰ্তিমান, কৃতকাম আৰু প্ৰতিভাৱান মানুহ বিজনী অঞ্চলত আৰু উপজিব; কিন্তু তেওঁৰ নিচিনা নিৰ্লোভ, নিষ্পাপ আৰু পৱিত্ৰ-হৃদয় মানুহ দ্বিতীয় এজন সতকাই নোলাব। আকৌ ইছায়া বাৰ্লিনৰ ভাষাৰে ক'ব লাগিব— "And with all this a sense of honour, greatness of soul, and unsullied purity of character and a capacity for love and devotion which made his moral personality unique..." ●

---

লেখক বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।

# বিজনী মহাবিদ্যালয় স্মৃতিৰ পম খেদি

**ড° ৰবীন্দ্ৰ নাথ দাস**

১৯৬৯ চনৰ ২১ জুলাইত অসমৰ পশ্চিম প্ৰান্তৰ ইতিহাস প্ৰসিদ্ধ বিজনী অঞ্চলত স্থাপিত হোৱা বিজনী মহাবিদ্যালয় বহুতো ঘাত-প্ৰতিঘাত অতিক্ৰম কৰি ২০১৯ চনত পঞ্চাশ বছৰ পূৰ্ণ হোৱাৰ বাবে কৰ্মকৰ্তা আৰু সুধীবৃন্দই এই অনুষ্ঠানৰ সোণালী জয়ন্তী উদ্‌যাপন কৰাৰ বাবে যো-জা কৰা বুলি জানিব পাৰি অতিকৈ আনন্দিত হৈছোঁ। এই মহাবিদ্যালয়খনৰ জন্মলগ্নৰ সময়ত আমি যদিও স্কুলীয়া ছাত্ৰ আছিলোঁ, তথাপি যিসকল মহান শিক্ষানুৰাগীৰ প্ৰচেষ্টাত এই উচ্চ শিক্ষাৰ অনুষ্ঠানটি গঢ় লৈ লাহে লাহে উন্নতিৰ জখলাত আগবাঢ়িছিল, সেই চেষ্টা আৰু সংগ্ৰামৰ বিষয়ে বহুতৰ মুখত শুনিছিলোঁ আৰু কিছু ক্ষেত্ৰত প্ৰত্যক্ষ কৰাৰো সুযোগ হৈছিল। পৰৱৰ্তী পৰ্যায়ত আমি যেতিয়া ২০০৬ চনৰ ১ জুলাইৰ পৰা ২০০৮ চনৰ ৩১ ডিচেম্বৰলৈ প্ৰায় আঢ়ৈ বছৰ কাল এই মহাবিদ্যালয়খনৰ অধ্যক্ষৰূপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ, তেতিয়া নিচেই ওচৰৰ পৰা এই অনুষ্ঠানটোৰ বিভিন্ন দিশ দেখা পোৱাৰ সুযোগ হৈছিল। বিজনীৰ স্থানীয় বাসিন্দা হিচাপে এই কম সময়ছোৱা নিজকে এই অনুষ্ঠানটোৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত কৰি অনুষ্ঠানটোৰ উন্নতিত কিছু কাম কৰিব পৰাৰ বাবে নিজকে ধন্য মানিছিলোঁ। আজি সোণালী জয়ন্তী বৰ্ষৰ প্ৰাকক্ষণত যিসকল মহান শিক্ষানুৰাগী ব্যক্তিৰ চেষ্টা-যত্নত এই উচ্চশিক্ষাৰ অনুষ্ঠানটো গঢ় লৈ উঠিছিল তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ আৰু মন গহনত সঞ্চিত হৈ থকা এই অনুষ্ঠানটোৰ মধুৰ স্মৃতি এই লেখাৰ যোগেৰে প্ৰকাশ কৰিম বুলি কাগজ-কলম হাতত তুলি লৈছোঁ।

বিজনী অঞ্চলত এখন মহাবিদ্যালয় পাতিবৰ বাবে আলোচনা কৰিবলৈ এই অঞ্চলৰ কেইজনমান শিক্ষানুৰাগী উদ্যোগী ব্যক্তিয়ে বিজনী গাঁও পঞ্চায়তৰ কাৰ্যালয়ত ১৯৬৬ চনৰ ১০ চেপ্তেম্বৰ তাৰিখে এখনি প্ৰাথমিক আলোচনা সভাত মিলিত হৈছিল। সেই সময়ৰ বিজনী মণ্ডল কংগ্ৰেছ কমিটিৰ সভাপতি বিশিষ্ট সমাজকৰ্মী যোগেন্দ্ৰ নাথ দাসদেৱে সভাপতিত্ব কৰা এই সভাত উপস্থিত আছিল বিশিষ্ট শিক্ষাবিদ আৰু সমাজকৰ্মী ক্ৰমে ৰামপ্ৰসাদ দাস, বদ্ৰীনাথ আগৰৱালা, দুৰ্গাপ্ৰসাদ সাহা, যামিনী বসুমতাৰী, যতীন্দ্ৰ নাথ ঘোষ, উদয় চন্দ্ৰ দাস, তৰণী দাসকে আদি কৰি বহুতো উদ্যোগী ব্যক্তি। এই সভাতে বৃহত্তৰ বিজনী অঞ্চলৰ কেন্দ্ৰস্থল হিচাপে বিজনী চহৰৰ মাজ মজিয়াতেই এই প্ৰস্তাৱিত মহাবিদ্যালয়খন পাতিবলৈ সিদ্ধান্ত লয়। এই অনুষ্ঠানটো পাতিবৰ বাবে উদয় চন্দ্ৰ দাসদেৱক আহ্বায়কৰূপে লৈ যাবতীয় তথ্যপাতি সংগ্ৰহ কৰিবলৈ বিজনীৰ কেইজনমান বিশিষ্ট ব্যক্তিক লৈ এখনি তদাৰক সমিতি গঠন কৰি দিয়ে। সেই সময়ত বিজনী ছোৱালী হাইস্কুলৰ হেডমাষ্টৰ ৰূপে কাম কৰি থকা শ্ৰদ্ধেয় উদয় চন্দ্ৰ দাসদেৱে এই অনুষ্ঠানটি গঢ়াত





বিশেষ উদ্যোগ লৈছিল।

প্ৰথম অৱস্থাত ৰাইজৰ দান-বৰঙণি লৈ বিজনী ছোৱালী হাইস্কুলতেই অস্থায়ীভাৱে শিক্ষাৰম্ভ হৈছিল যদিও পিছলৈ মহাবিদ্যালয়ে অনুমোদন পোৱা নিজা মাটিত শ্ৰেণীকোঠা নিৰ্মাণ কৰি স্থায়ীভাৱে শিক্ষাদানৰ ব্যৱস্থা কৰা হৈছিল। মহাবিদ্যালয়ত শিক্ষাদান আৰম্ভ হোৱাৰ লগে লগে বহুকেইগৰাকী নতুন অধ্যাপক-অধ্যাপিকাই অনুষ্ঠানটোত যোগদান কৰে আৰু লগে লগে বিজনী অঞ্চলত উচ্চশিক্ষাৰ এক নতুন দিগন্তৰ সূচনা হয়। কলা শাখাৰ বহুকেইটা বিষয়ত শিক্ষাদান আৰম্ভ হোৱাৰ ফলত বিজনী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ এক বহুদিনীয়া অভাৱ পুৰণ হ'ল। ইয়াৰ আগেয়ে বিজনী অঞ্চলৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে অভয়াপুৰী মহাবিদ্যালয়, গোৱালপাৰা মহাবিদ্যালয়, ধুবুৰীৰ বি এন কলেজ, বৰপেটাৰ এম চি কলেজ আৰু গুৱাহাটীৰ বিভিন্ন মহাবিদ্যালয়লৈ গৈ উচ্চশিক্ষা গ্ৰহণ কৰিব লাগিছিল। গতিকে বিজনী মহাবিদ্যালয় স্থাপনৰ লগতে বিজনী অঞ্চলৰ ছাত্ৰৰ উপৰি দাঁতিকাষৰীয়া অঞ্চল যেনে— বড়োবজাৰ, পাণবাৰী, মাণিকপুৰ, পাতিলাদহা ইত্যাদি বিভিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰো উচ্চশিক্ষা গ্ৰহণৰ সুযোগ ঘটিল। কলা শাখাৰ পাঠ্যক্ৰম আৰম্ভ কৰা এই অনুষ্ঠানটোৱে পৰৱৰ্তী পৰ্যায়ত বিজ্ঞান শাখাৰো পাঠ্যক্ৰম আৰম্ভ কৰে। ইয়াৰ উপৰি বৰ্তমানে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যয়ন কেন্দ্ৰ খুলি দি ইয়াৰ জৰিয়তে ইতিমধ্যে চাকৰি, কৃষি, ব্যৱসায় আদিত কৰ্মৰত ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰ বাবেও দূৰ শিক্ষাৰ যোগেৰে উচ্চশিক্ষা লোৱাৰ সুযোগ প্ৰদান কৰিছে।

আমাৰ অৱশ্যে বিজনী মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ সুযোগ নঘটিল। বানিজ্য শাখাত নামভৰ্তি কৰাৰ উদ্দেশ্য আমি বিজনীৰ বাহিৰৰ শিক্ষানুষ্ঠাত নামভৰ্তি কৰিলোঁ আৰু পৰ্যায়ক্ৰমে বিজনীৰ ওচৰৰ বঙাইগাঁও মহাবিদ্যালয়ত বাণিজ্য বিভাগত অধ্যাপকৰূপে যোগদান কৰি প্ৰায় ২০ বছৰকাল অধ্যাপনা কৰিলোঁ। সেই সময়ত অৱশ্যে মোৰ স্কুলৰ সহপাঠী ড° প্ৰমথেশ বায়নে অসমীয়া বিভাগত অধ্যাপকৰূপে আৰু শ্ৰীমহাদেৱ বসুমতাৰীয়ে কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়কৰূপে বিজনী কলেজত কাৰ্যনিৰ্বাহ কৰি আছিল। অৱশ্যে বিজনী মহাবিদ্যালয়ত কাম কৰি থকা বহুকেইগৰাকী অধ্যাপক-অধ্যাপিকাৰ সৈতে মোৰ আগৰে পৰা যথেষ্ট ঘনিষ্ঠতা আছিল। কামেশ্বৰ ডেকা ছাৰ, ধীৰেন মেধি ছাৰ সৰ্ববৰহী ব্যক্তি আছিল।

২০০৬ চনত সেই সময়ৰ বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষা শ্ৰীবিভা সিন্‌হা বৰুৱা অৱসৰ লোৱাৰ পিছত 'The Assam Tribune' কাকতত নতুন অধ্যক্ষ নিযুক্তিৰ বাবে আবেদন বিচাৰি বিজ্ঞাপন দিয়া দেখিবলৈ পাওঁ আৰু সেই অনুসৰি ময়ো উক্ত পদৰ বাবে আবেদন কৰিলোঁ। অৱশ্যে প্ৰথম অৱস্থাত বিজনী মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপকসকলৰ মাজত অধ্যক্ষৰূপে কাম কৰিবলৈ অলপ ইতস্ততঃবোধ হৈছিল। Interview Board য়ে মোকে উক্ত পদৰ বাবে নিৰ্বাচিত কৰিলে। সেই সময়ত এই অনুষ্ঠানটোৰ পৰিচালনা সমিতিৰ সভাপতি আছিল বিজনী মহকুমাৰ মহকুমাধিপতি শ্ৰীউৎপল চন্দ্ৰ শৰ্মাদেৱ। উচ্চশিক্ষা সঞ্চালকৰ অনুমোদন অহাৰ পিছত শৰ্মাদেৱে মোলৈ নিযুক্তি পত্ৰ পঠিয়াই দিলে আৰু ফোনযোগে সোনকালে যোগদান কৰিবলৈ অনুৰোধ জনালে। বহুত ভাবি-চিন্তি বিজনী মহাবিদ্যালয়ত অধ্যক্ষৰূপে যোগদান কৰিবলৈ সিদ্ধান্ত লৈ বঙাইগাঁও মহাবিদ্যালয়ৰ পৰা এবছৰৰ Lien লৈ ২০০৬ চনৰ ১ জুলাই তাৰিখে বিজনী মহাবিদ্যালয়ত যোগদান কৰিলোঁ। সেই

সময়ত পোৱালমণি ঠাকুৰীয়াদেৱ অস্থায়ী অধ্যক্ষৰূপে আছিল। তেখেতৰ পৰা দায়িত্বভাৰ বুজি ল'লোঁ। বিজনীলৈ যোৱাৰ সময়ত মোক সাহস দি সঙ্গ দিছিল সেই সময়ৰ বঙাইগাঁও মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক শ্ৰদ্ধেয় শ্ৰীযুত গোপেশ্বৰ তালুকদাৰদেৱে। মহাবিদ্যালয়ৰ অধ্যক্ষৰ কোঠাটো ভালেই লাগিল, যথেষ্ট আহল-বহল। অধ্যক্ষৰ আসনৰ পিছফালে মাদাৰ টেৰেচাৰ ফটো। বোধকৰো বিভা বাইদেউয়ে থৈছিল। জুলাই মাহটো কলেজৰ গৰমৰ বন্ধ চলি থকা বাবে তেতিয়া অধ্যাপক-অধ্যাপিকাৰ লগতে ছাত্ৰ-ছাত্ৰীকো লগ নাপালোঁ। কাৰ্যালয় আৰু গ্ৰন্থগাৰত কাৰ্যনিৰ্বাহ কৰা সহকৰ্মী ক্ৰমে শ্ৰীযুত দীনেশ্বৰ ৰায়, শ্ৰীযুত যতীন ৰায়কে আদি কৰি সহকৰ্মীসকলৰ লগত চিনাকী হৈ খুব ভাল লাগিল। বিজনীৰ বাসিন্দা হিচাপে তেওঁলোকক মই আগৰে পৰা চিনি পাওঁ। কলেজখনৰ চৌহদটো এপাক ঘূৰি চাই আহি গম পালোঁ আন্তগাঁথনিৰ দিশত তাৎক্ষণিকভাৱে কিছু কাম কৰিবলগীয়া আছে। ঘৰবোৰৰ টিনপাতবোৰ মামৰে ধৰি ক'লা পৰিছে। গৰমৰ বন্ধ চলি থকা বাবে কিছু কাম আগতীয়াকৈ কৰি আগষ্টৰ বাবে প্ৰস্তুত হ'বলৈ সময় পালোঁ।

পৰিচালনা সমিতিৰি লগত আলোচনা কৰি প্ৰায় পঞ্চাশ হেজাৰ টকাৰ এটা অনুমোদন লৈ কলেজৰ প্ৰায় আটাইকেইটা অসম আৰ্হিৰ ঘৰৰ টিনপাতবোৰ ভালকৈ চিৰিছ মাৰি চাফা কৰি এলুমিনিয়াম ৰং লগাবলৈ মিস্ত্ৰি লগাই দিয়া হ'ল। সমুখৰ ফুলৰ বাগিচা দুখনতো অলপ মাটি চাফা কৰি ফুলৰ গছ নতুনকৈ ৰোৱা হ'ল। ফলত সন্মুখৰ পৰা কলেজখন দেখিবলৈ অলপ চাফা বা পৰিষ্কাৰ লাগিল। কলেজৰ কেণ্টিনখনো বহুদিন বন্ধ হৈ থকা বুলি জানি সেইখনো ঠিক-ঠাক কৰি চলাবলৈ কমিটি পাতি দিয়া হ'ল। ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ ওপৰত চকু দিবলৈ কমিটি গঠন কৰি দিয়া হ'ল। সকলো কৰ্মৰত শিক্ষক, কৰ্মচাৰীৰ Attendence Register কেন্দ্ৰীয়ভাৱে ৰখা হ'ল। শৈক্ষিক বৰ্ষটোত নিয়মীয়া শ্ৰেণীৰ উপৰিও প্ৰতিটো বিভাগে বিভাগীয় ছাত্ৰ-ছাত্ৰীৰ লগত Seminar, Group Discussion, Workshop, Field survey আদি Activities হাতত লবৰ বাবে প্ৰতিটো বিভাগলৈ অনুৰোধ জনোৱা হ'ল। দুৰ্বল ছাত্ৰৰ উপৰিও মেধাবী ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কিছু অতিৰিক্ত শ্ৰেণী লৈ কিছুসংখ্যক শিক্ষকৰ দ্বাৰা Guidance শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ল যাতে এই কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে চূড়ান্ত পৰীক্ষাত rank holder হ'ব পাৰে। এই প্ৰয়াসত অৱশ্যে আমি অধ্যাপক-অধ্যাপিকাসকলৰ এটা ভাল সহযোগ পালোঁ। উচ্চতৰ মাধ্যমিকৰ পৰীক্ষাত (কলা শাখাত) এজনী ছাত্ৰীয়ে মাত্ৰ ৬/৭ নম্বৰ মানৰ কাৰণে ষ্টেণ্ড কৰিবলৈ সক্ষম নহ'ল। বহুকেইজনে খুব ভাল নম্বৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। ছাত্ৰ-ছাত্ৰীৰ Class Attandence ৰ ক্ষেত্ৰতো পিছৰ বছৰ বহুত ভাল হ'ল, কাৰণ যিবোৰৰ আগৰ বছৰত উপস্থিতি সেৰেঙা আছিল, তেওঁলোকৰ অভিভাৱকৰ পৰা এখন undertaking লৈহে পৰীক্ষাত বহিবলৈ অনুমতি দিয়া হৈছিল। এইক্ষেত্ৰতো ধীৰেন মেধি ছাৰ, মোৰ বন্ধু অধ্যাপক প্ৰমথেশ বায়ন, ৰঞ্জিত, নন্দিতা, শেৱালী পাঠক, বিবেকানন্দ ৰায় আৰু বৰ্তমানৰ অধ্যক্ষ ভাতৃপ্ৰতীম বীৰহাসগিৰি বসুমাতাৰীয়েও বহুত সহায় কৰিছিল। এনেকৈয়ে নৱাগত আদৰণী, মহাবিদ্যালয় সপ্তাহ আদি ধুমধামেৰে পাৰ হৈছিল। ছাত্ৰ একতা সভা আৰু শিক্ষক-কৰ্মচাৰীৰ মাজত মহাবিদ্যালয় সপ্তাহৰ সময়ত এখনি প্ৰীতি ক্ৰিকেট আৰু ভলিবল খেলো আয়োজিত হৈছিল।

এইখিনিতে এটা কথা উল্লেখ কৰিব খুজিছোঁ। কলেজৰ কলা শাখাৰ বহুকেইটা বিষয় G.U. ৰ





Parmanent Affiliation আৰু Govt Concurrence ৰ কাম আমাৰ চমু কাৰ্যকালৰ সময়তে হৈছিল। ইয়াৰ আগতে এই বিষয়বোৰৰ ওপৰত গুৱাহাটী বিশ্ববিদ্যালয়ে Temporary Affiliation হে দিছিল। আমাৰ দিনতেই G.U. ত তথ্য-পাতি দি আবেদন জনোৱা হৈছিল।

এই আবেদন মৰ্মে G.U. ৰ ফালৰ পৰা আৰু D.H.E. ফালৰ পৰা বেলেগে বেলেগে দুটা Inspection কমিটি আহে আৰু তেওঁলোকৰ Report মৰ্মে সেই সময়ৰ শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব শ্ৰী খেৰে ছাৰৰ উদ্যোগত Govt Concurrence ৰ কাম হয়। মই ব্যক্তিগতভাৱে খেৰে ছাৰক এই কামখিনি কৰি দিবলৈ অনুৰোধ জনাইছিলোঁ।

ইয়াৰ উপৰি K.K.H.S.O.U ৰ Distance Education ৰ Study Centre খোলা, UGC sponsored Spoken English আৰু Fishery ৰ ওপৰত Vocational Course খোলাৰ বাবে Proposal দিল্লীৰ UGC Office লৈ যোৱা, G.U. ইঞ্জিনিয়াৰ মাতি আনি ছোৱালী হোষ্টেলৰ Proposal বনাই UGC ত দি অনুমোদন কৰোৱা ইত্যাদি কিছুমান আমাৰ দিনত হৈছিল। এনেকৈয়ে দিনবোৰ সকলোৰে লগত মিলি-জুলি ভালভাৱেই পাৰ হৈছিল। সকলোৱে সহায়-সহযোগ কৰিছিল। এই লেখাত সকলোৰে নাম ল'লে বহু দীঘল তালিকা হ'ব। ২০০৮ চনৰ ডিচেম্বৰৰ ৩১ তাৰিখে মই গুৱাহাটীৰ কে.আৰ.বি. ছোৱালী মহাবিদ্যালয়ত অধ্যক্ষৰূপে যোগদান কৰোঁ। মোৰ এটা বিশেষ ব্যক্তিগত সুবিধাৰ বাবে খুব কম সময়ৰ জাননীত গুৱাহাটীৰ কলেজখনত যোগদান কৰোঁ। বিজনীৰ শিক্ষক, কৰ্মচাৰী আৰু ৰাইজেও অৱশ্যে গুচি অহাৰ বাবে দুখ প্ৰকাশ কৰিছিল। কলেজৰ শিক্ষক, কৰ্মচাৰীয়ে অনুষ্ঠিত কৰা বিদায় সম্বৰ্ধনা সভাত চকুলো ওলাইছিল। উপাধ্যক্ষ শ্ৰীধীৰেন্দ্ৰ নাথ মেধি ছাৰক দায়িত্ব বুজাই দিলোঁ। পিছলৈ অৱশ্যে ভাতৃপ্ৰতীম ড° বীৰাহাসগিৰি বসুমাতাৰীয়ে এই অনুষ্ঠানটোৰ অধ্যক্ষৰূপে নিযুক্তি পায়। এই অনুষ্ঠানটোৰ পৰিচালনা সমিতিৰ সভাপতিৰূপে বন্ধুবৰ বিজনীৰ মাননীয় বিধায়ক শ্ৰীকমলসিং নাৰ্জাৰীয়ে কাৰ্যনিৰ্বাহ কৰি আছে। তেখেতসকলৰ নেতৃত্বত মহাবিদ্যালয়খনে যথেষ্ট উন্নতি কৰা বুলি শুনিছোঁ।

সকলোকে সোণালী জয়ন্তীৰ শুভেচ্ছা জনাই ইয়াতেই সামৰিলোঁ। জয়তু বিজনী মহাবিদ্যালয়। ●

---

লেখক বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ আৰু গুৱাহাটীৰ কামাখ্যাৰাম বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ।

# বিটিএডি অঞ্চলৰ কলেজসমূহৰ সমস্যা আৰু সমাধানৰ বাবে কিছু পৰামৰ্শ

ড° টিকেন চন্দ্ৰ দাস

এখন সমাজ, এটা অঞ্চল নাইবা এটা জাতি উন্নত হ'বলৈ ইয়াৰ ব্যক্তিসকল গুণগত শিক্ষাৰে শিক্ষিত হ'ব লাগে। সমাজত প্ৰচলিত অন্ধবিশ্বাস, অনিয়ম আদি নাইকিয়া কৰিবলৈও গুণগত শিক্ষাৰ প্ৰয়োজন আছে। গুণগত শিক্ষা প্ৰদানৰ বাবে শিক্ষানুষ্ঠানসমূহ যথেষ্ট পৰিমাণে উন্নত হোৱাৰ লগতে সমাজৰ সাম্প্ৰতিক দিশ উন্নত হোৱা উচিত। ইয়াৰ অবিহনে এখন সুস্থ-সবল সমাজ কল্পনা কৰিব নোৱাৰি। এই সুযোগতে বিটিএডি অঞ্চলৰ অন্তৰ্গত বৰমা মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে উপলব্ধি কৰা কেইটামান কথা উল্লেখ কৰিব বিচাৰিছোঁ।

বৃহত্তৰ বিটিএডি অঞ্চলৰ অধিকাংশই গ্ৰাম্যাঞ্চল। ই হ'ল ক্ৰমান্বয়ে উন্নতি হৈ অহা এটা অঞ্চল। সেয়েহে ইয়াৰ সা-সুবিধা, শৈক্ষিক পৰিৱেশ, সামাজিক সচেতনতা ইত্যাদি আন আন অঞ্চলতকৈ কিছু পৰিমানে নিম্নমানৰ। ইয়াৰ যাতায়াত তথা যোগাযোগ ব্যৱস্থা পৰ্যাপ্ত পৰিমাণে উন্নত নহয়। ফলত ইয়াৰ শিক্ষানুষ্ঠানসমূহৰ ছাত্ৰ-ছাত্ৰী অধিকাংশই কেইবা কিলোমিটাৰ দূৰ চাইকেলেৰে অহা যোৱা কৰিবলগীয়া হয়। এই অঞ্চলৰ লোকসকলৰ আৰ্থিক অৱস্থা সমানেই টনকিয়াল নোহোৱা হেতুকে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যথেষ্ট কষ্টৰ মাজেৰে আহ-যাহ কৰি কলেজত উপস্থিত থাকিব লগা হয়।

বিটিএডি অঞ্চলৰ কলেজসমূহৰ এক প্ৰধান সমস্যা হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ ভাষাৰ সমস্যা। কিয়নো ইয়াৰ বেছি সংখ্যাক ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল পৰ্যায়লৈ নিজৰ মাতৃভাষাতে শিক্ষা গ্ৰহণ কৰা হেতুকে ইংৰাজী আৰু অসমীয়া মাধ্যমৰ জৰিয়তে প্ৰদান কৰা কলেজীয়া শিক্ষা সম্পূৰ্ণৰূপে আয়ত্ব কৰিবলৈ সমৰ্থ নহয়। এনেধৰণৰ কিছুমান ছাত্ৰ-ছাত্ৰী আছে যে তেওঁলোকে নিজৰ মাতৃভাষাৰ বাহিৰে আন কোনো ভাষাই বুজি নাপায় নাইবা যোগাযোগ কৰিব নোৱাৰে। এইটো ছাত্ৰজনৰ লগতে শিক্ষকসকলৰ বাবেও এক গুৰুতৰ সমস্য। কিয়নো আজিৰ এই বিশ্বায়নৰ যুগত অকল মাতৃভাষাৰ জ্ঞানেৰে এজন ছাত্ৰই কেতিয়াও আগুৱাই যাব নোৱাৰে। সেয়েহে এজন ছাত্ৰৰ পক্ষে প্ৰকৃত শিক্ষাৰে শিক্ষিত হ'বলৈ ইংৰাজী আৰু হিন্দী দুয়োটা ভাষাই শিকাৰ প্ৰয়োজন আছে। কিয়নো ছাত্ৰ এজনে সৰ্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষা আদিত অৱতীৰ্ণ হ'বলৈ এই দুয়োটা ভাষাৰ জ্ঞান থকাটো প্ৰয়োজনীয়।

এই অঞ্চলৰ আন এক প্ৰধান সমস্যা হ'ল কলেজসমূহত হোষ্টেলৰ অভাৱ। ইয়াৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰীয়ে ভাড়াঘৰত থাকিবলগীয়া হয়। কিন্তু এই ভাড়াঘৰসমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত বহু সময়ত সন্দেহ হয় আৰু ইয়াৰ বাবেই কেতিয়াবা কেতিয়াবা





অপ্ৰত্যাশিতভাৱে আপত্তিজনক পৰিস্থিতিৰ সন্মুখীন হ'ব লগা হয়। নিম্নমানৰ শৈক্ষিক ফলাফলো এই অঞ্চলৰ কলেজসমূহৰ আন এক প্ৰধান সমস্যা। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ফলাফল সদায় ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নশীল মনোভাৱ, একাগ্ৰতা, আগ্ৰহ, নিয়মিত উপস্থিতি ইত্যাদিৰ লগত প্ৰধানকৈ জড়িত হৈ থাকে। কিন্তু এগৰাকী অধ্যক্ষৰ দৃষ্টিৰে লক্ষ্য কৰিলে এইটো অনুভৱ হয় যে যিহেতু আৰ্থিক অনাটনৰ বাবে বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজাববীয়াকৈ অৰ্থ উপাৰ্জনতো মনোনিৱেশ কৰিব লগা হয় গতিকে শ্ৰেণীত উপস্থিতি অনিয়মীয়া হৈ পৰে। শিক্ষানুষ্ঠানৰ শৈক্ষিক ফলাফল ছাত্ৰ-ছাত্ৰীৰ মানদণ্ডৰ ওপৰতো নিৰ্ভৰশীল। কিন্তু এই অঞ্চলৰ কলেজসমূহত উন্নত মানৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ আছে আৰু ইয়াৰ প্ৰধান কাৰণ হ'ল সৰহসংখ্যক উন্নত ফল (মাধ্যমিক পৰ্যায়ত) প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীয়ে বহিঃঅঞ্চলৰ কলেজত নামভৰ্তি কৰাৰ বাবে ঢাপলি মেলে। শ্ৰেণীত নিয়মীয়া উপস্থিতিয়েও শৈক্ষিক ফলাফলত প্ৰভাৱ পেলায়। এই ক্ষেত্ৰত পিতৃ-মাতৃ তথা অভিভাৱকসকলৰ যথেষ্ট কৰণীয় আছে। কিন্তু ইয়াৰ পৰিস্থিতি নিৰীক্ষণ কৰিলে দেখা যায় যে অধিকাংশ অভিভাৱকেই নিজৰ সন্তানক প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰাৰ বাহিৰে আনক্ষেত্ৰত সঠিক পৰিমাণে সচেতন নহয়। এই ধৰণৰ সচেতনতাৰ অভাৱে ছাত্ৰ-ছাত্ৰীৰ আচৰণত প্ৰভাৱ পেলাব পাৰে। আনহাতে লক্ষ্য কৰিলে গম পোৱা যায় যে এই অঞ্চলৰ বহুতো আঢ্যৱন্ত পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে বহিঃঅঞ্চলৰ কলেজত অধ্যয়ন কৰি ভাল ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হয়। আজিৰ পৰা কেইবাবছৰো আগত বিটিএডি অঞ্চলৰ কলেজসমূহত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই তাকৰ আছিল কিন্তু লাহে লাহে ই বৃদ্ধি পাব ধৰিছে যদিও উপযুক্ত সচেতনতাৰ অভাৱত ফলাফলসমূহ সন্তোষজনক হৈ উঠা নাই। ইয়াৰ কলেজসমূহৰ আন এক পৰিচিত ছবি হ'ল দিনটোৰ পিছৰ ভাগৰ ক্লাছসমূহত ছাত্ৰ-ছাত্ৰীৰ সেৰেঙা উপস্থিতি আৰু ইয়াৰ প্ৰধান কাৰণ হ'ল ছাত্ৰ-ছাত্ৰীসকল বহু দূৰ-দূৰণিৰ পৰা আহিব লগাটো। শিক্ষানুষ্ঠানৰ এনে পৰিস্থিতিয়ে শিক্ষাৰ গুণগত দিশত নেতিবাচক প্ৰভাৱ পেলায়। এই সমস্যাসমূহে বিটিএডি অঞ্চলৰ সামগ্ৰিক বিকাশত বাধাৰ সৃষ্টি কৰিছে। সেয়েহে ইয়াৰ সমাধান সূত্ৰ উলিওৱাটো এক সময় উপযোগী চিন্তা হৈ পৰিছে।

এই সমস্যাসমূহ সমাধানৰ বাবে পোনপ্ৰথমে বিটিএডি অঞ্চলৰ ৰাস্তা-ঘাটসমূহ চলাচলৰ বাবে সুচল কৰি তোলাৰ লগতে সৰ্বসাধাৰণৰ বাবে সৰু-ডাঙৰ পৰিবহণ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ জৰিয়তে এই অঞ্চলৰ লোকসকলে সহজতে এঠাইৰ পৰা আনঠাইলৈ অহা-যোৱা কৰিব পাৰিব আৰু কম কষ্টতে তথা কম খৰছতে ছাত্ৰ-ছাত্ৰীয়ে নিয়মীয়াভাৱে উপস্থিত থাকি শিক্ষা গ্ৰহণ কৰিব পাৰিব।

এই অঞ্চলৰ সমস্যা সমাধানৰ বাবে আন এক প্ৰধান কাম হৈছে প্ৰত্যেক কলেজতে হোষ্টেলৰ সুবিধা কৰা, যাতে অধিকাংশ ছাত্ৰই হোষ্টেলত থকাৰ সুবিধা পায়। এইক্ষেত্ৰত বিশেষকৈ ছাত্ৰী হোষ্টেলৰ প্ৰয়োজন অধিক। কিয়নো ভাৰত চৰকাৰৰ 'বেটী বচাও, বেটী পঢ়াও' শ্লোগানেৰে বিকশিত হোৱা এখন সমাজৰ বাবে ই অতি গুৰুত্বপূৰ্ণ। ইয়াৰ জৰিয়তে সাম্প্ৰতিক কালত সন্মুখীন হোৱা বিভিন্ন শৈক্ষিক, নৈতিক স্খলনৰ অন্ত পেলাব পৰা হ'ব। শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি অকল শৈক্ষিক ফলাফলৰ বাবেই প্ৰয়োজনীয় নহয় ই ছাত্ৰ-ছাত্ৰীৰ নৈতিক দিশৰ উন্নতিৰ লগতে ব্যক্তিত্ব বিকাশৰ বাবেও সমানেই গুৰুত্বপূৰ্ণ। ছাত্ৰ-ছাত্ৰীৰ মাজত থকা

ভাষাৰ সমস্যাটো সমাধানৰ বাবে প্ৰাথমিক স্কুল পৰ্যায়ৰ পৰা মাতৃভাষাৰ লগতে ইংৰাজী আৰু হিন্দী বিষয়তো অধিক গুৰুত্ব দিয়া উচিত। ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে সঠিকভাৱে শিক্ষা গ্ৰহণ কৰাৰ লগতে নিজস্ব সামৰ্থ অনুযায়ী আগুৱাই যোৱাত সহায় কৰিব। এই অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত কৰিবলগীয়া আন এক প্ৰয়োজনীয় কথা হ'ল ইয়াৰ বাসিন্দাসকলক প্ৰয়োজনসাপেক্ষে সচেতন কৰি তোলাটো। কিয়নো সচেতনতা অবিহনে কোনো ব্যক্তিয়ে সমাজৰ উন্নতিত সহায় কৰিব নোৱাৰে। সমাজৰ লোকসকলক সচেতন কৰি তুলিবলৈ বিভিন্ন সভা-সমিতি আদি পাতি শিক্ষা বিষয়ত অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব।

শিক্ষানুষ্ঠানসমূহ হ'ল সমাজ পৰিৱৰ্তনৰ এপাত শক্তিশালী অস্ত্ৰ। সমাজ এখনৰ পৰিৱৰ্তন তথা উন্নতিৰ বাবে শিক্ষানুষ্ঠানৰ মানদণ্ড উন্নত হ'ব লাগিব। এই আলোচনাটিৰ পৰা ইয়াকেই ক'ব পাৰি যে এটা [illegible] নহৈবা এডোখৰ ঠাই উন্নত হ'বলৈ সমাজৰ ব্যক্তিসকল সচেতন হ'ব লাগিব আৰু সামাজিক পৰিৱেশ উন্নত হ'ব লাগিব। বৰ্তমান উচ্চশিক্ষাত প্ৰৱৰ্তন কৰা Semester আৰু CBCS পদ্ধতিত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতিৰ যথেষ্ট প্ৰয়োজন আছে। ইয়াৰ বাবে শিক্ষানুষ্ঠানৰ সা-সুবিধাসমূহ সন্তোষজনক হ'ব লাগে। কিন্তু প্ৰকৃততে এই অঞ্চলৰ কলেজসমূহত বহুতো সা-সুবিধাৰ অভাৱ পৰিলক্ষিত হয়। ইয়ো আন এক প্ৰধান সমস্যা। এই সমস্যাৰ সমাধানৰ বাবে বিটিচি চৰকাৰৰ যথেষ্ট সদিচ্ছা, সহায় আদিৰ প্ৰয়োজন আছে। কিয়নো Semester আৰু CBCS পাঠ্যক্ৰমত সময় যথেষ্ট তাকৰ কিন্তু পাঠ্যক্ৰমৰ প্ৰসাৰতা সেই অনুপাতে অধিক। সেইবাবে তাকৰীয়া সময়ত পাঠ্যক্ৰম সমাপ্ত কৰিবলৈ শিক্ষকৰ সংখ্যা যথেষ্ট হোৱা উচিত আৰু সা-সুবিধাও পৰ্যাপ্ত পৰিমাণৰ হ'ব লাগে। সেয়েহে বিটিচি চৰকাৰে নিজাববীয়াকৈ এই বিটিএডি অঞ্চলৰ সকলোবোৰ কলেজতে সমতা ৰক্ষা কৰিবলৈ কলেজৰ সা-সুবিধা অধিক বৃদ্ধি কৰাৰ লগতে প্ৰয়োজনীয়ভাৱে শিক্ষক নিয়োগৰ ব্যৱস্থা কৰিব লাগিব। ইয়াৰ জৰিয়তেহে বিটিএডি অঞ্চলটো আন আন অঞ্চলৰ লগত ফেৰ মাৰিবলৈ সক্ষম হৈ উঠিব। কিয়নো অধ্যক্ষ এগৰাকী দৃষ্টিভংগীৰে অনুমান হয় যে বিটিএডি অঞ্চলতো আন আন অঞ্চলৰ দৰে বহুতো মানৱ সম্পদ লুকাই আছে। এই সম্পদসমূহক সম্পূৰ্ণৰূপত বিকাশ কৰি ব্যৱহাৰ কৰাটোৱেই হৈছে বৰ্তমান সময়ৰ প্ৰয়োজনীয় দিশ। ইয়াৰ বাবে লাগিব সকলোৰে ত্যাগ, চিন্তা, সদিচ্ছা, আন্তৰিকতা, সচেতনতা ইত্যাদি।●

---

লেখক বৰমা মহাবিদ্যালৰ অধ্যক্ষ।

'স্মৃতিগ্ৰন্থ' সোণালী জয়ন্তী বৰ্ষ, ২০১৮-১৯

# অসমৰ গ্ৰাম্যাঞ্চলত উচ্চ শিক্ষা ঃ প্ৰত্যাহ্বান আৰু প্ৰত্যাশা

ড° বিৰিঞ্চি কুমাৰ দাস

সম্প্ৰতি ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাক প্ৰাক-প্ৰাথমিক স্তৰৰেপৰা নতুন ধৰণে গঢ় দিয়াৰ প্ৰয়োজনীয়তাৰ কথা বিভিন্ন মহলত, বিভিন্ন পৰ্যায়ত চৰ্চিত হৈ আছে। ২০১৯ চনৰ প্ৰস্তাৱিত ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উপৰিও শিক্ষা সম্পৰ্কীয় শেহতীয়া চৰকাৰী দৃষ্টিভংগীসমূহেও এই ইংগিত দাঙি ধৰিছে যে ভাৰতবৰ্ষৰ শিক্ষাখণ্ডই এক আমূল পৰিৱৰ্তনৰ পিনে গতি কৰিব ধৰিছে, আৰু পৰৱৰ্তী এটা দশকমানত দেশৰ শিক্ষা ব্যৱস্থাই নতুন প্ৰত্যাশা আৰু প্ৰত্যাহ্বানেৰে সৈতে এক নতুন ৰূপ পৰিগ্ৰহ কৰিব। দেশৰ শিক্ষাখণ্ডৰ সৈতে জড়িত সকলোৱে এই নতুন ৰূপৰ সৈতে খাপ খুৱাবলৈ নিজকে সম্পূৰ্ণৰূপে প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে, আৰু আগত দিনবোৰত এই প্ৰস্তুতি কেনেদৰে আগবাঢ়ে সেইটো মন কৰিবলগীয়া কথা [illegible]।

আমাৰ দেশৰ শিক্ষা সম্পৰ্কীয় শেহতীয়া গুৰুত্বপূৰ্ণ আলোচনাবোৰত কেইটামান কথাৰ ওপৰত বিশেষ দৃষ্টি নিক্ষেপ কৰাটো পৰিলক্ষিত হৈছে। সুদীৰ্ঘকাল ধৰি আমাৰ শিক্ষা ব্যৱস্থা যেনে ধৰণেৰে পৰিচালিত হৈ আহিছে, তালৈ মন কৰিলে এনেকুৱা লাগে যেন শিক্ষা এক গতানুগতিক ঔপচাৰিক কাৰ্য, যি নহ'লেই নহয়, অথচ যিয়ে আমাৰ সমাজৰ ভৱিষ্যতৰ পথ নিৰ্ধাৰণ কৰাৰ ক্ষেত্ৰত বিশেষ একো সহায় কৰাটো পৰিলক্ষিত নহয়। ইয়াৰ ফল এইটোৱেই যে শিক্ষাৰ যিটো মূল উদ্দেশ্য হোৱা উচিত — অৰ্থাৎ সমাজৰ গতি নিৰ্ধাৰক হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা ৰূপায়ণ— সেয়া সাম্প্ৰতিক শিক্ষাই যথাৰ্থৰূপত পূৰণ কৰিব পৰা নাই। এতিয়া আমাৰ শিক্ষা ব্যৱস্থাই এই সীমাৱদ্ধতা অতিক্ৰম কৰি যাতে সাম্প্ৰতিক সময়ৰ বিকাশমান আৰু পৰিৱৰ্তনশীল সমাজ এখনৰ প্ৰয়োজনীয়তা পূৰণ কৰিব পৰাকৈ নিজকে সাজু কৰিব পাৰে সেইটো সুনিশ্চিত কৰাটোৱেই সম্প্ৰতি শিক্ষা সম্পৰ্কীয় পৰৱৰ্তী আঁচনিসমূহৰ মূল কথা হিচাপে বিবেচনা কৰা হৈছে। আমাৰ দেশৰ শিক্ষাৰ দিক নিৰ্ধাৰণকাৰীসকলে কৈ আছে যে একোগৰাকী শিক্ষাৰ্থীক কেৱল বিষয়গত শিক্ষা দিয়াটোৱেই শিক্ষাৰ একমাত্ৰ কথা হ'ব নালাগে। বিষয়গত শিক্ষা লাগিবই, কিন্তু বিষয়গত শিক্ষাৰ বাহিৰেও শিক্ষাৰ এটা প্ৰধান লক্ষ্য হৈছে একোগৰাকী ব্যক্তিৰ সৃজনীশীলতাৰ সকলো দিশৰেই সম উজ্জীৱিতকৰণৰ মাজেৰে ব্যক্তিত্বৰ সামগ্ৰিক বিকাশ ঘটোৱা, যিটো দীৰ্ঘকাল ধৰি চলি থকা আমাৰ সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত সম্ভৱপৰ হৈ উঠা নাই। এটা কথা আমি প্ৰায়ে মন কৰোঁ যে প্ৰচলিত শিক্ষা ব্যৱস্থাত এগৰাকী শিক্ষাৰ্থীয়ে উচ্চশিক্ষা লাভ কৰি উঠাৰ পিছতো বহু সময়ত নিজৰ বাবে এখন সঠিক কৰ্মক্ষেত্ৰ বাছি উলিয়াবলৈ, বা কোনো কৰ্মক্ষেত্ৰত অৱতীৰ্ণ হ'ব পৰাকৈ নিজকে সামৰ্থবান কৰি তুলিবলৈ সক্ষম নহয়, যাৰ ফলত তেওঁলোকে ব্যক্তিগত জীৱনত, আৰু লগতে

সামাজিক জীৱনতো কোনোধৰণৰ ধনাত্মক অৰিহণা যোগাবলৈ সক্ষম নহয়; বেছি সংখ্যকেই কোনো একোটা সুস্থিৰ কৰ্মসংস্থানেৰে নিজৰ কৰ্মক্ষমতাক সম্পূৰ্ণৰূপে উজাৰি দিব পৰা অৱস্থা এটাৰ পৰা বহু নিলগত ৰৈ থাকিবলগীয়া পৰিস্থিতিৰ মাজেৰে দিশহাৰা একোটা জীৱন অতিবাহিত কৰিবলগীয়া হয়। এনেকুৱা হোৱাটো মানৱ সম্পদৰ এটা ডাঙৰ অপচয়, যিয়ে সমগ্ৰ দেশ আৰু সমাজক ভয়াবহ ধৰণে ক্ষতিগ্ৰস্ত কৰি আছে, আৰু এই অপচয় ৰোধ কৰাৰ বাবে পৰ্যাপ্ত দিশ নিৰ্দেশনা শিক্ষা ব্যৱস্থাৰ ভিতৰত থকাটো প্ৰয়োজনীয় বুলিয়েই গুণী লোকসকলে বিবেচনা কৰিছে। ইয়াৰ উপৰিও সকলো শিক্ষাৰ্থীয়ে সম পৰিমাণে শিক্ষা লাভৰ সুবিধা লাভ কৰাটোৱো দেশৰ বিকাশৰ স্বাৰ্থত প্ৰয়োজনীয় কথা বুলি ধৰি লোৱা হৈছে, আৰু সেয়ে নগৰ আৰু গ্ৰাম্যাঞ্চলৰ, ঐশ্বৰ্যশালী আৰু দৰিদ্ৰ পৰিয়ালৰ, উচ্চ আৰু নিম্ন শ্ৰেণীৰ সকলো শিক্ষাৰ্থীয়ে যাতে আগ্ৰহ, প্ৰতিভা আৰু প্ৰয়োজন অনুসৰি শিক্ষা লাভৰ সকলো ধৰণৰ সুবিধা লাভ কৰিব পাৰে, সেইটো সুনিশ্চিত কৰাটোৱো এটা গুৰুত্বপূৰ্ণ কথা বুলি ধাৰণা কৰা হৈছে।

এইবোৰ কথাক পটভূমি হিচাপে লৈ আমি অসমৰ গ্ৰাম্যাঞ্চলৰ উচ্চশিক্ষাৰ বিষয়ে কেইটামান কথা বিচাৰ কৰি চাব পাৰো। চৰকাৰী মহল আৰু শিক্ষাখণ্ডক নিজৰ চিন্তাৰে প্ৰভাৱিত কৰিব পৰা সচেতন শিক্ষাবিদসকলে ইংগিত কৰা ধৰণেৰে যি পৰ্যায়ৰ অৱশ্যম্ভাৱী পৰিৱৰ্তনৰ মুখামুখি আমাৰ শিক্ষা ব্যৱস্থাই আগত দিনবোৰত হ'বলৈ গৈ আছে, সেই পৰ্যায়ৰ পৰিৱৰ্তনক আঁকোৱালি ল'ব পৰাকৈ অসমৰ গ্ৰাম্যাঞ্চল এই মুহূৰ্তত সাজু হৈ উঠিছে নে? এইটো অনস্বীকাৰ্য যে অসমৰ গ্ৰাম্যাঞ্চলত বিগত সময়ছোৱাত উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত বহুখিনি ধনাত্মক পৰিৱৰ্তন আহিছে। এটা সময় আছিল, যেতিয়া চহৰৰ মহাবিদ্যালয়সমূহেই আছিল অসমৰ গ্ৰাম্যাঞ্চলৰ উচ্চশিক্ষাৰ প্ৰতি ধাউতি থকা শিক্ষাৰ্থীয়ে নিজৰ ধাউতি পূৰণ কৰাৰ বাবে নিৰ্ভৰ কৰিবলগীয়া একমাত্ৰ স্থল। আনকি বহু ভিতৰুৱা অঞ্চলৰপৰাও বহু দূৰ বাট[illegible] বাই অনেক কষ্ট সহ্য কৰি উচ্চশিক্ষাৰ প্ৰতি থকা [illegible] ধাউতি পূৰণ কৰিবলৈ গ্ৰাম্যাঞ্চলীয় শিক্ষাৰ্থীসকলে এক ধৰণৰ অভিযান চলাবলগীয়া হৈছিল, আৰু এই অভিযানত বহুতেই আধা বাটতে ৰৈ যাবলগীয়া পৰিস্থিতিও আহি পৰিছিল বিভিন্ন কাৰণত। এতিয়া অৱস্থাটো মুঠেই তেনেকুৱা নহয়, আৰু নোহোৱাটো নিঃসন্দেহে এটা ধনাত্মক কথা। এতিয়া প্ৰতিখন গাঁওতে নহ'লেও গাত গা লগাই থকা কেইখনমান গাঁওৰ একোটা গোটত আমি দেখিবলৈ পাওঁ চৰকাৰী খণ্ডতেই হওক বেচৰকাৰী খণ্ডতেই হওক এক বা একাধিক উচ্চশিক্ষাৰ প্ৰতিষ্ঠানৰ উপস্থিতি। এতিয়া উচ্চশিক্ষা একেবাৰে ভিতৰুৱা আৰু অনগ্ৰসৰ গাঁৱৰ প্ৰতিভাশালী শিক্ষাৰ্থীৰ কাৰণেও কোনো দূৰৰ বস্তু নহয়। অন্ততঃ এতিয়া কোনেও কেইবামাইলো খোজ কাঢ়ি বা চাইকেল মাৰি, নদী ভাঙি মহাবিদ্যালয়লৈ পঢ়িবলৈ যোৱাৰ কাহিনী ক'ব নালাগে। এইটোৱো গুৰুত্বপূৰ্ণ কথা যে গ্ৰাম্যাঞ্চলত গঢ়ি উঠা এই শিক্ষা প্ৰতিষ্ঠানসমূহৰ বহুতেই আধুনিক মাপকাঠিৰে গুণগত শিক্ষা প্ৰদানৰ ক্ষেত্ৰতো যাতে পিছ নপৰাকৈ থাকিব পাৰে, তাৰ বাবে অহোপুৰুষাৰ্থ নকৰাকৈ থকা নাই। এই প্ৰতিষ্ঠানসমূহৰ পৰ্যাপ্ত আন্তঃগাঁথনিমূলক সা-সুবিধা নাই, সেইটো ঠিক; তথাপিও এইবোৰ প্ৰতিষ্ঠানে কেনেকৈ ইয়াৰ শিক্ষাৰ্থীসমূহক অন্য অগ্ৰসৰ অঞ্চলৰ শিক্ষাৰ্থীবৃন্দৰেই যোগ্য আৰু যিকোনো প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব পৰাকৈ সক্ষম কৰি তুলিব পাৰে তাৰ যত্ন পাৰ্যমানে





কৰি গৈছে। দেশখনৰ সামগ্ৰিক বিকাশত এই অনগ্ৰসৰ গ্ৰাম্যাঞ্চলীয় উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ অৰিহণা নুই কৰাটো একেবাৰে অনুচিত কথা হ'ব। ইমানখিনিৰ পিছতো এইটো এটা স্বীকাৰ কৰি ল'বলগীয়া কথা যে অসমৰ গ্ৰাম্যাঞ্চলসমূহৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে পৰিৱৰ্তিত দৃশ্যপটত নিজকে খাপ খুৱাই ল'বলৈ যাওঁতে অনেক প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব, যিবোৰৰ সৈতে মোকাবিলা কৰাটো বহুতো কাৰণতেই ইমান সহজ কথা নহ'ব।

২০০৫ চনৰ ১৩ জুনত গঠিত ৰাষ্ট্ৰীয় জ্ঞান আয়োগে শিক্ষাৰ ক্ষেত্ৰত তিনিটা দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে— প্ৰসাৰতা, উৎকৰ্ষতা আৰু অন্তৰ্নিৰ্বেশ। এই তিনিটা দিশত অসমৰ গ্ৰাম্যাঞ্চলৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ স্থিতি সম্প্ৰতি কেনে ধৰণৰ সেইটো চাবলৈ আমি যত্ন কৰা উচিত। প্ৰসাৰতাৰ প্ৰসংগতে ক'বলৈ হ'লে, ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে যোৱা কিছু বছৰত অসমৰ গ্ৰাম্যাঞ্চলত উচ্চশিক্ষাৰ যথেষ্ট প্ৰসাৰ হৈছে। কিন্তু এই ক্ষেত্ৰত মন কৰিবলগীয়া কথাটো হৈছে এয়ে যে এই প্ৰসাৰতা সৰ্বভাৰতীয় পৰ্যায়ত বিচাৰ কৰিলে এতিয়াও সিমান আশানুৰূপ বুলি ক'ব পৰা বিধৰ হৈ উঠা নাই। কেৱল গ্ৰাম্যাঞ্চলতেই নহয়, সামগ্ৰিকভাৱে গোটেই অসমতেই উচ্চশিক্ষাত Gross Enrolment Ratio ৰাষ্ট্ৰীয় গড় হিচাপতকৈ বহু তলত আছে, আৰু ৰাজ্যভিত্তিক বিচাৰত দেখা যায় যে এই দিশত অসম ভাৰতৰ বহুকেইখন ৰাজ্যতকৈ তলত। ইয়ে প্ৰতিপন্ন কৰে যে সৰ্বভাৰতীয় তুলাচনীৰে অসমত উচ্চশিক্ষা এতিয়াও অনগ্ৰসৰ পৰ্যায়তে আছে। এনেস্থলত আৰ্থ-সামাজিক দিশৰ পৰা তেনেই অনগ্ৰসৰ অসমৰ গ্ৰাম্যাঞ্চলৰ পৰা বহু বেছি আশা কৰাটো নিশ্চয় কোনো পধ্যেই যুগুত নহ'ব। এই প্ৰসংগতে মন কৰিবলগীয়া কথাটো হৈছে, যোৱা কিছু বছৰত অসমৰ গ্ৰাম্যাঞ্চলত গঢ়ি উঠা উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ বেছিখিনি মূলতঃ পৰম্পৰাগত বিষয়ৰ শিক্ষা প্ৰদান কৰা মহাবিদ্যালয়হে; কাৰিকৰী বা তেনে বিশেষ বিষয়ৰ শিক্ষা প্ৰদান কৰা উচ্চশিক্ষাৰ প্ৰতিষ্ঠান অসমৰ গ্ৰাম্যাঞ্চলত তেনেকৈ গঢ়ি উঠা নাই বুলিয়েই ক'ব লাগিব।

উৎকৰ্ষতাৰ দিশৰপৰা কথাবোৰ বিচাৰ কৰিলেও গ্ৰাম্যাঞ্চলকে ধৰি সমগ্ৰ অসমৰ ক্ষেত্ৰত তেনেকুৱা প্ৰতিচ্ছবিয়েই চকুত পৰিব। শিক্ষাৰ ক্ষেত্ৰত আজিৰ সময়সাপেক্ষে উৎকৰ্ষতা বিচাৰৰ যি স্বীকৃত মাপকাঠি, তাৰ ভিত্তিত বিবেচনা কৰিলে অসম এতিয়াও বহুখিনি পিছ পৰি আছে। মাজে মাজে নিৰ্ভৰযোগ্য সংস্থা কিছুমানে প্ৰকাশ কৰি থকা দেশৰ শ্ৰেষ্ঠ মহাবিদ্যালয়সমূহৰ তালিকাত অসমৰ কিমানখন মহাবিদ্যালয় পৰে, সেইটো চালেই এই কথাৰ সত্যতা অনুধাৱন কৰিব পৰা যায়।

অন্তৰ্নিৰ্বেশৰ প্ৰসংগতো একে কথাই ক'ব লাগিব। উচ্চশিক্ষাই সকলোকে সাঙুৰি ল'ব পৰা অৱস্থা এটা এতিয়াও অসমৰ গ্ৰাম্যাঞ্চললৈ অহা নাই। ইয়াৰ কাৰণ মূলতঃ অসমৰ গ্ৰাম্যাঞ্চলসমূহৰ আৰ্থ-সামাজিক অনগ্ৰসৰতা। অনবৰতে অভাৱৰ সৈতে যুঁজিবলগীয়া হোৱা বহু গ্ৰাম্য পৰিয়ালৰ শিক্ষাৰ্থীয়ে প্ৰতিভা আৰু আগ্ৰহ দুয়োটা থকা সত্ত্বেও উচ্চশিক্ষাৰ পথত আগবঢ়াই নিব খোজা যাত্ৰা আধাতে সামৰিবলগীয়া হয়। এতিয়া দৰিদ্ৰ পৰিয়ালৰ শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰে স্নাতক পৰ্যায়লৈকে নামভৰ্তি আৰু পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ ক্ষেত্ৰত বহুখিনি মাচুল ৰেহাই দিয়ে, আৰু এই চৰকাৰী ব্যৱস্থাটোৱে এই শিক্ষাৰ্থীসকল তথা তেওঁলোকৰ পৰিয়ালসমূহক বহুখিনি সকাহ দিছে। কিন্তু তৎসত্ত্বেও এনে বহু শিক্ষাৰ্থীয়ে পৰিয়ালৰ

আৰ্থিক দুৰাৱস্থাৰ কথা বিবেচনা কৰিয়েই উচ্চশিক্ষা গ্ৰহণৰ বাবে থকা নিজৰ প্ৰবল আকাংক্ষাক জলাঞ্জলি দি নিজৰ সময় আৰু শক্তি সম্পূৰ্ণৰূপে উৎসৰ্গিত কৰিবলৈ লয় (বা বাধ্য হয়) যিকোনো উপায়ে, অসংগঠিত কৰ্মৰ মাজেৰে হ'লেও, অৰ্থোপাৰ্জন কৰাৰ জৰিয়তে নিজৰ পৰিয়ালক আৰ্থিকভাৱে সহায় কৰিবলৈ। অসমৰ গ্ৰাম্যাঞ্চলৰ উচ্চশিক্ষাৰ ক্ষেত্ৰত এই ধৰণৰ drop out-ৰ সমস্যাৰ মাত্ৰা হ্ৰাস কৰাৰ বাবে ব্যাপক আৰু বহুমুখী প্ৰচেষ্টাৰ প্ৰয়োজন হ'ব।

সম্প্ৰতি ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মাধ্যমেৰে চৰকাৰে দেশৰ উচ্চশিক্ষা প্ৰতিষ্ঠানসমূহক প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু আন আন সুবিধাসমূহ আহৰণ কৰাৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰিবলৈ লৈছে, আৰু এই সুবিধা অসমৰ গ্ৰাম্যাঞ্চলৰ মহাবিদ্যালয়সমূহেও লাভ কৰিছে। অসমৰ গ্ৰাম্যাঞ্চলৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ সামগ্ৰিক বিকাশৰ দিশত এইটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ পদক্ষেপ। এইবোৰৰ সত্বেও অসমৰ গ্ৰাম্যাঞ্চলৰ সামগ্ৰিক অনগ্ৰসৰতাই সৃষ্টি কৰা কিছু আহুকালে যাতে এইবোৰ অঞ্চলৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহৰ ঈপ্সিত অগ্ৰসৰতাৰ পথত বাধাৰ সৃষ্টি নকৰে, তাৰ প্ৰতিও লক্ষ্য কৰাটো প্ৰয়োজন হ'ব। উদাহৰণ স্বৰূপে, আধুনিক শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তিৰ যে এক গুৰুত্বপূৰ্ণ ভূমিকা আছে, তাক এতিয়া আৰু কোনেও অস্বীকাৰ কৰিব নোৱাৰে। Digital Classroom, Digital Library, Inflibnet আদি আমি ইমানদিনে পাই অহা কথাবোৰতো আছেই, এতিয়া আকৌ SWAYAM ৰ মাধ্যমেৰে MOOC (Massive Open Online Course)-ক যুক্তিসংগতভাৱেই উচ্চশিক্ষা ব্যৱস্থাৰ এটা অপৰিহাৰ্য অংগ হিচাপে ধৰি ল'বলৈ যোৱা হৈ আছে। পিছে অসমৰ গ্ৰাম্যাঞ্চলৰ প্ৰায় সকলোতেই বিদ্যুৎ যোগান, ম'বাইল নেটৱৰ্ক, ইণ্টাৰনেট সংযোগ আদিৰ অৱস্থা আজিৰ দিনতো তথৈবচ; এই অৱস্থাৰ পৰিৱৰ্তন নহ'লে গ্ৰাম্যাঞ্চলে পৰৱৰ্তী সময়ত শিক্ষাখণ্ডলৈ আহিবলগীয়া ধনাত্মক তথা অপৰিহাৰ্য প্ৰযুক্তিগত পৰিৱৰ্তনসমূহক সঠিক মাত্ৰাত ব্যৱহাৰ কৰিবলৈ সক্ষম নহ'ব।

প্ৰস্তাৱিত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে সকলো উচ্চশিক্ষা প্ৰতিষ্ঠান বৃহৎ আৰু আন্তঃবিষয়ক হোৱাৰ পোষকতা কৰিছে; কিন্তু অসমৰ গ্ৰাম্যাঞ্চলৰ বহু মহাবিদ্যালয়ত বিভিন্ন কাৰণত এই শিক্ষানীতিয়ে বিচৰা পৰ্যায়লৈকে শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি কৰাটো এতিয়াও অসুবিধাজনক হৈ আছে। আন এটা গুৰুত্বপূৰ্ণ কথা হৈছে, আগত দিনবোৰত উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহে নিজৰ স্থিতি টনকিয়াল কৰি ৰখাৰ বাবে নিজাকৈ সম্পদ সৃষ্টি কৰাৰ প্ৰয়োজন আহি পৰাটো অৱশ্যম্ভাৱী কথা। পিছে অৰ্থনৈতিকভাৱে অতি পশ্চাদপদ অৱস্থানত থকা অসমৰ গ্ৰাম্যাঞ্চলত স্থাপিত বেছিভাগ উচ্চশিক্ষা প্ৰতিষ্ঠানৰ বাবেই এইটো সহজসাধ্য নহ'ব এইবোৰ থকা অঞ্চলসমূহৰ অনগ্ৰসৰতাৰ হেতু।

অসমৰ গ্ৰাম্যাঞ্চলৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহে আগত দিনবোৰত মুখামুখি হ'বলগীয়া এই ধৰণৰ প্ৰত্যাহ্বানসমূহৰ সবলভাৱে মুখামুখি হোৱাৰ পথ নিশ্চয় নোহোৱাকৈ নাথাকে। তাৰ বাবে এইবোৰ প্ৰতিষ্ঠানে সন্মুখীন হৈ অহা সমস্যাবোৰৰ বহল ভিত্তিত পৰ্যালোচনাৰ প্ৰয়োজন হ'ব বিভিন্ন স্তৰত। এটা কথা ঠিক যে প্ৰত্যাহ্বান আছে বাবেই আমাৰ প্ৰত্যাশাও আছে। ●

ড° সৰুপেটাৰ ভৱানীপুৰ হস্তিনাপুৰ বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট লেখক।





# প্ৰসংগ ঃ অসমৰ শিক্ষা ব্যৱস্থা
# শ্লোগানৰ বিপৰীতে আস্থা স্থাপন হওক

**কৰুণাকান্ত ৰায়**

দেশৰ প্ৰাথমিক শিক্ষাক শিক্ষাৰ অধিকাৰ আইনৰ আওতালৈ আনি ৬ বছৰ বয়সৰ শিশুৰ পৰা আৰম্ভ কৰি ১৪ বছৰ বয়সৰ শিশুলৈকে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰা হৈছে। অৰ্থাৎ ৬ বছৰ বয়সৰ শিশুৰ পৰা আৰম্ভ কৰি ১৪ বছৰ বয়সৰ প্ৰতিগৰাকী শিশুৱে প্ৰাথমিক শিক্ষাগ্ৰহণ কৰাৰ অধিকাৰ পাবই লাগিব। অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰাৰ বাবে ন্যায়পালিকাই কাৰ্যপালিকাৰ ওপৰত দায়িত্ব প্ৰদান কৰিছে। যদি শিক্ষাৰ অধিকাৰ আইনক কোনোবাই উলংঘা কৰিবলৈ লয়, তেনেহ'লে তাৰ বাবে সংশ্লিষ্ট শিক্ষা বিভাগ, শিক্ষা বিষয়া নতুবা শিক্ষা প্ৰদান কৰা শিক্ষকসকল জবাবদিহি হ'ব লাগিব। তদুপৰি প্ৰাথমিক শিক্ষাৰ মান উন্নত কৰিবলৈ চৰকাৰে সৰ্বশিক্ষা অভিযান মিছনক দায়িত্ব অৰ্পণ কৰিছে। সৰ্বশিক্ষা অভিযান মিছনে প্ৰাথমিক শিক্ষাৰ মান উন্নত কৰাৰ বাবে সকলোবোৰ দিশ চোৰা-চিতা কৰিব। পৰৱৰ্তীকালত ক্ৰমে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আৰু সমগ্ৰ শিক্ষা অভিযানৰ জৰিয়তে প্ৰাথমিক শিক্ষাৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ইয়াৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে।

আমাৰ দেশৰ চহৰ নতুবা গ্ৰামাঞ্চলত বসবাস কৰি অহা দৰিদ্ৰ জনসাধাৰণৰ ল'ৰা-ছোৱালীয়ে কিছুমান অৰ্থনৈতিক কাৰণত পঢ়া-শুনাৰ পৰা বঞ্চিত হৈ আহিছে বুলি যুক্তি উত্থাপন কৰি অহা হৈছে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলক চৰকাৰে দুপৰীয়াৰ আহাৰ যোগান ধৰক বুলি এটা সময়ত বহুতো দল-সংগঠনে দাবী জনাই অহাৰ মূৰকত উচ্চতম ন্যায়ালয়ে প্ৰাথমিক শিক্ষাৰ আওতাত পৰা ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয় চৌহদতে দুপৰীয়াৰ আহাৰ যোগান ধৰাৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক দিহা দিবলৈ ল'লে। তাৰ ফলতেই সম্প্ৰতি প্ৰাথমিক স্তৰৰ বিদ্যালয়সমূহত দুপৰীয়াৰ মধ্যাহ্ন ভোজনৰ প্ৰচলন হ'ল। প্ৰথম অৱস্থাত কেৱল প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবেহে মধ্যাহ্ন ভোজনৰ ব্যৱস্থা চলি আছিল যদিও পৰৱৰ্তী কালত উক্ত আঁচনি উচ্চ প্ৰাথমিক শাখাৰ ছাত্ৰ-ছাত্ৰীসকললৈকো সম্প্ৰসাৰিত হ'ল। তাৰ ফলত ৬ বছৰ বয়সৰ শিশুৰ পৰা আৰম্ভ কৰি ১৪ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ সুবিধা গ্ৰহণ কৰিব পৰা হ'ল। তাৰ বাবে চৰকাৰে ভাৰতীয় খাদ্য নিগম আৰু সমবায় সমিতিৰ জৰিয়তে চাউল যোগান ধৰিবলৈ লৈছে। মধ্যাহ্ন ভোজনৰ যাৱতীয় খৰচৰ বাবদ প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবদ ৪ টকা ৪৮ পইচাকৈ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবদ ৬ টকা ৭১ পইচাকৈ বিদ্যালয়সমূহৰ বিদ্যালয় পৰিচালনা সমিতিৰ বেংক একাউণ্টৰ জৰিয়তে যোগান ধৰি আহিছে। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে বিদ্যালয় পৰিচালনা সমিতিয়ে দুপৰীয়াৰ আহাৰ ৰন্ধা-বঢ়াৰ

বাবে ৰান্ধনী স্থানীয়ভাৱে মকৰল কৰি বিভাগীয় কৰ্তৃপক্ষক তাৰ তালিকাখন পঠিয়াব লাগিব। প্ৰতিগৰাকী ৰান্ধনীৰ বাবদ চৰকাৰে মাহেকত এহেজাৰ টকা পাৰিতোষিক হিচাপে আগবঢ়াই আহিছে।

বিদ্যালয়ত পাঠদান আৰু পাঠগ্ৰহণৰ পাছত দুপৰীয়া বিৰতিৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে দুপৰীয়া আহাৰ গ্ৰহণ কৰিবলৈ লোৱাৰ দৃশ্যসমূহ প্ৰথম অৱস্থাত কিবা আচহুৱা আচহুৱা লাগিছিল। কাৰণ ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণতে সৰস্বতী পূজাৰ দিনাখনহে বছৰেকত এবাৰ এনেদৰে সমূহীয়াভাৱে এক উৎসৱমুখৰ পৰিৱেশত খোৱা-বোৱা কৰাৰ এক পৰম্পৰা আছিল। এতিয়া এনে দৃশ্য সকলোৰে বাবে চিনাকি। ছাত্ৰ-ছাত্ৰীৰ লগতে আমাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও এই ক্ষেত্ৰত অভ্যস্ত হৈ পৰিছে। বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীজনে জিৰণিৰ বেলটো মৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ নিজৰ বেগত লৈ অহা কাঁহি-বাটিবোৰ বজাই মনৰ আনন্দ প্ৰকাশ কৰাৰ লগতে লগৰীয়াসকলক সজাগ কৰি দিয়া দৃশ্য আৰু পৰিৱেশে সকলোকে আকৰ্ষিত কৰা পৰিলক্ষিত হয়।

মধ্যাহ্ন ভোজন যোগান ধৰাৰ ক্ষেত্ৰত বিদ্যালয়সমূহে কিছু অসুবিধাও ভোগ কৰি অহা পৰিলক্ষিত হৈ আহিছে। যেনে এটা সময়ত দুপৰীয়াৰ আহাৰ যোগানৰ বাবে চাউল অহাৰ সময়ত পইচা নাহে আৰু পইচা অহাৰ সময়ত চাউল নাহে তেনে অৱস্থা এটা হৈছিল। তদুপৰি বয়-বস্তুৰ মূল্য ক্ৰমে বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত সেই তাকৰীয়া পইচাৰে দুপৰীয়াৰ আহাৰ প্ৰস্তুতিৰ বাবে বন্ধনৰ আনুসংগিক খৰচ যেনে দালি, আলু, পিঁয়াজ, নিমখ, হালধি, তেল, নিমখ, খৰি-খেৰ আদি যোগান ধৰাটোও কেতিয়াবা অসম্ভৱপৰ হৈ উঠে। খাদ্যৰ তালিকা মতে প্ৰতি বুধবাৰে ছাত্ৰ-ছাত্ৰীক দুপৰীয়াৰ আহাৰৰ সৈতে একোটাকৈ কণী যোগান ধৰিব লাগে। কিন্তু বজাৰত কণীৰ কি দাম সকলোৰে জানে। কিন্তু বজাৰত কণীৰ যি দাম, সেয়া চন্ডালি ল'বলৈ কৰ্তৃপক্ষই যোগান ধৰা ধনৰ পৰিমাণটোৱে অংকত আউল লগাইছে। অংকটো আটায়ে কৰি চাব পাৰে। অৱশ্যে আমাৰ অসম মুলুকত আমাৰ এগৰাকী মন্ত্ৰীয়ে আঢ়ৈ টকাতে ভাতৰ যোগান ধৰিব পাৰে বুলি ৰাজহুৱাভাৱে দম্ভ মাৰি কোৱাৰ পিছত আমিবোৰেনো কি কৰিব পাৰোঁ। ইংৰাজীত এটি আপ্তবাক্য আছে— 'King can do no wrong.' 'ৰজাই কেতিয়াও ভুল নকৰে।'

উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ মতে ছাত্ৰ-ছাত্ৰীৰ বাবে বিদ্যালয়ত দুপৰীয়াৰ আহাৰ যোগান ধৰাটো বাধ্যতামূলক। কিন্তু বয়-বস্তুৰ যে মূল্যবৃদ্ধি হৈছে সেয়াটো উচ্চতম ন্যায়ালয়ে ভাবিবলগীয়া কথা নহয়। মূল্যবৃদ্ধি হৈছে, তাত কৰণীয় কাম আছে চৰকাৰৰহে। মূল্যবৃদ্ধি ৰোধ কৰা নতুবা মূল্যবৃদ্ধি ৰোধ কৰিব নোৱাৰিলে, দুপৰীয়াৰ আহাৰৰ বাবে খৰচৰ বাবে পইচাৰ পৰিমাণ বৃদ্ধি কৰাটো চৰকাৰৰ দায়িত্ব। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ হ'ল বুলিয়েই বিদ্যালয়সমূহে ভোগ কৰি অহা অসুবিধাসমূহ ব্যক্ত কৰাৰ গণতান্ত্ৰিক অধিকাৰ নিশ্চয় আছে। কাৰণ আমাৰ দেশ হ'ল এখন গণতান্ত্ৰিক দেশ। মানুহৰ সুবিধা অসুবিধা আদি সকলোবোৰ দিশ যুক্তিসংগত বিচাৰ-বিবেচনা কৰিয়েই ন্যায়পালিকাই নিৰ্দেশনা জাৰি কৰিবলৈ লয়। নিৰ্দেশটো ভালকৈ কাৰ্যকৰী কৰা হৈছে নে নাই সেইটো নিৰ্ধাৰণ কৰিব কাৰ্যপালিকাই। কিন্তু য'ত দোষ, নন্দ ঘোষ। আমাৰ অসমীয়াতো এষাৰ আপ্তবাক্য আছে— 'ডাঙৰে ভুল কৰিলে লীলা আৰু সৰুয়ে ভুল কৰিলে আটাইয়ে ধৰি কিলা।' ওপৰৱালা বিষয়া কৰ্মচাৰীয়ে তলৰ কৰ্মচাৰীলৈ জাৰি কৰা এক নিৰ্দেশনাপত্ৰত



'স্মৃতিগ্ৰন্থ' সোণালী জয়ন্তী বৰ্ষ, ২০১৮-১৯

সচৰাচৰ ব্যৱহাৰ কৰা এটা বাক্য হ'ল— 'Necessary action will be taken.' এইটো সম্ভৱ ভাৰতবৰ্ষত ব্ৰিটিছসকলে থৈ যোৱা আৰু অনুশাসনৰ সুৰত ব্যৱহাৰ কৰা এটা সচৰাচৰ বাক্য। বাক্যটোৰ অৰ্থ হ'ল নিৰ্দেশটো পালন কৰা নহ'লে বিহিত ব্যৱস্থা লোৱা হ'ব। এতিয়া কথা হ'ল কামটো কৰিবই পোৱা নাই, তাৰ আগতেই অনুশাসনৰ ইংগিত দিয়াই হ'ল। হওক বাৰু শৃংখলা বজাই ৰখাৰ স্বাৰ্থত কেতিয়াবা ওপৰৱালাই এনে বাক্য ব্যৱহাৰ কৰিবলগীয়া হ'ব পাৰে। কিন্তু কেতিয়াবা ওপৰৱালা বিষয়া কৰ্মচাৰী এগৰাকীয়ে তলতীয়া কৰ্মচাৰীক উৎসাহিত প্ৰদান কৰাৰ বাবে Necessary action আদি শব্দ বা বাক্যৰ লগতে Necessary protection নতুবা Necessary co-operation ৰ দৰে শব্দ বা বাক্যটো ব্যৱহাৰ কৰি তলতীয়া কৰ্মচাৰীসকলক উৎসাহ প্ৰদান কৰিব পাৰে। কিন্তু অসুবিধাটো ক'ত?

শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন হোৱাৰ পিছত ৬ বছৰ বয়সৰ পৰা ১৪ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষাদান বিনামূলীয়া কৰা হ'ল। ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ কিতাপ-পত্ৰ, সাজ-পোছাক যোগান ধৰা হ'ল। বিদ্যালয়ত দুপৰীয়াৰ আহাৰ যোগান ধৰা হ'ল। শিক্ষকৰ দৰমহা বঢ়াই দিয়া হ'ল। ছাত্ৰ-ছাত্ৰী অনুপাতে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত কৰা হ'ল। মুঠতে ছাত্ৰ-ছাত্ৰীয়ে গুণগত শিক্ষা পোৱাৰহে কথা। বুঢ়া লোকে কৈছিল বোলে— '*পঢ়ে পঢ়াই ৰোৱে পাণ, সেই তিনিয়ে নিচিন্তে আন।*' অৰ্থাৎ পঢ়িবলৈ লোৱাজনে, পঢ়াবলৈ লোৱাজনে বেলেগ কথা চিন্তা কৰাৰ সময়েই নাই। তেনেদৰে পাণৰ খেতি কৰাজনেও অইন কথা চিন্তা কৰাৰ সময় নাই। পঢ়া আৰু পঢ়োৱাজনৰ সৈতে সৰস্বতী দেৱী আৰু পাণ ৰোৱাজনৰ সৈতে লক্ষ্মীদেৱীৰ হেনো কৃপাদৃষ্টি পৰে। সৰুতে আমাকো বৃদ্ধসকলে কৈছিল বোলে— '*হাউহে বিদ্যা, কৃপণে ধন।*' হয়। বিদ্যা-শিক্ষা লাভ কৰাৰ এক প্ৰবল হাউচ (হেঁপাহ) থাকিলে প্ৰয়োজনীয় সা-সুবিধা নাথাকিলেও ছাত্ৰ এজনে সেই বিদ্যা লাভ কৰিবলৈ সক্ষম হয়। বাটকুৰি বাই, নাৱেৰে নদী পাৰ হৈ অতি কষ্টেৰে সৰুতে পঢ়া-শুনা কৰাজনে আনৰ সৈতে তুলনা কৰিব পৰাকৈ বিদ্যা-বুদ্ধি নাথাকিলেও যিখিনি পায়, তাতেই পৰম সন্তুষ্টি লাভ কৰিব পাৰে।

পিছে আমাৰ প্ৰাথমিক শিক্ষাত কিয় কেণা লাগিল? সৰ্বশিক্ষা অভিযান মিছনকে ধৰি, নতুন নতুন বহুতো শৈক্ষিক সংস্থা আদিৰ যৌথ প্ৰচেষ্টাত চৰকাৰে কি কৰা নাই? ছাত্ৰ-ছাত্ৰীকে কিবা সা-সুবিধা দিয়া নাই নে শিক্ষক-শিক্ষয়িত্ৰী সকলোকে তেনে সা-সুবিধা দিয়া নাই? শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰশিক্ষণৰ ওপৰত প্ৰশিক্ষণ। কেতিয়াবা দিনজোৱা ট্ৰেইনিং, কেতিয়াবা সপ্তাহজোৱা ট্ৰেইনিং, কেতিয়াবা আকৌ মাহজোৱা ট্ৰেইনিং। প্ৰতিটো পাঠৰে পুংখানুপুংখ আলোচনা-বিলোচনা। ট্ৰেইনিঙৰ অন্তত লাইট ৰিফ্ৰেছমেণ্ট, হেভি ৰিফ্ৰেছমেণ্ট, যাতায়াতী খৰচ আদিৰ অসুবিধা নাই। পিছে লাভালাভ বা কি হৈছে বুজাসকলে বুজিছে। সকলো দোষ আনৰ ওপৰত জাপি দিয়া হৈছে। '*অ' ফুল, অ' ফুল নুফুল' কিয়? গৰুৱে যে আগ খায় মইনো ফুলিম কিয়?*' ৰ দৰে সৰুতে সেই পঢ়াশলীয়া পাঠ্যপুথিত পঢ়ি অহা পদ্যটোৰ দৰে আমি আনক দোষটো জাপি দিবলৈ লৈছোঁ। প্ৰাথমিক শিক্ষাৰ সংস্কাৰৰ বাবে আইন প্ৰণয়ন কৰা হ'ল, সৰ্বশিক্ষা অভিযান মিছনৰ জৰিয়তে কেৱল সকলোৰে ওপৰৰপৰা অহা নিৰ্দেশসমূহ পালন কৰা হ'ল। কিন্তু আশা কৰা মতে ফলাফলহে পোৱা নগ'ল। বহু টকা-পইচা শিক্ষাৰ শিতানত খৰচ কৰা হ'ল। বাটে-পথে, দেৱালে দেৱালে দেৱাল লিখন কৰা হ'ল। চাইনবোৰ্ড, হৰ্ডিং, বেনাৰ আদি

লগোৱা হ'ল। কিন্তু এনেবোৰ বিদ্যালয়ত আস্থা কাৰনো হ'ল? মন্ত্ৰী, বিধায়ক, সৰু-ডাঙৰ শিক্ষা বিষয়াসকলৰ কোনো এজনৰোদেখোন এই শিক্ষাৰ প্ৰতি আস্থা দেখুওৱা পৰিলক্ষিত নহ'ল। মন্ত্ৰী, বিধায়ক, সৰু-ডাঙৰ শিক্ষা বিষয়া-কৰ্মচাৰী আদিৰ ল'ৰা-ছোৱালীবোৰক কিয় এনেবোৰ বিদ্যালয়ত নাম লগাই দিয়া নহ'ল? এইসকলৰ কথা বাদেই আমাৰ এনেবোৰ বিদ্যালয়ত কাম কৰি দৰমহা লাভ কৰি অহা শিক্ষক-শিক্ষয়িত্ৰীসকলকো নিজৰ ল'ৰা-ছোৱালীবোৰক এনেবোৰ দুপৰীয়াৰ আহাৰ যোগান ধৰা, বিনামূলীয়া কিতাপ-পত্ৰ, সাজপাৰ যোগান ধৰা বিদ্যালয়ত নামভৰ্তি কৰিবলৈ হীনমন্যতাত ভোগা দেখা যায়। তেনেহ'লে ইমানবোৰ টকা-পইচা খৰচ কৰি প্ৰচাৰ মাধ্যমযোগে প্ৰাথমিক শিক্ষাৰ সাফল্যৰ জয়গান কাৰ বাবে কৰা হ'ল? তাৰমানে আমি আটাইয়ে যিকোনো প্ৰকাৰে নিজৰ নিজৰ চাকৰিটো বচাই চলিব লাগে। ওপৰৱালাই যাতে অসন্তুষ্ট নহয়, তাৰ বাবে তলৰবিলাকে ওপৰৱালাৰ নিৰ্দেশবোৰ মানি গৈ থাকক। দেখিব আপোনাৰ কোনো ভয় নাই। সেই যে আমাৰ শাস্ত্ৰৰ ব্যাখ্যাকাৰীসকলে কয়— *'হে বৎস, তুমি কাম কৰি যোৱা। ফলাফল আশা নকৰিবা। ফলাফলৰ কথা মই চিন্তা কৰিম।'*

শিক্ষা লাভৰ তিনিটা হেনো স্তম্ভ। শিক্ষক, ছাত্ৰ আৰু অভিভাৱক। কিন্তু ইয়াৰ লগতে পৰিৱেশকো যোগ কৰিব পাৰি। যদি এই চাৰিওটাৰ সুসমন্বয় ঘটে, তেনেহ'লে এগৰাকী ছাত্ৰই উপযুক্ত শিক্ষা লাভ কৰিব পাৰে। আজিকালি বাতৰি কাকত আৰু বৈদ্যুতিন মাধ্যমৰ চেনেলৰ স্থানীয় সংবাদদাতাসকলে পৰিৱেশন কৰা বা-বাতৰিত কিছুসংখ্যক শিক্ষক-শিক্ষয়িত্ৰীৰ কিছুমান নেতিবাচক কাৰ্যকলাপৰ বা-বাতৰি সঘনে প্ৰকাশ আৰু প্ৰচাৰ কৰা দেখা যায়। এনেবোৰ বা-বাতৰিয়ে সমগ্ৰ শিক্ষক সমাজক হেয় প্ৰতিপন্ন কৰা দেখা যায়। প্ৰকৃততে শিক্ষকতাৰ পৱিত্ৰ বৃত্তিত নিয়োজিত এনেবোৰ শিক্ষকে নিজৰ বৃত্তিটোক শ্ৰদ্ধা কৰি চলাটো নিত্যান্তই বাঞ্ছনীয়। সম্প্ৰতি শিক্ষকতা এক বৃত্তি যদিও এটা সময়ত যিসকলে এক উৎসৰ্গাকৃত মনোভাৱেৰে আগবঢ়া শিক্ষকসকলে শিক্ষকতাক এক ব্ৰত বুলি গণ্য কৰিছিল। আজিৰ পৰিপ্ৰেক্ষিততো এগৰাকী শিক্ষকে নিজৰ সততা, নিষ্ঠা আৰু দায়বদ্ধতাক এক দৰ্শন হিচাপে গ্ৰহণ কৰি ল'ব পাৰে।

**প্ৰসংগ ঃ এলাহাবাদ উচ্চ ন্যায়ালয় ৰায় ঃ** যোৱা ২০১৫ চনৰ মাজভাগত এলাহাবাদ উচ্চ ন্যায়ালয়ে জাৰি কৰা এক চাঞ্চল্যকৰ ৰায়ে সেই বছৰ সমগ্ৰ দেশতে খলকনিৰ সৃষ্টি কৰা পৰিলক্ষিত হৈছিল। এলাহাবাদ উচ্চ ন্যায়ালয়ে জাৰি কৰা ৰায় অনুসৰি উত্তৰ প্ৰদেশ চৰকাৰৰ চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু জনপ্ৰতিনিধিয়ে তেওঁলোকৰ ল'ৰা-ছোৱালীক ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানৰ বিপৰীতে চৰকাৰী তথা ৰাজহুৱা বিদ্যালয়ত পঢ়া-শুনা কৰাব লাগিব। উক্ত ৰায়ে জাৰি কৰা নিৰ্দেশানুসৰি সাধাৰণতে মধ্যবিত্ত সম্প্ৰদায়ৰ লোকক সামৰি লোৱা দেখা গৈছিল। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ এনে ৰায় যুগান্তকাৰী বা ঐতিহাসিক বুলি মানুহে ধাৰণা কৰিবলৈ লোৱা পৰিলক্ষিত হৈছে। সাধাৰণতে নিজৰ ল'ৰা-ছোৱালীক ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানত পঢ়ুৱাব নে চৰকাৰী তথা ৰাজহুৱা প্ৰতিষ্ঠানত পঢ়ুৱাব লাগিব, সেয়া পিতৃ-মাতৃ বা অভিভাৱকৰ ব্যক্তিগত সিদ্ধান্তৰ আওতাৰ কথা বুলি এচামে যুক্তি প্ৰদৰ্শন কৰিবলৈ লৈছে যদিও মানুহৰ এনেবোৰ স্বাধীনচিতীয়া চিন্তা-ধাৰণাই যে এক শ্ৰেণীবৈষম্যৰ সৃষ্টি কৰি আহিছে, সেয়া অপ্ৰিয় হ'লেও সত্য কথা। প্ৰতিখন চৰকাৰেৰে শিক্ষা বিভাগ





বুলি এটা বিভাগ আছে। কেন্দ্ৰত তাকে আজিকালি শিক্ষা বিভাগৰ নামটো সলনি কৰি মানৱসম্পদ উন্নয়ন মন্ত্ৰণালয় বুলি নামকৰণ কৰা হৈ আহিছে। গতিকে চৰকাৰে এই বিয়াগোম বিভাগটো চলাই আহিছে কাৰ স্বাৰ্থত? ল'ৰা-ছোৱালীক পাঠদান কৰা শিক্ষা প্ৰতিষ্ঠানৰ পৰা আৰম্ভ কৰি প্ৰাথমিক শিক্ষা, উচ্চ শিক্ষা আদিৰ সংশ্লিষ্ট বিভাগসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষা বিভাগৰ বিষয়া-কৰ্মচাৰীসমূহৰ চাকৰি-বাকৰি আদি কৰি শিক্ষা বিষয়া, কাৰ্যালয়, শিক্ষা প্ৰতিষ্ঠান আদিৰ নিৰ্মাণ তথা আন্তঃগাঁথনিৰ উন্নয়ন, শিক্ষক প্ৰশিক্ষণ, দৰমহা প্ৰদান আদিৰ সকলো কামকে চোৱা-চিতা কৰিবলৈকে এই বিভাগটোৰ প্ৰয়োজন। সমগ্ৰ দেশতে এই বিভাগটোত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে জড়িত হৈ আছে অজস্ৰ বিষয়া-কৰ্মচাৰী। বিভাগটো সুচাৰুৰূপে পৰিচালনা কৰিবলৈ, শিক্ষক-শিক্ষয়িত্ৰীৰ শিক্ষাদানৰ মান উন্নত কৰিবলৈ অলেখ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হৈছে। বিদ্যালয়ৰ আন্তঃগাঁথনিৰ মান উন্নত কৰিবলৈ চৰকাৰৰ তৰফৰ পৰা আৰ্থিক দিশত অনুমোদন জনোৱা হৈছে। এই সকলোবোৰ চোৱা-চিতা কৰিবলৈ সৰ্বশিক্ষা অভিযান মিছন, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আৰু [illegible] শিক্ষা অভিযান আদিক দায়িত্ব অৰ্পণ কৰা হৈছে। ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ প্ৰতিগৰাকী ল'ৰা-ছোৱালীৰ শিক্ষা গ্ৰহণ নিশ্চিত কৰিবলৈ শিক্ষাৰ অধিকাৰ আইন প্ৰণয়ন কৰা হৈছে। শিক্ষা বিভাগটো সুচাৰুৰূপে পৰিচালনা কৰাৰ ক্ষেত্ৰত যাতে কোনোমতে পুঁজিৰ নাটনি নহয়, তাৰ বাবে বিশ্ব বেংকৰপৰা ঋণ পৰ্যন্ত লোৱা হৈছে। এটা সময়ত ৰাইজৰ মাজত যুক্তি উত্থাপন হৈছিল যে আমাৰ দেশৰ আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকৰ ল'ৰা-ছোৱালীয়ে বিদ্যালয়ত লঘোণীয়া পেটেৰে কেনেকৈ আহিব? চৰকাৰক দাবী জনোৱা হ'ল যে আৰ্থিকভাৱে দুৰ্বল লোকৰ ল'ৰা-ছোৱালীৰ পুষ্টি সাধনৰ বাবে চৰকাৰে বিদ্যালয়ত দুপৰীয়াৰ আহাৰ যোগান ধৰিব লাগে। উচ্চতম ন্যায়ালয়ৰ তৰফৰ পৰা নিৰ্দেশনা জাৰি কৰা হ'ল। তেনে নিৰ্দেশনামতে ৬ বছৰৰ পৰা ১৪ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়সমূহত দুপৰীয়াৰ আহাৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হ'ল। অন্ততঃ এতিয়া আৰু তেনে ল'ৰা-ছোৱালীয়ে লঘোণে থাকি পঢ়া-শুনা কৰিব নালাগে। এইসকল ল'ৰা-ছোৱালীয়ে এতিয়া কিতাপ-পত্ৰও কিনিব নালাগে, বিদ্যালয়ত অহা-যোৱা কৰিবৰ বাবে পিতৃ-মাতৃ নতুবা অভিভাৱকে ইউনিফৰ্মো কিনি দিব নালাগে। বিদ্যালয়ৰ শ্ৰেণী কোঠা নাই, কোনো কথা নাই। বিশ্ব বেংকৰ টকা আছে। বান্ধি দিয়া হ'ল। কিন্তু কি হ'ল? চৰকাৰী বিদ্যালয়ৰ প্ৰতি মধ্যবিত্তচামৰ অনিহা কিহৰ বাবে? চৰকাৰী বিদ্যালয়সমূহে, শিক্ষক-শিক্ষয়িত্ৰীসকলে ভোগ কৰি অহা অসুবিধাসমূহ প্ৰকৃততে পৰীক্ষা কৰা নহ'ল নেকি? তেনে অসুবিধাসমূহ আঁতৰ কৰাৰ বাবে ইতিমধ্যে গ্ৰহণ কৰা পদক্ষেপসমূহ বিজ্ঞানসন্মত হয়নে নহয়? সাধাৰণ ৰাইজৰ কথা বাদেই দিয়া হ'ল। কিন্তু যিসকল অভিভাৱক চৰকাৰী শিক্ষা প্ৰতিষ্ঠানৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত, তেওঁলোকে অন্ততঃ নিজৰ নিজৰ ল'ৰা-ছোৱালীসমূহক নিজৰ নিজৰ বা চৰকাৰী শিক্ষা প্ৰতিষ্ঠানসমূহত পঢ়ুৱাবলৈ অসুবিধা ক'ত? সঁচাকৈয়ে দেখা গৈছে যে আমাৰ দেশৰ শিক্ষা বিভাগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত লোকৰ বিশেষকৈ শিক্ষা বিষয়া-কৰ্মচাৰী নতুবা চৰকাৰী বিদ্যালয়ত চৰকাৰী দৰমহা লৈ শিক্ষা প্ৰদান কৰা শিক্ষক-শিক্ষয়িত্ৰীৰ ৯৮ শতাংশ (আনুমানিক) লোকে তেওঁলোকৰ ল'ৰা-ছোৱালীক চৰকাৰী বিদ্যালয়ৰ পৰিৱৰ্তে ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানত পঢ়ুৱাবলৈ লোৱা দেখা গৈছে। যদি সেইটোৱেই হয়,

তেন্তে সেইসকল শিক্ষা বিষয়া-কৰ্মচাৰী আৰু চৰকাৰী বিদ্যালয়ত চাকৰি কৰা শিক্ষক-শিক্ষয়িত্ৰীসকল কোনখিনি ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়বদ্ধ?

দেখা গৈছে চৰকাৰী বিদ্যালয়ৰ বিশেষকৈ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শাখাত শিক্ষাগ্ৰহণ বিনামূলীয়া হোৱা বাবে অভিভাৱকসকলে তেনে বিদ্যালয়ত নিজৰ ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ কিছু কিছু ক্ষেত্ৰত হীনমন্যতাত ভোগা দেখা যায়। এনেবোৰ মনস্তাত্ত্বিক চিন্তা-ভাবনাই লালন-পালন কৰিবলৈ লোৱা আমাৰ সমাজৰ এচামৰ মনত চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ প্ৰতি কিছু অনিহাৰ ভাব যোগাই তোলাত কিছুমান অন্যান্য কাৰকেও প্ৰত্যক্ষ বা পৰোক্ষভাৱে ইন্ধন যোগাই আহিছে। চৰকাৰী বিদ্যালয়ত কাম কৰা কিছু শিক্ষক-শিক্ষয়িত্ৰীয়ে পাঠদানত ফাকি বা কামত গাফিলতি কৰা বুলি উত্থাপিত কিছু অভিযোগেও কিছুমান অভিভাৱকৰ মনত এক ধাৰণাই এনে অনিহাৰ সৃষ্টি কৰি আহিছে। কিন্তু আচৰিত কথা চৰকাৰী বিদ্যালয়ত কাম কৰি অহা প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰীকে তেনে গাফিলতি কৰা শিক্ষক-শিক্ষয়িত্ৰীৰ শাৰীত অন্তৰ্ভুক্ত কৰা উচিত নহয়। এক উৎসৰ্গিত মনোভাব লৈ বিদ্যালয়ত পাঠদান কৰি অহা শ্ৰদ্ধেয় শিক্ষাগুৰুসকলকো গাফিলতি কৰা বুলি অভিযোগ আনিলে নিশ্চয় অন্যায় কৰা হ'ব। প্ৰকৃততে এনে অভিযোগ উত্থাপন কৰা অভিভাৱকসকলৰ আঁৰত এক অশুভ শক্তিয়ে উদ্দেশ্যপ্ৰণোদিতভাৱে এনেবোৰ propaganda চলাই নিজৰ উদ্দেশ্য সাধন কৰি আহিছে। চৰকাৰী বিদ্যালয়ৰ প্ৰতি অনিহা প্ৰদৰ্শন কৰি অহাসকলে চৰকাৰী সা-সুবিধা গ্ৰহণৰ ক্ষেত্ৰত কিন্তু উদাসীন বুলি ক'ব নোৱাৰি।

চৰকাৰেও আইনৰ অজুহাত দেখুৱাই শিক্ষকসকলক নানাধৰণৰ কামত খটুৱাবলৈ লয়। এনেকি নানাধৰণৰ কামৰ নিৰ্দেশাৱলীৰ অজুহাতত মানসিকভাৱে হাৰাশাস্তি চলোৱা বুলি মাজে সময়ে অভিযোগ উত্থাপিত হৈ আহিছে। যদি এনেবোৰ অভিযোগ সত্য বুলি প্ৰমাণিত হয়, তেন্তে তাৰ বিৰুদ্ধে ব্যৱস্থা লোৱাটো নিত্যান্তই জৰুৰী। বিদ্যালয়ত পাঠদান আৰু পাঠগ্ৰহণ এক মনস্তাত্ত্বিক বিষয়। সেয়ে এনে মনস্তাত্ত্বিক বিষয়ত নিয়োজিত শিক্ষক-কৰ্মচাৰীক মানসিকভাৱে হাৰাশাস্তি কৰাটো আইন বিৰুদ্ধ কাম বুলি বিবেচিত হ'ব লাগে।

কিছুসংখ্যক লোকে মন্তব্য কৰে যে ঘৰত পঢ়া-শুনাৰ কোনোধৰণৰ পৰিৱেশ দিব নোৱৰা একাংশ অভিভাৱকেও লোকক দেখিয়েই ব্যক্তিগত খণ্ডৰ শিক্ষা প্ৰতিষ্ঠানত নিজৰ ল'ৰা-ছোৱালীক পঢ়ুৱাবলৈ লৈছে। নিম্নবিত্ত আয়ৰ এনে অভিভাৱকে আনক দেখিয়েই যদি সমাজত নিজৰ ষ্টেটাছ বঢ়াবলৈ এনেদৰে অন্ধভাৱে আগবাঢ়ে, তেন্তে কিছুদিন পিছত খৰচ-পাতি দিব নোৱাৰি কিছুমান মিছা অজুহাত লৈ চৰকাৰী বিদ্যালয়লৈ ঢাপলি মেলিবলৈ লয়। আনক অনুসৰণ কৰা ভাল, কিন্তু অনুকৰণ কৰিবলৈ ল'লেই মানসিক কষ্টৰ সন্মুখীন হ'বলগীয়া হয় সময়ত।

প্ৰকৃততে এলাহাবাদ উচ্চ ন্যায়ালয়ৰ এই ঐতিহাসিক ৰায়ে উত্তৰ প্ৰদেশৰ মধ্যবিত্তচামক কেনেদৰে প্ৰভাৱিত কৰিছে, তাক এতিয়াই ক'ব নোৱাৰিলেও আন এচামে কিন্তু উক্ত ৰায়ক আদৰণি জনাই সমগ্ৰ দেশতে এনে ৰায় প্ৰযোজ্য হোৱাৰো পোষকতা কৰি নিজৰ নিজৰ মন্তব্য প্ৰকাশ কৰিবলৈ লৈছে। সপক্ষে-বিপক্ষে সকলোৱে নিজৰ নিজৰ যুক্তিবোৰ আটায়ে সাব্যস্ত কৰক। কিন্তু সৰহসংখ্যক লোকেই এনে যুক্তিৰ সপক্ষে বা বিপক্ষে কোনো মন্তব্য নিদিয়ে। মানে এনেবোৰ যুক্তিৰ সপক্ষে বা বিপক্ষে কোনো মন্তব্য দিয়াৰ সুযোগ দিয়া নহয়, কথাবোৰো ভালকৈ জানিবলৈ দিয়া নহয়। চিন্তা-চৰ্চা কৰিবলৈকো কোনোধৰণৰ সুযোগ দিয়া নহয়। আমিবোৰ আটাইয়ে যেন একোটা ঢৌত চলি আছো। চাৰিওফালে কেৱল ঢৌ আৰু ঢৌ। আমিবোৰ প্ৰকৃততে ক'লৈ গৈ আছো আমি বেছিভাগেই গমেই নাপাওঁ।

**ৰাজহুৱা খণ্ডৰ বিদ্যালয় বনাম ব্যক্তিগত খণ্ডৰ বিদ্যালয় ঃ** আজি কিছু বছৰৰ পৰা দেশৰ অন্যান্য ৰাজ্যসমূহৰ দৰে আমাৰ ৰাজ্যখনতো ব্যক্তিগত খণ্ডৰ বিদ্যালয় খোলাৰ এক অঘোষিত প্ৰতিযোগিতা আৰম্ভ হৈছে বুলি ক'ব পাৰি। ৰাজহুৱা খণ্ডৰ বিদ্যালয় থকাৰ পাছতো ব্যক্তিগত খণ্ডৰ বিদ্যালয় কিয় খুলিবলগীয়া হ'ল তাৰ বাবে সপক্ষে বা বিপক্ষে দুয়োফালে যুক্তি দৰ্শাব পাৰি। প্ৰকৃততে ব্যক্তিগত বিদ্যালয় খোলাৰ ধাৰণাটো বাহিৰৰ ৰাজ্যৰপৰা অহা। মূলতঃ আমি জনাত খ্ৰীষ্টান মিছনেৰীসকলে প্ৰথমে এনেধৰণৰ বিদ্যালয় খোলাৰ পথ প্ৰদৰ্শক বুলি ক'ব পাৰি। সংগতিহীন পাঠ্যক্ৰম, দুৰ্বল আন্তঃগাঁথনি আৰু চৰকাৰী বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুওৱাটো এক লাজৰ বিষয় হিচাপে ভাবিবলৈ বাধ্য হোৱা অভিভাৱকৰ বাবে ব্যক্তিগত বিদ্যালয়ত নিজৰ সন্তানক পঢ়ুওৱাটো গৌৰৱৰ বিষয় বুলি গণ্য কৰিবলৈ লোৱাৰ পাছৰে পৰা ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানৰ উত্থান হোৱা বুলি ক'ব পাৰি। প্ৰকৃততে এই দুই শ্ৰেণীৰ শিক্ষা প্ৰতিষ্ঠানে আমাৰ সমাজৰ অভিভাৱকসকলক দুটা শ্ৰেণীত ভাগ কৰিবলৈ লৈছে। সাধাৰণতে ৰাজহুৱা খণ্ডৰ বিদ্যালয়তকৈ ব্যক্তিগত বিদ্যালয়ৰ শিক্ষাদান ভাল, এনেধৰণৰ কিছুমান propaganda ইও সৰ্বসাধাৰণ অভিভাৱকৰ মনত এক ধ্যান-ধাৰণা জন্মাবলৈ বাধ্য কৰাইছে। তদুপৰি গুণগত শিক্ষাদান কৰাৰ শ্লোগানৰ লগতে এক ব্যৱসায়িক স্বাৰ্থ নিহিত থকা ব্যক্তিগত শিক্ষা প্ৰতিষ্ঠানৰ বিদ্যালয় চলিবলৈ যিকোনো কাৰণতে নহওক কিয় তাৰ আঁৰত এক propaganda ই পৰোক্ষভাৱে বিশেষ ভূমিকা লোৱাৰ কথাটোক অস্বীকাৰ কৰিব নোৱাৰি। আনহাতে অত্যধিক ছাত্ৰ-ছাত্ৰীৰ চাহিদা অনুপাতে প্ৰয়োজনীয় শিক্ষানুষ্ঠান স্থাপনৰ বাবে চৰকাৰৰ ফালৰপৰা কোনো গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ নকৰাৰ বাবে এনেবোৰ ব্যক্তিগত শিক্ষানুষ্ঠান ৰাইজে গঢ় দিবলৈ লোৱা দেখা গৈছে। দেখা যায় ব্যক্তিগত বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অতি সামান্য দৰমহাৰে অতি আন্তৰিকতাৰে কৰা শিক্ষাদানৰ লগতে নিজৰ সন্তানক পইচা খৰচ কৰি পঢ়ুওৱা অভিভাৱকসকলে দেখুওৱা সচেতনতাৰ বাবে শিক্ষাৰ্থীসকলে তুলনামূলকভাৱে ভাল ফলাফল দেখুওৱা দেখা যায়। কিন্তু সেই সচেতনতা চৰকাৰী বিদ্যালয়ত দেখা নাযায়। আমাৰ ৰাজ্যখনত ব্যক্তিগত নে ৰাজহুৱা খণ্ডৰ বিদ্যালয়সমূহে শিক্ষা প্ৰদানত বিশেষ ভূমিকা ল'ব পাৰে, মাতৃভাষা নে ইংৰাজী মাধ্যমৰ বিদ্যালয়ে কি ভূমিকা ল'ব পাৰে সেয়া নিৰপেক্ষ বিতৰ্কৰ প্ৰয়োজন। সম্প্ৰতি CAA বিৰুদ্ধে চলি থকা আন্দোলনৰ সময়ত আমি আমাৰ ভাষা-সংস্কৃতি ভৱিষ্যতে বিপদৰ সমুখীন হ'ব বুলি যুক্তি দাঙি ধৰিছোঁ, অথচ নিজৰ সন্তানক নিজৰ মাতৃভাষাৰ পৰা আঁতৰাই ইংৰাজী মাধ্যমত শিক্ষাদান কৰাই গৌৰৱবোধ কৰিবলৈ লৈছোঁ। সামাজিক দায়বদ্ধতা এৰি কেৱল ষ্টেটাছ বঢ়োৱাৰ বাবেই নিজৰ সন্তানক আগুৱাই দিলে আমি আমাৰ সমাজখনক কিদৰে আগুৱাই লৈ যাব পাৰিম, সেই কথা ভৱিষ্যতেহে ক'ব। ●

শ্ৰীৰায় এগৰাকী বিশিষ্ট শিক্ষাবিদ আৰু লেখক।

# বিদেশৰ উচ্চ শিক্ষা

**দেৱাঞ্জন বৰঠাকুৰ**

আমেৰিকা আৰু ইউৰোপ উচ্চশিক্ষাৰ বাবে উপযুক্ত ঠাই। স্নাতক আৰু স্নাতকোত্তৰ উভয় পৰ্যায়ত যিকোনো বিষয়তেই অধ্যয়ন কৰিবলৈ বিদেশৰ শিক্ষানুষ্ঠানসমূহত কৰিব পাৰি। স্নাতকোত্তৰ পৰ্যায়ত গৱেষণাৰ প্ৰতি ধাউতি থাকিলে আৰু পূৰ্বৰ গৱেষণাৰ অভিজ্ঞতা থাকিলে স্কলাৰশ্বিপ পাবলৈ সুবিধা হয়। আমেৰিকা বা ইউৰোপত পঢ়িবলৈ হ'লে 'GRE' আৰু 'IELTS' বা 'Toefl' পৰীক্ষা দিয়াতো বাধ্যতামূলক। আমেৰিকাৰ স্নাতকোত্তৰ বিষয়ত অধ্যয়ন কৰিবলৈ তলৰ প্ৰক্ৰিয়াবোৰেৰে আগবাঢ়িব পাৰি।

১। বিশ্ববিদ্যালয় নিৰ্বাচন ঃ প্ৰথম কামটো হৈছে, নিজৰ পছন্দৰ বিশ্ববিদ্যালয়খন নিৰ্বাচন কৰা। আমেৰিকাৰ সকলো বিশ্ববিদ্যালয়ত 'Fall, Spring and Summer' এই তিনিটা ঋতুত ছাত্ৰ ছাত্ৰীৰ বাবে নামভৰ্তি কৰা হয়। কিন্তু নামভৰ্তিৰ বাবে Fall সময়ছোৱাহে উপযুক্ত বুলি ধৰা হয়; এইটো সময়তহে বেছিভাগ বিশ্ববিদ্যালয়ৰ নতুন শিক্ষাবৰ্ষ আৰম্ভ হয়।

২। নামভৰ্তিৰ শেষ দিন সম্পৰ্কে ভালকৈ অৱগত হোৱাঃ বেছিভাগ বিশ্ববিদ্যালয়ৰে নাম ভৰ্তিৰ এটা অন্তিম সময়সীমা থাকে। বিশেষকৈ 'Fall' ৰ এডমিশ্যনৰ বাবে ছেপ্তেম্বৰৰ পৰা ডিচেম্বৰৰ ভিতৰত 'ফৰ্ম ফিলাপ কৰিব লাগে।

৩) অৰ্হতা (Eligibility) ঃ নাম ভৰ্তিৰ অৰ্হতা সম্পৰ্কে সঠিক ধাৰণা থকাটো অতি প্ৰয়োজন। আমেৰিকাৰ বিশ্ববিদ্যালয়সমূহৰ বেছিভাগৰে স্নাতক পাঠ্যক্ৰম সাধাৰণতে চাৰি বছৰীয়া। চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পিছতহে স্নাতকোত্তৰ শ্ৰেণীৰ বাবে নামভৰ্তি কৰিব পাৰি অভিযান্ত্ৰিক পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলেও চাৰি বছৰৰ স্নাতক পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পাছতহে বিদেশত স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তিৰ বাবে যোগ্যতা লাভ কৰে। বিজ্ঞান আৰু কলা শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে, ভাৰতৰ বিশ্ব বিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীত উত্তীৰ্ণ হোৱাৰ পাছত পি,এইছ,ডিৰ গৱেষণাৰ বাবে আমেৰিকালৈ যোৱাৰ সুবিধা লাভ কৰিব পাৰে। আন এবিধ অৰ্হতা হৈছে 'GRE', 'TOEFL', 'GMAT', 'IELTS' আদি পৰীক্ষাত উত্তীৰ্ণ হোৱা। এই পৰীক্ষাবোৰৰ যিকোনো এটাত উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক।। 'GRE' সাধাৰণতে বিজ্ঞান, কলা, অভিযান্ত্ৰিক পাঠ্যক্ৰম অধ্যয়নৰ বাবে আৰু আনফালে এম বি এত অধ্যয়নৰ বাবে 'GMAT' পৰীক্ষাত উত্তীৰ্ণ হোৱা প্ৰয়োজন।

৪। নথি-পত্ৰবোৰ বিশ্ববিদ্যালয়লৈ পঠোৱা ঃ ওপৰৰ সকলো প্ৰক্ৰিয়া পাৰ হৈ অহাৰ পাছৰ স্তৰত নিজৰ চাৰ্টিফিকেটবোৰ বিশ্ববিদ্যালয়লৈ মেইল কৰিবলগীয়া হয়। ভাৰতৰ পৰা বিদেশলৈ নথি পত্ৰ পঠাবলৈ 'FedEx' জাতিয় কুৰিয়াৰ ব্যৱহাৰ কৰিব পাৰি। নথি-পত্ৰৰ ভিতৰত কলেজৰ চাৰ্টিফিকেট (Transcripts), চুপাৰিছপত্ৰ ( Recommendation letter) এখন 'Statement of purpose', নিজৰ 'Resume' আৰু 'GRE', 'TOEFEL' ইত্যাদি পৰীক্ষাৰ নম্বৰ তালিকা।●

লেখক কানাডাৰ অন্টাৰিওৰ মেকমাষ্টাৰ বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ।





# মই আৰু মোৰ স্মৃতিত বিজনী মহাবিদ্যালয়ৰ প্ৰথম খোজ

**জ্যোতি প্ৰসাদ দাস**

প্ৰথমতে মই এই প্ৰবন্ধৰ পঢ়ুৱৈ সমাজক সেৱা জনাই মই মোৰ লেখাৰ আৰম্ভ কৰিব লৈছোঁ। কাৰণ মই জানো যে মই সু-লিখক নহয়। সেয়ে হয়তো বহুতেই এহ্ এইবোৰ কি লিখিছে বুলি কোনোবাই পঢ়ি চাব বা কোনোবাই নপঢ়াকৈ থ'ব।

এতিয়া আহো আচল কথালৈ— যোৱা বছৰ ইংৰাজী ২০১৮ চনৰ জুন মাহৰ ২৫ তাৰিখে মহাবিদ্যালয়ৰ সভাপতি মাননীয় কমল সিং নাৰ্জাৰী আৰু সম্পাদক মাননীয় ডং বীৰহাসগিৰি বসুমাতাৰী মহোদয়ৰ পৰা বিজনী মহাবিদ্যালয়ৰ পঞ্চাশ বৰ্ষপুতি সোণালী জয়ন্তী পতাৰ যে তেওঁলোকে যো-জা কৰিছে তাৰ চিঠি পাই মই উক্ত মিটিঙত উপস্থিত থাকোঁ।

কাৰণ ইয়াৰ আগেয়ে আমাৰ এই অঞ্চলৰ কোনো এখন মহাবিদ্যালয়, শিক্ষানুষ্ঠানৰে এনেকুৱা 'ৰূপালী' বা 'সোণালী' জয়ন্তী পতাৰ নজীৰ নাই।

এই অঞ্চলৰ একমাত্ৰ স্ত্ৰীশিক্ষাৰ শিক্ষানুষ্ঠান ছোৱালী হাইস্কুলৰ (প্ৰয়াত উদয় চন্দ্ৰ দাসৰ পিছত)। মই ইংৰাজী ২০০৩ চনৰ মাৰ্চৰ পৰা ইং ২০০৮ চনলৈ প্ৰায় পাঁচ বছৰ উক্ত শিক্ষানুষ্ঠানখনৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব ন্যস্ত থকাৰ লগতে এই অঞ্চলৰ অতি পুৰণি বান্ধৱ হাইস্কুলখনৰ 'ৰূপালী', 'সোণালী' বা 'হীৰক' জয়ন্তী আদি অনুষ্ঠান পতাত আলোচনাক্ৰমে তেতিয়া অনুষ্ঠানটোৰ প্ৰধান বা অধ্যক্ষসকলে নানান অসুবিধাৰ বিষয়ে অৱগত কৰায়। ফলত কোনো এটা অনুষ্ঠানে পতা নহয়।

যিয়েই নহওঁক মই লিখিব ওলাইছোঁ "মোৰ স্মৃতিত বিজনী মহাবিদ্যালয়ৰ প্ৰথম খোজ"। ইংৰাজী ১৯৬০-৬১ চন মানৰ পৰাই আমাৰ সেই সময়ৰ ছাৰ কেইজনমানৰ মনত বিজনী অঞ্চলত এখন মহাবিদ্যালয় নথকাৰ অভাৱ অনুভৱ কৰি ইয়াতো এখন মহাবিদ্যালয় স্থাপন কৰিব পাৰি নেকি এই বিষয়ে চিন্তা-চৰ্চা কৰি আমি পূজা, বিহু বা গৰমৰ বন্ধত লগালগি হ'লেই আলোচনা কৰোঁ। কাৰণ তেতিয়া ইয়াৰ বিজনীৰ সাধাৰণ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলে উচ্চ-শিক্ষাৰ কাৰণে ধুবুৰী, কোকৰাঝাৰ বৰপেটা, অভয়াপুৰী, বঙাইগাঁও আৰু ভাল অৱস্থাৱান পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলে গুৱাহাটী বা চিলঙত গৈ পঢ়িবলগীয়া হৈছিল।

ওপৰত উল্লেখিত সেই সময়ৰ ছাত্ৰকেইজনৰ বয়স প্ৰায় সম-সাময়িক আছিল। মানে, জন্ম ইং ১৯৩৭ চন মানৰ পৰা ১৯৪২ বা ১৯৪৩-৪৪ চনৰ ভিতৰত। কাৰণ সেই সময়ত আজিকালিৰ নিচিনা জন্মৰ সঠিক প্ৰমাণ পত্ৰ (তাৰিখ) আমাৰ কাৰোৰে নাছিল। অৰ্থাৎ শতকৰা ৯০-৯৫ ভাগৰে সৌৰৱণীৰ ব্যৱস্থাও নাছিল। প্ৰথম পঢ়াশালিত নাম লগাওতে শিক্ষকে ল'ৰাজনৰ অৱয়ব নিৰ্ধাৰণ কৰি যি লিখিছিল সেয়ে। তেতিয়া আমাৰ মাজত সম্বোধনবোৰ

ডাঙৰক 'দা' বুলি কৰিছিলোঁ যদিও, ইজনে-সিজনক কথা কোৱাত, 'তই, মই' আদিহে ব্যৱহাৰ কৰা হৈছিল। কেৱল শিক্ষকসকলক 'ছাৰ' বুলিছিলো।

আমি গম পালোঁ এই অঞ্চলৰ পিতৃতুল্য লেখতল'বলগীয়া কেইবাগৰাকী আমাৰ অগ্ৰজ শিক্ষাবিদ ব্যক্তিয়েও ইয়াত মহাবিদ্যালয় স্থাপনৰ প্ৰস্তুতি চলাই ইংৰাজী ১৯৬৩-৬৪ চনৰ পৰাই চিন্তা-চৰ্চা কৰি আছে। আমাক আৰু কোনে পায়। মহাবিদ্যালয় স্থাপনৰ সপোন আগত ৰাখি আমি কেইজনমান ডেকা ল'ৰাই (তেতিয়াৰ ডেকা) প্ৰথমতে বিজনী অঞ্চলৰ ভিতৰুৱা গাঁওবোৰলৈ গৈ শ্ৰদ্ধাৰ ৰাইজৰ লগত আমাৰ উদ্দেশ্য ব্যক্ত কৰাত, প্ৰত্যেকজন ব্যক্তিয়ে আমাক উৎসাহিত কৰে। তেতিয়াৰ দিনত আজিকালিৰ নিচিনা ফোন, ভাল বাট-পথ বা গাড়ী-মটৰ নথকা বাবে চাইকেলখনেই আছিল একমাত্ৰ যোগাযোগৰ সম্বল।

ইংৰাজী ১৯৬৬-৬৭ চনত মই তেতিয়া কৰ্মসূত্ৰে বড়োবাজাৰ উন্নয়ন খণ্ডত মীন বিভাগৰ চাকৰিত ন্যস্ত আছিলোঁ। তাৰ আগতেও কিছুদিনৰ বাবে অস্থায়ীভাৱে পছলাবাৰী দক্ষিণমাক্ৰা, শিলবাৰী ভাওঁৰাগুৰি আদি ঠাইত শিক্ষকতা কৰাত সেই অঞ্চলৰ মানুহবিলাকৰ লগত মোৰ ঘনিষ্ঠতা হৈছিল। কাৰণ সেই অঞ্চলৰ প্ৰায়ভাগ মুখিয়াল মানুহেই মোৰ দেউতাক জানিছিল। গতিকে মোৰ ক্ষেত্ৰত বিশেষ অসুবিধা নহ'ল।

এতিয়া আহোঁ ক'ত, কেনেকৈ আমি মহাবিদ্যালয় স্থাপনৰ সংকল্প কৰি আগবাঢ়িছিলো। তাৰ আগতে কিন্তু কেইজনমান ব্যক্তিৰ ভিতৰত বিশেষকৈ দুজনৰ নাম ল'বই লাগিব। ব্যক্তি দুজন হ'ল— বীৰেন দা আৰু লক্ষেশ্বৰ। তেওঁলোক দুজনৰ নাম নল'লে কিন্তু মোৰ লেখাৰ মূল্যই নাথাকিব। কিয়নো সেই সময়ত তেওঁলোক দুয়ো গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষা শেষ কৰি ভাৰতীয় ৰে'ল বিভাগত পাণ্ডুত চাকৰি কৰি আছিল। এদিন যেতিয়া মই আৰু উদয় দাসে প্ৰায় ১/১.৩০ মান বজাত দুয়োকে বিভাগীয় কাৰ্যালয়ত গৈ লগ ধৰি বিজনী মহাবিদ্যালয় স্থাপনৰ অগ্ৰগতিৰ বিষয়ে জনাওঁ; দুয়ো প্ৰফুল্লচিত্তে আমাক দুয়োকে চাহ-পানী খুৱাই বিদায় দিয়ে। পিছত এমাহৰ ভিতৰতে দুয়ো একেলগে সেই কাম (চাকৰি) ইস্তাফা দি গুচি আহে। এই কথাই নিশ্চয় প্ৰমাণ কৰে, তেতিয়াৰ ডেকাচামৰ নিজৰ অঞ্চলৰ সু-উন্নতিৰ বাবে মনবোৰ কেনে আছিল। প্ৰথমতে মই, উদয়, বীৰেণ দা আৰু লক্ষেশ্বৰ এই চাৰিজনে বহি আলোচনা কৰিলোঁ— ক'ত, কেনেকৈ মহাবিদ্যালয়ৰ পুঁজি সংগ্ৰহ কৰিবলৈ যাত্ৰা আৰম্ভ কৰিম। আলোচনাৰ শেষত আঘোণ মাহৰ পৰা উত্তৰ-পূবৰ গাঁৱত সোমাম বুলি 'পাণবাৰী' অঞ্চল বাছি ল'লোঁ। সেই অঞ্চলৰ গাঁওসমূহৰ মুখিয়াল মানুহখিনিক লগ ধৰি মহাবিদ্যালয় স্থাপনৰ দান হিচাবে মানুহবিলাকৰ পৰা ঘৰে ঘৰে গৈ কাৰো পৰা আধা মোন ধান, কাৰো পৰা এক বা দুই পাল্লা মৰাপাট, কাৰো পৰা (ব্যক্তি বিশেষে) ৫০ বা ১০০ টকা আদি সংগ্ৰহৰ কাম আৰম্ভ কৰা হ'ল। এই যে আৰম্ভ হ'ল আগলৈ এই কাৰ্য চলি থাকিল। আঘোণ মাহ, সৰু (চুটি) দিন। গতিকে সন্ধিয়া হৈ অহাৰ লগে লগে এন্ধাৰ নামি আহে। আমি কি কৰিম, ক'ত থাকিম। সেই সময়ত মানুহৰ ঘৰবিলাকো আজিকালিৰ নিচিনা নাছিল। খেৰী-জুপুৰী ঘৰ। গতিকে আমি চাৰিওফালে আন্ধাৰ গাঁৱত থকা লক্ষেশ্বৰ ব্ৰহ্মাৰ ঘৰলৈ গ'লোঁ আৰু তাতে ভাত-পানী খাই ঘৰৰ ভিতৰত নাথাকি চোতালত থকা কাটি থোৱা বাতাবনৰ আঁতি কিছুমান দুডাল তামোল গছত বাঁহ বান্ধি থিয়কৈ লৈ সন্মুখত ডাঙৰ শুকান গছৰ মুঢ়াত জুই জ্বলাই শুই থাকিলোঁ। ৰাতিপুৱা শুই উঠি





লক্ষেশ্বৰহঁতৰ ঘৰৰ অলপ দূৰত সাধুৰ আশ্ৰমত গৈ সুমথিৰা খাই, বৰগাঁৱলৈ আহি জয় কুমাৰক লগ ধৰি তেওঁৰ ডাঙৰ ককায়েক জীতেনদাক লগ কৰি সেই গাঁৱতো অনুৰূপ ধৰেণে মহাবিদ্যালয়ৰ অনুদান সংগ্ৰহ কৰি আবেলি বিজনীলৈ ঘূৰি আহিলোঁ। তাৰ পিছৰ পৰা কিন্তু কোনো দিনে পিছলৈ ঘূৰি চোৱাৰ দৰকাৰ নহ'ল।

প্ৰত্যেক দিনে অনুদান সংগ্ৰহকাৰী মানুহ চাৰি-পাঁচজনকৈ বাঢ়ি গৈ থাকিল। ইপিনে ব্যৱসায়ী সস্থা, দোকানী সস্থা, ৰাইজ, সকলোৱে যিয়ে যেনেকৈ পাৰে, মহাবিদ্যালয়খনৰ পুঁজি সংগ্ৰহত হাত উজান দিয়ে। তেনেকৈ আমাৰ মহাবিদ্যালয়খনৰ স্থাপনাৰ আৰম্ভণি হয় যদিও প্ৰথমতে 'বিশ্ববিদ্যালয়ে' বিজনী মহাবিদ্যালয়ক অনুমোদন দিয়া নাছিল। কাৰণ এখন মহাবিদ্যালয়ত প্ৰথম অৱস্থাত ছাত্ৰ-ছাত্ৰী যিমান লাগে হৈ নুঠাত আমি ঘৰে ঘৰে গৈ বিশেষকৈ স্থায়ী ছাত্ৰী সংগ্ৰহ কৰিছিলোঁ। তথাপি কম হোৱাত মই নিজে মোৰ নাম লিপিবদ্ধ কৰিছিলোঁ। তাকে দেখি আৰু প্ৰায় দহ-বাৰজন ছাত্ৰ বাঢ়ি গ'ল। অৱশেষত বঙাইগাঁও মহাবিদ্যালয়ৰ তেতিয়াৰ অধ্যক্ষ মাননীয় সুভাষ চক্ৰৱৰ্তীৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীৰ নাম লিখা আৰু পৰীক্ষাত বহা ৱস্থা হয়। প্ৰথম অৱস্থাত স্থায়ী ঘৰ নথকাত বিজনী ছোৱালী হাইস্কুলতে ৰাতিপুৱা ৬-৩০ বজাৰ পৰা ৯ বজালৈ পাঠদান চলিছিল।

প্ৰথম অৱস্থাত (মনত থকা মতে) মহাবিদ্যালয়খনৰ অধ্যক্ষ হিচাবে কোকৰাঝাৰ মহাবিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা প্ৰয়াত ৰমনী কান্ত শৰ্মা ছাৰক লৈ উদয় চন্দ্ৰ দাস, বীৰেন্দ্ৰগিৰি বসুমাতাৰী, লক্ষেশ্বৰ ব্ৰহ্ম আৰু শ্ৰীযুত ডম্বৰুধৰ ৰায়ক লৈ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ গঠন কৰা হয়। তাৰ কিছুদিন পিছত শ্ৰীযুত ধীৰেশ চন্দ্ৰ বৰ্মনেও যোগদান কৰে।

তাৰ পিছত সন্তোষ ঘোষ। চতুৰ্থ বৰ্গৰ কৰ্মচাৰী হিচাবে কমলা কান্ত বসুমতাৰীক পাইছিলোঁ। প্ৰথম বৰ্ষত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা মাত্ৰ ৭৩ জন। তাৰে ১২ জনীহে ছাত্ৰী আছিল। প্ৰথম ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মোৰ মনত পৰা কিছুৰ নাম ল'ব খুজিছোঁ। ছাত্ৰৰ ভিতৰত অৱলেন্দু নাথ দাস, দশৰথ ৰায়, নিখিল দাস, মনেন্দ্ৰ প্ৰসাদ বসুমতাৰী, নকুল বণিক্য, কালীপদ দাস, সুখময় চন্দ, জীৱন চন্দ্ৰ সাহা, আব্দুল ৰচিদ মিঞা, দেৱ প্ৰসাদ ঠাকুৰীয়া, সুবোধ চন্দ্ৰ দে, লক্ষী কান্ত ৰায়, সোনা ভট্ট, ব্ৰজমোহন সাহা, গিৰিধাৰী লাল আগৰৱালা, বাদল চাকলাদাৰ আৰু পাঠক আৰু শীল উপাধিধাৰী দুজন। কাৰণ আমি কেইজনেই আছিলো মুখিয়াল। বাকীবোৰৰ নাম মনত নপৰে। ছাত্ৰীৰ ভিতৰত মমতা মুখাৰ্জ্জী, স্মৃতি চন্দ, নমিতা দেৱৰায়, জ্যোৎস্না দাস, মীৰা সাহা, তিলোত্তমা দাস, মনোৱাৰা বেগম, দুলালী সাহা, প্ৰতিমা পোদ্দাৰ, উত্তৰা দাস, সবিতা ৰায় আৰু মায়া ব্ৰহ্ম। ইয়াৰ ভিতৰত কিছুমান পুৰণি ছাত্ৰ-ছাত্ৰী, শিক্ষক হয়তো আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে হেৰাই গৈছে, সেয়ে তেওঁলোকৰ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

আজিকালিৰ নিচিনা মহাবিদ্যালয়খনত ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনুষ্ঠিত হোৱা নাছিল। তেতিয়া সকলোৱে পছন্দ মতে এজনৰ নাম প্ৰস্তাৱ কৰিলেই হ'ল। সেইমতে দশৰথ ৰায়ৰ নাম প্ৰস্তাৱ হোৱাত, তেওঁকে ছাত্ৰ একতা সভাৰ সম্পাদক পাতি লোৱা হয়। একেবাৰে নতুন আৰু কম ছাত্ৰ-ছাত্ৰী হ'লেও কিন্তু মহাবিদ্যালয়ৰ ৰং-তামচা কম নাছিল। ডিচেম্বৰ মাহত বালিভাত/বনভোজ খোৱা, সৰস্বতী পূজাত নাটক কৰা, খেল-ধেমালি নিয়মমতে চলিছিল। পিছত বৰ্তমানৰ ঠাইত মহাবিদ্যালয়খনৰ

প্ৰথম লাইখুঁটা তেতিয়াৰ সম্পাদক ঁদশৰথ ৰায়ৰ দ্বাৰা পোতা হয়।

কলা-শাখাৰ পিছত বিজ্ঞান শাখা খোলাৰ বাবে ধন সংগ্ৰহ কৰাৰ বাবে লটাৰী খেলবো ব্যৱস্থা কৰা হৈছিল। তাৰোপৰি বিজনী গ্ৰেজিং ৰিজাৰ্ভৰ বহু বিঘা মাটি লাম-চাম ধনৰ বিনিময়ত ওচৰ-চুবুৰীয়া খেতিয়কক খেতি কৰিব দিয়া হৈছিল। মহাবিদ্যালয়খনৰ দক্ষিণ-পশ্চিম দিশে থকা পুখুৰীটোৰ অনুদান মীনবিভাগৰ তৰফৰ পৰা প্ৰায় ৮০ হাজাৰ টকা দিয়া হৈছিল। সামাজিক বননিকৰণৰ পৰাও কিছু গছ ৰোপণ কৰা হৈছিল।

মহাবিদ্যালয়খন নিজস্ব স্থানত স্থাপন হোৱাৰ পিছত বৰ্তমানৰ অৱস্থাত উপনীত হোৱাত আমাৰ লগতে ৰাইজৰ শ্ৰমৰ সাৰ্থকতা হোৱাৰ কথা ভাবি নিজকে ধন্য অনুভৱ কৰিছোঁ। লগতে এই শিক্ষানুষ্ঠানখনৰ ভৱিষ্যত উত্তৰোত্তৰ কামনা কৰি এই অঞ্চলৰ সু-নাম ৰক্ষা কৰাৰ লগতে শিক্ষাৰ ক্ষেত্ৰত নতুন প্ৰজন্মক আগুৱাই নিব বুলি বহু আশাৰে সামৰিলোঁ। ●

লেখক বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।





# স্ত্ৰী শিক্ষা প্ৰসাৰত বিজনী মহাবিদ্যালয়ৰ ভূমিকা

মঞ্জু দাস

'বিজনী মহাবিদ্যালয়' - চিৰাং জিলাৰ বিজনী মহকুমাৰ উচ্চশিক্ষাৰ প্ৰথম প্ৰতিষ্ঠান। ২১ জুলাই, ১৯৬৯ চন। এটি চিৰস্মৰণীয় দিন। পৃথিৱীৰ বুকুৰ পৰা আমেৰিকাৰ মহাকাশচাৰী নীল আমষ্ট্ৰং আৰু এডুইন এলড্ৰিনে চন্দ্ৰৰ বুকুত অৱতৰণ কৰাৰ দিনটোতে, নানা ভাষা-ভাষী অধ্যুষিত, শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত অতিকৈ পিছ পৰা বৃহত্তৰ বিজনী অঞ্চলত বহু আশা-প্ৰত্যাশাৰে কেইগৰাকীমান শিক্ষানুৰাগী ব্যক্তিৰ উদ্যোগত শুভাৰম্ভ কৰা হৈছিল উচ্চশিক্ষাৰ একমাত্ৰ প্ৰতিষ্ঠান এই 'বিজনী মহাবিদ্যালয়' খন। বিজনী ছোৱালী হাইস্কুলৰ মাজ-মজিয়াত সেইদিনা 'বিজনী টিউটৰিয়েল কলেজ' নামেৰে কলেজখন উদ্বোধন কৰাত বহুদিনীয়া চিন্তা-চৰ্চাৰ সাৰ্থক ৰূপায়ন দেখি বৃহত্তৰ অঞ্চলটোৰ বহু অভিভাৱকে আনন্দিত আৰু উৎফুল্লিত হৈছিল — অন্ততঃ তেওঁলোকৰ ল'ৰা-ছোৱালীহঁতে ঘৰত থাকিয়েই কম খৰচতে উচ্চশিক্ষা লাভ কৰিব পাৰিব বুলি ভাবি। পিছত মহাবিদ্যালয়খনৰ নিজা মাটিত অসম আৰ্হিৰ মহাবিদ্যালয় গৃহটো নিৰ্মাণ হৈ উঠাত ১৯৭১ চনৰ ২৭ জুলাই তাৰিখে সেইসময়ৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰীদেৱে মাঙ্গলিক কাৰ্যসূচীৰে অনুষ্ঠানিকভাৱে সেই মহাবিদ্যালয় গৃহটো উদ্বোধন কৰে।

প্ৰথম বৰ্ষত অৰ্থাৎ ১৯৬৯-৭০ চনৰ শিক্ষাবৰ্ষৰ প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল ৭৬। ইয়াৰ ভিতৰত ছাত্ৰীৰ সংখ্যা আছিল ১১ গৰাকী।

তাৎপৰ্যপূৰ্ণ কথা এইটোৱেই যে, 'বিজনী মহাবিদ্যালয়' স্থাপনৰ প্ৰথম বৰ্ষতেই পোনপ্ৰথমে নামভৰ্তি কৰিছিল এগৰাকী ছাত্ৰীয়ে, নাম যাৰ মমতা মুখাৰ্জী। তেখেত আছিল এগৰাকী সুগায়িকা। বাংলা আৰু অসমীয়া গীতত আছিল সমানে পাৰদৰ্শী। নামভৰ্তি কৰা দ্বিতীয়, তৃতীয় আৰু চতুৰ্থগৰাকীও আছিল ছাত্ৰী। তেওঁলোকৰ নাম ক্ৰমে— স্মৃতিকণা চন্দ, তিলোত্তমা দাস আৰু মনোৱাৰা বেগম। সঁচাকৈ এইটো এটা অতি আনন্দৰ কথা— ভৱিষ্যতে যে বিজনী মহাবিদ্যালয়খনে স্ত্ৰী শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত প্ৰাণকেন্দ্ৰ স্বৰূপ হৈ পৰিব, তাৰেই যেন শুভ-ইঙ্গিত বহন কৰিছিল। প্ৰথম বৰ্ষৰ পৰাই সহ-শিক্ষাৰ বাবে ছাত্ৰৰ লগতে ছাত্ৰীসকলেও উৎসাহেৰে পঢ়া-শুনা কৰিছিল।

ইয়াৰ পৰাই বুজিব পাৰি বৃহত্তৰ বিজনী অঞ্চলৰ ছাত্ৰীসকলৰ উচ্চশিক্ষাৰ প্ৰতি থকা প্ৰৱল ধাউতিৰ কথা। ইয়াৰ আগতে বিজনীত উচ্চশিক্ষাৰ প্ৰতিষ্ঠান নথকাৰ বাবে অভিভাৱকসকলে মেট্ৰিক পাছ কৰাৰ পিছত ছোৱালীক অইন ঠাইত ৰাখি উচ্চশিক্ষা দিয়াৰ কথা ভাবিবই নোৱাৰিছিল। বিশেষকৈ আৰ্থিক দিশত পিছপৰা আৰু চহা খেতিয়কসকলৰ ছোৱালীয়ে প্ৰৱল ইচ্ছা থাকিলেও উচ্চশিক্ষা গ্ৰহণৰ পৰা বঞ্চিত হ'ব লগাত পৰিছিল।

বিজনী মহাবিদ্যালয় স্থাপনৰ মূল উদ্দেশ্যই আছিল শিক্ষাৰ ক্ষেত্ৰত পিছপৰা বৃহত্তৰ বিজনী অঞ্চলৰ ল'ৰা-ছোৱালীৰ বাবে উচ্চশিক্ষা সহজলভ্য কৰি তোলা। ঘৰৰ ভাত খায়েই যাতে ল'ৰা-ছোৱালীয়ে উচ্চশিক্ষা লাভ কৰিব পাৰে— সেই উদ্দেশ্য আগত ৰাখিয়েই বিজনী মহাবিদ্যালয়খন স্থাপন কৰা হৈছিল। সেয়েহে ক'ব পাৰি যে স্থাপনৰ দিনৰ পৰাই স্ত্ৰী-শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰতো মহাবিদ্যালয়খনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

বিজনী মহাবিদ্যালয়খন স্থাপন হোৱাৰ আগেয়ে সাধাৰণতে হাইস্কুল শিক্ষান্ত পৰীক্ষাই অঞ্চলটোৰ জীয়ৰীসকলৰ শিক্ষাৰ শেষ সীমা আছিল। আৰ্থিকভাৱে স্বচ্ছল দুই-এঘৰৰ জীয়ৰীয়ে বিজনীৰ বাহিৰলৈ গৈ উচ্চশিক্ষা গ্ৰহণ কৰাৰ সুবিধা পালেও আৰ্থিক দিশত দুৰ্বল ঘৰৰ জীয়ৰীয়ে ফেল কৰিলেতো কথাই নাই, হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰিলেও ঘৰতে বহি থাকিবলগীয়া হৈছিল।

কিন্তু বিজনী মহাবিদ্যালয় স্থাপন হোৱাত বৃহত্তৰ অঞ্চলটোৰ জীয়ৰীসকলৰ উচ্চশিক্ষা লাভৰ জৰিয়তে নিজকে সমাজত প্ৰতিষ্ঠিত কৰাৰ পথ সুগম কৰি তোলে। আনকি আন ঠাইৰ পৰা বৈবাহিক সূত্ৰে বিজনী অঞ্চলৰ বোৱাৰী হোৱা কেইবাগৰাকী নাৰীয়েও এই মহাবিদ্যালয়খনত পঢ়ি-শুনি উচ্চ শিক্ষিতা হৈ অঞ্চলটোৰ বিভিন্ন স্কুলত শিক্ষয়িত্ৰী পদত নিয়োজিত হৈছিল।

প্ৰথম বছৰৰ ১১ গৰাকী ছাত্ৰীৰ মাজৰ তিলোত্তমা দাস, প্ৰণতিৰাণী সাহা আৰু ˚সাৱিত্ৰী ৰায়ে পিছলৈ শিক্ষয়িত্ৰী হৈ ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞানৰ আলোক বিলাইছিল। বাকী ছাত্ৰীসকলে পৰৱৰ্তী কালত একো একোগৰাকী সুগৃহিণী হিচাপে জীৱন-যাপন কৰিছিল।

বিজনী মহাবিদ্যালয়ৰ পৰা ১৯৭৫ চনত বি এ চূড়ান্ত পৰীক্ষাত প্ৰথম দল হিচাপে ২০ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছিল আৰু ইয়াৰ ভিতৰত ছাত্ৰীৰ সংখ্যা আছিল ছয়গৰাকী। তেওঁলোক হ'ল ক্ৰমে— ˚সন্ধ্যা সাহা, নমিতা দেৱৰায়, ˚কনক বণিক্য, স্মৃতিকনা চন্দ, নলিনী মুছাহাৰী আৰু নিভা দেবৰায়। এওঁলোকৰ ভিতৰত ˚সন্ধ্যা সাহাই ডাক বিভাগত চাকৰি কৰিছিল। নলিনী মুছাহাৰীয়ে বিজনী বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কিছুদিন সহঃ শিক্ষয়িত্ৰীৰ কাম কৰাৰ পিছত চাকৰি বাদ দি গৃহধৰ্ম পালন কৰিছিল। বাকী কেইগৰাকীয়েও একো একোগৰাকী সুগৃহিণী হিচাপে সাংসাৰিক জীৱন-যাপন কৰি আহিছে।

১৯৭২ চনত বিজনী ছোৱালী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ মই বিজনী মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ দিনাই মনত সংকল্প লৈছিলোঁ— "মই এই মহাবিদ্যালয়খনত পঢ়িয়েই মোৰ ভৱিষ্যত জীৱনটোক প্ৰতিষ্ঠিত কৰিম।"

লোকালয়ৰ পৰা আঁতৰত অৱস্থিত মহাবিদ্যালয়খনৰ প্ৰাকৃতিক পৰিৱেশ আছিল শান্ত-সৌম্য আৰু বাতাবৰণ আছিল শিক্ষাদান আৰু শিক্ষা গ্ৰহণৰ অনুকূল। বৰ্তমান সময়ৰ নিচিনা বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰী সেই সময়ত নাছিল। বিশেষকৈ ছাত্ৰীৰ সংখ্যা আছিল আঙুলিৰ মূৰত গণিব পৰা। যিয়ে নহওঁক, অধ্যাপক-অধ্যাপিকাসকলে অতি নিষ্ঠাৰে পাঠদান কৰিছিল বাবে আমি ছাত্ৰ-ছাত্ৰীসকলে ক্লাছ কৰি বৰ ভাল পাইছিলোঁ। এই ছেগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ শ্ৰদ্ধাস্পদ ˚উদয় চন্দ্ৰ দাস মহোদয়ৰ লগতে মাননীয় অধ্যাপকমণ্ডলী— ˚বীৰেন্দ্ৰগিৰি বসুমাতাৰী, ˚লক্ষেশ্বৰ ব্ৰহ্ম, ˚সন্তোষ কুমাৰ ঘোষ, বিভাৰাণী সিংহ, জমিঅ' বসুমতাৰী, মীৰা সাহা,





ৰত্না ভট্টাচাৰ্য, কামেশ্বৰ ডেকা, ধীৰেন্দ্ৰ নাথ মেধি, ˚দীনেশ দত্ত, ˚ধৰণী নাথ, ধীৰেশ চন্দ্ৰ বৰ্মন, পোৱালমণি ঠাকুৰীয়া, ˚সুনীতি দেৱী, প্ৰতাপ দাস, গিৰীন্দ্ৰ নাৰায়ণ ৰায় আৰু লুইচ ইচলাৰী ছাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলৰ মাজৰ সম্পৰ্ক আছিল অতি মধুৰ। শৈক্ষিক পৰিৱেশো আছিল অতি সুন্দৰ।

যদিও প্ৰথম দল বি এ চূড়ান্ত বৰ্ষত ছাত্ৰীৰ সংখ্যা ১৬ গৰাকী আছিল, দ্বিতীয় বেটচত কিন্তু আমি অৰ্থাৎ ৰুণু দাস আৰু মই (মঞ্জু দাস) মাত্ৰ দুগৰাকী ছাত্ৰী আছিলোঁ। দ্বিতীয় বেট্‌চৰ ছাত্ৰ ৪ জন, আৰু ছাত্ৰী হিচাপে অকল মই ১৯৭৬ চনত বিজনী মহাবিদ্যালয়ৰ পৰা বি এ পাছ কৰিছিলোঁ। আমাৰ সময়ত চূড়ান্ত পৰীক্ষাবিলাক বঙাইগাঁও মহাবিদ্যালয়ত দিব লগা হৈছিল। বি এ পাছ কৰিয়েই বৃহত্তৰ বিজনী অঞ্চলৰ পৰা মই ছাত্ৰী হিচাপে কোকৰাঝাৰ বি টি কলেজত বি টি পঢ়িবলৈ নামভৰ্তি কৰিছিলোঁ। তেতিয়াৰ সময়ত শিক্ষাৰ ক্ষেত্ৰত তেনেই পিছপৰা বিজনী অঞ্চলৰ পৰা কোনো ছাত্ৰীয়েই বি টি পঢ়িবলৈ যোৱা নাছিল। অকল হাইস্কুলত কাম কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলেহে ডেপুটেচনত বি টি পঢ়িবলৈ গৈছিল।

এইক্ষেত্ৰত ক'বলৈ গ'লে এই লেখাৰ লেখিকাই হৈছে— বৃহত্তৰ বিজনী অঞ্চলৰ বিশেষকৈ বিজনী মহাবিদ্যালয়ত পঢ়ি-শুনি উচ্চশিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যোৱা ছাত্ৰীৰ বাটকটীয়া। প্ৰবল ধাউতি থাকিলে যে আৰ্থিক অনাটন বা ভিতৰুৱা গাঁৱৰ ছোৱালী হ'লেও উচ্চশিক্ষা লাভৰ ক্ষেত্ৰত কোনো বাধাৰ সৃষ্টি কৰিব নোৱাৰে — মই নিজে তাৰে জ্বলন্ত উদাহৰণ আছিলোঁ।

সেই সময়ত, ৰাস্তা-ঘাটৰ কোনো সুবিধা নথকা অতিকৈ পিছপৰা ভিতৰুৱা গাঁও ২ নং ফাগুনাগাঁৱৰ পৰা ৰে'ল-আলিৰ কাষে কাষে অকলে অকলে ৪/৫ মাইল খোজকাঢ়ি আহি নানা বাধা-বিঘিনি নেওচি মই হাইস্কুল আৰু কলেজৰ শিক্ষা গ্ৰহণ কৰিছিলোঁ। ইয়াৰ উপৰিও গাঁৱৰ ছোৱালী হিচাবে ঘৰুৱা কাম-বন, ভুঁই ৰোৱা, ধান কটা, উড়লত ধান বনা, জাকৈৰে মাছ ধৰা, তাঁত বোৱা, ভাত ৰন্ধা আদি কাম কৰি উঠি নিশা ১০ বজাৰ পৰা ২ বজালৈ কিতাপ পঢ়িছিলোঁ। তেতিয়াৰ সময়ত বিজুলী চাকিৰ ব্যৱস্থাই হোৱা নাছিল। গতিকে লেমৰ পোহৰতেই আমি পঢ়া-শুনা কৰিছিলোঁ।

তাৰ পিছত বি টি পাছ কৰিয়েই ১৯৭৮ চনত বিজনী ছোৱালী হাইস্কুলত সহঃ শিক্ষয়িত্ৰী পদত চাকৰিত নিয়োজিত হৈছিলোঁ। ইয়াৰ মাজতে মই প্ৰাইভেটকৈ পঢ়ি অসমীয়া সাহিত্যত এম এ পাছ কৰাৰ লগে লগে ১৯৮৫ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে চিদলী কাশীকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়া বিষয় শিক্ষয়িত্ৰী পদত নিয়োজিত হওঁ।

ইয়াৰ উপৰিও ছাত্ৰী অৱস্থাৰ পৰাই মোৰ সাহিত্য-সংস্কৃতি, খেল-ধেমালিৰ প্ৰতি আছিল প্ৰবল অনুৰাগ। ছাত্ৰী অৱস্থাৰ পৰাই লেখা-মেলা কৰি, কবিতা আবৃত্তি কৰি, গান গাই বৰ ভাল পাইছিলোঁ। এতিয়াও মনত পৰিলে মোৰ ভাল লাগে আৰু ভয়ো লাগে, স্কুল- কলেজত পঢ়াৰ সময়ত ডিচেম্বৰ মাহত বছৰেকীয়া পৰীক্ষাৰ সময়ত ঘৰলৈ যাওঁতে যেতিয়া এন্ধাৰ হৈ আহে, কাষেৰে যেতিয়া দীঘল উকি মাৰি তীব্ৰ বেগেৰে ৰে'লগাড়ী পাৰ হৈ যায়, তেতিয়া ভয়তে মই হাতৰ কিতাপখিনি বুকুত সাৱটি ধৰি, ঈশ্বৰক চিন্তি ভক্তিমূলক গীতবিলাক গুণ-গুণাই গাই গাই ৰে'ল আলিৰ কাষে কাষে, খুপি খুপি ঘৰলৈ গৈছিলোঁ। ভাবিলে আজিও দেহ-মন শিঁয়ৰি উঠে।

শিক্ষাৰ প্ৰতি প্ৰবল ধাউতি আৰু নজনা কথা জানিবলৈ মোৰ ইমানেই হাবিয়াস আছিল যে, এম

এ পৰীক্ষা দিয়াৰ সময়ত আমাৰ বিজনী মহাবিদ্যালয়ৰ মাননীয় অধ্যাপক শ্ৰীকামেশ্বৰ ডেকা ছাৰক ৰাস্তা বা ক'ৰবাত লগ পালেও পৰীক্ষাত সম্ভাৱনীয়, বিশেষকৈ 'চৰ্যাপদ' আৰু 'কথা গুৰু-চৰিত' ৰ প্ৰশ্নৰ উত্তৰসমূহ কেনেকুৱা হ'ব বা কিবা কথা বুজি নাপালে সুধি ল'বলৈ মই কুণ্ঠাবোধ কৰা নাছিলোঁ। ছাৰেও মোক য'তেই হওঁক খৰচি মাৰি কথাখিনি বুজাই দিছিল। তাৰ বাবে শ্ৰদ্ধেয় ছাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। আজিও আন্তৰিক শ্ৰদ্ধাৰে মনত পেলাওঁ ছাৰৰ মহানুভৱতাৰ কথা।

বছৰ বাগৰি যোৱাৰ লগে লগে বিজনী মহাবিদ্যালয়ে বহুতো নতুন নতুন ছাত্ৰীক উচ্চশিক্ষাৰে শিক্ষিত কৰি তুলিলে। নমিতা দাস, গীতা দাস (১), তমাল কুসুম দাস, বীণা দাস, দীপ্তি চন্দ, লীলাৱতী বসুমতাৰী, লক্ষ্মী পাটোৱাৰী, দীপালী ৰায়, মেঘালী ৰায়, নিশা সাহা, পূৰ্ণিমা বসুমতাৰী, ধৰিত্ৰী ৰায়, কল্যাণী দাস, অঞ্জনা দাস, গীতা দাস (২), দময়ন্তী দেৱৰায়, আভা চাক্‌লাদাৰ, ঝৰ্ণা মল্লিক, বিমলা বসুমতাৰী, মেনকা দৈমাৰী, আনোৱাৰা বেগম, ইনা দাস, কল্যাণী ৰায়, জয়ন্তী বসুমতাৰী, মীনা ওৱাৰী, জয়মতী ৰায়, সুলেখা বসুমতাৰী, নীতি দাস, ফিৰোজা বেগম, হীৰামণি দাস, বিভা ৰায়, দীপ্তি ৰায়, ৰুবী দাস, দীপা দাস, কবিতা দাস, জৰ্জিনা বেগম, উৎপলা ৰায়, সবিতা ৰায়, অঞ্জলি কলিতা, সবিতা দাস, যুথীকা দাস, ববিতা বায়ন, নিজৰা বায়ন, চম্পা বায়ন, লিলি ব্ৰহ্ম, নিভা দাস, বৰ্ণালী দাস, হিমাদ্ৰি দাস, অনিকা বসুমতাৰী, চম্পা বসুমতাৰী, বিৰলা বসুমতাৰী, জয়মতী মুছাহাৰী, ইলাৱতী মুছাহাৰী, বিজুলী নাৰ্জাৰী, অঞ্জিমা গয়াৰী, ভণিতা দাস, বিনিতা মেধি, সুৰুচী ৰায়, কাকলি ৰায়চৌধুৰী, চন্দনা ৰায়কে আদি কৰি বৰ্তমানলৈকে কিমান ছাত্ৰীয়ে যে বিজনী মহাবিদ্যালয়ৰ পৰা শিক্ষা গ্ৰহণ কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত আৰু প্ৰতিষ্ঠিত হৈ উজ্বলি উঠিবলৈ সক্ষম হৈছে।

প্ৰণতি সাহা, আভা চাক্‌লাদাৰ আৰু ধৰিত্ৰী ৰায়ে হাইস্কুলত চাকৰি কৰি অৱসৰ গ্ৰহণ কৰিছে। ইন্দিৰা বড়ো বড়োলেণ্ড বিশ্ববিদ্যালয়, কোকৰাঝাৰত বড়ো বিভাগৰ মুৰব্বী অধ্যাপিকা হৈ সুখ্যাতিৰে কাম কৰি আছে। সবিতা ৰায়ে বিজনী মহাবিদ্যালয়তে অৰ্থবিজ্ঞান বিভাগত সহযোগী অধ্যাপিকা হিচাপে কৰ্মৰত হৈ আছে। প্ৰাক্তন ছাত্ৰী অনুকম্পা পাটোৱাৰীয়ে সুখ্যাতিৰে এম এ পাছ কৰি বৰ্তমান বিজনী মহাবিদ্যালয়তে অসমীয়া বিভাগত সহকাৰী অধ্যাপিকা পদত নিয়োজিত হৈ আছে। বিনিকা গয়াৰী আৰু আশাৰাণী ব্ৰহ্মাই বড়ো বিভাগত অধ্যাপিকা হিচাপে কাম কৰি আছে। এয়া মহাবিদ্যালয়খনৰ বাবে গৌৰৱৰ কথা। অঞ্জলি কলিতাই শক্তি আশ্ৰম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়া বিষয় শিক্ষয়িত্ৰী পদত নিয়োজিত হৈ আছে। লিলি ব্ৰহ্মাইও অসমীয়া আৰু বড়ো উভয়তে এম এ পাছ কৰি বৰমাত শিক্ষয়িত্ৰী পদত নিয়োজিত হৈ আছে। ইয়াৰ উপৰিও আৰু বহুতে বিভিন্ন স্কুলত শিক্ষয়িত্ৰী পদত কৰ্মৰত হৈ ছাত্ৰ-ছাত্ৰীৰ মাজত জ্ঞানৰ পোহৰ বিলাই আছে। স্ত্ৰী শিক্ষাৰ ক্ষেত্ৰত বিজনী মহাবিদ্যালয়ৰ এয়া নিঃসন্দেহে বৃহৎ সাফল্য।

বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী মিত্ৰা বালা বসুমতাৰীয়ে শিক্ষয়িত্ৰী হোৱাৰ উপৰিও বড়ো-সাহিত্যৰ এগৰাকী সু-প্ৰতিষ্ঠিত লেখিকা হিচাপে নাম উজ্বলাবলৈ সক্ষম হৈছে। আন এগৰাকী প্ৰাক্তন ছাত্ৰী সদ্যপ্ৰয়াত প্ৰমিলা নাৰ্জাৰীয়ে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সৰ্বপৰিচিত আৰু জনপ্ৰিয় 'বুঢ়ী আইৰ সাধু' বড়ো ভাষালৈ 'আবৈনি চলো' নামেৰে অনুবাদ কৰি ২০০৫ চনত সাহিত্য





অকাডেমী অনুবাদ বঁটা লাভ কৰি গোটেই অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। ২০১৬ চনত অসম চৰকাৰৰ দ্বাৰা শ্ৰেষ্ঠ শিক্ষয়িত্ৰী হিচাপে ৰাজ্যিক বঁটা লাভ কৰা আদৰ্শ শিক্ষয়িত্ৰী সদ্যপ্ৰয়াত প্ৰমীলা নাৰ্জাৰীয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ 'সোণপাহি' গ্ৰন্থখন বড়ো ভাষালৈ অনুবাদ কৰিছে।

অসমীয়া সাহিত্যৰ বিষয়ে চিন্তা-চৰ্চা বা লিখা-মেলা কৰাৰ ক্ষেত্ৰত মঞ্জু দাস (লেখিকা নিজে), সবিতা ৰায়, সোণালী ৰায়, শেৱালি ৰায় আদিৰ নাম উল্লেখযোগ্য।

সঙ্গীতৰ ক্ষেত্ৰখনত নাম উজ্বলাই তোলা ছাত্ৰীসকলৰ ভিতৰত ক্ৰমে— সুলেখা বসুমতাৰী, মঞ্জু দাস, তৃষ্ণা চৌধুৰী, প্ৰণিতা ৰায়, হিৰণ্মা মেধি, মিনু সামন্ত, ইলাৱতী মুছাহাৰী, জুমুথি (জুগামী) গয়াৰী, মৌচুমী মেধি, অমৃত প্ৰভা ৰায়, যশোদা ওৱাৰীৰ নাম উল্লেখযোগ্য। এওঁলোকৰ ভিতৰত সুলেখা বসুমতাৰী অনাতাঁৰ আৰু দূৰদৰ্শনৰ নিয়মীয়া শিল্পী হোৱাৰ উপৰিও বড়ো চিনেমাৰ বিখ্যাত নেপথ্য কণ্ঠশিল্পী হিচাপে জনাজাত। গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী শ্ৰদ্ধেয়া প্ৰতিমা বৰুৱা পাণ্ডেৰ আশিসধন্য মঞ্জু দাস গোৱালপৰীয়া লোকগীতৰ অনাতাঁৰ আৰু দূৰদৰ্শনৰ নিয়মীয়া শিল্পী। হিৰণ্মা মেধিও গোৱালপৰীয়া লোকগীতৰ অনাতাঁৰ আৰু দূৰদৰ্শনৰ নিয়মীয়া শিল্পী। প্ৰণিতা ৰায় কামৰূপী লোকগীতৰ অনাতাঁৰ শিল্পী। জুমুথী গয়াৰী আৰু যশোদা ওৱাৰী বড়োগীতৰ নিয়মীয়া অনাতাঁৰ শিল্পী; ইলাৱতী মুছাহাৰী বড়ো চিনেমাৰ নেপথ্য কণ্ঠশিল্পী হিচাপে সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে। অভিনয়ৰ জগতখনত খোজ পেলাই চয়নিকা দাসে অভিনেত্ৰী হিচাপে নিজকে প্ৰতিষ্ঠিত কৰি সুনাম অৰ্জন কৰিছে।

কেইগৰাকীমান প্ৰাক্তন ছাত্ৰীয়ে আইনজীৱি হিচাপেও সুনাম অৰ্জন কৰিছে। তেওঁলোকৰ ভিতৰত— পূৰবী দেৱৰায়, সোণালী ৰায়, জুনু বসুমতাৰী আৰু জয়শ্ৰী ওৱাৰীৰ নাম উল্লেখযোগ্য। কিছুসংখ্যক প্ৰাক্তন ছাত্ৰী নাৰ্চ হিচাপেও নিয়োজিত হৈ সেৱা আগবঢ়াই আছে। কিছুসংখ্যক প্ৰাক্তন ছাত্ৰীয়ে অঙ্গনবাড়ী কৰ্মী, সহায়িকা আৰু আশাকৰ্মী হিচাপেও সমাজ সেৱা আৰু মানৱ সেৱাৰ কামত ব্ৰতী হৈ আছে। কিছুসংখ্যক প্ৰাক্তন ছাত্ৰীয়ে পঢ়ি-শুনি উঠি চৰকাৰী চাকৰিৰ আশা নকৰি মহিলাৰ সাজ-পাৰৰ দোকান বা আন ব্যৱসায়-বাণিজ্যতো মনোনিৱেশ কৰিছে।

ক্ৰীড়া ক্ষেত্ৰখনত নাম উজ্বলাবলৈ সক্ষম হৈছে বিজনী মহাবিদ্যালয়ৰ ছাত্ৰী শুভ্ৰা চেটাৰ্জীয়ে। তেওঁ ১০০ মিঃৰ পৰা ১৫০০ মিঃ দৌৰ প্ৰতিযোগিতাত স্বৰ্ণপদক অৰ্জন কৰি অসমৰ এথলেটিক্‌চ জগতত এক বিস্ময়কৰ নজিৰ সৃষ্টি কৰিছিল আৰু বহু কেইবছৰঅসমক প্ৰতিনিধিত্ব কৰি সৰ্বভাৰতীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পদক লাভ কৰিছিল। ১৯৭৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আন্তঃকলেজ প্ৰতিযোগিতাত বিজনী মহাবিদ্যালয়ৰ প্ৰতিনিধি শুভ্ৰা চেটাৰ্জীয়ে শ্ৰেষ্ঠা মহিলা দৌৰবিদৰ সন্মান অৰ্জন কৰিছিল। ১৯৮৪ চনত তামিলনাডুত অনুষ্ঠিত আন্তঃকলেজ প্ৰতিযোগিতাত ১০০, ২০০, ৪০০ আৰু ৮০০ মিঃ দৌৰত শ্ৰেষ্ঠত্বৰ সন্মান লাভ কৰি বিজনী তথা অসমৰ নাম উজ্বলাই তুলিছিল। তাৰোপৰি ২০০৫ চনত থাইলেণ্ডত অনুষ্ঠিত ইণ্টাৰনেশনেল ভেটাৰেণ এথলেটিক্‌স প্ৰতিযোগিতাত দৌৰত ৩য় স্থান লাভ কৰিছিল। এতিয়া তেওঁ চৰকাৰী চাকৰিজীৱি আৰু কোকৰাঝাৰ বাসিন্দা।

পঢ়া-শুনাৰ ক্ষেত্ৰতো দুই-এগৰাকী ছাত্ৰীয়ে যথেষ্ট সুনাম অৰ্জন কৰিছে। স্নাতক পৰ্যায়ৰ অসমীয়া মেজৰত বিজনী মহাবিদ্যালয়ত পোনপ্ৰথমবাৰৰ বাবে

অনুকম্পা পাটোৱাৰীয়ে ২০১৩ চনত প্ৰথম শ্ৰেণী লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। অৰ্থবিজ্ঞান বিভাগত ২০১৭ চনত স্নাতক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত নৱনীতা বসুমতাৰীয়ে এখন প্ৰশ্নকাকতৰ উত্তৰ বহীত ৯৮ শতাংশ নম্বৰসহ প্ৰথম শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হৈ মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ২০১৮ চনৰ গুৱাহাটী বিশ্ববিদ্যালয় স্নাতক চূড়ান্ত পৰীক্ষাত ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰী শ্ৰীশঙ্খমিত্ৰা দেবৰায়ে ৮২ শতাংশ নম্বৰেৰে ৩য় স্থান লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

১৯৯৪ চনৰ ২১ জুলাইৰ পৰা বিজনী মহাবিদ্যালয়ত বিজ্ঞান শাখা আৰম্ভ কৰাৰ লগে লগে কিছুসংখ্যক ছাত্ৰীয়েও বিজ্ঞানৰ স্নাতক হিচাপে উচ্চ শিক্ষিতা হৈ বিভিন্ন শিক্ষানুষ্ঠানত নিয়োজিত হৈ আছে। অকল সেয়ে নহয়, বিজনী মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা এক বুজনসংখ্যক ছাত্ৰীয়ে শেহতীয়াকৈ চৰকাৰে নিযুক্তি দিয়া টেট শিক্ষয়িত্ৰীৰূপেও শিক্ষা বিস্তাৰৰ গুৰু দায়িত্ব বহন কৰাৰ লগতে নিজকে প্ৰতিষ্ঠিত কৰিব পাৰিছে।

গতিকে, বৃহত্তৰ বিজনী অঞ্চলত স্ত্ৰী তথা নাৰী শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত বিজনী মহাবিদ্যালয়খনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে আৰু এইক্ষেত্ৰত সফল হৈছে বুলি ক'ব পাৰি।

শেহতীয়াকৈ বিজনী মহাবিদ্যালয়ত অসমীয়া বিভাগত স্নাতকোত্তৰ শ্ৰেণী আৰম্ভ কৰা হৈছে। এই বছৰৰ ফলাফলত দুগৰাকী ছাত্ৰী কৃষ্ণা দাস আৰু প্ৰতিমা ভড়ালীয়ে UGC য়ে নিৰ্ধাৰণ কৰা অৰ্হতা সহ মুঠ এঘাৰগৰাকী ছাত্ৰীয়ে অসমীয়াত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছে। গতিকে ছাত্ৰৰ লগতে ছাত্ৰীসকলেও সমানে উচ্চশিক্ষা লাভ কৰি এম এ ডিগ্ৰী লৈ সমাজখনত বিভিন্ন অৱদান আগবঢ়াওক— এই আশা কৰিলোঁ।

আমাৰ সকলোৰে অতি মৰমৰ আৰু হেঁপাহৰ বিজনী মহাবিদ্যালয়খনে সময়ৰ লেখেৰে আহি পঞ্চাশ বৰ্ষপূৰ্তিত উপনীত হৈছেহি। সেয়েহে "সোণালী জয়ন্তী" উদ্‌যাপনৰ এই শুভক্ষণত বিজনী মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত আৰু সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ। আগলৈও বিজনী মহাবিদ্যালয়ে বৃহত্তৰ অঞ্চলটোত স্ত্ৰী-শিক্ষাৰ প্ৰসাৰ আৰু বিস্তাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰক— সেই আশাৰে —

জয়তু বিজনী মহাবিদ্যালয়।
জয়তু সোণালী জয়ন্তী বৰ্ষ। ●

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১) স্মৃতিগ্ৰন্থ – বিজনী মহাবিদ্যালয় (ৰূপালী জয়ন্তী বৰ্ষ)।
২) বিজনী মহাবিদ্যালয়ৰ আলোচনীৰ বিভিন্ন সংখ্যা।
৩) Commemorative Volume, 50th year celebration. Bijni College, Bijni 21st July, 2018.

লেখিকা বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী।







# বিজনী মহাবিদ্যালয়ৰ কিছু স্মৃতিলেখা

জগত চন্দ্ৰ ৰায়

"অজ্ঞান তিমিৰ নান্ধং জ্ঞানঞ্জন শলাকয়া
চক্ষুৰ্ম্মিলিতং যেন তস্মৈ শ্ৰী গুৰুৱে নমঃ।।"

যিসকল শ্ৰদ্ধেয় শ্ৰীগুৰুৰূপী অধ্যক্ষ, উপাধ্যক্ষ সমন্বিতে অধ্যাপক-অধ্যাপিকাই মোৰ অজ্ঞান এন্ধাৰ নাশি জ্ঞান চক্ষু মেল খুৱাই দিলে, যিসকলৰ আপ্ৰাণ প্ৰচেষ্টাত উচ্চশিক্ষাৰ প্ৰতিষ্ঠান বিজনী মহাবিদ্যালয়ৰ সৃষ্টি হ'ল, পোন প্ৰথমতে সেইসকল স্বনামধন্য গুৰুৰ তি মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

বিজনী ছোৱালী হাইস্কুলত কোকৰাঝাৰ বি টি কলেজৰ মাননীয় অৱসৰ প্ৰাপ্ত অধ্যক্ষ প্ৰয়াত ৰমণীকান্ত শৰ্মাদেৱক অধ্যক্ষ হিচাপে আমন্ত্ৰণ তথা দায়িত্ব অৰ্পণ কৰি প্ৰথমে Night College আৰম্ভ কৰিছিল। পিছত মাননীয় প্ৰয়াত উদয় চন্দ্ৰ দাসদেৱে অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে।

১৯৭৪ চনত মই বিজনী বান্ধৱ হাইস্কুলৰ পৰা প্ৰৱেশিকা পাছ কৰি বৰ্তমানৰ স্থানত বিজনী কলেজত নামভৰ্তি কৰোঁ। ৰাইজৰ দান বৰঙণিৰে বিজনী মৰিশালিৰ কাষতে 'L' (এল) আকাৰৰ এটা মাত্ৰ কলেজ গৃহ। ঘন জংঘলৰ মাজত এক জয়াল পৰিৱেশ। যি কি নহওক বাহিৰৰ কলেজত পঢ়াৰ আমাৰ কোনো সুযোগ বা সামৰ্থ নাছিল। বিজনী কলেজখন নহ'লে হয়তোবা আজি আমাৰ বহুতৰে কলেজৰ শিক্ষা লাভ কৰা সম্ভৱ নহলহেঁতেন।

১৯৭৬ চনত আমি মুঠ ১৬ জন ছাত্ৰ-ছাত্ৰীয়ে P.U. পাছ কৰোঁ। তেতিয়া P.U. আৰু B.A. দুবছৰীয়াকৈ Course আছিল। পৰীক্ষাৰ কেন্দ্ৰ আছিল বঙাইগাঁও কলেজ। আমি ১৬ জন ছাত্ৰ-ছাত্ৰীয়ে স্নাতক প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰোঁ। পূৰ্বৰ Student Union Body ৰ কাৰ্যকাল শেষ হোৱাত মই সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হওঁ আৰু প্ৰয়াত অজিত মেধিৰ পৰা কাৰ্যভাৰ গ্ৰহণ কৰোঁ। (১৯৭৭-৭৮ ইং চন)।

Students Union পুঁজিৰ পৰিমাণ একেবাৰে নগণ্য আছিল। সীমিত পুঁজিৰে স্বাধীনতা দিৱস, প্ৰজাতন্ত্ৰ দিৱস, কলেজ সপ্তাহ, সৰস্বতী পূজা,

শিক্ষক দিৱস, শিশু দিৱস, শিল্পী দিৱস, ৰাভা দিৱস, গান্ধী জয়ন্তী আদি উৎসৱবোৰ পালন কৰা হৈছিল। ইণ্টাৰ কলেজ ফুটবল টুৰ্ণামেণ্টতো যোগদান কৰা হৈছিল। হাউলীৰ বি.এইচ. কলেজৰ সৈতে ফুটবল, ভলীবল খেল আদিৰে এক সৌহাৰ্দ্যপূৰ্ণ বাতাৱৰণ গঢ়ি তোলা হৈছিল। সেই সময়ত বি.এইচ. কলেজৰ অধ্যক্ষ আছিল মাননীয় সত্যনাথ দাসদেৱ। বন্ধু সুভাষ ভৌমিক বিজনী কলেজৰ খেল সম্পাদক আছিল।

মই পঢ়াৰ সময়ত মাননীয় উদয় চন্দ্ৰ দাস অধ্যক্ষ, মাননীয় বীৰেন্দ্ৰ গিৰি বসুমাতাৰী উপাধ্যক্ষ, ক্ৰমে লক্ষেশ্বৰ ব্ৰহ্ম, সন্তোষ ঘোষ, ধীৰেশ বৰ্মন, ধীৰেন্দ্ৰ নাথ মেধি, কামেশ্বৰ ডেকা, দীনেশ দত্ত, লুইছ ইছলাৰী, ধৰণীধৰ নাথ, পোৱালমণি ঠাকুৰীয়া, জমিঅ' বসুমতাৰী, প্ৰতাপ দাস, গিৰীণ ৰায় মাননীয় অধ্যাপক আৰু ক্ৰমে— বিভাৰাণী সিংহা, মীৰা সাহা, সুনীতি দেৱী, ৰত্না ভট্টাচাৰ্যী আদিক মাননীয়া অধ্যাপিকা হিচাপে পাইছিলোঁ। অফিচত কাৰ্যালয় সহায়ক হিচাপে মাননীয় দীনেশ্বৰ ৰায়, যতীন্দ্ৰ ৰায়, লাইব্ৰেৰীত দেৱদাস মুখাৰ্জী, ৪ৰ্থ বৰ্গৰ কৰ্মচাৰী পদত কমল বসুমাতাৰী, মঙ্গল চন্দ্ৰ ৰায়ক পাইছিলো। সকলোৰে সৈতে মোৰ সু-সম্পৰ্ক তথা আন্তৰিকতা গঢ়ি উঠিছিল।

কলেজৰ অধ্যয়নৰ লগতে সংগীত চৰ্চাও মাজে-সময়ে হৈছিল। সাংস্কৃতিক সম্পাদক আছিল বন্ধুবৰ নন্দলাল ৰায়। কুমুদ বড়া, প্ৰীতিশ মুখাৰ্জী, মঞ্জু দাস, অৰুন্ধতী দাস, গীতা দাস আদিয়ে সহযোগ কৰিছিল। মই মুঠ তিনিবাৰকৈ শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ।

মৰিশালিৰ কাষতে থকাৰ বাবে হয়তো মাজে সময়ে 'ভূতৰ' উপস্থিতিৰ উমান পোৱা গৈছিল। এবাৰ নৱাগত আদৰণিৰ বাবে প্ৰস্তুতি কৰি থাকোতে নিশা হ'ল। দুটা হেঁচাক লাইট জ্বলাই কাম কৰি আছিলো। কলেজত তেতিয়া বিজুলী সংযোগ হোৱা নাছিল।

সহ-সম্পাদক খাইৰুল হ'কৰ লগত কাম কৰা ল'ৰাকেইজনক হোটেলত ভাত খোৱাৰ বাবে পঠাই মই অকলে মাজৰ কৰিডৰত ৰঙীন কাগজৰ ফুল কাটি আছিলোঁ। অলপ পিছত মানুহৰ খোজৰ নিচিনা শব্দ শুনিবলৈ পাওঁ। প্ৰথমতে মই মন কৰা নাছিলো। পিছত আগ-পিছ, সোঁ-বাওঁ সকলো ফালৰ পৰা খোজৰ শব্দ, যেন বহু মানুহ আহি আছে। তেতিয়া মোৰ ভয় লাগিছিল। কমল আৰু মঙ্গলসিং দুয়োজনেই নাই। মই হেঁচাক এটা লৈ বেগাই ৰাস্তালৈ আহিলোঁ। এনেতে খাইৰুলহঁত আহি পালে আৰু বাকী কামখিনি শেষ কৰি ঘৰাঘৰি গ'লোঁ। ইতিমধ্যে কমল আৰু মঙ্গলচন্দ্ৰ ৰায় আহি পালে।

ইয়াৰ কেইদিনমান পিছত বিজনী আঞ্চলিক ছাত্ৰ-সন্থাৰ উদ্যোগত স্বেচ্ছাসেৱক বাহিনীৰ কৰ্মশালা চাৰিদিনীয়াকৈ কলেজত অনুষ্ঠিত হৈছিল। শেষৰ দিনা সন্ধিয়া গৰমৰ বাবে মই দুলানী নৈত গা-ধুবলৈ গৈছিলোঁ। মোৰ পিছত এজন প্ৰতিনিধি ল'ৰাও গৈছিল। ল'ৰাজনে শৌচ আদি কৰি হাত-ভৰি ধুই পুনৰ আহি সভাকক্ষত বহিছিল। সভাশেষ হ'ল, কিন্তু ল'ৰাজন বহাৰ পৰা নুঠে। লগৰ ল'ৰা এজনে গাত ধৰি মাতোতে সি বিকট চিঞৰ মাৰি ঠৰ্‌ঠৰ্‌কৈ কঁপিব ধৰিলে। অৱশেষত দৌৰি জংঘলৰ পিনে যাব ধৰোতে দহজনমান ল'ৰাই কোনোমতে ধৰি ৰাখিলে। কিবা বেমাৰ হোৱা বুলি বিজনী চৰকাৰী ডাক্তৰ মাননীয় কামেশ্বৰ দাসক লৈ অহা হ'ল। কিন্তু লক্ষণ বেছিহে হ'ল। ডাক্তৰেও ভয় কৰিলে। বুলেট মটৰ চাইকেলেৰেও অকলে যাবলৈ ডাক্তৰে ভয় কৰাত বাসভৱনত থৈ অহা হ'ল। অৱশেষত বিহাৰী কবিৰাজ এজনৰ জৰিয়তে বহু চেষ্টাৰ অন্তত 'ভূত





খেদা হ'ল। ল'ৰাজন সুস্থ হয় যদিও দুৰ্বল দেখা গৈছিল। তাৰ কিছুদিন পিছত কলেজৰ ওচৰত কৃষিবিভাগৰ কোৱাৰ্টাৰত থকা M.P. পুলিচ বেটেলিয়েনৰ পাঞ্জাৱী চিপাহী এজনক সেই একেই ভূতে লম্ভিলে। তেওঁকো সেইজন কবিৰাজে ভাল কৰিলে।

Union Body ৰ জৰিয়তে আমি কলেজত ৰেগিং কৰাটো বন্ধ কৰিছিলোঁ। তাৰ বাবে কিছুমানে মোক ভীতি প্ৰদৰ্শনো কৰিছিল।

মাননীয় উদয় চন্দ্ৰ দাস, বীৰেন্দ্ৰগিৰি বসুমাতাৰী, লক্ষেশ্বৰ ব্ৰহ্মা প্ৰমুখ্যে ছাৰসকলৰ অশেষ ত্যাগ, কষ্ট তথা কৰ্মোদ্যমে আমাৰ বহুতকে অনুপ্ৰাণিত কৰিছিল আৰু যাৰ ফলত আজি গেৰুকাবাৰী হাইস্কুলখন প্ৰতিষ্ঠা কৰি অশেষ কষ্ট আৰু ত্যাগৰ অন্তত ২০১৩ চনত চৰকাৰীকৰণ হ'ল। লক্ষেশ্বৰ ব্ৰহ্মাছাৰে কথা প্ৰসংগত এদিন হাঁহি হাঁহি কৈছিল যে —

'গাঁৱৰ মানুহে মোক ঠাট্টা কৰে মই হেনো বড়োই নহয়, কাৰণ মই মদ নেখাওঁ'। দক্ষিণ বিজনীৰ ব্লক কংগ্ৰেছৰ স্বাধীনতা দিৱসৰ এখন সভাত মানুহৰ উপস্থিতি সেৰেঙা দেখি বীৰেন্দ্ৰগিৰি ছাৰে মোক কৈছিল— জগত তুমি এনে এটা গান গোৱা যাতে সভালৈ মানুহ আহে ! মই জ্যোতি প্ৰসাদৰ 'জননীৰ সন্তান জাগা... গানটো তেতিয়া গালোঁ আৰু সঁচাকৈ বজাৰৰ পৰা কিছু মানুহ সভালৈ আহিছিল। জমিঅ' বসুমতাৰী ছাৰো সেই সভাত উপস্থিত আছিল।

যি কি নহওঁক এনে বহু অভিজ্ঞতাৰ মাজেৰে কলেজৰ আমেজভৰা সোণালী দিনবোৰ বন্ধু-বান্ধৱীৰ সৈতে আনন্দেৰে পাৰ কৰিছিলোঁ।

এটা বিষয়ত মোৰ ভাল লাগে এই বুলি যে প্ৰায়বোৰ অনুষ্ঠানতে কলেজৰ পৰা মই আমন্ত্ৰণ পাওঁ। দুবাৰ মোক উচ্চতৰ মাধ্যমিক পৰীক্ষাত পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰিছিল। নিৰীক্ষণ কালত পৰীক্ষাসমূহ উপযুক্ত অনুশাসনৰ জৰিয়তে নিয়াৰিকৈ পৰিচালনা কৰা মোৰ দৃষ্টিগোচৰ হৈছিল।

বিজনী মহাবিদ্যালয়খনে আজি বিদ্যায়তনিক দিশত যথেষ্ট উন্নতি লাভ কৰিবলৈ সক্ষম হৈছে। অভিজ্ঞ, উচ্চশিক্ষিত অধ্যাপক-অধ্যাপিকাৰ সমাৱেশ ঘটিছে। বহুতো মেধাবী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে। মহাবিদ্যালয়খনৰ মাননীয় অধ্যক্ষ ড° বীৰহাসগিৰি বসুমাতাৰী, উপাধ্যক্ষ মাননীয় ড° প্ৰমথেশ বায়নৰ লগতে স্থানীয় বিধায়ক মাননীয় শ্ৰীকমল সিং নাৰ্জাৰীৰ প্ৰচেষ্টা আৰু তৎপৰতাত পাৰিবেশিক, পৰিবেষ্টনীক, শৈক্ষিক আদি সকলো দিশ সামৰি অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হৈছে। বিদ্বৎজনৰ, জ্ঞানপিপাসুসকলৰ বাবে সৰ্বোৎকৃষ্ট মহান জ্ঞান তীৰ্থৰ ক্ষেত্ৰ হৈ পৰিছে। সোণালী জয়ন্তী উৎসৱত যোগদান তথা এলানি লেখা দিবলৈ পাই নিজকে ধন্য মানিছোঁ। উৎসৱত বহুতো অন্তৰংগ বন্ধু-বান্ধৱী লগ পোৱা হ'ল।

বিজনী মহাবিদ্যালয়ৰ জ্ঞান-বিদ্যাৰ বন্তিগছ বিশ্বজনীন সোণালী আলোকেৰে আলোকিত হওঁক। এয়াই মোৰ কামনা।

জয়তু বিজনী মহাবিদ্যালয়। ●

লেখক বিজনী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক।

# বিজনী মহাবিদ্যালয়, মানৱসম্পদ আৰু বৌদ্ধিক চিন্তা-চৰ্চা

অতুলানন্দ মেধি

ঐতিহ্য বহনকাৰী বিজনী চহৰখনে আজি এক নতুন ইতিহাস সৃষ্টি কৰিবলৈ ওলাইছে। এটা সময়ত অতি পিছপৰা বিজনী অঞ্চলৰ কেইজনমান উচ্চাকাঙ্খী বিদ্যানুৰাগী ব্যক্তিৰ কঠোৰ পৰিশ্ৰম আৰু ত্যাগৰ ফলত বিজনী মহাবিদ্যালয়খন আজিৰ পৰা পঞ্চাশ বছৰৰ আগতে স্থাপন হৈছিল। এই চিন্তাৰ মহানায়ক কেইজন হ'ল ঁউদয় চন্দ্ৰ দাস, ঁবীৰেন্দ্ৰগিৰি বসুমাতাৰী আৰু ঁলক্ষেশ্বৰ ব্ৰহ্ম ডাঙৰীয়া। বিজনী মহাবিদ্যালয়ৰ পৱিত্ৰ স্মৃতিবেদীত এওঁলোকক আমি ত্ৰিমূৰ্তি হিচাপে স্বীকৃতি দিলে কৃতজ্ঞতা প্ৰকাশ কৰা হ'ব। আমি সকলোৱে জানো কৃতজ্ঞতা মানুহৰ সজ গুণ।

বিজনী মহাবিদ্যালয় গঢ়াৰ প্ৰথম সপোন দেখা ব্যক্তিজন হ'ল উদাৰ অন্তৰৰ অধিকাৰী সমাজসেৱক আৰু শিক্ষাবিদ ঁউদয় চন্দ্ৰ দাস। ১৯৬০ চনত স্বৰ্গীয় উদয়চন্দ্ৰ দাস ছাৰ গুৱাহাটী বিশ্ববিদ্যালয়ত এম এ পঢ়ি থাকোতে গুৱাহাটী (মালিগাঁও) ত ৰে'ল বিভাগত চাকৰি কৰা স্বৰ্গীয় বীৰেন্দ্ৰগিৰি বসুমাতাৰী আৰু স্বৰ্গীয় লক্ষেশ্বৰ ব্ৰহ্ম ছাৰক সঘনে ৰে'লৰে কোৱাৰ্টাৰত লগ পায় আৰু বিজনীত এখন মহাবিদ্যালয় স্থাপনৰ বিষয়ে মৌখিক সিদ্ধান্ত গ্ৰহণ কৰে। এইসকলৰ মাজত শ্ৰীযুত সমৰেন্দ্ৰ বসুমাতাৰীৰ নামটোও ল'ব লাগিব। ইং১৯৬৬ চনৰ ১০ চেপ্তেম্বৰৰ দিনা বিজনী গাঁও পঞ্চায়ত কাৰ্যালয়ত স্বৰ্গীয় যোগেন দাসৰ সভাপতিত্বত এখন মহাবিদ্যলয় স্থাপন সম্পৰ্কে সভা অনুষ্ঠিত হয়। উক্ত সভাত ৰামপ্ৰসাদ দাস, স্বৰ্গীয় বদ্ৰী নাৰায়ণ আগৰৱালা, স্বৰ্গীয় দুৰ্গা প্ৰসাদ সাহা, স্বৰ্গীয় যামিনী মোহন বসুমতাৰী, গোপাল কিশোৰ সৰকাৰ, কানাইলাল বোস, সুনীলৰঞ্জন ঘোষ, তৰনী দাস আৰু উদয় চন্দ্ৰ দাস ডাঙৰীয়া উপস্থিত আছিল। মহাবিদ্যালয় স্থাপন কমিটিয়ে উল্লিখিত কেইজনমান বিশেষ উৎসাহী ঁব্যক্তিক লৈ এখন তদাৰক কমিটি গঠন কৰি প্ৰাক্তন অধ্যক্ষ উদয় চন্দ্ৰ দাসক আহ্বায়কৰ দায়িত্ব প্ৰদান কৰে। তদাৰক কমিটিখন বিজনী বিধান সভা সমষ্টিৰ বিধায়ক ঁৰাম প্ৰসাদ দাসৰ (প্ৰজা চচিয়েলিষ্ট পাৰ্টি) সভাপতিত্বত ২৬/১১/৬৬ ইং তাৰিখে অনুষ্ঠিত হৈছিল। এইদৰে লক্ষ্মীপূজা কমিটিৰ নাট ভৱনত ৭৬ জনীয়া মহাবিদ্যালয় পৰিচালনা কমিটিখন গঠন হয়। সেই সময়ত গোৱালপাৰা জিলাৰ কোকৰাঝাৰ মহকুমাৰ মহকুমাধিপতিক সভাপতি আৰু বিজনী বান্ধৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ঁবীৰেন্দ্ৰ চন্দ্ৰ বড়োক কাৰ্যকৰী সভাপতি, বদ্ৰী নাৰায়ণ আগৰৱালা আৰু ঁউদয় দাসক যুটীয়া সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে। দূৰদৰ্শী কমিটিখনে ১৫০ বিঘা মাটিৰ আবণ্টন





পোৱাৰ বাবে চৰকাৰৰ টাউন গোমাঠৰ পৰা ওচৰত দাবী জনায়। অৱশ্যে সম্প্ৰতি কিমান মাটি আছে নাজানোঁ। এনেদৰে বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদি আগবাঢ়ি আহি ২১/০৭/১৯৬৯ ইং তাৰিখে বিজনী টিউটিৰিয়েল শ্ৰেণী আৰম্ভ হয়। ১৯৭২ ইং চনত অসম বিধান সভাৰ বিধায়ক তথা উপমন্ত্ৰী স্বৰ্গীয় গোলক চন্দ্ৰ পাটগিৰিও সভাপতিৰ আসন শুৱাইছিল। স্বৰ্গীয় পাটগিৰি আৰু স্বৰ্গীয় বীৰেন্দ্ৰ চন্দ্ৰ বড়োৱে বুজাবুজিৰ মাজেদি কলেজ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিছিল। প্ৰধান অধ্যক্ষ ৰমণী কান্ত শৰ্মা ডাঙৰীয়াই ছুটি লৈ ঘৰলৈ গুচি যোৱাত স্বৰ্গীয় উদয় চন্দ্ৰ দাস ডাঙৰীয়াই অধ্যক্ষৰ পদ চম্ভালে। দুখীয়া ছাত্ৰ-ছাত্ৰী যাতে বঞ্চিত হ'ব নালাগে তাৰ কাৰণে তেওঁ বাকী দি নামভৰ্তি কৰাইছিল। বহু দুখীয়া মানুহে যাৰ বাবে উচ্চ শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল।

বিজনী মহাবিদ্যালয়ত যিসকলে প্ৰথমে শিক্ষক হিচাপে সেৱা আগবঢ়াইছিল সেইসকলৰ ভিতৰত স্বৰ্গীয় উদয় চন্দ্ৰ দাস (ৰাজনীতি বিজ্ঞান বিভাগ), স্বৰ্গীয় বীৰেন্দ্ৰগিৰি বসুমাতাৰী (অসমীয়া বিভাগ), শ্ৰীযুত ধীৰেশ চন্দ্ৰ বৰ্মন (বাংলাবিভাগ), শ্ৰীযুত ডম্বৰুধৰ ৰায় (অৰ্থনীতি) আৰু স্বৰ্গীয় লক্ষেশ্বৰ ব্ৰহ্ম (বুৰঞ্জী)। বিজনী কলেজৰ আজি সোণালী জয়ন্তী বৰ্ষত সেইসকলৰ নাম শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। অৱশ্যে বহু বিৰতিৰ পাছত ১৯৮৫-৮৬ ইং চনত বিজ্ঞান শাখাৰ পাঠদান প্ৰক্ৰিয়া আৰম্ভ হয় আৰু এই শাখাৰ পৰাও ভালেকেইগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সীমিত সুবিধাৰ মাজেৰে শিক্ষা সমাপ্ত কৰি জীৱনত প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে। আমি আশাবাদী বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সমাজে সমাজত বিজ্ঞান মানসিকতাক গঢ় দিয়াত বলিষ্ঠ পদক্ষেপ লব।

বিভিন্ন ৰাজনৈতিক, সামাজিক বিশৃঙ্খলতা আৰু অন্তৰায়সমূহক অতিক্ৰমী বিজনী মহাবিদ্যালয়খনে উন্নতিৰ পথত আগবাঢ়িবলৈ সমৰ্থ হৈছে। আৰম্ভণিতে উল্লেখ কৰা প্ৰতিষ্ঠাপক শিক্ষকসকলৰ উপৰিও বিজনী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু নৈতিক দিশত উন্নতি সধাসকলৰ ভিতৰত শ্ৰীযুত কামেশ্বৰ ডেকা, শ্ৰীযুত প্ৰতাপ চন্দ্ৰ দাস, শ্ৰীধীৰেন্দ্ৰনাথ মেধি, ঁদীনেশ দত্ত, ঁধৰণীধৰ নাথ, শ্ৰী লুইচ ইচলাৰী , শ্ৰীবিভাৰাণী সিংহ বৰুৱা, শ্ৰী জমিঅ' কুমাৰ বসুমতাৰী, শ্ৰীৰবীন্দ্ৰকুমাৰ চাহু, শ্ৰী সুব্ৰতা গোস্বামী আৰু প্ৰয়াত সুনীতি দেৱী আৰু শ্ৰী মনোৰঞ্জন শৰ্মাৰ নাম বিশেষভাৱে ল'ব লাগিব। শ্ৰীবিভাৰাণী সিংহ বাইদেউৱে মহাবিদ্যালয়খনত অধ্যক্ষা হিচাপে সুচাৰুৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। শ্ৰীপ্ৰদীপ কুমাৰ শৰ্মা আৰু শ্ৰী গিৰীণ ৰায়ৰ কথাও পাহৰিলে অকৃতজ্ঞ হ'ম।

গুৰু নিন্দা পানী কাউৰী। সেয়েহে মহাবিদ্যালয়ৰ আজিৰ এই গৌৰৱোজ্জ্বল সোণালী ক্ষণত প্ৰাক্তন তথা বৰ্তমান কৰ্মৰত সকলো শিক্ষক শিক্ষয়িত্ৰীক শ্ৰদ্ধা ও প্ৰীতিভাব জ্ঞাপন কৰিলোঁ। স্বীকাৰ কৰিবই লাগিব এই মহৎ অনুষ্ঠানখনে অঞ্চলটিৰ গৰীব প্ৰতিভাৱান ছাত্ৰ-ছাত্ৰীক প্ৰতিভা বিকাশত প্ৰভূত সহায় কৰিছে। এই মহাবিদ্যালয়খনৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰি পৰৱৰ্তী সময়ত স্নাতকোত্তৰ ডিগ্ৰীৰে উচ্চশিক্ষিত হোৱাৰ লগতে জীৱনত আশানুৰূপ ফল লাভ কৰিব পাৰিছে। এই মহাবিদ্যালয়খনৰ ছাত্ৰই মহাবিদ্যালয় তথা বিশ্ববিদ্যালয়ৰ শিক্ষকৰ পদো অলংকৃত কৰাৰ যোগ্যতা অৰ্জন কৰিছে। সেইসকলৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক ড° ভূপেন নাৰ্জাৰী, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ড° ইন্দিৰা বড়ো, বড়োলেণ্ড

বিশ্ববিদ্যালয়ৰ ডিৰেক্টৰ ড° দীননাথ বসুমতাৰী; সেইদৰে কটন বিশ্ববিদ্যালয়ত কৰ্মৰত শ্ৰী বীৰুপাক্ষগিৰি বসুমাতাৰী, ডিফু চৰকাৰী মহাবিদ্যালয়ত কৰ্মৰত প্ৰমথেশ বসুমতাৰী, বিজনী মহাবিদ্যালয়ৰ ড° প্ৰমথেশ বায়ন, ড° বীৰহাসগিৰি বসুমাতাৰী (বৰ্তমান অধ্যক্ষ), ড° আশাৰাণী ব্ৰহ্ম, ড° গীগীম ব্ৰহ্ম, ড° ডিম্বেশ্বৰ দাস আদিকৰি ভালেকেইজন ছাত্ৰ-ছাত্ৰীয়ে Ph.D. ডিগ্ৰী লাভ কৰাৰ উপৰিও ভালেমান ছাত্ৰই গৱেষণা আৰম্ভ কৰিছে। এইসকল কৃতিমানৰ উপৰিও শ্ৰীনৰেন বসুমতাৰী আৰু প্ৰয়াত স্বদেশ সাহাই অসম চৰকাৰৰ বিষয়া হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এওঁলোকৰ উপৰিও আন আন ভালেমান ছাত্ৰ-ছাত্ৰী বিভিন্ন ধৰণৰ বিদ্যালয়সমূহত শিক্ষকতা কৰি ছাত্ৰ-ছাত্ৰীক সুশিক্ষা প্ৰদানেৰে বিজনী অঞ্চলত মানৱ সম্পদ বৃদ্ধি কৰিছে। কোনোজনে উচ্চ মাধ্যমিকত প্ৰধান শিক্ষক-শিক্ষয়িত্ৰী আৰু কোনোবাই উচ্চতৰ মাধ্যমিকত অধ্যক্ষ হিচাপে আসনত উপবিষ্ট হৈছে। বন্ধুবৰ শ্যামলাল বসুমতাৰী আৰু শ্ৰীঅৰুণ বসুমতাৰীৰ নাম উল্লেখ নকৰিলে দোষে চুব। তেনেদৰে বিজনী অঞ্চলৰ প্ৰথম মহিলা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হোৱা শ্ৰীমঞ্জু দাসৰ কথা কবই লাগিব। এখেতে চিদলী কাশিকোত্ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষয়িত্ৰী হিচাপে কাম কৰাৰ উপৰিও অধ্যক্ষা হিচাপে কিছুদিন কাৰ্যনিৰ্বাহ কৰিছিল। শ্ৰীদাস গোৱালপৰীয়া লোক-সঙ্গীতৰ অনাতাঁৰ আৰু দুৰদৰ্শনৰ শিল্পী। তেনেদৰে শ্ৰীসুলেখা বসুমতাৰী বিজনী মহাবিদ্যালয়ৰ ছাত্ৰী আৰু বড়ো ভাষাৰ এগৰাকী অদ্বিতীয়া শিল্পী, ৰেডিঅ', টি.ভি.ৰ নিয়মীয়া শিল্পী হোৱাৰ উপৰিও বড়ো বোলছবিতো কণ্ঠদান কৰিছে। তেনেদৰে শ্ৰীহিৰণ্ময় মেধি (গোৱালপৰীয়া লোকগীতৰ শিল্পী), স্বৰ্গীয়া তৰুলতা ৰাজবংশী আৰু শ্ৰীতৃষ্ণা চৌধুৰীয়ে সুগায়িকা হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে। শ্ৰী চৌধুৰীয়ে প্ৰধানকৈ গণ-সঙ্গীত পৰিৱেশন কৰে। এখেতৰ ছোৱালী মৌচুমী মেধি কলকাতাৰ ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ পৰা শাস্ত্ৰীয় সংগীতত (ধ্ৰুপদী) সুখ্যাতিৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছে।

তেনেদৰে কেইজন মান ছাত্ৰই নিজস্ব প্ৰতিভা আৰু বুদ্ধিমত্তাৰ জৰিয়তে ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰখনতো স্থান লাভ কৰিছে। ৰাজ্যখনৰ বৃহৎ ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কমিটিৰ সদ্যস্য হিচাপে শ্ৰীচাণক্য দাস, শ্ৰীৰবীন্দ্ৰ চন্দ্ৰ দাস, শ্ৰীপাৰ্থজিৎ ৰায়ৰ নাম উল্লেখ কৰা হ'ল। শ্ৰীসন্তোলী বসুমাতাৰী, সদৌ অসম উচ্চতৰ মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ৰাজ্যিক সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিছিল আৰু বসুমতাৰী ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হৈছিল। শ্ৰীবসুমতাৰী সদৌ বড়ো ছাত্ৰ সন্থাৰ সভাপতিৰ দায়িত্বও পালন কৰিছিল।

এসময়ৰ ছাত্ৰ নেতা সুবক্তা শ্ৰীহৰেশ্বৰ দাস সুদক্ষ আইনজীৱী আৰু চেণ্টাৰ অব ইণ্ডিয়ান ট্ৰেড ইউনিয়নৰ নেতা, বঙাইগাঁও জিলা উকীল সন্থাৰ সভাপতি, All India Lawyers Union ৰ পৃষ্ঠপোষক আৰু অসম ৰাজ্যিক উকীল সন্থাৰ কাৰ্যবাহী সদস্য হোৱাৰ উপৰিও All India Road Transport Workers Federation ৰ অন্যতম সম্পাদক। তেনেদৰে মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীগজেন বৰ্মন ভাৰতৰ গণতান্ত্ৰিক যুব ফেডাৰেচনৰ অসম ৰাজ্যিক কমিটিৰ সম্পাদক হোৱাৰ উপৰিও কেন্দ্ৰীয় কমিটিৰ সম্পাদক মণ্ডলীৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। বৰ্মনে কলেজ শিক্ষকৰ চাকৰি ত্যাগ কৰি বামপন্থী দল এটাৰ সৰ্বক্ষণ কৰ্মী হিচাপে নিয়োজিত





হয়। তেনেদৰে শ্ৰীজগমোহন মেধি (নীলেশ্বৰ) বড়োবাজাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহশিক্ষক হোৱাৰ উপৰিও সদৌ অসম মাধ্যমিক শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ ৰাজ্যিক সদস্য আৰু পৰৱৰ্তী দিনত তেওঁ উপদেষ্টা হিচাপে মনোনীত হয়। শ্ৰীঘৃত্য কুমাৰ ৰায় সদৌ অসম বনকৰ্মী সন্থাৰ সভাপতি হোৱাৰ উপৰিও সৰ্বভাৰতীয় বনকৰ্মীৰ কেন্দ্ৰীয় কমিটিৰ উপসভাপতি হিচাপে মনোনীত হৈছিল। শ্ৰীসুভাষ মেধি সদৌ অসম মণ্ডল কৰ্মচাৰী সন্থাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। এওঁলোকৰ উপৰিও শ্ৰীনিৰ্মল সৰকাৰ ভাৰতীয় জীৱন বীমা কৰ্পোৰেচনৰ মাণ্ডলিক বিষয়া হিচাপে পদোন্নতি হৈছিল। শ্ৰীবিমল বসুমাতাৰীও ভাৰতীয় জীৱন বীমাৰ প্ৰবন্ধক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেনেদৰে শ্ৰীনিৰ্মল সাহা, শ্ৰীকামিনী কুমাৰ ৰায় আদি কৰি ভালেকেইজন ছাত্ৰই বেংক মেনেজাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। এনেদৰে শ শ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন চাকৰি-বাকৰি তথা ব্যৱসায়-বাণিজ্যৰে জীৱনত প্ৰতিভাত হোৱাৰ লগতে সমাজ জীৱনকো উজ্জীৱিত কৰিছে।

ক্ৰীড়াৰ ক্ষেত্ৰতো ভালেকেইগৰাকী ছাত্ৰই বিজনীলৈ সুনাম কঢ়িয়াই আনিছে। সেইসকলৰ ভিতৰত শৰৎ চন্দ্ৰ ৰায় (অসম ৰাজ্যিক দলৰ সুদক্ষ খেলুৱৈ), ভুপেন দাস (বাবলা) অসম ৰাজ্যিক ভলীবল খেলুৱৈ আৰু দাসে দুবাৰো অসম দলৰ অধিনায়কৰ দায়িত্ব পালন কৰিছিল। তেনেদৰে খৰ্গেশ্বৰ বসুমতাৰী আৰু পূৰ্ণ ওৱাৰী ভলীবলৰ জুনিয়ৰ ৰাজ্যিক খেলুৱৈ হিচাপে নিৰ্বাচিত হৈছিল। পূৰ্ণ ওৱাৰী অসম স্কুল দলত স্থান পাইছিল। বকুল বসুমতাৰী গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৈ ফুটবল খেলিছিল। শুভ্ৰা চেটাৰ্জীয়ে আন্তঃৰাষ্ট্ৰীয় (দৌৰত) খেলত পুৰস্কৃত হৈছিল। এনেদৰে ভালেমান ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কৰ্ম ক্ষেত্ৰত কৃতিত্বৰে আগবাঢ়ি পৰিয়াল সমাজ তথা দেশৰ সেৱা আগবঢ়াইছে। সময় আৰু সুপৰিকল্পনাৰ অভাৱত বহুতৰ বিষয়ে আলোকপাত কৰিব পৰা নগ'ল বাবে ক্ষমা বিচাৰিছো।

এইদৰে সুদীৰ্ঘ পঞ্চাছ বছৰ অতিক্ৰম কৰাৰ সোণালীক্ষণত বিজনী মহাবিদ্যালয়খনে বিজনী অঞ্চলত মানৱ সম্পদ বিকাশৰ ক্ষেত্ৰত যে যথেষ্ট পৰিমাণে সফল হৈছে সেই কথা ওপৰত উল্লিখিত আলোচনাৰ পৰাই বুজিব পাৰি। মানৱ সম্পদ সৃষ্টিৰ লগতে বৌদ্ধিক দিশটোৰ কথাও আলোচনা কৰাটো সমীচিন হ'ব। বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ কোকৰাঝাৰ বিটি কলেজৰ অধ্যক্ষ ড° মঙ্গলসিং হাজোৱাৰী ডাঙৰীয়াই শ্ৰীলঙ্কাৰ কলম্বো বিশ্ববিদ্যালয়ৰ পৰা ডি.লিট. উপাধি লাভ কৰিছে। পৰম্পৰাগত বড়ো জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণক কেন্দ্ৰ কৰি লিখা গৱেষণা গ্ৰন্থখনে বহুত তথ্য আৰু ভাবাৰ্থ জানিবলৈ সহায় কৰিছে। তেওঁ সাহিত্য অকাডেমী বঁটাও লাভ কৰিছিল। ড° দীননাথ বসুমতাৰীৰ গৱেষণামূলক গ্ৰন্থসমূহেও নতুন চিন্তাৰ পথ মুকলি কৰিছে।

বিজনী মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ ড° বীৰহাসগিৰি বসুমাতাৰীয়ে অনুবাদ সাহিত্যৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰাৰ উপৰিও তেওঁৰ গবেষণা গ্ৰন্থখনে নতুন চিন্তাৰ সমল যোগাইছে। ইয়াৰোপৰি ভালেমান মেধাবী ছাত্ৰ-ছাত্ৰীয়ে দক্ষ বিষয়া হিচাপে পৰিচয় দিব পাৰিছে। সেইসকলৰ ভিতৰত শ্ৰীচন্দ্ৰমোহন ৰায় আৰু শ্ৰীৰমেশ ৰায়ৰ নাম উল্লেখ কৰিলোঁ।

ৰাজনীতিৰ পথাৰখনতো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰ ভুমিকা পালন কৰিছে। সেইসকলৰ ভিতৰত আমি বিধায়ক শ্ৰীকমলসিং

নাৰ্জাৰীৰ কথা প্ৰথমতে ল'ব লাগিব। শ্ৰীযুত নাৰ্জাৰী বৰ্তমান বিজনী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু সোণালী বৰ্ষ উদ্‌যাপন কমিটিখনৰো সভাপতি। বিধায়ক নাৰ্জাৰীয়ে তৃতীয়বাৰ বিধান সভালৈ নিৰ্বাচিত হোৱাটোৱেই তেওঁৰ ৰাজনৈতিক বিচক্ষণতাৰ প্ৰমাণ দিয়ে। অমায়িক ব্যৱহাৰেৰেই ৰাইজক আকৃষ্ট কৰিব পৰা তেওঁ এজন বুদ্ধিমান ৰাজনীতিক। ইয়াৰোপৰি অসমীয়া আৰু বড়ো ভাষাত গ্ৰন্থ ৰচনা আৰু প্ৰকাশ শ্ৰীনাৰ্জাৰীৰ অন্যতম দিশ। তেনেদৰে শ্ৰীবলোৰাম ব্ৰহ্ম, B.T.C.ৰ কাৰ্যবাহী সদস্য হিচাপে যোগ্যতাৰে কাম-কাজ পৰিচালনা কৰাৰ উপৰিও শ্ৰীসিংহৰাম বড়োৱেও কাৰ্যবাহী সদস্য হিচাপে সুনাম আৰ্জিব পাৰিছে। শ্ৰীসুবীৰ কুমাৰ দাস কংগ্ৰেছী হিচাপে পৰিচিত আৰু যুব কংগ্ৰেছৰ ৰাজ্যিক পৰ্যায়ত নেতা হিচাপে স্বীকৃতি পাইছিল। ৰত্নেশ্বৰ ৰায়ে অসম গণপৰিষদ দলৰ কৰ্ণধাৰ কমিটিৰ সদস্য পদ লাভ কৰিছিল। আৰু বহুত নেতা-পালিনেতাৰ নাম প্ৰকাশ কৰিব নোৱাৰিলোঁ।

ওপৰৰ আলোচনাৰ পৰা আমি সহজে অনুমান কৰিব পাৰোঁ যে বিজনী মহাবিদ্যালয়খনে অকল মানৱ সম্পদ সৃষ্টি কৰাই নহয় ভালেকেইজন বৌদ্ধিক চিন্তা-চৰ্চা তথা জ্ঞানৰ সাধনা কৰা ব্যক্তিক জন্ম দিবলৈ সক্ষম হৈছে। বিভিন্ন জনগোষ্ঠী তথা ধৰ্মাৱলম্বী লোকৰ বাসভূমি বিজনী অঞ্চলটি শান্তি-সম্প্ৰীতিৰ ক্ষেত্ৰ বুলি সুনাম আছে। মাজে-সময়ে উগ্ৰ সাম্প্ৰদায়িক তথা মৌলবাদী শক্তিসমূহে অশান্তি বিয়পাব বিচাৰে যদিও বিজনী অঞ্চলৰ শিক্ষিত সমাজে তাক সুন্দৰভাৱে প্ৰতিহত কৰি আহিছে আৰু আগলৈকো প্ৰতিহত কৰিব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

অনস্বীকাৰ্য যে স্বাধীনোত্তৰ সত্তৰ বছৰৰ পাছতো আমাৰ বিজনী অঞ্চলৰ ৰাইজ সামন্তযুগীয় ধ্যান-ধাৰণাৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই। অন্ধ বিশ্বাস, কুসংস্কাৰবোৰ আঁতৰাব নোৱাৰিলে ডাইনী হত্যা, নাৰী নিৰ্যাতন চলিয়ে থাকিব, আশা কৰিছোঁ নতুন দিনৰ নতুন পোহৰত নতুন প্ৰজন্মই ইতিবাচক ভূমিকা গ্ৰহণ কৰিব। মই এজন শিক্ষক হিচাপে অনুভৱ কৰোঁ সাম্প্ৰতিক সময়ছোৱাত আমাৰ সমাজখনক বিশ্বায়ণৰ (বহুজাতিক কোম্পানী) অৰ্থনীতিয়ে গ্ৰাস কৰিছে। জ্যোতিপ্ৰসাদৰ ভাষাত পুঁজিবাদৰ যি সংস্কৃতি সিয়ে অপ-সংস্কৃতি। ফলত মোবাইল, ড্ৰাগচ আদিয়ে নতুন চামক মোহগ্ৰস্ত কৰিছে। ছাত্ৰ-ছাত্ৰীবোৰে অধ্যয়নতকৈ এইবোৰতহে অধিক গুৰুত্ব দিবলৈ লৈছে। সেয়েহে অভিভাৱকসকলৰ দায়িত্ব অধিক বাঢ়িছে।

আগতেই উল্লেখ কৰিছোঁ যে বিজনী মহাবিদ্যালয়ৰ বহু ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰিছে। হেমচন্দ্ৰ শইকীয়াৰ ভাষাত— "এজন গৱেষক ডক্টৰেট উপাধি লাভৰ যোগ্যতা অৰ্জন কৰাৰ অৰ্থ হৈছে তেওঁ এটা বৈজ্ঞানিক মনৰ অধিকাৰী হোৱা আৰু তেনে বৈজ্ঞানিক মনৰ সৃষ্টি কৰাটোৱে বিশ্ববিদ্যালয়ৰ অন্যতম লক্ষণ"। ৰাইজে আশা কৰে ব্যক্তিগত সুবিধাৰ কাৰণে ডক্টৰেট ডিগ্ৰী লাভৰ জ্ঞানক সীমিত নকৰি তেওঁলোকৰ কষ্টৰ ফল সৰ্বসাধাৰণ ৰাইজে লাভ কৰিব পৰা হ'লে আৰু বেছি উপকৃত হ'লহেঁতেন।

সমাজৰ বিভিন্ন দিশৰ ক্ষেত্ৰত আগবঢ়োৱা সেৱা বা কৰ্মৰাজিৰ কথা আলোচনা কৰিলোঁ যদিও বৰ্তমান সময়ৰ অতি সংবেদনশীল বিষয় প্ৰচাৰ মাধ্যমৰ বিষয়ে জানো নিলিখাকৈ থাকিব পাৰি? এইক্ষেত্ৰত আমাৰ বিদ্যালয়ৰ কৃতি ছাত্ৰ সাংবাদিক জমশ্বেৰ আলিৰ কথা ক'বই লাগিব। ৰাজ্যখনৰ





সংবাদ ক্ষেত্ৰখন (বাতৰি কাকত, টিভি) ত তেওঁ কিছু ভূমিকা পালন কৰিবলৈ সমৰ্থ হৈছে। তেওঁ এজন ভাল লেখক। তেনেদৰে বিজনী মহাবিদ্যালয়ৰ হেমেন শৰ্মা আৰু কুঞ্জমোহন ৰায়ে সংবাদ পৰিৱেশক হিচাপে স্বীকৃতি লাভ কৰিছে। আমি আশাকৰোঁ সাংবাদিকসকলে যেন ৰাজনীতিকে বিচৰা ধৰণে আচৰণ নকৰি স্বাধীনভাৱে কাম কৰি যায়। ব্যৱসায় আৰু বিশেষকৈ কৃষি ক্ষেত্ৰত উল্লেখযোগ্য ব্যক্তিৰ সন্ধেদ পোৱা নগ'ল।

বিভিন্ন জনগোষ্ঠী ধৰ্ম আৰু ভাষা-ভাষীৰে বিজনী অঞ্চলটি পৰিবেষ্টিত। বিজনী অঞ্চল সমন্বয়ৰ প্ৰতীক। সমন্বয়ৰ বান্ধোন যিদিনাই ছিগিব সেইদিনাই বিজনী ধ্বংসৰ ফালে গতি কৰিব। আমাৰ দৃঢ়বিশ্বাস বিজনী মহাবিদ্যালয়ৰ সৃষ্ট ছাত্ৰ-ছাত্ৰীয়ে বিজনী অঞ্চলটিক সকলোফালৰ পৰাই বিকশাই তুলি ধৰাৰ চেষ্টাত ব্ৰতী হ'ব। আমি সদায় মনত ৰাখিব লাগিব শিক্ষাই হৈছে সমাজ এখনৰ বৌদ্ধিক বিকাশৰ অন্যতম উপায়। ●

---

লেখক বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ; তেখেত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক।

# স্মৃতিৰ পটত বিজনী মহাবিদ্যালয়

হৰেশ্বৰ দাস




সময় আনুমানিক ইংৰাজী ১৯৬৯ চন। বিজনী লক্ষ্মীমন্দিৰৰ চৌহদত সন্ধিয়া চহৰৰ সেইসময়ৰ বিশিষ্ট ব্যক্তিকেইগৰাকীমানে গোলাকাৰভাৱে চকীত বহি নিবিড় আলোচনাত মগ্ন। মাজত এটা পাম্প দিয়া হেছাক্ লাইট। তেখেতসকলৰ ভিতৰত আছিল শ্ৰদ্ধেয় ৰামপ্ৰসাদ দাস, উদয় চন্দ্ৰ দাস ছাৰ, ৰমণী মোহন দাস, হৰগোবিন্দ দাস আৰু পোন্ধৰগৰাকীমান ব্যক্তি, যিসকলক ৰাজপথত দেখিলে আমি আটাইয়ে সমীহ কৰিছিলোঁ। তেখেতসকল আটায়ে সম্প্ৰতি প্ৰয়াত। কাষতে এখন কিতাপৰ দোকান থকা সূত্ৰে সেই সময়ত মই সেই আলোচনাস্থলৰ ওচৰেদি ঘূৰা-ফিৰা কৰিছিলোঁ। তাতেই গম পাইছিলোঁ বিজনী ৰিজাৰ্ভত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা হ'বলৈ গৈ আছে।

ইংৰাজী ১৯৭৪ চন। বিজনী বান্ধৱ হাইস্কুল (এতিয়া উচ্চতৰ মাধ্যমিক) ৰ পৰা সেই বছৰত প্ৰথম বিভাগত উত্তীৰ্ণ চাৰিগৰাকী ছাত্ৰৰ ভিতৰত ময়ো এগৰাকী আছিলোঁ। আমাৰ পৰিয়ালটোৰ সেইসময়ত পানীত হাঁহ নচৰা অৱস্থা। সেয়ে বিশেষ একো নভবাকৈ মই আৰু বাইদেউ হিমানী দাসে (তেৰোঁ একেসময়তে বিজনী ছোৱালী হাইস্কুলৰ পৰা তৃতীয় বিভগত উত্তীৰ্ণ হৈছিল) বিজনী কলেজত ভৰ্তি কৰিছিলোঁ। মোৰ মনত পৰে, সেইসময়ত ভৰ্তি মাছুল সম্পূৰ্ণকৈ দিব পৰা নাছিলোঁ। ন্যূনতম পইচা জমা দি মোৰ নামভৰ্তি সম্পূৰ্ণ হৈছিল।

প্ৰিন্সিপাল উদয় দাস ছাৰৰ ওচৰত মাছুল মাফ্ৰ বাবে দৰ্খাস্ত দিয়াত তেওঁ মোৰ দৰ্খাস্তত ততালিকে অনুমোদন জনাইছিল।

সঁচাকৈ ক'বলৈ গ'লে মোৰ জীৱনৰ কোনো লক্ষ্য থিৰ কৰা নাছিলোঁ। কলেজৰ প্ৰথম দিনটো এতিয়াও স্মৃতিপটত সজীৱ হৈ আছে। সেইকথা





ভাবি এতিয়াও পুলকিত হৈ পৰোঁ, ৰোমাঞ্চিত হওঁ।

কলেজখন আছিল তেনেই সাধাৰণ। পথাৰৰ মাজত পোনপটীয়াকৈ উত্তৰা-দক্ষিণাকৈ এটা দীঘলীয়া টিনৰ ঘৰ। উত্তৰৰ পিনে দুটা ডাঙৰ আহল-বহল কোঠালী। মাজত এটা সৰু পেচেজ্। তাৰ দক্ষিণে এটা ক'মন ৰুম। দক্ষিণে ক'মন ৰুম সংলগ্ন আন এটা কোঠালী প্ৰবক্তাসকলৰ বাবে সংৰক্ষিত। তাৰপিছত আছিল কাৰ্যালয় কক্ষ। সেই কোঠালীৰ আধা অংশত পুথিভঁৰাল। দক্ষিণে শেহৰটো কোঠালীত প্ৰিন্সিপাল ছাৰৰ কক্ষ। এয়ে আছিল বিজনী মহাবিদ্যালয় ভৱন। কলেজ চৌহদৰ কোনো সীমামূৰীয়া বেৰ নাছিল। চাৰিওপিনে মুকলিমূৰীয়া। অৱশ্যে শিক্ষাগ্ৰহণ কৰি থাকোঁতেই সমুখৰ বাৰাণ্ডা আৰু উত্তৰপিনে পুবা-পশ্চিমাকৈ দুটা শ্ৰেণীকোঠা নিৰ্মাণ কৰা হৈছিল।

কলেজখনত আমাৰ বাবে অধ্যয়নৰ বিষয় আছিল কেবল ইংৰাজী, অসমীয়া, বাংলা, অৰ্থনীতি, ৰাজনীতি বিজ্ঞান, শিক্ষা, দৰ্শন, বুৰঞ্জী আৰু ঐচ্ছিক অসমীয়া। প্ৰাক্ বিশ্ববিদ্যালয় শ্ৰেণীত ইংৰাজী আৰু মাতৃভাষা বাদ দি যিকোনো তিনিটা বাধ্যতামূলক বিষয়ৰ লগতে এটা অতিৰিক্ত বিষয়ো লোৱাৰ সুযোগ আছিল। মই তৰ্কবিজ্ঞান বিষয়টোক অতিৰিক্ত বিষয় হিচাপে লৈছিলোঁ। মোৰ মনত পৰিছে বীৰেন্দ্ৰগিৰি বসুমাতাৰী ছাৰ, প্ৰিন্সিপাল উদয় চন্দ্ৰ দাস ছাৰ, লক্ষেশ্বৰ ব্ৰহ্ম ছাৰ, কামেশ্বৰ ডেকা ছাৰে আমাক প্ৰথমবাৰৰ বাবে দিয়া শিক্ষাদানৰ সময়ত বিদ্যালয় আৰু মহাবিদ্যালয়ত অধ্যয়নৰ পাৰ্থক্য সম্বন্ধে ফঁহিয়াই বুজাই দিছিল। বিদ্যালয়ত পঢ়াৰ সময়ত আমি বাধ্যবাধকতা মানি চলিব লাগিছিল; আনহাতে মহাবিদ্যালয়ত সেই বাধ্যবাধকতা নাছিল যদিও গভীৰ দায়িত্ববোধ নিজে নিজেই আনিব লাগিব বুলি তেওঁলোকে সঁকিয়াই দিছিল।

বহুদিন মই কোনো পাঠ্যপুথি নোহোৱাকৈয়ে শ্ৰেণীসমূহ কৰিব লগা হৈছিলোঁ। শ্ৰদ্ধেয় ঠাকুৰীয়া ছাৰ, সুনীতি দেৱী বাইদেউ আদিয়ে মোক পুথিভঁৰালৰ পৰা কিতাপ নিজৰ নামত নি সহায় কৰা কথা চিৰদিনলৈ মনত থাকিব।

তেতিয়া ৰাজ্যখনত নতুনকৈ প্ৰগতিশীল ছাত্ৰ আন্দোলনৰ ধাৰা এটাই এচাম ছাত্ৰক চুই গৈছিল। তাৰেই প্ৰভাৱত ময়ো 'আছু'ৰ স্থানীয় নেতৃত্বত থকাৰ পিছতো 'ভাৰতৰ ছাত্ৰ ফেডাৰেছন'ৰ নতুনকৈ সংগঠন গঢ়ি তোলাত ব্ৰতী হৈছিলোঁ। শিক্ষা-কৰ্ম সংস্থাপনৰ দাবীত বিভিন্ন কাৰ্যসূচীও সেইসময়ত চালুকীয়াভাৱে গ্ৰহণ কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীবোৰে মৰমো কৰিছিল মোক যথেষ্ট। সেয়ে ১৯৭৪-৭৫ শিক্ষাবৰ্ষৰ বাবে অনুষ্ঠিত ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই 'আছু' আৰু 'আমছু'ৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰা ভূপেন ৰায় (সম্প্ৰতি প্ৰয়াত) আৰু বিদ্যুৎ কুণ্ডুক বহু ভোটৰ ব্যৱধানত পৰাজিত কৰি সহকাৰী আলোচনী সম্পাদক পদত জয়ী হৈছিলোঁ। জাতিভিত্তিক বহুধা বিভক্ত ছাত্ৰসমাজে মোক এনেকৈ ভাৰতৰ ছাত্ৰ ফেডাৰেছনৰ বেনাৰত প্ৰতিদ্বন্দ্বিতা কৰা সত্ত্বেও কৰা বিশ্বাস আৰু মৰমৰ কথা এতিয়াও ভাবিলে নিজেই গৌৰবান্বিত হওঁ।

শিক্ষাবৰ্ষ শেষ নৌ হওঁতেই ইং ১৯৭৫ চনত ছাত্ৰ আন্দোলনে গতি লাভ কৰিছিল। কলেজ শিক্ষকৰ পৰীক্ষা বৰ্জন কাৰ্যসূচী, বিশ্বৰ বৃহত্তম শিল্প ধৰ্মঘট হিচাপে স্বীকৃত ৰে'লৱে শ্ৰমিকৰ ওঠৰ দিন ধৰি সংগঠিত ধৰ্মঘটে সমগ্ৰ দেশত এক ৰাজনৈতিক অস্থিৰতা আনি দিছিল। সদৌ অসম ছাত্ৰ সন্থাইও দেশৰ মিশ্ৰ অৰ্থনীতি পৰিহাৰ কৰি প্ৰকৃতপক্ষে

সমাজতান্ত্ৰিক ধাঁচত অৰ্থনৈতিক ব্যৱস্থা গঢ়ি তোলাকে ধৰি ৰাজ্যখনৰ সেই সময়ৰ জ্বলন্ত সমস্যা সমাধানৰ দাবীত দুৰ্বাৰ ছাত্ৰ আন্দোলন গঢ়ি তোলে। এগৰাকী সমাজ সচেতন ছাত্ৰ হিচাপে ময়ো এই পৰিৱেশৰ পৰা আঁতৰি আহিব পৰা নাছিলোঁ। ফলত সেই চনৰে ২৬ জুনৰ নিশা ঘোষিত জৰুৰীকালীন অৱস্থাৰ পিছে পিছে দেশ তথা ৰাজ্যখনৰ আন আন ঠাইত হোৱা ব্যাপক ধৰ-পাকৰৰ প্ৰভাৱত ময়ো মুকলিমূৰীয়াকৈ ঘৰত থাকিব নোৱাৰা হৈছিলোঁ। ফলত কলেজৰ স্বাভাৱিক অধ্যয়নত বাধা আহি পৰিল। বিভিন্ন স্থানত কৰা আত্মগোপনৰ শেহত স্বাধীনতা দিৱসৰ দিনা ৰাতিপুৱাই মই আৰক্ষীৰ হাতত ধৰা পৰিছিলোঁ। চৰকাৰে 'মিছা' আইনত (Maintenance of Internal Security Act.) মোক বিনা বিচাৰে সুদীৰ্ঘ এবছৰ ছমাহ কাৰাগাৰত আটক কৰি ৰাখি থ'লে। যদিও মই প্ৰাক্ বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিকৰ বছৰেকীয়া পৰীক্ষাত অৱতীৰ্ণ হৈছিলোঁ, ফলাফল দিয়াৰ পূৰ্বে প্ৰেপ্তাৰ হ'ব লগা হোৱাত দ্বিতীয় বৰ্ষৰ শ্ৰেণীত অধ্যয়নৰ সুযোগৰ মুদা পৰে। প্ৰথম তিনিমাহ মোক ধুবুৰী কাৰাগাৰত ৰাখি শেষত একবছৰ তিনিমাহ সুদূৰ যোৰহাট কাৰাগাৰত আটকাধীন কৰি ৰাখে। যোৰহাট কাৰাগাৰৰ পৰাই বিভিন্নভাৱে লাগি ভাগি থকাত ইং ১৯৭৭ চনৰ ফেব্ৰুৱাৰী মাহৰ প্ৰথম ভাগত মই পি ইউ ছেকেণ্ড ইয়াৰৰ টেষ্ট পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুবিধাৰ্থে 'পেৰল' (Parole) ত মুক্তি লাভ কৰোঁ। মৰিয়নিৰ পৰা দুদিন ধৰি মিটাৰগজ্ ৰে'লেৰে আহি পৰীক্ষাৰ আগদিনা সন্ধিয়া বিজনী পালোহি। কি পৰীক্ষা দিম, নিজেই ক'ব নোৱাৰোঁ। কিয়নো পাঠ্যক্ৰম সম্পৰ্কে কোনো ধাৰণা নাই। দুটা শিক্ষাবৰ্ষ ইতিমধ্যে পাৰ হৈ গৈছে। সুদীৰ্ঘ ৰে'ল যাত্ৰাৰ জোঁকাৰণিৰ প্ৰতিক্ৰিয়া স্বৰূপে গোটেই নিশা শুব পৰা নাছিলোঁ।

পিছদিনাখন আছিল ইংৰাজী প্ৰশ্নকাকত। মই পৰীক্ষা দিবলৈ মহাবিদ্যালয়লৈ যোৱাত দীৰ্ঘদিনৰ মূৰকত মোক দেখি ছাত্ৰ আৰু শিক্ষকৰ মাজত বিস্ময় প্ৰকাশ— সকলোৰে সহানুভূতিশীল দৃষ্টি অৱলোকন কৰি চকুলো ভৰি পৰিছিল আৰু যেন কিবা এটা প্ৰেৰণা পাইছিলোঁ। প্ৰশ্নকাকত পোৱাৰ পিছত নিজে যি বুজিছিলোঁ, তাৰে ভিত্তিত কিবা-কিবি লিখিছিলোঁ। অৱশ্যে বাকীবোৰ পৰীক্ষা দিওঁতে এদিন-দুদিনকৈ হ'লেও সময় পোৱাত পৰীক্ষাৰ্থী বন্ধু-বান্ধৱীৰ পৰা পৰামৰ্শ লোৱাৰ সুযোগ পাইছিলোঁ।

তেনেকৈ পৰীক্ষা দি থাকোতেই ১৯৭৭ চনৰ ২২ ফেব্ৰুৱাৰীত মই কাৰাগাৰৰ পৰা মুক্তি লাভ কৰাৰ বাতৰিটো আৰক্ষী বিষয়া এগৰাকীয়ে দি গৈছিল। গতিকে ২৫ ফেব্ৰুৱাৰীত মই যোৰহাট কাৰাগাৰলৈ পুনৰ উভতি যাবলগা নহ'ল। ইতিমধ্যে জৰুৰীকালীন অৱস্থা চৰকাৰে উঠাই লৈছিল।

সেই বছৰৰে মাৰ্চৰ আৰম্ভণিতে পৰীক্ষাৰ ফলাফল প্ৰকাশ পাইছিল। মই গৌৰৱান্বিত হৈছিলোঁ। এই কাৰণেই যে যি তিনিগৰাকীয়ে প্ৰথম তালিকাত উত্তীৰ্ণ হৈছিল, তাৰ ভিতৰত ময়ো স্থান লাভ কৰিছিলোঁ। অৰ্থাৎ কোনো বিষয়তে মই অকৃতকাৰ্য হোৱা নাছিলোঁ।

পিছে পয়মাল লাগিল তাৰ পিছতে। প্ৰিন্সিপাল ছাৰে মোক কোনোপধ্যে চূড়ান্ত পৰীক্ষাৰ ফৰ্ম পূৰাব নিদিয়ে। কাৰণ একেটাই— মোৰ হেনো বিশ্ববিদ্যালয়ে বিচাৰাধৰণে শ্ৰেণীত উপস্থিতিৰ ন্যূনতম নিৰিখ নাই। নথকাৰে কথা। কিয়নো কাৰাগাৰত আৱদ্ধ ৰখাৰ পিছত শ্ৰেণীত উপস্থিত থকাৰ প্ৰশ্নই নুঠে। অশেষ কাবৌ-কাকুতি কৰাৰ মূৰকত প্ৰিন্সিপাল ছাৰে আমাক সুযোগ দিলে এই



'স্মৃতিগ্ৰন্থ' সোণালী জয়ন্তী বৰ্ষ, ২০১৮-১৯

বুলি যে যদিহে মই ডি.পি.আই.ৰ পৰা বিশেষ ৰেহাইৰ ব্যৱস্থা কৰিব পাৰোঁ, তেন্তে তেখেতে অনুমতি দিয়াৰ পদক্ষেপ লব।

কথামতে কাম। মোৰ সৰু দাদা ৰাজেন্দ্ৰ প্ৰসাদ দাস আৰু মই সিদিনাই নিশা ধুবুৰী গাড়ীৰে গুৱাহাটীলৈ যাত্ৰা কৰিলোঁ। সেই সময়ত ৰাজ্যৰ ৰাজধানী অস্থায়ীভাৱে দিছপুৰত পাতিছে মাত্ৰ। কাৰ্যালয়সমূহ ক'তো শৃংখলাবদ্ধভাৱে নাছিল। বিভিন্ন স্থানত ভাড়াঘৰত কাৰ্যালয়সমূহ চলিছিল। চৰকাৰী কাৰ্যালয়ত ঘূৰি-ফুৰাৰ কোনো পূৰ্ব অভিজ্ঞতা নাছিল। ইয়াক-তাক সুধি সুধি কোনোমতে গৃহ বিভাগৰ (ৰাজনৈতিক) সঞ্চালকক লগ ধৰি আটাইবোৰ কথা বিৱৰি কৈছিলোঁ। কামত নাহিল। শিক্ষা অধিকৰ্তাক কোনোমতে জটিয়াত লগ ধৰিলোঁ। তেওঁৰো পোনপটীয়াকৈ বিশেষ সুবিধা দিবলৈ অস্বীকাৰ কৰিছিল। মোৰ সকলোখিনি কথা শুনি তেওঁ এটা পৰামৰ্শ মৌখিকে দিছিল এইবুলি যে যদিহে কলেজৰ প্ৰিন্সিপালে মোৰ শ্ৰেণীত উপস্থিতিৰ দিনবোৰৰ বিষয়টো একাষৰীয়া কৰি থয়, তেনেক্ষেত্ৰত তেখেতে মানি লব। তেখেতৰ তেনে কথাত আমাৰ মুখলৈ কিঞ্চিৎ পানী আহিল।

ঘৰলৈ উভতিআহিয়ে পিছদিনা উদয় দাস ছাৰক মোৰ দাদাই কথাখিনি ব্যক্ত কৰাত তেখেতে মোক পৰীক্ষাৰ ফৰ্ম পূৰাব দিছিল। কিন্তু দুদিনৰ ভিতৰতে মোক মহাবিদ্যালয়ৰ দুবছৰৰ বকেয়া মাছুলসহ পৰীক্ষাৰ মাছুল জমা দিবলৈ নিৰ্দেশ দিয়াত পুনৰ মুখখন শুকাই গৈছিল; কিয়নো সেই সময়ত ঘৰত ফুটাকড়ি এটাও নাছিল। মোৰ অৱস্থাৰ কথা প্ৰয়াত হেমন্ত দাসৰ পৰা জানিব পাৰি ডাঃ মহোদৰ পাঠকে নিজে তথা শ্ৰদ্ধেয় ধীৰেশ বৰ্মন ছাৰকে আদি কৰি কেবাজনো সদাশয়ে লগে লগে সাধ্যানুসাৰে বৰঙণি তুলি দিছিল। তদুপৰি ডাঃ পাঠকদাই দীননাথ ফাৰ্মাচীৰ গৰাকী ঘনকান্ত মহাদেউক উপায় উলিয়াবলৈ অনুৰোধ কৰিলে। তেখেতে ফাৰ্মাচীতে বৰঙণিৰ বাকচ এটা থৈ নিজেও কিবা দিছিল আৰু আন বহুতৰ পৰা একেদিনাই দুশৰো অধিক টকা সংগ্ৰহ কৰি মোক দিয়াৰ কথা মনত পৰিলে এতিয়াও গদ্ গদ্ হৈ পৰোঁ। অৱশ্যে পৰীক্ষাৰ মাছুলৰ সময়ত আন এগৰাকী ব্যক্তিৰ কথা মনলৈ নানিলে অশ্ৰদ্ধা কৰা হ'ব বুলি ভাবো। তেওঁ হ'ল সমাজকৰ্মী সুবীৰ দাস। ৰাজনীতিত কংগ্ৰেছ মতাৱলম্বী হ'লেও, নাজানো তেওঁ কিয় মোক ভাল পাইছিল! মোৰ পৰীক্ষাৰ মাছুল কম হোৱাত নগদ পঞ্চাছ টকা দি তেৰোঁ অৰিহণা যোগাইছিল। এই ব্যক্তিসকলেও সেই সময়ত মোৰ দুবছৰৰ বকেয়া শিক্ষা মাছুল তথা পৰীক্ষাৰ ফিজ্ সংগ্ৰহ কৰি নিদিলে বৰ্তমানৰ এই পৰ্যায়ত মই পৰিচিত হ'ব পাৰিলোহেঁতেন নে নাই সেয়া সন্দেহ। যি কি নহওক, তেনেদৰে সংশ্লিষ্ট সকলোৰে আশীৰ্বাদত মই সেইবাৰ কোনো ক্লাছ নকৰাকৈয়ে দ্বিতীয় বিভাগত ৫৪.৪ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হৈছিলোঁ।

সেই সময়তে হোৱা দুটামান বিষয় নক'লে এই নিবন্ধত অসম্পূৰ্ণতা থাকি যাব। সেয়া হ'ল, শিক্ষা জীৱনত মই কোনোদিনেই বেড্মিণ্টন খেলি পোৱা নাছিলোঁ; চেমনীয়াকালত বন্ধু কিশোৰ নাথৰ ঘৰত কেতিয়াবা ৰেকেট্ হাতত লোৱাৰ বাহিৰে। তেনে অৱস্থাত মই কলেজৰ বছৰেকীয়া খেল-ধেমালিত অংশগ্ৰহণৰ সুযোগ পালোঁ আৰু কেৰম্ আৰু বেড্মিণ্টন খেলত ৰাণাৰ্চআপৰ বঁটা লাভ কৰিবলৈ সক্ষম হোৱাত খেলৰ সৈতে জড়িত সকলোৰে চকু কপালত উঠিছিল। এয়া সম্ভৱ হৈছিল— কাৰাগাৰৰ ভিতৰত অৱসৰকালীন সময়ত মই নিয়মীয়াকৈ এইদুটা খেল খেলাৰ সুযোগ

পোৱা বাবেহে। তদুপৰি সেই সময়ত হোৱা তৰ্ক আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাতো মই প্ৰথম পুৰস্কাৰ দুটা পাইছিলোঁ। সেই পুৰস্কাৰকেইটা মোৰ মহাবিদ্যালয়খনত নিয়মীয়া ছাত্ৰ হিচাপে অধ্যয়ন নকৰাকৈ লাভ কৰা এক বিৰল প্ৰাপ্তি হিচাপে এতিয়াও গৌৰৱ অনুভৱ কৰোঁ। একে সময়তে আন এটা কথাত মই অতি দুঃখ পাইছিলোঁ এইবুলি যে প্ৰাক্‌বিশ্ববিদ্যালয়ত প্ৰথম বাৰ্ষিকতে মোক যদিও ছাত্ৰ সমাজে বিপুল ভোটত সহকাৰী আলোচনী সম্পাদক হিচাপে জয়ী কৰিছিল, কাৰাগাৰত অন্তৰীণ হিচাপে থকা সময়ত আলোচনীখন প্ৰকাশ পোৱাত মোৰ নামটো ছাত্ৰ একতা সভাৰ ক'তো প্ৰকাশ পোৱা নাছিল। সম্ভৱতঃ জৰুৰীকালীন অৱস্থাৰ সময়ৰ আতিশয্যৰ বাবে ভয়তে।

শেষত যদিও মই স্নাতক বৰ্ষ গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয়ত সম্পূৰ্ণ কৰোঁ, ইংৰাজী ১৯৭৯ চনত পৰীক্ষা কেন্দ্ৰ প্ৰথমবাৰৰ বাবে বিজনী মহাবিদ্যালয়ত স্থাপন হোৱাত মই এই কেন্দ্ৰৰ পৰাহে পৰীক্ষাত অৱতীৰ্ণ হৈছিলোঁ আৰু প্ৰথমবাৰৰ বাবে বিজনী মহাবিদ্যালয়ৰ পৰা অৰ্থনীতিত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰাৰ গৌৰৱৰ অধিকাৰী হওঁ। সম্প্ৰতি বৃত্তিগত স্বাৰ্থত মই বিজনীৰ পৰা আঁতৰি থাকিবলগা হৈছোঁ। কিন্তু যেতিয়াই মহাবিদ্যালয়খনৰ দাঁতি-কাষৰীয়া আদালতলৈ আহিব লগা হওঁ, মহাবিদ্যালয়লৈ সতৃষ্ণ নয়নেৰে বাৰে বাৰে চাওঁ, অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলকো; আৰু যোগসূত্ৰ উলিয়াব বিচাৰো আজিৰে পৰা পঞ্চল্লিছ বছৰ পূৰ্বে এই মহাবিদ্যালয়তে অধ্যয়ন কৰা গৃহৰ পৰিৱেশলৈ। আমূল পৰিবৰ্তন ঘটা এই মহাবিদ্যালয়খনৰ প্ৰভূত উন্নতিত গৰ্বিত হওঁ এইবুলিয়ে যে মোৰ শিক্ষা জীৱনৰ ভেঁটি গঢ়ি তুলিছিল তাহানিৰ চালুকীয়া এই শিক্ষানুষ্ঠানটিয়ে ●

লেখক বিজনী মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ।





# ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত সমন্বয় দিৱস

গোপাল জালান

যোৱা সাত ছেপ্টেম্বৰৰপৰা দুদিনীয়া কাৰ্যসূচীৰে ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত বিজনী মহাবিদ্যালয়ৰ সহযোগত মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হয় সমন্বয় দিৱস। সুধাকণ্ঠৰ ৯১তম জন্ম জয়ন্তীৰ স'তে সংগতি ৰাখি এই দিৱসৰ আয়োজন কৰা হৈছিল। কাৰ্যসূচী অনুসৰি প্ৰথমদিনা পুৱা বিজনী মহাবিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ সন্মুখত ১০ ফুট উচ্চতাৰ ড° ভূপেন হাজৰিকাৰ অস্থায়ী প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে সুধাকণ্ঠৰ ভগ্নী শিল্পী সুদক্ষিণা শৰ্মাই। ইয়াৰ পাছতেই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ন্যাসৰ অধ্যক্ষ ড° মংগল সিং হাজোৱাৰী, বিজনী মহাবিদ্যালয়ৰ অধ্যক্ষ তথা আদৰণি সমিতিৰ সম্পাদক ড° বীৰহাসগিৰি বসুমাতাৰী, উপাধ্যক্ষ ড° প্ৰমথেশ বায়ন, সাদিন আৰু সাতসৰীৰ সম্পাদক তথা বিশিষ্ট লেখিকা অনুৰাধা শৰ্মা পূজাৰী, ন্যাসৰ যুটীয়া সম্পাদকদ্বয় মঞ্জুলা হাজৰিকা, মনীষা হাজৰিকা, ন্যাসৰক্ষী অশোক কুমাৰ সেনাপতি, প্ৰদীপ পূজাৰী, ময়ুখ হাজৰিকা, সংগীতা কৌশিক, ৰঞ্জিত কৌশিক, নুৰুদ্দিন আহমেদ, অনুপম লস্কৰ, অভিনেত্ৰী জলী লস্কৰ, ন্যাসৰ প্ৰচাৰ সম্পাদক দিব্যজ্যোতি আদিৰ লগতে কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে। ইয়াৰ পাছতে বিজনীৰ বিধায়ক তথা ভূপেন হাজৰিকা সমন্বয় দিৱস উদ্‌যাপন আদৰণি সমিতিৰ সভাপতি কমল সিং নাৰ্জাৰী, ড° বীৰহাসগিৰি বসুমাতাৰীৰ লগতে কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে সমন্বয় দিৱসৰ পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে বৃক্ষৰোপণ কৰা হয়। পুৱা ৯.৩০ বজাত বিজনীৰ অতিৰিক্ত উপায়ুক্ত দিঠকানন্দ হাজৰিকাই ড° ভূপেন হাজৰিকাদেৱৰ জীৱন পৰিক্ৰমাৰ আলোকচিত্ৰৰ প্ৰদৰ্শনী উন্মোচন কৰাৰ লগতে সুধাকণ্ঠৰ গীত পৰিৱেশন কৰে। উক্ত অনুষ্ঠানৰ পাছতে কল্পনা লাজমীৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি জ্ঞাপন কৰে বিজনী মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰমথেশ বায়নে। পুৱা ১০ বজাত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ বাৰেৰহণীয়া সাংস্কৃতিক সম্ভাৰেৰে শোভাযাত্ৰা প্ৰদৰ্শন কৰে বিজনী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে। মহাবিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰিকল্পনাৰে আয়োজন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দীপ্ত সাংস্কৃতিক চেতনাৰে ৰঞ্জিত এই শোভাযাত্ৰাই ভূয়সী প্ৰশংসা লাভ কৰে। উক্ত শোভাযাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালক বিষ্ণুকমল বৰাই। দুপৰীয়া ১২ বজাত অনুষ্ঠিত মুকলি সভাত মঞ্জুলা হাজৰিকা সম্পাদিত "ভূপেন্দ্ৰ জ্যোতি" স্মৰণিকা উন্মোচন কৰে বিশিষ্ট লেখিকা অনুৰাধা শৰ্মা পূজাৰীয়ে। উক্ত

অনুষ্ঠানত মঞ্জুলা হাজৰিকা আৰু লেখক পুলিন কলিতা সম্পাদিত গ্ৰন্থ 'অমিত পুৰুষ' আৰু বিজনী মহাবিদ্যালয়ৰ অসমীয়া বিভাগে প্ৰস্তুত কৰি উলিওৱা "কবিতা মালিতা" উন্মোচন কৰে 'আমাৰ অসম' কাকতৰ সম্পাদক প্ৰশান্ত ৰাজগুৰুৱে।

ন্যাসে প্ৰতি বছৰে আগবঢ়াই অহা 'গৌৰাং ব্ৰহ্মপুত্ৰ সমন্বয় বঁটা' প্ৰখ্যাত ভাস্কৰ্য শিল্পী ড° জনক ঝংকাৰ নাৰ্জাৰীক প্ৰদান কৰে অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা হৃষিকেশ গোস্বামীয়ে।

'মানুহে মানুহৰ বাবে' গীতটিৰে গীমীথাও বসুমতাৰীয়ে ছেৰেনজা বাদনেৰে শ্ৰদ্ধাঞ্জলি জনোৱাৰ অন্তত অসমীয়া, বড়ো, বঙালী, নেপালী ভাষাৰে 'মানুহে মানুহৰ বাবে' গীতটি কণ্ঠশিল্পী সদানন্দ গগৈ, সুলেখা বসুমতাৰী, অঞ্জু দেৱী, পাপৰি ঠাকুৰীয়া, ময়ুখ হাজৰিকা, ৰাজু আনচাৰীয়ে পৰিবেশন কৰে। পাপৰি ঠাকুৰীয়াৰ গোৱালপৰীয়া গীত, সুলেখা বসুমতাৰীৰ কণ্ঠত সুধাকণ্ঠৰ 'আকাশী গংগা বিচৰা নাই' গীতটি বড়ো ভাষাত, সদানন্দ গগৈ আৰু প্ৰাক্তন সাংস্কৃতিক মন্ত্ৰী তথা সাংসদ কুমাৰ দীপক দাসৰ কণ্ঠত 'মহাবাহু ব্ৰহ্মপুত্ৰ' গীতটিৰে অনুষ্ঠানৰ সামৰণি হয়।

উক্ত সভাত সুধাকণ্ঠৰ জ্যেষ্ঠ ভগ্নী সুদক্ষিণা শৰ্মা তেওঁৰ পুত্ৰ ঋষিৰাজ শৰ্মাৰ উপৰিও বিশিষ্ট লেখক পুলিন কলিতা, "অসমীয়া খবৰ" কাকতৰ কাৰ্যবাহী সম্পাদক শ্ৰীবিশ্বজিৎ দাস, কোকৰাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বনবীনা ব্ৰহ্ম, বিজনী বান্ধৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক শ্ৰীদেৱপ্ৰসাদ অধিকাৰী, বৰণ্যে শিল্পী. দীনেশ চন্দ্ৰ ৰায় সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। সন্ধিয়া স্থানীয় শিল্পী আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ড° হাজৰিকাদেৱৰ গীত-মাতেৰে সাংস্কৃতিক সন্ধিয়া আগবঢ়ায়।

অন্তিমদিনা ৮ ছেপ্টেম্বৰত পুৱা গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক তথা বিশ্ববিদ্যালয়ৰ মানৱ সম্পদ কেন্দ্ৰৰ সঞ্চালক ড° যোগেন চন্দ্ৰ কলিতাই জনাকীৰ্ণ সভাত ড° ভূপেন হাজৰিকাৰ প্ৰতিকৃতিত ৯১তম জন্ম দিৱসৰ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ পিছত সাৰুৱা ভাষণেৰে ভূপেন দাক সোঁৱৰণ কৰে। ইয়াৰ পিছতেই অনুৰাধা শৰ্মা পূজাৰীৰ সঞ্চালনাত আমাৰ অসম কাকতৰ বাতৰি বিভাগৰ মুৰব্বী গৌতম শৰ্মা, বিজনী মহাবিদ্যালয়ৰ অধ্যাপকদ্বয় ড° অপু গুহ ঠাকুৰতা আৰু ড° গীগীম ব্ৰহ্ম কচাৰী আৰু কটন মহাবিদ্যালয়ৰ ছাত্ৰ বৰ্ণিল মেধীয়ে মুকলি আলোচনা চক্ৰত অংশগ্ৰহণ কৰি সুধাকণ্ঠৰ অৱদান সন্দৰ্ভত বিস্তাৰিত বক্তব্য আগবঢ়ায়।

ইয়াৰ পিছতে অনুষ্ঠিত হয় ড° ভূপেন হাজৰিকাৰ গীতৰ প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত বিচাৰকৰ আসন শুৱনি কৰে শিল্পী অঞ্জু দেৱী আৰু জে পি দাসে। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান মুকলি কৰে শিল্পী সুদক্ষিণা শৰ্মাই। উক্ত অনুষ্ঠানত শিল্পী পংকজ বৰদলৈক ন্যাসে সম্বৰ্ধনা জ্ঞাপন কৰে। অসমীয়া চলচ্চিত্ৰ জগতৰ প্ৰখ্যাত অভিনেতা বিজয় শংকৰ দাসৰ সোঁৱৰণত অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াত অভিনেতাজনক ন্যাসে মৰণোত্তৰভাৱে প্ৰদান কৰে 'ভূপেন হাজৰিকা হিতৈষী বঁটা'। অভিনেত্ৰী বিদ্যা ৰাওৰ পৰা উক্ত বঁটাটো গ্ৰহণ কৰে বিজয় শংকৰ দাসৰ পৰিয়ালবৰ্গই। এই অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি মাননীয় ড° পৰমানন্দ ৰাজবংশীয়েও ভূপেনদাৰ অনবদ্য অৱদানৰ কথা সোঁৱৰণ কৰে। সন্ধিয়া ৬ বজাৰ লগে লগে সুধাকণ্ঠৰ গীতত শিল্পী ৰূপম তালুকদাৰৰ সুৰৰ লহৰেৰে সুৰ সন্ধানে আগবঢ়ায় এক অনবদ্য মনোগ্ৰাহী সুৰ সন্ধিয়া। সাংস্কৃতিক





সন্ধিয়াত সংগীত পৰিৱেশন কৰে পাপৰি ঠাকুৰীয়া, ময়ুখ হাজৰিকা, গায়ত্ৰী হাজৰিকা, ৰূপম ভূঞা, প্ৰণামিকা গোস্বামী আৰু প্ৰশান্ত ৰাজখোৱাই। কথক নৃত্য প্ৰদৰ্শন কৰে শিল্পী মৰমী মেধি, মেঘৰঞ্জনী মেধি, সুনীতা কৌশিক দীপজ্যোতি দাস, দীপাংকৰ আৰন্ধৰা আৰু সুকন্যা বৰাই।

বিজনী মহাবিদ্যালয়ৰ সহযোগত ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগত অনুষ্ঠিত ভূপেনদাৰ ৯১ তম জন্ম জয়ন্তীৰ ৭ আৰু ৮ চেপ্তেম্বৰৰ দুদিনীয়া এই কাৰ্যসূচীয়ে বিজনী অঞ্চলত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰিছিল। প্ৰতিটো কাৰ্যসূচীত জনাকীৰ্ণ পৰিৱেশৰ কথা বিশেষভাৱে উল্লেখ্য। সাংস্কৃতিক শোভাযাত্ৰা, মুকলি সভা, আলোচনা চক্ৰ আৰু সাংস্কৃতিক অনুষ্ঠানৰ স্মৃতি দীৰ্ঘদিনলৈ সজীৱ হৈ থাকিব। বিজনীবাসী ৰাইজে এইসমূহ কাৰ্যসূচীত অংশ গ্ৰহণ কৰাৰ লগতে বিজনী মহাবিদ্যালয় আৰু ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসৰ উদ্যোগৰ শলাগ লয়। ●

লেখক অসমৰ এগৰাকী বিশিষ্ট সাংস্কৃতিক কৰ্মী।

# বিজনী চহৰৰ গ্ৰন্থ আৰু বাতৰিকাকতৰ ব্যৱসায়

**নৃপেন্দ্ৰ নাৰায়ণ দেৱমিশ্ৰ**

বৰ্তমান বিজনী চিৰাং জিলাৰ অন্তৰ্গত এখন সৰু চহৰ। অতীজতে বিজনী কোচ-ৰাজবংশীসকলৰ এখন সৰু ৰাজ্য আছিল। ইংৰাজসকলে অসম অধিকাৰ কৰাৰ পিছত এই অঞ্চলটো অবিভক্ত গোৱালপাৰা জিলাৰ ধুবুৰী মহকুমাৰ লগত চামিল হয়। ইয়াৰ পিছত ক্ৰমে কোকৰাঝাৰ আৰু বঙাইগাঁও জিলাৰ লগত অন্তৰ্ভূক্ত হৈ বিটিএডি গঠন হোৱাত বিজনী চিৰাং জিলাৰ অন্তৰ্ভূক্ত হয়।

ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছৰ পৰা প্ৰায় ১৯৬০ চনলৈকে বিজনী অঞ্চলত কোনো গ্ৰন্থ বিপণী নাছিল। কেৱল গ্ৰন্থ বিপণীয়ে নহয়, আঙুলিমূৰত লেখিব পৰা দুই-এখনৰ বাহিৰে তেতিয়া আন দোকানো নাছিল বুলিবই পাৰি। বহুকাল আগৰে পৰা বিজণীত দেওবাৰ আৰু বুধবাৰে অৰ্ধসাপ্তাহিক হাট-বজাৰ বহিছিল; জনসাধাৰণে সেই বজাৰৰ পৰা নিত্য প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিছিল। সেই বজাৰতে খোলা বিপণীত ব্যৱসায়ীয়ে পাঠ্যপুথি বিক্ৰী কৰিছিল। এনে বিপণীবোৰত কিতাপবোৰ মাটিৰ ওপৰত ত্ৰিপাল পাৰি বা কাঠৰ ওখ চালপীৰাত সজাই থোৱা হৈছিল। ছপা মূল্যৰ ওপৰত কিছু লাভ লৈ দোকানীসকলে কিতাপ বিক্ৰী কৰিছিল। এই দোকানীসকলে লাভতকৈও শিক্ষাৰ্থীসকলৰ বাবেহে প্ৰকৃততে এই ব্যৱসায় আৰম্ভ কৰিছিল। এই পাঠ্যপুথি বিক্ৰেতাসকলৰ মাজত দুগৰাকী শিক্ষকো আছিল; তেওঁলোক আছিল প্ৰয়াত চাদেক আলী আৰু প্ৰয়াত মহেন্দ্ৰ শৰ্মা। চাদেক আলীয়ে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ বাবে ধাৰাপাতো ৰচনা কৰিছিল। আন এগৰাকী পাঠ্যপুথি বিক্ৰেতা আছিল প্ৰয়াত ধীৰেন্দ্ৰ নাথ দাস। পৰৱৰ্তীকালত এই তিনিওগৰাকীয়ে এই ব্যৱসায় এৰিছিল যদিও বিজনী নগৰ সমিতিয়ে বজাৰৰ মাজত স্থায়ী বজাৰ গৃহ নিৰ্মাণ কৰাৰ আগলৈকে আন আন ব্যৱসায়ীয়ে এইদৰে অৰ্ধসাপ্তাহিক বজাৰৰ মাজত প্ৰধানকৈ পাঠ্যপুথি বিক্ৰী কৰিছিল। কালৰ সোঁতত সেইসকলৰ কথা হেৰাই যোৱাৰ উপক্ৰম হৈছে।

১৯৬০ চনৰ শেষভাগত বিজনীৰ এজন সদাশয় ব্যক্তি প্ৰয়াত দেবেন বড়াদেৱে প্ৰথমতে এখন গ্ৰন্থ বিপণী স্থাপন কৰে। তেওঁ এগৰাকী বিদ্যানুৰাগী ব্যক্তি আছিল। তেওঁৰ গ্ৰন্থ বিপণীখনৰ নাম আছিল "বান্ধৱ ভড়াল।" এই বিপণীখনত স্কুলৰ পাঠ্যপুথি আদিৰ উপৰিও অসমীয়া আৰু বঙালী গল্প-উপন্যাস আদিও পোৱা গৈছিল। সেই সময়ত বিবাহ আদিত কিতাপ উপহাৰ দিয়াটো বহুতে এটা কৰ্তব্য বুলি ভাবিছিল, বিশেষকৈ শিক্ষিত দৰা-কইনাৰ ক্ষেত্ৰত। 'বান্ধৱ ভড়াল'ত এনে উপহাৰৰ গ্ৰন্থও পোৱা গৈছিল।

সঠিক সময়ৰ তথ্য নাই যদিও সমসাময়িক কালতে আন এগৰাকী সদাশয় লোক প্ৰয়াত ধ্ৰুৱ মজুমদাৰে বিজনী বজাৰৰ মধ্যস্থানত বৰ্তমানৰ বিষ্ণুপুৰ শাখা ভাৰতীয় ষ্টেট বেঙ্কৰ ঠিক সমুখত আন এখন গ্ৰন্থ বিপণী প্ৰতিষ্ঠা কৰিছিল। দুৰ্ভাগ্যৰ বিষয় এই বিপণীখন অগ্নিকাণ্ডত সম্পূৰ্ণৰূপে জাহ গৈছিল।





ইয়াৰ পিছতেই শিক্ষাবিদ কৌতম বসুমতাৰীয়ে 'অনশুমৈ' নামৰ এখন গ্ৰন্থ বিপণী আৰম্ভ কৰে। আৰম্ভণিৰ পৰা বৰ্তমানলৈ বিগত কেবাবছৰ ধৰি এই বিপণীখনে পাঠ্যপুথি তথা আন আন গ্ৰন্থৰ যোগান ধৰি আছে। 'অনশুমৈ' বিজনীৰ বড়ো ভাষাৰ পাঠ্যপুথি আৰু আন আন গ্ৰন্থৰো একমাত্ৰ পৰিৱেশক বুলিও ক'ব পাৰি। 'অনচুমৈ'য়ে গ্ৰন্থৰ উপৰিও বড়ো বাতৰিকাকতৰ পৰিৱেশনো কৰে।

ইয়াৰ পিছত 'চিত্ৰলেখা বুক ষ্টল' নামৰ গ্ৰন্থ বিপণীয়ে ভুমুকি মাৰিছিল যদিও কম সময়ৰ ভিতৰতে এই প্ৰতিষ্ঠান বন্ধ হয়।

১৯৬৯ খ্ৰীষ্টাব্দৰ ২৭ ডিচেম্বৰত বিজনীত জন্ম লভা গ্ৰন্থ বিপণীখন আছিল 'জ্ঞানদীপ'। অধুনালুপ্ত এই গ্ৰন্থ বিপণীখনৰ উদ্বোধনীৰ দিনাখন এখন আলোচনা চক্ৰৰ আয়োজন কৰা হৈছিল। আলোচনা চক্ৰখনত 'বিষ্ণু ৰাভাৰ সোণপাহিত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱ' সম্পৰ্কে বিজনী কলেজৰ অধ্যক্ষ, সমাজসেৱী প্ৰয়াত উদয় ৮ৰ দাস আৰু 'গুৰু আসন আৰু ইয়াৰ তত্ত্ব' সম্পৰ্কে প্ৰাক্তন বিধায়ক প্ৰয়াত ৰামপ্ৰসাদ দাসে আলোচনা আগবঢ়াইছিল। কিতাপৰ ব্যৱসায়ী হিচাবে আত্মপ্ৰকাশ কৰিলেও, 'জ্ঞানদীপে' বিজনীত এখন পঢ়ুৱৈ সমাজ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল। এই উদ্দেশ্য আগত ৰাখিয়েই 'জ্ঞানদীপে' পঢ়ুৱৈসকলক স্কুল-কলেজৰ পাঠ্যপুথিৰ উপৰিও অসম তথা ভাৰতৰ বিশিষ্ট প্ৰকাশকসকলৰ প্ৰকাশিত ইংৰাজী, হিন্দী, বঙালী, অসমীয়া ভাষাৰ বছা বছা কিতাপৰ যোগান ধৰিছিল। 'জ্ঞানদীপে' গুৱাহাটীৰ ট্ৰিবিউন গোষ্ঠী, চেন্টিনেল গোষ্ঠী আৰু জি এল পাব্লিকেশনচ্ গোষ্ঠী, কলিকাতাৰ আনন্দ বজাৰ গোষ্ঠী, নতুন দিল্লীৰ টাইমচ্ অব ইণ্ডিয়া গোষ্ঠী আৰু মুম্বাইৰ ব্লিটজ গোষ্ঠীৰ বাতৰি কাকত বিতৰকৰ দায়িত্বও লাভ কৰিছিল।

'জ্ঞানদীপে' বাতৰিকাকতৰ ব্যৱসায় আৰম্ভ কৰাৰ আগতে প্ৰয়াত মণি বিশ্বাস নামৰ ভদ্ৰলোক এজনে এই ব্যৱসায় কৰিছিল। সেই সময়ত প্ৰচলিত অসমৰ ট্ৰিবিউন গোষ্ঠী আৰু কলিকতাৰ আনন্দ বাজাৰ গোষ্ঠী আৰু যুগান্তৰ গোষ্ঠীৰ বাতৰি কাকতৰ যোগান ধৰিছিল। প্ৰয়াত বিশ্বাসৰ পূৰ্বে বিজনীৰ বাতৰিকাকতৰ ব্যৱসায় সম্পৰ্কীয় তথ্য বৰ্তমানে পাবলৈ নাই।

এই সময়ৰে আন এখন গ্ৰন্থ বিপণী 'বুক্ চেন্টাৰ'। কলিকতা নিবাসী অসিতবৰণ ৰায়ে বিজনীলৈ আহি ১৯৭২ চনত এই গ্ৰন্থ বিপণীখন আৰম্ভ কৰিছিল। পাঠ্যপুথিৰ লগতে মাৰ্ক্সীয় দৰ্শনৰ লগত সম্বন্ধ থকা গ্ৰন্থৰো প্ৰাপ্তি স্থান আছিল 'বুক্ চেন্টাৰ'।

বিজনী নিবাসী শুভেন্দু ৰঞ্জন সাহাই ১৯৭৩ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা 'মেগাজিন চেন্টাৰ' আলোচ্য বিষয়ক আন এখন আগশাৰীৰ প্ৰতিষ্ঠান। 'মেগাজিন চেন্টাৰ' প্ৰকৃততে গ্ৰন্থ বিপণী নহয়; কিন্তু অসমীয়া, বাংলা, হিন্দীৰ লগতে ইংৰাজী ভাষাৰ বিভিন্ন বাতৰিকাকত আৰু আলোচনীৰে বিজনীৰ পাঠকক উপকৃত কৰি আহিছে।

অশ্বিনী সাহাই ১৯৭৮ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা 'পুথিঘৰ'ও বিজনীৰ আগশাৰীৰ আন এখন গ্ৰন্থ প্ৰতিষ্ঠান। পাঠ্যপুথিৰ লগতে বৰেণ্য লেখকসকলৰ গ্ৰন্থৰ বিজনীৰ অন্যতম প্ৰাপ্তি স্থান 'পুথিঘৰ'। আদিতে 'আজিৰ বাতৰি' নামৰ বাতৰিকাকতখনৰ বিতৰকৰ দায়িত্ব প্ৰাপ্ত 'পুথিঘৰ' সম্প্ৰতি গুৱাহাটীৰ পৰা প্ৰকাশিত কেবাখনো বাতৰিকাকতৰ বিজনীৰ

মুখ্য বিতৰক। কেবাখনো বড়ো বাতৰিকাকতো 'পুথিঘৰ'ত পোৱা যায়।

স্বপন ভৌমিকৰ 'বাণী তীৰ্থ'ৰ জন্ম হয় ১৯৭৯ খ্ৰীষ্টাব্দত। 'বাণী তীৰ্থ' বৰ্তমান বিজনীৰ গ্ৰন্থ ব্যৱসায়ৰ সৰ্ববৃহৎ প্ৰতিষ্ঠান। অঞ্চলটোৰ প্ৰচলিত সকলো ভাষাৰ পাঠ্যপুথিৰ উপৰিও বিশেষকৈ অসমীয়া আৰু বঙালী ভাষাৰ সকলোধৰণৰ গ্ৰন্থ এই গ্ৰন্থালয়ত পোৱা যায়। তদুপৰি এই প্ৰতিষ্ঠানে পাইকাৰী বিক্ৰেতাৰূপেও ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে।

১৯৯৮ খ্ৰীষ্টাব্দত প্ৰমথেশ বায়ন আৰু হিৰণ্যজ্যোতি বায়ন ভাতৃদ্বয়ে সত্য নাথ দাসৰ লগত যুটীয়াকৈ আৰম্ভ কৰে "অৰিহণা"। 'অৰিহণা'ই পাঠকৰ চাহিদা পূৰণত ভূমিকা লোৱাৰ লগতে গুৱাহাটীৰ চেণ্টিনেল গোষ্ঠীৰ দ্বাৰা প্ৰকাশিত বাতৰি কাকতকেইখনৰো বিতৰকৰ দায়িত্ব লাভ কৰিছিল। অৱশ্যে কিছু বছৰৰ পাছত বায়ন ভ্ৰাতৃদ্বয়ে 'অৰিহণা'ৰ দায়িত্ব সম্পূৰ্ণকৈ সত্যনাথ দাসক ন্যস্ত কৰে। বৰ্তমানে দাসে পাঠ্যপুথিৰ আৰু আন আন গ্ৰন্থৰ লগতে কেবাখনো বাতৰি কাকতৰ বিতৰকৰ কাম কৰি আছে।

বিশ্বজিৎ শৰ্মাৰ 'হীৰামণি বুক ষ্টল' আৰু হৃদয়ানন্দ পাটোৱাৰীৰ 'জোনাকী বুক ষ্টল' বিজনীৰ আন দুখন গ্ৰন্থ বিপণী। দুয়োখনতে পাঠ্যপুথি আৰু আন আন গ্ৰন্থৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ উপযোগী ইংৰাজী, অসমীয়া আলোচনীও ইয়াত পোৱা যায়। সুব্ৰত সৰকাৰৰ 'বাণী বিচিত্ৰা'ও বিজনী চহৰৰ আন এখন প্ৰতিষ্ঠিত গ্ৰন্থ প্ৰতিষ্ঠান।

২০১৪ খ্ৰীষ্টাব্দত ৰবীন্দ্ৰ নাথ দাসৰ "চন্দ্ৰালী বুকচ্" নামক দুখন গ্ৰন্থ বিপণীয়ে বিজনী চহৰত প্ৰৱেশ কৰে। 'চন্দ্ৰালী বুকচ্' আৰম্ভণিতে 'চন্দ্ৰালীজ বুকচ্ এণ্ড ডাটা পইণ্ট' নামেৰে অভিহিত হৈছিল। প্ৰায় সকলোধৰণৰ কিতাপেই ইয়াত পোৱা যায়। শেহতীয়াকৈ বিজনী চহৰত প্ৰতিষ্ঠিত 'সোণালী বুক ষ্টলেও গ্ৰন্থ ব্যৱসায়ৰ জৰিয়তে প্ৰভূত অৰিহণা যোগাই আহিছে।

সামৰণিত উল্লেখ কৰোঁ যে জীৱনৰ বিয়লিবেলা এই লেখকৰ দৃষ্টি শক্তি আৰু স্মৃতিশক্তি লোপ পাব ধৰিছে। বিজনী মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ মুখ্য সম্পাদকৰ একপ্ৰকাৰ জোৰ জবৰদস্তিত পৰিহে এইখিনি লিখি উলিয়ালোঁ। ভালেমান কথা ইয়াত নিশ্চয় ৰৈ গৈছে, বা ভুলো হৈছে। তাৰ বাবে ক্ষমা বিচাৰিলোঁ। আগ্ৰহীসকলে প্ৰয়োজনীয় যোগ-বিয়োগ কৰি এই প্ৰথম প্ৰচেষ্টাক আগবঢ়াই নিলে সকলোৰে উপকাৰ হ'ব। ●

লেখক বিজনীৰ সংবাদ সেৱক তথা এসময়ৰ গ্ৰন্থ ব্যৱসায়ী।





# বিজনী মতিলাল বগৰীয়া মজলীয়া বিদ্যালয় আৰু বিজনী ছোৱালী হাইস্কুলৰ স্মৃতি

ড° দৰ্শনা গোস্বামী




বিজনীৰ স্মৃতি মানেই হ'ল ইখনৰ পাছত সিখনকৈ মনৰ পটত উন্মোচিত হোৱা একো একোখন মনোৰম ছবি। হয়, বিজনীৰ দৰে নিজান নিসৰ্গই আৱৰি থকা ঠাইখনত ডাঙৰ-দীঘল হোৱা (বিশেষকৈ যোৱা শতিকাৰ ৭০ আৰু ৮০ৰ দশকৰ কালছোৱাত) প্ৰত্যেক ব্যক্তিৰ দৰে ময়ো নিজকে সৌভাগ্যশালী বুলি ভাবো এইকাৰণেই যে এই সুন্দৰ ঠাইখনকেই ভগৱানে মোৰ বাবে বাছি লৈছিল, অথবা মোক এই ঠাইখনৰ বাবে। বিজনী মতিলাল বগৰীয়া স্কুল আৰু বিজনী ছোৱালী হাইস্কুলৰ স্মৃতিয়েই ল'ৰালি আৰু কৈশোৰৰ স্মৃতি বুলি ক'লে অকনো বঢ়াই কোৱা নহ'ব। আমাৰ 'আমগুৰি' নামৰ ছবিৰ দৰে ধুনীয়া চুবুৰীটোৰ পৰা সৰু সৰু শিল দিয়া ৰাস্তাৰে ওলাই গৈ পকী ৰাস্তাত উঠি কেইখোজমান গৈয়েই পাওঁগৈ বিজনী মতিলাল বগৰীয়া মজলীয়া বিদ্যালয়। পকী আলিৰ দাঁতিত পূবা-পশ্চিমাকৈ দীঘলে দীঘলে অৱস্থিত এই স্কুলৰ চৌহদটো। চুটি চুটিকৈ কাটি থোৱা ঘাঁহেৰে ঢকা আহল-বহল ঘাঁহনিখনে গাড়ী-মটৰ অহা-যোৱা কৰা এই ৰাস্তাৰ পৰা স্কুলঘৰটোক যথেষ্ট ব্যৱধানত ৰাখিছিল। চৌহদৰ পূব সীমাত মহিলা সমিতিৰ কাৰ্যালয় এটা আছিল আৰু প্ৰাক্-প্ৰাথমিক শিক্ষা কেন্দ্ৰ এটাও এই চৌহদতে আছিল। চৌহদটোত ঠায়ে ঠায়ে ওখ, বৃহৎ ঔ, কদম, সৰল

ইত্যাদি গছ আছিল। বাৰিষাকালত ঔ আৰু কদম জাতিস্কাৰ হৈ ফুলিছিল। এই গছবোৰৰ ছাঁ আছিল সমস্বৰে নেওঁতা পঢ়াৰ সূচল ঠাই।

স্কুলঘৰটো দুটা শাখাত বিভক্ত আছিল — প্ৰাথমিক আৰু মজলীয়া শাখা। প্ৰাথমিক শ্ৰেণীৰ মজিয়া কেঁচা আছিল যদিও বেৰ, দুৱাৰ-খিৰিকী, আচবাব সকলো সুন্দৰ, মজবুত আছিল। ১৯২৬ চনত এই স্কুল ছোৱালীৰ স্কুল হিচাবে আৰম্ভ কৰা হৈছিল যদিও ১৯৫১ চনৰ পৰা ইয়াত ল'ৰাকো শিক্ষা দান কৰাৰ ব্যৱস্থা কৰা হয়। প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীলৈ আমি চাপৰ ডেস্ক-বেঞ্চত বহিছিলোঁ। মজলীয়া শাখাৰ পকী কোঠাবোৰৰ সংলগ্নকৈ আৰু দুটা কোঠা থকা মনত পৰে — এটা প্ৰধান শিক্ষকৰ আছুতীয়া কোঠা আৰু আনটো ছাৰ-বাইদেউসকল বহা কোঠা। এই কোঠা দুটাৰ সমুখেৰে কুঁৱা এটাৰ কেউকাষ [illegible] ঘূৰণীয়াকৈ এখন ধুনীয়া ফুলনি আছিল— সেইখন আটোমটোকাৰিকৈ চিকুণাই ৰখাৰ দায়িত্ব আছিল নৰ খুৰাৰ। তেখেত আছিল স্কুলৰ চকীদাৰ — খাকী হাফপেণ্ট আৰু চোলা পিন্ধা বগা চুলিৰ এই আদবয়সীয়া মানুহজনক সকলোৱে খুৰা বুলি মাতিছিলোঁ। মজলীয়া শাখাৰ বেৰত আমাৰ জিলাৰ মেপখন ধুনীয়াকৈ অঁকা আছিল। পিছ চৌহদৰ সীমাতো এটা কুঁৱা আছিল। সেই ঠাইখিনি আকৌ দিন দুপৰতে বৰ জয়াল যেন অনুভৱ হৈছিল। সীমাৰ উত্তৰ-পূব কোণত আছিল ৰাখাল দাসৰ মাটিৰ ঘৰ, চোতাল-পদূলি সদায় নিয়[illegible]কৈ সাৰি-মচি থোৱা দেখিছিলোঁ। ঘৰৰ সমুখত সাধাৰণতে দেখাতকৈ ডাঙৰ ৰঙা জবা এজোপা [illegible] বছৰৰ জক্‌মকাই ফুলি আছিল। সেই ছবিখন আৰু কেতিয়াও দেখা নাপাম বাবে মনটো বিষাই যায়।

প্ৰথম শ্ৰেণীৰ বাইদেউ [illegible] লা ৰায় অতি শান্ত-শিষ্ট মৰমিয়াল আছিল। এবাৰ তেখেতে পিন্ধি থকা কাণফুলযোৰৰ প্ৰতি মোৰ ইমান আকৰ্ষণ হ'ল যে কিবা লিখি দেখুৱাই ৰৈ থকাৰ সময়ত কাণ এখন লাহেকৈ চুই চালোঁ! বাইদেৱেও মোৰফালে চাই লাহেকৈ হাঁহিলে! দ্বিতীয় শ্ৰেণীৰ অহল্যা ৰায় বাইদেউৰ মাতটো ডাঙৰ আছিল আৰু ৰুলমাৰি এডালৰ তেওঁ যথেষ্ট সদব্যৱহাৰ কৰিছিল (বেছিভাগ সময় টেবুলত জোৰে জোৰে কোব মাৰি!)। তেখেতৰ পৰাই বখিয়া চিলাই, চেইন চিলাই, বুটাম ঘৰ চিলাই শিকিছিলোঁ। প্ৰফুল্ল মজুমদাৰ বাইদেৱে তৃতীয় শ্ৰেণীত আৰু নিৰ্মালি ৰায় বাইদেৱে চতুৰ্থ শ্ৰেণীত পঢ়ুৱাইছিল। নিৰ্মালি ৰায় বাইদেৱো মৰমিয়াল আছিল, কিন্তু টিফিনৰ পাছৰ ক্লাছত এদিন কি দুদিন কিবা চোবাই থকা বাবে পিঠিত তেখেতৰ স্কেলৰ কোব পৰিছিল। পিছে তাত খঙৰ চিন-চাব নাছিল! তেখেতৰ পৰা কাগজত চোলা-পেণ্ট কৰিবলৈ শিকিছিলোঁ। ল'ৰাৰ বাবে ধাৰ্য থকা মাটিৰ কাম, বাঁহৰ কামতো হাত দিছিলোঁ।

অচ্যুত দাস ছাৰে চতুৰ্থ শ্ৰেণীত অংক শিকাইছিল। তেখেতে খং নকৰিছিল যদিও ডাঠ ফ্ৰেমৰ চশমাৰে তেখেতক অতি গহীন যেন লাগিছিল আৰু তেখেতৰ প্ৰতি ভয় ভাব এটা আছিল। তপন মেধি ছাৰ বৰ ৰঙিয়াল আছিল আৰু তেখেতে আমাক বিজ্ঞান শিকাইছিল। তেখেতৰ আচল নাম 'তপন'হে আছিল বুলি আমাক কৈছিল। বছৰেকীয়া খেল-ধেমালিৰ সময়ত তেখেতে আমাক সততে হাঁহিৰ খোৰাক যোগাইছিল।

প্ৰধান শিক্ষক শিৱকান্ত শৰ্মা ছাৰৰ দুটা ৰূপ মনত আছে— পঢ়া-শুনা কৰা ল'ৰা-ছোৱালীৰ প্ৰতি অতি মৰমিয়াল আৰু নকৰাসকলৰ প্ৰতি অতি খঙাল। তেখেতৰ পোছাক আৰু চুলি-গোঁফ, কথা কোৱাৰ ভংগীমাৰ পৰা তেখেত চাৰ্লি চেপলিনৰ





দ্বাৰা প্ৰভাৱিত আছিল বুলি পাছত ভাব হৈছিল। মতিলাল বগৰীয়া স্কুলৰ বছৰেকীয়া খেল-ধেমালি আৰু বঁটা বিতৰণী অনুষ্ঠান বৰ উন্নত মানৰ আছিল— পুৰস্কাৰ হিচাপে পোৱা ধুনীয়া কিতাপবোৰ এতিয়াও সযতনে সাঁচি থৈছোঁ। সৰস্বতী পূজাত দুবাৰমান বগা বগা ফুলা লুচি আৰু ফুলকবিৰ থোপাৰ ডাঙৰ ডাঙৰ পকোৰা খাবলৈ পাইছিলোঁ। শৰ্মা ছাৰে আমাক "অমুক অমুক খাবলৈ পাবা" বুলি পূজাত ভাগ ল'বলৈ কৈছিল আৰু কথামতে কাম হ'ল। কিমান মৰম আৰু আন্তৰিকতা থাকিলে শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীৰ বাবে তেনে আয়োজন কৰিব পাৰে, সেয়া ভাবিবলগীয়া।

নৰখুৰাৰ বাহিৰেও আমি সকলোৱে পাল পাতি শ্ৰেণী কোঠাবোৰ আৰু চৌহদটো চাফা কৰিছিলোঁ। চাফাই মন্ত্ৰীয়ে স্কেল এডাল লৈ 'কুৰা কুৰা' (বোটল বোটল) বুলি আমাৰ মাজে মাজে ঘূৰি ফুৰিছিল— জাবৰ মানে শুকান পাতবোৰহে অ'ত-ত'ত পৰি আছিল।

৩১ অক্টোবৰ, ১৯৮৪ চনৰ কথা মনত পৰে। জিৰণিৰ সময়ত দলে দলে খেলি আছোঁ সকলোৱে। এনেতে পপী বাইদেউ (ষষ্ঠ শ্ৰেণীৰ) আহি পুৰণি বিজনীৰ ফালৰ সৰু ল'ৰা-ছোৱালীৰ জুমটোক ক'লে, "তহঁতৰ মাৰ মৰিল। তহঁত এতিয়া ঘৰলৈ যা!" সিহঁত কন্দনামুৱা হৈ ইটোৱে সিটোৰ মুখলৈ চালে। অলপ পাছতহে গম পালো ইন্দিৰা গান্ধী আততায়ীৰ গুলীত নিহত হৈছে। জিৰণিৰ সময়ত ছাৰ-বাইদেউসকলে ৰেডিঅ'ত শুনি থকা বাতৰিৰ পৰাই পপী শৰ্মাই কথাটো গম পাই তেনেকৈ কৈছিল।

১৯৮৫ চনত পট পৰিৱৰ্তন হ'ল। পঞ্চম শ্ৰেণীত বিজনী ছোৱালী হাইস্কুলত নাম লগালোঁ। এই স্কুলৰ চৌহদটোও নানা গছ-বিৰিখেৰে ভৰা আছিল আৰু সমুখত ভেঁট ফুল, মকুৰা ফুলি থকা এটা ডাঙৰ পুখুৰী আছিল। নতুন স্কুলত নতুন বান্ধৱীও বহুকেইজনী হ'ল— সংগীতা আগৰৱালা, ঝুমা সাহা, সবিতা, মিতালী গুহ, মনোমতী ৰায়, নিবেদিতা, বিনীতা, কাজলমণি হাজং, ছানুৱাৰা বেগম, মামণি বেগম, সুমতি, গায়ত্ৰী, নীলিমা, আবিদা, টুলুমণি, ফুলকুমাৰী, বিদুলী, লক্ষ্মী, জিতা, মিনি— আগৰ অনুপমা, দীপ্তি, দীপিকা, পদুমীক আকৌ পালোঁ।

ক'ত আৰম্ভ কৰোঁ? সকলো ছাৰ-বাইদেউৰ মুখ একেলগে মনলৈ আহিছে। ভানু ৰায়চৌধুৰী বাইদেউৰ পৰাই আৰম্ভ কৰোঁ। বাইদেউৰ মাত ডাঙৰ আৰু স্পষ্ট আছিল। তেখেতে সদায় তাঁতত বোৱা কপাহী চাদৰ-মেখেলা পিন্ধা দেখিছিলোঁ— সেন্দূৰীয়া মুখখনত ডাঙৰকৈ লোৱা ৰঙা ফোঁট আৰু তামোলেৰে ৰঙা হোৱা ওঁঠ জিলিকি আছিল। তেখেতে আমাক বুৰঞ্জী পঢ়ুৱাইছিল। সপ্তম শ্ৰেণীত এবাৰ কোনোবা এজনীয়ে 'মোৰাৰজী দেশাই'ৰ সলনি 'মৰাৰজা দেশাই' লিখাত বাইদেৱে তাইক ভালকৈ এশিকনি দিয়া মনত আছে। অনুপমা দেৱী বাইদেৱে সমাজ অধ্যয়ন পঢ়ুৱাইছিল। তেখেতৰ ছোৱালী বিনীতা আমাৰ সহপাঠী। বাইদেউ যে বৰপেটাৰ এক অতি সম্ভ্ৰান্ত ঘৰৰ বোৱাৰী বহু পিছতহে গম পাইছিলোঁ। তেখেতৰ সাধাৰণ পিন্ধন-উৰণ, সহজ-সৰল ব্যৱহাৰক সেই আভিজাত্যই চুব পৰা নাছিল। ধুনীয়া, গম্ভীৰ প্ৰভা দাস বাইদেৱে আমাক পঢ়ুওৱা নাছিল। তেখেতৰ ছোৱালী নিবেদিতা মোৰ সহপাঠী হোৱা বাবে নে অইন কিবা কাৰণত, তেখেতৰ প্ৰতি অতিৰিক্ত ভয় এটা আছিল— বাইদেৱে কিজানিবা মোৰ চঞ্চল মনটোৰ উমান পায়! দিপ্তী চন্দ বাইদেৱে আমাক অসমীয়া পঢ়ুৱাইছিল। ওখ, ধুনীয়া, ধুনীয়াকৈ শাৰী পিন্ধি

অহা এইগৰাকী বাইদেউৰ ব্যক্তিত্বত এক বিশেষ আকৰ্ষণ আছিল। নৰম শ্ৰেণীত মই অইন স্কুললৈ গুচি যোৱাত বাইদেৱে চিঠি লিখি উৎসাহ দিছিল। সদায় বগা পাটৰ মেখেলা আৰু কপাহী চাদৰ পিন্ধি স্কুললৈ অহা বীণা ভাগৱতী বাইদেউ যেন সৌম্য, গাম্ভীৰ্য, পৰিচ্ছন্নতাৰ মূৰ্ত প্ৰতীক। ধীৰ, কোমল মাতেৰে তেখেতে আমাক বিজ্ঞানৰ খুটি-নাটিবোৰ বুজাই দিছিল। অতি শুৱলা আৰু আকৰ্ষণীয়কৈ হেনো বণিক্য বাইদেৱে ইংৰাজী আৰু ভূগোলৰ পাঠদান কৰিছিল। ইংৰাজী স্পষ্টকৈ পঢ়াৰ অভ্যাসটো হয়তো তেখেতৰ পৰাই আৰম্ভ হৈছিল। টিলাকৈ বেণী গুঠি অহা, শুধ বগা লক্ষ্মী পাটোৱাৰী বাইদেউকো বৰ ধুনীয়া দেখিছিলোঁ। তিলোত্তমা বাইদেউৰ আখৰ বৰ ধুনীয়া আছিল। পৰীক্ষাৰ বহীত কিবা উত্তৰ ভুল হ'লে অথবা সঠিক নহ'লে বাইদেৱে ধুনীয়াকৈ শুদ্ধ উত্তৰটো কাষত লিখি দিছিল (অইন ছাৰ-বাইদেৱেও দিছিল, কিন্তু বাইদেউৰ লিখাখিনি বিশেষভাৱে মনত ৰৈ গ'ল)।

শুভ্ৰা চেটাৰ্জী বাইদেউ খুব কম দিনৰ বাবে আহিছিল আৰু তেখেত খেল আৰু শৰীৰ-চৰ্চাৰ তত্বাৱধানত আছিল। সপ্তম শ্ৰেণীত থাকোতে বিজনীত আন্তঃজিলা ভলীবল প্ৰতিযোগিতা হৈছিল আৰু প্ৰথম দিনা হ'বলগীয়া মাৰ্চপাষ্ট বা বিশেষ অভিবাদনৰ বাবে তেখেতে আমাক প্ৰশিক্ষণ দিছিল। এই সুবাদতে আমি 'দূৰদৰ্শন'ৰ বাতৰিতো ওলাইছিলো! সেই সময়ত আমাৰ ঘৰত টি.ভি. নাছিল যদিও আত্মীয় স্বজনৰ মুখত খবৰটো পাইছিলোঁ, স্বাভাৱিকতে, স্কুলীয়া দিনৰ ই এক ভাল লগা স্মৃতি।

কমলা প্ৰসাদ দাস ছাৰে সদায় ধুতি পৰিধান কৰিছিল-পাঞ্জাৱীটো আছিল হয় বগা, নহ'লেবা আকাশী নীলা। ইয়াৰ কোনো হেৰফেৰ দেখা নগৈছিল। অত্যন্ত পৰিপাটী, দীৰ্ঘদেহী দাস ছাৰ অতি ব্যক্তিত্বশালী পুৰুষ আছিল। ইংৰাজী ব্যাকৰণৰ বিশেষ পাঠ কিছুমান তেখেতৰ শ্ৰেণীতেই আৰম্ভ হৈছিল। তেখেতৰ অকাল বিয়োগত অতি ব্যথিত হৈছোঁ। অৰবিন্দ সৰকাৰ ছাৰক কোনো কোনোৱে বি.এছ.চি ছাৰ বুলিও মাতিছিল। ছাৰ অতি শান্ত আৰু মৰমিয়াল আছিল আৰু অকণো খং নকৰাকৈ সকলো ছাত্ৰীকে গণিতৰ সমস্যাবোৰ বুজাই দিছিল। কৃষ্ণ ৰায় ছাৰৰ শ্ৰেণীত এলজেব্ৰাৰ প্ৰথম পাঠ পাইছিলোঁ। এক বিশেষ ভংগিমা আৰু সুৰেৰে তেখেতে আমাক ফৰ্মূলাবোৰ বুজাই দিছিল। তেখেতৰ কোনোদিন খং উঠা মনত নপৰে। অইন ছাৰসকলৰ তুলনাত ভগৱান দাস ছাৰ অলপ কঠোৰ আছিল আৰু ষষ্ঠ শ্ৰেণীত অংক ভুল হওঁতে এদিন থিয় কৰাই হাতৰ তলুৱাত স্কেলৰ কোব দিছিল। হিন্দী শিক্ষক আলি ছাৰ আৰু বিজ্ঞান শিক্ষক হাজৰা ছাৰলৈয়ো মনত পৰে। শুভ্ৰা চেটাৰ্জী বাইদেউ যোৱাৰ পাছত অইন এজন ছাৰ আহিছিল শৰীৰ চৰ্চাৰ বাবে— তেখেতে আমাক খো-খো খেলিবলৈ শিকাইছিল। প্ৰঞ্চম শ্ৰেণীত থাকোঁতে হ'বলা, সমৰেন্দ্ৰ বসুমতাৰী ছাৰৰ শ্ৰেণীত কাজলমণি হাজওে 'হাজবেণ্ড' শব্দটো 'হুজবেণ্ড' বুলি পঢ়ি দিলে। জিৰণিৰ পিছৰ শ্ৰেণীটোত আমাৰ দুজনীমানৰ বুট-বাদাম চোবোৱা হোৱাই নাছিল, কাজলমণিৰ 'হুজবেণ্ড' শুনি নাকে-মুখে বাদাম ওলাই আহিল। পঢ়োঁতে আমাৰ মাত স্পষ্ট কৰিবৰ বাবেই হয়তো ছাৰে নিজকে কাণ গধুৰ বুলি কৈছিল, "তোমালোকে ডাঙৰ ডাঙৰকৈ পঢ়িবা। কাৰণ মোৰ কাণ দুখন বেঙা!" এই কথাত আমি বৰ ৰস পাইছিলোঁ। সহজ-সৰল ছাৰে বাটে-পথে লগ পালে ইমান আপোনভাৱে মাতিছিল যে ছাৰক কোনোবা আত্মীয় যেনেই বোধ হৈছিল।

জিৰণিৰ সময়ত ওখকৈ বন্ধোৱা পুখুৰীৰ পাৰত সকলোৱে টিফিন ভগাই খাইছিলোঁ।





সংগীতাই অনা আচাৰৰ প্ৰতি বিশেষ লোভ এটা আছিল। খেল-ধেমালিও যথেষ্ট কৰিছিলোঁ। বছৰেকীয়া খেল-ধেমালিৰ সময়ত জুবিন গাৰ্গ আহিছিল তবলা বজাবলৈ। জুবিন তেতিয়া গোল মুখৰ ল'ৰা আছিল, এতিয়াৰ দৰে খীণ-মীন নাছিল। জংকিৰ কথা লিখাই নহ'ল। জংকিক হেৰুৱাই বুজাব নোৱাৰা দুখ পাইছোঁ। স্কুলৰ স্মৃতি বুলিলে আৰু বহু কথাই আছে— ওপৰৰ ক্লাছৰ বাইদেউসকল, তলৰ ক্লাছৰ ভন্টিবোৰ, মজাৰ ঘটনাবোৰ, এই স্মৃতিচাৰণ সদায় অসম্পূৰ্ণ।

এটা কথা মন কৰিবলগীয়া যে অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত ভিতৰুৱা ঠাই এখনৰ স্কুল আছিল যদিও মই পঢ়া দুয়োখন স্কুলৰ প্ৰায়সকল ছাৰ-বাইদেৱে মান্য অসমীয়াত কথা কৈছিল আৰু আমিও এইটোকে বুজিছিলোঁ যে ঘৰৰ বাহিৰত কথা-বতৰা পাতোঁতে মান্যভাষাত কথা ক'ব লাগে। স্কুলীয়া জীৱনত (আৰু এতিয়াও) মই অলপ পিছৰফালে থকা বিধৰ আছিলোঁ। কিন্তু শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকলে মোক সদায় আগবাঢ়ি আহিবলৈ উৎসাহ দিছিল। তেখেতসকলৰ ওচৰত মই চিৰঋণী। অশেষ ধৈৰ্য্য আৰু মৰমেৰে তেখেতসকলে বিভিন্ন মেধাৰ ছাত্ৰ-ছাত্ৰীক শিক্ষা দিছিল। সেই ধৈৰ্য মই নিজে কেতিয়াও আয়ত্ব কৰিব নোৱাৰিম। আৰু তিনি বছৰ পাছত বিজনী ছোৱালী হাইস্কুলে ষাঠি বছৰ পাৰ কৰিব। ছোৱালী হাইস্কুল আৰু বিজনী মতিলাল বগৰীয়া মজলীয়া বিদ্যালয়ৰ যাত্ৰা গৌৰৱময় হওক— এয়াই কামনা কৰিছোঁ।●

---

লেখিকা নলবাৰী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ সহকাৰী অধ্যাপিকা।



# বিজনী মহাবিদ্যালয়ৰ বৌদ্ধিক পৰিৱেশ এটি চমু আলোকপাত

**ঈশ্বৰ চন্দ্ৰ ডেকা**

নিৰলস অধ্যয়ন, যুক্তিনিষ্ঠ আলাপ-আলোচনা, বুদ্ধিদীপ্ত বিচাৰ-বিশ্লেষণৰ মাজেৰে সত্য অন্বেষণ আৰু বাস্তৱিকতে তাৰ প্ৰায়োগিক দিশৰ ধাৰাবাহিক সুস্থ পৰম্পৰা যেতিয়া এটা অনুষ্ঠানত কৰ্ষণ কৰা হয়, তাৰ প্ৰভাৱত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত পদ্ধতিগত অধ্যয়নৰ প্ৰতি এক উৎসাহজনক পৰিৱেশ প্ৰতিপালিত হয়। চেতনাত ক'ব নোৱাৰাকৈয়ে এটি ইতিবাচক দৃষ্টিভঙ্গী গঢ় লৈ উঠে। এনে চিন্তাধাৰাই সমাজক আলোকিত কৰি তোলে। এয়ে বৌদ্ধিক পৰিৱেশ।

বিজনীৰ বুকুত শিক্ষা সাধনাৰ স্বপ্নদ্ৰষ্টা যিসকল মহান কাণ্ডাৰীয়ে বিজনী মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিছিল, তেওঁলোকক সহস্ৰ প্ৰণাম জনাই, তেওঁলোকৰ সপোন কিমানখিনি বাস্তৱায়িত হ'ল তাৰ এটি চমু আভাস দাঙি ধৰাহে এই নিবন্ধৰ মূল উদ্দেশ্য। বৰ্তমানৰ বিজনীৰ মাজত আমি পঞ্চাশ বছৰ পূৰ্বৰ বিজনীক বিচাৰি নাপাওঁ। যোগাযোগ, যাতায়াত, শিক্ষা, বাণিজ্য, জীৱন ধাৰণ প্ৰণালী সকলোতে অভূতপূৰ্ব পৰিৱৰ্তন। অকল আৰ্থ-সামাজিক ক্ষেত্ৰতে নহয়, মেধাৰ ক্ষেত্ৰতো আছিল অঞ্চলবাসীৰ অনগ্ৰসৰতা। শিক্ষা-দীক্ষাৰ ফালেও আছিল চুবুৰীয়া আন আন অঞ্চলৰ তুলনাত পিছপৰা। কিন্তু বিজনী মহাবিদ্যালয়ে সমগ্ৰ অঞ্চলটোৰ শৈক্ষিক ক্ষেত্ৰত এক নতুন আলোড়ন তুলিলে। উচ্চশিক্ষা গ্ৰহণৰ প্ৰতি মানুহবোৰৰ মনত আগ্ৰহৰ ভাবে গঢ় ল'লে আৰু জাকে জাকে





কলেজীয়া ল'ৰা-ছোৱালী ওলাই আহিল। কলেজীয়া শিক্ষাই লাহে লাহে সমাজত পোহৰ বিলালে। বিভিন্ন জাতি-সম্প্ৰদায়ৰ মাজত প্ৰেম আৰু ভাতৃত্বৰ ভাব দৃঢ় কৰিলে। ঘৰে ঘৰে শিক্ষিত যুৱক-যুৱতী। এওঁলোকে চৰকাৰী-বেচৰকাৰী কামত নিযুক্ত হৈ সমাজ উত্তৰণৰ গতি তৰান্বিত কৰিলে। বছৰে বছৰে অনেক শিক্ষাৰ্থীক স্নাতক ডিগ্ৰী দিয়াৰ উপৰিও মহাবিদ্যালয়ৰ স্বৰ্ণজয়ন্তীৰ শুভক্ষণত প্ৰথমচাম ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলে। বিজনী মহাবিদ্যালয়ৰ বাবে সঁচাকৈয়ে এয়া এক চমকপ্ৰদ অভিলেখ।

পৰীক্ষা পদ্ধতি আৰু পাঠ্যক্ৰমৰ ৰাষ্ট্ৰীয় সমতা ৰক্ষা কৰি সময়ে সময়ে পৰিৱৰ্তন হৈয়ে আছে। এনে পৰিৱৰ্তনৰ ধামখুমিয়াত মহাবিদ্যালয়ৰ শিক্ষকসকলেও অৱধাৰিতভাৱে Orientation Course, Refresher Course, Short Term Course বা প্ৰাসঙ্গিক প্ৰশিক্ষণ আদিত জড়িত হৈ নিজকে সাজু কৰি ৰাখিব লগা হৈছে। একমাত্ৰ অধ্যাপনা কাৰ্য কৰিয়েই তেওঁলোক ক্ষান্ত থকা নাই; জ্ঞানৰ সমুদ্ৰ মন্থন কাৰ্যত তেওঁলোকে গভীৰ অধ্যয়ন আৰু গৱেষণা কাৰ্যতো সততে ব্যস্ত হৈ পৰিছে। সম্প্ৰতি বিজনী মহাবিদ্যালয়ত কলা শাখাত- ৩২ জন শিক্ষক, বিজ্ঞান শাখাত - ১৫ জন শিক্ষকে অধ্যাপনা কৰি আছে। আমাৰ আনন্দৰ কথা— এওঁলোকৰ ভিতৰত কলা শাখাত ৮ জনে আৰু বিজ্ঞান শাখাত ২ জনে Ph.D. ডিগ্ৰী লাভ কৰিছে। তেনেদৰে কলা শাখাত ৫ জনে আৰু বিজ্ঞান শাখাত ৮ জনে M.Phil ডিগ্ৰী লাভ কৰিছে। এতিয়াও কলা শাখাত ৪ জনে আৰু বিজ্ঞান শাখাত ৪ জনে Ph.D. গৱেষণাত নিয়োজিত হৈ আছে। এই গৱেষণা কাৰ্যৰ ৰেঙনি অকল ছাত্ৰ-ছাত্ৰীয়ে নহয় সমাজতো প্ৰতিভাত হৈছে।

অতিকে সুখৰ কথা-বিজনী মহাবিদ্যালয়ত শিক্ষাৰ্থী আৰু শিক্ষকসকলৰ মাজত সম্পৰ্ক ইমান মধুৰ আৰু আত্মিক যে, সেয়া নেদেখিলে অনুভৱ কৰিব নোৱাৰি। প্ৰতিটো বিভাগৰ অধ্যাপকে শিক্ষাৰ্থীসকলৰ মাজত অধ্যয়ন প্ৰৱণতা বৃদ্ধি কৰিবলৈ নিজস্ব বুদ্ধি-কৌশলেৰে কিতাপৰ অমৃতকুম্ভ তুলি দিবলৈ প্ৰয়াস কৰিছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুইজ, Group Discussion সাহিত্যৰ আলোচনা আদি অনুষ্ঠিত কৰি তেওঁলোকৰ সন্মুখত জ্ঞান বিস্তাৰৰ নতুন নতুন দিশৰ উন্মেষ ঘটাইছে। পদ্ধতিগতভাৱে চেমিনাৰ পেপাৰ সাজু কৰি কোনো কোনো বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে ডিজিটেল পদ্ধিতত গৱেষণা-পত্ৰ পাঠ কৰা দেখিলে আনন্দত অভিভূত হৈ পৰিব লাগে। বিশেষকৈ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগে আলোচনা-পত্ৰত গৱেষণামূলক পদ্ধতি কেনেদৰে প্ৰয়োগ কৰিব লাগে, সেই বিষয়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কৰ্মশালা অনুষ্ঠিত কৰি উচ্চ প্ৰশংসিত হৈছে। তেনেদৰে আমাৰ ইংৰাজী বিভাগৰ (২০১৫) ছাত্ৰ-ছাত্ৰীয়ে অভয়াপুৰী মহাবিদ্যালয়ত Indian Feminist Writer বিষয়ত আন্তঃকলেজ চেমিনাৰত অংশগ্ৰহণ কৰিও প্ৰতিভাৰ পৰিচয় দিছে। আমাৰ মহাবিদ্যালয়ত অসমীয়া বিভাগেও ছাত্ৰ-ছাত্ৰীৰ মাজত আন্তঃকলেজ চেমিনাৰ, কুইজ আদি অনুষ্ঠিত কৰি শিক্ষাৰ্থীসকলক স্বকীয় স্থিতি উপলব্ধি কৰাৰ বাট দেখুৱাইছে। মহাবিদ্যালয়ৰ পৰিধি অতিক্ৰমী আন আন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগত প্ৰতিযোগিতামূলক প্ৰদৰ্শন কৰিবলৈকে তেওঁলোকৰ চেতনাৰ অন্তঃস্ৰোতত অধ্যয়ন প্ৰৱণতাই খোপনি পুতিছে। এই কাৰ্যৰ সাফল্যাই পিছৰ চাম শিক্ষাৰ্থীক

অনুপ্ৰাণিত কৰিছে। ৰাজ্যিক পৰ্যায়ৰ কবি সন্মিলন পাতি অসমৰ প্ৰতিষ্ঠিত কবি সমাজক আমন্ত্ৰণ কৰি শিক্ষাৰ্থীসকলক সাহিত্য চৰ্চাৰ প্ৰতি উদ্‌গনি দিয়া হৈছে। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে স্থানীয় উপভাষা অধ্যয়ন আৰু কলা-সংস্কৃতি, লোক-সাহিত্যৰ অধ্যয়ন চলাই ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে ক্ষুদ্ৰ গৱেষণা কাৰ্য সম্পাদনা কৰি অসমীয়া বিভাগে এক মহৎ কাৰ্য সাধন কৰিছে। বিভাগৰ ফালৰ পৰা "সৃজন" নামৰ কাব্য সংকলন এখনৰো দুটা সংখ্যা প্ৰকাশ কৰা হৈছে। মহাবিদ্যালয়ৰ বড়ো বিভাগেও যোৱা কিছু বছৰৰ পৰা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক প্ৰয়াত লক্ষেশ্বৰ ব্ৰহ্ম ছাৰৰ স্মৃতিত ৰাজ্যিক ভিত্তিত অনুষ্ঠানৰ আয়োজন কৰি বিভিন্ন নৃত্য-গীত, আলোচনা আৰু সাহিত্য অনুষ্ঠানৰ প্ৰতিযোগিতাৰ মাজেৰে শিক্ষাৰ্থীসকলৰ জ্ঞান শিখা বিয়পাইছে আৰু আন মহাবিদ্যালয়ৰ সৈতে সম্প্ৰীতিৰ সেঁতু নিৰ্মাণ কৰা হৈছে।

বিজনী মহাবিদ্যালয়ৰ সৰ্বমুঠ ১৪ টা বিভাগৰ প্ৰত্যেকৰে একোখন প্ৰাচীৰপত্ৰিকা আছে— য'ত শিক্ষাৰ্থীসকলৰ সাহিত্য স্পৃহাই প্ৰথম ভূমিকা মাৰে। সেই স্পৃহাৰেই প্ৰসাৰণ ঘটি মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী জীপাল হৈ উঠে। বিজনী মহাবিদ্যালয়ে ইতিমধ্যে ৪ খন ৰাষ্ট্ৰীয় পৰ্যায়ৰ চেমিনাৰ অনুষ্ঠিত কৰিছে। সেই কেইখনৰ বিষয় হ'ল—

১। Post Modernism in the Indian Context
২। Bhupen Hazarika : His Life and Works
৩। Lakshminath Bezbaruah : His Life and Works
৪। The Role of Higher Education Institutions in Skill Development and Employment Generation in the North East.

তেনেদৰে Indian Cork Industry and Assamese Puppet Dance শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালা অনুষ্ঠিত কৰি মহাবিদ্যালয়ৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ ক্ষেত্ৰখন চহকী কৰিছে। অকল ইমানেই নহয়, Gender Sensitisation বিষয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিছে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ বৌদ্ধিক বিকাশৰ বাবে মাজে মাজে বিশিষ্ট বুদ্ধিজীৱি, ভাষাবিদ, গৱেষক পণ্ডিতক মাতি আনি বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। যিসকলৰ বক্তৃতাই আমাৰ মন মুগ্ধ কৰিছিল সেই সকলৰ ভিতৰত ড° অমৰজ্যোতি চৌধুৰী, ড° উমেশ ডেকা, ড° দীপাঙ্কৰ মৰল, ড° যোগেন কলিতা আদি অন্যতম।

মহাবিদ্যালয়ৰ শিক্ষকসকলে বিভিন্ন গ্ৰন্থ-আলোচনীত সময়ে সময়ে নানা প্ৰবন্ধ-পাতি লেখি তেওঁলোকৰ চিন্তা-চৰ্চা অব্যাহত ৰাখিছে। অনেকজনে ভালেমান গ্ৰন্থ আৰু আলোচনী সম্পাদনা কৰিও জ্ঞানৰ সাধনা কৰিছে। ইয়াৰ উপৰি কেইবাজনো শিক্ষকে মৌলিক গ্ৰন্থ ৰচনাৰে স্ব-প্ৰতিভাৰ জেউতি চৰাইছে। সেইবোৰৰ এটি সামান্য ৰূপৰেখা দিবৰ যত্ন কৰা হ'ল—

ড° বীৰহাস গিৰি বসুমতাৰী—
(১) "মৈহুৰ" (ধৰণীধৰ ঔৱাৰীৰ একে নামৰ উপন্যাসৰ অসমীয়া অনুবাদ)
(২) থেংফাখ্ৰি তহচিলদাৰনি থামানি থুংগ্ৰী (মামণি ৰয়চম গোস্বামীৰ থেংফাখ্ৰী তহচিলদাৰৰ 'তামৰ তৰোৱাল' নামৰ উপন্যাসৰ বড়ো অনুবাদ)।
(৩) নীলকমল ব্ৰহ্মাৰ নিৰ্বাচিত গল্প সংকলনৰ অসমীয়া অনুবাদ।
(৪) আংনি জৱানি বৗথৗৰসে (মিনতি বৰঠাকুৰৰ 'মোৰ অসুখৰ এবছৰ' নামৰ গ্ৰন্থৰ বড়ো অনুবাদ।





(৫) জিঞ্জিৰি (ভবেন্দ্ৰনাথ শইকীয়াৰ "শৃংখল" গল্প সংকলনৰ বড়ো অনুবাদ)।
(৬) 'সাদা খাম' আন এখন বাংলা উপন্যাসৰ বড়ো অনুবাদ প্ৰকাশৰ পথত।

ড° প্ৰমথেশ বায়ন—
(১) প্ৰয়াস (প্ৰবন্ধ সংকলন)
(২) প্ৰবন্ধ গুচ্ছ (প্ৰবন্ধ সংকলন)
(৩) ঊনবিংশ শতিকাৰ অসমীয়া গদ্যৰ ধাৰা ('অৰুণোদই'ৰ গদ্যৰ বিশেষ উল্লিখনসহ) Ph.D. ৰ গৱেষণা পত্ৰ

ড° উৰ্মিলা পোদ্দাৰ—
(১) বাংলা সাহিত্যেৰ ইতিহাস (প্ৰাচীন ও মধ্যযুগ)
(২) গ্ৰামীণ জীৱনে শিক্ষা-সংস্কৃতি ও ভৱিষ্যৎ ভাবনা এক বিহঙ্গম দৃষ্টি

ড° জি.বি. কচাৰী—
(১) নৗং মানৗ উন্দুলংথৌ (কবিতা)
(২) গৗৰবী আৗৰী ফৗৰমায়থি
(৩) শিয়ালনি হাবা (চুটিগল্প)
(৪) খনসায়নায় ৰায়থাই (প্ৰবন্ধ সংকলন)

ড° আশাৰাণী ব্ৰহ্ম—
(১) ৰাও আৰো থুনলাই
(২) বিজিৰনায় নৗজৌৰাও বৰো থুনলাই
(৩) বিজিৰনায় নৗজৌৰাও বৰো খন্থায়

সৰোজ কুমাৰ পচায়ত—
(১) Thought on Society Culture and Education (Essays)
(২) Bernard Malamud's Archetypal Mothers– A Study of His Early Novels.

কুমাৰ ৰাজীৱ গুৰুং—
(১) Mirage poetry

জৱাহৰ হুচেইন, সঙ্গীতা ৰয়, জয়শ্ৰী নাৰ্জাৰী—
(১) A Textbook of Physics. (B.Sc. 6th Sem.)

বীণিকা নাৰ্জাৰী—
(১) নৌ মালৌ উদুলাংখৌ (কবিতা)
(২) গৌৰবী আৰৌ ফৌৰমায়থি (কবিতা)
(৩) শিয়ালনি হাবা (গল্প)
(৪) খনছায়নায় ৰায়থায় (প্ৰবন্ধ সংকলন)

উল্লেখ্য যে আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড° বীৰহাস গিৰি বসুমাতাৰীদেৱে ২০১৬ চনৰ বৰো অনুবাদ সাহিত্যৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত উজলি উঠিছে। এয়া আমাৰ বাবে গৌৰৱ আৰু অনুপ্ৰেৰণাৰ বিষয়। মহাবিদ্যালয়ৰ আন এগৰাকী অধ্যাপিকা ড° শেৱালি পাঠকেও আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত কেইখনো গৱেষণা-পত্ৰ প্ৰকাশ কৰি মহাবিদ্যালয়খনিক এক নতুন মাত্ৰা প্ৰদান কৰিছে। বিজনী মহাবিদ্যালয়ত এটা প্ৰকাশন গোট আছে। এই প্ৰকাশন গোটটেও ইতিমধ্যে তিনিখন প্ৰবন্ধ পুথি আৰু দুটা বক্তৃতা প্ৰকাশ কৰি শিক্ষাসদী ৰাইজক উপহাৰ দিছে। তদুপৰি বৰ্তমানলৈকে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অৰ্থ সাহায্যত পাঁচগৰাকী শিক্ষকে ক্ষুদ্ৰ গৱেষণা প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰি তুলিছে।

Women Awareness Cell বিজনী মহাবিদ্যালয়ৰ এটি কোষ। এই কোষৰ অধীনত চুবুৰীয়া গাঁওসমূহত বিভিন্ন স্পৰ্শকাতৰ বিষয়ক মূল বিষয় হিচাপে লৈ সজাগতামূলক কাৰ্য সম্পাদন কৰি সমাদৰ লাভ কৰিছে। এই কোষৰ অধীনত "প্ৰতিভা" নামৰ এখন উন্নতমানৰ আলোচনী কেবাবছৰ ধৰি একেৰাহে প্ৰকাশ কৰি মহাবিদ্যালয়ত এটি সুস্থ-সৱল বৌদ্ধিক পৰিমণ্ডল গঢ়ি তোলাত অৰিহণা যোগাই আহিছে। মহাবিদ্যালয়ত অৱস্থিত NSS কোষৰ সদস্যসকলেও ভালেমান সজাগতামূলক কাৰ্য সাধন

কৰিছে। বিজনী মহাবিদ্যালয়ৰ ECO CLUB ৰ অধীনতো বিভিন্ন সময়ত সজাগতামূলক কাৰ্যসূচী হাতত লৈ সমাজক আৰু এখোপ আগুৱাই নিয়াৰ প্ৰচেষ্টা চলাইছে। বিজ্ঞান শাখাৰ শিক্ষকসকলে NCSE ৰ অধীনত প্ৰতিযোগিতামূলক অনুষ্ঠান কৰিও ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ পৰিৱেশ সৃষ্টি কৰি আহিছে। শিক্ষকসকল অকল মহাবিদ্যালয়তে সীমাবদ্ধ হৈ থকা নাই, চুবুৰীয়া গাঁও কিছুমানলৈও তেওঁলোকৰ দায়িত্ব সম্প্ৰসাৰিত কৰি সহৃদয়তাৰ পৰিচয় দিছে। গাঁৱৰ বাট-পথ মেৰামতি কৰি, স্বচ্ছতাৰ অভিযান চলাই, ভিতৰুৱা ঠাইৰ স্কুলত স্বেচ্ছাই বিনামূল্যে শিক্ষা দান কৰি সামাজিক দায়িত্ব পালনৰ দিশে অগ্ৰসৰ হৈছে। মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলক ক্ষেত্ৰভিত্তিক জ্ঞান অৰ্জনৰ প্ৰতি লক্ষ্য ৰাখি প্ৰায়েই অসমৰ বাহিৰেও ভাৰতৰ বিভিন্ন ঠাইলৈ শিক্ষামূলক ভ্ৰমণৰ কাৰ্যসূচী পালন কৰি আহিছে। ইয়াৰ মাজেৰে ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা, দেশপ্ৰেমৰ ভাব, আৰু বৈচিত্ৰ্যৰ মাজত সংহতিৰ মূল্য উপলব্ধি কৰাত শিক্ষাৰ্থীসকলক উপকৃত কৰি তুলিছে।

এনেদৰে উচ্চখাপৰ আলাপ-আলোচনা চিন্তা-চৰ্চাৰ মাজেৰে মহাবিদ্যালয়ত এক বৌদ্ধিক পৰিৱেশ প্ৰতিষ্ঠা কৰা হৈছে। কেতিয়াবা যদি মহাবিদ্যালয়ৰ চাৰিবেৰত, আন কেতিয়াবা আমন্ত্ৰিত পণ্ডিত গৱেষকৰ সহায়ত এনে আলোচনাৰ দুৱাৰ মেলা হৈছে। এনেবোৰ কাৰ্যসূচীয়ে শিক্ষক-ছাত্ৰ সকলোকে অনুপ্ৰাণিত কৰে, উৎসাহিত কৰে আৰু শিক্ষা লাভৰ অন্তত সামাজিক দায়িত্ব পালনৰ প্ৰতি শিক্ষাৰ্থীক শক্তি দিয়ে। এনে বৌদ্ধিক পৰিৱেশ যদি মহাবিদ্যালয়ত বৰ্তাই ৰাখিব পৰা যায় তেনেহ'লে ভৱিষ্যতে এই অনুষ্ঠানৰ মানদণ্ড আৰু এখোপ ওপৰত প্ৰতিষ্ঠা কৰিব পৰা যাব। ●

লেখক বিজনী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক।





# বিজনী অঞ্চলৰ ধৰ্মীয় অনুষ্ঠান

দেৱজ্যোতি শৰ্মা

লোকসংস্কৃতি মানৱ জাতিৰ জীৱনচৰ্যা। ই মানৱজাতিৰ সামাজিক অভ্যাস আৰু আচৰণৰ সৈতে সংগতি ৰক্ষা কৰা কাৰ্যাৱলীৰ জাননী দিয়ে আৰু কোনো এক বিশেষ জনগোষ্ঠীৰ মাজত যুগ যুগ ধৰি প্ৰৱাহমান পৰম্পৰাৰ অধ্যয়ন কৰে। ধৰ্মীয় অনুষ্ঠানসমূহ লোকসংস্কৃতিৰ এটা বিশেষ অংগ। ধৰ্মীয় অনুষ্ঠানসমূহৰ প্ৰধান বিশেষত্বই হ'ল তাৰ জনপ্ৰিয়তা আৰু সাৰ্বজনীনতা। বছৰৰ কোনো কোনো সময়ত লোকজীৱনে কঠোৰ কৰ্মৰপৰা সাময়িকভাৱে বিৰতি লৈ আনন্দোৎসৱত মগ্ন হয়। বিভিন্ন ঋতুত, বিভিন্ন সময়ত উৎসৱ আদি ধৰ্মীয় অনুষ্ঠানৰ মাজেদি পালন কৰাৰ ৰীতি পৰম্পৰাগতভাৱে প্ৰচলিত। এই ধৰ্মীয় অনুষ্ঠানসমূহ ধৰ্মীয় পৰম্পৰা আৰু কিছুমান গোষ্ঠীবিশেষৰ ধৰ্মীয় বিশ্বাসৰ মাজেদি প্ৰচলিত হৈ আহিছে। সেয়েহে এই শ্ৰেণীৰ অনুষ্ঠানত লৌকিক ভাববৰ্জিত উকা অনুষ্ঠান বুলিব নোৱাৰি। কালৰ গতিত এইবোৰৰ শিথিলতা লাভ কৰি সাৰ্বজনীন হৈ পৰিছে।

ৰজা বিজিত নাৰায়ণৰ ৰাজ্য হিচাপে ইতিহাস প্ৰসিদ্ধ এই বিজনী অঞ্চলতো জাতি-ধৰ্মানুসাৰে বিভিন্ন ধৰণৰ ধৰ্মীয় অনুষ্ঠান আদি অতীতকালৰে পৰা পৰিচালিত হৈ আহিছে। তেনেকুৱা কিছুমান ধৰ্মীয় অনুষ্ঠান আদিৰ বিষয়ে চমুকৈ আলোচনা কৰিবৰ এক ক্ষুদ্ৰ প্ৰয়াস ইয়াত কৰা হৈছে।

**বিজনী সত্ৰ ঃ** পোন প্ৰথমতে আমি ক'ব লাগিব বিজনী সত্ৰৰ বিষয়ে যিখন সত্ৰক অতি কষ্টৰে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত সেই সময়ৰ সত্ৰৰ সভাপতি ঁকমলা দাস, সম্পাদক ঁখগেন দাস আৰু ধনভঁৰালী ঁঅনন্তৰাম দাস; সত্ৰৰ বাবে মাটি দান কৰা ঁসৰ্বানন্দ দেৱশৰ্মা প্ৰমুখ্যে অন্যান্য যেনে— ঁভবিন দাস, ঁসৰোৱাম দাস, ঁগিৰিশ দাস, ঁনাউমনি ৰাম দাস আদি ব্যক্তিৰ প্ৰচেষ্টা উল্লেখনীয়। এইসকল লোকৰ অশেষ ত্যাগ-কষ্ট আৰু ৰাইজৰ নেৰানেপেৰা প্ৰচেষ্টাত ১৯৫১-৫২ চনত সত্ৰৰ কীৰ্তন ঘৰটোৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠে। বৰ্তমানে দুটা ভকতৰ বাসস্থান, এটা অতিথিশালা, এটা ভঁড়ালঘৰ, এটা কাৰ্যালয় আৰু লগতে পুথিভঁড়াল আছে। শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ বিজনী সত্ৰত অতি জাক-জমকতাৰে পালন কৰা হয়। উৎসৱৰ সময়ত পতা ধৰ্মালোচনী সভালৈ অসমৰ বিভিন্ন ঠাইৰ পৰা বৰেণ্য ব্যক্তিসকলক আমন্ত্ৰণ কৰি আনি তেওঁলোকৰ অমৃতময় বাণীসমূহ ভক্তপ্ৰাণ ৰাইজৰ সন্মুখত দাঙি ধৰা হয়। বিজনী অঞ্চলৰ বিভিন্ন জাতি-উপজাতি লোকৰ মাজত সমন্বয় আৰু শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত এই উৎসৱৰ এক উল্লেখযোগ্য ভূমিকা আছে। এইখিনিতে উল্লেখযোগ্য যে বিজনী অঞ্চলত যিখিনি মহাপুৰুষীয়া লোক আছে তাৰ প্ৰায়বোৰেই বিজনী সত্ৰৰে শৰণ লোৱা।

**ডাঙাইগাঁও সত্ৰ ঃ** বিজনী চহৰৰ পৰা ৩ কি.মি. দক্ষিণত অৱস্থিত ডাঙাইগাঁও সত্ৰখন বিজনী সত্ৰৰে

এটি শাখা। নগাঁৱৰ পৰা আগমন হোৱা আচাৰ্য ইলাৰাম দাসৰ নেতৃত্বত ১৯৬৬ চনত ডাঙাইগাঁও সত্ৰখন প্ৰতিষ্ঠা কৰা হয়। সত্ৰখনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত ঁখগেন্দ্ৰ নাথ সূত্ৰধৰ, ঁমাধৱ চন্দ্ৰ সূত্ৰধৰ, ঁধৰণীধৰ মেধী, ঁলীলাৰাম সূত্ৰধৰ, ঁথানেশ্বৰ সূত্ৰধৰ আদি অনেক লোকৰ সহায়-সহযোগিতা উল্লেখনীয়। ডাঙাইগাঁও অঞ্চলবাসী সত্ৰখন স্থাপিত হোৱাৰ আগতে দুটা পক্ষত বিভক্ত আছিল— শৰণীয়া আৰু অশৰণীয়া। দুই পক্ষৰ মাজত থকা মনোমালিন্যৰ ফলস্বৰূপে এবাৰ নামঘৰটো জুইত পুৰি ছাৰখাৰো হৈছিল। সেই সময়ত নামঘৰটো খেৰেৰে নিৰ্মিত আছিল কিন্তু পিছলৈ স্থানীয় ৰাইজ আৰু আচাৰ্য ইলাৰাম দাসদেৱৰ নেতৃত্বত পুনৰ প্ৰতিষ্ঠা হয়। সত্ৰখনত গুৰুজনাৰ জন্মতিথি, তিৰোভাৱ তিথি, শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, ফাকুৱা (হোলি) আদি উলহ-মালহেৰে পালন কৰা হয়। বিহু উপলক্ষেও সত্ৰত নাম-প্ৰসংগৰ আয়োজন কৰা হয়।

**পুৰণি বিজনী জামে মছজিদ ঃ** এই মছজিদটো সমগ্ৰ বিজনী অঞ্চলৰ ভিতৰতে এটি পুৰণি মছজিদ। ১৯৪৩ চনত স্থাপিত হোৱা মছজিদ ঘৰটো বাঁহ-খেৰেৰে বন্ধা এটি সাধাৰণ ঘৰ আছিল। কালক্ৰমত আনুমানিক ১৯৬০ চনৰ ভিতৰত খেৰিঘৰৰ পৰা চাৰিচালিয়া এটা টিনৰ ঘৰলৈ উন্নীতকৰণ হয়। ১৯৮৫ চনত সেই সময়ৰ পুৰণি বিজনী জামে মছজিদ সমিতিৰ সমূহ কৰ্মকৰ্তাৰ অশেষ প্ৰচেষ্টা আৰু স্থানীয় মুছলমানলোকৰ পূৰ্ণ সহযোগিতাত বৰ্তমানৰ পকী মছজিদটো সাজি উলিয়ায়। বৰ্তমান নৱনিৰ্মীয়মান মছজিদটোৰ দীঘ প্ৰায় ৫৫ ফুট আৰু বহল প্ৰায় ৬০ ফুটমান হ'ব। বৰ্তমান এই মছজিদৰ ইমামতি কৰি আছে স্থানীয় আবুল হাচেম আৰু মোয়াজ্জেম মোবাৰক হুছেইন চাহাবে। মহৰম, সবেবৰাত আদি উৎসৱত নামাজ আদায়ৰ উপৰিও দৈনন্দিন নামাজ আদায়ৰ স্থলেৰে মছজিদটোৱে বিজনী অঞ্চলত ইছলাম ধৰ্মীসকলৰ এক নিজস্ব অনুষ্ঠানত পৰিণত হৈছে।

**ভেটাগাঁও বুঢ়ী ঠাকুৰাণী থান ঃ** বিজনী নগৰৰ নাতি দূৰৈত বিজনী-পাণবাৰী গড়কাপ্তানি পথৰ দাঁতিতে ভেটাগাঁৱত বুঢ়ী ঠাকুৰাণী থানখন কোঁচ ৰজা বিজিত নাৰায়ণ ওৰফে চন্দ্ৰ নাৰায়ণৰ ৰাজত্বকালত স্থাপিত হৈছিল। থানখনিৰ বিষয়ে সঠিভাৱে কোনো বুৰঞ্জী আকাৰে লিপিবদ্ধভাৱে পোৱা নগ'লেও এই অঞ্চলৰ খিলঞ্জীয়া বয়োজ্যেষ্ঠ লোকসকল তথা পূৰ্ব-পুৰুষৰ মুখে-মুখে প্ৰচলিত প্ৰবাদমতে, বিজনী ৰজাৰ এটা দতাল মখনা হাতী হাতীশালৰ পৰা শিকলি নিছিগাকৈ মাজে-মাজে অন্তৰ্ধান হৈছিল। উক্ত ঘটনাটো মাউত আৰু ফান্দি আদিয়ে প্ৰত্যক্ষ কৰি ঘটনাটোৰ সবিশেষ ৰজা বিজিত নাৰায়ণক জনাইছিল। কিছুদিনৰ পিছত







ঘটনাটোৰ পুনৰাবৃত্তি ঘটাত হাতীটো বহু বিচাৰ-খোচাৰ কৰাত গম পালে যে, হাতীটো ভেটাগাঁও সমীপস্থ বৰ্তমানৰ বুঢ়ী ঠাকুৰাণী থানখনত উপস্থিত হৈ তেতিয়াৰ বন-জংঘলেৰে ভৰি পৰা ঠাইত থকা উই হাফলু ওখ টীপ এটাৰ আগত হাতীটোৱে আঁঠুকাৰি সেৱা কৰে। তেতিয়া ৰজাই সেই ঠাইডোখৰত যে নিশ্চিতভাৱে অদৃশ্য এক মাহাত্ম্য আছে তাক অনুমান কৰিলে। তাৰোপৰি সপোনত ৰজা বিজিত নাৰায়ণক ঠাকুৰাণীয়ে দেখা দি হাতীটোৱে আৰাধনা কৰা ঠাহডোখৰত ঠাকুৰাণী মাৰ থান নিৰ্মাণ কৰিবলৈ ক'লে। পৰৱৰ্তী সময়ত ৰজাই প্ৰজাৰ সহযোগত বন-জংঘলবোৰ চাফ্-চিকুণাই উই হাফলুৰ টীপটো মাজত ৰাখি এখন থান স্থাপন কৰিলে (১৬৭১) আৰু এই থানখনেই হ'ল ভেটাগাঁৱৰ বুঢ়ী ঠাকুৰাণী থান।

থানখনে বৃহত্তৰ বিজনী অঞ্চলৰ ৰাইজক ধৰ্মৰ ডোলেৰে বান্ধি ৰাখিছে। থানখনত বিভিন্ন উৎসৱ যেনে— দুৰ্গাপূজা, বাসন্তী পূজা, অম্বুবাচী আৰু বিশেষকৈ শাৰদীয় দুৰ্গাপূজা উলহ-মালহেৰে পালন কৰা হয়। লোকবিশ্বাস যে, এই থানত সদাশয় ভক্তই যি মনোকামনা কৰে সেয়া মা ভগৱতীয়ে পূৰ্ণ কৰে। নিজা মনোকামনা পূৰ্ণ হোৱাৰ পিছত হাঁহ, পাৰ, ম'হ, ছাগলী, কোমোৰা ইত্যাদি উছৰ্গা কৰা দেখা যায়। বুঢ়ী ঠাকুৰাণী থানত কোনো দেৱীৰ বিগ্ৰহ বা প্ৰতিমা নাই। ৰজাই থানখন স্থাপনৰ সময়ত বেল কাঠেৰে নিৰ্মাণ কৰা আসনখনকে পূজা কৰা হয়। থানখনৰ আকৰ্ষণৰ অন্যতম কেন্দ্ৰবিন্দু হ'ল ৰজাদিনীয়া বলি কটা দা-সমূহ।

থানখনৰ লগত জড়িত এটি উল্লেখযোগ্য লোক প্ৰবাদ শুনিবলৈ পোৱা যায় যে, বুঢ়ী ঠাকুৰাণী মায়ে হেনো থানখনৰ দেউৰী (পূজাৰী) ৰ সৈতে সন্ধিয়া আৰতি কৰাৰ সময়ত নাচিছিল। কিন্তু এই কাৰ্য নিৰ্ধাৰিত তিথি অনুসৰিহে হৈছিল। বুঢ়ী ঠাকুৰাণী মায়ে এই নৃত্যৰ কথা দেউৰীজনক লোকালয়ত নক'বলৈ সতৰ্ক কৰি দিছিল। কিন্তু তেওঁ কোনোবা এজনৰ আগত কথাটো প্ৰকাশ কৰিছিল আৰু মানুহজনে দেউৰীৰ লগত দেৱীৰ নৃত্যৰ দৃশ্য গোপনীয়ভাৱে প্ৰত্যক্ষ কৰিছিল। এই কথাষাৰ মায়াৰ অধিকাৰিণী বুঢ়ী ঠাকুৰাণী মায়ে জানিব পাৰি উক্ত দেউৰীক তেওঁৰ স্ববংশ ধ্বংস হ'ব বুলি অভিশাপ দিছিল আৰু সেই দিনাৰ পৰাই মায়ে দেউৰীজনৰ লগত কৰা সন্ধিয়াৰ নৃত্য বন্ধ হৈ পৰিছিল। এই লোকবিশ্বাসবোৰ তথা থানখনৰ উৎপত্তি সম্পৰ্কে যিবোৰ কিংবদন্তী বা প্ৰবাদ প্ৰচলন আছে সেইবোৰৰ সত্যাসত্য সম্পৰ্কে কোনো নিশ্চিত ধাৰণা কৰিব নোৱাৰি। মানুহৰ মুখে-মুখে প্ৰচলিত এইবোৰ কাহিনীৰ কোনো লিখিত প্ৰমাণ পোৱা নাযায়। সেয়া যিয়েই নহওঁক উৎপত্তিৰ বিষয়ে সঠিককৈ একো নিশ্চিত হ'ব নোৱাৰিলেও অতীতৰে পৰা বিজনী অঞ্চলত এই থানে যে এক সুকীয়া স্থান লাভ কৰি আহিছে সি সত্য।

**শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ আৰু লক্ষ্মী পূজা ঃ** বিজনী চহৰৰ ঠিক মধ্যস্থলত অৱস্থিত শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰৰ ইতিহাস অতি প্ৰাচীন। ১৯৪৪ চনত বিজনীৰ ব্যৱসায়ী ৰামেশ্বৰ লাল আগৰৱালাই লক্ষ্মী মন্দিৰটো বান্ধি দিয়ে বুলি ১৭/০৬/১৯৫২ ইং তাৰিখৰ কমিটিৰ কাৰ্যকৰী সভাৰ জৰুৰী অধিৱেশনৰ ৩য় প্ৰস্তাৱত উল্লেখ আছে যদিও বৰ্তমানৰ মন্দিৰটো বিংশ শতিকাৰ পঞ্চাশৰ দশকত প্ৰতিষ্ঠিত কিন্তু লক্ষ্মী পূজাৰ আৰম্ভণি বিজনী অঞ্চল কোঁচ ৰজাৰ অন্তৰ্গত হোৱা সময়ৰে পৰা। ১৬১৬ খৃঃত মহাৰাজ চন্দ্ৰ নাৰায়ণ ওৰফে বিজিত নাৰায়ণে বৰ্তমানৰ পুৰণি বিজনী (মানাহ আৰু দুলানী নদীৰ পাৰত)ত ৰাজধানী স্থাপনেৰে ৰাজ্য শাসনৰ পাতনি মেলে।



কোঁচ ৰজা বিশ্বসিংহৰ বংশধৰ হোৱা বাবেই বিজিত নাৰায়ণ আৰু তেওঁৰ বংশধৰসকল আছিল শাক্তধৰ্মৰ অনুগামী। তেওঁলোক শাক্তপন্থী হ'লেও প্ৰথমৰে পৰাই এক উদাৰনৈতিক ধৰ্মমত অনুসৰণ কৰিছিল। এনে উদাৰনৈতিক দৃষ্টিভংগীৰ বাবেই দুৰ্গা পূজাৰ তুলনাত ৰাজ পৰিয়ালত ধন আৰু ঐশ্বৰ্যৰ দেৱী শ্ৰীশ্ৰী লক্ষ্মীদেৱীৰ পূজা-আৰাধনাৰ গুৰুত্ব বৃদ্ধি পাইছিল। বিজনীৰ ৰাজবংশই আৰম্ভণিৰে পৰাই বিভিন্ন সংকটৰ মাজেৰে ৰাজ্য পৰিচালনা কৰিবলগীয়া হৈছিল। ১৬১৬ খৃঃত ৰাজ্যৰ আৰম্ভণিৰে পৰা মোগলৰ কৰতলীয়া আছিল। তাৰোপৰি নতুনকৈ প্ৰতিষ্ঠিত ভূটান ৰাজ্যৰ সৈন্যসকলৰ আক্ৰমণত আৰু অধিক জুৰুলা হৈ পৰিছিল। এনে আৰ্থিক সংকটৰ পৰা পৰিত্ৰাণৰ উদ্দেশ্যে ৰাজদৰবাৰত মহা উলহ-মালহেৰে শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন কৰিছিল। প্ৰজাসাধাৰণেও বিপুলভাৱে এই পূজাত অংশ লৈছিল। বিজনী ৰাজ্যৰ ৰাজধানী হিচাপে বিজনীলৈ এই ৰাজকীয় লক্ষ্মীপূজাৰ বাবে পশ্চিমে সোণকোষ-গংগাধৰ, উত্তৰে ভূটানৰ পৰা দক্ষিণে গাৰোপাহাৰ সামৰি বিস্তীৰ্ণ অঞ্চলৰ পৰা আগমন কৰা প্ৰজাগনে এক মহা সমাগমৰ সৃষ্টি কৰিছিল।

উনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত ভূটীয়া ৰজাৰ ভয়াবহ আক্ৰমণে বিজনী ৰজাৰ ৰাজধানী স্থানান্তৰিত কৰিবলৈ বাধ্য কৰায়। ফলত ৰাজদৰবাৰত মহাধুমধামেৰে অনুষ্ঠিত হোৱা লক্ষ্মীপূজা অনুষ্টুপীয়াকৈ আয়োজন কৰা হয়। কালক্ৰমত লাহে লাহে এই ৰাজদৰবাৰৰ পৰা আহি ৰাজহুৱা উদ্যোগত পূজাৰ আয়োজন হ'বলৈ ধৰিলে। যিয়ে বৰ্তমান এক মহামেলাৰ ৰূপ লৈছে। আগতে উল্লেখ কৰাৰ দৰে ১৯৪৪ চনত লক্ষ্মীমন্দিৰ প্ৰতিষ্ঠিত হোৱাৰ উপৰিও বিভিন্ন চৰকাৰী অনুদান, ব্যক্তি প্ৰতিষ্ঠান আদিৰ সহযোগত এটি নাট্যমন্দিৰৰো প্ৰতিষ্ঠা হয়। ১৯৬২ চনত বিজনী লক্ষ্মীপূজা আৰু নাট্যমন্দিৰ কমিটি দুখন বেলেগ বেলেগকৈ নাৰাখি বিজনী নাট্যমন্দিৰ আৰু লক্ষ্মীমন্দিৰ কমিটি নামকৰণেৰে একেখন কমিটিৰ তত্বাৱধানতে লক্ষ্মীপূজা আৰু নাট্যমন্দিৰৰ কাম চলাবলৈ সিদ্ধান্ত লোৱা হয়। লক্ষ্মীদেৱীৰ মাৰ্বল-পাথৰৰ মূৰ্তিটো জয়পুৰৰ পৰা তৈয়াৰ কৰি আনি ১৯৮৫ চনত ইয়াক আনুষ্ঠানিকভাৱে স্থাপন কৰা হয়। মূৰ্তি স্থাপনৰ দিনৰ পৰা মন্দিৰৰ দুৱাৰ ভক্তসকলৰ দৰ্শনাৰ্থে খোলা ৰখা হয় আৰু প্ৰতি বৃহস্পতিবাৰে নাম-কীৰ্তন কৰা হয়। ১৯৯১ চনত শতবৰ্ষ গৰকা লক্ষ্মীপূজা আৰু মেলাখনৰ ইতিহাস যে অতি প্ৰাচীন তাক ইতিমধ্যে কোৱা হৈছে। প্ৰতিষ্ঠিত হোৱা দিনৰে পৰা লক্ষ্মী মন্দিৰটোৱে বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ হৈ আহিছে। মন্দিৰ চৌহদৰ সৌন্দৰ্য বৰ্ধনৰ বাবে মন্দিৰৰ উত্তৰ আৰু পশ্চিম দিশত দুখন তোৰণ নিৰ্মাণ কৰা হৈছে। মন্দিৰ চৌহদৰ পানী যোগান ব্যৱস্থা, ষ্টীল আলমাৰী ক্ৰয়,





অনুভাষ যন্ত্ৰ তথা অন্যান্য প্ৰয়োজনীয় বস্তুসমূহ সাধ্যানুযায়ী যোগান ধৰাৰ চেষ্টা অব্যাহত আছে। বৰ্তমানে লক্ষ্মী মন্দিৰটোত বিবাহৰ দৰে শুভকাৰ্যও সম্পন্ন হয়। ২৭/০২/২০০২ ইং তাৰিখৰ পৰা মন্দিৰত বিবাহ কাৰ্যৰ শুভাৰম্ভ হয়। বৰ্তমানে লক্ষ্মী মন্দিৰৰ অতিথিশালাৰ লগত সংলগ্ন কোঠাসমূহৰ ভাড়া, বিবাহৰ পৰা অহা অনুদান আৰু স্থানীয় ৰাইজৰ সহায় সহযোগেৰে আজি এক ঐতিহ্যমণ্ডিত ৰূপত লক্ষ্মী মন্দিৰটো প্ৰতিষ্ঠিত।

উল্লেখযোগ্য যে বিজনী ৰজাৰ পৃষ্ঠপোষকতাতে আৰম্ভ হোৱা শ্ৰীশ্ৰী লক্ষ্মীপূজা আৰু মেলাখন ইতিমধ্যে ৰাইজৰ সমূহীয়া ধৰ্মীয় আৰু সংস্কৃতিৰ এক বৃহৎ অনুষ্ঠানলৈ পৰিণত হৈছে। লক্ষ্মী মন্দিৰ নাটভৱনৰ মঞ্চ আৰু প্ৰেক্ষাগৃহটিও বিভিন্ন সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰাত যথেষ্ট সহায়ক হৈ অহাৰ লগতে বিজনীবাসী ৰাইজৰ বাবে নাট্যানুষ্ঠান পৰিৱেশনৰ এক যাউতিযুগীয়া অপৰিহাৰ্য সম্পদত পৰ্যবসিত হৈছে। বৰ্তমানে বিজনীৰ লক্ষ্মীপূজা আৰু মেলাই সকলোৰে মাজত বিভিন্ন প্ৰদৰ্শনী, থিয়েটাৰ, চাৰ্কাচ, দোকান-পোহাৰ আদি আৰু বিভিন্ন আকৰ্ষণীয় বস্তুৰে এক সুকীয়া ধৰ্মানুষ্ঠানৰ আসন গ্ৰহণ কৰিছে।

এই প্ৰবন্ধটিত কম পৰিসৰৰ ভিতৰত সংক্ষিপ্ততাৰে বিজনী অঞ্চলৰ বিভিন্ন ধৰ্মানুষ্ঠানৰ বিষয়ে আলোচনা কৰাৰ এক প্ৰয়াস কৰা হৈছে। মনকৰিবলগীয়া দিশটোৱে হ'ল যে, বিভিন্ন উৎসৱৰ এই পৰম্পৰাসমূহৰ মাজতে আমাৰ বাৰেৰহণীয়া সংস্কৃতিৰ ৰূপৰেখা আৰু আমাৰ সামাজিক পৰিচয় ৰক্ষিত হৈ আছে। এইবোৰ অনুষ্ঠানৰ উপৰিও আৰু বহুতো ধৰ্মানুষ্ঠান বিজনী অঞ্চলত আছে, যিবোৰৰ এক বৃহৎ আলোচনাৰ পৰিধি হয়তো থাকিব যাক আগুৱাই লৈ যাব পাৰিলে অঞ্চলটিৰ আৰু বহুতো দিশ ফুটি উঠিব পাৰে। পৰৱৰ্তী কালত এইবোৰৰ বিষয়ে এক বিস্তৃত আলোচনাৰ যত্ন কৰা হ'ব।●

লেখক বিজনী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক।

**গ্ৰন্থপঞ্জী ঃ**

১। দাস, মঞ্জু ঃ খৰিকাজাই- বিজনী কোচ-ৰাজবংশীৰ সাংস্কৃতিক দিশ, ২০১৪
২। নেওগ, মহেশ্বৰ ঃ পবিত্ৰ অসম, বীনা লাইব্ৰেৰী, ১৯৯৭
৩। পাটগিৰি, জগন্নাথ (সম্পাদনা) ঃ- সত্ৰ আৰু মঠ-মন্দিৰৰ ইতিবৃত্ত, মনোৰম প্ৰকাশ, প্ৰথম প্ৰকাশ, ১৯৯১
৪। বৰ্মন, সমৰেন্দ্ৰ নাৰায়ণ ঃ- ভেটাগাঁও বুঢ়ী ঠাকুৰাণী থানৰ ইতিবৃত্ত আৰু মাহাত্ম্য (স্মৃতিগ্ৰন্থ), ২০০৬
৫। মহন্ত, প্ৰদীপজ্যোতি ঃ- শ্ৰীমন্ত শংকৰদেৱ, সমাজ আৰু সংস্কৃতি, পুৱেৰুণ প্ৰকাশ, ২০০০
৬। ৰহমান, মঃ ফজলুৰ ঃ- কাদিমি তৰতীৰ নামাজ শিক্ষা, কলিকতা, ১৯৭৯
৭। শৰ্মা, নবীনচন্দ্ৰ ঃ-অসমীয়া লোকসংস্কৃতিৰ আভাস, অসম বুক ডিপো, প্ৰথম প্ৰকাশ, ১৯৭৪
৮। শইকীয়া, মণিসাগৰিকা আৰু ৰায়, বসন্ত কুমাৰ (সম্পাদনা) ঃ- স্মৃতিগ্ৰন্থ, বিজনী শ্ৰীশ্ৰী লক্ষ্মীপূজা কমিটি, বিজনী, ২০১৭

# ৰাজবংশী সমাজৰ নিচুকনি গীত

## বঙাইগাঁও, চিৰাং আৰু কোকৰাঝাৰ অঞ্চলৰ বিশেষ উল্লিখনসহ

প্ৰশান্ত কুমাৰ বৰ্মন

কোচ-ৰাজবংশী ভাষা-সংস্কৃতি ভালদৰে অধ্যয়ন কৰিলে লোক-সাহিত্যত কেঁচুৱা বা শিশু (ছাওৱা)ক নিচুকুৱাবলৈ বহুতো নিচুকনি গীত পোৱা যায়। যিবোৰত ৰাজবংশী সভ্যতা আৰু সংস্কৃতিৰ এক বৈশিষ্ট্যপূৰ্ণ নিদৰ্শন দেখিবলৈ পোৱা যায়। কিন্তু গীতবোৰৰ সংগ্ৰহৰ অভাৱত বহুখিনি গীত ইতিমধ্যে কালৰ কৰাল গ্ৰাসত বিলুপ্ত হৈ গৈছে। ৰাজবংশী ভাষাত নিচুকনি গীতক 'ছাৱা ভুৰ্কা গান' বুলি কোৱা হয়। গীতবোৰ শিশুসম্পৰ্কীয় হ'লেও ইয়াৰ ৰচক কিন্তু শিশু নহয়, কোনো অনাখৰী মাতৃ বা ধাত্ৰীৰ মুখেৰে স্বতঃস্ফূৰ্তভাৱে নিগৰি অহা বা ৰচনা কৰা। কান্দুৰা শিশুৰ কান্দোন-কাটোন, শিশুৰ কোমল মনত কৌতুহল, হৰ্ষ-উল্লাস, ভয়, বিস্ময়, আদি ভাববোৰ জগাবলৈ গীতবোৰ গোৱা হয়। অসমীয়া নিচুকনি গীতসমূহৰ দৰে 'ছাৱা ভুৰ্কা' গীতসমূহৰো প্ৰধান আৰ্কষণ হ'ল সুৰ আৰু লয়, লগতে অবাধ আৰু নিষ্কলুষ কল্পনা। কেতিয়াবা লেনিয়াই লেনিয়াই পদ্য আকাৰত গোৱা হয় আৰু বহু সময়ত সুৰ লগাই গীতবোৰ অধিক মোহনীয় কৰি তোলা দেখা যায়। গীতবোৰত কেতিয়াবা অৰ্থহীন শব্দ, বাক্য প্ৰয়োগ কৰিলেও শেষত সমাপ্ত কৰোঁতে মাতৃগৰাকীৰ মনত যি ভাবৰ উদ্ৰেক হয় তাকেই ভাষাৰে প্ৰকাশ কৰে। ড° দ্বিজেন্দ্ৰ নাথ ভকতে 'ৰাজবংশী লোক-সাহিত্য' গ্ৰন্থখনত ছাৱা ভুৰ্কা গানক তিনিটা ভাগত ভাগ কৰিছে—

(১) নিন্দালি গান,(২) ছাৱা ভুৰ্কা গান আৰু (গ) খেলাৰ গান।

নিন্দালি গানেৰে সাধাৰণতে শিশুৰে যেতিয়া কিবা কাৰণত কন্দা-কটা কৰে আৰু মাতৃয়ে ঘৰুৱা কামত আত্মনিয়োগ হোৱাৰ ফলত কাম-কাজত অসুবিধা পায়, তেতিয়া কেঁচুৱাক টোপনি নিয়াৰ যত্নৰে মাকে গীতবোৰ গাই শুনায় আৰু তালে তালে নিজে নাচে বা কেঁচুৱাক নচুওৱাৰ ফলত টোপনি নিয়ায়। কোচ-ৰাজবংশী ভাষাত টোপনি অনা এই গীতবোৰক নিন্দালি গান বুলি কোৱা হয়। অৱশ্যে কেতিয়াবা কেতিয়াবা ধাইমাক, আইতা, মাহী, পেহী আদিয়েও এনেধৰণৰ গীতৰ মাজেৰে কেঁচুৱাক টোপনি নিয়াবলৈ যত্ন কৰা দেখা যায়। এই শ্ৰেণীৰ গানৰ সুৰৰ মাধুৰ্যই টোপনিৰ ভাব আনি দিবলৈ সক্ষম হয়। আনকি মোহনীয় সুৰৰ হোৱা বাবে ইয়াৰ ঐন্দ্ৰজালিক গুণ লক্ষ্য কৰা যায়। যেনেঃ-

(ক) আয় ৰে নিন্দৰালি আয় আয় আয়
তয়ো চাইৰ্টা ঘুগুৱা পিন্ধেক
ময়ো পিন্ধোং আয়
ঘুগুৱা বাজে ঝুনুক ঝুনুক
কইনা খোজে শাড়ী
আঠ মঙলা নাই ভাইঙতে
নিত্যে পাৰে গালি
আয় নিনা আয়
কাউৱায় কাঠল খায়





ধেৰধেৰেয়া ৰাওৱা পৰে
চাপি দেখা যায়।

খ) নাচ বুঢ়ী নাচ
কৈলা কাপোৰ নাচ
নাচন পখিলা
দেশেৰ মানুহ পাছ ধৰিছে
আমাৰ বাচাৰ নাচোন দেখিয়া
গাঁওৰ বুঢ়া যায় ভুলিয়া
এণ্ডা নাচে ভেণ্ডা নাচে
মৰা ডানিত ঘুগু নাচে
ময় নাজানং দাদা জানে
ভাল ভাল মানুহ ধৰিয়া আনে।

মাতৃ বা ঘৰৰ অন্যান্য ব্যক্তিয়ে শিশুক টোপনি নিয়াবৰ কাৰণে ঝুলনাও ব্যৱহাৰ কৰা দেখা যায়। যিজনে ঝুলনা ঝুলাই দিয়ে তেঁৱো মুখেৰে লাহে লাহে এইধৰণৰ কিছুমান নিচুকনি গীত আওৰাই থাকেগৈ—

হেলু মামা হেলু
হাতীৰ কান্ধত চৰিলুং
হাতী মাৰে লাথি
কুৰিয়া পাইলুং ধুতি
হায়ো ধুতি ৰাঙা
আমাৰ বাচা ধাঙা।

অনামী লোকৰ দ্বাৰা ৰচিত ছাৱা ভুৰ্কা গানৰ মাজেৰে কান্দি থকা শিশুক মাকে টোপনি নিয়াবলৈ গীত গাই সুৰৰ মায়াজাল সৃষ্টি কৰে, ফলশ্ৰুতিত কান্দি থকা কেঁচুৱাটোৰ কন্দা বন্ধ হয় আৰু টোপনি যাবলৈ লয়। শিশু মনক উদ্দেশ্য কৰি গোৱা এই শ্ৰেণীৰ গীতবোৰ স্বাভাৱিকতে শিশুৰ মনোজগতৰ লগত খাপখোৱা হয়। যেনে—

আমাৰ বাচা ভাল
পিন্ধে ফাৰা জাল
ঘৰে ঘৰে বিচিৰি বেৰায়
কেনি বুঢ়িটা/বুঢ়াটা ভাল।

মাত নুফুটালৈকে বা নিচেই কেঁচুৱা অৱস্থাৰ শিশুসকলৰ অংগ-প্ৰত্যংগসমূহ সুস্থ-সবল, বৃদ্ধি আৰু বিকাশত শৰীৰত তেল মালিচেৰে পৰিচৰ্যা কৰাৰ উদ্দেশ্যৰে কিছুমান নিচুকনি গীত গোৱা হয়—

হাড় ভাঙং কুৰ ভাঙং
তোৰ শশুৰীৰ নাক কাটং
নাক কাটিয়া দং চাৰিয়া
বৰো নদীত মাছক গিলে
ভয় নাখাবি তা
তা ..... তা....... তা
ভুৰা ....................

শৰীৰ চৰ্চা বা মালিচ কৰাৰ পিছত গা ধুৱাবলৈ লওঁতে যাতে কেঁচুৱাই ভয় নাখায় বা নাকান্দে তাৰ বাবে পানীৰ সৰু চৰিয়াত বহুৱাই লৈ গায় এনেদৰে—

আমাৰ বাচা কি কৰে
ভুচুৰ ভুচুৰ ডুবিবা পাৰে...।

পানীৰ পৰা তুলি লৈ কেঁচুৱাটিক দুবাহুত ধৰি দাঙি লৈ গায় এনেদৰে—

কাউৱায় নেক চিলায় নেক
আমাৰ বাচাক ডাঙৰ কৰেয়া
আনিয়া দেক।

শিশুৱে কেতিয়াবা আঘাত পালে আঘাত পোৱা ঠাইডোখৰত ডাঙৰে মোহাৰি দি মিছাকৈ মন্ত্ৰ গালে শিশুটিয়ে বেদনাৰ উপশম হোৱা বুলি ভাবে আৰু কান্দিবলৈ এৰি দিয়ে। যেনে—

ঝাৰং ফুকুং নাই বিষ
তোৰ বেথাটা মোক দিস।

জোন, বেলি, তৰা পৃথিৱীৰ সকলো শিশুৰে অতি পৰিচিত অতি আপোন। সেয়ে বিভিন্ন দেশত জোন শিশুৰ মোমায়েক, ককায়েক, বাইদেউ বা আই। শিশুৱে যেতিয়া আমনি কৰে কিবা এটা বিচাৰি, তেতিয়া মাকে বিভিন্ন অঙ্গী-ভঙ্গীৰে কল্পনাৰ ৰহণ সানি শিশুৰ মন ভুলাবলৈ যত্ন কৰে। শিশুটিক ভুলোৱাৰ বাবে মাকে জোনটিক 'কাকা' বুলি

সম্বোধন কৰি গীত জুৰে—

ক) আয়ৰে জোনাক কাকা
আয়... আয়.... আয়
তোক দুধ দিম, ভাত দিম
চাঙেৰ তলত খেলাবা দিম
আয়ৰে জোনাক কাকা
আয়... আয়... আয়

খ) আয় ৰে চান্দ
আমাৰ মোনাৰ মাথাত
টিকি দিয়ে যা।

অসমীয়া নিচুকনি গীতত শিয়ালী, হেপা, কাণখোৰাৰ ভয় দেখুৱাই শিশুক টোপনি নিয়াবলৈ চেষ্টা কৰাৰ দৰে কোচ-ৰাজবংশী ছাৱা ভুৰ্কা গানতো বেছিকৈ বিৰক্তি কৰা শিশুক ভয় খুওৱাৰ ভাবটো প্ৰকাশৰ বাবে কিছুমান ৰহস্যময়ী জীৱ-জন্তুৰ নাম লৈ নিচুকনি গীত পৰিৱেশন কৰা হয়। তেনেকুৱা নিচুকনি গীত কিছুমান হ'ল—

ক) হেলো লো হেলো লো
পাইকৰেৰ পাত
কাণ কাটা শুয়োৰ আইছে
ঝিৎ কৰেয়া থাক।

খ) আয়ৰে হাও আয়
আমাৰ কান্দুৱাৰ কান কাটিয়া নেক
কাণ কাটিয়াও চুপ নহইলে
মাথাত হাগিয়া দেক।

বৰ্তমান সমাজ জীৱনত খেল-ধেমালিয়ে অগ্ৰগতি লাভ কৰাৰ দৰে আদিমকালতো খেলৰ প্ৰতি যথেষ্ট গুৰুত্ব প্ৰদান কৰা হৈছিল। খেলবোৰ কিছুমান শিশু আৰু কিশোৰৰ মাজত আৱদ্ধ আৰু আন কিছুমান প্ৰাপ্তবয়স্ক তথা বয়োবৃদ্ধসকলে অংশগ্ৰহণ কৰিছিল। এই শিশু আৰু কিশোৰৰ খেলবোৰ আছিল গীতিময়। অৱশ্যে সকলোবোৰ খেলৰ গীত নাছিল। গীত আছিল মানিমুনি খেল, কড়ি খেল, হাডুডু খেল আদি আৰু গীত আছিল কিছুমান ধেমেলীয়া খেলৰ। অৱশ্যে এই ধৰণৰ খেলসমূহৰ মাজেৰে আনন্দ লাভ কৰাৰ উপৰিও শাৰীৰিক উৎকৰ্ষ সাধন হয়। তেনে কিছুমান গীত হ'ল—

ক) ইচন বিছন ধাৰকা বিছন
মৌ পৰে চিলা পৰে
ৰাজাৰ বেটী চাউল কাৰে
এলেৰ পাত বেলেৰ পাত
ধাপ ....................।

খ) টুম ভায়া টুমুনী
খলসা মাছেৰ ডুমুনী
কুন ঠায় আছে, কুনঠাই নাই
বিছিৰিয়া দিবাৰ মানুহ নাই।

গীতৰ প্ৰতি আৰ্কষিত নোহোৱা প্ৰাণী এই জগতত নাই। যিদৰে বিষাক্ত সাপো গীতত ভোল যায়, গাঁতৰ পৰা ওলাই আহি সাপে গীতৰ মূৰ্চ্ছনাত নাচিবলৈ ধৰে। তাৰোপৰি গীতৰ প্ৰভাৱৰ বাবেই যেন বসুমতী শস্যশালিনী হয় বা গীতৰ প্ৰভাৱতেই যেন খেতিৰ ফচলো নদন-বদন হ'বলৈ ধৰে বুলি বিশ্বাস। কোচ-ৰাজবংশীৰ নিচুকনি গীতবোৰো কেঁচুৱাক টোপনি নিয়াবৰ অৰ্থতে যেন নহয়; এনে কিছুমান নিচুকনি গীতৰ মাজেৰে কেঁচুৱাৰ শৰীৰৰ বৃদ্ধি আৰু বিকাশত অনুশীলন (ব্যায়াম) ৰ মাজেৰে গুৰুত্বপূৰ্ণ ভূমিকা বহণ কৰি আহিছে। কিন্তু পৰিতাপৰ বিষয় এই যে গীতবোৰৰ ওপৰত এতিয়াও ইমান গুৰুত্ব প্ৰদান কৰা দেখিবলৈ পোৱা নাযায়। এই বিষয়ত গৱেষণা হোৱাৰ প্ৰয়োজন আছে আৰু এইবোৰৰ ওপৰত কৰ্মশালা আদিৰো প্ৰয়োজন বুলি আমি অনুভৱ কৰোঁ। ●

লেখক বিজনী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক।





# বিজনী মহাবিদ্যালয় - এক অনুভৱ

সবিতা ৰায়

১৯৬৯ চনৰ ২১ জুলাই তাৰিখে প্ৰতিষ্ঠা হোৱা এক বিদ্যাৰ মন্দিৰ বিজনী মহাবিদ্যালয়। বিজনী অঞ্চলৰ বাবে অতি পৰিচিত এই নামটিয়ে বহুতৰে হৃদয় চুই যায়। বিশেষকৈ এইটো অনুষ্ঠানৰ লগত জড়িত থকা বহুতো ব্যক্তিৰ পৰিয়ালেও পাহৰিব নোৱাৰে এই মহাবিদ্যালয়খনৰ কথা।

কিছুমান ব্যক্তিৰ নিঃস্বাৰ্থ ভাব-অনুভূতিৰে গঢ়ি উঠিছিল আজিৰ এই বিজনী মহাবিদ্যালয়। মহান ব্যক্তিসকলে বাইজৰ সহযোগত স্থাপন কৰা মহাবিদ্যালয়খনে বিজনী অঞ্চলৰ লগতে বিজনীৰ আশে-পাশে থকা গাঁওসমূহলৈ উচ্চশিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিজনীৰ চাৰিওফালে থকা গাঁওসমূহৰ অৰ্থনৈতিক অৱস্থা বৰ বেচি টনকিয়াল নহয়। বেচিভাগ মানুহে কৃষি বা ক্ষুদ্ৰ ব্যৱসায়ৰ ওপৰত নিৰ্ভৰশীল। এনে এখন ঠাইত বিজনী মহাবিদ্যালয় স্থাপন কৰি উচ্চশিক্ষা লাভৰ যি সুবিধা প্ৰদান কৰিলে তাৰ বাবে গুৰি ধৰোতাসকলৰ ওচৰত অঞ্চলবাসী কৃতজ্ঞ হোৱাই নহয় তেওঁলোকৰ স্মৃতি যুগমীয়া কৰি ৰখাৰো প্ৰয়োজনীয়তা আছে।

এইখন মহান অনুষ্ঠানে বহুতো ছাত্ৰ-ছাত্ৰীক উচ্চশিক্ষা লাভ কৰাৰ সুবিধা কৰি দিলে হয়তো তেওঁলোকৰে বহুতে আৰ্থিক দিশ দুৰ্বল হেতুকে এইখন মহাবিদ্যালয় অবিহনে উচ্চশিক্ষা লাভ কৰা সম্ভৱ নহলহেঁতেন। সেই ক্ষেত্ৰত বিজনী অঞ্চলত উচ্চশিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত বিজনী কলেজে এক গুৰুত্বপূৰ্ণ তথা সুকীয়া স্থান দখল কৰি আহিছে।

সমাজত কিছুমান মহান কাম কৰাৰ বাবে ভগৱানে কিছুমান ব্যক্তিক পঠিয়াই দিয়ে, যিসকলে নিজৰ বাবে চিন্তা নকৰি আনৰ বাবে বা সমাজৰ বাবে কাম কৰি যায়। তেওঁলোকৰ সজ কামে সকলোকে উপকৃত কৰে। সঁচাকৈয়ে বিজনী অঞ্চলতো মহানুভৱতাৰ পৰিচয় দিয়া কিছুমান ব্যক্তিৰ জন্ম হৈছিল বাবে আজি আমি গৌৰৱোজ্জ্বল ৫০ টা বছৰ অতিক্ৰম কৰা এখন উচ্চশিক্ষাৰ অনুষ্ঠান লাভ কৰিবলৈ সক্ষম হৈছোঁ।

এম এ পাছ কৰি এখন কলেজত শিক্ষকতা কৰিব পৰাটোৱেই যেন এক সন্তুষ্টি, দৰমহা এক সৰু কথা, এই অনুভৱেৰে হয়তো সুধীবৃন্দ আগবাঢ়ি আহিছিল নতুনকৈ প্ৰতিষ্ঠা হোৱা এখন কলেজলৈ শিক্ষাদান কৰিবলৈ। এনেদৰেই সভ্যতাই গতি লয়, শিক্ষাই প্ৰসাৰ লাভ কৰে। বহুতৰে উচ্চশিক্ষা লাভ কৰাৰ সপোনে দিঠকৰ ৰূপ পায়। অতীতলৈ উভতি চালে বহুতো কথাই নষ্টালজিয়া হৈ ধৰা দিয়ে চাগে বহুতৰে মনত। কম দা-দৰমহাৰে শিক্ষাদান কৰিও সম্পূৰ্ণ মানসিক শান্তি পোৱা ব্যক্তিসকলৰ মহানুভৱতাই তবধ মানিবলৈ বাধ্য কৰায়। মুখত সন্তুষ্টিৰ হাঁহি, কথা-বতৰা, খোজ-কাটল, আচাৰ-

ব্যৱহাৰে সচাঁকৈয়ে সকলোকে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল।

আজিৰ দিনটোত বিজনী কলেজ ফুলে-ফলে জাতিষ্কাৰ হৈ থকা এই অঞ্চলৰ উচ্চশিক্ষাৰ এক সুন্দৰ অনুষ্ঠান। এই মহাবিদ্যালয়ত মুঠ ১৪ (চৈধ্য) টা বিভাগ আছে। কলা শাখাৰ বিভাগসমূহ হ'ল— অসমীয়া বিভাগ, বাংলা বিভাগ, বড়ো বিভাগ, অৰ্থনীতি বিভাগ, শিক্ষা বিভাগ, ইংৰাজী বিভাগ, বুৰঞ্জী বিভাগ, দৰ্শন বিভাগ, ৰাজনীতি বিভাগ। বিজ্ঞান শাখাৰ বিভাগসমূহ হ'ল— উদ্ভিদ বিদ্যা বিভাগ, প্ৰাণী বিদ্যা বিভাগ, ৰসায়ণ বিভাগ, পদাৰ্থ বিজ্ঞান বিভাগ আৰু গণিত বিভাগ।

এনেদৰে দিন বাগৰি আহি লাহে লাহে বহুতো সাল-সলনি হ'ল বিজনী কলেজৰ ৰূপ। আগৰ ছাৰ-বাইদেউসকলে অৱসৰ ললে। নতুন আহিল। চামে-চামে ছাত্ৰ-ছাত্ৰীৰ সলনি হ'ল। সময়ৰ গতিত খোজ মিলাই আগবাঢ়ি গ'ল দিনবোৰ। কিন্তু বিজনী কলেজে মূৰ তুলি থিয় হৈ থাকিল বিজনী অঞ্চলত। যিসকল ব্যক্তিয়ে মহান উদ্দেশ্য আগত ৰাখি নিজৰ কষ্ট স্বীকাৰ কৰিছিল তেওঁলোক জয়ী হ'ল। জ্ঞাত-অজ্ঞাত সেইসকল ব্যক্তিৰ ওচৰত অঞ্চলবাসী সদায় কৃতজ্ঞতা স্বীকাৰ কৰা উচিত।

এইখিনিতে উল্লেখ কৰিব লাগিব যে মই নিজেও উচ্চতৰ মাধ্যমিকত দুবছৰ আৰু স্নাতক মহলাত তিনিবছৰ এইখন কলেজত অধ্যয়ন কৰিছিলোঁ। ১৯৮৬ চনত উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত নামভৰ্তি কৰিছিলো আৰু ১৯৯১ চনত স্নাতক মহলা এই মহাবিদ্যালয়ৰ পৰাই শেষ কৰি ওলাইছিলো। অৰ্থনীতি বিভাগৰ শ্ৰদ্ধাৰ দীনেশ চন্দ্ৰ দত্ত ছাৰ, শিক্ষা বিভাগৰ শ্ৰদ্ধাৰ মীৰা সাহা বাইদেউ, অসমীয়া বিভাগৰ শ্ৰদ্ধাৰ কামেশ্বৰ ডেকা ছাৰ, অসমীয়া বিভাগৰে শ্ৰদ্ধাৰ ঈশ্বৰ চন্দ্ৰ ডেকা ছাৰ লগতে ইংৰাজী বিভাগৰ শ্ৰদ্ধাৰ সৰোজ কুমাৰ পচায়ত ছাৰ, বড়ো বিভাগৰ শ্ৰদ্ধাৰ নিৰু বসুমতাৰী ছাৰ আদিৰ ব্যক্তিত্বই মোক বিশেষভাৱে আকৰ্ষণ কৰিছিল। পাচায়ত ছাৰ, ডেকা ছাৰ, আদিৰ পাঠদান আছিল অতি মধুৰ আৰু সাৱলীন। যিকোনো ছাত্ৰ-ছাত্ৰীয়ে ধৰিব পৰাকৈ অতি সহজ সৰল ভাষাত বুজাই দিছিল। যাক আয়ত্ত কৰিবলৈ সহজ আছিল বা বুজিবলৈ সহজ লাগিছিল। শ্ৰদ্ধাৰ কামেশ্বৰ ডেকা ছাৰৰ কবিতাৰ ক্লাচবোৰ আৰু শ্ৰদ্ধাৰ ঈশ্বৰ চন্দ্ৰ ডেকা ছাৰৰ চুটি গল্পৰ ক্লাচবোৰ আজিও মনত পৰে।

ছাত্ৰী হিচাপে এইখন কলেজত অধ্যয়ন কৰিবলৈ পাই মই আনন্দিত হৈছোঁ কাৰণ ইয়াতেই ১৯৯৭ চনৰ ৭ জানুৱাৰী তাৰিখে অৰ্থনীতি বিভাগত শিক্ষয়িত্ৰী হিচাবে যোগদান কৰিছিলোঁ। শ্ৰদ্ধাৰ দীনেশ চন্দ্ৰ দত্ত ছাৰে মোক অভিভাৱকৰ দৰে ব্যৱহাৰ কৰি বহুতো কাম বুজাই দিছিল। মোৰ দৃষ্টিত দত্ত ছাৰ এগৰাকী সৰল জীৱন-যাপন কৰা ব্যক্তি আছিল আৰু তেখেতৰ পৰা শিকিবলগীয়া কথা হ'ল মিতব্যয়িতা আৰু সময়নিষ্ঠা। দত্ত ছাৰ গেৰুকাবাৰীত বাস কৰিছিল যদিও তেখেতৰ আচল ঘৰ আছিল অসমৰ নলবাৰী জিলাত। মোৰ ঘৰ গেৰুকাবাৰীত হোৱা হেতুকে দত্ত ছাৰৰ ওচৰত গৈ নুবুজা কথা বুজিবলৈ সুযোগ পাইছিলোঁ। তাৰ বাবে দত্ত ছাৰৰ ওচৰত চিৰকৃতজ্ঞ।

এই মহাবিদ্যালয়ৰ লগত জড়িত বহুতো ব্যক্তি আজি ইহ সংসাৰত নাই। জ্ঞাত-অজ্ঞাত সেইসকল ব্যক্তিলৈ আন্তৰিক তথা গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। ●

---

লেখিকা অৰ্থনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা।





# দেৱতাৰ সন্ধান

পোৱালমণি ঠাকুৰীয়া

পৃথিৱীৰ সৰহভাগ জনগোষ্ঠীৰ ধৰ্ম আৰু সংস্কৃতিৰ সৈতে কিছুমান অদৃশ্য দেৱ-দেৱীৰ কথা জড়িত হৈ আছে। অতীতৰ সেই দেৱ-দেৱীসকলৰ মানৱ জাতিৰ সৈতে থকা বিভিন্ন সম্পৰ্কৰ কথাও ধৰ্মগ্ৰন্থ, মহাকাব্য কিংবদন্তিসমূহত প্ৰচুৰ পৰিমানে পোৱা যায়। মধ্য আমেৰিকাৰ পুৰণি মায়া সভ্যতাত ১৬৫ গৰাকী দেৱ-দেৱীৰ কথা পোৱা যায়। তেনেদৰে পুৰণি মিছৰীয় সভ্যতাত ২০০০ আৰু চীন দেশত ১০০০ পৰ্য্যন্ত দেৱ-দেৱী আছিল বুলি জনা গৈছে। আমাৰ হিন্দু দেৱ-দেৱীৰ সংখ্যা ৩৩ ৰ পৰা ৩৩ কৌটি।

কিন্তু সেই দেৱ-দেৱীসকল কোন? ক'ত থাকে সেই অমৰ দেৱ-দেৱীসকল? সেই দেৱতাসকলৰ বৈশিষ্ট আৰু বাসস্থান আদিৰ সুনিৰ্দ্দিষ্ট বিৱৰণ সেই গ্ৰন্থসমূহত পাবলৈ নাই। কৰবাত কিবা গালেও সি যেন তিমিৰাচ্ছন্ন কুহেলিকাৰ মাজত অস্পষ্ট। ভাৰতীয় হিন্দু দেৱ-দেৱীসকলৰ তুলনাত গ্ৰীক দেৱ-দেৱীসকলৰ বাসস্থান সম্পৰ্কে কিছু স্পষ্টতা দেখা যায়। গ্ৰীছৰ উত্তৰ পূব অংশত থকা অলিম্পাচ পৰ্বতেই হ'ল তেওঁলোকৰ সুনিৰ্দ্দিষ্ট বাসস্থান। ৯৫৭০ ফুট ওখ সেই পৰ্বত শিখৰৰ পৰাই তলৰ সমতললৈ তেওঁলোক নামি আহি হিন্দু দেৱ-দেৱীৰ দৰেই মানুহৰ লগত সম্পৰ্ক স্থাপন কৰিছিল।

তেওঁলোকে আনকি নাৰীৰ লগত দৈহিক সম্পৰ্ক স্থাপন কৰি সন্তান জন্মও দিছিল। সময়ত প্ৰয়োজন সাপেক্ষে সেই সন্তানসকলক দেৱ-দেৱীসকলে সহায় কৰিছিল। কিন্তু মানুহৰ পৰা দেৱ-দেৱীসকলে সহায় লোৱাৰ ঘটনা তেনেই বিৰল। পুৰণি মিছৰীয় সভ্যতাৰ দেৱ-দেৱীসকলৰ বাসস্থান সম্পৰ্কে বিশেষ কোনো নিৰ্দিষ্ট তথ্য পোৱা নাযায়। আনহাতে প্ৰাচীন চীনা সভ্যতাৰ দেৱ-দেৱীসকল সাগৰৰ মাজৰ কোনোবা ৰহস্যময় কুন্‌লুন পৰ্বত, জাকে পৰ্বত মাউন্ট টাই, মাউন্ট পেনগ্লাই আদিত বাস কৰে বুলি বিশ্বাস কৰা হয়।

বাসস্থানৰ বিচাৰ-পিছলৈ থৈ দেৱতাসকলনো প্ৰকৃততে কোন সেইকথা প্ৰথমে বিচাৰ কৰি চোৱাটো নিশ্চয় অপ্ৰাসংগিক নহব। দেৱতাসকলনো প্ৰকৃততে কোন? এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে একাধিক মত পোৱা যায়। তলত সেইবোৰ আলোচনা কৰিবলৈ লোৱা হ'ল।

'ক'— আদিম মানৱে প্ৰাকৃতিক শক্তিসমূহৰ বিধ্বংসী ৰূপ দেখি সিবোৰৰ শৰণাপন্ন হৈ স্তুতি কৰিবলৈ বাধ্য হৈছিল আৰু সময়ত দেৱায়ন কৰি লৈছিল। সেইকাৰণেই হিন্দু সভ্যতাতো আমি অগ্নি, ইন্দ্ৰ, বায়ু, বৰুণ আদি দেৱতাৰ কথা পাওঁ। বেদত মুঠ ৩৩ গৰাকী দেৱতাৰ উল্লেখ আছে যদিও পিছলৈ পুৰাণ উপনিষদ আদিত ৩৩ কৌটি দেৱতাৰ কথাও কোৱা হৈছে। দেৱ-দেৱীসকলক নিজৰ দৰেই তেজ-মঙহৰ শৰীৰধাৰী বুলি আদিম মানৱে নিশ্চয় ভাবি লোৱা নাছিল।

তেওঁলোকক কোনোবা অদৃশ্য দেৱলোকৰ বাসিন্দা বুলিহে গণ্য কৰিছিল আৰু পূজা-পাতল, বলি বিধান আদিৰে সন্তুষ্ট কৰি কৃপা ভিক্ষা কৰিছিল। আজি, আধুনিক কালতো যিসকলে দেৱ-দেৱীৰ পূজা কৰে তেওঁলোকেও দেৱ-দেৱীসকলক নিজৰ দৰেই তেজ- মঙহৰ শৰীৰধাৰী বুলি ভাবিব নোৱাৰে।

'খ'— বিভিন্ন পুৰাণত পোৱা যায় যে দক্ষ প্ৰজাপতিৰ ৬০ গৰাকী কন্যাৰ ১৩ গৰাকীক মৰীচিৰ মানসপুত্ৰ কশ্যপলৈ বিয়া দিছিল। কশ্যপৰ পত্নী দিতিয়ে অসুৰসকলক আৰু অদিতিয়ে দেৱতাসকলক জন্ম দিছিল। গতিকে এই দেৱতা আৰু অসুৰসকল আছিল গৰ্ভজাত সন্তান। সেয়েহে তেওঁলোক আছিল তেজ-মঙহৰ শৰীৰধাৰী জীৱ। দেৱতাসকল আছিল ত্ৰিদশ দেৱতা অৰ্থাৎ জন্ম, জৰা আৰু মৃত্যুৰ দশাভোগ কৰা দেৱতা। পিছলৈ অৱশ্যে সাগৰ মন্থন কৰি লাভ কৰা অমৃত পান কৰি তেওঁলোক অমৰ হৈছিল। কিন্তু সেই অমৰত্বও আছিল সীমিত। জন্ম আৰু মৃত্যুৰ ধাৰা অব্যাহত ৰাখি মানুহ জাতি জীয়াই থকাৰ দৰে 'দেৱতা জাতি'ও জীয়াই আছে। পাৰ্থক্য ইমানেই যে ব্যক্তি হিচাপে মানুহ প্ৰায় ১০০/১৫০ পাৰ্থিৱ বছৰ আৰু দেৱতাসকল প্ৰায় ৩৬০০০ পাৰ্থিৱ বছৰ জীয়াই থাকে। পুৰাণৰ মতে ব্ৰহ্মাৰ এদিন পূৰ্ণ হ'লে (৪৩২ কৌটি পাৰ্থিব বছৰ = এদিন) প্ৰলয় হয়। প্ৰলয়ত সৃষ্টিৰ বিনাশ হয়। ৪৩২ কৌটি পাৰ্থিৱ বছৰীয়া ৰাত্ৰি যাপন শেষ কৰি পুনৰ ব্ৰহ্মাই সৃষ্টি আৰম্ভ কৰে। পৰ্যায়ক্ৰমে এয়া অনন্তকাল ধৰি চলি আহিছে। ৭ম মনুৰ (বৈৱস্বত মনু) ৰাজত্ব কাল বৰ্তমান চলি থকা বুলি পুৰাণত উল্লেখ কৰা হৈছে। গতিকে আৰু ৭জন মনুৰ ৰাজত্ব শেষ হ'লেহে প্ৰলয় হ'ব গতিকে আৰু প্ৰায় ২১৬ পাৰ্থিৱ বছৰ জাতি হিচাপে দেৱতাসকল জীয়াই থাকিব। গতিকে দীৰ্ঘজীৱি দেৱতাসকলৰ কোনোবাক নিশ্চয় ক'ৰবাত এতিয়াও বিচাৰিলে পোৱা যাব।

'গ'— ই, ভি ডানিকেন নামৰ চুইজাৰলেণ্ডৰ লেখক এজনৰ তত্ত্ব মতে দেৱতাসকল বহুহেজাৰ বছৰ আগেয়ে পৃথিৱীলৈ অহা অন্য গ্ৰহৰ মানৱ সদৃশ প্ৰাণীহে। তেওঁলোকে বিশেষ ধৰণৰ আকাশী যানেৰে পৃথিৱীলৈ আহি সুদুৰ অতীত কালৰ মানুহক বহুতো নতুন কথা শিকাই থৈ পুনৰ উলটি অহাৰ প্ৰতিশ্ৰুতি দি আঁতৰি গৈছিল। এই তত্ত্বৰ সমৰ্থনত তেওঁ 'The Chariots of the Gods', 'Return to the stars, Miracles of the Gods আদি কেবাখনো গ্ৰন্থত পৃথিৱীৰ বিভিন্ন স্থানত আৱিষ্কাৰ হোৱা অনেক আচৰিত বস্তুৰ ভগ্নাৱশেষৰ কথা উল্লেখ কৰিছে। কেৱল জানিকেনৰ তত্ত্বতেই নহয়, বৰ্হিৰ্বিশ্বৰ পৰা অহা U.F.O সম্পৰ্কেও বৰ্তমান ব্যাপক ধৰণে চিন্তাচৰ্চা কৰা হয়। বহুলোকে তেনে U.F.O দেখা বুলিও দাবী কৰিছে। এনেকৈ U.F.O.-ত অহা এলিয়েনবোৰেই অমৰ দেৱতাসকল নেকি?

'ঘ'— অন্য এক মত পোৱা যায় অৰ্বাচীন পণ্ডিত কিছুমানৰ লেখাত। বেদ, উপনিষদ, পুৰাণ আদিৰ দৰে মহাকাব্য চাৰিখনৰ বিষয়বস্তুও সুদীৰ্ঘকাল মৌখিক সাহিত্য হিচাপে প্ৰচলিত হৈ আহিছিল আৰু লিপিৰ আবিষ্কাৰ হোৱাৰ পিছতহে লিপিবদ্ধ কৰা হৈছিল। বহুকাল ধৰি শ্ৰুতি বা মৌখিক সাহিত্য হিচাপে প্ৰচলিত হৈ অহাৰ কাৰণে সেইবোৰৰ প্ৰকৃত তথ্য আৰু সত্য কলুষিত হৈছিল। ড° ডি ডি কৌশাম্বীয়ে তেওঁৰ 'An Introduction to the Study of Indian History (অনুবাদ ঃ ভাৰতৰ ইতিহাস) নামৰ গ্ৰন্থৰ পাতনিত লিখিছে "দুৰ্ভাগ্যৱশতঃ ভাৰতবৰ্ষৰ ঐতিহাসিক পুৰুষসকল আৰু ঘটনাৱলী গৈ কালক্ৰমত অস্পষ্ট উপাখ্যানত পৰিণত হ'লগৈ। সময়ৰ সোঁতত গৈ এই উপাখ্যানবোৰেই 'অতি কথা'ৰ আকাৰ ধৰিলেগৈ।" সেই গ্ৰন্থৰ এঠাইত ড° কৌশাম্বীয়ে লিখিছে— "ঋকবেদ বা আন সংস্কৃত গ্ৰন্থত মণিব নোৱাৰাকৈ থকা ঘটনাবোৰ অতিকথা আৰু উপাখ্যানৰ ভিতৰত সোমাই পৰিছে। যি ইন্দ্ৰৰ সামৰিক শৌৰ্য-বীৰ্যৰ কথা ঋকবেদত বৰ্ণিত হৈছে সেই ইন্দ্ৰই প্ৰকৃতপক্ষে মানৱ আৰ্যপতি (বা মুখিয়াল) হিচাপে সেই যুদ্ধক্ষেত্ৰত নামিছিল নে ওপৰৰ পৰা দেৱতা হিচাপে তাত ভাগ লৈছিল?" ইন্দ্ৰ সম্পৰ্কে ড° কৌশাম্বীয়ে যিবোৰ ব্যাখ্যা ডাঙি ধৰিছে তাৰপৰা ধাৰণা হয় যে দেৱতাসকল কোনো সৰগীয় প্ৰাণী নহয় বৰং মধ্য এচিয়াৰ পৰা ভাৰতলৈ অহা আৰ্যসকলহে তেওঁলোকৰ শত্ৰুস্থানীয় লোকসকল আছিল অনাৰ্য বা অসুৰ।

ড° কৌশাম্বীৰ দৰে পণ্ডিত ৰাহুল সাংস্কৃতায়নৰ "ভলগা চে গংগা" নামৰ গ্ৰন্থত পুৰুহূত আৰ্য যোদ্ধা এজনক শত্ৰুৰ সৈতে যুদ্ধ কৰিবলৈ সেনাপতি নিৰ্বাচন কৰি 'ইন্দ্ৰ' (ৰজা) উপাধিৰে বিভূষিত কৰিছিল বুলি উল্লেখ কৰা হৈছে। বহু শতাব্দীৰ পিছত সেই পুৰুহূতক মানুহে পাহৰি গৈছিল আৰু ইন্দ্ৰক (ৰজাক) দেৱতাৰ পৰ্যায়লৈ তুলি দিছিল। 'ভলগা চে গংগা'ত লিখা হৈছে, এনেভাৱেই অসুৰৰ প্ৰথম শক্তিশালী ঘাটিটোৰ পতন মিলিল আৰু এই ভাবেই আৰ্য-অনাৰ্য দুয়োটা জাতিৰ মাজত তুমুল যুদ্ধৰ সূচনা হ'ল। পিছলৈ আৰ্যসকলৰ পৌৰাণিক কাহিনীত ইয়েই দেৱা-সুৰৰ মহাৰণৰ সূত্ৰপাত এই ঘটনাৰ স্থান আছিল পাকিস্তানৰ স্বাত উপত্যকা। ঘটনাৰ সময় প্ৰায় ২০০০ খ্ৰীঃপূৰ্ব। অৰ্থাৎ দেৱাসুৰৰ ৰণ আজিৰ পৰা প্ৰায় ৪০০০ বছৰ আগৰ ঘটনা। অনুমান কৰা যায় যে এই ঘটনাৰ প্ৰায় ১৫০০-১৬০০ বছৰৰ পিছতহে তাৰ লিখিত ৰূপ দিয়া হৈছিল। মানুহৰ মুখে মুখে বাগৰি অহা ইমান পুৰণি ঘটনাবোৰে ৰং-ৰূপ সলোৱাটো তেনেই স্বাভাৱিক। অতিৰঞ্জিত হৈয়েই ঘটনাবোৰে নিজৰ প্ৰকৃত ৰূপ সলনি কৰিছিল আৰু তাৰ লগত সংযোগ ঘটিছিল কাব্য অলংকাৰৰ।

ওপৰত উল্লেখ কৰা 'ক' মতবাদ অনুসৰি দেৱতাসকল যদি চন্দ্ৰ, সূৰ্য্য, বায়ু, অগ্নি, জল আদি প্ৰাকৃতিক বস্তু বা শক্তিহে তেন্তে সেইবোৰ আমি সদায় দেখি আহিছোঁ। সেইবোৰৰ বিনাশ ইমান সোনকালে নহয় কাৰণে আমি অমৰ বুলি ধৰি ল'ব পাৰোঁ। কিন্তু সেই শক্তি বা বস্তুবোৰৰ লগত মানুহৰ যি ধৰণৰ সম্পৰ্কৰ কথা উপনিষদ, পুৰাণ আদিত উল্লেখ কৰা হৈছে সেইবোৰে আমাৰ মনত নানা উত্তৰবিহীন প্ৰশ্নৰ উদ্ৰেক কৰে। উদাহৰণস্বৰূপে কঠোপণিষদত ঋষিপুত্ৰ নাচিকেতাই মৃত্যুৰ দেৱতা যমৰ ঘৰত উপস্থিত হৈ তেওঁৰ অনুপস্থিতিৰ কাৰণে তিনিদিন তিনি ৰাতি দুৱাৰ দলিতেই পৰি থাকিব লগা হৈছিল। সাধাৰণ নাবালক ঋষিপুত্ৰই যমৰ পুৰী পালেগৈ কিদৰে? যমপুৰী তেনেই সহজলভ্য নেকি? ঠিক তেনেদৰে ইন্দ্ৰ, যম, বায়ু, সূৰ্য আদিয়ে পৃথাৰ লগত আৰু অশ্বিনীকুমাৰদ্বয়ে মাদ্ৰীৰ লগত দৈহিক সম্পৰ্ক স্থাপন কৰি কৰ্ণ আৰু পঞ্চ পাণ্ডৱক জন্ম দিছিল কেনেকৈ?

'ঙ'— মতবাদ অনুসৰি দেৱতাসকলক যদি কাশ্যপ আৰু অদিতিৰ পুত্ৰ বুলি ধৰা হয় তেন্তে তেওঁলোকক উন্নত শ্ৰেণীৰ মানৱ বুলি ধৰি ল'ব লাগিব।

অমৃত পান কৰি দেৱতাসকল অমৰ হোৱা বুলি কোৱা হয়। যদি সেয়াই হয় তেন্তে ক'ত তেওঁলোকৰ বাসস্থান? এই পৃথিৱীত নে অন্য কোনোবা অজ্ঞাত স্বৰ্গত?

আমাৰ সাধাৰণ ধাৰণা হ'ল (বেদ, উপনিষদ, পুৰাণ, মহাকাব্য আদিয়েই আমাৰ এই ধাৰণাৰ উৎস)

দেৱতাসকল সৰগৰ বাসিন্দা। এই সৰগ হ'ল হাতীপটি বা আকাশ গঙ্গাৰ সিপাৰে থকা মহাকাশৰ অতি দূৰৱৰ্তী এক অজ্ঞাত অঞ্চল। সেই সৰগ অতি সুখৰ ঠাই বুলিয়েই আমাৰ বিশ্বাস। সেইকাৰণে মৃতলোকৰ আত্মাই সৰগলৈ যোৱাটো আমি কামনা কৰোঁ। কিন্তু এই ধাৰণাৰ বিপৰীত কথাও পুৰাণসমূহত পোৱা যায়। মৰ্ত্য হ'ল জীৱৰ কৰ্মস্থান। ইয়াতেই জীৱই কৰ্ম অনুসৰি পাপ আৰু পুণ্য অৰ্জন কৰি নৰক আৰু সৰগত তাৰ ফল ভোগ কৰে। ফলভোগ কৰাৰ পিছত জীৱই পুনৰ কৰ্মভূমি মৰ্তলৈ ঘূৰি আহিব লাগে। তাৰোপৰি অসুৰসকলে স্বৰ্গৰাজ্য অধিকাৰ কৰি দেৱতাসকলক খেদি পঠোৱাৰ অনেক কাহিনী পুৰাণসমূহত পোৱা যায়।

বিষ্ণু পুৰাণৰ পঞ্চম অধ্যায়ত পাতালৰ সৌন্দৰ্য আৰু সুখৰ কথা বৰ্ণনা কৰা হৈছে। নাৰদ মুনিৰ মতে পাতাল স্বৰ্গতকৈও ৰমনীয়।

স্বৰ্গৰ অৱস্থান সম্পৰ্কে পুৰাণ আৰু মহাকাব্য দুখনত কিছুমান বৰ্ণনা পোৱা যায়। নাৰদীয় পুৰাণত পোৱা যায় যে পৃথিৱীৰ মধ্যভাগত থকা প্ৰধান পৱিত্ৰ সুমেৰু পৰ্বতত দেৱতাসকলে বাস কৰে। দেৱতাসকলে বাস কৰা স্বৰ্গৰ ওপৰলৈ ক্ৰমে মহঃ জনঃ তপঃ আৰু সত্যলোক থকাৰ বিপৰীতে তললৈ ক্ৰমে ভূৱঃ আৰু ভূ-লোক থকাৰ কথা পুৰাণত উল্লেখ আছে। মানুহৰ বাসস্থান ভূ-লোকৰ তললৈ ক্ৰমে অতল, বিতল, সুতল, তলাতল, মহাতল, ৰসাতল আৰু সৰ্বাধঃ পাতাল নামৰ সপ্ত পাতালৰ অৱস্থানৰ কথাও পোৱা যায়। সৰ্বাধঃ পাতালৰ তললৈ হেনো কোনো জনবসতি নাই। ভূলোকৰ পৰা সত্যলোকলৈ এই সাতলোকক সপ্ত স্বৰ্গ আৰু তলৰ সাতখন পাতালক সপ্ত পাতাল বোলা হয়। এনে সপ্ত স্বৰ্গ আৰু সপ্ত পাতাল মিলি একোখন ব্ৰহ্মাণ্ড হয়। এনে ব্ৰহ্মাণ্ডৰ সংখ্যা অনন্ত কৌটি।

স্বৰ্গলোক সুমেৰু পৰ্বতৰ ওপৰত বুলি পুৰাণত উল্লেখ থকাৰ উপৰিও এই কথা মহাকাব্য মহাভাৰততো পোৱা যায়। পৰীক্ষিতক ৰজা পাতি, পাণ্ডৱসকলে হস্তিনাপুৰ ত্যাগ কৰি উত্তৰ দিশলৈ গতি কৰিছিল বুলি স্বৰ্গাৰোহণ পৰ্বত পোৱা যায়। তেওঁলোকে উত্তৰ দিশলৈ গতি কৰি বিভিন্ন ঠাই পাৰ হৈ হিমালয় পৰ্বতৰ মুক্তিনাথ হৰিদ্বাৰ, গঙ্গোত্ৰী, কিম্পুৰুষ, হনুমন্ত আশ্ৰম, হেমাদ্ৰী, হেমকুট, কামেশ্বৰ, নৈষধ, ইলাবৃত, অলকা, সুপৰ্বক আদি অনেক স্থান আৰু বৰ্ষ পাৰ হৈ শেষত কেৱল যুধিষ্ঠিৰেহে ইন্দ্ৰৰ ৰথত উঠি স্বৰ্গলৈ গৈছিল। হিমালয় পৰ্বত পাৰ হৈ উত্তৰলৈ গৈ থাকিলে সুমেৰু পৰ্বত পোৱা যায়। সেই সুমেৰু পৰ্বততেই দেৱতাসকল থকা বুলি ধৰিলেও সেই কথা দৰাচলতে সত্য নহয়। কাৰণ ইতিমধ্যে পৃথিৱীৰ সকলো ঠাইতেই মানুহে পদাৰ্পণ কৰিছে আৰু দেৱতাসকল তাত থকা হ'লে নিশ্চয় বিচাৰি পোৱা গ'লহেতেন।

'গ' মতবাদ অনুসৰি ডানিকেনে যি তথ্য দাঙি ধৰিছে তাক সৰহ সংখ্যক পণ্ডিতেই কাহিনী বিজ্ঞান বুলি অভিহিত কৰিছে। কিন্তু পৃথিৱীৰ বিভিন্ন প্ৰান্তত উদ্ধাৰ হোৱা ধ্বংসাৱশেষৰ ভিত্তিত ডানিকেনে যি মতবাদ উপস্থাপন কৰিছে তাক ইমান সহজে মূল্যহীন বুলি ক'ব নোৱাৰি। একাধিক শিক্ষিত লোকে U.F.O. দেখা বুলি দাবী কৰাৰ পিছত সেই পণ্ডিতসকলৰ স্থিতি কি হ'ব? কিন্তু ডানিকেনে কোৱা সেই দেৱতাসকলে বাৰু পৃথিৱীলৈ আহি কোনবোৰ অসুৰৰ সৈতে ইমান যুদ্ধ কৰিছিল আৰু সময়ত পৰাজিতো হৈছিল? বহিৰ্বিশ্বৰ পৰা অহা কোনোবা 'এলিয়েন' বা দেৱতাক নেদেখা পৰ্যন্ত সেইবোৰ আছে বুলিও দৃঢ়ভাৱে ক'ব পৰা নাযায়।

ডঃ কৌশাম্বী আৰু পণ্ডিত ৰাহুল সাংস্কৃত্যায়নৰ যি মত ইতিমধ্যে উল্লেখ কৰা হৈছে





তাত কিছু পৰিমাণে হ'লেও সত্যতা থকা যেন লাগে। আৰ্যসকলক দেৱতা আৰু অনাৰ্যসকলক অসুৰ বুলি ধৰিলে বহু প্ৰশ্নৰ উত্তৰ পোৱা যেন লাগে। ভাৰতলৈ প্ৰব্ৰজন কৰা আৰ্যসকলে স্থানীয় অনাৰ্যসকলৰ লগত কেৱল যে যুদ্ধতেই লিপ্ত হৈছিল তেনে নহয়। নানাপ্ৰকাৰৰ অনাৰ্য সংস্কৃতি গ্ৰহণ কৰাৰ উপৰিও আৰ্যসকলে বৈবাহিক সম্বন্ধও স্থাপন কৰিছিল। আৰ্য আৰু অনাৰ্যক দেৱতা আৰু অসুৰ বুলি ধৰিয়েই পৰৱৰ্তী বেদ উপনিষদ, পুৰাণ, মহাকাব্য আদি ৰচনা কৰা হৈছিল যেন অনুমান হয়। এইবোৰ গ্ৰন্থত কলা-সংস্কৃতি, ধৰ্ম-দৰ্শন, সৃষ্টিতত্ত্ব, ইতিহাস আদি বিষয়বোৰ এনেকৈ সনা-পিতিকা হৈ আছে যে সিবোৰৰ পৰা নিৰ্দিষ্ট তত্ত্ব এটা স্পষ্ট ৰূপত উদ্ধাৰ কৰাটো সচাঁকৈ বৰ কঠিন কাম।

ধৰ্মপ্ৰচাৰৰ বাবে ৰচিত ধৰ্মগ্ৰন্থ আৰু মহাকাব্যসমূহৰ কাহিনীবোৰ প্ৰকৃতাৰ্থতেই কাহিনী। সেইবোৰৰ কোনো বাস্তৱিকতা নাথাকে। গতিকে সিবোৰৰ সূত্ৰ ধৰি দেৱতাৰ সন্ধান কৰাটো নিতান্তই অৰ্থহীন। কিন্তু সেই দেৱতাৰ সন্ধান নকৰাকৈ কেৱল বিশ্বাসৰ পথেৰে গৈ বিভিন্ন তীৰ্থস্থানৰ দেৱগৃহসমূহত অগণন লোকে দেৱ-দেৱীসমূহৰ (প্ৰতিমূৰ্তি) দৰ্শন কৰি ধন্য হৈ আহিছে। শান্তি লাভ কৰি আহিছে। আনহাতে বাস্তৱিকতাৰ দিশেৰে গৈ প্ৰাচীন আৰ্যসকলকেই দেৱতা বুলি গ্ৰহণ কৰিব পাৰি যদিও তেওঁলোকৰ অমৰত্ব সম্পৰ্কে কোনো তথ্য আমাৰ হাতত নাই। ●

লেখক বিজনী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ।




# বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ অৱদান

ড° শেৱালী পাঠক

আজি বিজনী মহাবিদ্যালয়ে পঞ্চাশটা বৰ্ষ অতিক্ৰম কৰিলে। বিজনী মহাবিদ্যালয়ৰ সোণালী বৰ্ষ উদ্‌যাপনৰ প্ৰাক্‌ক্ষণত বিজ্ঞান শাখাৰ অৱদান নিশ্চয়কৈ কলা শাখাৰ দৰে উল্লেখনীয়। বিজনী মহাবিদ্যালয়ৰ কলা শাখা স্থাপনৰ পঁচিশ বছৰ পিছত বিজ্ঞান শাখাৰ শুভাৰম্ভ হয়। সেই সময়ৰ মাননীয় অধ্যক্ষ স্বৰ্গীয় উদয় চন্দ্ৰ দাসদেৱৰ উদ্যোগত আৰু বিজনী মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সহযোগত ১৯৯৪ চনৰ ২১ জুলাইত বিজ্ঞান শাখাৰ স্নাতক পৰ্যায়ৰ প্ৰথম বৰ্ষ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। বিজ্ঞান শিক্ষাৰ চাহিদা তথা পূৰ্ণাংগ শিক্ষাৰ তাগিদাতেই বিজনীবাসী ৰাইজৰ আশা-আকাংক্ষা বাস্তৱায়িত কৰাৰ সপোনেৰে যিসকলৰ শ্ৰম, ত্যাগ, মহানুভৱতা আৰু ঐকান্তিক প্ৰচেষ্টাৰে বিজ্ঞান শাখাৰ আজিৰ পৰ্যায়লৈ উত্তৰণ হ'ল সেইসকলৰ ওচৰত আমি চিৰকৃতজ্ঞ। মহাবিদ্যালয় কৰ্তৃপক্ষই প্ৰয়োজন সাপেক্ষে বিজ্ঞান শাখাৰ চৰকাৰীকৰণৰ যাবতীয় কাম-কাজবোৰ সুচাৰুৰূপে পালন কৰি আহিছিল। ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিকৰণ, অধ্যাপক-অধ্যাপিকাৰ নিযুক্তিকৰণ আদি সকলো প্ৰয়োজনীয় কামৰ নৈতিক দায়িত্ব অধ্যক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিয়ে সততে পালন কৰি আহিছিল। বিজ্ঞান শাখাই ২০০১ চনত Govt. Concumarce আৰু ২০০৯ চনত Permanent Affilitiation লাভ কৰে। ২০৩১চনত বিজ্ঞান শাখাই সম্পূৰ্ণ প্ৰাদেশীকৃত হৈ বিজনী মহাবিদ্যালয়ৰ এক গৌৰৱময় অধ্যায় সুচনা কৰে। এই দীৰ্ঘ পৰিক্ৰমাত যিসকল অধ্যাপক-অধ্যাপিকাই আৰম্ভণিৰ পৰা বৰ্তমানলৈ নিষ্ঠাৰে অধ্যাপনা কৰি বিজনী অঞ্চলৰ মানৱ সম্পদ গঢ় দিয়াত কিঞ্চিতো কৃপণালি কৰা নাই, সেই শিক্ষকসকলৰ অৱিহণা চিৰনমস্য।

বৃহত্তৰ বিজনী অঞ্চলৰ বিজনী মহাবিদ্যালয়খনেই হৈছে একমাত্ৰ চৰকাৰী প্ৰাদেশীকৃত মহাবিদ্যালয়। বিজনীৰ স্থানীয় অঞ্চলৰ উপৰিও বহু ভিতৰুৱা দূৰ-দূৰণি অঞ্চলৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে বিজ্ঞান শিক্ষাৰ বাবে বিজনী মহাবিদ্যালয়লৈ আহে নিজৰ সপোন, আশা পূৰ্ণ কৰিবলৈ। প্ৰাৰম্ভিক বৰ্ষৰ স্নাতক পৰ্যায়ত সীমিত





সংখ্যক ছাত্ৰ-ছাত্ৰী আছিল যদিও, ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ পিছলৈ বাঢ়ি আহে। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ হাৰ অত্যন্ত সন্তোষজনক। বিজ্ঞান শিক্ষাৰ বাবে বিজনী মহাবিদ্যালয়ক নিৰ্বাচন কৰি ছাত্ৰ-ছাত্ৰীসকল ঢাপলি মেলি অহাটো সঁচাকৈয়ে আনন্দকৰ। বিজ্ঞান শিক্ষাৰ প্ৰসাৰণ আৰু বিস্তাৰণে বিজনীবাসী ৰাইজলৈ এক পৰিৱৰ্তনৰ বাৰ্তা কঢ়িয়াই আনিব সমাগত দিনবোৰত। আৰ্থিক অনাটন তথা যোগাযোগৰ অভাৱত বহু দূৰলৈ গৈ শিক্ষা বুটলি ল'ব নোৱাৰা ছাত্ৰ-ছাত্ৰীসকলে বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত ভৰ্তি হৈ উচ্চশিক্ষিত হৈ সফলতা লাভ কৰা সৌভাগ্যৰ কথা। যিসকল কৃতী ছাত্ৰ-ছাত্ৰীয়ে বিশেষ পাৰদৰ্শিতাৰে বিজনী মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শিক্ষা গ্ৰহণ কৰি দেশ আৰু দেশৰ বাহিৰত উচ্চশিক্ষাৰ বাবে নিৰ্বাচিত হৈছে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ আমাৰ আন্তৰিক শুভেচ্ছা যাচিছোঁ। বিজ্ঞান শাখাৰ বহুতো স্নাতক ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰী চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানত সংস্থাপন পোৱাটো বিজনী মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ বিষয়। বিজ্ঞান শিক্ষাৰ মানদণ্ড উন্নত কৰি ছাত্ৰ-ছাত্ৰীক এক উজ্জ্বল ভৱিষ্যতৰ যাত্ৰাৰ ফালে আকৰ্ষণ কৰি সমাজখনক প্ৰগতি প্ৰদান কৰাটোৱেই বিজ্ঞান শাখাৰ মূল লক্ষ্য। জ্ঞান-বিজ্ঞানৰ প্ৰতিভাই সামাজিক তথা শৈক্ষিক বাতাৱৰণ অধিক উন্নত কৰি তোলাৰ লগতে কাৰিকৰী আৰু কৌশলগত শিক্ষাই ছাত্ৰ-ছাত্ৰীক স্বনিৰ্ভৰশীল কৰি সামাজিক সুস্থিৰতা প্ৰদান কৰে। বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই ছাত্ৰ-ছাত্ৰীৰ শিক্ষা দান কৰাৰ উপৰিও বিভিন্ন সময়ত বিজ্ঞানভিত্তিক সমাৰোহ, আলোচনা চক্ৰ, ক্ষেত্ৰভিত্তিক অধ্যয়ন, গৱেষণামূলক কৰ্মশালাৰ আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ বৈজ্ঞানিক প্ৰতিভাক উজ্জীৱিত কৰে। বিজ্ঞান শাখাৰ অধ্যাপক-অধ্যাপিকাসকলৰ এনেধৰণৰ ঐকান্তিক প্ৰচেষ্টা আদৰণীয় আৰু অতুলনীয়।

বিজ্ঞান শাখাৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈ প্ৰদান কৰি অহা শিক্ষাৰ গুণগত মানদণ্ডৰ পৰিসাংখ্যিক সমীক্ষাৰ বিশ্লেষণ কৰিলে দেখা যায় যে সঁচাকৈয়ে বিজ্ঞান শাখাৰ অৱদান বিজনীবাসী ৰাইজৰ বাবে আশীৰ্বাদস্বৰূপ। বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ পৰা উত্তীৰ্ণ হোৱা প্ৰায় সকলো ছাত্ৰ-ছাত্ৰীয়েই বৰ্তমান আত্মনিৰ্ভৰশীল। বহুতো ছাত্ৰ-ছাত্ৰী ইতিমধ্যে উচ্চশিক্ষাত ব্ৰতী হৈ আছে আৰু গৱেষণামূলক কাম-কাজত নিয়োজিত হৈ আছে। বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ প্ৰাৰম্ভিক বৰ্ষৰ (১৯৯৪-১৯৯৫) ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে— সত্যজিৎ দাস, হিমাজ্যোতি মেধি, ৰৌচা ব্ৰহ্ম, বাবুৰাম বসুমতাৰী, হৰলাল সৰকাৰ, ভূপেন সিংহ ৰায়, লক্ষেশ্বৰ নাথ, উদয় কুমাৰ সিং, সুধন্য দাস, মলেন্দ্ৰ বসুমতাৰী, সঞ্জীৱ বসুমতাৰী, মুকুট আলী, প্ৰশান্ত কুমাৰ বিশ্বাস, প্ৰবীৰ বক্সি, আনন্দৰাম বৰ্মন, হেৰেম্ব ব্ৰহ্ম, ৰাজেশ বসুমতাৰী আৰু অশোক কুমাৰ চৌবে। বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ পৰা উত্তীৰ্ণ প্ৰথম স্নাতক। ভূপেন সিংহ ৰায় বৰ্তমান অসম সচিবালয়ত কৰ্মৰত। উদয় কুমাৰ সিং নইদাস্থিত এটি বহুজাতিক কোম্পানীত কৰ্মৰত। ৰৌচা ব্ৰহ্ম চৰকাৰী স্কুলত কৰ্মৰত আৰু তেখেত বড়ো কথাছবিৰ প্ৰযোজক। সুধন্য দাস আৰু হিমাজ্যোতি মেধি চৰকাৰী স্কুলত কৰ্মৰত। উপযুক্ত তথ্যৰ অভাৱত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ কৰ্মস্থান উল্লেখ কৰিব পৰা নগ'ল, তাৰ বাবে দুঃখিত। বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ (২০০৬-২০০৭) ছাত্ৰ-ছাত্ৰীসকল ক্ৰমে অংকুৰ চক্ৰৱৰ্তী, বিক্ৰম বসুমতাৰী, সৌমদল বসুমতাৰী, জুনিকা গয়াৰী, বিকাশ সাহা, সবাহন

আলী, মিথেদ ব্ৰাৰী, কংকন ভূষণ ভৌমিক, জৌতিষ গয়াৰী, সানচুমা বসুমতাৰী, জ্যোতি নাৰ্জাৰী, ৰাজীৱ বসুমতাৰী, সৌৰাং ব্ৰহ্ম, ৰোমিঅ মল্লিক, তাপস দাস, কণিকা ৰয়, মকিবুল হুছেইন, মিথিংগা নাৰ্জাৰী, পংকজ কুমাৰ সশুৰী, জয়ন্ত বসুমতাৰী, মানস ৰাভা ৰায়, জয়ন্ত ৰয়, সোমখীৰ গয়াৰী, দৈখাং বসুমতাৰী, মাইগ উদ্দিন, লক্ষ্মণ বড়ো, সুব্ৰত দাস, দৈমু নাৰ্জাৰী, ৰঞ্জিত কুমাৰ ৰয়, ৰাজেশ বসুমতাৰী, ডালিমী ব্ৰহ্ম, হিমাংশু দাস আৰু নিবেদিতা ৰয়। এইসকলৰ মাজত হিমাংশু দাস আই টি ইঞ্জিনিয়াৰ (হাইদৰাবাদ), ৰমিঅ' মল্লিক চিভিল ইঞ্জিনিয়াৰ, নিবেদিতা ৰয় মেকানিকেল ইঞ্জিনিয়াৰ (পঞ্জাৱ,) কণিকা ৰয় হোটেল মেনেজমেণ্ট (হাইদৰাবাদ-নিউয়ৰ্ক), সুব্ৰত দাস গণিত বিভাগৰ স্নাতকোত্তৰ (আৰ্য বিদ্যাপীঠ), দৈমু নাৰ্জাৰী পৰিৱেশ বিজ্ঞানৰ স্নাতকোত্তৰ (গুৱাহাটী বিশ্ববিদ্যালয়) আৰু অসম বায়'ডাইভাৰচিটি বৰ্ডৰ প্ৰজেক্ট এচিষ্টেণ্ট লগতে পি এইচ ডি-ৰ ছাত্ৰী। পৰৱৰ্তী স্নাতকসকলৰ মাজৰপৰা সুস্মিতা চক্ৰৱৰ্তী স্কুলত কৰ্মৰত, মনালিচা ভৌমিক স্কুলত কৰ্মৰত, প্ৰকৃতি মাইমালু ফেশ্বন ডিজাইনাৰ (দিল্লী), কল্যান দত্ত স্নাতকোত্তৰ (গুৱাহাটী বিশ্ববিদ্যালয়) লগতে এমটেক তেজপুৰ বিশ্ববিদ্যালয়, ৰাজু বসুমতাৰী স্নাতকোত্তৰ তেজপুৰ বিশ্ববিদ্যালয়, লোচেন কৌশিক জনসংযোগ বিষয়ৰ স্নাতকোত্তৰ (তেজপুৰ বিশ্ববিদ্যালয়), সুদীপ সাহা (বড়োলেণ্ড বিশ্ববিদ্যালয়, ৰঞ্জন কুমাৰ ব্ৰহ্ম (বড়োলেণ্ড বিশ্ববিদ্যালয়), ইনাৰা বেগম (বড়োলেণ্ড বিশ্ববিদ্যালয়), মিনতী সৰকাৰ (বড়োলেণ্ড বিশ্ববিদ্যালয়), জিঞ্জিৰি ব্ৰহ্ম (বড়োলেণ্ড বিশ্ববিদ্যালয় ), নিজম বসুমতাৰী (বড়োলেণ্ড বিশ্ববিদ্যালয়), লাইজু গয়াৰী (বড়োলেণ্ড বিশ্ববিদ্যালয়), মৌচুমী ৰয় (ডন বস্ক'), মৃদুস্মিতা বৰ্মন (বড়োলেণ্ড বিশ্ববিদ্যালয়), ৰত্না ঘোষ (বড়োলেণ্ড বিশ্ববিদ্যালয়) ফাৰহিনা আহমেদ (বড়োলেণ্ড বিশ্ববিদ্যালয়), মামণি খাতুন (বড়োলেণ্ড বিশ্ববিদ্যালয়), ৰাচিনুৰ ইছলাম (ডি ফাৰ্ম), আশ্ৰাফুল ইছলাম (স্বাস্থ্য), মীৰাৰাণী বিশ্বাস (বড়োলেণ্ড বিশ্ববিদ্যালয়), পম্পী মাডী (বড়োলেণ্ড বিশ্ববিদ্যালয়), দেৱশীষ দাস (বড়োলেণ্ড বিশ্ববিদ্যালয়) কীৰ্তিলেখা সোম (বড়োলেণ্ড বিশ্ববিদ্যালয়), তনুজা বসুমতাৰী (বি এড), পায়েল ভৌমিক, পঞ্চানন বাৰ্মা বিশ্ববিদ্যালয়ত অধ্যয়নৰত, প্ৰশান্ত মজুমদাৰ (বড়োলেণ্ড বিশ্ববিদ্যালয়), চন্দ্ৰমা বসুমতাৰী (বড়োলেণ্ড বিশ্ববিদ্যালয়), ভানুমতী বসুমতাৰী (বড়োলেণ্ড বিশ্ববিদ্যালয়), বুৰজান বসুমতাৰী BGR কৰ্মৰত, দৈমু বসুমতাৰী PHE কৰ্মৰত, নিবেদিতা ৰয় স্কুলত কৰ্মৰত, মল্লিকা ব্ৰহ্ম স্কুলত কৰ্মৰত, কিতাব আলী পঞ্চায়ত চেক্ৰেটাৰী, মনোজ কুন্দ IOCL ডিগবৈ ৰিফাইনেৰীত কৰ্মৰত। স্বপ্না বিশ্বাস, ফাজাটী বসুমতাৰী, মোহন ছেত্ৰী, মনোজ চৰেণ; কিশোৰ দাস, জগবন্ধু মণ্ডল, জাহাংগীৰ আলম, সুৰজিৎ ভট্টচাৰ্য, মঞ্জুৰাণী সৰকাৰ, ওচমানি গণি মুচাআলি, প্ৰীতম পাল, সঞ্জীৱ ৰয়, প্ৰকাশ বসুমতাৰী, চেমিয়ন বসুমতাৰী, অৰুণ ব্ৰহ্ম, মনোৱাৰ হুছেইন, কিশোৰ ছেত্ৰী, পুৰুষোত্তম সুবেদী, আৰাধন আদিত্য সৰকাৰ, ডালিমী বসুমতাৰী আদি সকলোৱে স্কুলত কৰ্মৰত। বহুতো ছাত্ৰ-ছাত্ৰীৰ যোগাযোগৰ অভাৱত নাম সন্নিবিষ্ট কৰিব পৰা নহ'ল। ২০১৯ বৰ্ষৰ বিজ্ঞান শাখাৰ বিভিন্ন বিভাগৰ পৰা মুঠ ১২ গৰাকী ছাত্ৰ-ছাত্ৰী প্ৰথম বিভাগত উত্তীৰ্ণ হয়। এওঁলোকৰ মাজত প্ৰাণীবিজ্ঞান বিভাগৰ কীৰ্তিলেখা সোম (মেজৰ বিভাগত) মহাবিদ্যালয়ৰ পৰা সৰ্বোচ্চ নম্বৰ প্ৰাপ্তিৰে সুনাম কঢ়িয়ায়।





যোৱা ২০/২৫ বছৰৰ ভিতৰত বিজনী মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই অক্লান্ত পৰিশ্ৰমৰ মাজেদি বুজনসংখ্যক স্নাতক তৈয়াৰ কৰি উলিওৱাটো বিজনী অঞ্চলৰ বাবে সুখবৰ। এই ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰাই বিশেষ পাৰদৰ্শিতাৰে উচ্চশিক্ষাত অৱতীৰ্ণ হ'ব পৰাটো আমাৰ বাবে গৌৰৱৰ বিষয়। অধিকসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কৰ্ম সংস্থাপন লৈ নিজৰ লগতে পৰিয়ালৰ দায়িত্ব ল'বলৈ সক্ষম হৈছে। বিজ্ঞান শাখাৰ শিক্ষাদানেৰে ছাত্ৰ-ছাত্ৰীৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তুলিবলৈ আৰম্ভণিৰ পৰা বৰ্তমানলৈ কৰ্মৰত অধ্যক্ষসকল, মহাবিদ্যালয় পৰিচালনা সমিতি, অধ্যাপক-অধ্যাপিকা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকললৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। সম্পূৰ্ণ তথ্যসহকাৰে বহুতো ছাত্ৰ-ছাত্ৰীৰ নাম, গৰিমা, বন্দনা অনিচ্ছাকৃতভাৱে বৈ যোৱাৰ বাবে মাৰ্জনা বিছাৰিছোঁ। বিজ্ঞান বিভাগৰ সকলো শিক্ষকে লেখাৰ ক্ষেত্ৰত সহযোগ কৰাৰ বাবে নথৈ আনন্দিত হৈছোঁ। ●

---

লেখিকা বিজনী মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা।



# গণতান্ত্ৰিক আৰু মানৱ অধিকাৰ সম্পৰ্কত ৰবীন্দ্ৰনাথ

মূল ঃ নাৰায়ণ চৌধুৰী
ভাষান্তৰ ঃ মনোৰঞ্জন শৰ্মা

এতিয়ালৈকে কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ কাব্য আৰু সাহিত্যৰ মূল্যায়নৰ ক্ষেত্ৰত ভাববাদী দৃষ্টিভঙ্গীয়ে প্ৰাধান্য লাভ কৰাটো আমি দেখি আহিছোঁ। তেওঁক উপনিষদৰ সন্তান, বিশুদ্ধ ব্ৰহ্মবাদৰ উদগাতা আনন্দবাদৰ উপাসক, ক্ৰান্তদৰ্শী ঋষি প্ৰভৃতি বৰ্ণনাৰ দ্বাৰা বিভূষিত কৰি তেওঁৰ বিৰাট প্ৰতিভাৰ মাত্ৰ এটা দিশৰ ধাৰণা জনসাধাৰণৰ মনত সুমুৱাই দিয়াৰ বেছি চেষ্টা কৰা দেখা গৈছে। তুলনাত তেওঁৰ কাব্য সাহিত্যৰ যিটো মানৱ মহিমাৰ দিশ, গণতান্ত্ৰিক প্ৰমূল্যসমূহৰ প্ৰতি থকা তেওঁৰ অনুৰাগ আদিৰ ওপৰত খুব বেছি গুৰুত্ব দিয়া দেখা নাযায়। আমাৰ সমালোচকসকলৰ এক বৃহৎ অংশৰ মাজত সনাতন ভাৰতীয় মানসিকতাৰ যি ঐতিহ্যমুখী ভাববাদী প্ৰৱণতা বৈ আছে তাৰ সমস্ত প্ৰতিফলন ৰবীন্দ্ৰ কাব্যৰ মূল্যায়নৰ প্ৰক্ৰিয়াৰ ওপৰত পৰি ৰবীন্দ্ৰ সাহিত্যৰ আচল ৰূপ অস্পষ্ট কৰি তুলিছে। অৰ্থাৎ ৰবীন্দ্ৰ কাব্যৰ ব্যাখ্যাকাৰীসকলে নিজ নিজ ৰুচি আৰু প্ৰৱণতা অনুযায়ী ৰবীন্দ্ৰনাথক উপস্থাপিত কৰাৰ চেষ্টা কৰিছে। এইটো কোৱাৰ প্ৰয়োজন নাই যে আমাৰ দেশৰ মানুহৰ মন অতি সহজেই আধ্যাত্মবাদ, অতীন্দ্ৰিয়তা, বিমুখতা আদিৰ পিনে ঢাল খায় আৰু সমালোচক শ্ৰেণীও এই নিয়মৰ ব্যতিক্ৰম নহয়। তথাপিও সত্যৰ খাতিৰত কবই লাগিব যে কবিৰ প্ৰথম আৰু মাজ বয়সৰ ৰচনাত তেওঁৰ ঈশ্বৰ প্ৰেম তথা সৌন্দৰ্য সচেতন ৰূপতান্ত্ৰিক জীৱন প্ৰেমৰ ৰূপ যিদৰে ফুটি উঠিছে, মানৱ প্ৰেমৰ ৰূপ সেইদৰে ফুটি উঠা নাই। 'কড়ি ও কোমল', 'মানসী', 'সোণাৰ তৰী', 'চিত্ৰা', 'চৈতালী', 'ক্ষণিকা' প্ৰভৃতি কাব্যত আৰু প্ৰথম ভাগত ৰচনা কৰা একাধিক গীতি নাটত তেওঁক আমি এজন সৌন্দৰ্যপ্ৰেমী কবি হিচাবেহে দেখা পাওঁ। আকৌ, তেওঁৰ ঐশ্বৰিক চেতনাৰে মণ্ডিত ভগৱৎ ভক্তৰ ৰূপটো ফুটি উঠিছে 'নৈবদ্য' আৰু 'গীতাঞ্জলী' কাব্যগ্ৰন্থত। 'শান্তি নিকেতন' গদ্য-গ্ৰন্থটো উক্তৰূপেই প্ৰকাশ পাইছে। কিন্তু এইবোৰৰ কোনোতেই তেওঁৰ মানৱতাবাদী ৰূপটো স্পষ্টভাৱে ফুটি উঠা নাই। অৱশ্যে মাজবয়সত ৰচনা কৰা 'চিত্ৰা' কাব্যৰ 'এবাৰ ফিৰাও মোৰে' নামৰ কবিতাত প্ৰকৃতি সচেতনতা আৰু ঈশ্বৰ প্ৰেমৰ পৰিৱৰ্তে কবিৰ সংবেদনশীল মনত সাধাৰণ মানুহৰ দুখৰ প্ৰতি গভীৰ সমবেদনা ফুটি উঠিছে। আকৌ এবাৰ গীতাঞ্জলীৰ কিছুমান কবিতা আৰু গানত এই দুৰ্ভগীয়া দেশৰ অপমানিত আৰু অত্যাচাৰিত মানুহৰ প্ৰতি থকা কবিৰ সহানুভূতিশীল অন্তৰৰ ক্ৰন্দনৰত ৰূপটোও আমি দেখা পাইছোঁ। কিন্তু ইয়াৰ পিছতেই আকৌ কবিক ঈশ্বৰ প্ৰেম আৰু প্ৰকৃতি প্ৰেমৰ পিনে গতি কৰা আমি দেখিবলৈ পাওঁ। যি কাৰণতেই





নহওক কিয়, কবিৰ জীৱনৰ ৫০-৫৫ বছৰ পৰ্যন্ত তেওঁৰ ৰচনাত মানৱতাবাদৰ ৰূপ আমি স্থায়ীভাৱে দেখা নাপাওঁ। 'বলাকা' আৰু 'পূৰবী' কাব্যত অৱশ্যে প্ৰকৃতি নিৰপেক্ষ ঈশ্বৰ নিৰপেক্ষ ভিন্ন সুৰ দেখা যায় যদিও সেয়া যদিও সেয়া মানৱতাবাদৰ সুৰ নহয়। 'বলাকা'ৰ মূল হ'ল পাৰ্থিব জগতৰ গতিচঞ্চলতা, দাৰ্শনিকতা হৈছে ইয়াৰ মৰ্ম, আৰু 'পূৰবী'ত দেখা পাওঁ বিষণ্ণতাৰ আৱেশ। সন্ধ্যা আকাশৰ অস্তৰাগৰ ৰঙেৰে এই কাব্যৰ আকাশ আৱৰা। কিন্তু ইয়াৰ ভিতৰত মানৱতাবাদৰ ৰঙ বিচাৰিব গ'লে হতাশ হ'ব লাগিব।

অথচ কবিৰ শেষ জীৱনৰ কাব্য কবিতা, নাটক, প্ৰবন্ধ আৰু বিভিন্ন ভাষণত গণতান্ত্ৰিক আৰু মানৱতাবাদী ভাবৰ ধাৰণা একেবাৰে সুস্পষ্ট। 'পুনশ্চ' কাব্যৰ পৰা আৰম্ভ কৰি তেওঁৰ যি নতুন কাব্যযাত্ৰা আৰম্ভ হৈছে ঈশ্বৰ চেতনা তথা প্ৰকৃতি প্ৰেম ক্ৰমশঃ নোহোৱা হৈ আহিছে আৰু মানৱতাবাদৰ সুৰ স্পষ্ট হৈ পৰিছে। কবিৰ বয়স তেতিয়া সত্তৰৰ ওচৰা ওচৰি। সমালোচকসকলৰ কিছুমানৰ মতে কবিৰ এই পৰ্বৰ ৰচনাত ঐশ্বৰিক চেতনা যে কমি আহিছে সেয়া নহয় ইয়াৰ পৰিৱৰ্তে একধৰণৰ অজ্ঞেয়বাদ আৰু প্ৰহেলিকাবোধে তাৰ ঠাই দখল কৰি পেলাইছে। এই মত সম্পূৰ্ণ সত্য নহ'বও পাৰে, কিন্তু এইটো ঠিক যে কবিৰ এই পৰ্বৰ ৰচনাও পূৰ্বৰ আধ্যাত্মবাদী ধ্ৰুৱ প্ৰত্যয়ৰ সুৰ তেনেকৈ পোৱা নাযায়। ইতিমধ্যে কবিৰ জীৱনত কিবা এটা যেন ঘটিছে। আগবয়সৰ উপনিষদীয় সংস্কাৰৰ ভেটিত ফাট মেলিছে, ভগৱত বিশ্বাস কমি আহিছে। আনকি প্ৰকৃতি দৰ্শনৰ ক্ষেত্ৰত আগৰ আত্মহাৰা ভাবটো নাই। কবিৰ মানসিকতাৰ এনে পৰিৱৰ্তন কিহে ঘটালে? ৰবীন্দ্ৰ তত্ত্বজ্ঞসকলৰ ধাৰণা প্ৰথম বিশ্ব যুদ্ধৰ মৰ্মান্তিক ধ্বংসলীলাৰ অভিজ্ঞতাই কবিৰ ভাবজীৱনলৈ এনে পৰিৱৰ্তন আনিছিল। কবিয়ে জীৱনৰ আগেছোৱা অতিবাহিত কৰিছিল পুজোৱা জীৱন যাত্ৰাৰ প্ৰাচুৰ্য্যময় এক সুন্দৰ পৰিৱেশত। প্ৰথম বিশ্বযুদ্ধৰ তাণ্ডৱ লীলাই কবিৰ বুৰ্জোৱা জীৱনযাত্ৰাৰ বিলাসী সৌধটো ভাঙি গুড়ি কৰি দিলে। সাম্ৰাজ্যবাদী মদগৰ্বী ক্ষমতা পিপাসু লোভী ৰাষ্ট্ৰসমূহৰ ওপৰত কৰা নৃশংসতা দেখি তেওঁ স্তম্ভিত হৈছিল। ইয়াৰ লগতে বিশ আৰু ত্ৰিশৰ দশকত ইউৰোপত ফেচিবাদৰ উত্থান আৰু ক্ৰমশঃ গোটেই বিশ্বতে সৃষ্টি কৰা ইয়াৰ দানবিক কাৰ্য্যকলাপৰ দৃশ্যই কবিৰ অন্তৰত আৰু এবাৰ আঘাত হানিছিল। সেয়েহে কব পৰা যায় এই দুই সন্মিলিত কৰুণ অভিজ্ঞতাৰ ফলতেই কবিৰ ভাবজীৱনত মৌলিক পৰিবৰ্তনে দেখা দিছিল। অত্যাচাৰী শাসকসকলৰ হাতত অগণিত মানুহৰ লাঞ্চনা দেখি কবিৰ কাব্য কল্পনাৰ স্ৰোত একান্তভাবে মানৱীয়তাৰ পিনে বৈ যাব ধৰিলে।

তেওঁ এই নতুন অভিযান পুনশ্চ কাব্যৰচনাৰ পৰা আৰম্ভ হৈছে। এনেদৰে 'শেষসপ্তা' 'পত্ৰপুট', 'প্ৰান্তিক', 'সেঁজুতি', 'নৱজাতক', 'ৰোগ শয্যায়', 'জন্মদিনে', 'আৰোগ্য' আদি কাব্য ৰচনা কৰি 'শেষ লেখায়' কাব্য ৰচনাত তেওঁৰ লেখাৰ পৰিসমাপ্তি ঘটে। সময়ৰ হিচাবত সম্পূৰ্ণ এটা দশক। কবিৰ চিন্তাধাৰাৰ পৰিৱৰ্তনৰ পৰ্যালোচনা কৰিলে আমি দেখা পাওঁ এই পৰ্যায়ত তেওঁযে কেৱল মানৱীয় তত্ত্বৰ দ্বাৰা দীক্ষিত হৈছে সেয়া নহয়, ইয়াৰ লগে লগে তেওঁৰ চেতনাত প্ৰৱেশ কৰিছে গণতান্ত্ৰিক আৰু সমাজতান্ত্ৰিক প্ৰত্যয়। ইতিমধ্যে ১৯৩০ চনত তেওঁ ছোভিয়েট ৰাষ্ট্ৰ ভ্ৰমণ কৰি আহিছে। সেই দেশৰ অভিনৱ অভিজ্ঞতাসমূহ তেওঁ 'ৰাছিয়াৰ চিঠি' নামৰ ঐতিহাসিক পত্ৰসমূহত বিশদভাৱে বৰ্ণনা কৰিছে। ইয়াৰ পিছত কি তেওঁ পূৰ্বৰ ধ্যান-ধাৰণালৈ ঘূৰি যোৱা সম্ভৱ?

জীৱনৰ বাটত বিভিন্ন ধৰণৰ ওলট-পালট অভিজ্ঞতাৰ ফলত তেওঁ নিজকে নতুনকৈ সজালে আৰু বিশ্বক সম্পূৰ্ণ বেলেগ দৃষ্টিৰে চাবলৈ আৰম্ভ কৰিলে। বিভিন্ন ধৰণৰ ঘাত-প্ৰতিঘাত বেদনাৰ মাজেৰে ৰূপ যে কিমান কঠিন তাৰ পৰিচয় তেওঁ পালে। তেজৰ আখৰত তেওঁ দেখা পালে নিজৰ ৰূপ। যিসকলে কবিক নিৰৱচ্ছিন্ন ঋষি হিচাবে আখ্যা দি তেওঁৰ এই ৰূপটোক ঢাকি ৰাখিব বিচাৰে, তেওঁলোকে কবিৰ উচিত মূল্যায়ন কেতিয়াওঁ কৰা নাই। কবিৰ কাব্যৰ কেৱল আংশিক ব্যাখ্যাহে তেওঁলোকে আগবঢ়াইছে।

(২)

ৰবীন্দ্ৰনাথৰ জীৱনৰ প্ৰথম পৰ্বৰ ৰচনাসমূহত গণতান্ত্ৰিক আৰু মানৱতাবাদী প্ৰত্যয়ৰ ঘোষণা যে একেবাৰে নাছিল তেনে নহয়, আছিল যদিও ই অস্পষ্টভাৱেহে প্ৰকাশ পাইছিল। এই অলপ-অচৰপ যি গণতান্ত্ৰিক আৰু মানৱতাবাদী চিন্তাধাৰাৰ প্ৰকাশ ঘটিছিল সেইবাৰো আছিল অৱচেতন মনৰহে প্ৰকাশ। সচেতনভাৱে এইবোৰৰ প্ৰকাশ ঘটা নাছিল। এই কাৰণতেই দেখা যায় ৰবীন্দ্ৰ কাব্যসাহিত্যৰ প্ৰথম পৰ্বত মানৱ প্ৰেমৰ প্ৰকাশ কেতিয়াবা কেতিয়াবাহে ঘটিছে; কিন্তু ধাৰাবাহিকভাৱে এইবোৰৰ প্ৰকাশ ঘটা নাই। ইয়াৰ বিপৰীতে তেওঁৰ শেষ পৰ্বৰ ৰচনাসমূহত এই মানৱতাবাদী প্ৰত্যয়ৰ প্ৰতিফলন ধাৰাবাহিকভাৱে এক স্থায়ী ৰূপ ল'বলৈ সক্ষম হৈছে। প্ৰথম আৰু শেষ বয়সৰ ৰবীন্দ্ৰ মানসিকতাৰ এইধৰণৰ পাৰ্থক্যৰ মূলতে আছে পৰিৱেশ আৰু সমাজস্থিতিৰ পৰিৱৰ্তন, সুদীৰ্ঘ জীৱনত বিচিত্ৰ অভিজ্ঞতাৰ প্ৰভাৱ আৰু ইয়াৰ ফলত কবিৰ মনৰ অনিবাৰ্য পৰিৱৰ্তন।

ৰবীন্দ্ৰ মানসিকতাৰ এই বিৱৰ্তনৰ ধাৰাটোক আমি কিছুমান নিৰ্বাচিত উদাহৰণ আৰু উদ্ধৃতিৰ সহায়ত অনুধাবন কৰিবলৈ চেষ্টা কৰিব পাৰো।

ৰবীন্দ্ৰনাথে জীৱনৰ প্ৰথম সময়ছোৱা কটাইছে নিৰৱচ্ছিন্ন এক সুন্দৰ আনন্দ আৰু সুখৰ পৰিৱেশত। পশ্চিম ইউৰোপৰ শিক্ষা আৰু সংস্কৃতিৰে পুষ্ট বুৰ্জোৱা আশাবাদী পৰিৱেশে তেওঁক জীৱনৰ দুখৰ দিশ সম্পৰ্কে সচেতন হ'বলৈ সুযোগ দিয়া নাছিল। ইয়াৰ উপৰিও বাংলাৰ গাঁৱলীয়া জীৱনৰ কুৰুচ ছবি তেওঁৰ চেতনাত সেইসময়ত দেখা দিয়া নাছিল। কলিকতা চহৰৰ কবি কলিকতাতেই এক আনন্দ বিলাসৰ মাজেৰে ডাঙৰ হৈ উঠিছিল। সেইসময়ত কবিয়ে কবিতা, গান, নাটক, আবৃত্তি, অভিনয়, নৃত্য-গীত আদিৰ এক আনন্দ উল্লাসৰ পৰিৱেশৰ মাজত জীৱন অতিবাহিত কৰিছিল। তথাপিও দেখা যায় এই আনন্দময় পৰিৱেশৰ মাজতো কঠিন বাস্তৱৰ চেতনাই মাজে মাজে কবিৰ কল্পনাক আঘাত হানিছে। ভোগৰ কবি দুখ-বেদনাৰ কবিলৈ ৰূপান্তৰিত হৈছে। প্ৰকৃতি প্ৰেমৰ ছবিৰ মাজত অজানিতে মানৱতাৰ ৰঙ লাগিছে। সেয়া নহ'লহেতেন, তেতিয়া হ'লে মাত্ৰ ২০ বছৰ বয়সৰ নৱযৌৱনৰ কবিয়ে 'ভাৰতী' নামৰ মাহেকীয়া আলোচনীত চীনত আফিঙৰ ব্যৱসায়ক কেন্দ্ৰ কৰি ইংৰাজ আৰু অন্যান্য ইউৰোপীয়ান সাম্ৰাজ্যবাদী শক্তিবোৰে কিদৰে চীনক শোষণ কৰি মৃতপ্ৰায় কৰি পেলাইছিল তাৰ বিৰুদ্ধে ক্ষুৰধাৰ লেখা তুলি নধৰিলেহেঁতেন। "চীনে মৰণের ব্যৱসায়" নামৰ এই প্ৰবন্ধত (ভাৰতী, জৈষ্ঠ, ১২৮৮) কবিয়ে লিখিছে —

"একটি সমগ্ৰ জাতিকে অৰ্থের লোভে বিষপান কৰানো হইল। এমনতৰ নিদাৰুন ঠগী বৃত্তি কখনো শুনা যায় নেই। চীন কাঁদিয়া কহিল "আমি অহিফেন খাইব না, ইংৰেজ বণিক কহিল যে কি হয়? চীনের হাত দুইটি বাঁধিয়া তাৰ মুখের মধ্যে কামান দিয়া অহিফেন ঠাসিয়া দেওয়া হইল, দিয়া কহিল যে অহিফেন খাইলে তাহাৰ দাম দাও। বহু





দিন হইল ইংৰেজৰা চীনে এই অপূৰ্ব বাণিজ্য চালাইতেছেন.....।"

লক্ষনীয় বিষয় এয়ে যে যিসময়ত কবিয়ে "প্ৰভাত সঙ্গীত", "সন্ধ্যা সংঙ্গীত", 'কড়ি ও কোমল" প্ৰভৃতি ৰোমাণ্টিক কাব্য, "বাল্মীকি প্ৰতিভা", "মায়াৰ খেলা' জাতীয় বিনোদনধৰ্মী গীতি নাট্য আৰু গদ্যৰ ক্ষেত্ৰত "দান্তে ও বিয়েত্ৰীচ", "পেত্ৰাক ও লবা" ইত্যাদি প্ৰেমৰ কাহিনী লিখিছিল সেই সময়ৰে ৰচনা এইটো। সেয়েহে দেখা যায় ৰোমাণ্টিক ভাৱাবেগৰ লগে লগে মানৱিকতাৰ আবেগেও সেই সময়ত কবি মনৰ কিছু ঠাই দখল কৰি লৈছিল। প্ৰবল আনন্দমুখৰ মুহূৰ্ততো কবিয়ে চীনৰ ওপৰত কৰা সাম্ৰাজ্যবাদী চক্ৰৰ অত্যাচাৰ অবিচাৰৰ কথা পাহৰিব পৰা নাছিল আৰু সেইবাবেই তেওঁৰ লেখাত এই ধৰণৰ চিন্তাই প্ৰকাশ পাইছে।

বাস্তৱিকতে চীনৰ সমস্যাই বাৰে বাৰে কবিৰ চেতনাক আলোড়িত কৰিছিল। যেতিয়াই সুযোগ পাইছে তেতিয়া চীনৰ সমস্যা সম্পৰ্কত তেওঁৰ অন্তৰত থকা বেদনা আৰু ক্ষোভ লেখাৰ জৰিয়তে প্ৰকাশ পাইছে। পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিসমূহৰ বিৰুদ্ধে লেখা কবিৰ অসংখ্য ৰচনাত আমি এই কথাৰ প্ৰমাণ পাওঁ। উদাহৰণস্বৰূপে 'প্ৰাচ্য ও পাশ্চাত্য' বিৰোধীমূলক আদৰ্শ, ধৰ্মবোধেৰ দৃষ্টান্ত' আদি বিভিন্ন প্ৰবন্ধত, "সবুজ পত্ৰ", সম্পাদক প্ৰমথ চৌধুৰীয়ে লেখা "বাতায়নিকেৰ পত্ৰ" নামৰ পত্ৰসমূহত "জাপানে প্ৰদত্ত নেচনেলিজিম" নামৰ ভাষণাৱলীত, আমেৰিকাত দিয়া অসংখ্য বক্তৃতাও আৰু সৰ্বশেষত জাপানী কবি ইয়োন নোগুচিৰ সৈতে হোৱা ঐতিহাসিক বিতৰ্কত। ইয়াৰোপৰি "নৈবেদ্য" কাব্যগ্ৰন্থৰ একাধিক কবিতাত কবিয়ে চীনৰ নাম উল্লেখ নকৰিলেও বস্তুতঃ পাশ্চাত্য ৰাষ্ট্ৰসমূহৰ আগ্ৰাসী নীতি, লুণ্ঠন তৎপৰতা আৰু দানৱীয় শোষণৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সোচ্চাৰ কৰি তুলিছে 'শতাব্দীৰ সূৰ্য্য আজ ৰক্তমেঘ মাজে অস্ত গেল', 'কোৰো না কোৰো না লজ্জা হে ভাৰতবাসী শক্তি মদমত্ত ওই বণিক বিলাসী ধনদৃপ্ত পশ্চিমের কটাক্ষ সন্মুখে', 'স্বাৰ্থ যত পূৰ্ণ হয় লোভ ক্ষুধানল তত তীব্ৰ বেড়ে উঠে, বিশ্ব ধৰাতল আপনাৰ খাদ্য বলি না কৰি বিচাৰ জঠৰে পৰিতে চায়', 'চিতাৰ আগুন পশ্চিম সমুদ্ৰতে কৰিছে উদ্‌গাৰ বিস্ফুলিংগ, স্বাৰ্থ দীপ্ত লুপ্ত, সভ্যতাৰ মশাল হইতে লয়ে শেষ অগ্নিকণ্য' প্ৰভৃতি পংক্তি এই ক্ষেত্ৰত উল্লেখনীয়। চীনৰ প্ৰসঙ্গ উঠিলেই কবি আৰু স্থিৰ হৈ থাকিব নোৱাৰা হয়; পশ্চিমীয়া সাম্ৰাজ্যবাদী ৰাষ্ট্ৰসমূহৰ ভদ্ৰবেশী বৰ্বৰতাৰ বিৰুদ্ধে ক্ষোভ, ৰোষ আৰু ঘৃণাত তেওঁৰ প্ৰতিবাদী কণ্ঠ সোচ্চাৰ হৈ উঠে। কবিৰ এই মহান মানৱীয় অনুভূতিৰ ওচৰত, শ্ৰদ্ধাত আপোনা-আপুনি শিৰ নত হৈ যায়।

এই কথা আগতেই উল্লেখ কৰা হৈছে যে কবিৰ এই ধৰণৰ মানৱতাৰ অভিব্যক্তি আগৰ ৰচনাসমূহত ধাৰাবাহিকভাৱে ফুটি উঠা নাছিল। মাজে মাজে আকস্মিক ভাবেহে সেইবোৰৰ আত্মপ্ৰকাশ ঘটা আমি দেখিবলৈ পাওঁ। ইয়াৰ অৰ্থ এয়ে যে কবিয়ে নিৰ্মল প্ৰেম, ঈশ্বৰানুভূতি, অতিন্দ্ৰীয় স্পৃহা ইত্যাদিৰ মাজত নিজকে বিভোৰ কৰি ৰাখিবলৈ বিচাৰিছিল। কিন্তু সেইটো তেওঁ কৰিব পৰা নাছিল। জাতীয় আৰু আন্তৰ্জাতিক স্তৰত ঘটা কিছুমান বিপৰ্যকৰ ঘটনাই তেওঁৰ মনৰ শান্তি আৰু আৰামত ব্যাঘাত জন্মাই তেওঁৰ প্ৰকৃতি প্ৰেম আৰু ঈশ্বৰ তন্ময়তাৰ ছন্দত বিশৃংখলা আনি দিছিল। ফলস্বৰূপে তেওঁ কঠিন বাস্তৱক পাহৰি থাকিব নোৱাৰিলে। বাস্তৱে বলপূৰ্বক তেওঁৰ পৰা প্ৰাপ্য মুনাফা আদায় কৰি লৈ গ'ল। এই কথাৰ সকলোতকৈ ডাঙৰ প্ৰমাণ হ'ল মাজ বয়সত লিখা তেওঁৰ 'এবাৰ ফিৰাও মোৰে'

নামৰ কবিতাটো (চিত্ৰা, ১৩০০)। এই কবিতাটোত দেখা যায় কবিয়ে বাস্তৱ বিমুখ পলায়নবাদী চিন্তা ধাৰাৰ মাজত নিমগ্ন হৈ আছিল; সংসাৰৰ শতসহস্ৰ দুখ দৈন্যৰ অভিজ্ঞতাই শেষত তেওঁৰ বিবেকত আঘাত হানিছে আৰু বিবেক জাগ্ৰত কৰি তুলিছে। ফলস্বৰূপে কবিৰ মন বাস্তৱ পৃথিৱীৰ পিনে অগ্ৰসৰ হৈছে। এতিয়া আৰু কবিৰ কল্পনাৰ গজদন্ত মিনাৰৰ আৰামৰ সুখশয্যাত শুই থকাৰ সময় নাই। সেয়েহে তেওঁ 'সংসাৰেৰ তীৰে' ঘূৰি আহিবলৈ বাধ্য হ'ল। সেই বাবেইতো কল্পনাৰ অধীশ্বৰী দেৱীৰ ওচৰত কবিৰ এই করুণ মিনতি—

এবাৰ ফিৰাও মোৰে, লয়ে যাও সংসাৰেৰ তীৰে
হে কল্প-নে, ৰঙ্গময়ী। দুলায়ো না সমীৰে সমীৰে
তৰঙ্গে তৰঙ্গে আৰ, ভুলায়ো না মোহিনী মায়ায়
বিজনে বিষাদঘন অন্তৰেৰ নিকুঞ্জ ছায়ায়
বেখোনা বসায়ে আৰ।"

শেষৰ দুটি স্তৱকত কবিয়ে তেওঁৰ নিজস্ব ৰোমান্তিক ব্যক্তিকেন্দ্ৰিক বেদনাৰ ইংগিত দিছে। কিন্তু নিঃসৰ্গ প্ৰেমেই হওক বা জৈৱ প্ৰেমেই হওক, কবিয়ে আৰু এইবোৰৰ বন্ধনত থাকিব নিবিচাৰে এতিয়া কবিৰ মনে সাধাৰণ মানুহৰ দুখ-দুৰ্গতিৰ লগত একাত্মবোধ গঢ়ি তোলাৰ বাবে অগ্ৰসৰ হৈছে;

কিন্তু কবিৰ এই সদিচ্ছা স্থায়ী হৈছিলনে কবিয়ে ইয়াৰ পিছত নিৰবচ্ছিন্নভাবে তেওঁৰ ৰচনাত সাধাৰণ দৰিদ্ৰ আৰ্ত মানুহৰ দুখ-দুৰ্দশাৰ ছবি অংকন কৰি গৈছিলনে? তেনেকুৱা পৰিচয় কিন্তু পোৱা নাযায়। 'চিত্ৰা'ৰ পিছত 'বলাকা', 'পূৰবীৰ'ৰ যুগ পৰ্যন্ত প্ৰায় পঁচিশ বছৰৰ ব্যৱধান। এই সময়ছোৱাৰ ভিতৰত 'নৈবেদ্য' আৰু 'গীতাঞ্জলী'ৰ দুই-চাৰিটা মানৱ মুখী কবিতা আৰু গানৰ বাহিৰে কাব্যৰ ক্ষেত্ৰত ক'তো কবিৰ 'এবাৰ ফিৰাও মোৰে'ত প্ৰকাশ পোৱা মহৎ অভিপ্ৰায়ৰ চিন দেখিবলৈ পোৱা নাযায়। এই ক্ষেত্ৰত যদি কোনোবাই ভাবে যে কবিয়ে মাজ বয়সত যি মহৎ অভিপ্ৰায়ৰ কথা ঘোষণা কৰিছিল, সেয়া কবিৰ কল্পনাৰেই সাময়িক পৰিৱৰ্তন আছিল। কবিৰ ইচ্ছাৰ আন্তৰিকতা থাকিলেও তাত কৰ্মৰ জোৰ নাছিল। তেতিয়াহ'লে তেনে সমালোচনা কৰা ব্যক্তিক বিশেষ দোষ দিব পৰা নাযায়। কল্পনাৰ আৱেশত কোনো এক বিশেষ মুহূৰ্তত কবিয়ে উক্ত প্ৰসিদ্ধ কবিতাটো লিখিছিল। কিন্তু ইয়াৰ পিছতেই কবিয়ে পুনৰ ঐশ্বৰিক চেতনাৰ কোলাত শুই পৰিছিল। কবিৰ এই সপোনৰ আৱেশৰ সাম কাটিবলৈ আৰু তিনিটা দশক অপেক্ষা কৰিবলগা হৈছিল। প্ৰথম বিশ্বযুদ্ধৰ আলোড়নকাৰী ঘটনা প্ৰবাহ, ভাৰতবৰ্ষক শাসনৰ ক্ষেত্ৰত ইংৰাজসকলৰ স্বাৰ্থপৰতা আৰু ক্ৰুৰতা, ইউৰোপৰ মঞ্চত ফেচিবাদৰ অভ্যুদয় আৰু দিশে দিশে ইয়াৰ বিস্তাৰ লগতে জাতীয় জীৱনৰ বিভিন্ন ভয়লগা ঘটনাৰ অভিজ্ঞতাই লাহে লাহে কিন্তু নিশ্চিতভাৱে কবিৰ আত্মসন্তুষ্টিৰ সৌধটোক ভিতৰি ভিতৰি দুৰ্বল কৰি পেলাইছিল আৰু এটা সময়ত ইয়াক একেবাৰে ভাঙি গুড়ি কৰি দিছিল। কবি কঠিন বাস্তৱৰ মুখামুখী হ'ল। সত্যৰ ৰূপ যে কিমান ভয়াবহ তেওঁ তাৰ পৰিচয় পালে।

সেয়েহে ক'ব পৰা যায়, কবিৰ মানসিকতাৰ এই মৌলিক ৰূপান্তৰপৰ্বৰ আগৰ সময়ছোৱাত তেওঁৰ মানসিকতাৰ যি ৰূপ দেখা পাইছোঁ সি কেতিয়াও এদাল সৰলৰেখাৰ দৰে অগ্ৰসৰ হোৱা নাই। ইয়াৰ গতি একাবেঁকা। কোনো কোনো মুহূৰ্তত অহা ভাবৰ জোৱাৰত কবিয়ে মানৱতাৰ জয়গান হৈছে আৰু কোনো মুহূৰ্তত ভগৱৎ উপলব্ধিৰ আৱেশত কবি তন্ময় হৈ পৰিছে।

কিন্তু 'পৰিৱেশ' আৰু 'পুনশ্চ' কাব্যৰ সময়ৰ পৰা কবিৰ আৰু এটা ৰূপ আমি দেখিবলৈ পাওঁ। 'পুনশ্চ' 'ছেলেটা', 'ক্যামেলিয়া', 'সাধাৰণ মেয়ে'





আদি কবিতাই এক সুস্পষ্ট দিশ পৰিৱৰ্তনৰ নিৰ্দেশ দিছে। 'পৰিৱেশ' কাব্যগ্ৰন্থৰ 'প্ৰশ্ন' নামৰ কবিতাত আৰু 'বলাকা'ৰ 'ঝাড়েৰ সেয়া' নামৰ কবিতাত কবিৰ ভাবৰ আকৌ তীক্ষ্ণতৰ পৰিৱৰ্তন পৰিলক্ষিত হয়। 'ঝাড়েৰ খেয়া'ত পৱিত্ৰ মানৱতাত বিশ্বাসী বিপ্লৱী অভিযাত্ৰীসকলক শ্ৰদ্ধা জনাই কবিয়ে লিখিছে—
'জীৱেৰ এ ৰক্তস্ৰোত মাতাৰ এ অশ্ৰুধাৰা এৰ কি যত মূল্য সে কি ধৰাৰ ধূলায় হবে হাৰা।

স্বৰ্গ কি হবেনা কেন।
বিশ্বেৰ ভাণ্ডাৰী সুধিবে না এত ঋণ?
ৰাত্ৰিৰ তপস্যা সে কি আনিবে না দিন?

আকৌ, যিসকলে এই তৰুণ বিপ্লৱীসকলক কাৰাগাৰত আবদ্ধ কৰি ৰাখি তিলে তিলে হত্যা কৰিছে, সেইসকলক কবিয়ে আন এটা স্তৱকত অভিশাপ দিছে—

যাহাৰা তোমাৰ বিষাইছে বায়ু,
নিভাইছে তব আলো
তুমি কি তাদেৰ ক্ষমা কৰিয়াছ,
তুমি কি বেসেছ ভালো'

ইয়াৰ পিছত 'প্ৰান্তিক কাব্য গ্ৰন্থৰ কবিতাত আমি পাওঁ ফেচিবাদৰ নাৰকীয় সন্ত্ৰাস আৰু নিষ্ঠুৰতাৰ বিৰুদ্ধে কবিৰ সময়োচিত সতৰ্কবাণী—
"নাগিনীৰা চাৰিদিকে ফেলিতেসি বিষাক্ত নিশ্বাস,
শান্তিৰ ললিতবাণী শোনাইবে ব্যৰ্থ পৰিহাস।
বিদায় নেবাৰ আগে তাই
ডাক দিয়ে যাই
দানবেৰ সাথে যাৰা সংগ্ৰামেৰ তৰে
প্ৰস্তুত হতেছে ঘৰে ঘৰে।"
নতুবা

"... মহাকাল সিংহাসনে/সমাচীন বিচাৰক,
শক্তি দাও শক্তি দাও মোৰে/কণ্ঠে মোৰ আনো
বজ্ৰবাণী, শিশুঘাটী, নাৰীঘাটী/কুৎসিৎ বীভৎসা
পৰে ধিক্কাই পাৰিসেব/নিত্যকাল ৰবে
যা স্পন্দিত লজ্জাতুৰ ঐজিহৎৰ হৃৎস্পন্দনে,..."

'সেজুতি কাব্যেৰ 'জন্মদিন' কবিতাত ফেচিবাদী বৰ্বৰতাৰ হিংস্ৰ দানবীয়তাৰ ছবি এইদৰে ফুটি উঠিছে—
"ক্ষুদ্ধ যাৰা, লুব্ধ যাৰা/মাংস গন্ধে মুগ্ধ যাৰা,
একান্ত আত্মাৰ দৃষ্টিহাৰা/শ্মশানেৰ প্ৰান্তৰে
আবৰ্জ্জনাকুণ্ড তব ঘেৰি/বীভৎস চীৎকাৰে তাৰা
ৰাত্ৰিদিন কৰে ফেৰা ফেৰি/নিলৰ্জ্জ হিংসায়
কৰে হানাহানি।"

এয়া গ'ল কাব্যৰ হিচাব। এনেদৰে প্ৰবন্ধৰ ক্ষেত্ৰতো, ৰোমা ৰ'লা আৰু বাৰবুসৰ লগত কণ্ঠ মিলাই যুদ্ধ আৰু মানৱতাৰ সপক্ষে উচ্চাৰিত মহৎ বাণীত, হিজলী জে'লত সংঘটিত হত্যাকাণ্ডৰ প্ৰতিবাদ আৰু আন্দমান দ্বীপপুঞ্জৰ ৰাজ বন্দীসকলক নিজ দেশলৈ ঘূৰাই অনাৰ দাবীৰ ঘোষণাত, মিচৰাথ্ নিজ দেশলৈ ... মিচৰাথ্ বোনলৈ লিখা সাম্ৰাজ্যবাদ বিৰোধী ধিক্কাৰসূচক চিঠিত, দুৰ্বল চীনৰ ওপৰত কৰা জাপানৰ মদমত্ত অত্যাচাৰৰ বিৰুদ্ধে ভৰ্ৎসনা জনাই জাপানী কবি নোগুচিকৈলৈ লিখা ঐতিহাসিক পত্ৰমালাত আৰু সৰ্বশেষত "সভ্যতাৰ সংকট" নামৰ মানৱতাৰ জয়গান গোৱা ভাষণত কবিয়ে দ্বিধাহীনভাৱে তেওঁৰ মানৱতাবাদী স্বৰূপটো তুলি ধৰিছে। প্ৰথম আৰু মাজবয়সত কাব্য সাধনাৰ সি অপূৰ্ণতা ৰৈ গৈছিল, শেষ বয়সত গৌৰোজ্জ্বল ভূমিকাৰ দ্বাৰা তাক পূৰণ কৰি গৈছিল।●

অনুবাদক ৰিজনী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক।

# নৱজাগৰণৰ পথিকৃৎ চৰণ নাৰ্জাৰী

অলক অধিকাৰী



অসমৰ ভৈয়াম জনজাতিৰ স্বাধীনতাৰ লগতে বৃহত্তৰ বড়ো জনগোষ্ঠীৰ সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিকভাৱে স্থায়িত্ব প্ৰদান বা প্ৰতিষ্ঠাৰ্থে অহোপুৰুষাৰ্থ কৰা অন্যতম ব্যক্তিত্বৰ গৰাকীজনেই হ'ল আমাৰ সকলোৰে শ্ৰদ্ধাৰ প্ৰাক্তন সাংসদ, বিধায়ক, সাহিত্যিক তথা অধ্যাপক চৰণ নাৰ্জাৰী। ভৈয়াম জনজাতিৰ উপৰিও বড়ো জাতিটোক বিভিন্ন দিশত প্ৰতিষ্ঠা আৰু অধিকাৰৰ বাবে পূৰ্বতে সপোন ৰচা গুৰুদেৱ কালিচৰণ ব্ৰহ্মাই যি প্ৰচেষ্টাৰ সূচনা কৰি গৈছিল পৰৱৰ্তী সময়ত স্মৰণীয় শ্ৰদ্ধেয় ৰূপনাথ ব্ৰহ্ম আৰু ঠিক তাৰ কিছু বছৰ পিছতেই সেই সপোন ব্যাপকতাৰে গণতান্ত্ৰিকভাৱে আগবঢ়াই নিছিল সমৰ ব্ৰহ্ম চৌধুৰী আৰু চৰণ নাৰ্জাৰীয়ে। এই দুগৰাকী ব্যক্তিৰ চিন্তা-চেতনা সমন্বয়ৰ মূল আৰু জনজাতি সমাজ তথা বড়ো জনগোষ্ঠীৰ মাজত এক নৱজাগৰণৰ হৃদস্পন্দন বুলি ক'লেও ভুল নহ'ব। কাৰণ নিজ জাতিটোৰ লগতে ভৈয়াম জনজাতিসকলৰ অধিকাৰৰ বাবে ভৱিষ্যতৰ বাট বুলিবলৈ গঢ়ি তুলিছিল পিটিচিএ অৰ্থাৎ Plains Tribal Council of Assam ৰ দৰে এক সংগঠন যাৰ নেতৃত্বত আছিল মূলতঃ সমৰ ব্ৰহ্ম চৌধুৰী আৰু চৰণ নাৰ্জাৰী। নেৰানেপেৰা সংগ্ৰাম আৰু ৰাজনৈতিক বিচক্ষণতাৰ বাবে এই দুয়োগৰাকী ব্যক্তি বৃহত্তৰ বড়ো জনগোষ্ঠীৰ উপৰিও ভৈয়াম জনজাতিসকলৰ মাজত সদা স্মৰণীয় হৈ ৰ'ব। যি সময়ত ভৈয়ামৰ জনজাতিসমূহে ভাৰতৰ সাংবিধানিক অধিকাৰৰ কথা ভাবিবই পৰা নাছিল, তেনে এক সময়ত ভৈয়াম জনজাতিসকলৰ লগতে বড়ো জাতিক মূল হিচাপে লৈ অৱহেলিত, শোষিত, বঞ্চিত জাতিৰ পৰা মূৰ তুলি জীয়াই থকাৰ আকাংক্ষা বড়ো সমাজৰ মাজত জাগৰিত কৰি যি সংগ্ৰাম গঢ়ি তুলিছিল তাৰ মূলতে আছিল চৰণ নাৰ্জাৰী। এই কথা নক'লেও সকলোৰে জ্ঞাত যে চৰণ নাৰ্জাৰী আছিল অসমৰ জনজাতিসকলৰ জনকল্যাণাৰ্থে প্ৰতিষ্ঠা কৰা পিটিচিএ অৰ্থাৎ অসম ভৈয়াম জনজাতি পৰিষদৰ প্ৰতিষ্ঠাপক সাধাৰণ সম্পাদক। ১৯৬৭ চনৰ ১৮ মাৰ্চত মদাৰাম ব্ৰহ্মৰ সভাপতিত্বত কোকৰাঝাৰত অনুষ্ঠিত সভাত বীৰোচন দলেক সভাপতি, সমৰ ব্ৰহ্ম চৌধুৰীক উপ-সভাপতি আৰু চৰণ নাৰ্জাৰীক সাধাৰণ সম্পাদক হিচাপে লৈ পূৰ্ণাংগ ৰূপত পিটিচিএ দল গঠন কৰা হৈছিল। এই দলৰ





নেতৃত্বত পৰৱৰ্তী সময়ত অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত জনজাতিসকলৰ কাৰণে 'উদয়াচল' নামৰ সুকীয়া ৰাজ্যৰ দাবীৰে সক্ৰিয় হৈ উঠিছিল।

১৯৩৩ চনৰ ২৮ মে'ত কোকৰাঝাৰ চহৰত জন্ম গ্ৰহণ কৰা চৰণ নাৰ্জাৰী অত্যন্ত মেধাসম্পন্ন ব্যক্তিত্বৰ গৰাকী আছিল। কোকৰাঝাৰত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰি পৰৱৰ্তী সময়ত গুৱাহাটীৰ কটন কলেজৰ পৰা সুখ্যাতিৰে বি.এ. (১৯৫৯) পাছ কৰে আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত এম.এ. (১৯৬২), এল.এল.বি. (১৯৬৪) ডিগ্ৰী লাভ কৰাৰ লগতে একে বছৰতে কোকৰাঝাৰ কলেজত ৰাজনীতি বিজ্ঞান বিভাগত অধ্যাপক হিচাপে কৰ্মৰত হৈছিল। অধ্যাপক হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ পৰাও সমাদৰ পাইছিল।

অপৰিসীম ৰাজনৈতিক জ্ঞানেৰে পৰিপক্ক চৰণ নাৰ্জাৰীয়ে ১৯৭২ চনত আৰু ১৯৮৫ চনত দুবাৰকৈ অসম বিধানসভাৰ সদস্য হৈ বিধানসভাৰ মজিয়াত দৃঢ়তাৰে আৰু বলিষ্ঠ কণ্ঠেৰে স্বজাতিৰ লগতে অসমৰ ৰাইজৰ হকে মাত মাতি এগৰাকী সফল ৰাজনৈতিক ব্যক্তি ৰূপে নিজৰ পৰিচয় দাঙি ধৰিছিল। অকল এয়াই নহয় চৰণ নাৰ্জাৰীয়ে ১৯৭৭ চনত সংসদৰ সদস্য (কোকৰাঝাৰ লোকসভা সমষ্টি) হৈ দিল্লীৰ সংসদৰ মজিয়াত কঁপনি তুলি যি পদক্ষেপ গ্ৰহণ কৰিছিল, সেই পদক্ষেপ পাছৰ কালত অসমৰ ৰাজনীতিৰ অন্যতম পুৰোধা হেম বৰুৱাই গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত চৰণ নাৰ্জাৰীৰ নাম ল'ব পাৰি। চৰণ নাৰ্জাৰীয়ে ইংৰাজীত বক্তৃতা দিয়াত যেনেদৰে পাকৈত আছিল ঠিক একেধৰণে অসমীয়া, বাংলা আৰু হিন্দীতো সুললিত বলিষ্ঠ ৰূপত ভাষণ প্ৰদান কৰি সকলোকে মন্ত্ৰমুগ্ধ কৰিবলৈ সক্ষম হৈছিল। ভাষাৰ দখল, বক্তব্যৰ স্পষ্টবাদিতা আৰু তীক্ষ্ণ ৰাজনৈতিক যুক্তিবাদী চৰণ নাৰ্জাৰীক এগৰাকী সফল ৰাজনৈতিক ব্যক্তি হিচাপে সৰ্বজনে স্বীকাৰ কৰি আহিছে।

চৰণ নাৰ্জাৰীয়ে কেৱল অধ্যাপনা আৰু ৰাজনৈতিক ক্ষেত্ৰখনতে জনপ্ৰিয় আছিল তেনে নহয়, তেওঁ আছিল এগৰাকী আগশাৰীৰ লেখক, সমালোচক, নিবন্ধকাৰ, কবি আৰু সফল গীতিকাৰ। বড়ো সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'দি বডো'ৰ ৫ম, ৬ষ্ঠ, ৭ম আৰু ৮ম সংখ্যাৰ (১৯৬৪-৬৫) সম্পাদনা কৰিছিল আৰু ৯ম সংখ্যা (১৯৮৪, বছৰেকীয়া) 'দি বডো'ৰো সম্পাদনা কৰিছিল। বড়ো ভাষাৰ আলোচনী 'আলাৰি' (১৯৫৬), পিটিচিএৰ মুখপত্ৰ 'জনজাতি'ৰ উপৰিও অসমীয়া ভাষাত কাব্য সংকলন 'চকুলো' প্ৰকাশৰ জৰিয়তে সাহিত্য সাধনাৰ পৰিচয় দাঙি ধৰিছিল। তাৰোপৰি The Sentinel, The Assam Tribune, The Times of India আদি স্থানীয় আৰু ৰাষ্ট্ৰীয় বহুল প্ৰচলিত কাকত-আলোচনীত বিবিধ নিবন্ধৰে আদিৰে লেখা-মেলা অব্যাহত ৰাখিছিল। বড়ো ভাষাৰ মাধ্যম আন্দোলনত জড়িত থকা নাৰ্জাৰীদেৱে তেওঁৰ কবিতা, নিবন্ধ, অনুবাদ আদি ৰচনাৰে পাঠ্যপুথিসমূহৰ প্ৰকাশন-সম্পাদনাত জড়িত আছিল। কোকৰাঝাৰস্থিত নগেন্দ্ৰ লাইব্ৰেৰীৰ দ্বাৰা প্ৰকাশিত প্ৰথম বড়ো অভিধান 'বড়ো সৌদীৱ বিহুং' (ইংৰাজী-বড়ো)ৰ চৰণ নাৰ্জাৰীয়ে সংকলন আৰু সম্পাদনা কৰিছিল। School Essys, Word Book আদি কেবাখনো পাঠ্যপুথি ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনৰ বাবে আজিও প্ৰকাশ হৈ আহিছে। চৰণ নাৰ্জাৰীৰ দ্বাৰা সৃষ্ট কবিতা, প্ৰবন্ধ যেনে— অনাৰু থু সিগাং, বাসাঁৰ গাঁদান, জাংনী সৌৰাং নাংগী দাওবায়াৰি আদি আজিও স্নাতক-স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ্যপুথিত অন্তৰ্ভুক্ত হৈ আছে। শেহতীয়াকৈ তেওঁৰ দ্বাৰা ৰচিত 'Dream of Udayachal - A History

ofPTCA'(২০১১) শীৰ্ষক এন এল পাব্লিকেশ্বন্‌চৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখন জাতীয় আন্দোলনৰ এক ইতিহাস সম্বলিত দলিল বুলি ক'ব পাৰি।

সাংস্কৃতিক দিশতো তেখেতৰ অৱদান নুই কৰিব নোৱাৰি। আকাশবাণী গুৱাহাটীৰ বড়ো বিভাগৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ আৰু তেওঁৰ ৰচিত গীতসমূহ খনিৰাম বসুমতাৰীৰ কণ্ঠত আজিও বাজি থাকে। ইয়াৰোপৰি তেখেত এগৰাকী সফল নাট্যাভিনেতা হিচাপে কমল কুমাৰ ব্ৰহ্মৰ আধুনিক বড়ো পূৰ্ণাঙ্গ নাটক 'গৌদান ফৈছালী'ত দমাসুৰ চৰিত্ৰত অভিনয় কৰিছিল। উক্ত নাটকখন প্ৰসেনজিৎ ব্ৰহ্ম আৰু শীতলাকান্ত ব্ৰহ্মৰ পৰিচালনাত ১৯৬১ চনত কোকৰাঝাৰত পোনপ্ৰথমবাৰ মঞ্চস্থ হৈছিল। ইয়াৰোপৰি ভাতৃ জনক ঝংকাৰ নাৰ্জাৰীৰ উদ্যোগত আৰু পৰিচালনাত ফণী শৰ্মাৰ অসমীয়া নাটক 'কিয়?'ত সুন্দৰ অভিনয়ৰে সকলোকে মুগ্ধ কৰিছিল। সংগীত-বাদ্যৰ প্ৰতি অনুৰাগী চৰণ নাৰ্জাৰীয়ে নিজে চিফুং আৰু খাম বজাই ভাল পোৱাৰ লগতে বড়ো লোকগীত আদিও নিজে গাইছিল। ঘৰুৱা অনুষ্ঠান আদিত সমজুৱাৰ মাজত বড়ো লোক-সাধুকথা সুন্দৰকৈ বৰ্ণাই কৈছিল। শিল্পকলাৰে উদ্বুদ্ধ নাৰ্জাৰীদেৱৰ পৰিয়ালৰ প্ৰতিগৰাকীয়েই চিত্ৰকলা-ভাস্কৰ্যৰ শিল্পী পৰিয়াল বুলি সকলোৱে জানিছিল। শিল্পকলাৰ প্ৰতিও নাৰ্জাৰীদেৱৰ অধিক আগ্ৰহ আছিল, তেখেতে কেবাখনো ছবি আঁকিছিল। চৰণ নাৰ্জাৰীয়েও কেবাখনো পেইন্টিং কৰিছিল। তাৰ ভিতৰত এখন 'গড়'ৰ ছবি আৰু আনখন 'সান্দো বাওদিয়া' বিশেষভাৱে উল্লেখ কৰিব পাৰি।

বিশেষকৈ বিষয় বৈচিত্ৰ্য তথা বহু গুণৰ অধিকাৰী হৈয়ো চৰণ নাৰ্জাৰীয়ে কোকৰাঝাৰ মহাবিদ্যালয়ৰ অধ্যাপনাৰ লগতে পিছলৈ এগৰাকী সুদক্ষ ৰাজনীতিবিদ হিচাপে যুগস্ৰষ্টা আৰু দ্ৰষ্টা হিচাপে বড়ো জনগোষ্ঠীৰ নৱজাগৰণৰ এজন পথিকৃৎ হিচাপে চিহ্নিত হ'ব'ল। এইগৰাকী সৰ্বজন শ্ৰদ্ধেয় সমাজৰ মহীৰুহ শিক্ষাবিদ, বিধায়ক, সাংসদ জননেতাগৰাকীৰ যোৱা ২০১৯ চনৰ ২৩ জুলাই তাৰিখে দেহাৱসান ঘটে। ●

লেখক এগৰাকী অসমীয়া আৰু বড়ো ভাষাৰ বিশিষ্ট প্ৰকাশক আৰু নিবন্ধকাৰ।





# माहारी दानाइयाव सोलोंथाय

**बीरेन्द्रगिरि बसुमातारी**

गोदो गोदायनि आदिम मानसिफोरा जिउ दावहा नांनायाव, नाहा-मैहा थांनो, न' लुनो, संनो-खावनो जि खाबु आरो खायदा मिथिंगानिफ्राइ रोंबोदों बिनिफ्राइनो सोलोंथायनि जागायजेन्नाय बुंजादों। इंराजी Education सोदोबा लेटिन सोदोब Educare निफ्राइ ओंखारदों। बि सोदोबनि बुंनाया जादों– मोनसे आइदायाव खायदा आरो खाबु दिन्थिनो हानाय। नाथाय मुगानि आगान सुरनायाव सोलोंथाइनि थांखिया जुदा जुदा जाबोदों आरो महर लाबोदों। गुबुन गुबुन हादोदआव पण्डितफोरा गावसोर हारिनि थांखि आरो आदर्शखौ सिगांआव लानानैसो बि खोथाखौ बुंनाय जायो। बि खोथाया महर सोलायगासिनो थायो। सोलोंथाया जादों हारिमुनि दिन्थिग्रा, दानि सुबुंस्रिनि मोखां आरो इयुननि आवगायनायाव थुलुंगा होग्रा। सोलोंथाया गेवसारब्ला जों बि हारिनि आखु, थानाय, जानाथ, लोंनाय, बिसिनि सान्नाय, बिसिनि थांखि, हारिमु जोंब्लावगासिनो थानाइ नुंनो मोनो। बियो फरायसाफोरनि गोसो-मोदोम बुंसारहोयो आरो महरखौ गेवलांहोयो। गाहाम देहायाव गाहाम खोथा दायो। गोसोनि दरसि-खोमसिखौ होखारनानै गियाननि सोरां लाबोनानै होफैयो। आखु दानायाव गाहाय बानस'गिरि जायो आरो हेफाजाब होयो। गोसो मोदोम आरो आत्माखौ गेवसारहोनो जि नाजानाय, परिबेशजों नांजाबनानै थानायाव जि मिथिनाय-गियाननिबो सोलोंथाय। गान्धीजीया बुंदों– "आंनि जिउआनो आंनि सोलोंथाय।" सोलोंथाया जादों जिउ नाङै सोलिबोनाय जिउ दावहानि मोनसे बिहाबा (प्रक्रिया) आरो नेम।

सोलोंथाइनि थांखिया गियान आर्जिनाइल' नङा, मानसिनि सोरगिदिं नुजानाय आरो दावगानाइजों नांजाबलाइनाय। सोलोंथाइनि जारिमिन आरो मानसि जिउनि जारिमिनजों बेरेखा गैय। सोलोंथाइया माहारिनि हारिमु, सोदोमस्रि आरो गोदो गोदायनि जारिमिनखौ इयुननि गथ'-गथायनो होलाङो। बि दिन्थिनाइया जानांगौ-जेब्लाबो मोजांखौसो खोनानो मोन्नाय आरो मोजांखौसो नुहोनो हानाय। मानसिनि सोलोंथायनि थांखिया जादों नागिरनाय मानिखौ बिजित बिजित नाइदिंनानै मोजां नुनो थाखाय थाखथियारी खालामनानै आवगायनो हानाय। सासे गथ'नि नागिरनायबादि सोलोंथाया जानांगौ माहारीया नागिरनायबादि। जानांगौ बेवहाय पण्डितफोरनि गेजेराव मतनि बेरेखा दं। परिबेश गाहामब्ला गावनि मेलेमखौ गेवलां होनो गथ'या हागौ। गथ'खौ बिमा-बिफा आरो फोरोंगिरिफोरा जेसे हागौ हेसे गोगोम आरो गोरा खालामनो खाबु होनांगौ। फरायनाया गियान आर्जिनाइनि लामा। बिज्ञानखौ बिजाबनिफ्राइ, गुरुनि खुगानिफ्राइ आरो गावनो सान्नानै आर्जिनो हागौ। फरायनाय समाव गोथार गोसो लानानै फरायनांगौ। गोग्गानाय हुदाखौ ज्राब एंगारनांगौ। नखर, फरायसालि, धोरोम मोन्दिर, रेडिअ', चिनेमा, टेलिभिजन, खौरां बिलाइ, बिजाबखुलि बिफोरजोंबो सोलोंनो खाबु मोनो। गोदोनि आश्रम, बौद्धमत, मकताबबादि दानि सोलोंथाइनि आफादा नोंला। गुबुन

आरो एंस' एनला जाबाय। रैसुमै आरो गोथार गोगो परिबेशआ बेसेन गोनां। गुबुंले बारा रावनिबो मोजां खालामनो थाङा, रागा खरिया, अन्थाइ बिखासो खालामनो हागौ। गथ'फोरा बिबादि आबहावायाव देरबोब्ला लावबोब्ला हाग्रामा गुदु सौसिनो गोल्लै जायो आरो गुरै गोसो लानानै 'ज्ञान साधना' खालामनायाव गोहो बोलो मोनो होन्नानै पण्डितफोरा बुङो।

जोंनि हारिया उन गोग्लैनानै थानाय हारि। जों गाव गावखौ सिनायनो हायाखै। बावनानै दं। बिगियानाव, फालांगि-बानिज्ययाव, कलायाव, कारिकरि प्रजुक्टि बिद्यानि फारियाव जेथिंबो जेरैबो जों दानो रोङाखै। सोलोंथायनि आबहावाजों सिगां हायाखै। गथ'फोरखौ सेंग्रा सिखोला लाइमोन (बय'सन्दि) जानायसिन जों गोसो होनानै नोजोर लाखियाखै। नख'रानो गुदि फरायसालि- बिखौ जों बुजिनानैबो बुजियाखै। दाव बिमाया दावसाखौ ख' ख' दैदेननायबादि जोंनि हिन्जाव माहारिया गथ'फोरखौ दैदेननो रोङाखै। जों गाव गावखौ नेहाथ होननानै सान्नानै लाबोदों। बि नेहाथ सान्नाइखौ (inferiority complex) जोंनि गोसोनिफ्राय होखारनांगोन। जोंनि हारिया गोदोनिफ्रायनो मुंदांखा हारि- बिखौ गोसोखांनांगोन। तुलाराम, सम्भुधोनमोनबादि बीर-जोहोलावफोरखौ बाउहरनांगोन। गोदान मुगानि फारसे नायहरनानै जों जांख्रिखांनांगोन। अक्षर ज्ञान बयबो मोनजोबनांगोन। हिन्जाव माहारिया गोसो गेबें जानानै गिदिर बिबान लानांगोन। जोंनि गेजेराव खायसे जौयाव, जुवायाव गब'नानै थानो नागिरनाय हुदाखौ ज्राब गारनांगोन, बयबो साग्रिद जानांगोन। मोजां आबहावा दानानै दिनैनि शिक्षा आय'गफोरा दिन्थिनाय लामाजों आवगायनो जों बादाइलाइनांगोन। दिनैनि मुगाया बादायलायनाय मुगा। सोदोमस्रि हारिया गाव गावनि हादोरखौ आवगायहोनो नाजागासिनो दं। आमेरिकानि प्रेसिडेन्ट Ronald Regon आ बुंदों- आमेरिकाया सोलोंथाइयाव नांगौबादि आवगायनो हायाखै जेरै जापाना आवगायनो हादों। जापाना सानखान्थियाव इसेब्लाबो बिसोर माइथाइयाव बांसिन इन्जिनियार, डाक्टार दानो हादों। हादोदनि बयबो हादुंगोराफोरा (नागरिक) गाव गावनि मावनो गोनांखौ जेब्लाबो एंगारनो नाजा नाङा। महाकबि कालिदासा बिथांनि मेघदुत महाकाब्ययाव जुलि ज़ागोदान यक्षखौ गावनि मावनो गोनां हाबायाव गोसो होयिखाइ, जेब्लाबो अनसुलिजों रंजानायाव गब'नानै थानायखाइ कुबेरा बिखौ रामगिरि हाजोयाव बोसोरसेनि थाखाय निर्ब्बासन साजा हरदों। कन्ठमुनिनि आश्रमाव दुस्मन्तनो शकुन्तलाया गोसो मोदोम होफ्लेनानै मोजां मोन्नाइ होनानै सानबायथानाय समाव आलासि दुर्बसा मुणिया नुजाफैयो। शकुन्तलाया गावखौनो बावगोमाहाबनानै दं। आलासि फैनायखौ मिथिया। बिनिखायनो दुर्ब्बासा मुणिया रागाजों शकुन्तलाखौ साव होदोंमोन। गाव गावनि मावनो गोनांखौ बयबो फारि लानानै मावलाङोब्ला बि हारिया गेग्लैसोनानै थानो हाया। दिनैनि जापान हादोरनि हादुंगोराफोरा समनि बेसेन होनो रोंनायखाय दावगा गासिनो दं। बिबादिनो जोंनि माहारियाबो बयबो साग्रिद जायोब्ला जोंनि माहारियाबो आवगायनो हागोन। गथ' गथायाबो जेब्लाबो गेदेरफोरखौ नुयै नुयै आगान सुरफागोन। गोहो बोलो आरो अस्त्र थाल थुंग्रिजों हादोर गाग्लोबनो हागौ। नाथाय मानसिनि गोसोखौ जै खालामनो हानाया जोबोद गोब्राब। मोनसे हारिया गोरों गोरा जोनोम होहोनो हायाब्ला बिसोरो हारिखौ दावगाहोनो बिसोरनि सान्नायजों लिरनाय बिजाबनि गेजेरजों हारिखौ जांख्रिखांहोनो हागौ। बादामालि खाफबनानै थानाइ हारिखौ सुस्रांनानै गोजोंआव लांनो हागौ। र'मान्टिक मुगायाव Voltaire, Rousseau, Monteque





मोनबादि सानसुमा पण्डितफोरा फ्रान्सआव बिसिनि लिरनायनि गेजेरजों मन्दिर फोरखौ जांख्रिखांनो, फोजाफांनो हादोंमोन। जोंबो माहारिखौ फोजाखांनो नागिरब्ला बि लामाथिंनो आगान सुरनांगोन।

जोंनि हारिखौ दावगाहोनो थाखाय जों जान्थि खाफ्रानानै सोलोंथायनि गुबुन गुबुन आयदायाव गथ'फोरखौ थुलुंगा होनानै फोरोंनो नांगोन। ज्ञानखौ आर्जिनानै बाहायनो रोंनो नांगोन। मुलुखखौ शान्तियाव लाखिनो थाखाय गोरों हालुवा कृषक, डाक्टार, शिल्पि, बैज्ञानिक, फोरोंगिरि, बनुवा, आइनज्ञ, शासक दानो हानांगोन। हरसि खोमसि होखारनानै सोरां लामाथिं सुबुं माहारिफोरजों आगानजों आगान सुरफानो समाइ लानांगोन। ●

---

*बिजनी सोलोंसालिमानि लेडांइ गोरायुं मान गोनां बीरेन्द्रगिरि बसुमातारिखौ मोन होनानै लिरबिदांखौ बर' बाजार, बिजनीयाव 1986 मायथाइयाव खुंनाय क'क्राझार जिल्ला बर' थनलाइ आफादनि 12 थि बोसोरसालिया जथुम्मानि बानजाइ आफादआ दिहुननाय बिसम्बि 'निसिमा'निफ्राय दिखांनाय आरो असमीयानिफ्राय देबनागरिआव गोगोम ब्रह्म कछारीया हांखोस्लायनाय।*

# सासे फोरोंगिरि आरो नुगासे सिमां

ड॰ फुकन चन्द्र बसुमतारी

आं दिनै मोनबो गोदान बाथ्रा सानखाङाखै। बे बाथ्राखौ रावबो गोदान बुंनो हाया। बेयो थै-मोदोमजों दाजानाय साफ्रोमबो मानसिनिनो मोनदांनाय,सानखांनाय। गोसोआव फुवा फुवा जावरिखांनाय एबा रोहो रोहो खामग्लिनाय जुजाइनि अर बादि जाथिथि जानानै जिमायलांनाय सोरांबो नङा। सोरां जायोंमोनब्ला आंबो जोंसारगौमोन। नाथाय बेयो रावनोबो फोरमायनो हायि अरखि गोहोसो। बेयो गोसोखौ सावग्लिनानै जाथिथि जाहोनो हागौ एबा सावस्रांनोबो हागौ। आं बे बादिनो मोनदाङो। थेवबो बे बादि गोहोजों साग्लोबजासेयावबो थै-मोदोमजों दाजानाय मानसिया सानफ्रोमबो गोदानै जिउखौ सुजुनो, गोदानै नायनो, गोदानै मोनफुंनो हास्थायो आरो बोलो फोरायो। आंबो बेनि उल्था नङा, रावबो जानो हाया, आं बेखौनो सानो। खन्थाइगिरिया खन्थाइ लिरो, सलज फोरमायग्राया सलज बुङो, फाव दिन्थिग्राया फाव लायो आरो बेसेबांदि मा मा खालामनो साना! थेवबोदि मानो बे अर बादि गोहोनि मोनदांथिजों स्रोद स्रोद बेंखनजाबायथायो। बेनिफ्राय रावबो बारगजनो हाया, नाजाब्लाबो गजनो राहा मोना।

आं बे दुखु मुंनि गोहोनि बाथ्राखौनो दिनै मोनाबिलिनि हारसिंनि खथायाव जिरायनानै गोदानै सानखांदों। जिवाव बयहाबो मोनफुङिनि दुखु थायो एबा थानो हागौ। बेफोर बादि थाखोनि दुखुवा आंनि थाखाय आथिखालाव गोदान बाथ्रा नङा, एबा सावरायनो गोनांबो होनना आं साना। आंगो जिउनिलज दाहा एबा दुखुवा रोनावनायनि अनगायै मोनबो जानो हाया। बेयो बयनिबो थाखाय बेसेन गोनां नङाबो जानो हागौ। बेनिखायनो बे बिथिङाव सावरायनो गोनां दं होनना आं साना।

आंगो जिउजों सोमोन्दो थानाय दुखुनिखुइबो बे दुखुवा आंनि थाखाय बांद्राय, जाय दुखुनि बाथ्राखौ आं दिनैनि स्रि-स्राय मोनाबिलियाव हारसिंनो हारसिंजों रायलायना फोजोननो नाजादों। बे समाव आं सुनील गंगजपाद्ध्यायनि दोंसे खन्थाइनि सिरिनैसो हुरा हुरा आवरायनो गोसो जादों। आं आवरायदों- मानुषेर भिड़े कजनज मानुष थाके ना। आं गले गले आवरायदों आरो आवरायदों। आरो खबामनि बिदैजों दुगैस्रांनो नाजादों। नाथाय बबाव! आंलाय हायाखिसै। बेनो दुखु नामा,आं गावखौनो खनसेबाव सोंदावदों। आं फोरोंगिरि, मुलुगसोलोंसालिनि। नाथाय आंनि मान,आंनि बिबान,आंनि नीतिखौ आं बबे थफ्लुयाव स्रि स्रि बोनथुमनानै दोनखो! आंनि होननाय,आंनि फोरोंनाया थारैनो बेसेन गोनां एबा गोहोम गोनां दा ? बेनि फिननायखौ होनो आं मानो दिनै गेजेन जाखो!ना बेयो आंनिनो लोरबांथि। आंनि सोरगिदिं आंखौ बेंनानै दं आंनिनो फरायसा,आंनि मोजां हास्थायग्रा। बे फोथायनाया आंनि थार फोथायनाय दा? बेनि फिननायखौ आं मानो होनो हाया। मोनाबिलिनि खोमसिया आंखौ बारानिफ्राय बारासो साग्लोबफैदों। बे बुब्लियाव आं खुरैसे जौ बिदैजों दुगैस्रांनो लुबैदों,थरब्रैसो सिगारेतनि हाथफ्लुजों साधुफोर बादि हाथफ्लुखौ खाफालाव फोनफबना लानो लुबैदों। आरो माहबुब कबिरनि खन्थाइ आवरायनो लुबैदो: आमि बृक्ष,आमार कजनजछाया नेइ। छाया सोदोबा दिनै आंखौ मानोबा बांसिन दुखु होसिनदों। छायानि औंथिया गाव मालायनि थाखाय थैसोमनायबो जानो हागौ,जाय गावनि होननो जेबो साना, बिनिमय नागिरा-होनाय आरो होनायनिलजगोसो थायो। बेनि मुङानो छाया नामा। मोनाबिलिनि छाया थासारिया दिनै आंखौ गोदानै फोजाखांदों, जाय बाथ्राखौ आं सानसे बेलासे सानफेराखैमोन। थरब्रै सिगारेत हाथफ्लु जानाय उनावसो आं दिनै सिरि मोनखांदों। आरो दुखुनि बेखेवथि नागिरनानै हांखुर जासोगारदों। आंखौनो बुरखायनो आं मिथिस्लाबाजासे खबाम सिरिनैसो आंनि खुगाजों रिंसारखांदो: खनसेबाव दुगैस्रांनि दुखुनि आबिरजों, जैरै दुगैस्राङो मोनाबिलिनि सिथलाया अखाफोरनि सोरांजों।

हरा थौबोनाय लोगो लोगो माबा मोनसे खें साखांनाया आंनि बिखाखौ सुग्लिफैयो। आयखां-बायखां खरजसानि गान्दुखौ साबखांहरब्ला माबा मोनसे गोजोननाय मोनदांथिया आंखौ बिलिरफैयो। खोमसिनि गेजेरावबो माबा मोनसे गोहोआ आंखौ सुंथाहरो।

आं गजसाइ फोथायनो गोब्राब मोनो,दोहोरोम फोथायनो हामा मोनो। अदेबानि आं गियो पापखौ। पुन्यआ बबे राहाजों फैयो सोंब्ला आं आखज-फाखज जायो। नाथाय गोजोननाया बबे लामाजों फैयो सोंब्ला बुंनो स्रां स्रां मोनो। बे स्रां मुंनि खामानियानो पुन्यनि बेखेवथि, दोहोरोमनि बेखेवथि, गजसाइ दं होनना सानोब्ला स्रांखौ मोननायनि बेनो गोजोन राहा। गजसाइ सिबिब्लाबो, दोहोरोम फालिब्लाबो जायफोरा नीतिखौ खोमसिनि बिखायाव जोगारहरो आं बेनि बेरेखा फारसेसो गसङो। मेलेमजिबि आरो देहाजिबिनि गेजेरावलाय फारगानो गैखाया। थेवबोसो सोदोबनि माया जेजों फानफबनो नाजायो बै बादि हानजाया। एसेबां खोमसिया आंखौ साग्लोबनायनि उनावबो आं मानो बे बादि सानखो। आंनि साननाया प्रलाप नङाथज!,ना हरजोबथा सिमां! सानै सानै आं बे दिंग्राइ दिंग्राइ लामायाव आन्दायदों। आं बे दिंग्राइ लामानिफ्राय माब्ला गजबोनो हागोन! आंनि सेराव सोरबा दंदा आंनि होननो?

आं दो दो उन्दुलांबाय। हरनि खाल खोमसिया दा आंनि लोगो। आं सिमाङाव नुदों माबोरै आंनि आंनि लोगो। आं सिमाङाव नुदों माबोरै आंनि आंनि लोगो आरो सोरगिदिं बेंखनना थानाय आंनि लोगो आरो फरायसाफोरानो आंनि थाखाय कबर जावदों, गुफुर जि गांसेजों आंखौ खोबथेना दोनदों। बेनि सायाव समायना आरजनाइ गांनैसो बना होदों,गोदोनायाव बिंबारनि माला गानहोदों आरो रायलायसोंदों- बियो गोजोनै थाथों रबीनचन कुचजनि ब्दीपाव। हरजोबथा अखाफोरा सोनाब फैसालिनि अख्राङाव फुरगेव जाना दिन्दांदों। आं बाग्दावखाङो, हाबाब! बे मा सिमां, सैथोआ सोनाब अख्रांनि फुरगेव अखाफोर बादि नामा! बेनो आंनि दुखुनि सैथो नामा! सिमांनि मोखथां नामा! सिमाङावनो आं सिमां नुदों। आं थैनानैबो आमावमाव मेगनजों बिसोरखौ नायहरदों। बिसोरलायनो आंखौ फबस्रांनो हायिनि आरोबाव गोदान हानजा दादों। बे हानजानि दैदेनगिरियालायनो आंनिनि फरायसा, आंनिनो आंगो, जायफोरखौ फोरोंदोंमोन खोमसिनि बेरेखायै जुजिनो, सोरांनि लामाजों आगान सुरनो आरो मासे क्रौञ्च दाउ जानो। नाथाय बै बेरेखा हानजायानो दा आंनि आंगो जाबावनो

फाव खालामफ्लुदों। आं मोलेले नोजोरजों हाया हाया नुहरदों गोदान हानजानि दैदेनगिरिखौ। सिनायहां सिनायहां मोनथारदों। बिसोर आंनि उनथिंजायनिफ्राय सोदोब खुबैहरनो थियारि जादों। सोरबा मुसुरहरनो, सोरबा आसि दामनो, सोरबा आफा खबनो, सोरबा मोखांसे मिनिफ्लुनायजों रिमिनला लामायाव गादुन होनो लामा नेदों। आं आरोबाव बांसिन गिलिर गिरिल मोनदों। बिखाखौ खें खें मोनसिनदों। गाराङा नारथे नारथे मोनदों, हां थोनो थोनो मोनदों। अखाफोरा दोबैनानै फैसालिनिफ्राय आनज्रायलांदों। हरखाब मोनसे जांख्रिखांनाया आंखौ मोखथांसिम लाबोफिनदों। अब्लासो आं थालमोनदोंमोन- आं दाबो रबीनचन क्रुचञनि ब्दीपावनो दं। आंजों रावबो गैफाया। दङञलञ सोरगिदिं मिथिंगा, आंनि नञसा, -नि बिजाब   आरो खाथियाव आंनि ल्यापटप। बेरेफुंजानो मोखथांसिम गिदिंफिनब्ला आं हाया हाया खबाम सिरिनैसो सुजुनो नाजादों-

सिमांजों दुगैस्रांनाय दाइनै मेगनखौ
आं नायनो लुबैयो,
अर्जुननि दाहाया साधोना जायोब्ला
सोरांनि आबिरजों थुखैथों खनसेबाव
गोरबोखौ आंनि... ●

---

लिरगिरिया साहित्य अकाडेमी बान्था (2019) मोननाय मुंख'जाथायाव थुनलाइगिरि आरो बड'लेण्ड मुलुग सोलोंसालिनि सासे लेडाइ बिबुंगिरि।





# आंनि नोजोराव महरगिरि ड° शोभा ब्रह्म

ड° मंगलसिं हाज'वारि

**फरायसा जिउ आरो दामिन सोलोंथाइयाव नांथाबनाय :** सोरजिनि मिजिं थिनायजों अराय आंग्रिखांना थानाय श'भा ब्रह्मआ 1929 मायथाइनि 14 अक्ट'बराव क'कराझार जिलानि ग'साइगावनि भुमका गामियाव जोनोम जादोंमोन। बिपा हरिचरण ब्रह्म आरो बिमा देवस्रि ब्रह्मनि गेबें जिउ सानथौजों अरनबारि सेरनि भुमका गामिनिफ्राय फरायसालि आरो जिउ मुलुगनिबो गुदि सोलोंथाइ लानानै धुबुरीनि सापटग्रामनि फरायसालिनिफ्राय 1950 मायथाइयाव जारिमिन आयदायाव लेटार मार्क लानानै सेथि बिफानाव मैट्रिक आनजादआव उथ्रिनानै कटन कलेजाव मुं थिसनो। उन्दै बैसोआवनो फाव खुंगुर जानायनि सिमां नुनानै गौहाटीयाव सौहैयोब्लाबो कामाख्या, शुक्रेश्वर, बशिष्ठ बायदि गोजाम थानसालिफोरनि नुफेरि लंथाइख'लिफोरखौ नुनानै बिथांनि गोसो गोर्बो खनायाव उजिखाङो दामिन आरिमुनि मोनसे गोदान बोगथाबनाय। बेनि सेर सेर सोनाबबंगनि रमानटिक सोमावसारनायाबो बितांखो सोमावग्लुंनायसै। बिथांनि फरायसा समाव सिलङाव थानाय समनि बाथ्रा रायखांना ड° श'भा ब्रह्मआ बै समनि मन्त्री बोराइ रूपनाथ ब्रह्मखौ गोसोखांना आरो मान बाउनानै "Rupnath Brahma" "The Living Image" रायथाइयाव एरै बुंदों - 'During the four years I studied at Cotton College and five years at Kala Bhavan, Santiniketon, it was but expected times and meet our Minister, Rupnath Brahma Needness to repeat, todya, when I recollected those days, I felt the shame that whenever I happened to be at Shillong, I invariably used to stay at the Honourable Minister's residence as if being the friend of Prasenjit I earned the guaranted right to stay there when never I liked" "Souvenir" ('Janasevak Rupnath Brahma' Edited by Dr. M.S. Hazowary).

आरिमु दामिननि मोनसे गोदान बोगथायनाय। समाने सोनाब बंगनि रमानटिक सोमावसारनायाबो बितांनि गोसोखौ बोगथाबदोंमोन आरो बेनि उनावबो बिथाङा 1952 मायथाइयाव शान्तिनिकेटनाव सोहैनायसै। मुंदांखा महरगिरि नन्दलाल बसु, रामकिंकर बेइज, धीरेन्द्र कृष्णदेबनि खाथियाव साफिनायनि उनाव जागायजेन्नायसै श'भा ब्रह्मनि मोनसे गोदान सानस्रि सानथौजों ब्रह्मआ सावगारि आरो लंथायख'लिनि सोलोंथाइ लानो मोनो। जागायजेनो बिथांनि दामिनआरि जिउ 1956 मायथाइयाव दामिनगिरिफोरनिफराय मोन्नो हायो लाथ्र'हायि थुलुंगा। 1957 मायथाइयाव शांतिनिकेटननिफ्राय दामिन आयदायाव जालिया मान मोन्नानै आसामाव गिदिंफिनो। थांना थानायनि असिला लानानै बिथाङा गुवाहाटीनि तारिणीचरण चौधुरी मालटिपारफास गोजौसिन फरायसालियाव

दामिन आयदानि फोरोंगिरि महरै थिसनजायो। 'उन्दै बैसोनिफरायनो दबथायनो हायि हास्थायनाया आंखौ हुसिराय होबाय थायोमोन, श'भा नों आवगायलांनांगोन। सोहैनांगोन नोंनि जौसिन थावनियाव।' बे हास्थायनायजों सोरजिनायाव नांथाबनाय श'भा ब्रह्मआ तारिणीचरण फरायसालियाव फोरोंगिरिनि बिबानावनो सिमा दोनालासे बै फरायसालिनि न' लुनायाव गारजानाय दंफौ थुख्रायाव जिउनि गुबुन गुबुन महर होनायनि जानायबेनो। रांखाउरिनि आंखालावनो बिथाङा गारजानाय दंफां थुख्राखौ बुथुमनानै आरो लाबोनानै होदोंमोन बेवनो दामिन ..... दामिन सोलोंथाइनि थाखायबो नाजाथाबनाय ब्रह्मआ बोसोरसेफ्राम तारिणीचरण चौधुरी फरायसालियाव फोरोंगिरिनि हाबा मावदोंमोन। 1958 मायथाइयाव गौहाटी मुलुग सोलोंसालियाव ट्राइबेल हारिमु आरो सुबुं हारिमु बिजिरसंनाय बिफाननिफ्राय बर' राभा, दिमासाफोरनि जिउ दैदेननाय, हिनि गाब, बिबारनि बुमिन, दामिनसा दोरोहारि फरायसंनायनि थाखाय बृत्ति मोनो। डा० मेहस्वर नेउग, तीर्थनाथ शर्मा बादि मुंदांखा फुण्डितफोरनि खाथि साफिनानै आरो थुलुंगा महरै लानानै बिथाङा आवगायलाङो। 1960 मायथाइनि 1 मार्चआव बिथाङा बिजया ब्रह्मजों जुलि जायो। बै बोसोरावनो बिथाङा 'चारु कारु कला विद्यालय' (आथिखालनि सरकारनि 'चारु कारु कला महाबिद्यालय)नि फोरोंगिरि महरै थिसनजायो आरो 1964 मायथाइनि 31 जानुवारियाव फरायसालियाव फरायसालिमायाव जौगाखांना राइजो सरकारनि सिङाव थांनायनि उनाव गोरायुं महरै थिसनजायो। राइजोनि गोसो गैयि, सरकारनि सेंसालिया सानस्रि आरो रांनि आंखालनि गेजेरजोंबो फसंथानखौ लासै लासै गायसंनायल' नङा, बे फसंथाननिफ्राय गोबां मुंदांखा महरगिरिनि जोनोमहोनायाव बिथाङा मेंनो रोङि दुखु जालां सहायनांदों।

**सोरजिलु हाबा आरो गुबुन गुबुन मान आर्जिनाय :** फरायसाजों गोरोबनानै 'चारु कारु कला'नि बाहायनाय आरो हुदा खालामनायनि थाबथाया लासै श'भा ब्रह्मआ 1989 मायथाइयाव गोरायुं बिबाननिफ्राय आजिरा लायो। बे समनि गेजेरावनो बिथाङा स्रें स्रें सोरजिलु हाबाबो मावलाङो। 1965 मायथाइयाव दिल्लीनि अल इण्डिया फाइन आर्टस एण्ड क्राफ्ट च'साइटिनि बीथिकायाव जथुमनाय जायो बिथांनि नैथि सावगारि दामिन दिन्थिफुंनाय जायो। दिन्थिफुंनायखौ बै समनि लेङाइ सोलोंथाइगिरि महिनी सठ पाटीआ बेखेवदोंमोन। 1968 मायथाइयाव मुम्बाइनि जे. जे. फरायसालियाव जथुमनाय दामिन आरिमुनि फोरोंगिरिनि थाखाय All India Sequential Autumn School आव बाहागो लायो। 1982 मायथाइयाव मुम्बाइनि जाहाङ्गीर आर्ट गेलारीआव बिथाङा चित्रभास्कर्यय्य प्रदर्शनीआव बाहागो लायो। बै बोसोरावनो गोदान दिल्लीनि ललित कला एकाडेमीनि गेलारीआव खुंफुंनाय जायो बिथांनि गुबुन मोनसे गिलिरथि गोनां दिन्थिफुंनायखौ बेखेवदोंमोन मुंदांखा लिरगिरि शंकरआ। बै समनि जिउनि खैदां-खौफोद, साद-जार्ला दुखु-दाहा, मोनिनि जागाजों आबुं श'भा ब्रह्मनि सावगारिया जोंसारनाय गाबनि बाहायनाय, मोस्लेर सावगारि सायानिस्लाय सरासनस्रा रोखायै फोरमायनायजों दानाय सावगारि आरो लंथाइखलिफोरा होबोदों। बिदैनि बेखेवसारथाय। महरगिरि सोरजिनि सेर सेर श'भा ब्रह्मआ आयदायाव रनसायदोंमोन गोबां बेसेनगोसा बिजाब। 'शिल्प कलार नवजन्म' भारतीय चित्रकला (रावदानस्लायनाय), गोदान उजि (बर')





'लिउअनार्डदाभिन्सि', 'रजेस रेड एण्ड गल्ड' (इंराजी) बायदिखौ लानानै माखासे दामिन आयदाखौ लानानै बिजाब सोरजिनायजों लोगोसे झाखासुजाथावि रोंसारथिनि बिगुमा ब्रह्मआ रबीन्द्रनाथ ठाकुरनि बयनिखुइ साबसिन सोरजि 'गीतान्जली'खौ 'खनथाइ अनजली' मुङै बर' रावै दावस्लायो। ड° ब्रह्मआ गुबुन गुबुन लाइसि, बिसम्बिआव आनतोरजयि राइथाय लिरदोंमोन। मेनसे मोनसो गैयि गावारि आदबजों आसामनि सावगारि-संथाइखलिखौ गोदान महर होना हा आरो सुबुंनि बुंथिनाय हानि महरगिरि श'भा ब्रह्मआ 1977 मायथाइयाव मोननो हायो आसाम सारखारनि 'शिल्पी दिवस बटा' 1990 मायथाइयाव आसाम सारखारआ बिथांनो बाउथाइ होना मान जासियो शिल्पी पेंसन। 1991 मायथाइयाव मोननो हायो बिथाङा कमल कुमारी बरुवा फाउंडेसननि राष्ट्रीय सांस्कृतकि सम्मान। 1996 मायथाइयाव आसम सारखारआ बिथांनो होयो मानगोनां 'बिष्णु राभा बटा।' 2001 मायथाइयाव डिब्रुगढ़ मुलुग सोलोंसालिया बितांनो मानगोनां डि.लिट. बिमुं होयो। 2006 मायथाइयाव बिथांनो आगबारायना होयो बेसेंगोसा 'प्रणव बरुवा शिल्पी बटा।' बे बोसोरावनो बिथाङा मोननो हादोंमोन असम क्रीड़ा आरो सांस्कृतकि मह'त्सव बटा आरो सदभावना सम्मान। 2006 मायथाइयाव बिथाङा मोननो हाबो 'इं खंट्राष्ट कमिटि'नि म्यान अब दि इयार, 2006 बान्था आरो बद'लैण्ड टेरिटरियाल काउन्सिल बान्था। 2007 मायथाइयाव नतुन ललित कला एकाडेमिनि जौसिन सन्मान 'कल्लोल' बान्थाखौबो ड° ब्रह्मआ मोननो हादोंमोन। बान्था सम्मान मोखायनि उनावबो सोरजिनि सादोनावनो मुजिफबना सादा-सिदा महरगिरिआ 1991 मायथाइनिफ्राय 2003 मायथाइसिम आनन्दराम बरुवा एनस्टिटिउट अब लेंगुवेज, आर्ट एण्ड कालसारनि लेहाइ गोरायुं महरै बिबान आजावनायनि उनाव 2003 मायथाइयाव श्रीमन्त शंकरदेव कलाक्षेत्र समाजनि लेहाइ आफादगिरिनि बिबान आजावो। कलाक्षेत्रखौ समाज हारिमुनि नेर्सोनथिनि दैथायगिरि महरै आवगायलांनो नाजाथाबना बिथाङा 2008 मायताइयाव बे बिबाननिफ्राय आजिरा लायो। बेनि गेजेरावनो 2006 मायथाइयाव मिरु सोरखारनि हारिमु बिफानजों गोदान दिल्लीआव खुंजानाय सा-सानजा हारिमुआरि जथुम्मानि सावगारि दिन्थिफुंनायाव बाहागो लायो।

**सुबुं समाजाव ड° श'भा ब्रह्मनि बिहोमा :** भारतनि सासे मुंदांखा महरगिरि आरो आसाइजों लोगोसे सा-सानजा हालामनि रावगारि आरिमु मुलुगनि आजौमहर श'भा ब्रह्मनि थैनायाव हादरआ सासे नंगुबै गावारि आरो मोनसो गैयि रोंग'सारजों आबुं महरगिरि गोमाबाय। लोगोसे आसाम आरो सा-सानजा हालामनि सावगारि आरिमु मुलुगाव मोनसे जुगनि जोबस्रांबाय। अराइ जिउ दामिन आरिमुनि सादोनाव नांथाबनाय आरो नाजाथाबनायाव मुखुब थानानै मुंदांखा महरगिरि, सादोनगिरिआ जोंनि समाज जिउआव होलांनाय बाहान्दारिया अराइस्समनि थाखाय गोसोखांजाबाय थागोन। दामिन आरिमुनि चर्चा आरो बिजिरसंनाय बोलाआव दुलुराय हादराव मुंदांखा जानाय महरगिरि बिथाङा राइजोआव दामिन हारिमुनि चर्चा आरो बिजिरसंनि मोनसे गाहाम थासारि दानो जिउयै माहामै नाजाथाबदोंमोन। दामिन आरिमु जों नांजाबफानाय गोबां फसंथानजों गोख्रोङैसोमोन्दो रैखा खालामनाय ड° ब्रह्मआ सोरखारि 'चारु कारु कला' फरायसालिमाखौ गायसंनायाव गाहाइ बिबान रुजुनदोंमोन। महरगिरि बिथाङा श्रीमन्त शंकरदेव कलाक्षेत्र समाजनिबो लेङाइ आफादगिरि महरै बिबान

रुजुन दोंमोन आरो फसंथानखौ बांसिनै जौगाखां होनायनि बेलायाव बेसेन बह्रा बिहोमा होलांबाय। सा-सानजा हालामनि गुबुन गुबुन हारि-हारिसानि रंबेरंनि हारिमु, राव-फाव, मेथाइ-फावथाइ आदबनि गोजौ बिथाखोनि मिलन थावनि महरै जौगाखां होनो नाजादोंमोन आरो बे बेलायाव जाफुंसार होनो हादोंमोन होनना बुंनो हागौ। मख'नो गोनांदि ड॰ श'भा ब्रहमनि थुलुंगा आरो सुबुरुन बादियै दुलाराइ बाथौ गौथुमनि नाजानायाव श्रीमन्त शंकरदेव कलाक्षेत्रआव बर' समाजनि गुदि दोहोरोम बाथौ थानसालि गायसंना खासफुरनि कसारि राजा आमोलनि नेर्सोननि दरखं मोखांनि दामिन आरिमुनि बुमिनखौ राइ समनि गोजोरै दोनलांबाय। बे बेलायाव मुंदांखा महरगिरि ड॰ ब्रह्मनि खाथियाव दुलाराय बर' समाजावनो अराय समनि थाखाय गोसोखांबाय थागोन।

रंसारि ब्रह्मआ असम साहित्य स'भानि सासे गाहाम अनसारगिरिमोन। बर' थुनलाइ आफादजों अराइबो गाहाम सोमोन्दो लाखिना सोलिबोनाय नंगुबै महरगिरि आरो थुनलाइगिरि ड॰ ब्रह्मआ बर' राव, थुनलाइ, हारिमु आरिमु सोदोंस्रिखौ जौगाहोनायजों लोगोसे मुलुग दरबाराव माबोरै आगान सुरनो हागोन आरो जोंनि थांखि मिजिंखौ माबोरै सुफुंनो हागोन, जों बबे लामा एबा राहाजों आवगायनांगोन बेफोरनि बागै Bodo Sahitya Sabha : Appraisal in Retrospect', The Culture of Fertility Goddess' बायदि रायथाइनि गेजेरजों बुंथिदों।

**ग्रिखंथाव समायनानि सोरजिगिरि ड॰ श'भा ब्रह्म :** मुंदाखा बांला आरिमु बिजिरगिरि सन्दीप सरकारआ देशनि बिलाइयाव श'भा ब्रह्मनि सोरजिथायखौ गोथौयै मोन्दांना एरै लिरदोंमोन, गिख्रंथाव समायना। सादा-सिदा बर' समाजनि दोरोङारि सुबुंनि दामिनखौ बिता खालामना बर' समाजखौ गुदि आयदा महरै लानानै समायना केनभाछ आरो गिलिर दंफां थुख्रायाव बिथाङा दानदोंमोन जिउनि गोबां गुमुरखौ। मोनसे गुवार बुहुमनि नागिरनायाव जिरायनाय गैयि होसोनायाव बे सुबुङा 'रं-तुलिकानि' जादुगिरि आरो महरगिरि श'भा ब्रह्मआ ग्व न'नि सिथला आरो गामिनि खासा लामायाव गसंनानैनो मिथिंगा आरो सुबुंनि अनजिमा गैयि रहस्यखौ केनभाछ आरो दंफां थुख्रायाव दान्ना गोमोथाव महर होदोंमोन। जोनोम थावनि गामियारि थासारियाव उन्दै बैसोनिफ्रायनो न'नि सिथलायाव रासंना बिथाङा नुदोंमोन अख्राङारि औवा बिफांफोर, गोजौ गोजौ सानल, गाम्बारि, सेगुनफोर, बिताङा नुदोंमोन सोमखोर आरो हालदै गाबजों सारफावनाय होवा-हिनजाव, लाइमोन आरो गथ'साफोर, बिरग्लांनाय दखनायाव बिथाङा दुफांनि दुंग्लोबनाय बोथोर, बिताङा नुदोंमोन आरो दुखु-दाहा, सुखु-गोजोन, मिनिनाय, खेराइ आरो बागुरुम्बा मोसानायनि लैहोर-लौहोर, सोबख' जानाय जिउ लाना नेनानै थानाय न'-डेरानि गब्लंजों नुहरनाय अख्रां आरो बोहैथि दैमा-दैसा निजिरि, बोफोरखौ गासै लाफाना बिताङा खायमा, गोथां आरो हालदै गाबजों आखिदों गोबां सावगारि, जाय सावगारिया समायसारहोदों बुहुमनि। बे सावगारिनि महरगिरि श'भा ब्रह्म, रोंगसार सावगारि-लंथायख'लिनि महरगिरि आरो मुलुगा दांखा सावगारि महरगिरि 'कलारत्न' श'भा ब्रह्म। जायनो बुहुमनि समावनाखौ बारायदेर होनानै नै दाखालिसो बिदाय लानानै थांबाय बे सोमखोर बुहुमनिफ्राय। मोनसे गुवार बुहमनि नागिरनायाव मेंनो रोङिहोसोनायाव बे महरगिरिया तैनाय समसिन हारि, महारि, राव-थुनलाइ, हारिमु आरो सोदोमस्रि जौगाहोनायाव सानथ्र'हायि बिहोमा होलांबाय बिथाङा गावनि रावजों एरै फोरमायदोंमोन 'आरिमुवा आंखौ





अक्टपाछ' बायदि मेरायना लादों। बेनिफ्राय आं बारग'नो हाया। अरायबो बेयो आंखौ सोरजिनि फोथारसिम बोना लाङो। आरिमुवानो आंनि एक्सक्लुसिभ बिजों। गुबुन हाबानि गेजेरावबो बेनि बोबथाबनाया गोख्रों आरो जिउ गोनां। बे मोनदांथिजों श'भा ब्रहमआ थैनायनि सोलेरारि उदां जादोंमोनब्लाबो आरिमुनिफ्राय बिथाङा माब्लाबाबो उदां जानो हाया। दिनै बिथाङा गैलिया। बे सैथोखौ सिमान जानानैब्लाबो बिथांनि सोरजि सानथौ आरो मोनदांथिया बितांनि अमर एबा थैनो रोङिरादाबखौ होबाय थागोन। जिउनि जोबनाय फारसे समाव दामिन हाबायावनो नांथाबनाय ड॰ श'भा ब्रह्मआ 'बुब्दिनि महानिर्बाण' आयदाखौ लानानै जुरिदोंमोन सावगारि आखिनायनि। बिथाङा बुंदोंमोन ल'कायत दुर्शन फरायना सावगारि आइखनोगबुन रोखोमनि मोनदांथिदों। बेनि सोमोन्दै सिगाङावनो फरायनायमोनब्ला सोरजिनि लामायानो गुबुन जागौमोन। नंगौ, गावनि जिउ दैदेननाय, दामिन सोरजिनाय, सानथौ, फरायसंनायखौ लानानै गावखौनो बिजिरनाय ब्रह्मआ गावनि गासै दामिन सोरजिनि सैरैखानि थाखाय गौहाटिनि धीरेनपारायाव 'क'ला भवन' मुंनि न'आवनो श'भा ब्रह्म 'बीथिका'खौ बानायो। जेराव जिउनि जोबथा समखौ बिथाङा सावगारि आरो लंथायखलिनि साग्लोबनाय थासारियाव गावखौनो गफबहोदोंमोन। गोदान सावगारि आइखनायनि समायखिरा लादोंमोन। नाथाय बैसोआ बिथांनि सोलेराव सोमजिनाय बेरामानो बिथांखौ जोबोरैनो गोजोनि खालामदोंमोन। बिखा बेरामाव नारसिन जानाय महरगिरिनि गेलैं बिखायाव लगायनाय जाबाय 'पेछमेकार'। लासै लासै एसे बेरामआ सोखानाय फारसे आवगायदोंमोनब्लाबो फिन बेरामाव गोग्लैनाय गेदेमा महरगिरिया थांनाय 2012 मायथाइनि 5 मार्चखालि मोनाबिलि समाव हायात हस्पितालाव जोबता हां बोस्रायो। मोनसे आबिर गोनां जिउनि जोबस्रां लांबाय अनसायगिरि श'भा ब्रह्मआ अराय जिउ आरो मिथिंगायारि मैला गैयि समायना सावफावनानै रबिन्द्रनाथनि रावजोंनो बिदाय लाबाय बै सानखालि।

'मरिते चाहिना आमि सुन्दर भूबने
मानबेर मामो आमि बासिबार चाइ।'

ड॰ श'भा ब्रह्मआ सोरगोआव थानानै बिथांनि सोरजिलु हाबा-हुखा आरो बिहोमाजों इयुन जोलैनो थुलुंगा हरबाय थाथों, हारि, माहारि, राव-थुनलाइ सोदोमस्रि जौगाहोनायाव बयनोबो राहा लामा दिन्थिहरथों बेखौनो अबंसाउरिनि सेराव आर'ज गाबनाय जाबाय।●

लिरगिरिया बर' रावनि गिबि साहित्य अकाडेमी बान्था मोनगिरि सासे मुंदाखा लिरगिरि आरो क'क्राझार बि एड फरायसालिनि लेङाइ गरायुं।

# बिजनी फरायसालिमानिफ्राय बड'लेण्ड मुलुग सोलोंसालिसिम

डº इन्दिरा बर'

1984 मायथाइनि मा खालारमोन आंहा गोसोआव गैलिया। बे बोसोरावनो आं गिबि गिबि बिजनी फरायसालिमानि लांगोना गाजेनदों। मेट्रिक पास जादों फरायसालिमायाव मुं थिसनदों फरायनायनि थांखियै।

फरायनांगौ आरो फरायनांगौ। गोसो आव बेनो थांखि। बेनि अनगा जेबो गैया, साननोबो रोङ। मानोना आं उन्दैनिफ्रायनो बेखौनोल सोलों बोखादोंदि फरायनांगौ, फरायनाया जोंनि मावनांगौ बिबान, बास बेनो। बिमा-बिफायाबो जोंखा फरायनायनिल थागिदा होदों। फरायनांगौ, रोंनांगौ रानांगौ आरो साफा साफा मानसि महरै गायसननांगौ।

गावनि नाजानाय गोसो आरो बिमा-बिफानि मदद आरो बोसोनजों आंबो आवगायदों H.S. Pass जादों, Degree Pass जादों आरो थाखि थुखि Bodo नि गिबि M.A. थाखो आव फरायनो मोननायनि खाबु मोनहैदों।

बिजनी फरायसालिमानिफ्रायनो आं 1986 मायथायाव H.S. खौ उथ्रिदों आरो लोगो लोगोनो बे फराय सालिमायावनो T.D.C. आवबो Admission लायो। T.D.C. खौबो आंहा बे फरायसालिमानिफ्रायनो उथ्रिनायनि थांखिमोन। नाथाय समा जोबोर निस्थुर।

1987 मायथाइनिफ्राय ABSU नि हांख्रायनायाव आलादा हादोर दाबिनायनि सोमावसारनाय। जेरावबो जेंरैबो गोसारजोबदोंमोन। जावनाव आसाम नाङै जोंब्लावखांनाय अरा जोंनि थाखाय गिथाव-बाथाव जोदोंमोन। आनजाद् बैकत खालामनाय बोसोरसे समखौ आंबो मोनफादों। जावनाव आंनि T.D.C. फरायनायाव बोसोरसे थाथनांगौ जायो। फारसेथिं 1985 मायथाइनि Assam Assembly नि बिसाय खथियाव आंनि आफा (ँ गनेश बर') या Member of Lagislative Assembly नि सोद्रोमा महरै Bijni Constituency निफ्राय सायख जालांदोंमोन Plains Tribal Council of Assam हान्जानिफ्राय। जाय हान्जाया बै सोमावसारनायाव ABSU जों गाज्रि मेगनै नायजादोंमोन। जावनाव आफा एबा जोंनि नखरा गोबां जेंनानि मोगामोगि जानांदोंमोन, गोरोन्थि बुजिलायनायनि थाखाय। जावनाव आडो T.D.C. नि जोबथा आन्जादनि थाखाय Guwahati नि Handique Girls College आव सो मुं थिसन हैनाडो आरो आडो Handique Girls College निफ्रायसो B.A. Pass नि Certificate खौ लानाडो। बिजनी फरायसालिमानिफ्राय आं जोबथा Certificate खौ मोनफुंनो हायैनि थाखाय आंहा जिव मोनसेयाव हांमा थाबाय।

जिव लामायाव गोबां जेंना जंगोना लोगो मोन्दोंब्लाबो बेफोरजों मोगा मोगि जानो हानायनि गोहोखौबो इसोरा आंनो होनायनि थाखाय आं बै नुवाथारिनिसिम साबायखर बावहरो।

दिनै आं मुलुगसोलोंसालिनि बिबुंगिरि महरै खामानि मावहोनो हानायसिम लाबोनायनि गुदियावनो दङ आंनि आंगेनिबो आंगो बिजनी फरायसालिमानि गोहोम। आफाया जोंखौ फोरोंनायमोन- Without College, No knowledge.

होननानै। नंगौ थारैनो बे खोथाया। जायखौ जों फरायसालि थाखोआव मोननो हाया बेखौ फरायसालिमा थाखोआव मोननो हायो आरो फरायसालिमानि बे सोलोंथाइयानो मुलुग सोलोंसालिसिम आगान हैनोबो थुलुंगा होयों। आंनियावबो बेनो जादों। मुलुग सोलोंसालि फरायथार नांगौ बे मिजिङ आंनियाव बिजनी फरायसालिमायाव मुं थिसन जेननाय लोगोलोगोनो बाहा लादों। नाथाय बर' बिजोंजों फरायबोनाय, फारसेथिं आबुं बर' गामियाव देरबोनाय फर'यसा हिसाबै गिबि गिबि इंराजिखौ catch खालामनाया जेंना जादोंमोन। औरैहाय असमीयाबो रोंजोबा। H.S. Course आव सासे फरायसुलिया आंनि असमीया राय लायनायखौ खोनानानै आंखौ एदावदोंमोन। नाथाय अब्लाबो आं रावखौबो गिनाय एबा लाजिनाय लायालाबा आंनि फरायनायाव आं गोसो होबोदों जिवखौ दानो थाखाय। जानो हागौ आखौ एदावग्रा बैसोर बिथांमोनहा आंनिदानि लामासिम सौफैयाखिसै जानो हागौ।

बिजनी फरयसालिमायाव आं 1984 मायथायाव मुं थिसन दों। बेनि उन बोसोर थामहिन्बा 1985 मायथाइनिफ्रायनो आं All India Radio, Guwahati नि Bodo section नि मेथाइ लिरगिरिबो[*] जानो खाबु मोनबोदों। दिनैसिम बे रोखोम सोरजि जाबोनाय बेफोर मेथाइफोरखौ आं खोन्दो खोन्दोयै बिजाब महरैबो फोसावबोबाय। दासिम खोन्दो द'सिम बेफोर मेथाइफोरा बिजाब महरै नुजालांबाय। बेफोर गासैनि गुदियावनो दङ आंनि फरायसालिमानि गोहोम। जाय फरायसालि मायाव आडो Best Literary competitor महरैबो बान्था लाखिनो हानायनि मासि आवग्रिनो हादोंमोन, 1986 मायथाइयाव। बेफोर आंनि फरायसालिमानि बावंजायै बिसम्बि।

बे रोखोम दैनाय रेबगना दिनैसिम आंनि थाबथायाखै। रेबगनानो थुंग्रिनिखुइबो गोबौसिन बे खोथाया आंनि गोसोआव दो हाबनानै थाबाय आरो बेखायनो आं दिनै रेबगनखौनो आंनि साब सिन लोगो महरै आजाव नानैबो लाबाय।

बे रेबगनानो दिनै गोजौ सोलोंथाइनि थाखाय बिजनी फरायसालिमाजों जागायनानै मुलुग सोलोंसालिसिम दैखोनानै लाबोनो हाबाय बेनो आंनि जिउनि दैसिनबुब्लि। जाय फरायसालिमाया आंनो गोजौ सोलोंथाइनि जागाय जेनथिलि, बे जागायजेनथिलिनि सनाथि फोरबोखौ फालिनो, बे फरायसालिमानि सोमोन्दै फंनैसो खोथा लिरनो मोननायाव आं गावखौनो जोबोर देरगानाय मोन्दों। फारसेथिं आं दिनै बे फरायसालिमानि बारग फरायसाब्लाबो फरायसालिमानि गोबां खामानियावनो आं गावखौ सरजाबनानै दोननो मोननायाव गोसोआव जोबोर रंजनाय मोन्दों। बे रंजानाया गोसो गोरबोनि रंजनाय जिवनि दैसिन रंजानाय।

दिनैनि बे बुब्लियाव बिजनी फरायसालिमाया इयुनाव बे बियाबनि बयनिखुइबो साबसिन हामसिन सोलोंथाइथिलि जानो हाथों, बे फरायसालिमानिफ्राय ओंखारलांनाय फरायसाफोरा साफ्रोमबो जाफुंसार जाथों बेनो आंनि मिजिं। गलाय-गथाय सुबुंजों आबुं जानाय बे फरायसालिमानि आबहावायानो माबा मोनसे आलादा हायना दङ। बे गलाय-गथाय सुबुंजों, गोरोबैनि गेजेरावबो खौसेथिजों आगान सुरनानै बे सोलोंसालिया बयनि खुइबो साबसिन-हामसिन-जौगासिन जाथों बेखौनो आं मिजिं थिनानै आंनि जिवजों सरजाब फानानै थानाय बिजनी फरायसालिमानि जि बिसम्बि बे बिसम्बिखौ एसे यावनो दोन थबाय। बिजनी फरायसालिमा-अरायनों जौ गाबाय था।●

[*] लिरगिरिया बड'लेण्ड सोलोंसालिनि बर' बिफाननि बिफानारि गाहाइ।

# मुलुग जौगासिन मुलुग सोलोंसालि : गोदोनि आरो दानि

ड° गोगोम ब्रह्म कछारी

आथिखालाव फ़ारफ़ोम बिथिं आरो जेरावबो मुलुग जौगासिन मुलुगसोलोंसालि (मु:सो:) नि गोनांथिया बांबोबाय ठानायखौ नोजोराव गोलैयो। बुहुम बेंक (Word Bank) आबो बेबादि मु:सो: बांहोनायाव हुंखा सुंबोदों। ठांनाय मुगानि 30 जिथाइयाव बुहुम बेंकआ 200 हादोरनि सायाव नायसंनानै (Survey) मोनसे संफारि (data) फोसावदों बे मुगानि गिबि बाहागोयाव। संफारियाव बुंनाय जादों- हादोरनि जौगानाया गाहायै मोनथाम नोजोरथि (permanency) (1) मिथिंगायारिदोहोन (natural resources), (2) इसिङारिदाथाइ आरो (3) सुबुंदोहोन (human resources) फोरनि सायाव सोनारो। बे मोनथाम गोजोरथिखौ बिथा खालामनानै हादोर जौगानायनि बे बिजिरथायारि फारिलाइखौ बानायनाय जादों औरै-

**फारिलाइ-1**

| हादोर जौगानायनि गोजोरथिया सोनारो- | जौ खोन्दो |
|---|---|
| (i) मिथिंगायारिदोहोन (natural resources): | 20 |
| (ii) इसिङारिदाथाइ (insfrastructure) : | 16 |
| (iii) सुबुंदोहोन आरो समाजारि मावथाइ (human resources & spcial agent) : | 64 |

फिन बुहुम बेंकनि गुबुन मोनसे संफारियाव बुंनाय जादोंदि मुलुगनि जौगासिन मुलुगसोलोंसालि ठायाब्ला समाज एबा मोनसे हादोरा रां-समाजारि बिथिङावदावगानो हाया। बे जाहोनावनो मु:सो: जों आबुं सोनाबारि हादोरफ़ा दिनै बेसेबांबादोहोनि। बेखायनो इउनेस्क' (UNESCO) आरो बुहुम बेंकनि मोनसे जथाइ फाइखि गोहोया गोजौ सोलोंथाइखौ नैजिसे जौथाइनि गुदि बिथा महरै सिनायदों। बे लेखायैनो गोजौ सोलोंथाइयाव सोलोंसाफोरनि मुं थिसन्नायनि जखाखौ बांहोनो गोनांथि होदों आरो बुंथिदों- हादोरफोरनि जौगानायनि ठाखाय बाङायसिनैब्लाबो मुं थिसन्नायनि जखाया 20 जौ खोन्दो। 2 नं फारिलाइनिफ्राय बे बाथ्राखौ मिथिनो हायो।





**फारिलाइ-2**

हादर थिसनथायारि जखा (गोजौ सोलोंथायाव) हादोर जौगाथाय फिथाइ

| | | |
|---|---|---|
| 1. हादोर | 51 जौ खोन्दो एबा बांसिन | जोबोद गोजौ थाखोनि |
| 2. हादोर | 21-50 जौ खोन्दो एबा बाङाय | गेजेरनि |
| 3. हादोर | 6-20 जौ खोन्दोनि | गाहाय थाखोनि |

(बुंथि: भारत बर्षनि क्रकङ GER (Gross Enrollemtn Ratio) : 17.9 जौ खोन्दो; मुलुगनि GER नि गड़ 26 जौ खोन्दो।)

**गोदोनि भारतनि मुलुग सोलोंसालि :**

मोनसे समदंमोन, बै समनि भारतनि गोजौ सोलोंथाइ खुलिफ्रानो मुलुग जौगासिन मु:सो: महरै मेगनाव गोलैजादोंमोन। आथिखाल गोदान मु:सो: फोरनि नेम-खान्थिफ्रा बै समनि मु:सो:फ्रावबो साथिसारबोदोंमोन। बै समनि मु:सो: आव फरायथौनाय रिसि-मुणिफोरजों लोगोसे गुदि बिजाब रनसायनाय रोंग'साफ्रा मु:सो:खौल'दि जोंगा-मागा खालामनानै लाखिदों बे नङा, भारत हादोरखौबो मुलुगनि मादाव साबसिन गियाननि खुलि महरै सिनायथि होलांदों।

बबेखानि बै समनि सोलोंथाइखुलिफ्रा गोदान बेखेवथिनि (definition) मु:सो: महरै मुंथिजायाखैमोन। ड. सर्बपल्ली राधाकृष्णन बिथाङा गावनि 'The Foundation of Civilization' मुंनि बिजाबाव औरै लिरदों- 'While the term university is a modern one in India, its meaning has been familiar to us for ages past. The Universities, the whole body of teachers and pupils had something like a corporate existence. These seats of learning were responsible for developing the higher mind or the country its conscience and its deals.' बेफोरबादि मु:सो:फोरनि मादाव गाहायाव मख'नायफोरखौ रायखांनो हायो।

**1. तक्षशीला मुलुग सोलोंसालि:** ग्रीकदावबाइयारि आरियान आरो ष्ट्रभ'नि लिरनायाव तक्षशीलानि फोरमायनाय मोनो। चीनादावबाइयारि हिउयेन चाङा तक्षशीला मु:सो:खौ गोजौ सोलोंथाइनि मख'जाथाव जौगासिन ठावनि होन्नानै दिन्थिलांदोंमोन। बाराणसी, पाटलिपुत्र, राजगड़, मिथिला आरो उज्जयनीफोरनिफ्राय सोलोंसाफ्रा सोलोंथाय लाहैनो तक्षशीलायाव ठांनायमोन। पाटलिपुत्रनि मुंदांशा क'शल राजा प्रसेनजितआ सावस्त्रि बिगियान (medical science) सोलोंथाय लानो ठांदोंमोन। मौर्य फोलेरनि राजा चन्द्र गुप्त, तक्षशीलानि ठागिबि सुबुं रावखान्थिगिरि पाणिनि, रांखान्थिगिरि कौटिल्य आरो रिसि पतञ्जलीमोनबादि गेदेमा सुबुंफ्रा बे तक्षशीला मु:सो:नि सोलोंसाफोरमोन। गुबुन गुबुन आयदा- ठामथि बेद, मोनजिदाइन पुराणनि आरिमु (अष्टदश), रावखान्थि आरो सानथौजों लोगोसे अजा बिगियान (आयुर्बिगियान), फाइकि सोलोंथाय, आबाद, रौरोथोन सालायनाय- बेफोरबादि सोलोंथाइ लानो गोनां जादोंमोन।

**2. नालन्दा:** सानजायारि मु:सो:नि मादाव नालन्दा मु:सो:आ मुंदांखामोन। बिहारनि कान्दाहाराव ठानाय नालन्दा मु:सो:खौ गुप्त राइजोमा (साम्राज्य)

खुंगिरि (emperor) कुमार गुप्त -1 आ 5थि जौथाइयाव गाइसंदोंमोन। मुलुगनाङै मिथिसारजानाय बे मु:सो:आव गेजेर एचियानि चीन, तिब्बत, क'रियाफोरबादि हादोरनिफ्राय सोलोंथाइ आजावनो गुबुनारि सोलोंसाफोर सौफैदोंमोन। सोलोंसाफोरनि मुं थिसन्नाय खान्थिया जोबोद गोरामोन। फोरोंनाय खान्थिया खुगायारि (oral) मोन। 10 रोजा गुनि-गियानि सोलोंसाफोरजों आबुं बे मु:सो:नि गासैनि गिरियावदंमोन आखा-फाखा रोंग'सार सीलभद्र' (655 खृ:) आरो मख'जाथाव गिबिसा (chancellor) चीन हादोरनिदावबायारि हिउयेन चाङा बे मु:सो:खौ जोंगा-मागा खालामफैदोंमोन। नालन्दानि बिजाब बाख्रिया मोनथाम रतनसागर, रस्तनधी आरो रतन रन्जकं- गासैबो खरं नजों साजायफबनायमोन। रतनसागर बिजाब बाख्रिया जाबखो 9दंमोन। गुबुनारि गाग्लोबगिरि बखतियार खिंलिजिया बे मु:सो:खौ ठेर बेथेर खालामनानै, सावनानै सेव हांगार खालामब्ला बिजाबफ्रा 6दानहालागै खामबायथादोंमोन।

नालन्दा मु:सो:निदोथाइ (framework), आथिखाल गोदान मु:सो:जों गोरोबलायनायदं। सोलोंसा-फोरोंगिरि रुजुथाया फोरोंगिरिनि बिथाखो (grade) बादियै आयदाफोरखौ बाहागोजों लोगोसे फरायनाय-फोरोंनाय हाबा आरो आन्जाद खान्थिखौ गोदान मु:सो:निजों गोरोबनायखौ नुनो मोनो। आथिखालाव जैरै भारतआरि सोलोंसाफ्रा लाख-लाख बाइजोयाव सोलोंथाय लाहैयो बेबादिनो बै समाव गुबुन हादोरनिफ्राय भारतनि सोलोंथाइखुलियाव फैदोंमोन।

बेबादिनो बिक्रशील, बल्लभीफोरबादि मु:सो:फ्रा मुंदांखा आरो फुंखा आबुं बिजाबफोरजों आबुं जानायमोन बिजाब बाख्रिफ्रा।

**आथिखाल भारतनि मुलुग सोलोंसालिः**

गुदि सानथाइनि गोजौसिन मासि आवग्रिनो हानाय भारत हादोरा गुबुननि रुजुनायाव जोबोद गाहाइयाव। मानो बेबादि जाखो एबा जानांखो? मादायनि ठाखाय दिनै गोदान गियाननि बिथिङाव भारतआ सोनाबथिं नाइहरनांखो? मोनसे समाव मुलुगदांखा रोंग'सा आर्नल्ड टयेनबीया बुंदोंमोन- मोनसे सम फैगोन जेब्ला मुलुगनि मानसिफोरनियाव गोगो सान्दांथिनि उखैनाया जावरिखांगोन आरो अब्ला मुलुगा भारत हादोरनि फार्से नाइगोन। दिनै नायबाय होनजायो (य'गानि गेजेरजों सान्दांथिनि गियान बुथुमनाय बिथिङाव)।

मुंदांखा बिगियानि भारत रत्न ड. चि.एन.एन. रावा बै समनि गाहाय मन्त्री ड. मन'महन सिङनिसिम भारतनि गोदान सोलोंथाइनि सायाव खुद्रिनानै ओरैबादि लिरहरदोंमोन- 'Indian science is gripped by a crisis like never before, (What else to Indian Science?- राव)।

बेबादि हायख्लायबोनायनि जाहोना जानो हागौ गोलाव समनि।

1. The History of Hindu Chemistry बिजाबनि लिरगिरि फोरोंगुरु प्रफुल्ल चन्द्र राया बुंदोंदि भारत हादोराव सिबिथायारि (भक्ति) सोमावसारनाय जांगायनायनि सिगांनो भारतआरि बिगियाना मुलुगनि जौगा बिगियान सोलोंथाइनि समानैदंमोन। नाथाय सिबिथायारि (भक्ति) सोमवासारनायनि उननिफ्राय बिगियान सोलोंथाइनि गोनांथिया भारतआव बाङायबोदों।

2. फार्सेथिं इंराजफोरनि 200 बोसोर खुंथाइया भारतखौ नोरजिया खालामलांबाय। ब्रिटिछ रोंथायगिरि मेकुलेनि सोलोंथाइ खान्थिया Indian in blood, British in taste। भारतआरि उदांस्रि हास्थायसुलाफोरनि सान्नाय-हनायाव बेले-बेजे सोमजिहोबाय।

बेनिथाखायनो जानो हागौ मुलुगदांखा सोलोंथायगिरि लर्ड एछ बिया बे आयदायाव सावरायनानै बुंदोंमोन- At independence the Indians inherited in the universities a massive invalid unable to respond to my kind of simple treatment.

अब्लाबो उदांस्रि उननि समावबो रावबो सानरोङाखिसै जोंहा बेबादि हालाय-हाफाय जानांबाय। फार्सेथिं समब्रा-समब्रि समावनो जापाना नैथि मुलुगदावहानि समाव ठरनै एटम ब'मानि गाग्लोबनायाव ठेर-बेथेर जाबाय। गोदानै गसंथाफिननो ठाखाय गेबें मावथांखि लानानै जापानारि रोंग'सा, सानसुमै, राजखान्थिगिरिफ्रा बयबो जयै सानलायबाय-रायज्लायलायबाय- मा जाहोनाव जापाना बेबादि हालाय-हाफाय जानांखो! ठांखियाव सौफैनायसै-- सोलोंथाइ राहानि गोदानै फसंफिन्नाय, गोदान बिगियानारि सोलोंथाइ राहानि गेजेरजों जापानारि सोलोंसाफोरखौ रोंखा-रांखा खालामनांगोन आरो दिनै बिथांमोनहा खालामनो हामारबाय। नाथाय जों दिनै इयुन नोजोरगिरि एलभिन टफलारनि रावखौ बुजिनो रोङाखिसै। बिथाङा बुंदोंमोन- The illiterate of the 21st century will not be those who cannot read and write, but those who cannot learn unlearn and relearn.

भारतआव 1857 मायथाइयाव गंथाम मु:सो: गाइसंनाय जादोंमोन। बेफोर जाबाय कलकाता (कलिकाता), बम्बे (मुम्बाइ) आरो माद्राज (चेन्नाइ)। आथिखालाव गं 899 मु:सो:दं। नाथाय अब्लाबो मुलुगनि 200 जौगासिन मु:सो:नि फारिआव गंसेबो हाबफायाखै। फार्सेथिं चीन हादोराव गिबि मु:सो: गायसंनाय जायो 1898 मायथाइयाव। ठामहिनबा भारतनि 41 बोसोर उनाव, दिनैनिफ्राय 121 बोसोरसो सिगां। बै चीन हादोरा दिनै गोजौ सोलोंथाइनि फोथारजों लोगोसे मु:सो:आ दिन्थिनाय महरा मुलुगखौनो सोमोनांहोदों। मुलुगनि गं 200 मु:सो:नि मादाव गं 6 आनो चीन हादोरनि।

**मुलुग जौगासिन मु:सो:नि आखुथाइः**

मुलुग सोलोंसालिफोरखौ मुलुगनाङै बेसेन सुग्रा (assessment ranking) फसंथानफोरनि मादाव मख'जाथावफ्रा जाबाय THES (Times Higher Education Supplement), SJTU- (Shanghai Jiao Tong University), ARWU- (Academic Ranking of World University)।

मुलुग जौगासिन मु:सो: जानायनि गुबै ठादेरसा एबा आखुथाइफोरनि मादाव गोनांथिसिनफ्रा जाबाय-

1. गोजौ गुनगोनां जखानि फोरोंगिरि (faculty)
2. सोलोंथाइयारि (academic) उदांस्रि
3. गुन गोनां सोलोंथाइनि आदब
4. गोदानसिनथार आयदानि बिजिरसंनाय (cutting-edge research)
5. मुलुगनाङारि आरो गोजौ गुन ठाजानाय सोलोंसानि गोहो।
6. गोख्रों रां-खान्थियारि मदद (funding) नि फुंखा

(फुंखा: अल्टबेक- 2004, अल्ड्रेन आरो लीन-2004; ग'वेल University News-2019)। गोजौ गुन गोनां जखानि फोरोंगिरिनि ओंथिया

जादों न'बेल बान्था एबा फिल्ड मेडेल एबा सरा-सनस्रायै बे रोखोमनि गोजौ बिथाखोनि (FRS, बुकार बान्थाफोरबादि) बान्था मोन्राय फोरोंगिरिनि गोहोखौ फोरमायनाय जायो। सोनाबारि हादोरनि मु:सो:फ्राव बेबादि फोरोंगिरिनि बिहोमाफ्रा मख'जाथाव। मुंदांखा मु:सो:फोर जेरै- हार्भार्ड, अक्सफर्ड, केमब्रिज, ष्टेण्डफर्डफोरनि बाथ्राखौदोन, अदेबानि केलटेक, चिकाग'फोरबादि फिसा फिसा मु:सो:फ्रावबो मुलुगदांखा फोरोंगिरिफोरनि गावारि बिहोमाफ्रा साग्लोबगासिनोदं।

बेबादि गंनैसो मुलुग सोलोंसालिनि सुंद' सिनायथि होजायो।

केलटेक मुलुग सोलोंसालि: आबुं मुङा केलिफर्नीया इनष्टिटिउट अफ टेकन'लजी। फिसा मु:सो:। मोन 12 ल' बिफानदं। नाथाय बेवहाय सा 300 फेकाल्टी सोद्रोमाफोरदं। बबेखानि बे मु:सो:नि गोनांथार बिथिङा जाबाय हामजागुबैथार (excellency) बिथिङाव रुजुजायै। सा 17 न'बेल बान्था (बे बोसोर-2019 आवबो गुबुन गुबुन बिफानाव सा 3) आरो सा 3 आ क्रेफ'र्ड बान्था आवथाइनानै बे सोलोंथाइखुलिखौ मुलुगनि बइनिबो नोजोराव गोलैनाय खालामनानै लाखिदों। बेनि अनगायैबो आमेरिकानि मुंदांखा बिजिरसं मिरु NASA (National Aeronautics and Space Administration)-नि जेट प्रपालछनच् लेबरेटरीखौबो केलटेकआ सामलायो।

फिन बेबादि हामजागुबैथार (excellency) फोथाराव केलटेकआ जौसिन ठावनियाव सौहैनायनि गुबुन मोनसे मख'जाथाव गाहाय जाहोना जाबाय बिजिरसंनाय एबा गोदानसिनथार (cutting-edge research)। बावयैसो केलिफर्नीया इनष्टिटिउटनि बिजिरसंगिरिफ्रा मानसिनि मेलेमा मावनायबादि गोसोखां गोहो मोनफिन्नो हानाय खालामनो बानायलु (artificial) निउरेल नेटवर्क सोर्जिदों DNA निफ्राय। निउरेल नेटवर्कआदों 112 डि एन ए फिताजोंदाजानाय मोनब्रै निउर'नजों बानायजानाय।

इडेनबार्ग मुलुग सोलोंसालि : इंलेण्डनि अक्सफ'र्ड आरो केम्ब्रिज मु:सो:नि अनगायैबो बुहुमखौ गोमोहोनो हानाय गुबुन गंसे मु:सो: आ जाबाय स्कटलेण्डनि इडेनबार्ग मु:सो:। 1582 मायथाइयाव 437 बोसोर सिगां गायसंनाइ इडेनबार्ग मु:सो:आ जागायजेन्रायनिफ्रायनो गोदान सोलोंथाइ आरो बिजिरसंनायनि बिथाखौ जौगाखांहोबोदों। आथिखालाव गं 20 जौगासिन मु:सो:फोरनि मादाव बेबो मख'जाथाव। बिगियाननि जावरिखांथायारि महरखौ जौगा होनायाव बिहोमा होबोनाय बेनि आगु सोलोंसाफ्रा जाबाय- चार्लछ डारउइन, छार आलेकजेण्डार ग्राहाम बेल, छार्जन य'छेफ लिष्टार, मुवा बिगियानगिरि जेमछ मेक्सवेल आरो सानखान्थिगिरि रिमान बेइज। मु:सो:फ्रा जौगासिन महरै सायख'जानायनि गुबुन मोनसे गाहाय जाहोना जाबाय सोलोंसा एबा फोरोंगिरिनि गुदि (गुबै) बिहोमाजों लोगोसे उजिगासेयाव सान्दांथिनि आबहावाखौ गोजोङै लाखिनाय।

**बिजिरसंनाय आरो हादोरफोर:**

गोदानसिनथारै बिजिरसंनायनि ठाखाय गोदान आइजेंफोरजों बानायजानाय आइजें-आइलाफोरनि गोनांथि; बेनि ठाखाय गोनांथिदंदान-अनसुंथाइफोर। सोनाबारि हादोरफ्रा एबा बांरोखोमारि फसंथानफ्रा बे बिथिङाव सांग्रां। जौगानाय हादोरफ्रा बे बिथिङाव





मैखोमै गोनांथि होनायखौ नुनो मोन्दों। मोनसे रुजुथायारि सावगारि दिन्थिनो सान्राय जादों।

(क) बिजिरसंनाय बिथिङाव खरसा:

| हादोर | गासै हादोरारि दिहुनथाइनि जौ खोन्दो |
|---|---|
| आमेरिका जथाइ हादोर | 3.5 |
| कानाडा | 2.5 |
| जार्मानी | 2.5 |
| ब्रिटेइन | 1.3 |
| चीन | 1.61 |
| भारत | 1.03 |

(ख)

| नियुतफ्रोमाव बिजिरसंगिरिफोरनि | अनजिमा |
|---|---|
| भारत | सा 119 |
| चीन | सा 708 |
| जथाइ हादोर | सा 4605 |

(ग) पेटेन्ट (सोख'नजानाय 2016)

| | |
|---|---|
| भारत | सा 45658 |
| चीन | सा 1.1 निजुत |
| जथाइ हादोर | सा 5,89,410 |
| जापान | सा 3,18,721 |
| खो. क'रिया | सा 2,136 |

(क), (ख) आरो (ग) दिन्थि सावगारिनिफ्राय जों बुंनो हायोदि भारत हादोरनि बिजिरसंनाय एबा गोजौ सोलोंथाइनि बिथिङाव गुदिदोहोननि बाहायथाइया गोसो गोजोन्थाव नङा। बैनिखायनो बिजिरसंगिरिनि अनजिमा आरो मुं सोसनजानाय (patent) नि अनजिमाया गोसो बायथाव।

बबेखानिदेंग्लाय (2019) भारत सोरखारनि सुबुंदोहोन जौगाखां (HRD) बिफाना मोनसे मावबिथांखि आजावदों। लोगोसे मुलुग जौगासिन मु:सो:नि महर होनो ठाखाय ठुलुंगानाय फोरमायनानै मिरु सोरखारा गंथाम सोरखारि IIT बम्बे, IIT दिल्ली आरो बांगालरनि इण्डियान इनष्टिटिउट अफ सायेन्स आरो गंथाम गावारि (private)- मनिपाल एकाडेमी (बांगालर), पिलानी (राजस्थान)नि बिरला इनष्टिटिउट अफ टेकन'लजी आरो मुकेश आम्बानीनि जिअ' फसंथान। बेफोर हाबाया गदायैब्लाबो बाख्रायथाव होन्नानै बुंजायो। ठांनाय मुगायाव इयुन नोजोरारि लिरगिरि एलभिन टफलारा गावनि Future shock मुंनि बिजाबाव सांग्रांथि होनानै बुंदोंमोन- 'Due to rapidly accelerating pace of changes. "Future Shock" may well be the most important desease of the future'. टफलारनि सांग्रांथि होलांनायनि गोनांथिया नांथारगौ जानानै फैदों। मानोना गोरलैयै मोन्राय 3क्र, 4क्र, स्मार्ट मबाइल फ'न बाहायनायनि खाबु जानाय लोगो लोगो फेचबुक,

वाट्चएप, इउटिउब बा आथोनारि सावथुन नायनायनि खाबु जानानै फैदों, जाउनाव समाजानो मोजां हाबानि खाबु लानायनि सोलाय गोदान आथालनि बांसिनानो मबाइलनि लान्था (addicted) जानायनि गिनांगौखौ नेवसिगारनो हाया।

**सोमावसारारि सोलो बिगियाननि (technology) जावरिखांनाय:**

आगु हादोरगिरि, मुंदांखा बिगियानगिरि ए. पि. जे. आब्दुल कालामा पाटना आइ आइ टि सोलोंसा जथुम्मायाव आमेरीकानि हार्भार्ड मु:सो:नि बाय'सायेन्च लेबेरेटरीनि गोदानसिनथार हिदुनथायनि बागै रायखांनानै ओंरै बुंदोंमोन- I saw how two different sciences are shaping each other without any iron contain between the technologists. The reciprocating contribution of science to one another is going to shape our future. बिथाङा बुंदों आथिखाल 21थि जौथाइनि गियान समाजाव गोदानै सोमावसारनायनि बिथिङा जाबाय- बिगियान- सोलोगियान (science technology) आरो आबहावानि गलाय मोन्देर। बेनिखायनो new age model would be bio-nano-info-eco based.

गोदानथार आयदाफ्रा जादों आर्टिफिचियेल इन्टेलिजेन्स, 4थिदामिनारि जावरिखांनाय 4IR-Industrial Revolution एबा 4.0), रबटिक्स मेचिन लार्निं इन्टारनेट अफ थिंङ् (IOT), जेनम सोलोगियानारि (आरोंदायारि-टेकन'ल'जि), 5जि (5th generation techno), 3डि प्रिन्टिं आरो बइनिखुइ सोमोनांथावसिन आयदाया जाबाय फैगौ 2045 मायथाइयाव मानसिबादि सान्नो-हनो गोरों जागोन रबटआ। बेनिखायनो सोलोंथाइ आरो बिजिरसंनाय आदब-खान्थियाव़ बिदिन्थिया सोलायनो (पेराडिम छिफट्) ठांगासिनोदं।

मुंदांखा सोलोगियानारि technological) कम्पानी (बां रोखोमारि फसंथान) डेलनि गाहाय मासिगिरि माइकेल डेला बुंदों- 'Without great universities, it is really hard to have the basis talent'। आरोबाव डेलनि बां रोखोमारि फसंथाननि रिपर्टआव बुंनाय जादोंदि- फैगौ 2030 मायथाइयाव सरा-सनस्रा साख्रिफोरखौ बारस'लांजोबनानै 85 जौ खोन्दो गोदान गोदान बिगियान-सोलोगियाननि गोदानथार साख्रिफोर ओंखारगोन। नाथाय आथिखालनि गोजौ सोलोंथाइनि आदब-खान्थिया बेबादि गोदान जिउ राहा (job profile) सायख'नो हानाय नङा।

फारसेथिं अक्सफ'र्ड मु:सो:नि मोनसे बिजिरसंनायाव बुंनाय जादों- आमेरिका जथाइ हादोराव 47 जौ खोन्दो, भारतआव 69 जौ खोन्दो आरो चीननि 77 जौ खोन्दो गोजोर (regular) साख्रिया फैगौ 25 बोसोराव गोदान सोलो बिगियाननि जाउनाव गैया जाहैगोन।दासिमावनो चीन हादोराव रबट सोलोबिगियाननि हेफाजाबाव रबर्टनि बाहायनाय जाबाय। अदेबानिदावहा फोथारावबो फाइखिफोरनि सोलाय चीनआ रबर्ट सोलो बिगियान बाहायबाय।

बेफोर गासैखौबो नोजोर होयोब्ला भारतआबो गावनि हादोराव मुलुग जौगासिन मु:सो:नि फारिदानायाव गेबें हाबाफारि लानायनि अनगायै जेबो राहा गैया। नङाब्ला फोरोंगिरि अल्टबेकनि सांग्रांथि होनायानो नोजोराव सौफैफिनगोन- 'India is a world class country without world class university'. ●

---

लिरगिरिया बिजनी सोलोंसालिमानि बर' बिफाननि लेडाइ फोरोंगिरि।





# बिजनी कलेजखौ गोसोखांनानै...

ड° आदाराम बसुमतारी

आंनि गोसोयाव गोमोर रोडैरेगा बोनानै गालांनाय माखासे जायगा एबा थावनि आरो जाथायफोर दङ-जैरै-गुबुनफोरनियावबो दङ। मबेबा मोनसे बुब्लियाव गोनांथि मोनै माखासे जायगा आरो जाथायफोरा उननि दिनफोराव गुबुन रोखोमै गोनां जानानै फैयो।

आंनि जिउजों खाथि आरो आंगोसिनथारै नांजाबनानै थाफानाय थावनिया जादों आंनि जोनोम गामि गालापारा आरो बर'बाजार। बेनि उनाव आंनि जिउ आरो हाबाफोरजों गुलि गुलि मोफ्लामफैबाय थानाय जादों बिजनी कलेज जेब्ला आं बर'बाजार गोजौसिन फरायसालियाव फरायगासिनो दङ्मोन, अब्ला बिजनी कलेजा आंनि आदर्श आरो थुलुंगानि मुंमोन। थाखो जिआव फरायबाय थानाय समाव थाखोनि लोगोफोरजों जों सावरायोमोन मेट्रिक पास जायोब्ला सोर बहा फरायहैगोन। बिज्ञान आयदा फरायनो गोसो गैयैफोरानो बिजनी कलेजाव फरायहैनायनि बाथ्राखौ बुंनायमोन। आं नाथाय गोसोनि लुबैनायखौ दबथायनानै बुंनायमोन- "आं बर'बाजारावनो फरायगोन।" आंनि केपाचिटिखौ आंसो मिथिगौ- गुबुना मा मिथिनो! जोंनि सिगां एबा 1986 इं मायथाइयाव मेट्रिक उथ्रिनाय जोंनि फरायसालिनि फरायसुलाफोरा बिजनी कलेजाव फरायफैदोंमोन।

1987 इं मायथाइनिफ्राय एबसुनि दैदेननायाव जानाय बड'लेण्ड सोमावसारनायनि बायदि हाबा फारियाव लोगो मोनोमोन- माखासे दैदेनगिरिफोर जेरै-जायफोरा बिजनी कलेजनि फरायसामोन। जेरै-रुपनाथ हाज'वारी, मिथुन, सुसिल, अरुनदय, नरेन, मानिक, मंगलसिं, जालामा, बारान्दा आरो मुं मानिक, मंगलसिं, जालामा, बारान्दा आरो मुं बावजोबनाय माखासे। बैफोर लोगो मोननायफोराबो बिजनी कलेजाव फरायनो आंखौ एवथुबाय थायोमोन।

बै सोमावसारनायनि थाखायनो आंनि फरायनाया मेट्रिकनि उनाव बोसोरनै लावलांदोंमोन। 1999 इं मायथाइयाव हायार सेकेण्डारि फाइनाल लिरनांगौमोन, नाथाय एबसुआ Loss year फोसावनायजों आं फाइनाल लिरनो हायाखिसै। आरोबाव मा, बै समफोराव बर' सेंग्रा-सिख्लाफोरा बिजनी टाउनाव थाफैनांगौयाबो मोनसे गिदिर जेंनामोन। मानोना, हारसा आरो पुलिसनि नोजोराव जों साफा-साफा सिखार खालामजाग्रा मैहुर बायदिमोन। बेनि उन बोसोर 1990 इं मायथाइयाव फरायनाय जाथारैखाय आन्जादाव जिरायाखैसै आं। 1991 इं मायथाइयाव हायार सेकेण्डारिनि जोबथा आन्जादखौ आं लिरो, बै समाव जोंनि आन्जादनि थावनिया बिजनी कलेजआवनोमोन।

बै समाव, गिनाय आरो लाजिनायखौ दोननानै बुंनांगौ जायो- आन्जादनि समाव सावरि जाग्राफोर दङ्मोन। थामहिनबा समनि आन्जादखौ लक्षना लिरोमोन। आरोबाव- नकल साफ्लाय...!

बिजनी कलेजनि आन्जाद थावनियाव बेनि मोननैबो सुजुग मोनाखिसै। बेनिखायनो सा साग्रां फरायग्रा माखासे सुबिदाबादि आन्जाद होग्राफोरा आन्जादसालियाव दावराव खालामनानै आन्जादखौनो फेलें खालामनो थाखाय गाग्रि आयदा लानो रायलायलायबाय। बे गाग्रि रादाबा आंनि खोमायाव हाबनाय लोगो लोगो आं जोबोद दुखु मोनबाय। मोनोना बे जागुबैमारोब्ला आंनि जिउ दिङाया बहादि बुखारलांजागोन। बेनि बोसोरसे सिगां, 1990 इं मायथाइयाव बिजनी चेन्टारनि मेट्रिक आन्जादआव बेबायदिनो केनचेल जादों। माखासे दुष्ट मानसिफोरा नकल मोनैनि, लिरनो हायैनि दावराव खालामनानै आन्जाद हलनिफ्राय ओंखारो, दावराव-दावसि खालामो उनाव आन्जाद हलिनिफ्राय (जानांगौ बिजनी हिन्जावसा गोजौ फरायसालि आरो जाकिर हुसेइन गोजौ फरायसालिनि चेन्टार) साफा साफा उनाव गासैबो ओंखारो-बेंनिफ्राय गुबै चेन्टार बान्धब हायार सेकेण्डारिनिफ्रायबो ओंखारो। आन्जादआ केनचेल जायो। फरायनायजों जिउ जानो सिगांबोनाय गोबां फरायसाफोरनि केरियार नष्ट जायो।

बेनिखायनो आं बिजनी कलेजनि लेडाइ गोरायुं सार बिरेन्द्रगिरि बसुमतारी आरो बिजनी आन्चलिक कमिटि एबसुनि दैदेनगिरिफोरनो बे बाथ्राखौ खिन्थायो। बिथांमोनहा बे बाथ्राखौ मिथिनानै उननि आन्जाद खालि सांग्रां जायो, पुलिस आरो चि. आर. पि. एफखौ गोबांसिन बाहायो- आन्जादनि सायाव दुष्टफोरनि दुष्ट नाजानय फेलें जायो।

बि. ए. आव आं बिजनी कलेजाव मुं थिसनो। इंराजी रोंनो हास्तायनायजों आं इंराजी आयदायाव मेजर लायो। इंराजी मेजराव आंजों दंफायोमोन- पानबारीनि लम्बुधर, बर'बाजारनि शंकरदेब, बल्लामगुरिनि आनजेला आरो खोला गारगावनि सोमस्त्रि। इंराजि मेजरजों बिजनी कलेजाव फरायनायाव आंहा गियान फैदोंमोन ''बेनो आंनि कारकाना, जाय कारकानानिफ्राय आं गंसे हाथियार दिहुनथारनांगोन जाय हाथियारा आंनि जिउनि अनसाइगिरि आरो जिउ दैदेनगिरि जागोन।''

बेनिखायनो आं बिजनी हाइना नोगोराव प्रदीब गयारीजों लोगोसे सम्राट मुसाहारीनि न'आव भारा भायो। प्रदीबआ बै समाव बैसोआव आंनि दुइसिनमोनब्लाबो फरायनायाव थाखोसे बारामोन। इंराजी आयदानि फोरोंगिरिफोरा जादोंमोन- आर. ए. चाहु, एस. के. पचायट, पाण्डा आरो रनजिट दास। पान्दा साहाआ 1992 इं मायथाइयाव बहाबा थांबायमोन-जायनि जायगायाव 1993 मायथाइयाव राजिब गुरुं सारआ हाबफैदोंमोन।

जोंनि बै समाव, बर' फरायसाफोरनि अनजिमाया जोबोद गोबांमोन। बै समाव, old course new course नि मोत्रै आलादा आलादा हायार सेकण्डारि फाइनाल आन्जादबो जादोंमोन। आं old course निमोन, थारमाने फाइनालाव सेथि आरो नैथि बासोरनि मोननैखौबो फरायनांगौमोन।

